# গুৱাহাটী ! গুৱাহাটী !

অতীত, বৰ্তমান আৰু ভৱিষ্যৎ

(প্ৰবন্ধ সংকলন)

**প্ৰথম খণ্ড**


**সম্পাদক**

ড° ভাস্বতী বৰুৱা দাস

ড° মামণি কলিতা



**প্ৰকাশক**

**দিশপুৰ মহাবিদ্যালয়**

দিশপুৰ, গুৱাহাটী-৬

***Guwhati! Guwahat! :*** *A compilation of historical articles, edited by Dr. Bhaswati Baruah Das and Dr. Mamani Kalita published by Dispur College, Guwahati-6, Assam printed by Girija Printer & Publishers. Rs.*

---

**গুৱাহাটী ! গুৱাহাটী !**
অতীত, বৰ্তমান আৰু ভৱিষ্যৎ
(প্ৰবন্ধ সংকলন)

| | | |
|---|---|---|
| **সম্পাদক** | ঃ | ড° ভাস্বতী বৰুৱা দাস<br>ড° মামণি কলিতা |
| **প্ৰকাশক** | ঃ | দিশপুৰ মহাবিদ্যালয়, দিশপুৰ, গুৱাহাটী-৬ |
| **প্ৰথম প্ৰকাশক** | ঃ | আগষ্ট, ২০২১ |
| **গ্ৰন্থস্বত্ব** | ঃ | দিশপুৰ মহাবিদ্যাল, গুৱাহাটী-৬ |
| **বেটুপাত অংকণ** | ঃ | নয়নজ্যোতি চৌধুৰী |
| **অক্ষৰ বিন্যাস, অংগ সজ্জা** | ঃ | সাগৰ পাঠক |
| **আৰ্হি পাঠ** | ঃ | হিৰণ্য কুমাৰ নাথ |
| **মূল্য** | ঃ | ২০০/- টকা |
| **মুদ্ৰক** | ঃ | গিৰিজা প্ৰেছ, গুৱাহাটী-৬ |
| **ISBN** | ঃ | 978-81-929492-4-6 |

---

(এই গ্ৰন্থত সন্নিৱিষ্ট প্ৰবন্ধসমূহৰ তথ্য আৰু বক্তব্য লেখকৰ নিজৰ, ইয়াৰ বাবে সম্পাদনা সমিতি দায়বদ্ধ নহয়।)

# উচৰ্গা




*যি সকল পুৰোধা ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত*
*গুৱাহাটীৰ মাজমজিয়াত*
*দিশপুৰ মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিছিল তথা এই মহাবিদ্যালয়ৰ*
*প্ৰাক্তন, বৰ্তমান আৰু ভৱিষ্যতৰ*
*সমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত কিতাপখন সাদৰেৰে*
*অৰ্পণ কৰিলো.........*

**- সম্পাদকদ্বয়**

# গুৱাহাটী ! গুৱাহাটী !

অতীত, বৰ্তমান আৰু ভৱিষ্যৎ

(প্ৰবন্ধ সংকলন)

প্ৰথম খণ্ড

## সম্পাদনা সমিতি-

**মুখ্য উপদেষ্টা ঃ**

ড° বলেন্দ্ৰ কুমাৰ দাস, সভাপতি, দিশপুৰ মহাবিদ্যালয় পৰিচালনা সমিতি

**উপদেষ্টা ঃ**

ড° অমৰ শইকীয়া, অধ্যক্ষ, দিশপুৰ মহাবিদ্যালয়

**সম্পাদক ঃ**

ড° ভাস্বতী বৰুৱা দাস

ড° মামণি কলিতা

**সদস্য / সদস্যা ঃ**

ড° জয়জ্যোতি গোস্বামী, প্ৰাক্তন উপাধ্যক্ষা, দিশপুৰ মহাবিদ্যালয়

ড°ৰাণী মুদিয়াৰ ডেকা, উপাধ্যক্ষা, দিশপুৰ মহাবিদ্যালয়

ড°বাবী বৰুৱা (অৱসৰপ্ৰাপ্ত অধ্যাপিকা)

ড°মঞ্জৰী শৰ্মা (অৱসৰপ্ৰাপ্ত অধ্যাপিকা)

শ্ৰীযুতা ইন্দ্ৰাণী চৌধুৰী মহন্ত

শ্ৰীযুত ৰাতুল বৰা

ড°অজয় মিত্ৰ

ড° জ্যোতিষ গোস্বামী

ড° মৌচুমী দেৱী

**ড° বলেন্দ্ৰ কুমাৰ দাস**

**সভাপতি**

দিশপুৰ মহাবিদ্যালয় পৰিচালনা
সমিতি, গুৱাহাটী

তাৰিখ ঃ ১০/০৮/২০২১

## শুভেচ্ছবাণী

অতীজৰ কামৰূপ কমতাপুৰ বা প্ৰাগজ্যোতিষৰ ৰাজধানী ৰূপে খৃষ্টপূৰ্ব দ্বিতীয় শতিকাৰ পৰা প্ৰথম শতিকাৰ ভিতৰত গঢ়ি উঠা বুলি আমবাৰীত উদ্ধাৰ হোৱা সমলে প্ৰমাণ কৰা, পূবাৰ সূৰুযে প্ৰথম কিৰণৰ আভাৰে উদ্ভাসিত কৰা, বৰ লুইতৰ পূতঃ জলধাৰাৰে সদা স্নাত, আমাৰ গৌৰৱৰ থলী- গুৱাহাটী। এই গুৱাহাটীৰেই সৌৰ্যশালী অতীত, সদা উচ্ছল বৰ্তমান আৰু অসীম সম্ভৱনাপূৰ্ণ ভৱিষ্যতৰ যৎকিঞ্চিত অমিতাভ চিন্তাৰ ৰূপৰেখাৰে সমৃদ্ধ কৰাৰ দিশপুৰ মহাবিদ্যালয় অধ্যয়ন চক্ৰৰ বিনম্ৰ প্ৰয়াস, এই ‘গুৱাহাটী! গুৱাহাটী! অতীত, বৰ্তমান আৰু ভৱিষ্যৎ’ নামৰ গ্ৰন্থখনি।

দিশপুৰ মহাবিদ্যালয়ৰ দুগৰাকী সহযোগী অধ্যাপিকা ড° ভাস্বতী বৰুৱা দাস আৰু ড° মামণি কলিতাৰ সম্পাদনাত গ্ৰন্থখনি অতি সোনকালে প্ৰকাশ পাব বুলি শুনি নথৈ আনন্দিত হৈছো। লগতে এই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰ শইকীয়াই গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ যিখিনি সদৰ্থক স্থিতি আগবঢ়ালে, এই সুযোগতে মই তেখেতলৈও ধন্যবাদ জনালো।

গুৱাহাটী অকল বহু কাল ইতিহাসে গৰকা এখনি চহৰেই নহয়, ই হ’ল গোটেই উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখ স্বৰূপ। ভাষা, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে নানা নৃগোষ্ঠীৰ সকলোকে নিজৰ উদাৰ কোলাত আকোৱালী লৈ - ‘বহুজন সুখায়, বহুজন হিতায়’ মন্ত্ৰৰ ন ন গৰিমাৰে- বিজ্ঞান, কলা, সংস্কৃতি, অৰ্থনীতি, ৰাজনীতি আদি সাধনাৰ অনন্য এই স্থান, বহ্নিমানহৈ তিৰ্‌বিৰাই আছে মহাবাহু ব্ৰহ্মপুত্ৰৰ শ্যামলী তীৰত। ইয়াৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত জনাটো আমাৰ সকলোৰে কাম্য।

**(ড° বলেন্দ্ৰ কুমাৰ দাস)**, সভাপতি,
দিশপুৰ মহাবিদ্যালয় পৰিচালনা সমিতি
গুৱাহাটী

**ড° অমৰ শইকীয়া**
**অধ্যক্ষ**

দিশপুৰ মহাবিদ্যালয়
গুৱাহাটী

তাৰিখ ঃ ১০/০৮/২০২১

# শুভেচ্ছবাণী

দিশপুৰ মহাবিদ্যালয়ৰ অধ্যয়ন চক্ৰৰ সহযোগত ড° ভাস্বতী বৰুৱা দাস আৰু ড° মামণি কলিতাৰ সম্পাদনাত 'গুৱাহাটী! গুৱাহাটী!' অতীত, বৰ্তমান আৰু ভৱিষ্যত (প্ৰথম খণ্ড) শীৰ্ষক গ্ৰন্থখনি প্ৰায় প্ৰস্তুতিৰ পথত বুলি জানিবলৈ পাই সুখ অনুভৱ কৰিছো।

'দিশপুৰ' অসমৰ ৰাজধানী যি গুৱাহাটীৰ প্ৰাণ বিন্দু, যাৰ দ্বাৰাই আমাৰ মহাবিদ্যালয়খনক নামাকৰণো কৰা হৈছে। সেয়েহে যিখন ঠাইত আমাৰ মহাবিদ্যালয়খন অৱস্থিত তাৰ ইতিহাস জনাৰ হাবিয়াস নিতান্তই প্ৰয়োজনীয়। গ্ৰন্থই যুগ যুগান্তৰলৈ কৰ্মৰ ছবি আঁকি ৰাখে। সেয়েহে সম্পাদনা কমিটিৰ লগত আলোচনা কৰি গুৱাহাটীত সুদীৰ্ঘ কাল বাস বাস কৰি অহা বা ইয়াতে জন্ম লাভ কৰা ইয়াৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সাক্ষ্য বহন কৰা মহান মহান ব্যক্তিসকলৰ পৰা সমল সংগ্ৰহৰ সংকল্প আমি লৈছিলো। সংকলনটিত ঐতিহাসিক, আধ্যাত্মিক, আৰ্থ-সামাজিক তথা ভৌগোলিক সকলো দিশ সামৰি লোৱাৰ চেষ্টা কৰা হৈছে। সংকলনটি ভৱিষ্যত প্ৰজন্মৰ বাবে মূল্যৱান সমল হ'ব বুলি আশা কৰা হ'ল। গ্ৰন্থখন সকলোৱে আদৰি ললে আমি দিশপুৰ মহাবিদ্যালয় পৰিয়ালবৰ্গ কৃতাৰ্থ হ'ম। আশা কৰিছো, আমাৰ এই প্ৰচেষ্টা সাৰ্থক হওক।

জয়তু দিশপুৰ মহাবিদ্যালয়।

(**ড° অমৰ শইকীয়া**), অধ্যক্ষ
দিশপুৰ মহাবিদ্যালয়
গুৱাহাটী

# সম্পাদকীয়

**গুৱাহাটী ! গুৱাহাটী ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যত**

গুৱাহাটী, কামৰূপ অথবা প্ৰাগজ্যোতিষপুৰৰ ইতিহাস অতি প্ৰাচীন আৰু সমৃদ্ধ। ইয়াৰ ইতিহাস জনাৰ হাবিয়াস আমাৰ বহুদিনীয়া। ৰামায়ণ-মহাভাৰতৰ সময়ত প্ৰাগজ্যোতিষপুৰ, পুৰাণৰ সময়ত কামৰূপ আৰু পৰৱৰ্তী কালত গুৱাহাটী নামেৰে প্ৰসিদ্ধি লাভ কৰা এই ভূখণ্ড আৰু ইয়াৰ অধিবাসীসকলে অসম বুৰঞ্জীত অতীজৰে পৰা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। মহাকবি কালিদাসৰ বিখ্যাত মহাকাব্য 'ৰঘুবংশ'ত কামৰূপ নামৰ উল্লেখ পোৱা যায়। এই ভূখণ্ডত বিভিন্ন সময়ত বিভিন্ন ৰজাই যেনে মহীৰঙ্গৰ পৰা ঘটকাসুৰ, নৰকৰ পৰা ভগদত্ত, ব্ৰজদত্তৰ পৰা পুষ্পদত্ত আদি ৰজাই ৰাজত্ব কৰাৰ উমান পোৱা যায়। ইয়াৰোপৰি প্ৰথম শতিকামানৰ পৰাই ৰাজত্ব কৰা বৰ্মন বংশীয়, শালস্তম্ভ বংশীয় আৰু পালবংশীয় আদি ৰজাসকলে আহোমসকলৰ আগমনৰ আগলৈ ইয়াত ৰাজত্ব কৰাৰ তথ্য পোৱা যায়। গুৱাহাটীৰ ইতিহাস সম্বন্ধে আমি অনেক শিলালিপি, তাম্ৰলিপি, শিল্প-ভাস্কৰ্য ইত্যাদিৰ জৰিয়তে উমান পাব পাৰো।

গুৱাহাটী নামৰ উৎপত্তিলৈয়ো বিভিন্নজনৰ বিভিন্ন মতভেদ থকা দেখা যায়। হিউৱেনচাঙে তেওঁৰ বিৱৰণিত লিখিছে যে প্ৰাগজ্যোতিষপুৰ কামৰূপত নাৰিকল আৰু তামোল গছ সৰহ। এই নগৰৰ কেউফালে পৰ্বত বা গুহা থকা কাৰণে ইয়াক গুহাশ্ৰেণী বা গুৱাহাটী বোলে। গতিকে গুৱা বা তামোল অথবা গুৱা শব্দৰ পৰাই 'গুৱাহাটী' নামৰ উৎপত্তি হোৱা বুলি অনুমান কৰা হয়। গুণাভিৰাম বৰুৱাইও গুৱা শব্দৰ পৰাই গুৱাহাটী নামটোৰ উৎপত্তি হোৱা বুলি

ধাৰণা কৰে। ডº মহেশ্বৰ নেওগেও গুৱা শব্দৰ পৰা গুৱাহাটী নামৰ উৎপত্তি হোৱাৰ কথা উল্লেখ কৰিছে। কোনো কোনোৰ মতে তামোলৰ (গুৱা) বজাৰ (হাটা বা হাট)ৰ পৰাহে গুৱাহাটী নামৰ উৎপত্তি হোৱা বুলি কৈছে। বেঙ্গল এণ্ড নৰ্থ ইষ্ট গেজেটিয়েৰতো তামোলৰ প্ৰচুৰতাৰ বাবে গুৱাহাটী নামৰ উৎপত্তি হোৱা বুলি উল্লেখ আছে।

'গুৱাহাটী' শব্দৰ উৎপত্তিৰ ক্ষেত্ৰত যেনেদৰে মতভেদ পোৱা যায় ঠিক তেনেদৰে ইংৰাজীত 'গুৱাহাটী' শব্দটো লিখিবলৈ বিভিন্নজনে বিভিন্ন বানান ব্যৱহাৰ কৰিছিল। যেনে- হাণ্টাৰ আৰু বুৰঞ্জীবিদ গেইট চাহাবে গুৱাহাটীক 'Gauhati', কেপ্টেইন ওৱেলছ, ৰবিনছন আৰু মিলছে 'Gowhatti', হেমিলটনে 'Gohati' আৰু মেকচে 'Gohti' বুলি লিখিছিল। ১৯৮০ খ্ৰিষ্টাব্দৰ শেষৰফালেহে গুৱাহাটীৰ ইংৰাজী বানান 'Guwahati' কৰা হয়। সেয়েহে বৰ্তমানো আমি Gauhati University নাইবা Gauhati High Court বুলিহে লিখো।

কালক্ৰমত প্ৰাগজ্যোতিষপুৰৰ নাম গুৱাহাটী হৈ পৰিল। সম্ভৱতঃ ১৭ শতিকামানৰ পৰা এই নামৰ প্ৰচলন আৰম্ভ হয়। মিনহাজৰ 'টবকত ই নছিৰি'ইত এই নগৰৰ নাম গুৱাহাটী বুলি প্ৰথমবাৰলৈ উল্লেখ কৰা হৈছিল। তাত বংগদেশৰ শাসন কৰ্তা ইখতিয়াৰ উদ্দিন মালিক টোমল খাই ১২৫৬ খ্ৰিষ্টাব্দত কামৰূপ জয় কৰি গুৱাহাটী অধিকাৰ কৰে বুলি কোৱা হয়। ১৮২৪ খ্ৰিষ্টাব্দত ব্ৰিটিছে মানৰ হাতৰ পৰা গুৱাহাটী অধিকাৰ কৰে। ১৮২৮ খ্ৰিঃত নামনি অসমক আনুষ্ঠিনকভাৱে ব্ৰিটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি গুৱাহাটীক ইয়াৰ সদৰ কৰি লোৱা হয় আৰু ইয়াত বিভিন্ন কাৰ্যালয়সমূহ নিৰ্মাণ কৰা হয়। কিন্তু ১৮৯৭ খ্ৰিঃৰ বৰভূইকঁপত এই কাৰ্যালয়সমূহ চূৰ্ণ বিচূৰ্ণ হয়।

গুৱাহাটীত এতিয়াও বিৰাজমান হাজাৰ হাজাৰ বছৰ ইতিহাসে গৰকা বহুতো স্মৃতিৰ চানেকি। অসম তথা গুৱাহাটীৰ ইতিহাস প্ৰসিদ্ধ ঘটনাসমূহৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য ঘটনা হ'ল শৰাইঘাটৰ যুদ্ধ। এই যুদ্ধ মোগল আৰু অসমীয়া সৈন্যৰ মাজত হৈছিল ১৬৭১ খৃষ্টাব্দত। ইতিহাস মতে চক্ৰধ্বজ সিংহৰ মৃত্যুত তেওঁৰ ভায়েক চুকাফা বা উদয়াদিত্য সিংহ ৰজা হয় (১৬৬৯-৭৩ খৃঃত) আৰু তেওঁৰ ৰাজত্ব কালতে এই যুদ্ধ হৈছিল আৰু অসমীয়া সৈন্যই জয়লাভ কৰিছিল। এই বিজয়ৰ লগত ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁই আৰু লাচিত বৰফুকনৰ কৃতিত্ব নিহিত হৈ আছে। তেওঁলোকৰ অতুলনীয় নেতৃত্বৰ বাবেই অসমীয়া সৈন্যই পৰাক্ৰমী মোগলৰ বিৰুদ্ধে জয়লাভ কৰিছিল। আজিৰ গুৱাহাটীৰ শৰাইঘাট দলং শৰাইঘাট যুদ্ধৰে জ্বলন্ত সাক্ষী হৈ আমাৰ মাজত চিৰজাতিষ্কাৰ হৈ জিলিকি আছে। ইয়াৰ পিছত আমি পাঁচশ বছৰমান পুৰণি টঙৱা সত্ৰখনৰো নাম ল'ব পাৰো। বৰ্তমান ছয়মাইলৰ জয়ানগৰত অৱস্থিত এই সত্ৰখন বেলতলাৰ ৰজা হৰিনাৰায়ণে সুন্দৰীদিয়া সত্ৰৰ নিকটৱৰ্তী সত্ৰৰ পৰা মাধৱদেৱৰ ভাগিন সত্ৰাধিকাৰ দৈত্যাৰি ঠাকুৰক অনাই প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়। ইয়াৰ উপৰি গুৱাহাটীত বৰটকৌবাৰী আৰু সৰুটকৌবাৰী নামেৰে দুখনি অতি পুৰণি সত্ৰ আছে। বৰদোৱাৰ পৰা বন্তি আনি বিপ্ৰ আতৈয়ে কলীয়াভোমোৰা বৰফুকনৰ দিনত গুৱাহাটীত পুলিচ ৰিজাৰ্ভৰ ওচৰত এই সত্ৰখন পাতিছিল।

গুৱাহাটীৰ দুটা ইতিহাস প্ৰসিদ্ধ পুখুৰী হ'ল যোৰপুখুৰী আৰু দীঘলীপুখুৰী। ইতিহাস অনুসৰি ১৭২০ খ্ৰীষ্টাব্দত স্বৰ্গদেউ শিৱ সিংহই উগ্ৰতাৰা মন্দিৰ সজাইছিল আৰু তেঁৱেই প্ৰথমে তাত এটা পুখুৰী খন্দাইছিল; যাৰ নাম আছিল উগ্ৰতাৰা পুখুৰী। গুৱাহাটীলৈ ব্ৰিটিছ অহাৰ পিছত এই পুখুৰীৰ মাজেদি পথ নিৰ্মাণ কৰি পুখুৰীটো যুৰীয়া কৰাৰ বাবে যোৰপুখুৰী নামেৰে প্ৰসিদ্ধ হৈ পৰিল।

বৰ্তমান গুৱাহাটীৰ পাণবজাৰত থকা দীঘলীপুখুৰীটো ৰজা ভগদত্তৰ জীয়েক ভানুমতীৰ সয়ম্বৰ উপলক্ষে খন্দোৱা হৈছিল বুলি প্ৰবাদ আছে। এই পুখুৰীৰ নাম মহাভাৰততো পোৱা যায়। এই দুটাৰ উপৰি নাগপোতা পুখুৰী, শিলপুখুৰী ইত্যাদিয়ে গুৱাহাটীৰ পুৰণি ঐতিহ্য বহন কৰি আছে। ইংৰাজ অহাৰ আগলৈকে শিলপুখুৰীটোৰ নাম নকোণীয়া পুখুৰী আছিল। পিছত পুখুৰীৰ পাৰত পুৰণি লিপিখচিত এচটা শিলৰ পৰাই শিলপুখুৰী নাম পালে বুলি জনা যায়। এই পুখুৰী স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত তৰুণ দুৱৰা বৰফুকনে ১৭৫৩ খ্ৰীষ্টাব্দত খন্দাইছিল। নাগপোতা পুখুৰীৰ সম্বন্ধ শুক্ৰেশ্বৰ মন্দিৰৰ সৈতে থকা বুলি বহুত পণ্ডিতে ধাৰণা কৰে। এইদৰে গুৱাহাটীৰ সৌন্দৰ্য বৰ্দ্ধনত এই পুখুৰীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

গুৱাহাটী অসমৰ বাহিৰত 'মা কামাখ্যা দেৱীৰ স্থান' হিচাপে খ্যাত। এই

মা কামাখ্যা দেৱীৰো আছে হেজাৰ হেজাৰ বছৰ পুৰণি ইতিহাস। মা কামাখ্যা দেৱীৰ মহিমামণ্ডিত গুৱাহাটী হৈছে পৃথিৱীৰ ভিতৰত এখনি পৱিত্ৰ ঠাই। প্ৰতিজন অসমীয়াৰ হাড়ে হিমজুৰে মা কামাখ্যা দেৱীৰ মহিমা বিদ্যমান। এনেহেন এখন পৱিত্ৰ ঠাইত বসবাস কৰিবলৈ পাই আমি ধন্য হৈছো। বিভিন্ন মঠ-মন্দিৰৰ সমাহাৰ গুৱাহাটী মহানগৰী পঞ্চতীৰ্থৰ ঠাই বুলিও খ্যাত। ইয়াত মা কামাখ্যা দেৱী আৰু শুক্লেশ্বৰ দেৱালয় উপৰি আছে আন তিনিখন বিখ্যাত দেৱালয় যেনে- অশ্বক্লান্ত, বশিষ্ঠাশ্ৰম আৰু উমানন্দ। এই আটায়ে মিলি গুৱাহাটীৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰিছে। অশ্বক্লান্ত পাহাৰত অৱস্থিত অশ্বক্লান্ত দেৱালয় এখনি অন্যতম দেৱালয়। অনন্তশায়ী, বিষ্ণু, কুম্ভ অৱতাৰ বিষ্ণুৰ পদচিহ্নৰে মণ্ডিত এই দেৱালয় হ'ল প্ৰসিদ্ধ গয়াতীৰ্থৰ সমপৰ্যায়ৰ। গুৱাহাটীৰ সন্ধ্যাচল পাহাৰত আছে বশিষ্ঠাশ্ৰম। ব্ৰহ্মাৰ মানস পুত্ৰ বশিষ্ঠ মুনি আছিল সূৰ্যবংশীয় ৰজাসকলৰ কুল পুৰোহিত। প্ৰবাদমতে বশিষ্ঠ মুনিৰ তপস্যাত সিদ্ধি লাভ কৰি আকাশী গংগাৰ ত্ৰিধাৰা সন্ধ্যা, ললিতা আৰু কান্তাক মৰতলৈ নমাই আনি অভিশাপত হেৰোৱা তেওঁৰ দেহ পুনৰ লাভ কৰে। এতিয়া এই ত্ৰিধাৰাৰ নাম হ'ল বশিষ্ঠ গংগা।

গুৱাহাটী মহানগৰীৰ উল্লেখনীয় পঞ্চতীৰ্থৰ এটা প্ৰধান মন্দিৰ হ'ল উমানন্দ। ১৬৯৪ চনত স্বৰ্গদেউ গদাধৰ সিংহই এই শিৱমন্দিৰ নিৰ্মাণ কৰে। যোগিনীতন্ত্ৰৰ মতে এই পৰ্বতৰ নাম ভস্মাচল। এই পৰ্বততে কপালৰ তৃতীয় চকুৰ ক্ৰোধৰ অগ্নিৰে কামদেৱক ভস্ম কৰা বাবে ইয়াৰ নাম ভস্মাচল। ড° মহেশ্বৰ নেওগ সম্পাদিত 'পৱিত্ৰ অসম'ত উমানন্দৰ বিষয়ে তলত দিয়া ধৰণে লিখনি পোৱা যায়- "উমানন্দ কামাখ্যাদেৱীৰ ভৈৰৱ, সেই কাৰণে তীৰ্থযাত্ৰীসকলে প্ৰথমে উমানন্দ দৰ্শন কৰি পাণ্ডুৰ পঞ্চ পাণ্ডৱ দৰ্শন কৰিব লাগে আৰু তাৰ পিছতহে নীলাচল পৰ্বতত উঠিব লাগে।" (পৱিত্ৰ অসম, পৃষ্ঠা ২০৪)। শুক্ৰেশ্বৰ মন্দিৰটো নিৰ্মাণ কৰিছিল আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহই। যোগিনীতন্ত্ৰৰ মতে ইয়াত থকা প্ৰকাণ্ড শিৱলিংগটো দানৱসকলৰ গুৰু শুক্ৰাচাৰ্যই প্ৰতিষ্ঠা কৰিছিল। শুক্ৰেশ্বৰ দেৱালয়ত এখন সংস্কৃত টোলো আছে বুলি জনা যায়।

গতিকে দেখা যায় যে পঞ্চতীৰ্থৰ মহানগৰী গুৱাহাটীৰ আছে এক বিশাল ইতিহাস। এই পঞ্চতীৰ্থৰ উপৰি এতিয়া গুৱাহাটীত বালাজী মন্দিৰ, সত্য সাইবাবা মন্দিৰ, বিভিন্ন গীৰ্জা, মছজিদ আদিয়ে এখনি পৱিত্ৰ মহানগৰীত পৰিণত কৰিছে।

গুৱাহাটীত অসমৰ প্ৰথমখন উচ্চশিক্ষাৰ প্ৰতিষ্ঠান হিচাপে 'কটন কলেজ'খন স্থাপন কৰা হয় ১৯০১ চনৰ ২৭ মে'ত। কটন কলেজ জন্মৰ আঁৰত থকা পুৰোধা অসমীয়াসকল হ'ল প্ৰয়াত মাণিকচন্দ্ৰ বৰুৱা, ৰায়বাহাদুৰ আৰু ভুবন ৰাম দাস। সেইসময়ৰ অসম প্ৰদেশৰ মুখ্য আয়ুক্ত চাৰ হেনৰী জন ষ্টেডমেন কটনৰ অবিৰাম প্ৰচেষ্টাত কলেজখন গঢ় লৈ উঠিছিল। সেয়েহে গুৱাহাটীবাসীয়ে তেওঁৰ সন্মানতে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানটিৰ নাম ৰাখিলে 'কটন কলেজ'। মাত্ৰ ৩৯ জন ছাত্ৰৰে কটন কলেজৰ শিক্ষা আৰম্ভ হয়। প্ৰফেছৰ ফেড্ৰেৰিক উইলিয়াম চুডমৰ্ছন প্ৰথম অধ্যক্ষ নিযুক্ত হয়। ১৯৩৩ চনত দুগৰাকী ছাত্ৰীৰ নাম ভৰ্তিকৰণেৰে কটন কলেজত সহশিক্ষা আৰম্ভ হয়। ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাত ১৮৮৩ চনত স্থাপিত প্ৰয়াত ৰাজবালা দাসৰ পাণবজাৰ ছোৱালী হাইস্কুলত কটন কলেজৰ ছাত্ৰীসকলে থাকিবলৈ লৈছিল। পিছলৈ কটন কলেজৰ ছাত্ৰ আৰু ছাত্ৰীৰ বাবে সুকীয়া ছাত্ৰ নিবাস আৰু ছাত্ৰী নিবাস প্ৰতিষ্ঠা কৰা হয়। ২০১১ চনত কটন কলেজখনক কটন ৰাজ্যিক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিবলৈ অসম চৰকাৰে সিদ্ধান্ত লয়। অৱশেষত ২০১৭ চনৰ পৰা ঐতিহ্যমণ্ডিত কটন কলেজক 'কটন ৰাজ্যিক বিশ্ববিদ্যালয়' নামেৰে জনাজাত হৈ পৰিল। বৰ্তমান এই শিক্ষা প্ৰতিষ্ঠানখন ভাৰত তথা পৃথিৱীৰ ভিতৰত এখনি অগ্ৰণী শিক্ষানুষ্ঠান।

ঠিক তেনেদৰে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা লাভ কৰে ১৯৪৮ চনত, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ১৯৬০ চনত, অসম ইঞ্জিনিয়াৰিং কলেজ ১৯৫৫, ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান ১৯৯৪ (IIT), সৰ্বভাৰতীয় চিকিৎসা আৰু আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (AIIMS) ২০২০ চনত ইত্যাদি।

বৰ্তমান গুৱাহাটীত থকা প্ৰাদেশীকৃত মহাবিদ্যালয়ৰ সংখ্যা প্ৰায় ১৯ খন। তদুপৰি ব্যক্তিগত খণ্ডৰ বহুতো আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান ইয়াত গঢ়লৈ উঠিছে। এইদৰে কালক্ৰমত শৈক্ষিক দিশত গুৱাহাটী দোপতদোপে আগবাঢ়ি আছে আৰু ভাৰতৰ ভিতৰত এখনি উল্লেখযোগ্য শৈক্ষিক চহৰ হিচাপে পৰিগণিত হৈছে।

কালক্ৰমত ইতিহাসে গৰকা গুৱাহাটীৰ যাতায়াত ব্যৱস্থা উন্নত হ'বলৈ ধৰিলে। ১৯৪৮ চনৰ পৰা গুৱাহাটীত চিটিবাছ সেৱা আৰম্ভ হয়। গুৱাহাটীত প্ৰথমে ভৰলুমুখৰ পৰা ফাঁচীবজাৰ, পাণবজাৰ, লতাশিল, উজানবজাৰ, চেনিকুঠি, শিলপুখুৰী আৰু পিছলৈ লাহে লাহে গুৱাহাটীৰ ইমূৰৰ পৰা সিমূৰলৈ সম্প্ৰসাৰিত হয়। বৰ্তমান গুৱাহাটীত চিটিবাছৰ সংখ্যা প্ৰায় ৭০০ খন।

প্ৰথম অৱস্থাত অসমৰ ৰাজধানী আছিল গুৱাহাটী। ১৮৭৪ খ্ৰীঃত অসম চীফ কমিছনাৰ শাসনাধীন প্ৰদেশ হ'ল। ১৮৭৮ চনত ইংৰাজে অসমৰ ৰাজধানী গুৱাহাটীৰ পৰা শ্বিলঙলৈ লৈ যায়। পিছত আকৌ ১৯৭২ চনত অসমৰ ৰাজধানী হয় দিছপুৰ। এইদৰে গুৱাহাটীয়ে আকৌ এবাৰ নতুন ৰূপ ল'বলৈ ধৰিলে।

গুৱাহাটীৰ ঐতিহ্য তথা ইতিহাস বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। সেয়েহে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° অমৰ শইকীয়া ছাৰে যেতিয়া গুৱাহাটীক বিষয় হিচাপে লৈ এখন কিতাপ সম্পাদনাৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰিছিল আমি একে আষাৰে তাক গ্ৰহণ কৰিলো। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা ড° জয়জ্যোতি বাইদেউৰ নামো ল'ব লাগিব। ভয়াবহ Covid-19 ৰ পৰিস্থিতিৰ বাবে আমি বাইদেউৰ কাৰ্যকালৰ সময়ত কিতাপখন যুগুত কৰি উলিয়াব নোৱাৰিলো- তাৰ বাবে আমি দুঃখিত। কিতাপখন প্ৰকাশ কৰি উলিওৱাত আমাৰ মহাবিদ্যালয়ৰ বৰ্তমানৰ উপাধ্যক্ষা ড° ৰাণী মুদিয়াৰ ডেকা বাইদেৱে তেওঁৰ বহুমুলীয়া দিহা-পৰামৰ্শৰে আমাক যথেষ্ট সহায় কৰিছে। আমি অনুৰোধ কৰাত বাইদেৱে অতি কম দিনৰ ভিতৰত এটা প্ৰবন্ধও যুগুতাই দিছে। তাৰ বাবেও বাইদেউৰ ওচৰত কৃতজ্ঞ। দিশপুৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসদেৱৰ ইতিবাচক চিন্তা আৰু বলিষ্ঠ পদক্ষেপত আমি ধন্য হৈছো।

গুৱাহাটীৰ মহান ব্যক্তিসকলক ঘৰে ঘৰে গৈ লগ ধৰি তেওঁলোকৰ পৰা লিখনি সংগ্ৰহ কৰাটো বৰ সহজ কাম নাছিল। তথাপিতো আমি সেই কামটো সহজ কৰিব পাৰিলো, তেখেতসকলৰ ইতিবাচক সঁহাৰিৰ বাবে। এই সুযোগতে আমি যিসকলে তেওঁলোকৰ বহুমূলীয়া সময় খৰচ কৰি আমাক প্ৰবন্ধ পাতি, বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰিছে তেখেতসকলৰ শলাগ লৈছোঁ।

আমাক বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে 'কথা'ৰ সম্পাদক শ্ৰীযুত শোণিত বিজয় দাস ডাঙৰীয়াক ধন্যবাদ জনালোঁ। প্ৰথম অৱস্থাত আমি তেখেতৰ লগত যুটীয়াভাৱে কিতাপখন যুগুত কৰিম বুলি আলোচনা কৰিছিলো যদিও Covid-19 ৰ পৰিস্থিতিৰ বাবে সেই কাম সহজ হৈ নুঠিল। সেয়েহে আমি দুঃখিত

আমাৰ মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ মুৰব্বী অধ্যাপক-অধ্যাপিকাসকল লগতে আমাৰ সহকৰ্মীসকলক এই সুযোগতে শলাগৰ শৰাই দিলো। দিশপুৰ মহাবিদ্যালয়ৰ IQAC ৰ সমন্বয়ৰক্ষক ড° অজয় মিত্ৰকো ধন্যবাদ জনালোঁ।

আমাক কিতাপখন যুগুতাই দিয়াৰ বাবে গিৰিজা প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীযুত অজয় কলিতা তথা ডিটিপি সুন্দৰকৈ কৰাৰ বাবে সাগৰ পাঠক আৰু আৰ্হি পাঠ চাই দিয়াৰ বাবে আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ বিষয় শিক্ষক হিৰণ্য কুমাৰ নাথক আমাৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত দিশপুৰ মহাবিদ্যালয় তথা গুৱাহাটীৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।



**(ড° ভাস্বতী বৰুৱা দাস)**

**(ড° মামণি কলিতা)**

# সূচীপত্ৰ


| | | | |
|---|---|---|---|
| >> | গুৱাহাটী! গুৱাহাটী! | — **নিৰুপমা বৰগোহাঞি** | ১ |
| >> | গুৱাহাটীৰ বানপানী সমস্যা | — **নিৰ্ম্মল কুমাৰ চৌধুৰী** | ১৬ |
| >> | মোৰ চিনাকি গুৱাহাটী অতীত আৰু বৰ্তমান | — **ড° অনিমা গুহ** | ২৪ |
| >> | গুৱাহাটী দুশ বছৰৰ ইতিহাস এক আমোদজনক বেদনাদায়ক কাহিনী | — **ড° গোৱিন্দ প্ৰসাদ শৰ্মা** | ৩৯ |
| >> | স্ত্ৰীশিক্ষাৰ প্ৰথম খোজঃ অসমত আৰু গুৱাহাটীত | — **ড° অঞ্জলি শৰ্মা** | ৪৯ |
| >> | গুৱাহাটী মহানগৰীৰ ভূমি সমস্যা আৰু ইয়াৰ সমাধান | — **ড° দংশী বৰ্মণ** | ৫৮ |
| >> | গুৱাহাটী চহৰস্থিত মন্দিৰৰ স্থানসমূহৰ চমু আভাস | — **মিনু দেৱী** | ৬৭ |
| >> | আমাৰ শৈশৱ আৰু কৈশোৰৰ গুৱাহাটী | — **ধীৰেন্দ্ৰ নাথ কলিতা** | ৭৮ |

- অৱক্ষয়ৰ পথত প্ৰাচীন গুৱাহাটীৰ পৰ্বত-পাহাৰ নদ-নদী — **লীলাধৰ হাজৰিকা** ৮৮
- স্মৃতিৰ জোলোঙাত গুৱাহাটী মহানগৰী — **কপুৰ চান্দ জৈন** ১০৩
- গুৱাহাটী ঃ ঐতিহ্য ঃ বিৱৰ্তন — **জ্যোৎস্না দেৱী ভাগৱতী** ১০৯
- অভিজাত উজানবজাৰ — **ভুবন লহকৰ** ১১৪
- ঐতিহাসিক গুৱাহাটীৰ লতাশিলৰ মঞ্চ আৰু মোৰ স্মৃতিৰ ডুখৰীয়া ছবি — **ৰমণী কান্ত ডেকা** ১৩৯
- গুৱাহাটীৰ অতীত আৰু বৰ্তমান — **দয়াৰাম কাথাৰ** ১৪৩
- গুৱাহাটীৰ জনসংখ্যা — **ড° ৰাণী মুদিয়াৰ ডেকা** ১৫০
- গুৱাহাটীৰ প্ৰাচীন পুখুৰী- জলাশয় — **ড° ৰীণা চৌধুৰী** ১৬০
- গুৱাহাটীত আধ্যাত্মিকতাৰ কেন্দ্ৰ বিন্দু হিচাপে মা কামাখ্যাদেৱীৰ শক্তিপীঠ — **ড° মামণি কলিতা** ১৭৭
- নাট্যধাৰাৰ ইতিহাস, গতি প্ৰকৃতি আৰু গুৱাহাটী — **ড° সঞ্জীৱ কুমাৰ শৰ্মা** ১৮৮
- গুৱাহাটীৰ কেইটামান ঐতিহ্যপূৰ্ণ মঠ-মন্দিৰ — **পংকজ কুমাৰ কাথাৰ** ২০৩

# গুৱাহাটী ! গুৱাহাটী !

অতীত, বৰ্তমান আৰু ভৱিষ্যৎ

(প্ৰৱন্ধ সংকলন)

প্ৰথম খণ্ড

## সম্পাদনা সমিতি-

**মুখ্য উপদেষ্টা ঃ**

ড° বলেন্দ্ৰ কুমাৰ দাস, সভাপতি, দিশপুৰ মহাবিদ্যালয় পৰিচালনা সমিতি

**উপদেষ্টা ঃ**

ড° অমৰ শইকীয়া, অধ্যক্ষ, দিশপুৰ মহাবিদ্যালয়

**সম্পাদক ঃ**

ড° ভাস্বতী বৰুৱা দাস

ড° মামণি কলিতা

**সদস্য / সদস্যা ঃ**

ড° জয়জ্যোতি গোস্বামী, প্ৰাক্তন উপাধ্যক্ষা, দিশপুৰ মহাবিদ্যালয়

ড° ৰাণী মুদিয়াৰ ডেকা, উপাধ্যক্ষা, দিশপুৰ মহাবিদ্যালয়

ড° বাবী বৰুৱা (অৱসৰপ্ৰাপ্ত অধ্যাপিকা)

ড° মঞ্জৰী শৰ্মা (অৱসৰপ্ৰাপ্ত অধ্যাপিকা)

শ্ৰীযুতা ইন্দ্ৰাণী চৌধুৰী মহন্ত

শ্ৰীযুত ৰাতুল বৰা

ড° অজয় মিত্ৰ

ড° জ্যোতিষ গোস্বামী

ড° মৌচুমী দেৱী

# উচৰ্গা




*যি সকল পুৰোধা ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত*
*গুৱাহাটীৰ মাজমজিয়াত*
*দিশপুৰ মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিছিল তথা এই মহাবিদ্যালয়ৰ*
*প্ৰাক্তন, বৰ্তমান আৰু ভৱিষ্যতৰ*
*সমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত কিতাপখন সাদৰেৰে*
*অৰ্পণ কৰিলো.........*

**- সম্পাদকদ্বয়**

# গুৱাহাটী ! গুৱাহাটী !

নিৰুপমা বৰগোহাঞি

যদিও এই সুদীৰ্ঘ জীৱনটোৰ এছোৱা কাল ছেগাচোৰোকাকৈ গুৱাহাটীৰ বাহিৰতে (অসম আৰু ভাৰতৰ ভিন ভিন ঠাইত) কটাইছোঁ কিন্তু বেছি সময় কটাইছোঁ গুৱাহাটীতে। সেই গুৱাহাটী, যি আছিল এসময়ত ব্ৰিটিছৰ অধীন আৰু এতিয়া স্বাধীন। মই ডাঠি ক'ব পাৰো যে গুৱাহাটী বিষয়ৰ এই সংকলনখনৰ অধিক সংখ্যক লেখকৰে ব্ৰিটিছৰ আমোলৰ গুৱাহাটীত থকাৰ মধুৰ অভিজ্ঞতাৰ (পৰাধীনভাৱে হ'লেও) সোৱাদ নাই।

এতিয়া মই ব্ৰিটিছৰ আমোলৰ গুৱাহাটীৰ কথাকে কৈ লওঁ। সেই গুৱাহাটীখন আছিল আজিৰ গুৱাহাটীতকৈ বেছি সুন্দৰ, বেছি সুপৰিকল্পিত। তাৰ সাক্ষী হৈ আছে এতিয়াও লতাশিল ফিল্ড, জজ খেলপথাৰৰ দাঁতিৰ ৰাস্তাৰ সিফালে ব্ৰহ্মপুত্ৰৰ পাৰত থকা সুদৃশ্য দুমহলীয়া কাঠৰ বাংলোবোৰ, এতিয়া ভাঙি পেলোৱা কটন কলেজ, দীঘলীপুখুৰী পাৰৰ বৰ্তমানৰ নবীন বৰদলৈ হ'ল, লাইব্ৰেৰীটো, পূৰ্বৰ ব্ৰিটিছৰ দিনত যিটোৰ নাম আছিল কাৰ্জন হ'ল লাইব্ৰেৰী (ভাগ্যে যেনিবা সেইটো এতিয়াও ভাঙি পেলোৱা হোৱা নাই যদিও এবাৰ ভাঙি পেলোৱাৰ আয়োজন চলিছিল।)

ব্ৰিটিছৰ দিনত গুৱাহাটীখন সঁচায়ে নানা ধৰণে সুন্দৰ আছিল। তাৰ অন্যান্য বৰ্ণনা দিয়াৰ আগতে ব্ৰিটিছে গুৱাহাটী তথা ভাৰত এৰি যোৱাৰ সময়ত (ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত) কোনোবা গুৱাহাটীৰ ব্ৰিটিছ শাসকে লিখি থৈ যোৱা এটা টোকাৰ কেইশাৰীমান উল্লেখ কৰোঁ (সেই টোকাটোৰ কথা মই এসময়ত মোৰ প্ৰয়াত দাদা ড° বিনয় কুমাৰ তামুলীৰ পৰা গম পাইছিলোঁ, তেওঁ এসময়ত গুৱাহাটী চহৰৰ মেয়ৰ আছিল বাবে ব্ৰিটিছ বিষয়াই লিখি থৈ যোৱা সেই টোকাটো তেওঁৰ হস্তগত হৈছিল)। তাত বোলে এই কথা লিখা আছিল- "গুৱাহাটী এখন অতি সুন্দৰ চহৰ, ইয়াৰ পাহাৰবোৰ যেন কেতিয়াও কাটি পেলোৱা নহয়, বিলবোৰ যেন পুতি পেলোৱা নহয়, ব্ৰহ্মপুত্ৰ যেন কলুষিত কৰা নহয়" - ইত্যাদি ইত্যাদি। পিছে লোকৰ দেশৰ প্ৰতি এনে মৰম, এনে সুচিন্তা থকাৰ বিপৰীতে নিজ দেশৰ শাসকে শাসনৰ বাঘজৰী হাতত লৈয়ে সেই কামবোৰকে কৰিব ধৰিলে (কি যে পৰিতাপৰ কথা!)। পাহাৰ কাটি তহিলং কৰিলে, যাৰ ফলত চহৰখনত বাৰিষা বানপানী হৈ ঠায়ে ঠায়ে বাসিন্দাসকলৰ পানীত হাঁহ নচৰা অৱস্থা হয়। বছৰৰ পিছত বছৰ জুৰি গুৱাহাটীৰ বহুত অঞ্চলৰ মানুহে এই দুৰ্ভোগ ভুগি থাকিব লগা হৈছে।

এতিয়া পুনৰ আমাৰ ল'ৰালি কালৰ ব্ৰিটিছৰ গহীন গুৱাহাটীখনৰ কথালৈ আহোঁ। আমাৰ পৈত্ৰিক ঘৰ গুৱাহাটীৰ উজানবজাৰৰ যোৰপুখুৰীপাৰ অঞ্চলত, যি অভিজাত অঞ্চল অভিহিত হৈছিল কলকাতাৰ বালিগঞ্জ বুলি। সেই যোৰপুখুৰী অঞ্চলৰ গুৱাহাটী অসমৰ ৰত্নসকলৰহে যেন বাসস্থান আছিল। যোৰপুখুৰী দুটাৰ চাৰিওফালে আছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, ৰায়বাহাদুৰ কনকলাল বৰুৱা, ভিক্টৰ হুগোৰ 'লা মিজাৰেবল' কিতাপখনৰ 'দীনদুখী' নাম দি কৰা অনুবাদ গ্ৰন্থৰ প্ৰণেতা প্ৰখ্যাত সাহিত্যিক থানেশ্বৰ হাজৰিকা (ডলী তালুকদাৰৰ পিতৃ তথা ফণী তালুকদাৰৰ শহুৰেক), অসমৰ প্ৰথম অমিত্ৰাক্ষৰ ছন্দৰ কাব্যৰচক (মেঘনাদ বধ) ভোলানাথ দাস আৰু তেওঁৰ সুখ্যাত বিজ্ঞানী পুত্ৰ লক্ষীনাথ দাস (এওঁ নৰকান্ত বৰুৱাৰ শহুৰেক আৰু দেৱকান্ত বৰুৱাৰ ভাই শহুৰেক), ব্ৰিটিছৰ দিনৰ শিক্ষাধিকাৰ দিবাকৰ গোস্বামী, বিষ্ণুৰাম মেধি, ব্ৰজেন বৰুৱা, নিপ বৰুৱা, ৰমেন





বৰুৱা, দ্বীপেন বৰুৱা আদি স্বনামধন্য ভাতৃসকল, সিদ্ধিনাথ শৰ্মা, অতুল হাজৰিকা, নলিনীবালা দেৱী, অজিত বৰুৱা আদিকে কৰি বিখ্যাত ব্যক্তিসকল। এওঁলোক প্ৰকৃততে ডাঙৰ মানুহ আছিল, বিশেষকৈ ৰাজনীতিবিদসকল, বিষ্ণুৰাম মেধি আদিকে ধৰি স্বনামধন্য ৰাজনৈতিক নেতাসকল আজিৰ ৰাজনীতিবিদৰ দৰে সপ্তম স্বৰ্গত উঠি থকা নাছিল, তেওঁলোক আছিল মাটিৰ মানুহ, সাধাৰণ ধূতি-পাঞ্জাবী পিন্ধি সাধাৰণ মানুহৰ দৰে বাটে-পথে খোজকাঢ়িয়ে ফুৰিছিল।

এতিয়া সেই সময়ৰ পৰিৱেশটোৰ কথা কওঁ। ৰাস্তাবোৰ পকী নাছিল, শিলগুটিৰ ওপৰত মিহি বালি ছটিয়াই দিয়া আছিল। ৰাতিপুৱাই দীঘল ঝাৰুৱালীয়ে সেই বাটপথ সাৰি যোৱাতে চাফাই পৰ্ব সমাপ্ত হোৱা নাছিল, পিছফালে পানীৰ টেংকি থকা আৰু সেই টেংকিত থকা সহস্ৰ ফুটাৰ গাড়ী আহি বাটপথবোৰ তিয়াই ধূলিৰ উপদ্ৰব কমাই গৈছিল। গাড়ীবোৰ অতি ধীৰ গতিত চলি পানী চটিয়াই গৈছিল আৰু আমি চুবুৰীৰ ল'ৰা-ছোৱালীবোৰে মনৰ আনন্দত তাৰ পিছে পিছে দৌৰি ভৰিবোৰ তিয়াই গৈছিলোঁ।

আৰু এবিধ গাড়ীৰ কথাও মনত পৰিছে, সেয়া পানী ছটিওৱা ইঞ্জিন-চালিত মটৰ গাড়ী নহয়, ঘোঁৰাই চলোৱা যাত্ৰীবাহী ফিটন গাড়ীহে। দুয়ো ফালে দুৱাৰ থকা, ভিতৰতো দুয়োফালে বহাৰ ছীট থকা দুটা ঘোঁৰাই চেকুৰাই নিয়া গাড়ীখনৰ ওপৰত কচোৱানে বহি হাতত চাবুক লৈ, মাজে মাজে ঘোঁৰাৰ গাত চাবুক মাৰি গাড়ী চলাই নিছিল। গাড়ীখনৰ পিছফালে তলৰ অংশত কিয় জানো বহাৰ ছীট এখনো থাকিছিল। আমি ল'ৰা-ছোৱালীবোৰে সুবিধা পালে জাপ মাৰি সেই ছীটত বহিছিলোঁ, সেইটো যে কি দোষৰ কথা আছিল নাজানো, কচোৱানে দেখিলে পিছফালে চাবুক চলাই আমাক ছীটৰ পৰা নামিবলৈ বাধ্য কৰিছিল।

সৰুকালিৰ গুৱাহাটী চহৰৰ আমাৰ আৰু এটা প্ৰধান আকৰ্ষণ আছিল ব্ৰহ্মপুত্ৰ নৈ খন। আমাৰ ঘৰৰ পৰা বৰ দূৰৈত নাছিল। তেতিয়া ইপাৰে খৰালি দিনত বিস্তৃত বালি পৰিছিল আৰু বাৰিষা পানী উপচি পৰি পাৰৰ চিৰিকেইটাৰ প্ৰায় শেষটো চিৰিলৈকে ওফন্দি আহিছিল (তেতিয়া উজানবজাৰৰ ব্ৰহ্মপুত্ৰৰ

পাৰত ছিৰি আছিল)। আমি বাৰিষা মৰসাহ কৰি লগৰী তথা ভাই-ভনীক লৈ সেই চিৰিৰে প্ৰায় আঁঠুলৈ ডুবি যোৱা পৰ্যন্ত নামি গৈছিলোঁ- তেতিয়া ভয় আৰু উল্লাস যুগপৎ লাগিছিল। তেতিয়া ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈ যাত্ৰীবাহী জাহাজ চলাচল কৰিছিল, বাৰিষা চিৰিবোৰৰ কিছু দূৰেৰে যোৱা জাহাজবোৰ গৈ গৈ চকুৰে নমনা হোৱা পৰ্যন্ত আমি তধা লাগি চাই ৰৈছিলোঁ। খৰালি আমাৰ ফূৰ্তি বেছি হৈছিল। বিস্তীৰ্ণ বালিত আমি নানা খেলাধূলা কৰিছিলোঁ। পানী যুঁৰলিৰ প্ৰায় ওচৰতে বহি আমি নাদ খান্দিছিলোঁ যি নাদ অলপ খন্দাৰ পিছত পানীৰে ভৰি পৰিছিল আৰু বালিৰে দৌল সাজিছিলোঁ -ঠিক যেন আনন্দ চন্দ্ৰ আগৰৱালাৰ কবিতাই মূৰ্ত হৈ উঠিছিল- "দৌল সাজি, নাদ খান্দি/লগৰী গোটাই আনি" অৱশ্যে তেওঁৰ লগত নৈ আছিল বলম, মোৰ নৈ হ'ল ব্ৰহ্মপুত্ৰ। দুই নৈৰ আৰম্ভ 'ব' আখৰেৰে, তাতো মিল।

সেই সময়ৰ ব্ৰহ্মপুত্ৰৰ আৰু এটা দৃশ্যয়ো আমাৰ মন মুহিছিল- শিহুবোৰে (যাক ইংৰাজীত River Dolphin বুলি কোৱা হয়) পানীত টুপাই বুৰ মাৰি থাকিছিল- তেনে দৃশ্য যে কিমান দেখিছিলো! এতিয়া শিহুবোৰ অদৃশ্য হৈ গ'ল।

তেতিয়া যাত্ৰীবাহী জাহাজবোৰ চলাচল কৰি থাকিছিল, পাৰৰ পৰা দূৰেৰে, ব্ৰহ্মপুত্ৰৰ প্ৰায় মাজেদিয়ে। জাহাজবোৰ গুচি যোৱাৰ পিছত সিহঁতে সৃষ্টি কৰা ঢৌবোৰে আহি পাৰত কোবাইছিলহি, আমি ফূৰ্তিৰে পানী যুঁৰলিত নামি সেই ঢৌৰ মৃদু আঘাতে ভৰি কোবোৱাৰ আমেজ উপভোগ কৰিছিলোঁ। (আমাৰ তেতিয়া চেণ্ডেল-জোতা পিন্ধাৰ অভ্যাস নাছিল)

ব্ৰহ্মপুত্ৰৰ লগত আমাৰ আৰু এটা সম্পৰ্কও আছিল। আমি সৰুতে পঢ়া উজানবজাৰৰ বালিকা মধ্য ইংৰাজী স্কুলৰ পৰা ব্ৰহ্মপুত্ৰ নিচেই ওচৰত আছিল, সৰস্বতী পূজাৰ দেৱী সজাবলৈ আমি তাত বালিত গজা ঝাওবন আনি মূৰ্তি সজাইছিলোঁ। তেতিয়া আজিৰ ছোৱালীহঁতৰ দৰে 'মডেল' সাজি পূজা মণ্ডপে মণ্ডপে ঘূৰি নুফুৰি আমি ছাত্ৰীবোৰে শিক্ষয়িত্ৰী বাইদেউহঁতৰ লগ লাগি লুচি-ভাজি (ভাজিখন আছিল বন্ধাকবি, আলু আৰু মটৰেৰে) তৈয়াৰ কৰিছিলোঁ।





পূজাৰ প্ৰসাদ বুলিয়েই হেনো সেই খাদ্য বিশেষ সোৱাদযুক্ত আছিল। সেই দিনা আমি ফ্ৰক পিন্ধা ছোৱালীবোৰেও মেখেলা চাদৰ পিন্ধিছিলোঁ।

সেই স্কুলৰ পৰা পাছ কৰি তেতিয়া গুৱাহাটীত থকা একমাত্ৰ ছোৱালী হাইস্কুল পাণবজাৰ উচ্চ ইংৰাজী স্কুলত নাম লিখাইছিলোঁ। পিছে তাত এবছৰ পঢ়াৰ পিছত অৰ্থাৎ চেভেনত পঢ়াৰ পিছত উজানবজাৰত তাৰিণী চৰণ ছোৱালী হাইস্কুল স্থাপিত হোৱাত ঘৰৰ ওচৰতে হ'ব বুলি তালৈ গুচি আহিলোঁ।

পাণবজাৰ ছোৱালী হাইস্কুলটো তেতিয়া ডনবস্কোৰ পৰা বেছি দূৰৈত নাছিল, পিছে দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাত চৰকাৰে তাক খালী কৰি সৈন্যদলক ৰাখিলে। তেতিয়া পাণবজাৰ ছোৱালী হাইস্কুলটো ফাঁচীবজাৰৰ খুবচান্দৰ ওচৰলৈ আৰু হাইস্কুলখনৰ তদানীন্তন প্ৰধান শিক্ষয়িত্ৰী ৰাজবালা দাসৰ ঘৰৰ সমুখৰ ভাড়াঘৰ এটালৈ আনিলে। তাত অসমীয়া আৰু বাংলা দুটা ছেকছন আছিল। গানৰো ক্লাছ আছিল। কিন্তু আচৰিত কথা যে গানৰ শিক্ষয়িত্ৰী ছবিদি আছিল বঙালী আৰু তেওঁ কেৱল বাংলা গানহে শিকাইছিল। প্ৰথমতে তাৰ প্ৰধান শিক্ষয়িত্ৰী আছিল ৰাজবালা দাস, কিন্তু তেতিয়া দীঘলীপুখুৰীৰ পাৰত সন্দিকৈ ছোৱালী কলেজ স্থাপিত হ'ল আৰু তেওঁ তালৈ অধ্যক্ষা হৈ গুচি গ'ল, গতিকে তেওঁৰ সলনি সহ প্ৰধান শিক্ষয়িত্ৰী প্ৰজ্ঞা চৌধুৰী বাইদেৱেই প্ৰধান শিক্ষয়িত্ৰী হ'ল। মই যদিও পাণবজাৰ ছোৱালী হাইস্কুলত এবছৰহে পঢ়িছিলোঁ, দুয়োগৰাকী শিক্ষয়িত্ৰীৰ অধীনত (প্ৰধান শিক্ষয়িত্ৰী হিচাপে) পঢ়াৰ অভিজ্ঞতা লাভ কৰিছিলোঁ।

তাৰ পিছত ড° ভূবনেশ্বৰ বৰুৱা, ড° ঘনশ্যাম দাসৰ উদ্যোগত উজান বজাৰত ছোৱালী হাইস্কুল এখন স্থাপিত হ'ল প্ৰথমতে সেইখন মই পূৰ্বতে উল্লেখ কৰি অহা দীঘলীপুখুৰী পাৰৰ খেৰ-বাঁহ-মাটিৰ ঘৰত স্কুলখন বহিছিল (বৰ্তমান সি কটন কলেজৰ অধ্যাপকসকলৰ বাসগৃহ হিচাপে ব্যৱহৃত হয় আৰু তাত পূৰ্বৰ মাটিৰ ঘৰৰ সলনি কংক্ৰীটৰ বিল্ডিং সজা হৈছে)। মই নৱম শ্ৰেণীত থাকোঁতে পিতা ডিব্ৰুগড়লৈ বদলি হৈ গ'ল, ময়ো লগতে গৈ তাৰ হাইস্কুলত নাম লিখিলোঁ, পিছে তাৰিণী চৰণৰ তদানীন্তন প্ৰধান শিক্ষয়িত্ৰী ইন্দিৰা দেৱী



৩

বাইদেৱে (তেওঁৰ জীৱনৰ আধাৰত মই 'অনন্যা' বুলি উপন্যাস এখনো লিখিছোঁ) পিতাক অনুৰোধ কৰি ক'লে যে মোক পুনৰ তাৰিণী চৰণলৈ পঠিয়াই দিব লাগে, নতুন স্কুল (আমি স্কুলটোৰ দ্বিতীয় চামৰ ছাত্ৰী আছিলোঁ, সুলেখিকা ডলী তালুকদাৰ প্ৰথম চামৰ ছাত্ৰী আছিল, অতি মেধাবী ছাত্ৰী, পিছলৈ জনতা দলৰ ৰাজ্যিক কেন্দ্ৰীয় মন্ত্ৰী ৰেণুকা দেৱী বৰকটকী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা আৰু ডীন, ভাইচচেঞ্চেলৰ ড° দেৱ প্ৰসাদ বৰুৱাৰ পত্নী ড° ৰেণু দেৱীও সেই স্কুলতে পঢ়িছিল, তেনেকৈ তাৰিণী চৰণত মামনি ৰয়চম গোস্বামী, ড° সান্ত্বনা বৰদলৈ, সুলেখিকা হিৰন্ময়ী দেৱীকে ধৰি আৰু কেবাজনীও বিখ্যাত মহিলা পঢ়িছিল। স্কুলখনে এনেকৈ দোপত দোপে উন্নতি কৰিছিল যে পাণবজাৰ ছোৱালী হাইস্কুলতকৈ পিছত স্থাপিত হৈয়ো সেইখনেই গুৱাহাটীৰ প্ৰথম চৰকাৰী স্বীকৃতি লাভ কৰা ছোৱালী হাইস্কুল আছিল।) মই শ্ৰেণীত প্ৰথম হোৱা ছাত্ৰী, মেট্ৰিকত ভাল ফলাফল লাভ কৰি স্কুলৰ মুখ উজ্জ্বল কৰিম, গতিকে মোক পুনৰ তাৰিণী চৰণলৈ পঠিয়াই দিব লাগে। থকা-খোৱাৰ বাবে চিন্তা কৰিব নালাগে, সকলো বন্দৰস্ত কৰা হ'ব। মই আৰু সৰু ভনী (তায়ো টি.চি.ত পঢ়িছিলে) অনুপমাক পিতাই সেই প্ৰতিশ্ৰুতি পাই পঠাই দিলে। পিছে মোক স্কুল ঘৰটোৰ এটা কোঠালীত থাকিবলৈ দিয়াৰ বাহিৰে আন একো বন্দৰস্তই নকৰিলে এটা ইক্‌মিক কুকাৰ আনি নিজে ৰান্ধিবাঢ়ি খাই পঢ়িব লগা হৈছিলোঁ। অৱশ্যে ইন্দিৰা বাইদেউৰ প্ৰত্যাশা অনুযায়ী মোটামুটি ভাল ফলেই কৰিছিলোঁ, বুৰঞ্জী আৰু সংস্কৃতত লেটাৰ পাইছিলোঁ, প্ৰথম গ্ৰেডৰ কুৰি টকীয়া বৃত্তি পাইছিলোঁ- তেতিয়াৰ দিনত আজিৰ দৰে মোনা ভৰাই বুটলিবলৈ ষ্টাৰ ইমান সহজলভ্য নাছিল।

গুৱাহাটীত তেতিয়া আন এখন ছোৱালী স্কুল আছিল চেনীকুঠি অঞ্চলৰ ইংৰাজী মাধ্যমৰ স্কুল ছেইন্ট্ মেৰীজ হাইস্কুল, তৃতীয়খন ছোৱালী স্কুল কালিৰাম বৰুৱা উচ্চ ইংৰাজী স্কুলো পিছত স্থাপিত হৈছিল। মাৰোৱাৰী ছোৱালী হাইস্কুল এখনো ফাঁচী বজাৰত আছিল।

ছোৱালী স্কুলবোৰৰ বিপৰীতে গুৱাহাটীত থকা ছাত্ৰৰ গৰিমা মণ্ডিত





(যদিও এতিয়া পূৰ্বৰ সেই গৰিমা ম্লান হৈছে) হাইস্কুল এখন হ'ল কটন কলেজিয়েট ছাত্ৰৰ চৰকাৰী উচ্চ ইংৰাজী স্কুল। তেতিয়াৰ বহুত মেধাবী ছাত্ৰ সেই স্কুলত পঢ়িছিল। আন এখন প্ৰাইভেট হাইস্কুল হ'ল কামৰূপ একাডেমী হাইস্কুল, ছেইন্ট মেৰীজৰ ওচৰত। আন এখন গৰিমা মণ্ডিত স্কুলৰো নাম ল'ব লাগিব। সেইখন হ'ল পূৰ্বোক্ত বালিকা মধ্য ইংৰাজী স্কুলৰ অনতি দূৰৈত থকা, হেমচন্দ্ৰ পথৰ ওপৰত স্থাপিত মানিক চন্দ্ৰ মধ্য ইংৰাজী স্কুল। তাৰ এজন প্ৰবাদ প্ৰতিম প্ৰধান শিক্ষক আছিল ভাৰত চন্দ্ৰ শৰ্মা (অলপতে পৰিণত বয়সত তেওঁৰ মৃত্যু হৈছে)। সেই স্কুলৰ লগত জড়িত সাহিত্য সম্পৰ্কীয় কথা অলপো উল্লেখ কৰাটো প্ৰাসংগিক হ'ব বুলি ভাবোঁ। তাৰ প্ৰভাত চন্দ্ৰ শৰ্মা নামৰ এজন সাহিত্য অনুৰাগী ছাত্ৰই 'তৰুণ লেখক সংঘ' নামৰ এটা সাহিত্য প্ৰতিষ্ঠান খুলিলে, তেওঁ তাৰ সম্পাদক হ'ল আৰু সভাপতি হ'ল বিশিষ্ট সাহিত্যিক গৱেষক-পণ্ডিত স্বনামধন্য ড° প্ৰফুল্ল দত্ত গোস্বামী। সেই সংঘৰ বৈঠকবোৰ স্কুলটোৰ সন্মুখতে থকা কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অনুষ্ঠিত হৈছিল। কি কাৰণে নেজানো ছাত্ৰী হোৱা সত্বেও ময়ো তাৰ সদস্য নিৰ্বাচিত হ'লোঁ। প্ৰভাত শৰ্মাৰ উদ্যোগত 'তৰুণ জাগৰণ' নামৰ এখন সাহিত্যৰ সংকলনো ছপা হৈ ওলাইছিল। মোকো তাত লেখা এটা লিখিব দিয়াত মই "শান্ত ছোৱালীজনী তাই" নামৰ গল্প এটা লিখিছিলো। ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে মোৰ গল্পটোৰ খুব প্ৰশংসা কৰি কৈছিল যে মই যেন ভৱিষ্যতেও গল্প লিখি থাকোঁ।

মোৰ লেখাৰ ঘাই প্ৰতিপাদ্য বিষয় হ'ল গুৱাহাটী, কিন্তু কেনেকৈ যে ব্যক্তিগত কথাত সাঙোৰ খাই পৰিলোঁ! পিছে পুনৰ হয়তো ব্যক্তিগত কথাই ঠাই পাব, উপায় নাই, গুৱাহাটীৰ লগত যে মই আষ্টে-পৃষ্ঠে সাঙোৰ খাই আছোঁ- ইয়াত জন্মিছোঁ, ইয়াত ডাঙৰ দীঘল হৈছোঁ, ছেগাচোৰোকাকৈ অসমৰ অ'ত-ত'ত বা অসমৰ বাহিৰত থাকিলেও জীৱনৰ বেছিভাগ সময় ইয়াতেই কটাইছোঁ। এটা কথাও প্ৰণিধানযোগ্য যে অসমৰ সাহিত্যিকসকলৰ প্ৰায় সকলোৱে গুৱাহাটীৰ বাহিৰৰ মানুহ (বিশেষকৈ আমাৰ সমসাময়িকসকল যেনে- ভৱেন্দ্ৰনাথ শইকীয়া, ড° লক্ষ্মীনন্দন বৰা, নৱকান্ত বৰুৱা, হৰেকৃষ্ণ ডেকা, অৰুণ শৰ্মা, হোমেন

বৰগোহাঞি, ভৱেন বৰুৱা, নলিনীধৰ ভট্টাচাৰ্য, নীলমনি ফুকন, নগেন শইকীয়া, মনোজ কুমাৰ গোস্বামী আদি। এনেকি এই দলত অন্তৰ্ভূক্ত কৰিব পাৰি আজিৰ চাম লেখকৰ-লেখিকাকো আৰু সাংবাদিক প্ৰণয় ফুকন, অনুৰাধা শৰ্মা পূজাৰী, মণিকুন্তলা ভট্টাচাৰ্য, মনালিছা শইকীয়া, গীতালী বৰা, অপু ভৰদ্বাজ, ময়ুৰ বৰা, দেৱকান্ত সন্দিকৈ, হায়দৰ হুছেইন, মনোৰম গগৈ আদিক আৰু বহুতৰো নাম ল'ব নোৱৰাত মই দুঃখিত)। সঁচাই ই এটা উল্লেখযোগ্য কথাই যে ৰাজনৈতিক নেতাসকলৰ বিপৰীতে অসমৰ সাহিত্যিক বেছিভাগ গুৱাহাটীৰ বাহিৰৰ মানুহ! অৱশ্যে শেষত প্ৰায় বেছিভাগ সাহিত্যিকেই চিৰস্থায়ীভাৱে অৰ্থাৎ আমৃত্যু গুৱাহাটীৰে বাসিন্দা হ'ল।

এতিয়া পুনৰ ব্ৰিটিছৰ দিনৰ অৰ্থাৎ আমাৰ ল'ৰালি কালৰ গুৱাহাটীলৈ যাওঁ। তেতিয়া ল'ৰা-ছোৱালীৰ খেলাধূলাৰ বাবে ষ্টেডিয়াম নাছিল, ছুইমিংপুল, টেনিছ, বেড-মিন্টন আদি খেল-ধেমালিৰ অনুশীলন কৰিবলৈ ৰাধাগোবিন্দ বৰুৱাৰ নামত ষ্টেডিয়াম নাছিল, কিন্তু তাৰ বিপৰীতে আছিল জজ খেলপথাৰ, লতাশিল, খেলপথাৰ, দীঘলীপুখুৰী, ব্ৰহ্মপুত্ৰ নৈ। আমাৰ ল'ৰালি কালত আমি গুৱাহাটীয়া ল'ৰা-ছোৱালীবোৰ এটা বিষয়ত অতি ভাগ্যৱান আছিলোঁ যে শিশুপ্ৰাণ নবীন শৰ্মা ছাৰক আমি পাইছিলো যাৰ নামৰ আগৰ 'শিশু-প্ৰাণ' উপাধিটো কেনেকৈ জানো লাগি গৈছিল যি আছিল অতি খাপখোৱা। গুৱাহাটী সেই সময়ৰ শিশুসকলৰ (ঘাইকৈ উজানবজাৰ যোৰপুখুৰী পাৰ, নদীৰ পাৰ অঞ্চলৰ) দিনবোৰ আছিল, নৱকান্ত বৰুৱাৰ কবিতাৰ ভাষাৰে ক'বলৈ হ'লে 'উজ্জ্বল দিন, গানৰ নিচিনা দিন'।

এই শিশুপ্ৰাণ মানুহজনৰ প্ৰথমতে চমু পৰিচয় দি লওঁ। এওঁ আছিল উজান বজাৰ ব্ৰহ্মপুত্ৰ নৈৰ পাৰৰ বাসিন্দা। গুৱাহাটীৰ কটন কলেজত বোটানীৰ ডেমনষ্টেটৰ চাকৰি কৰিছিল। সন্তানেৰে সৈতে এখন ভৰা সংসাৰৰ সুখী গৃহস্থ আছিল। কিন্তু এই মহৎ অন্তৰৰ মানুহজনে আন শিশুকো নিজৰ সন্তান জ্ঞান কৰিছিল। কিমাননো আৰ্জন আছিল, নিজৰো আছে কেবাটাও ল'ৰা-ছোৱালী, তথাপি পকেটত সদায় লজেন্স-চকলেট থাকিছিলেই, সেইবোৰ তেওঁ আবেলি





কলেজৰ পৰা ঘৰলৈ ওভতাৰ পিছত পুনৰ লতাশিল খেলপথাৰলৈ আহি ল'ৰা-ছোৱালীবোৰৰ মাজত ভগাই দিছিল। তাত তেওঁ ল'ৰা-ছোৱালীবোৰক বিনামূলীয়াকৈ নাচ-গান শিকাইছিল, ব্যায়াম শিকাইছিল। মোৰ পৰম সৌভাগ্য যে ময়ো ল'ৰালিত নবীন শৰ্মাৰ অধীনত সেই সকলোবোৰ শিকিছিলোঁ। আমাৰ পৈত্ৰিক উজান বজাৰ যোৰপুখুৰী পাৰৰ ঘৰৰ নিচেই কাষতে আছিল লতাশিল ফিল্ড। নবীন শৰ্মা চাৰৰ লগতে গাওঁ 'ব' অনুপ্ৰাস যুক্ত গান তথা কবিতা - "বগাকৈ বগলী বহলাই বহিছে বলুকাত বিয়লি বেলা/বকুল বাগৰিছে ববছা বনতে বুটলি বিলাওঁগৈ ব'লা"। লগে লগে ছাৰৰ লগতে অভিনয়ো কৰি যাওঁ-কালীৰ দৰে বহোঁ আৰু পিছত মাটিত বকুল বাগৰাদি বাগৰোঁ (মোৰ ঘৰত মতা নাম বকুল বাবে মোৰ বিশেষ ফূৰ্তি লাগিছিল) আকৌ ইংৰাজী গানো গাওঁ-"Row, row, row the boat, gently down the stream/merrily, merrily, merrily, merrily life is but a dream." এই গানৰ লগতো ছাৰৰ দৰে ব'ঠা মৰাৰ ভংগীত অভিনয় কৰোঁ। আকৌ এটা গানো গাওঁ, ছাৰৰ লগতে সমুখলৈ হাত দুখন প্ৰসাৰিত কৰি, সবলে জোকাৰি জোকাৰি গাওঁ এই গান- ৮
"সৌ দূৰৰ ধৰ্মক্ষেত্ৰ, কৰিবই লাগিব কৰ্মক্ষেত্ৰ........" এই গানটোৰ কথা ভাবিলে মোৰ এতিয়াও আচৰিত লাগে, সেই তেতিয়াৰ দিনতে নবীন শৰ্মা ছাৰৰ মনটো কিমান প্ৰগতিশীল, কিমান ধৰ্মনিৰপেক্ষ আছিল এনেকুৱা গান এটা বাছি ল'বলৈ। নবীন শৰ্মা ছাৰে কেৱল ব্যায়ামেই শিকোৱা নাছিল, ব্ৰহ্মপুত্ৰ আৰু দীঘলীপুখুৰীত ল'ৰা-ছোৱালীবোৰক সাতোঁৰো শিকাইছিল। সকলো বিনা মাছুলেৰে।

তাৰপিছত বহু বছৰ পাৰ হৈ গৈছিল, মোৰ শিক্ষা জীৱন আৰম্ভ হৈছিল এই গুৱাহাটীতে প্ৰথমতে বালিকা এম.ই. স্কুলত তাৰপিছত কটন কলেজত, শেষত কলকতাত এম.এ. পাছ কৰাৰ পিছত শিক্ষাজীৱন শেষ কৰি পাছত নেতাজী বিদ্যাপীঠৰ বাংলা মাধ্যমৰ স্কুলত কিছুদিন শিক্ষকতা কৰিলোঁ, তাৰপিছত একাদিক্ৰমে কেইবাখনো কলেজত, কিন্তু সেইবোৰ গুৱাহাটীত নাছিল বাবে তাক বৰ্ণনা কৰা বিষয়-বস্তুৰ বাহিৰৰ বাবে সেই প্ৰসংগ ইয়াতে এৰিলোঁ।

পুনৰ নবীন শৰ্মা ছাৰৰ কথালৈ আহোঁ। মোৰ বিয়া-বাৰু হ'ল, দুটা পুত্ৰ

সন্তানৰো মাতৃ হ'লো- এদিন সৰু পুত্ৰ প্ৰদীপ্তৰ লগত গুৱাহাটীৰ ৰাস্তাৰে গৈ আছোঁ, দেখোঁ পকা চুলিৰ বৃদ্ধ এজন পোন্ধ মাৰি ধুতি পিন্ধি কাষেৰে চাইকেল চলাই আগবাঢ়ি গ'ল। প্ৰদীপ্তই মুগ্ধ ভাৱে সেই ফালে চাই সহাস্য মুখেৰে ক'লে- মা, সেই বুঢ়া মানুহজন যে দেখিছা তেওঁৰ নাম নবীন শৰ্মা, তেওঁ আমাৰ স্কুললৈ (চেন্ট্ৰেল স্কুল) মাজে মাজে আহি আমাৰ লেজাৰৰ সময়ত ব্যায়াম শিকাই থৈ যায়, আমি তেওঁক বৰ ভাল পাওঁ......"।

মই অভিভূত হৈ গ'লোঁ - দুই প্ৰজন্মৰ বিনামাছুলৰ শিক্ষাগুৰু এই শিশু প্ৰাণ মানুহজনক মই মনে মনে সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ। মোৰ বহুত দিনীয়া দাবী এটা মাজে মাজে নিষ্ফলভাৱে উত্থাপন কৰি আহিছোঁ- লতাশিল ফিল্ডৰ এচুকত নবীন শৰ্মা ছাৰৰ প্ৰতিমূৰ্তি এটা স্থাপন কৰিব লাগে! এই প্ৰসংগত মোৰ বাৰ্ণাড শ্বৰ 'কেণ্ডিডা' নামৰ নাটখনৰ এই বাক্যটোৱে মনলৈ আহে- "Oh God, where shall we receive saints?"

গুৱাহাটী সম্পৰ্কীয় এই লেখাটোত নবীন শৰ্মা ছাৰৰ কথাই বহুতখিনি লিখিলোঁ, কিন্তু মই নিৰুপায়, গুৱাহাটীৰ (তেতিয়াৰ সৰু চহৰ গুৱাহাটীৰ) উজান বজাৰৰ দৰে বৃহৎ অঞ্চলৰ এক প্ৰকাৰ 'হিৰো'ৰ দৰে মানুহজনৰ কথা সবিস্তাৰে নিলিখিলে গুৱাহাটীৰ ইতিহাসেই অৰ্দ্ধ সমাপ্ত হৈ ৰ'ব।

এইবাৰ কটন কলেজৰ কথা কওঁ (১৯০১ চনত স্থাপিত হোৱা এই ঐতিহ্য মণ্ডিত চৰকাৰী কলেজখন অসমৰ সৰ্বশ্ৰেষ্ঠ কলেজ বুলি পৰিগণিত হৈছে। গুৱাহাটীৰ মাজ মজিয়া পাণবজাৰত অৱস্থিত এই কলেজখনত পঢ়িবলৈ পোৱাটো অসমৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰ এটা সপোন। বহুতো প্ৰবাদ-প্ৰতিম অধ্যাপকে ইয়াত শিক্ষাদান কৰি গৈছে। প্ৰথম অৱস্থাত ইয়াত ছাত্ৰীৰ সংখ্যা কম আছিল আৰু তেওঁলোকে অধ্যাপক আহি ক্লাছত নোসোমোৱা পৰ্যন্ত বাহিৰৰ বাৰাণ্ডাতে ৰৈ থাকিছিল, তাৰ পাছত অধ্যাপক আহিলেহে তেওঁৰ পিছে পিছে ক্লাছত সোমাইছিল। এতিয়া অৱশ্যে ছোৱালীৰ সেই পিছপৰা অৱস্থা নাই, ল'ৰাৰ লগতে ছোৱালীও হেনো আমাৰ দিনৰ বিপৰীতে (মই কটনত ১৯৪৮ চনৰ পৰা ১৯৫২ চনলৈ পঢ়িছিলোঁ) ল'ৰাৰ সমানে ক্লাছত সোমাই অধ্যাপক অহাৰ আগলৈকে ল'ৰাৰ লগত আড্ডা মাৰে।





কটন কলেজৰ বাহিৰেও পিছত স্থাপিত হোৱা কলেজবোৰ হ'ল বি. বৰুৱা কলেজ, প্ৰাগজ্যোতিষ কলেজ, কালিৰাম বৰুৱা কলেজ, ৰাধাগোবিন্দ বৰুৱা কলেজ, কমাৰ্চ কলেজ আদি।

শিক্ষা জগতৰ কথাৰ পিছত এতিয়া মনোৰঞ্জনৰ জগতলৈ আহোঁ। গুৱাহাটীৰ উজানবজাৰত ভাস্কৰ নাট্য মন্দিৰ নামেৰে থিয়েটাৰ হল এটা আছে, য'ত নাটক অনুষ্ঠিত হয়, সাংস্কৃতিক অনুষ্ঠান হয় আৰু সভা-সমিতিও হয়। ১৯৩৫ চনত ইয়াত জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' চিনেমাখনো প্ৰদৰ্শিত হৈছিল। অতুল চন্দ্ৰ হাজৰিকাৰ বহুতো নাট অনুষ্ঠিত হৈছিল। সৰুতে তেওঁৰ ৰক্ষকুমাৰ নাটকত লক্ষ্যধৰ চৌধুৰীয়ে অভিনয় কৰাৰ কথা ৰিণিকি ৰিণিকি মনত পৰে।

উজানবজাৰৰ এই থিয়েটাৰ হলটোৰ বাহিৰেও ফাঁচী বজাৰতো আৰ্যসমাজ নাট্য মন্দিৰ নামে এটা থিয়েটাৰ হ'ল আছিল, তালৈ অৱশ্যে আমি কেতিয়াও গৈ পোৱা নাছিলোঁ।

তেতিয়া চিনেমা হল কেৱল ফাঁচী বজাৰতে আছিল, সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল- বিজুলী, উৰ্বশী আৰু কেলভিন চিনেমা হল। পিতাৰ কঠোৰ শাসনত থকা আমাৰ চিনেমা চোৱাই নহৈছিল। বৰ্তমান অনুৰাধা, বন্দনাকে ধৰি আৰু কেইখনমান চিনেমা হল স্থাপিত হৈছে।

আমাৰ ল'ৰালি কালত গুৱাহাটীৰ সীমা আছিল- পূবে চানমাৰী, পশ্চিমে ভৰলুমুখ উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে মটৰীয়া। এতিয়া সি বিস্তৃত হৈ নিউ গুৱাহাটী, পশ্চিমে মালিগাওঁ আৰু দক্ষিণে খানাপাৰা হৈছে (মোটামুটি হিচাপত)। শুনিছোঁ বৰ্তমান স্মাৰ্ট চিটি কৰি গুৱাহাটী আৰু বিস্তৃত কৰা হ'ব। গুৱাহাটীক পূবৰ দুৱাৰ মুখ বুলি কোৱা হয়- কাৰণ ভাৰতৰ পশ্চিম অঞ্চলৰ ৰাজ্যবোৰৰ (প্ৰথমতে পশ্চিম বাংলা) পৰা আনবোৰ ৰাজ্য -যেনে ত্ৰিপুৰা, মেঘালয়, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, অৰুণাচলত স্থল পথেদি সোমাব লাগিলে গুৱাহাটী হৈ যাবই লাগিব। সেই দিশৰ পৰা চাবলৈ গ'লে গুৱাহাটী যিমান উন্নত হ'ব লাগিছিল সিমান উন্নত হোৱা নাই। ব্ৰিটিছে বান্ধি থৈ যোৱা ঘৰ-দুৱাৰ

বন্ধা হোৱা নাই, অৱশ্যে ৰবীন্দ্ৰনাথৰ এই পদ্যষাৰ সাৰ্থক কবি- 'স্তুপে স্তুপে উঠিছে গড়ি/ সেইটো নগৰী"---- অনেক বহুতল বিশিষ্ট ঘৰ নিৰ্মাণ হৈছে, তাকো জধে-মধে। সঁচায়ে তাহানিৰ ব্ৰিটিছ শাসনৰ সাৱধান বাণী নুশুনি বৰ্তমানৰ শাসকৰ সোপাটিলা প্ৰৱণতাৰ বাবে নানা-ধৰণে গুৱাহাটীক কদৰ্য কৰি তোলা হৈছে। ইফালে যেইছা ৰজা, তেইছা প্ৰজা, ইয়াৰ অধিবাসীসকলো কম নিকৃষ্ট বিধৰ নহয়, প্ৰধান মন্ত্ৰীৰ স্বচ্ছ ভাৰত গঢ়াৰ আহ্বান এওঁলোকে যেন গ্ৰাহ্যই কৰা নাই, জাবৰ-জোথৰ সংগ্ৰহ কৰা গাড়ী আহিলেও মানুহে ৰাস্তাৰ কাষতে জাবৰ পেলাই থৈ যায়- অন্ততঃ আমাৰ অঞ্চলটোত সেই কথা বহু পৰিমাণে সত্য।

গুৱাহাটীত কেবাটাও পুখুৰী আছে- পূব ফালৰ পৰা গণি আহিলে একাদিক্ৰমে পোৱা যায় শিলপুখুৰী, যোৰপুখুৰী, দীঘলীপুখুৰী, নাকতলা পুখুৰী আৰু ভৰলুমুখত থকা আন এটা পুখুৰী।

গুৱাহাটীৰ ঘাই পথ হ'ল ব্ৰহ্মপুত্ৰৰ প্ৰায় কাষেদি ৰিফাইনেৰীৰ পৰা খাৰঘুলী, উজানবজাৰ হৈ মালিগাওঁলৈ যোৱা পথটো, নিউ গুৱাহাটীৰ পৰা চিধাই শিলপুখুৰী পাৰৰ পৰা পাণবজাৰ, ফাঁচীবজাৰ, আঠগাঁৱলৈ যোৱা আন এটা প্ৰধান পথৰো উল্লেখ কৰিব লাগিব। ইফালে আছে গুৱাহাটী- শ্বিলং ৰোডটো, উত্তৰৰ পৰা দক্ষিণলৈ। এইদৰে গুৱাহাটীত অতীতৰে পৰা থকা পথ, উপপথ, গলি আদিৰ লগত আৰু বেছি পথ অৱশ্যে সংযোগ হোৱা নাই।

আমাৰ ল'ৰালি কালত ৰিক্সা নাছিল, অটো নাছিল, চিটি বাছ নাছিল, খোজকাঢ়িয়ে বহু পথ অতিক্ৰম কৰিছিলোঁ- (যেনে আমাৰ উজানবজাৰ যোৰপুখুৰী পাৰৰ ঘৰৰ পৰা পানবজাৰ ছোৱালী হাইস্কুললৈ যোৱা), কাশ্চিৎ দূৰণিবটীয়া ঠাইলৈ যাব ল'গা হ'লে ঘোঁৰা গাড়ী ভাড়া কৰা হৈছিল। কেতিয়াবা বশিষ্ঠলৈ পিকনিক খাবলৈ গ'লেও ঘোঁৰাগাড়ীৰে যোৱা হৈছিল। স্কুললৈ খোজকাঢ়ি যাওঁতে বহুত সময়ত বৰষুণতো তিতিবলগীয়া হৈছিল, গৰম দিনত তেনেকৈ তিতি আৰামেই লাগিছিল।

গুৱাহাটী চহৰে দ্বিতীয় মহাসমৰৰ বিভীষিকাও কিছু ভুগিবলীয়া হৈছিল। ব্ৰিটিছৰ অধীনত থকা বাবে ব্ৰিটিছ হৈছিল আমাৰ মিত্ৰ-বাহিনী আৰু জাপান





হৈছিল শত্ৰু বাহিনী। জাপানে কলকতাত বোমা পেলাবলৈ আৰু কেতপৰ? সেয়ে গুৱাহাটীবাসী ৰাইজ তাৰ মোকাবিলা কৰিবলৈ সাজু হ'ল, যিসকলৰ গাঁৱতো ঘৰ আছে সেইসকলে গৈ পৈত্ৰিক গাঁৱৰ ঘৰত আশ্ৰয় ল'লৈগে আৰু যিসকলৰ নাই তেওঁলোকে বোমা পেলোৱাৰ বিৰুদ্ধে নানা ধৰণে সাজু হ'ল, ঘৰৰ সমুখৰ চোতালত 'ট্ৰেঞ্চ' খান্দিলে (ইংৰাজী ডব্লিউ আকাৰৰ গাঁত খান্দি ওপৰত কাঠৰ ঢাকনি দি তাত মাটি জাঁপি ঘাঁহ-বন ৰুই দিলে, গাতটোৰ দুই মূৰে ওলোৱা সোমোৱা কৰিবলৈ ঠেক প্ৰৱেশ পথ আছিল), ছাইৰেণ বাজিলে শত্ৰু বিমান অহাৰ সংকেত পাই আমি সেই গাঁতত সোমাওঁ, কিমান সময় বা বোমা পৰে ক'বতো নোৱাৰি, গতিকে লগত কল, কমলা, ব্ৰেড, পানীৰ বটল থাকে আৰু থাকে ৰবৰ আৰু তুলা, কাৰণ বোমাৰ শব্দ কমাবলৈ কাণত তুলা গুঁজিব লাগিব, শব্দৰ প্ৰাবল্যত যাতে দাঁতে দাঁতে লাগি নধৰে সেয়ে কামুৰি ধৰিবলৈ ৰবৰৰ প্ৰয়োজন হ'ব।

ইফালে চহৰখনত সান্ধ্য আইন জাৰি কৰি 'ব্লেক আউট' কৰা হ'ল, লাইট বা লেম ক'লা কাপোৰেৰে ঢাকি দিয়া হ'ল। ৮

আমাৰ পিতা অফিচ এৰি যাব নোৱাৰে বাবে এনে যুদ্ধৰ বিৰুদ্ধে সজ্জিত ঘৰটোত অকলে থাকি গ'ল, লগত মেছ কৰি থাকিল দুজন ডেকা (সময়ত তাৰে এজন ডেকা কালিচৰণ লহকৰে মোৰ বাইদেউ মুকুলক বিয়া কৰাইছিল) লগতে ময়ো কিছুদিন থাকিলোঁ কাৰণ সেই বছৰ মোৰ এম. ই. পৰীক্ষা আছিল, অৱশ্যে পৰীক্ষাৰ পিছত ময়ো গাঁৱত গৈ আহিলোঁগৈ যি অভিজ্ঞতাৰ ভেঁটিত মই মোৰ প্ৰথম উপন্যাস 'সেই নদী নিৰবধি'খন লিখি উলিয়াইছিলোঁ।

কিছু দিনৰ পিছত যুদ্ধ বন্ধ হ'ল আৰু গুৱাহাটী চহৰ পুনৰ আগৰ শান্ত নিৰুপদ্ৰব গুৱাহাটী হৈ পৰিল।

এতিয়া পুনৰ গুৱাহাটীৰ আন বৰ্ণনালৈ অহা যাওক। আগতে চহৰৰ মঠ মন্দিৰৰ কথাকে কৈ লওঁ। ঘাই মন্দিৰ, এক প্ৰকাৰ জগৎ নহ'লেও ভাৰত বিখ্যাত মন্দিৰ হ'ল কামাখ্যা মন্দিৰ যাৰ মহিমা বাঢ়ি গ'লেও কমা হ'লে নাই। গুৱাহাটীৰ পশ্চিম দিশত নীলাচল পাহাৰত অৱস্থিত এই মন্দিৰলৈ নিতৌ ভক্তৰ আগমন

হয়, যদিও অম্বুবাচী মেলাৰ সময়ত ভাৰতৰ নানা দিশৰ পৰা সাধু সন্ন্যাসীকে ধৰি সাধাৰণ মানুহলৈকে অগণন ভক্তৰ আগমন হয়। তাৰ লগতে তিনিদিন আই কামাখ্যা দেৱীৰ মাহেকীয়া হোৱা বুলি মন্দিৰ বন্ধ থাকে।

এতিয়া কামাখ্যা পাহাৰলৈ উঠা পকী ৰাস্তা হ'ল, গতিকে কষ্ট কৰি আৰু দেৱী দৰ্শন কৰিব যাব নেলাগে, গাড়ীৰে গ'লেই হ'ল, কিন্তু আমাৰ সৰু কালত পাহাৰ বগাব লগা হৈছিল, খটখটি আছিল, তাৰে এঠাইত ইমান থিয় আছিল যে মহিলাই মেখেলা উজাই খোজকাঢ়িব লগা হৈছিল, গতিকে সেইখিনি ঠাইক মেখেলা উজোৱা ঠাই বোলা হৈছিল। মই সৰুতে এবাৰ নে দুবাৰমান সেই খটখটি বগাই কামাখ্যা মন্দিৰলৈ গৈছোঁ, পিছত গাড়ীৰেও দুবাৰমান গৈছোঁ- অৱশ্যে পূজা দিবলৈ নহয়, ফুৰিবলৈহে।

কামাখ্যাৰ বাহিৰেও গুৱাহাটীত থকা আন মঠ-মন্দিৰবোৰ হ'ল- নৱগ্ৰহ, চত্ৰাকাৰ, উগ্ৰতাৰা আদি। নৱগ্ৰহত নটা গ্ৰহৰ মূৰ্তি আছে, উগ্ৰতাৰাত আই উগ্ৰতাৰা দেৱী। চত্ৰাকাৰ মন্দিৰলৈ আৰু নৱগ্ৰহ মন্দিৰলৈ এবাৰ নে দুবাৰ গৈছোঁ, কিন্তু আমাৰ পৈত্ৰিক যোৰ পুখুৰী পাৰৰ অনতি দূৰলৈ পশ্চিম ফালে অৱস্থিত উগ্ৰতাৰা মন্দিৰলৈ জীৱনত এবাৰ-দুবাৰত কৈ বেছিবাৰ গৈছোঁ, কিন্তু তাৰ পূজাৰ সময়ত হাঁহ-পাৰ-ছাগলী, ম'হ বলি দিয়াৰ সময়ত এবাৰো যোৱা নাছিলোঁ, সেই মানুহে আৰু উগ্ৰতাৰাত বলি দিয়া দৃশ্য চাবলৈ যামনে? ভাবিলেও গাৰ নোম শিঁয়ৰি উঠে।

খ্ৰীষ্টানসকলৰ গীৰ্জাঘৰ দুটা। তাৰে বিখ্যাতটো অৱস্থিত ফাঁচীবজাৰত, মুছলমানসকলৰ তিনিটামান মছজিদৰ ভিতৰত ঘাই মছজিদতো মাছখোৱাত অৱস্থিত।

ইয়াৰ বাহিৰেও আছে হৰিসভাৰ পূজা মণ্ডপ য'ত দুৰ্গাপূজাও পতা হয়। গুৱাহাটীৰ বহুত ঠাইতে দুৰ্গাপূজা পতা হয়, এতিয়া ন-ন ঠাইতো পূজা হোৱা হৈছে, কিন্তু পুৰণি কেইখন একে ধৰণেৰে আছে, মূৰ্তিৰো তাৰতম্য ঘটা নাই, যেনে উজানবজাৰ বাৰোৱাৰী পূজা, ক্ষীৰদা বিষয়াৰ নৈৰ পাৰৰ ঘৰত কৰা পূজা, নৈৰ পাৰৰ শুভ বৰুৱাৰ ঘৰৰ ব্যক্তিগত পূজা, ফাঁচী বজাৰৰ নৈৰ পাৰৰ





ৰাজহুৱা পূজা (সেইখন বৰ্তমান আছে নে নাই নাজানো, গুৱাহাটীৰ ৰেলৰ ষ্টেচনৰ ওচৰৰ পূজা, শিলপুখুৰী পাৰৰ পূজা ইত্যাদি অতীতৰ বহুতো পূজাৰ বাহিৰেও আজিকালি লতাশিল খেল পথাৰতো কিমান আকাৰৰ দেৱী প্ৰতিমাৰ এখন ডাঙৰ পূজা ধুমধামেৰে পতা হয়।

আজিৰ গুৱাহাটীত উৎসৱৰ পয়োভৰ ঘটিছে, গতিকে আজিকালি দুৰ্গাপূজাৰ বাহিৰেও ধুমধামেৰে সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, লক্ষ্মীপূজা, গণেশ পূজা আদি সকলো ধৰণৰ পূজাও মহা পয়োভৰেৰে পালন কৰা হয়। ইফালে ব'হাগ বিহুও পথাৰৰ পৰা চহৰলৈ আহিল, গুৱাহাটীৰ বহুত ঠাইত অতি আড়ম্বৰেৰে বিহু পালন কৰা হয়।

গুৱাহাটী এতিয়া ৰাজধানী হ'ল, শ্বিলঙৰ পৰা মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ দিনত আচম্বিতে, কোনো পৰিকল্পনা নোহোৱাকৈ ৰাজধানীখন নমাই অনা হ'ল, গতিকে বহুত মানুহেৰে ভৰি পৰা চহৰখন ইমান ঘনবসতি পূৰ্ণ হ'ল যে বহুত মানুহে য'ত ত'তে, যেনে তেনে ঘৰ সাজি গুৱাহাটীৰ সৌন্দৰ্য হানি কৰি পেলালে আনহে নালাগে গুৱাহাটীৰ মাজ মজিয়াত থকা প্ৰধান ৰে'লষ্টেচনটো সিয়ো জনসমাগমেৰে গুৱাহাটীৰ সৌন্দৰ্য হানি কৰিছে। স্থানান্তৰিত কৰিব বুলি শুনিহে থাকিলোঁ, কাৰ্যক্ষেত্ৰত হ'লে ৰূপায়িত নহ'ল।

১৯৪৮ চনত গুৱাহাটী চহৰ শিক্ষাৰ ক্ষেত্ৰত আৰু এখোজ আগবাঢ়িল, গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হ'ল যাৰ প্ৰথম ভাইচ চেঞ্চেলৰ হ'ল পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ। বৰ্তমান আৰু এখন বিশ্ববিদ্যালয় গঢ় লৈ উঠিছে যিখনৰ নাম হ'ল শংকৰদেৱ বিশ্ববিদ্যালয়।

গুৱাহাটী চহৰৰ সোতৰ মাইলমান পশ্চিমে স্থাপিত হৈছে এখন বিমান বন্দৰ, নাম লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ।

এনেকৈ নানধৰণে আমাৰ ল'ৰালি কালৰ গুৱাহাটী প্ৰগতি পথত আগুৱাই আছে যদিও এতিয়াও আচল প্ৰগতি হোৱাই নাই, আনহে নেলাগে 'স্বচ্ছতা'ৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অইন ৰাজ্যবোৰৰ চহৰৰ তুলনাত গুৱাহাটীৰ স্থান হ'ল ৩০৩।

—+—

# গুৱাহাটীৰ বানপানী সমস্যা

নিৰ্ম্মল কুমাৰ চৌধুৰী

বৰ্তমানৰ গুৱাহাটী মহানগৰীৰ সমস্যাসমূহৰ ভিতৰত বানপানী প্ৰধান বুলিয়ে ক'ব লাগিব, প্ৰধান নহ'লেও নিশ্চয়কৈ অন্যতম প্ৰধান। মহানগৰ হোৱাৰ আগতে গুৱাহাটীখন সৰু আছিল আৰু জনসংখ্যাও বহু কম আছিল। ১৯৭১ চনৰ লোকগণনা মতে মাত্ৰ দুই লাখ। সেই সময়ৰ গুৱাহাটীত বানপানীৰ সমস্যা নাছিল। জনসংখ্যা আৰু আয়তন ক্ৰমাগতভাৱে বৃদ্ধি পোৱাৰ ফলত নগৰখন মহানগৰত পৰিণত হোৱাৰ লগে লগে বানপানী সমস্যাৰ সৃষ্টি হ'ল। নাগৰিকৰ সংখ্যা আৰু মহানগৰখনৰ আকাৰ বাঢ়ি গৈ থকাৰ সমান্তৰালভাৱে এই সমস্যা গুৰুতৰ হ'ব ধৰিলে। এতিয়া প্ৰতিবছৰে বাৰিষা কালত গুৱাহাটীৰ অঞ্চল বিশেষে দেখা দিয়া বানপানীৰ ফলত তাৰ আবাসীসকলে দুৰ্গতি ভুগিবলগীয়া হৈছে। মহানগৰখনৰ যিবোৰ অঞ্চলত বানপানী হয় সেইবোৰ এসময়ত দ পথাৰ বা পিতনি আছিল আৰু বাৰিষা ব্ৰহ্মপুত্ৰ নদীৰ পানী ভৰলু নৈৰে সোমাই আহি সেইবোৰ ভৰাই পেলাইছিল। সেইবোৰ অঞ্চলত মানুহে মাটি পুতি ঘৰ সাজি থাকিবলৈ লোৱাৰ পিছত তাৰ আবাসীসকল বাৰিষা বানপানীত ভুগিবলগীয়া হ'ল। তাৰ প্ৰতিকাৰ হিচাপে ভৰলুমুখত শ্লুইচ গেট নিৰ্মাণ কৰা হ'ল যাতে ব্ৰহ্মপুত্ৰৰ পানী বাঢ়িলে গেট বন্ধ কৰি ভৰলুৰে সোমাৱা বন্ধ কৰিব পাৰি। একেদৰে গুৱাহাটীৰ পূবফালৰ বোন্দা জান আৰু পশ্চিমৰ খনা জানতো শ্লুইচ গেট দি





ব্ৰহ্মপুত্ৰৰ পানী বাৰিষা সোমাব নোৱৰাৰ ব্যৱস্থা কৰা হ'ল। ব্ৰহ্মপুত্ৰৰ পানীস্তৰ নিম্ন হৈ থকা অৱস্থাত গেটবোৰ খোলা থাকে আৰু তেতিয়া গুৱাহাটীৰ ভিতৰত পানী ভৰলু নৈ আৰু দুয়োটা জানেৰে বৈ গৈ ব্ৰহ্মপুত্ৰত পৰে। গুৱাহাটীৰ ভিতৰেদি বৈ যোৱা ভৰলু আৰু বশিষ্ঠ নৈৰ পানী আৰু বৰষুণৰ পানীৰ লগত গুৱাহাটীৰ নাগৰিকসকলৰ ঘৰৰ পৰা ওলোৱা পেলনীয়া পানীও মিলি একেলগে এইদৰে ওলাই যায়। বাৰিষা ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ উচ্চ হ'লে গেটবোৰ যেতিয়া বন্ধ থাকে তেতিয়া পানী পাম্প কৰি ব্ৰহ্মপুত্ৰত পেলোৱাৰ ব্যৱস্থা অকল শ্লুইচ গেটতহে আছে। গেটবোৰ বন্ধ থকা অৱস্থাত গুৱাহাটীত অতিপাত বৰষুণ হ'লে আৱশ্যকীয় পৰিমানৰ পানী পাম্প কৰি উলিয়াই দিয়াটো অসম্ভৱ হৈ পৰে আৰু তেতিয়া দ ঠাইবোৰত বানপানী হয়। পানী ওলাই যাব নোৱৰা বাবে হোৱা এনে বানপানীক কৃত্ৰিম বানপানী বোলা হয়।

গুৱাহাটীৰ বানপানীৰ সমস্যাৰ কথা বিশ্লেষণ কৰিবলৈ হ'লে নগৰখনৰ ভৌগোলিক প্ৰকৃতিৰ বিষয়ে জানি ল'ব লাগিব। দীঘলীয়া আকৃতিৰ গুৱাহাটী ভূখণ্ডৰ উত্তৰ সীমাত ব্ৰহ্মপুত্ৰ নদীৰ পাৰ, পূব আৰু দক্ষিণ সীমাত আছে এলানি পাহাৰ আৰু পশ্চিম ফালে থকা দীপৰ বিলখন এটা ডাঙৰ জলাশয়। এই প্ৰাকৃতিক সীমাৰ ভিতৰত অঞ্চলটো এটা প্ৰকাণ্ড চৰিয়াৰ দৰে, দীপৰ বিলৰ বাহিৰে সীমাৰ বাকীখিনি মাজ ভাগতকৈ ওখ। ব্ৰহ্মপুত্ৰৰ পাৰটোও মহানগৰৰ ভিতৰৰ বহু ঠাইতকৈ ওখ। গুৱাহাটী ভূখণ্ডৰ মাজ ভাগত ঠায়ে ঠায়ে কেইবাখনো পাহাৰ আৰু কেইবাটাও সৰু-ডাঙৰ জলাশয় আছে। জলাশয়বোৰৰ ভিতৰত চলা বিল (সৰু চলা, বৰ চলা) বিজুবাৰী বিল, শিলসাঁকো বিল উল্লেখযোগ্য। ভৰলুনৈৰ পানী চলা বিলত সোমাব নোৱৰা কৰিবৰ বাবে এসময়ত সৰু শ্লুইচ গেট এখন আছিল, চাবিপুল বোলা ঠাইখিনিত। পূবফালৰ পৰা ভৰলুলৈ বৈ অহা পানী বাৰিষা শিল সাঁকো বিললৈ পঠোৱাৰ ব্যৱস্থা হিচাপে সৰু মটৰীয়াতো এখন সৰু শ্লুইচগেট আছিল। ঠাই টুকুৰাক আগতে শ্লুইচ গেট বুলি কৈছিল, এতিয়া ডাউন-টাউন নাম দিয়া হৈছে।

গুৱাহাটীৰ মাজেদি বৈ যোৱা ভৰলু আৰু বশিষ্ঠ নদী দুখন দক্ষিণ দিশৰ







পাহাৰ লানিৰ পৰা বৈ আহিছে। এই পাহাৰ লানি মেঘালয় ৰাজ্যৰ পাহাৰ শ্ৰেণীৰ বিস্তৃত অংশ। গুৱাহাটীৰ পূব অঞ্চলৰ পৰা অহা বাহিনী নৈখনেই চিৰিয়াখানাৰ ওচৰত উত্তৰৰ পৰা অহা জুৰি এটাৰ লগ লাগি ভৰলু নাম লৈ পশ্চিমলৈ বৈ গৈছে আৰু ভৰলু নৈ ব্ৰহ্মপুত্ৰ নদীত পৰিছে। বশিষ্ঠ নৈ বাহিনী নৈৰ ওচৰাওচৰিকৈ গুৱাহাটী সোমাই মহানগৰীৰ দক্ষিণ অঞ্চলেদি পশ্চিমলৈ গৈ দীপৰ বিলত পৰিছে। ভৰলু নৈ আৰু বশিষ্ঠ নৈ সংযোগী সুঁতি এটা আছে, ফটাশিল অঞ্চলত থকা এই সুঁতিটোৰ নাম মৰা ভৰলু। বাহিনী নৈৰ পানী বশিষ্ঠ নৈলৈ যাব পৰাকৈ এটা নলাও নিৰ্মাণ কৰা হৈছে যাতে মেঘালয়ৰ পৰা অহা পানী ভৰলুলৈ যাব নোৱাৰে। ব্ৰহ্মপুত্ৰৰ পূবে শিলসাঁকো বিলৰ লগত সংযোগ কৰিছে বোন্দা জান নামৰ এটা সুঁতিয়ে আৰু পশ্চিম দীপৰ বিলৰ লগত খনা জান নামৰ আন এটা সুঁতিয়ে। পূব দিশৰপাহাৰৰ পৰা ওলাই অহা জুৰি এটা শিলসাঁকো বিলত পৰিছে, পাঞ্জাবাৰী অঞ্চলৰ মাজেদি।

গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ পাৰৰ গড় উচ্চতা সমুদ্ৰপৃষ্ঠৰ পৰা ৫১.৩ মিটাৰ; গুৱাহাটীৰ পাহাৰ আৰু জলাশয় বাদ দি বাকী অংশৰ গড় উচ্চতা সমুদ্ৰ পৃষ্ঠৰ পৰা ৪৯.০ মিটাৰ। বাৰিষা কালত প্ৰতি বছৰে ৯০ দিন মানৰ বাবে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ ৪৯.০ মিটাৰ ওপৰত থাকে, অৰ্থাৎ গুৱাহাটীৰ কেবাটাও অঞ্চলৰ পৃষ্ঠৰ ওপৰত থাকে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠৰ বিপদজনক উচ্চতা ৪৯.৭ মিটাৰ। কিন্তু প্ৰতি বছৰে জলপৃষ্ঠ তাৰ ওপৰলৈ উঠে, ১৯৮৮ চনত সৰ্বোচ্চ ৫১.৪ মিটাৰ হৈছিল। এনে সময়ত বাহিৰৰ পৰা বৈ অহা আৰু মহানগৰৰ ভিতৰত হোৱা বৰষুণৰ পানী ওলাই যাব নোৱৰাটোৱেই গুৱাহাটীৰ বানপানীৰ মূল কাৰণ। ব্ৰহ্মপুত্ৰৰ পানী বাঢ়িলে ভৰলুমুখৰ শ্লুইচ গেট বন্ধ কৰি দিয়া হয় আৰু বছৰি ৩০ দিন মান বন্ধ ৰাখিবলগীয়া হয়। তেনে পৰিস্থিতিত গুৱাহাটীৰ পানী উলিয়াই দিয়াৰ একমাত্ৰ উপায় পাম্প কৰি ব্ৰহ্মপুত্ৰত পেলোৱা। ডাঙৰ বৰষুণ হ'লে সিমানখিনি পানী পাম্প কৰাটো সম্ভৱ নহয় কাৰণে গুৱাহাটীৰ বহু ঠাইত বানপানী হয়।

গুৱাহাটীৰ বানপানীৰ আন কিছুমান কাৰণো আছে। আগৰ খেতি পথাৰ

আৰু পিটনিবোৰত বৰষুণৰ পানী জমা হ'ব পাৰিছিল কাৰণে বাট-পথ আৰু ঘৰ-বাৰীত পানী উঠা নাছিল। সেইবোৰ পুতি পেলোৱা কাৰণে পানী জমা হোৱা ঠাইৰ অভাৱত ডাঙৰ বৰষুণ আহিলেই আজিকালি সেইবোৰ ঠাইত বানপানী হয়। পানী জমা হোৱা ঠাইবোৰ মানুহে দখল কৰা কাৰণে পানী মানুহৰ ঘৰ সোমায়, বনাঞ্চল দখল কৰা কাৰণে বন্যপ্ৰাণীয়ে মানুহক আক্ৰমণ কৰাৰ নিচিনাকৈ। অকল সেয়ে নহয়, পাহাৰবোৰত জধে-মধে মাটি কটা কাৰণে বৰষুণৰ পানীৰ লগত মাটিও নামি আহি গুৱাহাটীৰ বহু ঠাইৰ নলা-নৰ্দমাবোৰত জমা হয় আৰু সেইবোৰ অকামিলা হৈ স্থানীয়ভাৱে বানপানীৰ সৃষ্টি কৰে, কিছুমান তুলনামূলকভাৱে ওখ অঞ্চলতো। পাহাৰবোৰৰ গছ-গছনি কাটি তহিলং কৰাৰ ফলত বৰষুণৰ পানী খৰকৈ নামি আহে, কিয়নো গছ-গছনিয়ে পানী নামি অহাত বাধা দিব পাৰে। পাহাৰৰ পৰা বৰষুণৰ পানী খৰকৈ নামি আহিলে তলৰ ঠাইবোৰত কম সময়ৰ ভিতৰতে বেছি পানী জমা হৈ বানপানীৰ সৃষ্টি কৰে। নগৰ-মহানগৰত ৰাস্তা-ঘাট আৰু বসতিস্থলবোৰ পকী কৰা হয় কাৰণে সেইবোৰো বানপানীৰ কাৰক হৈ পৰে। অসমৰ নিচিনা জলবায়ু থকা অঞ্চলৰ মানুহে বসতি নকৰা ঠাইত বৰষুণৰ পানীৰ প্ৰায় ৫০ শতাংশ অৰ্থাৎ আধাভাগ মাটিৰ তললৈ যায় আৰু প্ৰায় ৪০ শতাংশ পোনে পোনে আৰু গছ-গছনিৰ পাতৰ মাজেদি বায়ুৰ লগত মিহলি হয়। বাকী ১০ শতাংশ অৰ্থাৎ দহ ভাগৰ এভাগ মানহে মাটিৰ ওপৰেদি যায়। নগৰীকৰণৰ ফলত মাটিৰ তললৈ যোৱা আৰু বায়ুৰ লগত মিহলি হোৱা অংশ কমি যায় আৰু বৰষুণৰ পানীৰ প্ৰায় ৫০ শতাংশ বা আধা ভাগ নলা-নৰ্দমাৰে বৈ যায়। বৈ যোৱা পানী প্ৰায় ৫ গুণ বৃদ্ধি হোৱা কাৰণে নগৰ আৰু মহানগৰবোৰত বৰষুণৰ পানীয়ে বানপানী সৃষ্টি কৰাৰ সম্ভাৱনা থাকে। গুৱাহাটীত বৰষুণৰ পানী বৈ যোৱাৰ বাবে পৰ্যাপ্ত নলা-নৰ্দমা নথকা বাবে আৰু বহু ঠাইত সেইবোৰ পোত গৈ আকামিলা হোৱা কাৰণে এজাক মজলীয়া বৰষুণতো সেই ঠাইবোৰত ৰাস্তাই-ঘাটে, ঘৰে-বাৰীয়ে পানী উঠে। নগৰ-মহানগৰত থকা ঘন বসতিস্থলৰ পৰা বহুপৰিমাণে পেলনীয়া পানী ওলাই আহে। বৰষুণৰ দিনত এই পানীয়েও সমস্যা বৃদ্ধি কৰে। অৱশ্যে, নগৰীকৰণ গুৱাহাটীৰ





বানপানীৰ গৌণ কাৰণহে, আমাৰ দেশৰ আৰু আন বহু দেশৰ কিছুমান মহানগৰৰ দৰে মুখ্য কাৰণ নহয়।

গুৱাহাটীৰ বানপানীৰ কাৰণৰ উপৰিউক্ত বিশ্লেষণৰ ওপৰত ভিত্তি কৰি এই সমস্যাৰ সমাধানৰ উপায় নিৰ্ণয় কৰিব পাৰি। সম্পূৰ্ণ সমাধান সম্ভৱ নহয়, যিহেতু গুৱাহাটীৰ পূৰ্বৰ প্ৰাকৃতিক অৱস্থা ঘূৰাই অনাটো অসম্ভৱ। প্ৰকৃতিৰ বিৰুদ্ধাচৰণ কৰি নিজে সৃষ্টি কৰা কোনো সমস্যা মানুহে নিৰ্মূল কৰিব নোৱাৰে। গুৱাহাটীখন সমভূমিত স্থাপিত নহয় কাৰণে পুৰণি কালৰে পৰা ইয়াৰ মানুহে পাহাৰ কাটি আৰু মাটি পুতি বাসস্থান প্ৰস্তুত কৰি আহিছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে এই প্ৰক্ৰিয়াও বাঢ়ি থাকিল। লোকগণনাৰ তথ্যৰ পৰা দেখা যায় যে ১৯৭১ চনত গুৱাহাটীৰ জনসংখ্যা ২ লাখ আছিল আৰু তাৰ পিছত প্ৰতি দহ বছৰে প্ৰায় ২ লাখকৈ বাঢ়িছে। এইদৰে জনসংখ্যা বাঢ়ি যোৱাৰ আশংকা আছে। অৰ্থনৈতিক উন্নয়নৰ প্ৰধান কেন্দ্ৰ হিচাপে বৰ্তমানে অসমৰ একমাত্ৰ মহানগৰ গুৱাহাটীয়ে গোটেই অসমৰ মানুহক আকৰ্ষিত কৰে। ইয়ালৈ মানুহৰ প্ৰবজন ৰোধ কৰিব পাৰিলেহে বানপানীৰ সমস্যাৰ বৃদ্ধি ৰোধ কৰিব পৰা যাব। অসমৰ তেজপুৰ, যোৰহাট, ডিব্ৰুগড়, উত্তৰ লখিমপুৰ, শিলচৰৰ নিচিনা প্ৰধান নগৰবোৰ উন্নত কৰি মহানগৰত পৰিণত কৰিলে গুৱাহাটীৰ প্ৰতি বৰ্তমানৰ আকৰ্ষণ হ্ৰাস পাব। আনহাতে গুৱাহাটীৰ নাতি দূৰৰ সৰু নগৰ আৰু গাঁওবোৰত সকলো ধৰণৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিলে কিছু মানুহ ইয়াৰ পৰা গৈ সেইবোৰত বসবাস কৰিব পাৰিব। মুঠতে বানপানী সমস্যা গুৰুতৰ হোৱাত বাধা দিয়াৰ একমাত্ৰ উপায় জনসংখ্যাৰ বৃদ্ধি ৰোধ কৰা, পাৰিলে জনসংখ্যা হ্ৰাস কৰা। মহানগৰত বসতিস্থল বৃদ্ধিত বাধা দিয়াৰ একমাত্ৰ উপায় অৱলম্বন কৰাৰ নজিৰ আছে। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি যে আজিৰ পৰা পোন্ধৰ বছৰমান আগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিলওৱাকী (Milwaukee) মহানগৰৰ কৰ্তৃপক্ষই খালী হৈ থকা কিছু ঠাই কিনি সেইবোৰ মুকলি হৈ থকাৰ ব্যৱস্থা কৰিছিল। দ ঠাই মুকলি কৰি ৰাখি বৰষুণৰ পানী অস্থায়ীভাৱে জমা হ'বলৈ দিব পাৰি আৰু আন সময়ত নাগৰিকৰ মনোৰঞ্জনৰ উদ্যান হিচাপে ব্যৱহাৰ কৰিব পাৰি।

গুৱাহাটীৰ বানপানী সমস্যা গুৰুতৰ নোহোৱাকৈ ৰখাতকৈ এই সমস্যাৰ উপশমৰ ব্যৱস্থা কৰাটোহে অধিক প্ৰয়োজনীয়। এটা কথা মানি ল'ব লাগিব যে উপশমৰ একমাত্ৰ উপায় পানী পাম্প কৰি ব্ৰহ্মপুত্ৰত পোলোৱাটো। বৰ্তমানে ভৰলুমুখত যি ব্যৱস্থা আছে তাৰ ক্ষমতা বৃদ্ধি কৰিব পাৰি, কিন্তু অকল তাৰ দ্বাৰাই আশানুৰূপ ফল পোৱা নাযাব। সেই কাৰণে আন ব্যৱস্থাৰো প্ৰয়োজন আছে। ভৰলু নৈৰে অহা পানী কমাব পাৰিলে পৰিস্থিতি উন্নত হ'ব আৰু সেইটো কৰাৰ উপায় আছে। এসময়ৰ বাহিনী নৈৰ পানী শিল সাঁকো বিললৈ পঠোৱাৰ ব্যৱস্থা আছিল। সেই ব্যৱস্থা নতুনকৈ ভালদৰে কৰিলে ভৰলুৰ পানী কমিব। সেইটো কৰিলে শিল সাঁকোৰ পৰা পানী ওলাই যাব পৰাকৈ বোন্দা জানটো মুকলি কৰি খান্দিব লাগিব আৰু বোন্দা শ্লুইচ গেটত পাম্প বহুৱাই পানী ব্ৰহ্মপুত্ৰত পেলাব লাগিব।

গুৱাহাটীৰ মাজৰ চলা বিল, শিল সাঁকো বিল আদি জলাশয়বোৰে বাৰিষা পানী জমা কৰি ৰাখি বানপানীৰ প্ৰকোপ কমাই দিয়াত সহায় কৰি আহিছে। তলিত গেদ পৰি গভীৰতা হ্ৰাস পোৱা কাৰণে আৰু মানুহে কিছু অংশ বেদখল কৰি পুতি পেলোৱাৰ ফলত এই জলাশয়বোৰৰ জলধাৰণ ক্ষমতা হ্ৰাস পাইছে। বানপানী প্ৰশমনৰ বাবে এই জলাশয়বোৰৰ গভীৰতা আৰু আয়তন বৃদ্ধি কৰাটো প্ৰয়োজনীয়। এই কাৰ্য মহানগৰখনৰ সৌন্দৰ্যবৰ্দ্ধনৰো সহায়ক হ'ব। গুৱাহাটীত নাগৰিকসকলে ফুৰা-চকা আৰু মনোৰঞ্জন কৰি আনন্দ লাভ কৰাৰ সুবিধাৰ অভাৱ আছে। জলাশয়বোৰ পৰিষ্কাৰ কৰি আৰু খান্দি চাৰিওফালে পথচাৰীৰ বাবে বাট সাজি দিলে সেইবোৰ আকৰ্ষণীয় হৈ পৰিব। তাত নৌকা বিহাৰৰ ব্যৱস্থাও কৰিব পৰা যাব। এইদৰে বৰ্তমানে কদৰ্যৰূপত থকা জলাশয়বোৰ সুন্দৰ কৰি তুলিব পাৰিলে গুৱাহাটীবাসীৰ এটা গুৰুত্বপূৰ্ণ প্ৰয়োজন বহু পৰিমানে পূৰ্ণ কৰা হ'ব।

বাৰিষা ডাঙৰ বৰষুণ হ'লে গুৱাহাটীৰ তুলনামূলক ভাৱে ওখ অঞ্চলসমূহত বাট-পথ, আনকি ঘৰ-বাৰীতো কিছু সময়ৰ কাৰণে পানী জমা হোৱা দেখা যায়। বৰষুণৰ পানী খৰতকীয়াভাৱে বৈ যাব নোৱৰা কাৰণেই তেনে





হয়। পানী ওলাই যাব নোৱাৰে। পৰ্যাপ্ত ধৰণৰ নলা-নৰ্দমা নথকা বাবে আৰু থকাবোৰ পোত যোৱাৰ কাৰণে। আৱশ্যক মতে নলা-নৰ্দমা কৰি আৰু সকলোবোৰ নিয়মিতভাৱে চাফা কৰাৰ ব্যৱস্থা কৰি এই অসুবিধা দূৰ কৰিব পাৰি। নলা-নৰ্দমা পোত যোৱাৰ প্ৰধান কাৰণ পানীৰ লগত অহা মাটি জমা হোৱা। গুৱাহাটীৰ পাহাৰবোৰৰ পৰা মাটি অহাটো ৰোধ কৰাৰ উপযুক্ত ব্যৱস্থা ল'লে বানপানীৰ উপশম হ'ব।

গুৱাহাটীৰ বানপানীৰ সমস্যা সমাধানৰ প্ৰধান উপায় কেইটামানহে উল্লেখ কৰা হ'ল, তাকো আভাস দিয়া হিচাপেহে। উপায়বোৰ অৱলম্বন কৰিববৈলে হ'লে বিশেষজ্ঞৰ সহায়ত বিজ্ঞানসন্মত আৰু কাৰিকৰীভাৱে উপযুক্ত আঁচনি প্ৰস্তুত কৰি ল'ব লাগিব। এই আঁচনিবোৰ ৰূপায়ন কৰিব পাৰিব চৰকাৰে বা পৌৰ কৰ্তৃপক্ষই। নাগৰিকসকলেও দুই-এটা সৰু-সুৰা কাম কৰি বানপানী উপশমত সহায় কৰিব পাৰে। তেওঁলোকে সমূহীয়াভাৱে নিজ নিজ অঞ্চলৰ নলা-নৰ্দমা আৱৰ্জনামুক্ত কৰি ৰাখিলে পানী ওলাই যোৱাত বাধা নাথাকিব। আনহাতে প্ৰতিঘৰ মানুহে নিজৰ ঘৰৰ চৌহদৰ বৰষুণৰ পানী আৰু ঘৰৰ পেলনীয়া পানী যিমান পাৰি সিমান মাটিৰ তললৈ যোৱাৰ ব্যৱস্থা কৰিলে বাহিৰৰ নলালৈ যোৱা পানীৰ পৰিমান কমি যাব। ঘৰৰ চাৰিওকাষে থকা চৌহদৰ মাটি পকী নকৰাকৈ ৰাখিলে বৰষুণৰ পানী তললৈ যোৱাৰ সুবিধা পায় আৰু চৌহদৰ এটা চুক অলপ দকৈ ৰাখিলে তাত বৰষুণৰ পানী জমা হয়। ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় পানীৰ অভাৱ থাকিলে বৰষুণৰ পানী সংগ্ৰহ (ৰেইন ৱাটাৰ হাৰ্ভেষ্টিং) কৰাৰ ব্যৱস্থাও কৰিব পাৰি। ব্যৱহাৰৰ পিছত ঘৰৰ পৰা ওলাই যোৱা পেলনীয়া পানী এক মিটাৰমান দ সৰু কুঁৱা এটাত পেলালে আৰু তাৰ পৰা অতিৰিক্ত পানী ওলাই যোৱাৰ ব্যৱস্থা কৰিলে বাহিৰৰ নলালৈ যোৱা পানী কমি যাব। মাটিৰ তললৈ পানী বেছিকৈ গ'লে ভূতলৰ জলপৃষ্ঠ নিম্নগামী হোৱাত কিছু পৰিমাণে হ'লেও বাধা পৰিব। গুৱাহাটীৰ সকলো নাগৰিকে সহযোগ কৰিলে ভাল ফল হ'ব।

—+—

# মোৰ চিনাকি গুৱাহাটী অতীত আৰু বৰ্তমান

ড° অনিমা গুহ

গুৱাহাটীৰ বিষয়ে লিখিবলৈ বহি মনত পৰিল কবি-সাহিত্যিক সুনীল গাংগুলীলৈ।

কেইবছৰমান আগতে কলকাতা মহানগৰীয়ে ইয়াৰ দুশবছৰীয়া জন্মদিন পালন কৰোঁতে গাংগুলীয়ে ইতিকিং কৰি কৈছিল যিখন গুৱাহাটীৰ সভ্যতা দুহেজাৰ বছৰীয়া সেইখন চহৰেই য'ত জন্মদিন পালন নকৰে তেতিয়া কলকাতাই জাকজমকেৰে জন্মদিন পালন কৰাটো হাস্যকৰ নহয়নে? ইয়াৰ বিপৰীতে ক'ব খোজো আমি সকলো গুৱাহাটী বাসীয়ে জানোনে ইয়াৰ অতীত ইতিহাস? ময়ো সামান্যহে জানো। সেই অলপীয়া জ্ঞানেৰে যি জানো তাৰেই পাতনি মেলা যাওক। ভুল হ'লে ইতিহাসবিদসকলে শুধৰাই দিয়ে যেন।

এইখন নগৰৰ প্ৰাচীন মঠ-মন্দিৰ, কীৰ্তিস্তম্ভ শিলালিপিসমূহৰ ভগ্নাৱশেষত আৰু চাৰিওফালৰ পাহাৰ-পৰ্বতত লুকাই আছে হেজাৰ বছৰৰ ইতিহাস।

আদিতে গুৱাহাটীৰ নাম আছিল প্ৰাগজ্যোতিষপুৰ। ইতিহাসে এই ভূখণ্ডৰ





প্ৰাচীনত্বৰ বিষয়ে কয় যে প্ৰাচীন হিন্দু পুথি পুৰাণত প্ৰাগজ্যোতিষপুৰৰ উল্লেখ আছে। অতীতৰে পৰা বহু ৰাজবংশৰ ৰাজধানী আছিল নগৰখন। মহাভাৰতৰ মতে ই আছিল নৰকাসুৰ আৰু ভগদত্তৰ ৰাজধানী। দক্ষিণৰ নৰকাসুৰ পাহাৰখনতেই নৰকাসুৰৰ ৰাজধানী অৱস্থিত আছিল। মহানগৰীৰ মাজমজিয়াতে থকা শৰণীয়া পাহাৰখনত আছিল কিৰাত ৰজাৰ ৰাজধানী। প্ৰাচীন ইতিহাসে আৰু কয় খ্ৰী.পূ.২য় শতিকা আৰু ১ ম খ্ৰীষ্টাব্দৰ মাজত এই নগৰৰখন আছিল হিন্দু ৰজা সুঙ্গ-কুশান ৰাজবংশৰ অধীনত। এটা সময়ত কামৰূপ ৰাজ্যৰ বৰ্মন ৰাজবংশৰ ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ।

চীনদেশীয় পণ্ডিত তথা পৰিব্ৰাজক হিউৱেনচাং মহাৰাজ হৰ্ষবৰ্ধনৰ ৰাজত্ব কালত (আনুমানিক খ্ৰী. ৬০৬-৬৪৭) ভাৰত ভ্ৰমণ কৰিবলৈ আহিছিল। আনুমানিক খ্ৰী ৬৪২-৪৩ ৰ ভিতৰত তেওঁ অসমলৈ আহি কামৰূপৰ ৰজা ভাস্কৰ বৰ্মনৰ ৰাজসভাত উপস্থিত হৈছিল। তেতিয়া নগৰখনৰ বিস্তাৰ আজিৰ হিচাপমতে আছিল প্ৰায় ১৫ কিলোমিটাৰ। এই কথা হিউৱেনচাঙৰ টোকাত পোৱা যায়।

গুৱাহাটীৰ মাজমজিয়া আমবাৰীত অকস্মাতে উন্মোচিত হৈছিল এই ভূখণ্ডৰ প্ৰাচীন ইতিহাস। ১৯৬৯ চনত ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়াৰ ভেটিটো প্ৰস্তুত কৰি থাকোঁতে মাটিৰ তলত আৱিষ্কৃত হয় অমূল্য সম্পদ। প্ৰত্নতত্ত্বিদসকলৰ চকু উজ্বলি উঠে। ১৯৭০ ৰ পৰা ২০০৩ চনলৈ ইয়াত কৰা খনন কাৰ্যত দুটা স্পষ্ট যুগৰ কীৰ্তিসমূহ উন্মোচিত হয়। এটা সপ্তম শতিকাৰ পৰা দ্বাদশ শতিকাৰ মাজত আৰু আনটো তেৰ শতিকা পৰা সোতৰ শতিকাৰ মাজত।

মধ্যযুগীয়া ইতিহাসে কয় ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ১৮২৬ খ্ৰীষ্টাব্দলৈ আহোমসকলে এই ভূখণ্ডত ৰাজত্ব কৰিছিল। ব্ৰহ্মদেশৰ মানসকলে ১৮১৭ ৰ পৰা ১৮২৬ খ্ৰীষ্টাব্দৰ মাজত কেইবাবাৰো এই অঞ্চল আক্ৰমণ কৰিছিল। অৱশেষত ইয়াণ্ডাবু সন্ধিমতে অসম ইষ্ট ইণ্ডিয়াৰ হাতলৈ যায় আৰু ১৯৪৭ চনলৈকে ব্ৰিটিছৰ শাসনাধীন হৈ থাকে।

আহোম ৰাজত্বৰ সময়ত নামনি অসমৰ গুৱাহাটীত আহোমৰ দ্বাৰা নিযুক্ত

বৰফুকনৰ দপ্তৰটো অতি গুৰুত্বপূৰ্ণ আছিল। সামাজিক তথা সামৰিক দিশবোৰ বৰফুকনেই চোৱাচিতা কৰিছিল। ৰণকৌশলৰ ফালৰ পৰা গুৱাহাটী আছিল বিশেষকৈ গুৰুত্বপূৰ্ণ। সেয়েহে মোগলে সেই সময়ৰ সোতৰবাৰ অসম আক্ৰমণ কৰিলেও জয়ী হ'ব পৰা নাছিল।

প্ৰাচীন অসম কামৰূপ নামেৰেই জনাজাত আছিল আৰু গুৱাহাটী আছিল প্ৰাগজ্যোতিষপুৰ নামেৰে। প্ৰাগজ্যোতিষপুৰ নামটোৰ উৎপত্তি সম্পৰ্কে অধিকাংশ পণ্ডিতে কয় যে প্ৰাগ বা পূব দিশৰ এই নগৰ খনত জ্যোতিষ শাস্ত্ৰৰ (Astrology) চৰ্চা কৰা হৈছিল বাবেই ঠাইখনে প্ৰাগজ্যোতিষপুৰ নাম পায়। ইতিহাস চৰ্চা এতিয়াও চলি আছে।

গুৱাহাটী নামটো উৎপত্তিৰ বিষয়ে নানা মুনিৰ নানা মত। কিছুমান পণ্ডিতে কয় গুৱাহাটীৰ চাৰিওফালে লানি লাগি থকা পৰ্বতত শাৰী শাৰী গুহাৰ উপস্থিতিৰ বাবে নামটো হ'লগৈ গুৱাহাটী। কিছুমানৰ মতে গুৱা বা তামোলৰ প্ৰচুৰ বজাৰ ঠাইখনত থকা বাবে নামটো হ'ল গুৱাহাটী। দুয়োটা বিশ্লেষণে কয় যে হাটীৰ অৰ্থ দুটা শাৰী আৰু বজাৰ। হিউৱেনচাঙে এইবোৰ ঠাইত তামোল-নাৰিকলৰ প্ৰাচুৰ্য থকা বুলি তেওঁৰ টোকাত লিখি লিপিবদ্ধ কৰিছে।

আন এটা ব্যাখ্যা মতে গো বা গৰুৰ হাটী বা বজাৰ থকা বাবে নাম হ'ল গৌহাটী, পিছে এই ব্যাখ্যাটো গ্ৰহণযোগ্য নহয়। কাৰণ গুৱাহাটী নামটো ব্ৰিটিছ যুগত বিস্তৃত হৈ গৌহাটী হৈছে।

প্ৰশ্ন হ'ল কেতিয়াৰে পৰা নো গুৱাহাটী নামটো প্ৰচলন হ'ল..... "এই বিষয়ে কোনো ইতিহাসবিদে একো কথা খাটাংকৈ কোৱা নাই যদিও সোতৰ শতিকা মানৰ পৰা এই নামৰ প্ৰচলন হোৱা বুলি ধাৰণা কৰা হয়। মিণহাজৰ 'টবকত ই নাছাধ'ত এই নাম গুৱাহাটী (গুৱাহাটা) বুলি প্ৰথম উল্লেখ কৰা হৈছিল। তাত বংগদেশৰ শাসনকৰ্তা ইখটিয়াৰ উদ্দিন টোঘল খাই ১২৫৩ খ্ৰীঃত কামৰূপ জয় কৰি গুৱাহাটা (গুৱাহাটী) অধিকাৰ কৰে বুলি কোৱা হৈছে। এই গুৱাহাটী তেতিয়া কিন্তু উত্তৰ গুৱাহাটীকহে ঘাইকৈ বুজাইছিল। ....... সময়ত মোগলে দিয়া গুৱাহাটী নামটো মোগলেহে বেছিকৈ ব্যৱহাৰ কৰা দেখা গৈছিল





যদিও আহোম শাসনকালতহে গুৱাহাটী নামটো স্থায়ী হৈ ৰয়"। (কুমুদেশ্বৰ হাজৰিকা, ইতিহাসৰ ছাঁ-পোহৰত পুৰণি গুৱাহাটী, পৃ৩,৪)।

**তীৰ্থযাত্ৰীৰ স্বৰ্গ**

গুৱাহাটীৰ ইতিহাসৰ লগত সাঙোৰ খাই আছে ইয়াৰ চাৰিওফালে থকা প্ৰাচীন মন্দিৰসমূহ। মন্দিৰবোৰৰ ঘাইকৈ তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি শাক্ত মন্দিৰ, শৈৱ মন্দিৰ আৰু বৈষ্ণৱ মন্দিৰ। গুৱাহাটীৰ পশ্চিম দিশত অৱস্থিত নীলাচল, নীলাচল পাহাৰৰ ওপৰত অধিষ্ঠিত কামাখ্যা দেৱীৰ মন্দিৰ প্ৰাচীন ৫১ টা শক্তিপীঠৰ এটা। ১৫৬৫ চনত কোচৰজা নৰনাৰায়ণ আৰু চিলাৰায়ে মন্দিৰটো সাজে। আনহাতে ইয়াৰ উৎপত্তি সম্পৰ্কে এটা পৌৰাণিক কাহিনীও নথকা নহয়। যি কি নহওক প্ৰধান মন্দিৰটোৰ ওচৰে-পাজৰে আছে শক্তিৰ দেৱীৰ দহোটা ৰূপৰ মন্দিৰ। তাৰে তিনিগৰাকী স্থাপিত প্ৰধান মন্দিৰটোত। বাকী সাতগৰাকীৰ পূজাৰ বাবে আছে স্বতন্ত্ৰ মন্দিৰ। শক্তিৰ দহোটা ৰূপ হ'ল কালী, তাৰা, মাতংগী, বগলামুখী, ভূৱনেশ্বৰী, ভৈৰৱী, সৰাসী, ধুমাৱতী, ছিন্নমস্তা আৰু কমলা। যোৰপুখুৰীৰ পাৰৰ উগ্ৰতাৰাৰ মন্দিৰো শক্তিৰ মন্দিৰ। প্ৰাচীন কালৰ পৰা শৈৱ মন্দিৰ আছে উমানন্দ, শুক্ৰেশ্বৰ, বশিষ্ঠ, লংকেশ্বৰ আৰু ভদ্ৰেশ্বৰত। বৈষ্ণৱ মন্দিৰৰ সংখ্যা কম। উত্তৰ গুৱাহাটীত অৱস্থিত অশ্বক্লান্ত মন্দিৰটো অসমৰ সৰ্বশ্ৰেষ্ঠ বিষ্ণু মন্দিৰ। কৃষ্ণ উপাসকসকলৰ বাবে আদৰ্শ মন্দিৰ উত্তৰ গুৱাহাটীস্থিত দৌল গোৱিন্দ মন্দিৰটো।

গুৱাহাটীৰ আশে-পাশে বহু মঠ-মন্দিৰ আছে। অতীত কালৰে পৰা আজিলৈকে হিন্দুসকলৰ মাজত এটা পৰম্পৰা হ'ল মন্দিৰ গঢ়া। আন এটা মন্দিৰৰ বিষয়ে দুকলম লেখি আমাৰ প্ৰতিপ্ৰাদ্য বিষয় 'মোৰ চিনাকি গুৱাহাটী অতীত আৰু বৰ্তমানত এভুমুকি মাৰিম।'

গুৱাহাটীৰ পৰা প্ৰায় ৩০ কিলোমিটাৰমান পশ্চিমে মণিকূট পাহাৰৰ ওপৰত প্ৰতিষ্ঠিত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত বহু তীৰ্থযাত্ৰীৰ সমাগম ঘটে। এই মন্দিৰটো ১৫৮৩ চনত কোচ ৰজা ৰঘুদেৱ নাৰায়ণে সাজিছিল। আন কেইজনমান ইতিহাসবিদৰ মতে দশম শতিকাত পালবংশৰ ৰজাইহে সাজিছিল।

এই বিষয়ে বৌদ্ধধৰ্মীসকলে কয় এইখিনি ঠাইতে বুদ্ধদেৱৰ নিৰ্বাণ প্ৰাপ্তি ঘটিছিল। বুদ্ধগয়াত যিজোপা গছৰ তলত বহি বুদ্ধদেৱে ধ্যানত মগ্ন হৈছিল আৰু তেওঁৰ নিৰ্বাণ প্ৰাপ্তি ঘটিছিল সেইজোপা মই দেখি আহিছো। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰো দেখিছো। ভাবিছো দুখন ঠাইতো হ'ব নোৱাৰে, সঠিক ঠাইখন আৱিষ্কাৰ কৰা কামফেৰা বিশেষজ্ঞৰ ওপৰতে এৰিলো। নানা ধৰ্মী তীৰ্থযাত্ৰী ইয়ালৈ আহে, বৰ্তমানে সেইখিনি জানিলেই যথেষ্ট। আন এটা কথা গম পাওঁ যে হিন্দুসকলে ইয়াত প্ৰতিষ্ঠিত বিষ্ণুৰ অৱতাৰ নৰসিংহক পূজা কৰে।

**দুই**

উপজিয়েই মই গুৱাহাটীবাসী নাছিলো। মোৰ জন্ম ধুবুৰীত আৰু তেৰ বছৰ বয়সলৈ ডাঙৰ হৈছো কোকৰাঝাৰত। কিন্তু গুৱাহাটী মোৰ অচিনাকি ঠাই নাছিল। আমি মাজে মাজে মামা ড০ সুৰেন দাসৰ ঘৰত, কেতিয়াবা দেউতাৰ বন্ধু জৰ্জ সুশীল দাসৰ ঘৰত আলহী হৈ থাকিছিলো। তেতিয়াৰ দিনত কোকৰাঝাৰ আছিল তেনেই সৰু ঠাই। গতিকে গুৱাহাটীৰ দৰে ডাঙৰ চহৰখনত পদাৰ্পণ কৰি অনুভৱ হৈছিল যেন নাদৰ ভেকুলী সাগৰত পৰিলো। আমাৰ ভ্ৰমণ পিপাসু দেউতাই গৰমৰ বন্ধত শ্বিলঙলৈ প্ৰায় প্ৰতিবছৰ লৈ যাওঁতেও গুৱাহাটীৰ মাজেৰে গৈছিলো। তেতিয়াৰ দিনত গুৱাহাটী নহয়, ঠাইখন গৌহাটী নামেৰেই জনাজাত আছিল।

গুৱাহাটীলৈ অহাৰ আন এটা উত্তেজনা আছিল ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হোৱা। শৰাইঘাটৰ দলংখন হ'ল ১৯৬২ চনতহে। কোকৰাঝাৰৰ পৰা কয়লাৰ ইঞ্জিনেৰে টনা ৰেলগাড়ীৰে আহি শেষ ষ্টেচন আমিনগাঁৱত আমি নামিছিলো। মনত পৰে ৰঙাচোলা পিন্ধা কুলিৰ মূৰত মালপত্ৰ জমা দি সিহঁতৰ পিছে পিছে দৌৰি দৌৰি আহি জাহাজ বা ফেৰীৰ ওপৰ মহলাত উঠিছিলো। আজিৰ মানুহে শুনি আচৰিত হ'ব তেতিয়াৰ দিনত য'লৈকে নেযাওঁ কিয় নিজৰ বিছনা সতৰঞ্চিৰে মেৰিয়াই মৰাপাটৰ ৰচীৰে বান্ধি নিয়া হৈছিল আৰু কাপোৰ-কানি লো বা টিনৰ বাকচত ভৰাই তলা মাৰি নিছিলো। বাটত খাবলৈ লুচি-ভাজি, হালুৱা, মিঠাই আদি নিয়া হৈছিল টিফিন কেৰিয়াৰত।





আমি সৰু থাকোঁতে আছিল ব্ৰিটিছৰ যুগ। ফেৰীৰ ওপৰ মহলাত উঠি পুৱাৰ খানা খোৱাটো গুৱাহাটী দৰ্শন কৰাৰ আছিল আন এটা আনন্দ। কাৰণ ধকধকীয়া বগা টেবিল ক্লথেৰে ঢকা ডাইনিং টেবিলত চাহাব (এংলো ইণ্ডিয়ানো হ'ব পাৰে) বাটলাৰে পৰিবেশন কৰিছিল ব্ৰেড-বাটাৰ-জাম-অমলেট। তদুপৰি বগা ট্ৰে-ক্লথেৰে ঢকা ট্ৰেত বেলেগ বেলেগ পাত্ৰত আনিছিল চাহ-চেনি-গাখীৰ। কাটাচামুচ, চামুচ, নাইফ (কটাৰী ক'লে নুশুৱায়) আদি টেবুলত ধুনীয়াকৈ আগধৰি সজাই থৈছিল। প্ৰথম বাৰ যাওঁতে ভাবিছিলো গুৱাহাটীৰ মানুহে এনেকৈয়ে খায়। যি কি নহওক খোৱা শেষ হয় মানে ইপাৰে পাণ্ডুঘাট পাইছিলো। গুৱাহাটীমুৱা ৰেলত উঠিছিলো পাণ্ডু ষ্টেচনৰ পৰা। গুৱাহাটী আন এটা আকৰ্ষণ আছিল ঘোঁৰা গাড়ী আৰু ৰাতি আলিবাটৰ লাইটবোৰ। বিজুলীবাতি নহয় কিন্তু, গধূলি মানুহ এজনে খুটা এটাৰ মূৰত উঠি কাৰ্বাইড গেছ লাইট জ্বলাই থৈ যোৱা দেখিছিলো। আমাৰ মামাৰ চৰকাৰী বঙলাটো কাঠৰ দুমহলীয়া ঘৰ আছিল যদিও সৰহ ভাগ ঘৰেই খেৰৰ চাল থকা আছিল। ঘৰে ঘৰে গৰুৰ গোহালিও নেদেখা নহয়।

দেউতাই আমাক ঘোঁৰাৰ গাড়ীত তুলি তেওঁ ১৯১৭-২১ চনলৈ অধ্যয়ন কৰা কটন কলেজখন দেখুৱাইছিল। ইমান ডাঙৰ কলেজ দেখি অবাক হৈছিলো। তেওঁ কৈছিল ১৯১৯ চনত ৰবীন্দ্ৰনাথ ঠাকুৰ গুৱাহাটীলৈ আহোঁতে তেওঁৰ লগত দেউতাহঁতে ফটো তুলিছিল। সেই ফটোখন আমাৰ ঘৰত থকা বাবে ৰবীন্দ্ৰনাথক জানিছিলো। ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা দেখা উমানন্দ মন্দিৰটোলৈ যাবৰ মন আছিল, কিন্তু দেউতাই আমি সাঁতুৰিব নজনা বাবে নিনিলে। এদিন দেশভক্ত তৰুণ ৰাম ফুকনৰ ছবিৰ নিচিনা ঘৰটো দেখুৱাই তেওঁৰ অৱদানৰ বিষয়ে কৈছিল যদিও সাত-আঠবছৰ বয়সত বুজিও পোৱা নাছিলো। কেৱল মনত থাকি গৈছিল তৰুণৰাম ফুকনে গুৱাহাটীত প্ৰথম মটৰগাড়ী কিনিছিল আৰু তেওঁ প্ৰথম বাইচাইকেল চলাইছিল।

১৯৪৬ চনত তৰুণৰাম ফুকনৰ ভৰলুমুখৰ বাসগৃহটোৰ অনতিদূৰত ১৯৪৬ চনত আমাৰ বাইদেউৰ বিয়া হয় শান্তিপুৰ নিবাসী নগেন্দ্ৰ নাৰায়ণ দাসৰ

ভায়েক অধিবক্তা ভূপেন্দ্র নাৰায়ণ দাসৰ লগত। সৰহ ভাগ স্বচ্ছল গুৱাহাটী বাসীৰ দৰে দাস পৰিয়ালৰ চৌহদটোও আছিল আহল-বহল। পাগঘৰৰ পিছফালে অলপ আঁতৰত আছিল গোহালিটো, তেওঁলোকৰ ঘৰত ইলেকট্ৰিচিটি আছিল যদিও পৰিৱেশ আছিল গ্ৰাম্য। একেই পৰিৱেশত উজান বজাৰত আছিল মাৰ মাহীয়েকৰ জীয়েকৰ ঘৰ। ৰিহাবাৰীও আছিল মুকলি। তাত আছিল এটা দুমহলীয়া কাঠৰ ঘৰত মাৰ সম্পৰ্কীয় ভিনিহিয়েক-বায়েক নাউৰাম কাকতিৰ ঘৰ। মুঠতে চাৰিওদিশে মুকলি পৰিৱেশ। যান-বাহনো কম। আধা গাঁও-আধা চহৰ। গুৱাহাটীলৈ মেট্ৰিক পাছ কৰি ১৯৪৭ চনত কটন কলেজত পঢ়িবলৈ আহিলো যদিও বাল্য আৰু কৈশোৰ কালত দেখা গুৱাহাটীৰ মাজত বিশেষ পৰিৱৰ্তন নেদেখিলো। অৱশ্যে বাল্য আৰু কৈশোৰৰ মাজত সময়ৰ ব্যৱধান বৰ বেছি নহয়। দীঘলীপুখুৰীৰ পূব পাৰে ড° সূৰ্য্যকুমাৰ ভূঞাৰ ঘৰৰ কাষত এটা অসম আৰ্হিৰ ঘৰত আমি মুঠ চৈধ্যজনী ছোৱালী থাকিছিলো। একেটা চৌহদত আন এটা একেই আৰ্হিৰ ঘৰত আছিল আমাৰ ৱাৰ্ডেন ড° কমলা ৰায়। তেওঁ কটন কলেজৰ একমাত্ৰ অধ্যাপিকা আছিল। পাছত আহি যোগ দিলে ড° পাৰুকুট্টি বৰুৱা আৰু বীণা দত্তই। তিনিও ব'টানি বিষয়ৰ অধ্যাপিকা আছিল। পাঠকৰ মনত প্ৰশ্ন জাগিব পাৰে ছোৱালীৰ সংখ্যা ইমান কম কিয়। তেতিয়াৰ দিনত অসমীয়া মানুহ ৰক্ষণশীল হোৱা বাবে সহশিক্ষাৰ কলেজত পঢ়াবলৈ ইচ্ছা কৰা নাছিল। অৱশ্যে কটন কলেজত পাঠৰত কিছু ছোৱালী ছাত্ৰীবাৰীৰ মিচন হোষ্টেলতো থাকিছিল।

অধিকাংশ স্থানীয় আৰু গুৱাহাটীৰ বাহিৰৰ ছোৱালী পঢ়িছিল ১৯৩৯ চনত স্থাপিত সন্দিকৈ কলেজত। কলেজখনৰ প্ৰতিষ্ঠাতা অধ্যক্ষা আছিল শিক্ষাবিদ ৰাজবালা দাস। এইখন কলেজত তেতিয়াৰ দিনত বিজ্ঞান বিভাগ নাছিল। কটন কলেজত পঢ়োঁতে আমি ক্লাছ নাথাকিলে সন্দিকৈ কলেজৰ ছোৱালীৰ লগত সময় কটাবলৈ আহিছিলো। আজিৰ গুৱাহাটীত ছোৱালী কলেজৰ অভাৱ নাই।

সেই সময়ত আমাৰ হোষ্টেলৰ ছোৱালীবোৰৰ বাবে গুৱাহাটীখন সীমাবদ্ধ আছিল উজানবজাৰ আৰু পাণবজাৰৰ মাজত। ফাঁচী বজাৰ আৰু পল্টনবজাৰলৈ





কাচিৎ কেতিয়াবা যোৱা মনত পৰে। আছাম ট্ৰিবিউন ভৱনটোলৈ যাবলৈ হ'লে এডোখৰ হাবি পাৰ হ'ব লগীয়া হৈছিল। গতিকে তালৈ যোৱাৰ প্ৰশ্নই নাছিল। উলুবাৰী নামৰ ঠাই ডোখৰৰ মাজেৰে শ্বিলঙলৈ গ'লেহে বাছত গৈছিলো, উলুবাৰীত তেতিয়া বাঘ ওলাইছিল, এতিয়া এইবোৰ ঠাই মহানগৰীৰ মাজমজিয়াত।

আমাৰ বাবে যাতায়াতৰ ঘাই বাহন আছিল ভৰি দুখন। চাইকেল ৰিক্সা আছিল যদিও মাল-পত্ৰ লৈ ষ্টেচনলৈ যাবলগীয়া হ'লেহে ত্ৰিচক্ৰ যানখনত উঠা হৈছিল। ১৯৪৮ চনৰে পৰা গুৱাহাটীত চিটিবাছ সেৱা আৰম্ভ হয়। পিছে তেতিয়াৰ দিনত চিটি বাছত উঠিছিলো বুলি মনত নপৰে।

যদিও জানিছিলো গুৱাহাটী আৰু ইয়াৰে আশে-পাশে বহু পুখুৰী আছে আমাৰ যাতায়াতৰ পৰিধিৰ ভিতৰত অৱস্থিত দীঘলীপুখুৰী, যোৰপুখুৰী আৰু নাগপোতা পুখুৰীৰ লগত হে আমাৰ সম্পৰ্ক আছিল। বন্ধৰ দিনকেইটাৰ বাহিৰে প্ৰতিদিনে পুৱা ভাত খাই ধুমুহাৰ বেগেৰে দীঘলীপুখুৰীৰ পাৰেৰে গৈ গৈ কলেজ পাইছিলো। কলেজৰ প্ৰথম দুটা বছৰ আমাক ক্লাছত সোমাবলৈ দিয়া নাছিল। আমি ছোৱালীবোৰ বাহিৰতে থিয় দি থাকিছিলো, ছাৰ আহিলেহে তেওঁৰ পিছে পিছে সোমাই ছোৱালীৰ বাবে সংৰক্ষিত আসনত বহিছিলোগৈ। ওলাওঁতে আমি প্ৰথমতে ওলোৱাৰ পাছত ছাৰসকল ওলাইছিল। আজিৰ ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ কথা শুনিলে আমোদ পায়। তেতিয়াৰ দিনত ল'ৰা আৰু ছোৱালীক সম্ভৱতঃ বাঘ আৰু ছাগলী বুলি ভবা হৈছিল।

ৱাৰ্ডেনৰ অনুমতিৰ অবিহনে আমি নিজৰ ইচ্ছামতে ক'লৈকো যাব নোৱাৰিছিলো। পিছে সদায় সুবোধ বালিকা হৈও থকা নাছিলো। পৰীক্ষাৰ আগে আগে ৱাৰ্ডেন বাইদেউৰ অনুমতি লৈ দলবান্ধি কামাখ্যালৈ গৈছিলো। অৱশ্যে পূজা আগবঢ়োৱাই আমাৰ একমাত্ৰ উদ্দেশ্য নাছিল। পাণ্ডাৰ ঘৰত নিৰামিষ পাঠা ছাগলী ভক্ষণো  এটা বিশেষ উদ্দেশ্য আছিল। পিঁয়াজ-নহৰুহীন পঠা ছাগলীৰ আঞ্জা যে ইমান জুতিলগা তাক নেখালে বুজা নাযায়। আজিৰ পাণ্ডাসকলে সকলো ভক্তক নুখুৱায়, বস্তুবাহানিৰ দামৰ বাহিৰেও ভক্তৰ সংখ্যাও বাঢ়িছে।

আজিৰ দৰে কামাখ্যাত উঠিবলৈ ধুনীয়া মটৰ যোৱা বাট নাছিল। আমি শিলৰ খণ্ডৰে সজা কষ্টকৰ পথেৰে দেৱী দৰ্শন কৰিবলৈ নীলাচল পাহাৰত উঠিছিলো। অদূৰৰ পাহাৰত বাঘো দেখিছো। আগেয়ে আমি বাঘ দেখিছিলো হাবিত, আজি হাবি কাটি তহিলং কৰাত বাঘ দেখো মহানগৰীৰ বাটত, লোকালয়ত, মানুহৰ ঘৰৰ ভিতৰত। তেতিয়া কামাখ্যা পাহাৰ আছিল গুৱাহাটীৰ পশ্চিম সীমাৰো পশ্চিমত, এতিয়া গুৱাহাটীৰ পশ্চিম যে ক'ত শেষ হৈছে ক'ব নোৱাৰো। সেই ফালে গ'লে বিচাৰি ফুৰো অতীতৰ আমিনগাওঁ- পাণ্ডুক সংযোগকাৰী ফেৰীখন, য'ত চাহাব পৰিৱেশনকাৰীয়ে বিলাতী কায়দাত আমাক ব্ৰেকফাষ্ট পৰিৱেশন কৰিছিল। ১৯৬২-৬৩ চনত মুকলি কৰি দিয়া শৰাইঘাটৰ দলং খনে সময় চমুৱাই দিলে। লগে লগে কমিল আনন্দ উত্তেজনাও।

কোনো ঠাইৰে পৰিৱৰ্তন একে দিনাই নহয়। কিন্তু মই বহু বছৰ অসমৰ বাহিৰত থকা হেতুকে ১৯৯১ চনত স্থায়ীভাবে থাকিবলৈ আহি বিৰাট পৰিৱৰ্তন দেখিলো। যিখন উলুবাৰীলৈ বাঘ থকা হাবি বুলি কলেজীয়া জীৱনত অহা নাছিলো সেই উলুবাৰীতেই হ'লগৈ আমাৰ স্থায়ী ঘৰ। যোৱা ত্ৰিশ বছৰে উলুবাৰীতেই কম পৰিৱৰ্তন দেখিছো নে? আগতে দোকান বজাৰবোৰ আছিল ঘাইকৈ ফাঁচীবজাৰত। এতিয়া সমগ্ৰ গুৱাহাটীখনেই বজাৰ। তাৰ ভিতৰত আমাৰ ঘৰৰ সমুখেদি যোৱা জি.এচ. ৰোডক ৰাতি মুম্বাই যেন লাগে। আকাশৰ তলত থকা কোনটো বস্তু ইয়াত পোৱা নেযায়। বাটটোৰ দুয়োফালে জনবসতিয়ে কওক বা দোকান-পোহৰেই কওক ইমানেই বৃদ্ধি পাইছে যে শ্বিলঙলৈকে ইয়াৰ বিৰতি নাই।

১৯৯১ চনত আহি প্ৰথমতে গৈছিলো কটন কলেজৰ সমুখলৈ। ছোৱালীৰ সংখ্যা দেখি চক খাই উঠিছিলো কলেজখন ছোৱালী কলেজ হ'ল বুলি। মনটো ভাল লাগি গ'ল। অনুভৱ কৰিলো কেৱল চহৰ খনৰেই নহয়, আজিৰ সকলো শ্ৰেণীৰ মানুহৰ ইতিবাচক মানসিকতাৰ পৰিধিও বাঢ়িছে। আজি কোনো অভিভাৱকে ছোৱালীক সহশিক্ষা কলেজত ভৰ্তি কৰিবলৈ দ্বিধাবোধ নকৰে। অধ্যাপিকাৰ সংখ্যাও বাঢ়িছে। অৰ্থাৎ স্ত্ৰীশিক্ষাৰ প্ৰসাৰ হৈছে। পিছে নতুনকৈ





সজা প্ৰশাসনীয় ভৱনটো দেখিহে মৰ্মাহত হৈছিলো। আগৰটো হেৰিটেজ বিল্ডিং কৰি ৰখা হ'লে ঐতিহ্য ৰক্ষিত হ'লহেঁতেন।

যিহেতু ছাত্ৰীজীৱনত সৰ্বাধিক চিনাকি আছিলো পাণবজাৰ আৰু উজানবজাৰৰ লগত সেই হেতু কটন কলেজ চাবলৈ আহি পাক মাৰিলো পাণবজাৰত। শেখ ব্ৰাদাৰ্ছ খন আগৰ দৰেই ব্যস্ত হৈ আছে। ইয়াত আমি আঠ অনাৰ (আজিৰ পঞ্চাচ পইচা) একোটা মজলীয়া আকাৰৰ কেডবাৰী চকলেট খাইছিলো। আজি চাগে দাম বহু বাঢ়িল। কিতাপৰ দোকানবোৰ আগৰ দৰেই আছে। পাণবজাৰৰ বিশেষ পৰিৱৰ্তন হোৱা নাই। ভৰালী ব্ৰাৰ্দাছ দুভাগ হ'ল। ডি লাইট ৰেষ্টুৰাখন নেদেখিলো।

পাণবজাৰবাসী কেবাঘৰত আমাৰ আহ-যাহ আছিল। এঘৰ হ'ল হৰিসভাৰ সমীপৱৰ্তী হৰমোহন দাসৰ ঘৰ। পিছে পুৰণি অসম আৰ্হিৰ ঘৰটোৰ ঠাইত দেখিলো এই তিনিমহলীয়া ঘৰ। আগৰ ঘৰটো আছিল এটা খ্যাতনামা পৰিয়ালৰ। গৰাকীজনৰ নাম হৰমোহন দাস। প্ৰাক-স্বাধীনতা কালৰ ত্ৰিশ-চল্লিশৰ দশকৰ অসমত এনে এজনো ছাত্ৰ-ছাত্ৰী নাছিল যি হৰমোহন দাসৰ ইংৰাজী গ্ৰামাৰ পঢ়া নাই। তেওঁৰ এজন পুত্ৰ ড° বিৰাজ মোহন দাস আছিল এজন খ্যাতনামা গণিতজ্ঞ। আন এজন ভুবনমোহন দাস পৰৱৰ্তীসময়ত জনাজাত হৈছিল উত্তৰ-পূব ভাৰতৰ আৰয়বিক নৃ-তাত্বিক গৱেষণাৰ পথিকৃৎ হিচাপে ভুবন আমাৰ সহ-পাঠী আছিল যদিও আমি তেওঁলোকৰ ঘৰলৈ গৈছিলো বোৱাৰীয়েক এজনীক জানিছিলো বাবে। পুৰণি ঘৰটো তাত নেদেখি বৰ দুখ অনুভৱ কৰিছিলো। গুৱাহাটী চিনাকি ঘৰবোৰ এটা এটাকৈ যেন অতীতৰ গৰ্ভত জাহ যাবলৈ ধৰিলে। আনকি উলুবাৰীস্থিত মোৰ শহুৰৰ চৌহদটোয়েও বৰ্তমানে নতুন ৰূপ পাইছে। পাণবজাৰত আমাৰ সঘন যাতায়াত আছিল বান্ধৱী অনসূয়াহঁতৰ কাঠৰ দোতলা ঘৰটোত। অনসূয়াৰ দেউতাক বিশিষ্ট নাগৰিক হৰিনাথ পাঠক চৌধুৰী। সেই ঘৰটোও হেনো বৰ্তমান কালৰ গৰ্ভত বিলীন গ'ল। তাৰ ঠাইত উঠিল ইটা-চিমেন্টৰ বহুতৰ ব্লিল্ডিং। পানবজাৰ অঞ্চলৰ আন এঘৰলৈ আমাতকৈ চাৰিশ্ৰেণী ওপৰত পঢ়া ৰমলা আগৰৱালা বাইদেউৰ লগত তেওঁৰ বায়েক ভিনিহিয়েক অভিজাত

নবিশ পৰিয়ালৰ আহলবহল কাঠৰ দোতলা বঙলাটোলৈ গৈছিলো। ভিনিহিয়েক উপেন নবিশ পুৰণি গুৱাহাটীৰ এজন সমাজ সচেতন ব্যক্তি আছিল।

আমাৰ দুই শ্ৰেণী তলত পঢ়িছিল বেলতলাৰ ৰাজকুমাৰী মাধুৰী দেৱী। পাণবজাৰ চাৰি আলিৰ পৰা দক্ষিণলৈ যোৱা পথটোৰে মাধুৰীহঁতৰ বেলতলাৰ হাউছটো চাবলৈ মাজে সময়ে গৈছিলো। বৰ্তমানে বেলতলাত মাধুৰীৰ পিতৃকুলৰ বাস। এসময়ৰ বেলতলা, উলুবাৰী আছিল খাল-ডোং, বিল-পিতনি, ধাননি পথাৰ আৰু উলুবনৰ হাবি। তাৰ মাজে মাজে সৰু সৰু চুবুৰীত বাস কৰিছিল বড়ো-কছাৰী আদি জনজাতীয় লোক। এওঁলোক যে ক'লৈ গ'ল, বাল্যকালত আমি এইবোৰ অঞ্চলৰ মাজেদি শ্বিলঙলৈ গৈছিলো, বৰ্তমান যাতায়াতৰ সুবিধাৰ বাবে সমগ্ৰ গুৱাহাটীৰে সৈতে এই বাটটোতো নিৰ্মিত হৈছে কেইবাখনো উৰণীয়া সেতু।

ৰিহাবাৰীতো আছিল সেৰেঙা বসতি। কেতিয়াবা যদি খাল-বিল আছিল দেখা নাই। কিন্তু আমি দেখাৰে পৰা তাত বাস কৰিছিল ভাষাতত্ব বিদ বাণীকান্ত কাকতি, শিক্ষাবিদ শান্তিৰাম দাস, ৰাধাকান্ত দাস, গিৰিধৰ শৰ্মা, সত্যেন্দ্ৰ নাথ শৰ্মা আদি কেইবাজনো খ্যাতনামা ব্যক্তি। বাণীকান্ত কাকতি কটন কলেজত আমাৰ অধ্যক্ষ আছিল আৰু ৰাধাকান্ত দাস আছিল আমাৰ গণিতৰ অধ্যাপক। আমি তেওঁলোকৰ ঘৰলৈ মাজে মাজে গৈছিলো। তেতিয়াৰ দিনত কেইজনমান ছাৰৰ নামৰ পাছত 'বাবু' শব্দটো যোগ হৈছিল। সেয়েহে বাণীকান্ত কাকতি বা ৰাধাকান্ত দাস আছিল বাণীবাবু বা ৰাধাবাবু। অধিকাংশ ছাৰেই পিন্ধিছিল চুৰিয়া আৰু চাৰ্ট। গুৱাহাটী মহানগৰী হোৱাৰ পাছত চুৰীয়া পিন্ধা মানুহ নেদেখা হ'লো। খোজ কাঢ়ি যোৱা স্বচ্ছল মানুহো নাই। আমাৰ ছাৰসকলে খোজকাঢ়িয়ে ফুৰিছিল। আমি কলেজত পঢ়োঁতেও আজিৰ গণেশগুৰি, হাতীগাওঁ, ছয়মাইল, পাঞ্জাবাৰীৰো জন্ম হোৱা নাছিল। ১৯৭৩ চনৰ মাৰ্চৰ ১৬ তাৰিখে শ্বিলঙৰ পৰা ৰাজধানী গুৱাহাটীৰ দিশপুৰলৈ নামি অহাৰ পাছত ই পূব-পশ্চিম-দক্ষিণে দ্ৰুত বেগেৰে বাঢ়িবলৈ ধৰে। শৰাইঘাট সেতুয়ে উত্তৰ গুৱাহাটীকো ওচৰ কৰিলে। এতিয়া ৰজ্জুপথ আৰু চাৰিলেন থকা দলংখন সম্পূৰ্ণ হ'লে উত্তৰ আৰু দক্ষিণ গুৱাহাটী





একত্ৰিকৰণ হ'ব। পথালিকৈ যিবোৰ ঠাই বাঢ়িব পৰাই নাই সেইবোৰ ওপৰলৈ আকাশৰ ফালে বাঢ়ি গৈছে। আমাৰ উলুবাৰীৰ ছয় ভায়েক-ককায়েকৰ চৌহদত এতিয়া চৌবিশটা পৰিয়াল বাস কৰে। গুৱাহাটী ভূমিকম্প প্ৰৱণ ঠাই। ভয় লাগে ১৯৫০ চনত হোৱা ভূমিকম্পৰ দৰে যদি উচ্চ প্ৰাৱল্যৰ ভূমিকম্প হয় তেনেহ'লে গুৱাহাটীবাসী থিতাতে মৰিব লাগিব বা পংগু হৈ থাকিব লাগিব। নাইবা প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ যুগত ভূমিকম্পই বিল্ডিংবোৰ লৰাব নোৱাৰিব।

পাণবজাৰত এটা ঐতিহাসিক ঘৰ আছিল। ঘৰটো এটা গুহ পৰিয়ালৰ। পৃথিৱী বিখ্যাত নৃতত্ববিদ বিৰজা শংকৰ গুহৰ পিতৃৰ অসম আৰ্হিৰ ঘৰটো ভাঙি যোৱাত তাৰ ওপৰতে নিৰ্মিত হৈছে কেবামহলীয়া ঘৰটো। অসম আৰ্হিৰ ঘৰটোৰ গৰাকী জয়শংকৰ গুহ ১৮২৪ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন বিশিষ্ট আমোলা হৈ গুৱাহাটীলৈ আহিছিল। কলেজত পঢ়োঁতে নেজানিছিলো যে ১৮২৬ চনত হোৱা ইয়াণ্ডাবু সন্ধিৰ চুক্তিপত্ৰৰ তেওঁ সাক্ষী আছিল। ইয়াকো এটা ঐতিহ্যবাহী ঘৰ কৰি ৰাখিব পৰা নগ'লহেতেন নে?

কটন কলেজৰ আৰ্টছ বিল্ডিংটোত ক্লাছ কৰাৰ পাছত অফ্ পিৰিয়দ থাকিলে আমি প্ৰায়েই ওচৰতে থকা জুবিলী গাৰ্ডেনলৈ গৈছিলো, বিশেষকৈ জাৰকালি। গছ-গছনি, ফুল-ফোৱাৰাৰে ভৰা গুৱাহাটীৰ প্ৰথমখন ৰাজহুৱা উদ্যান মহাৰাণী ভিক্টোৰিয়াৰ শাসনৰ পঞ্চাচ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষে নিৰ্মিত হৈছিল, উদ্যানেই নহয় ইয়াত ৰাজহুৱা সভাও অনুষ্ঠিত হৈছিল। বহু খ্যাতনামা ব্যক্তিৰ পদধূলিৰে ধন্য হৈছিল জুবিলী গাৰ্ডেন। স্থানীয় তৰুণ ৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈৰ উপৰি আহিছিল মহাত্মা গান্ধী, জৱাহৰ লাল নেহেৰু, সুভাষ চন্দ্ৰ বসু, ৰবীন্দ্ৰ নাথ ঠাকুৰ, মহম্মদ আলী জিন্নাৰ দৰে নেতাসকল। ১৯০১ চনত স্বামী বিবেকানন্দইও ইয়াত বক্তৃতা দি গৈছে। আমি ছাত্ৰীবোৰে জুবিলী গাৰ্ডেনত ৰ'দ পুৱাই পুৱাই সেই নেদেখা দিনবোৰৰ কথা আলোচনা কৰিছিলো। দেখা দিনটো আছিল যিদিনা কিশোৰী কুইন হাজৰিকা (আজিৰ সুদক্ষিণা শৰ্মা) ই ১৯৪৬ চনত মহাত্মা গান্ধী শেষবাৰলৈ অসমলৈ আহোঁতে জুবিলী উদ্যানত অনুষ্ঠিত সভাত 'এ জয় ৰঘুৰ নন্দন....' গীতটো গাই গান্ধীজীক মুগ্ধ কৰিছিল।

তেতিয়াৰ দিনৰ ত্যাগী তথা ৰাইজৰ পূজ্য ৰাজনৈতিক স্মৃতি বিজড়িত জুবিলী গাৰ্ডেনত পৰৱৰ্তী কালত সজা হ'ল কুন্দ্ধচ এটা গাঁথন পানী শোধানাগাৰটো। এক কাণ্ডজ্ঞানহীন সিদ্ধান্ত। গুৱাহাটীত যথেষ্ট ঠাই থকা সত্বেও ঐতিহ্য বহনকাৰী উদ্যানখন কিয় ধ্বংস কৰিলে ই এক সাঁথৰ।

পাণবজাৰৰ কথা বহুত কোৱা হ'ল, এইবাৰ যাওঁ উজানবজাৰ, লতাশিল, দীঘলীপুখুৰীলৈ। প্ৰতিষ্ঠিত ব্যৱসায়ী ভৰালী ব্ৰাদাৰ্ছ পৰিয়ালৰ জীয়ৰী তুলতুল আছিল আমাৰ সহপাঠী বান্ধবী। বাৰোৱাৰীৰ ওচৰত তেওঁলোকৰ ঘৰ আছিল। সেই ঘৰটো পৰৱৰ্তী সময়ত বিচাৰি নাপাই খা-খবৰ কৰি গম পালো তাতেই নিৰ্মিত হৈছে আজিৰ কণিকা বিবাহ ভৱনটো। মনত পৰে তুলতুলৰ দেউতাক আৰু খুৰাকলৈ। তেওঁলোকে বাইচাইকেলেৰে ঘৰৰ পৰা পাণবজাৰৰ কৰ্মস্থানলৈ অহা-যোৱা কৰিছিল। আজি চহকী মানুহৰ ঘৰৰ পৰা চাইকেল উধাও হ'ল।

উজানবজাৰত বাস কৰিছিল বহু অসমীয়া অভিজাত ব্যক্তি। যেনে- বিহগী কবি ৰঘুনাথ চৌধুৰী, অতুল হাজৰিকা, মানিক চৌধুৰী ৰায়বাহাদুৰ কনক লাল বৰুৱা, ড° উমেশ বৰদলৈ, নলিনীবালা দেৱী, ড° সূৰ্য্য কুমাৰ ভূএগ প্ৰমুখ্যে খ্যাতনামা ব্যক্তিসকল। এটা কথা মন কৰিছো বেলতলা, উলুবাৰী, বামুণী মৈদাম, গণেশগুৰি আদি তাহানিৰ অনুন্নত অঞ্চলবোৰৰ যেনেকৈ প্ৰচণ্ড পৰিৱৰ্তন হৈছে উজানবজাৰৰ তেনেকৈ হোৱা নাই। অভিজাত অঞ্চলবোৰক মই কওঁ পুৰণি চহকী, বাকীবোৰ নচহকী। লতাশিল পথাৰখন আগৰদৰেই আছে। ইয়াত এসময়ত কোনোবা এটা উৎসৱ উপলক্ষে তেতিয়াৰ দিনৰ উজানবজাৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী ক্ষীৰদাকান্ত বিষয়াই আতচবাজী প্ৰদৰ্শন কৰিছিল। আগৰদিনত উৎসৱৰ সংখ্যা আছিল কম। আজি কালিৰ দৰে বাৰ মাহে তেৰ পাৰ্বণ নহয়, প্ৰতিটো মাহতে উৎসৱ পাৰ্বণ লাগিয়ে আছে। গতিকে অতীতত উৎসৱে যিদৰে সৃষ্টি কৰিছিল মোহনীয় পৰিৱেশ আজি বৰকৈ সেইদৰে নকৰে। কিন্তু আজিও সেইফালে গ'লে আকাশে-বতাহে আতচবাজীৰ ছবি স্মৃতিৰ পটত জিলিকি উঠে আৰু জিলিকি উঠে দীঘলীপুখুৰীৰ পূব পাৰে এসময়ত থকা আৰ্ল ল কলেজ আৰু ছাত্ৰ নিবাসৰ চৌহদটো। ১৯১৪ চনত অসমৰ তেতিয়াৰ চীফ





কমিছনাৰ ছাৰ আৰ্কডেইল আৰ্লে অসমৰ প্ৰথমখন আইন কলেজ ইয়াত প্ৰতিষ্ঠা কৰে। তেওঁৰ নামেৰেই কলেজখন জনাজাত হয়। কলেজখনৰ প্ৰিন্সিপাল আছিল জ্ঞানদাভিৰাম বৰুৱা। চাহাবৰ দৰে ৰঙা-বগা সুদৰ্শন ব্যক্তি জনক আবেলি সদায় কলেজ চৌহদৰ ফুলনিত খোজ-কাঢ়ি থকা দেখিলো। কেৱল দেখিছিলো বুলি ক'লে ভুল হ'ব তেওঁৰ মাজত দেখা পাইছিলো তেওঁৰ পিতৃ অসম হিতৈষী গুণাভিৰাম বৰুৱা, তেওঁৰ মাতৃ বিষ্ণুপ্ৰিয়া দেৱীক যাৰ লগত বিধবা বিবাহ হৈছিল গুণাভিৰামৰ। আৰু দেখা পাইছিলো তেওঁৰ খুৱা শহুৰেক ৰবীন্দ্ৰনাথ ঠাকুৰক। জ্ঞানদাভিৰামে স্বাধীনতা যুদ্ধত যোগ দিছিল, গ্ৰন্থ ৰচনা কৰিছিল আৰু আছিল পণ্ডিত ব্যক্তি। তেওঁৰ বায়েক স্বৰ্ণলতা দেৱীকো দেখিছিলো, যাক দেউতাকে আঠ বছৰ বয়সত ১৮৮০ চনত কলকাতাৰ বেথুন স্কুলত পঢ়িবলৈ পঠাইছিল।

এতিয়া আৰ্ল ল কলেজৰ চৌহদত নিৰ্মাণ কৰিছে কটন কলেজৰ ছোৱালী হোষ্টেল। ১৯৪৮ চনত গুৱাহাটী আকাশবাণী কেন্দ্ৰটো হয় দীঘলী পুখুৰীৰ অনতি দূৰত চীফ কমিচনাৰৰ বঙলাটোত। বহু বছৰ প্ৰৱাসত থাকি উভতি অহাৰ পাছত দেখিলো আসাম ট্ৰিবিউন ভৱন পাৰ হৈ অলপ দূৰ গ'লেই টিলা এটাত নিৰ্মিত হৈছে স্থায়ী আকাশ বাণী ভৱনটো। তালৈ যাবলগীয়া হ'লে প্ৰতিবাৰেই ভাবিছিলো বাঘ থকা হাবিবোৰ কেতিয়াৰ পৰা উন্নত হ'ল।

গুৱাহাটীৰ ম্যলবোৰো আমি অহাৰ পাছত নতুন সংযোজন। মহানগৰখন এতিয়া তিলোত্তমানে? চাওঁচোন। গুৱাহাটী দীঘলে-বহলে আকাশৰ ফালে বঢ়াৰ লগে লগে বাহিৰা মানুহেৰে ভৰি পৰিল। সেইসকলৰ কিছু সংখ্যক মানুহ কোটি পতি। তেওঁলোকেই কিনি ল'লে বহু মাটি-বাৰী। ভেটি নিয়া আৰু দিয়া মানুহৰ সংখ্যাও বাঢ়িল। একাংশ অসমীয়া মানুহো কোটিপতি হ'ল। অসমীয়া মানুহে নিজৰ ভাষাটো ক'বলৈ লাজ কৰা দেখিলো। অসমীয়া মাধ্যমৰ স্কুলৰ সংখ্যা কমিবলৈ ধৰিলে। বিপৰীতে ইংৰাজী মাধ্যমৰ স্কুলৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীয়ে অসমীয়া ক'বলৈ ল'লে ই অসমীয়াও নহয়, ইংৰাজীও নহয়। কিছুমান মাক-দেইতাককো কণ কণ সন্তানক কোৱা শুনিছো 'ৰান' বা 'টু' টা অৰেঞ্জ লৈ আনা চোন। বহুতো আকৌ গৌৰৱ কৰি কয়

আমাৰ ল'ৰা-ছোৱালীয়ে অসমীয়া ক'বই নাজানে। ইত্যাদি। আৰু বহু পৰিৱৰ্তন দেখি আছো। বাহিৰৰ সংস্কৃতি আহি অসমীয়াক গ্ৰাস কৰিছে। সন্তোষী পূজা, ধনতেৰাছ, চঙ্গীত (সঙ্গীত), মেহেন্দী, ভেলেন্টাইনডে' আদি নতুন গুৱাহাটীৰ নতুন সংস্কৃতিত পৰিণত হৈছে। অসমীয়া সংস্কৃতি বাহিৰলৈ ৰপ্তানি কৰিব পৰা নাই। খাদ্যভাসতো দেখিছো পৰিৱৰ্তন। আজিৰ গুৱাহাটীত বাৰ্গাৰ, পিজ্জা, কেন্টাকী, ফ্ৰায়েড চিকেন, দোছা, ইডলী আদিহে জনপ্ৰিয় খাদ্য। হোটেল, ৰেষ্টোৰাৰ সংখ্যা জঁপিয়াই জঁপিয়াই বাঢ়িছে। সমানে নাৰ্ছিং হোম।

এসময়ত গুৱাহাটীৰ বাটত ঘোঁৰাগাড়ী আৰু ৰিক্সা দেখা মানুহজনীয়ে দেখি আছো যান-বাহনৰ বৃদ্ধি। বাটত ট্ৰেফিক দেখিলে ধাৰণা হয় জনসংখ্যাতকৈ গাড়ী মটৰৰ সংখ্যা বেছি। সেই তুলনাত বাটবোৰ ঠেক চহৰখন জধে মধে বাঢ়িছে, টাউন-প্লেনিঙৰ ব্যৱস্থা আছে বুলি নাভাবো। কোনেও ট্ৰেফিক নিয়ম নামানে। অধিকাংশৰে নাগৰিক সচেতনতা নাই। য'তে- ত'তে থুই-খেকাৰ পেলোৱা, জাৱৰ-জোথৰ দলিমাৰি দিয়া মহানগৰত বাস কৰা মানুহৰ ৰীতি নহয়। সেয়েহে গুৱাহাটী ভাৰতৰ লেতেৰা ঠাইবোৰৰ অন্যতম। প্ৰাকৃতিক সৌন্দৰ্যৰে ঘেৰা গুৱাহাটীখনক পৰিকল্পিতভাৱে সজাব পাৰিলে ই পৃথিৱীৰ মাজতে এখন জাকত জিলিকা মহানগৰ হ'ব পাৰিলেহেঁতেন।

আইন কানুন নমনা গুৱাহাটীবাসীৰ মটৰ বাইকবোৰ দেখিলেই আতংক হয়। পিছফালে বহি থকা আৰোহীজনৰ মূৰত হেলমেট প্ৰায়েই নেদেখো। দুৰ্ঘটনাও বাঢ়িছে। ফুটপাথবোৰৰ মেনহোলত পৰি বহু দুৰ্ঘটনা ঘটিছে। খাল-বিল পুতি অট্টালিকা নিৰ্মাণ কৰা হেতুকে আধাঘন্টাৰ বৰষুণতে বানপানীৰ তাণ্ডৱ দেখিবলৈ পাওঁ।

গুৱাহাটীৰ বিষয়ে অধিক লিখিবলৈ গ'লে ৰচনাখন শেষ নহ'ব। পাঠকৰো ধৈৰ্য্যচ্যুতি হ'ব। এতেকে ইয়াতে সামৰিলো। সৰ্বশেষত কওঁ, গুৱাহাটী মোৰ মৰমৰ ঠাই। গতিকে ইয়াৰ কদৰ্য ৰূপ দেখিলে দুখ পাওঁ।

—+—



# গুৱাহাটী দুশ বছৰৰ ইতিহাস এক আমোদজনক বেদনাদায়ক কাহিনী

ড° গোৱিন্দ প্ৰসাদ শৰ্মা

৫

গুৱাহাটীৰ অতীত প্ৰাচীন ধূসৰতাৰ মাজত ধুৱঁলি-কুঁৱলি। প্ৰাগজ্যোতিষ কেতিয়া গুৱাহাটী হ'ল সিও নিৰ্ভৰযোগ্য গৱেষণাৰ পোহৰত এতিয়াও স্পষ্ট হৈ ওলোৱা নাই। কিন্তু যোৱা দুশ বছৰ ইয়াৰ ইতিহাস স্পষ্ট ৰূপত পোহৰলৈ আহিছে। সেই ইতিহাস এখন তীৰ্থস্থান আৰু মন্দিৰ-চহৰ (Temple tour) গুৱাহাটীৰ মানুহবোৰৰ গ্ৰাম্য প্ৰকৃতি আৰু অৱস্থাৰ পৰা নগৰীয়া অৱস্থালৈ উত্তৰণৰ একে সময়তে এক আমোদজনক অথচ বেদনাদায়ক কাহিনী। সি এপিনে স্থিতাৱস্থাকামী সংৰক্ষণশীলতা আৰু প্ৰগতিপ্ৰত্যাশী আধুনিকতাৰ সংঘাতৰ কাহিনী। এই কাহিনী সম্প্ৰতি খোল খাইছে সদ্যপ্ৰকাশিত ড° কামিনী মোহন ডেকাৰ ইংৰাজী গৱেষণা গ্ৰন্থ "গৌহাটী মিউনিচিপেল বোৰ্ড" গ্ৰন্থৰ পাতত (Gauhati Municipal Board, Published Mrs. Usha Deka, Jonak Nagar, Kahilipara, Guwahati-19, 2015 )।

চাৰি-পাঁচটা প্ৰাচীন মন্দিৰৰ তীৰ্থস্থান আৰু মন্দিৰ-চহৰ (temple town)

গুৱাহাটীয়ে কেতিয়া এক আধুনিক নগৰৰ বাটত প্ৰথম খোজ দিলে? ড° কামিনী মোহন ডেকাৰ এই গ্ৰন্থখনে দেখুৱায়- গুৱাহাটীখনৰ নগৰ হোৱাৰ উদ্দেশ্যে দিয়া প্ৰথম খোজটো ঊনবিংশ শতাব্দীৰ আৰম্ভণিতে। অসম তেতিয়া আহোম ৰাজত্বৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ অধীন হৈছে। অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ হৈ শাসন কৰিবলৈ তেতিয়া এজন কমিশ্বনাৰ নিযুক্ত হৈছে। এই কমিশ্বনাৰজনে গুৱাহাটীত স্থিতি লৈ দেখিলে যে এই সৰু চহৰখনত নগৰবাসীৰ বাবে থাকিবলগীয়া কোনো সা-সুবিধাই নাই। স্বাস্থ্যবিধি সন্মতভাৱে চহৰখন চলাবলৈ ইয়াত কোনো কৰ্তৃপক্ষ নাই। চহৰখনৰ বাবে এনে অভিভাৱকস্বৰূপ এটি কৰ্তৃপক্ষ প্ৰথম কেতিয়া হ'ল, তাক ঠাৱৰ কৰিব পৰা নাই, এই বিষয়ৰ প্ৰথম গৱেষক পণ্ডিত ড° ভি. ভেংকট ৰাৱেও তেওঁৰ "এ হাণ্ড্ৰেড ইয়াৰ্ছ ওভ্ লোকেল্ ছেলফ গভৰ্নমেন্ট ইন এছাম" গ্ৰন্থত। পৰৱৰ্তী গৱেষক ড° কামিনী মোহন ডেকায়ো পৰা নাই তেওঁৰ পূৰ্বোক্ত গ্ৰন্থত। কিন্তু গুৱাহাটী চহৰৰ বাবে 'টাউন ইম্প্ৰভমেন্ট্ কমিটী' বুলি এখন চহৰ উন্নয়ন সমিতিৰ কথাৰ উল্লেখ পোৱা যায় হেনো ১৮৩৬ চনত। কিন্তু এই টাউন ইম্প্ৰভমেন্ট কমিটিখন কোনে সঠিকভাৱে কোন চনত স্থাপন কৰিছিল তাক হেনো জনা নাযায়। গতিকে ১৮৩৬ খৃঃৰ আগে-পাছেই অতীতৰ তীৰ্থস্থান আৰু আহোম ৰজাৰ ৰাজপ্ৰতিনিধিৰ বাসস্থান এই গুৱাহাটী চহৰে নগৰ অভিমুখে প্ৰথম খোজটো দিলে বুলি ক'ব পাৰি।

আনুমানিক ১৮৩৬ চনৰ পৰা গুৱাহাটী চহৰক নগৰৰ ৰূপ আৰু সা-সুবিধা দিবলৈ এখন সমিতি গঠন হ'ল যদিও গুৱাহাটীবাসীৰ বাবে পানী যোগান আঁচনি, গুৱাহাটীবাসীৰ স্বাস্থ্যসন্মত মল-মূত্ৰ ত্যাগ ব্যৱস্থা, নলা নৰ্দমাৰ সুবিধা ইয়াত সহজে আৰু সোনকালে কৰিব পৰা নহৈছিল। তথাপি গুৱাহাটী চহৰখনৰ উন্নতিৰ বাবে তৎকালীন জিলাধিপতিয়ে নিজৰ উদ্যোগতে এইখন সমিতিৰ যোগেদিয়ে যি পাৰে কৰিবলৈ উদ্যত হ'ল। সমিতিখনো নিশ্চয় তেওঁৰ উদ্যোগতে গঠিত হৈছিল। কিন্তু চহৰবাসীৰ সা-সুবিধাৰ বাবে কাম কৰিবলৈ তেওঁৰ হাততে সুকীয়া পুঁজি নাছিল। গতিকে চহৰখনৰ পানী যোগানৰ ব্যৱস্থা, মল-মূত্ৰ পৰিষ্কাৰ কৰণ,





নলা-নৰ্দমা খনন --- এনেবোৰ কাৰ্যৰ বাবে সেই জিলাধিপতিৰ হাতত কোনো ধন নাছিল।

তাৰ দহ বছৰ পিছত কামৰূপৰ জিলাধিপতিজনে জিলাখনৰ উন্নয়নৰ বাবেও কিছু ধনৰ এটি সুকীয়া পুঁজিৰ ব্যৱস্থা কৰিলে। (১৮৪৬ খৃঃ) কিন্তু কেৱল এই চৰকাৰী পুঁজিৰেই কাম নহ'ব বুলি নগৰবাসীৰ পৰাও তেওঁ কৰ-কাটলৰ যোগে পুঁজি সংগ্ৰহ কৰিব খুজিলে। কোম্পানী চৰকাৰেও এই প্ৰস্তাৱত অনুমোদন জনালে। তাৰ দুবছৰ পিছত এই পুঁজি আৰু বৰ্ধিত নকৰিলে কাম নহয় বুলি গুৱাহাটীৰ ঘৰবোৰৰ ওপৰতো কৰ বহুৱালে। কিন্তু কি ব্যৱসায়ী বা দোকানী, কি গুৱাহাটীৰ বাসিন্দাসকল, কোনেও তেওঁলোকৰ ঘৰৰ ওপৰত বহুওৱা কৰ আদায় দিবলৈ মান্তি নহ'ল। শেষত সংশ্লিষ্ট চৰকাৰী বিষয়ায়ো গুৱাহাটীৰ ঘৰৰ ওপৰত কৰ বহুওৱা সমীচিন নহ'ব বুলি যুক্তি দি ক'লে "গুৱাহাটীত ঘৰ বুলিবলৈ তেতিয়া মাথোন তিনি বা চাৰিটাহে। বাকী সকলোবোৰ জুপুৰি।" ড° ডেকাই অনুমান কৰিছে যে এই তিনি চাৰিটা ঘৰ গুৱাহাটীৰে মন্দিৰবোৰহে।

অসমত ইষ্ট ইণ্ডিয়া কোম্পানিৰ শাসন বোলোঁতে তেতিয়া এই কোম্পানীৰ বেংগল গভৰ্মেন্টখন। এই বৃটিছ বংগ চৰকাৰৰ অসম শাসন কৰাৰ বাবে প্ৰতিনিধি হ'ল অসমত কমিশ্বনাৰগৰাকী। ১৮৪২ চনত বৃটিছ বংগ চৰকাৰে এখন আইন (এক্ট ১০) জাৰি কৰিলে। এই আইন মতে চৰকাৰে পোনপটীয়াকৈ গুৱাহাটীবাসীৰ পৰা কৰ আদায় কৰাৰ অধিকাৰ পালে। কিন্তু তাৰ বাবে গুৱাহাটীবাসীৰ দুই তৃতীয়াংশ সন্মতি লাগিব। কিন্তু চৰকাৰে এই দুই তৃতীয়াংশ অধিবাসীৰ সন্মতি পাব নোৱাৰিলে। পিছত ১৮৫০ চনতো আনকি গুৱাহাটীৰ দুই তৃতীয়াংশ অধিবাসীয়ে কৰ দিবলৈ সন্মত নহ'ল। সেই উপায়ে গুৱাহাটীৰ উন্নয়ন সম্ভৱ নহ'ব বুলি বুজি শেষত গুৱাহাটীৰ ১১৩ জন শুভচিন্তক অধিবাসীয়ে এখন আবেদন দাখিল কৰিলে তেওঁলোক কৰ দিবলৈ ৰাজি বুলি। কিন্তু গুৱাহাটী উন্নয়নৰ বাবে কোম্পানী চৰকাৰৰ একাগ্ৰতাও এনে যে এনে এশ তেৰজন গুৱাহাটীয়াৰ আবেদনৰ পিছত এইবাৰ অসমৰ কমিশ্বনাৰ জেন্‌কিন্‌ছেই উন্নয়নৰ কামত ইতস্ততঃ কৰিলে। জেনকিন্‌ছেৰ মতে উন্নয়নৰ নামত কৰ আদায় কৰিলেই

নহ'ব। উন্নয়নৰ কামো হ'ব লাগিব। তেওঁৰ মতে উন্নয়ন সমিতিখনত কাম কৰিবলৈ তেতিয়া জনা বুজা লোকৰ (enlightened) অভাৱ। মন কৰিবলগীয়া যে তেতিয়াও কিন্তু গুৱাহাটীবাসীৰ মাজত আছিল মানিক চন্দ্ৰ বৰুৱা, মহেন্দ্ৰমোহন লাহিড়ী আৰু ভুবনৰাম দাসৰ দৰে লোক। গুৱাহাটীৰ উন্নয়নৰ বাবে কৰ নুতুলিবলৈ জেনকিন্‌ছে সমৰ্থন পালে কৰ দিবলৈ সন্মত হোৱা ১১৩ জন গুৱাহাটীবাসীৰ বিৰুদ্ধে অন্য কিছু সংখ্যক গুৱাহাটীবাসীৰ পুনৰ কৰ দিবলৈ অমত হোৱা এখন আৱেদন। ১৮৬১ চনত বংগ চৰকাৰে এখন নগৰ পালিকা আইন (Municipal Act) প্ৰণয়ন কৰি বলৱৎ কৰিলে। কিন্তু সেই নগৰ পালিকা আইনৰ মতেও গুৱাহাটীবাসীয়ে কৰ দিবলৈ সন্মত নহৈ কি অসমৰ কমিশ্বনাৰ, কি কামৰূপ জিলাধিপতি সকলোকে জুলুমতহে পেলালে। তেনে অৱস্থাত গুৱাহাটীৰ জিলাধিপতিয়ে এই নতুন আইনমতে প্ৰৱৰ্তিত গুৱাহাটী মিউনিচিপেল বোৰ্ড ভংগ কৰি দিলে। পিছত ১৮৬৫ চনত অৱশ্যে পুনৰ এই মিউনিচিপেল এক্ট অনুসৰি গুৱাহাটী মিউনিচিপেল বোৰ্ড নতুনকৈ গঠিত হ'ল।

এনে সময়তে গুৱাহাটীৰ নগৰীকৰণৰ উদ্দেশ্যে গুৱাহাটী চহৰৰ চাৰিসীমা নিৰ্ধাৰণ কৰাৰ চৰকাৰী প্ৰস্তুতি চলিল। কিন্তু বৃটিছ বিষয়াসকলৰ গুৱাহাটীক নগৰলৈ উন্নীত কৰাত নিষ্ঠাৰ নমুনা এনে যে তেওঁলোকৰ সীমানিৰ্ধাৰণ কাৰ্য হাস্যকৰ বুলিহে প্ৰতীয়মান হ'ল। গুৱাহাটীৰ পাহাৰ, টিলা জান-জুৰি, বিল আদি প্ৰাকৃতিক চিহ্নবোৰেৰে গুৱাহাটীৰ সীমা নিৰ্ধাৰণ নকৰি তেওঁলোকে সীমা নিৰ্ধাৰণ কৰিলে তেওঁলোকৰ জ্ঞাতি ভাই চাহাব বিষয়াসকলৰ বাসগৃহৰ চিহ্নৰেহে। যেনে- "মিঃ বেকাৰ হিলৰ পৰা দীঘে দীঘে ৰেভাৰেণ্ড ব্লেণ্ডৰ চৌহদলৈ............।" "......... মিঃ ৰবিনছনৰ বাংলোলৈ।" ইত্যাদি। সেই সময়ত নগৰ হ'বলৈ ওলোৱা গুৱাহাটীৰ আয়তন দুই বা তিনি বৰ্গ মাইলহে মাথোন আছিল। পাণবজাৰ আৰু ফাঁচীবজাৰহে তেতিয়া গুৱাহাটীৰ অন্তৰ্গত। উজানবজাৰ তেতিয়াও গুৱাহাটীৰ এক পাশ্বৱৰ্তী অঞ্চলহে। আকৌ ফাঁচী বজাৰৰ তেতিয়া ইংৰাজী বানান Phansi Bajar হে। কিন্তু সিপিনে উত্তৰ গুৱাহাটী আকৌ গুৱাহাটীৰ অন্তৰ্গত। ১৮৯২ চনতহে উত্তৰ গুৱাহাটীক গুৱাহাটীৰ পৰা পৃথক কৰা হয়। আকৌ ফাঁচীবজাৰৰ





ইংৰাজী যদি তেতিয়া Phansi Bajar, তেন্তে গুৱাহাটীৰ ইংৰাজী বানান আছিল Gauhatty।

সমগ্ৰ ঊনবিংশ শতাব্দীটো গুৱাহাটীক নগৰ কৰাৰ যদি এক ব্যৰ্থতাৰ কাহিনী, নগৰীকৰণৰ ক্ষেত্ৰত চৰকাৰ আৰু গুৱাহাটীবাসীৰ এক অস্বাস্থ্যকৰ সংঘাতৰ কাহিনী, তেন্তে তাৰ পিছত কুৰিশতিকাৰ আৰম্ভণিৰ পৰা এই চহৰ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ মানুহৰ চহৰখনৰ সকলো ত্ৰুটি-বিচ্যুতিৰ সত্বেও এক মোহাৱিষ্ট আকৰ্ষণৰ স্থলী হৈ উঠিল। ইংৰাজী শিক্ষাৰে শিক্ষিত মধ্যবিত্ত শ্ৰেণী এটা স্পষ্ট ৰূপত তেতিয়ালৈ গঢ়ি উঠাই নহয়, সি এক সবল স্থিতিৰ শ্ৰেণী হৈয়ো উঠিল। নতুন শিক্ষিত এই শ্ৰেণীটোৱে নগৰৰ সা-সুবিধাৰ প্ৰতি আকৰ্ষিত। এনে স্থলত অকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ নতুন শিক্ষিত লোকসকলৰেই এই চহৰ আকৰ্ষণৰ ঠাই হৈ উঠিল, সি নহয়। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ এই চহৰ আকৰ্ষণৰ স্থল হৈ উঠিল। ড° কামিনী মোহন ডেকাৰ গ্ৰন্থখনৰ মতে ১৯১৪ চনৰ পৰা গুৱাহাটী চহৰলৈ অসমৰ বিভিন্ন ঠাইৰ পৰা তেতিয়া এক স্ৰোত ব'বলৈ ধৰাটো স্পষ্ট হৈ উঠে। ইয়াৰ ফলত ১৯১৪ চনৰ পৰা গুৱাহাটীৰ জনসংখ্যা তীব্ৰ হাৰত বাঢ়িবলৈ ধৰে। ১৯১৬ চনত গুৱাহাটীৰ চাৰিসীমা এবাৰ বৰ্ধিত কৰা হয়। ১৯৩৯ চনত ইয়াৰ চাৰিসীমা পুনবৰ্ধিত হয়। ১৯৩৩ চনত গুৱাহাটীৰ ভিতৰত সোমায় কুকুৰমুতা (আজি-কালিৰ হেদায়ৎপুৰ), ৰিহাবাৰী, শান্তিপুৰ, শৰণীয়া আৰু উলুবাৰী। ইয়াৰ গুৰিতে গুৱাহাটীৰ জনসংখ্যা বৰ্ধন। ১৮৫৩ চনত গুৱাহাটীৰ জনসংখ্যা আছিল তিনি হেজাৰজন। কিন্তু ১৯৬১ চনত ই হ'ল গৈ এক লাখ। এই এক লাখ জনসংখ্যাৰ বাবেই ১৯৭৪ চনত গুৱাহাটী চহৰ হৈ উঠিল মহানগৰ (City)। গুৱাহাটী মহানগৰ হ'ল সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে প্ৰথম আৰু তেতিয়ালৈ একমাত্ৰ মহানগৰ।

বেংগল মিউনিচিপেল এক্ট মতে কামৰূপ জিলাৰ জিলাধিপতিজনেই গুৱাহাটী মিউনিচিপেলটিৰ চেয়াৰমেন হোৱাৰ পূৰ্বৰ নিয়মৰ সলনি ৰাইজৰ দ্বাৰা নিৰ্বাচিত লোকহে চেয়াৰমেন হোৱাৰ আইন হৈছিল। কিন্তু গুৱাহাটীবাসীৰ ঈৰ্ষা-অসূয়া, অৰিয়া-অৰিৰ বাবে ১৯১৩ চনলৈ কোনো দেশীয় মানুহ গুৱাহাটী

মিউনিচিপেলটিৰ চেয়াৰমেন হ'ব পৰা নাছিল। কিন্তু তেতিয়া ভাৰত চৰকাৰৰ ১৯২৩ চনৰ মিউনিচিপেল আইন মতে ৰাইজৰ মাজৰ পৰা চেয়াৰমেন নিৰ্বাচিত হোৱাটো বাধ্যতামূলক হ'ল, তেতিয়া দেশীয় লোক চেয়াৰমেন হোৱাটো উজু হৈ উঠিল। পিছে, দেশীয় লোক চেয়াৰমেন হোৱাটো দেশীয় লোকৰ ঈৰ্ষা-অসূয়াৰ বাবেই যেতিয়া উজু নাছিল, তেতিয়াও কিন্তু মানিকচন্দ্ৰ বৰুৱা ১৯১৩ চনৰ পৰা ১৯১৫ চনলৈ, ভুবনৰাম দাস ১৯১৫ চনৰ পৰা ১৯১৭ চনলৈ, ভুবনমোহন লাহিড়ী ১৯১৭ চনৰ পৰা ১৯১৯ চনলৈ আৰু চৈয়দ মহম্মদ চাদুল্লা ১৯১৯-২০ চনত চেয়াৰমেন নিৰ্বাচিত হ'ব পাৰিছিল। তাৰ পিছৰ কালত গুৱাহাটী মিউনিচিপেল বোৰ্ডৰ কেইজনমান বিখ্যাত চেয়াৰমেন আছিল ভোলানাথ দাস (১৯২০), তৰুণৰাম ফুকন (১৯২০-২১) আৰু গোপীনাথ বৰদলৈ (১৯৩৪-৩৮)। ১৮৮৮ চনত মিউনিচিপেল নিৰ্বাচন বিধিমতে একমাত্ৰ পুৰুষহে মিউনিচিপেলিটিৰ নিৰ্বাচনত ভোট দিব পাৰিছিল। ভোট দাতাৰ বয়স কমেও বিছ বছৰ হ'ব লাগিছিল আৰু কমেও এবছৰ তেওঁ গুৱাহাটীৰ কৰ দাতা বাসিন্দা হ'ব লাগিছিল। কিন্তু কাৰোবাৰ শিক্ষাগত অৰ্হতা ন্যূনতম গ্ৰেজুৱেট হ'লে, বা তেওঁ উকিল বা মুক্তিয়াৰ হ'লে বা মাহে ৫০ টকাকৈ বা তাৰ ওপৰ দৰ্মহা হোৱা লোক হ'লে, ভোটৰ অধিকাৰ পাইছিল।

বছৰৰ পিছত বছৰ ধৰি প্ৰায় এশ বছৰ কাল নগৰীকৰণ সম্ভৱ নোহোৱা এই নগৰত নগৰবাসীৰ সা-সুবিধা তেনে হীন অৱস্থাতো কেনে আছিল? আৰু সেই সা-সুবিধা বৰ্ধনৰ কাহিনী কেনে ধৰণৰ? কৈ অহা হৈছেই যে নগৰৰ বাবে প্ৰধান চৰ্ত পৰিষ্কাৰ পানী যোগান আঁচনি, স্বাস্থ্যসন্মত অনাময় ব্যৱস্থা, মল-মূত্ৰ পৰিষ্কাৰকৰণৰ দৰে সুবিধাবোৰ পূৰ্বৰ গুৱাহাটীত পাবলৈ নাছিল। ১৮৬২ চনৰ এটা সৰ্বভাৰতীয় সমীক্ষা মতে গুৱাহাটী সমগ্ৰ ভাৰতৰ ভিতৰত আটাইতকৈ লেতেৰা চহৰ আছিল। এনে অপবাদৰ সন্মুখীন হৈ গুৱাহাটী মিউনিচিপেলিটিয়ে কৈছিল- গুৱাহাটীৰ তেনে অৱস্থাৰ কাৰণ ধনৰ অভাৱ। এনে গুৰুতৰ ৰেকৰ্ডত তৎকালীন অসমৰ কমিশ্বনাৰ হপ্‌কিন্‌ছে যোগ দিছিল অন্য এক তাতকৈয়ো ব্যাপক দোষৰ অভিযোগ- "অসমত আচলতে প্ৰকৃত অৰ্থৰ এখনো নগৰ নাই।"





অসমৰ মানুহে এনে মন্তব্য অপমানজনক বুলি জ্ঞান কৰিলেও, গুৱাহাটীৰ এনেবোৰ বিষয়ৰ তথ্যই এনে মন্তব্যৰ যুক্তিযুক্ততা প্ৰমাণ কৰিব। ১৮৫৬ চনত গুৱাহাটী নগৰপালিকাৰ হাতত চহৰৰ মলমূত্ৰ আঁতৰোৱাৰ বাবে আছিল ২খন গৰুগাড়ী, ২ জন গাৰোৱান আৰু ৬ জন জমাদাৰ। ১৮৭০ চনত অসমৰ তেতিয়াৰ চৰকাৰ বংগ চৰকাৰে গুৱাহাটী মিউনিচিপেলিটিক ৰাজহুৱা পায়খানা সজাৰ বাবে পৰামৰ্শ দিছিল। কিন্তু তাৰ উত্তৰত গুৱাহাটী মিউনিচিপেলিটিয়ে লিখি পঠিয়াইছিল, "গুৱাহাটীত ইতিমধ্যে দুখন ৰাজহুৱা পায়খানা আছে আৰু দৰকাৰ নাই"। তাৰ ১০ বছৰ পিছত অসমৰ কমিশ্বনাৰে গুৱাহাটী মিউনিচিপেলিটিক নিৰ্দেশ দিলে যে গুৱাহাটীবাসীৰ ঘৰে ঘৰে প্ৰাইভেট পায়খানা হ'ব লাগে। গুৱাহাটী মিউনিচিপেলিটিৰ তেতিয়া উত্তৰ, "গুৱাহাটীৰ জলবায়ুৰ কথা বিবেচনা কৰি আৰু মানুহৰ ঘৰবোৰ এই চহৰত যেনে বিশৃংখল ৰূপত সিচঁৰতি হৈ আছে তালৈ চাই আৰু সৰ্বোপৰি গুৱাহাটীবাসীৰ স্বভাৱলৈ চাই, ইয়াত মল-মূত্ৰ সংগ্ৰহ আৰু দূৰীকৰণ উচিতভাবে কৰা সম্ভৱ নহয়।" মানুহৰ স্বভাৱৰ দ্বাৰা ইয়াত নিশ্চয় গুৱাহাটীৰ মানুহৰ য'তে ত'তে শৌচ-প্ৰস্ৰাৱ কৰা অভ্যাসৰ কথাই কোৱা হৈছে। তেতিয়াৰ দিনত বোধ হয় গুৱাহাটী তথা অসমৰ মানুহৰ পায়খানা কৰাৰ নামত এটা ক্ষুদ্ৰ, শ্বাসৰুদ্ধকাৰী কোঠাত বহাতকৈ মুকলি আকাশত তলত সেই কাৰ্য কৰাহে আনন্দকৰ কথা আছিল।

১৮৯৩ চনত গুৱাহাটী মিউনিচিপেলিটি বোৰ্ডে এক উপবিধি অনুসৰি প্ৰাইভেট লেট্ৰিন গুৱাহাটীৰ বাসিন্দাসকলৰ বাবে বাধ্যবাধক কৰিলে। মিউনিচিপেলিটিয়ে সেই পায়খানাবোৰ সপ্তাহত এবাৰকৈ চাফ কৰিব লাগিব। ১৮৯৫ খৃঃত গুৱাহাটীৰ এনে এখন ৰাজহুৱা লেট্ৰিন আৰু ২৪৪ খন প্ৰাইভেট লেট্ৰিন চাফ কৰিবলৈ মিউনিচিপেলিটিৰ হাতত আছিল ১১ খন গৰুগাড়ী। এই গৰুগাড়ীবোৰৰ সলনি যন্ত্ৰচালিত গাড়ী ব্যৱস্থা কৰিব লাগে বুলি স্বাস্থ্য বিভাগৰ ডাইৰেক্টৰে পৰামৰ্শ আগবঢ়ালে। কিন্তু তাৰ বহু পিছতহে, স্বাধীনতাৰো বহুত পিছত, ১৯৬৩ চনৰ পৰাহে গুৱাহাটীত এই কামৰ বাবে ট্ৰেক্টৰ ব্যৱহাৰ কৰা হ'ল। কিন্তু গুৱাহাটীয়ে তেতিয়া পাঁচখন মাথোন ট্ৰেক্টৰহে ব্যৱহাৰ কৰিব পৰাত,

তাৰ লগতে আৰু ১০ খন গৰু গাড়ীও ব্যৱহাৰ কৰি থাকিবলগীয়া হ'ল। পিছে এইদৰে ঘৰে ঘৰে সংগ্ৰহ কৰা মল-মূত্ৰবোৰ নি ক'ত পেলাব? প্ৰথম অৱস্থাত এইবোৰ নি পেলোৱাৰ ব্যৱস্থা কৰা হৈছিল সেই সময়ত গুৱাহাটীৰ উপকণ্ঠীয় অঞ্চল, প্ৰায় জনবসতিহীন ফটাশিল আমবাৰীত।

গুৱাহাটীৰ মানুহৰ আৰু এটা গ্ৰাম্য স্বভাৱ পৌৰসমিতিৰ কৰ্তৃপক্ষৰ মূৰ কামোৰণি হৈ উঠিছিল। মানুহে এই চহৰত গৰু-ঘোঁৰা পোহে। কিন্তু সেই গৰু-ঘোঁৰাবোৰ ৰাস্তাত এৰি দিয়ে। ফলত সেই গৰু-ঘোঁৰাই য'তে-ত'তে মলত্যাগ কৰি বাট-পথ লেতেৰা কৰে; জলবায়ু প্ৰদূষিত কৰে। আকৌ গুৱাহাটীৰ মানুহবোৰে ঘৰ-চোতালৰ জাবৰ-জোথৰবোৰ সন্মুখৰ ৰাজহুৱা পথৰ দাঁতিত দমাই হয়। গুৱাহাটীৰ মানুহৰ এনে কুস্বভাৱৰ কথা তাৎকালীন গুৱাহাটী পৌৰ সমিতিৰ চাহাব কৰ্মকৰ্তা এজনে চোকা ভাষাত লিখি থৈ গৈছে। এনে স্বভাৱ পৌৰ কৰ্তৃপক্ষই গুচাব নোৱাৰি এজন চাহাব বিষয়াই ৰাস্তা-ঘাট এনেদৰে মলিয়ন কৰা মানুহক জৰিমনা বিহাৰ নিয়ম কৰিলে। কিন্তু বগা চাহাবৰ তেনে নিৰ্দেশক গুৱাহাটীবাসী আমাৰ এজন "কালা চাহাবে" জাতীয়তাবাদী ভাবত যেনিবা মতলীয়া হৈ অঘোষিতভাৱে প্ৰত্যাহবান জনালে। উজান বজাৰৰ আমাৰ এই ধনী জাতীয়তাবাদী 'কালা চাহাবে' তেওঁৰ গোহালিৰ গোবৰবোৰ ৰাস্তাৰ কাষত নিয়মীয়াভাৱে দম কৰিবলৈ ল'লে- ৰাজহুৱা ৰাস্তাৰ দাঁতি যেন তেওঁৰহে সম্পত্তি। ক্ষুব্ধ নগৰপালিকাই তেওঁক প্ৰতিমাহে দুটকাকৈ জৰিমনা দিয়াৰ নিৰ্দেশ দিলে। দুটকা যদিও সেই কালত বহুত ধন, আমাৰ এই ধনী জাতীয়তাবাদী গুৱাহাটীবাসীজনে হাঁহি হাঁহি মাহে দুটকাকৈ জৰিমনা দি দি ৰাজহুৱা পথ লেতেৰা কৰিয়েই থাকিল।

আজিকালিৰ লতাশিল খেলপথাৰ উনবিংশ শতাব্দীত লতাশিল পুখুৰীহে আছিল। চুবুৰীয়াসকলে তাক পৰিষ্কাৰকৈ নাৰাখি তাতে জাবৰ-জোথৰ পেলায়। সেইবোৰ পচি পুখুৰীৰ পানী দূষিত হয়। দুৰ্গন্ধত কেতিয়াবা চুবুৰীয়া সকল ৰ'ব নোৱৰাও হয়। তেনে অৱস্থাত ১৮৬৩ চনত লতাশিল পুখুৰীটো পুতি পেলোৱা হ'ল। চুবুৰীয়াসকলৰ আপত্তিতে যদিও এই কাম কৰা হৈছিল, চুবুৰীয়াসকলৰ





আকৌ তেতিয়াও আপত্তি পুখুৰীটো থকা হ'লে দুৰ্গন্ধময় হ'লেও পানী একোটুপি পাই থকাৰ সুবিধা আছিল। পুতি পেলোৱাত তাৰো মুদা মৰিল।

উনবিংশ শতাব্দীলৈকে অকল নহয়, বিংশ শতাব্দীৰ প্ৰথমাৰ্ধলৈকেও গুৱাহাটীত বহুতো পুখুৰী আৰু জলাশয় বা বিল আছিল। এইবোৰেই গুৱাহাটীৰ বৰষুণৰ অতিৰিক্ত পানীবোৰ বুকুত সুমুৱাই লৈছিল বাবে গুৱাহাটীত তেতিয়া, অৰ্থাৎ বিংশ শতাব্দীৰ মাজমানলৈ বা এই প্ৰবন্ধৰ লেখকৰ ডেকা কাললৈ কেতিয়াও বৰষুণৰ বাবে আকস্মিক বানপানী নহৈছিল। কিন্তু গুৱাহাটীৰ দীঘলীপুখুৰী আৰু শিলপুখুৰীৰ বাহিৰে আটাইবোৰ পুখুৰী পুতি পেলোৱা হ'ল। বিলবোৰৰো চোলা বিল, ছাবিপুলত বাহিৰে অন্য প্ৰায়বোৰ জলাশয় এতিয়ালৈ পুতি পেলোৱা হ'ল। ফলত বৰষুণৰ পানীয়ে বানপানীৰ সৃষ্টি কৰা হ'ল।

গুৱাহাটীত মানুহৰ ঘৰত হওক, ৰাস্তাৰ বা ৰাস্তাৰ দাঁতিৰ হওক, পানীবোৰ উলিয়াই দিবলৈ যথোপযুক্ত নলা-নৰ্দমা নাই। এই অভাৱ আঁতৰাবলৈ প্ৰথমতে কুকুৰমুতা বা এতিয়াৰ হেদায়ৎপুৰৰ পৰা ভৰলুমুখলৈ এটা নলা খান্দি মানুহৰ ব্যৱহৃত বা বৰষুণৰ অতিৰিক্ত পানীবোৰ উলিয়াই দিয়াৰ এটা সিদ্ধান্ত গুৱাহাটীৰ পৌৰসমিতিয়ে ১৮৭২ চনত প্ৰথম গ্ৰহণ কৰিছিল। সেই অনুসৰি এটা নলা (canal) খন্দাৰ কাম আৰম্ভও কৰা হৈছিল। কিন্তু পৌৰসমিতিয়ে সোনকালে দেখিলে যে তেনে এটা নলাৰে একোৱেই নহ'ব। গতিকে সেই কাম বাদ দিয়া হ'ল। তাৰ পিছত ১৯১৩ চনত গুৱাহাটী পৌৰসমাজে চহৰখনৰ বাবে এটা নৰ্দমা-প্ৰণালী (drainage system) সাজি উলিওৱাৰ সিদ্ধান্ত ল'লে। কিন্তু ফাঁচী বজাৰলৈ (Phansi Bazar) এটা মাত্ৰ নলা খান্দোঁতেই ২৫,৫১৩ টকা খৰচ হ'ল। পৌৰ সমিতিয়ে মূৰে কপালে হাত দি সেই কাম বন্ধ কৰি দিলে। সমগ্ৰ গুৱাহাটীৰ বাবে এটা নৰ্দমা-প্ৰণালী আজিও সপোন হৈয়েই থকিল।

ড° কামিনী মোহন ডেকাৰ গ্ৰন্থই আকৌ দেখুৱাইছে যে ১৯২৪ চনত অসম চৰকাৰৰ চাহাব স্বাস্থ্য বিষয়া এগৰাকীয়ে এটা ৰিপোৰ্টত এইবুলি লিখি থৈ গৈছে, "মই সমগ্ৰ অসমৰে চহৰবোৰ পৰিদৰ্শন কৰিলোঁ। দেখিলোঁ যে গুৱাহাটী চহৰৰ দৰে মহৰ উৎপাত অন্য কোনো চহৰত নাই। ইয়াৰ কাৰণ হ'ল গুৱাহাটীৰ খোলা কেঁচা নলাবোৰ।"

আজিৰ গুৱাহাটী মহানগৰৰ অতীতৰ এনে জ্ঞানে ইয়াৰ বৰ্তমানক লৈ আমাৰ চকু মেল খুৱায়। নগৰ, মহানগৰ পথত অতীত গুৱাহাটী চহৰৰ যাত্ৰা হ'ল। গুৱাহাটী চহৰবাসীৰ সদিচ্ছাৰ অভাৱত গুৱাহাটী চহৰবাসী আৰু নগৰপালিকাৰ সিদ্ধান্তৰ সংঘাত। তাৰে মাজতে আছে বহু সময়ত নগৰপালিকাৰো দূৰদৰ্শিতাৰ অভাৱ আৰু তাৰ সংশ্লিষ্ট বিষয়া দুই একৰ কৰ্মত অস্পৃহা আৰু মানসিক দৈন্য। চৰকাৰৰ ক্ষেত্ৰত দেখা যায়, এই নগৰৰ বাবে কৰা ভৱিষ্যতৰ আঁচনিবোৰ দৃঢ়তাৰে ৰূপায়ণত উদাসীনতা। গুৱাহাটীৰ বাবে 'মাষ্টাৰ প্লেন' এখন এতিয়া থকাৰ দৰে থাকিলেই নহ'ব। তাক কাৰ্যকৰী কৰাত সদিচ্ছা আৰু দৃঢ়তা নগৰপালিকা, চৰকাৰ বা মহানগৰ উন্নয়ন সমিতি আৰু গুৱাহাটীবাসী - সকলোৰে থাকিব লাগিব আৰু সৰ্বোপৰি আজিও গুৱাহাটী মহানগৰখন এখন পৰিষ্কাৰ-পৰিচ্ছন্ন, সুখকৰ বাসোপযোগী মহানগৰ কৰাত গুৱাহাটীবাসীৰ লাগিব এক নগৰীয়া তথা নাগৰিক সুলভ উচ্চ মানসিকতা। গুৱাহাটী মহানগৰৰ ইতিহাসৰ অধ্যয়নে আমাক ইয়াকে শিকায়।

—+—



# স্ত্ৰীশিক্ষাৰ প্ৰথম খোজ ঃ অসমত আৰু গুৱাহাটীত

**ড° অঞ্জলি শৰ্মা**

প্ৰাচীন ভাৰতৰ ইতিহাসত ছোৱালীৰ বাবে আনুষ্ঠানিক শিক্ষা ব্যৱস্থা থকাৰ কথা জনা নাযায়। তথাপি গাৰ্গী, মৈত্ৰেয়ী, লীলাৱতী আদিৰ দৰে প্ৰতিভাশালী নাৰীৰ উল্লেখ আমাৰ প্ৰাচীন গ্ৰন্থবোৰত আছে। কুৰি শতিকাৰ আৰম্ভণিৰ কালতো স্ত্ৰীশিক্ষাই অসমৰ সমাজ স্পৰ্শ কৰিব পৰা নাছিল। কিন্তু তেতিয়াও বহুতো জ্ঞানী অভিভাৱকে নিজৰ কন্যা আৰু আনকি পত্নীকো ঘৰতে শিক্ষা দিয়াৰ উদাহৰণ আছে। কিন্তু তেনে অৱস্থাতো সাৰ্বজনীনভাৱে ছোৱালীয়ে যে শিক্ষা লাভ কৰিব পাৰিছিল, এনে নহয়। অসমীয়া সমাজত ছোৱালীৰ সেই যুগত ন-দহ বছৰ মানতেই বিয়াৰ বয়স হোৱা বুলি ধৰি লোৱা হৈছিল। ছোৱালীৰ কন্যাকাল হোৱা মানেই তেতিয়া কাৰোবাৰ ঘৰলৈ গৃহিনী কৰি উলিয়াই দিয়া। শিক্ষা তেতিয়া ছোৱালীৰ বাবে নহয়।

১৯২৬ খৃষ্টাব্দত অসমৰ শাসন ভাৰ ইংৰাজৰ হাতলৈ যায়। ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে তেতিয়াৰ অসমখন নিজৰ হাতলৈ নিয়ে। পিছত কৰ-

কাটল বহুৱাই দেশৰ শাসন ব্যৱস্থাৰ খৰচ উলিওৱাৰ উপৰি সমাজৰ উন্নতিৰ দিশতো কিছু কৰাৰ বাবে নতুন ব্যৱস্থা লৈছিল।

বৃটিছেই প্ৰথম আধুনিক শিক্ষা ব্যৱস্থা কৰিলে যদিও সেই শিক্ষাৰ সুফল তেতিয়া নাৰীয়ে পাব পৰা নাছিল। ইয়াৰ কাৰণ আছিল তৎকালীন ভাৰত আৰু অসমখনৰ সংৰক্ষণশীলতা। পূৰ্বৰ সংস্কৃত টোলবোৰ আছিল উচ্চ বৰ্ণৰ ল'ৰাৰ বাবেহে। ছোৱালীৰ তাত প্ৰৱেশ নিষেধ আছিল, সেইদৰে মুছলমানৰ যিবোৰ মাদ্ৰাছা আছিল, তাতো মুছলমান ধৰ্মৰ ছোৱালীবোৰৰ প্ৰৱেশৰ অধিকাৰ নাছিল। তদুপৰি টোল আৰু মাদ্ৰাছাৰ শিক্ষাই মানুহৰ মন মধ্যযুগীয়া কৰিয়েই ৰাখে। ১৮৩৫ চনত ভাৰতত শিক্ষা পশ্চিমীয়া পদ্ধতিৰে ইংৰাজী মাধ্যমৰ শিক্ষা হ'ব লাগিব বুলি বৃটিছ চৰকাৰ আৰু ভাৰতবাসীৰ মাজত বুজাবুজিৰ মাজেদি সিদ্ধান্ত হোৱাৰ পিছত ঊনবিংশ শতাব্দীৰ মাজভাগত কলেজ, বিশ্ববিদ্যালয়বোৰ স্থাপিত হয়। শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত পাশ্চাত্যৰ আদৰ্শই ভাৰতত নৱজাগৰণৰ সৃষ্টি কৰিলে। এই যুগতে প্ৰথমে মহান ভাৰতীয় আধুনিক বুদ্ধিজীৱী আৰু সমাজ চিন্তক ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আৰু ৰামমোহন ৰায়ে বৃটিছ চৰকাৰৰ সহযোগত ভাৰতীয় সমাজ তথা নাৰীৰ উন্নতিৰ কাৰণে কাম কৰিবলৈ ওলাই আহে। সতীদাহ প্ৰথা আৰু বাল্য বিবাহ ৰোধ কৰিবলৈ ইষ্ট ইণ্ডিয়া কোম্পানীক সহায় কৰিছিল এওঁলোকে।

এই সমাজ পৰিৱৰ্তনৰ বাৰ্তা আনিছিল কলিকতীয়া কাকত আলোচনীয়ে। সেই কলিকতীয়া তথা ভাৰতীয় নতুন আদৰ্শই অসমকো স্পৰ্শ কৰিলেহি। এই নৱজাগৰণৰ স্পৰ্শত অসমতো ক্ৰমে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা অনুভূত হ'বলৈ ধৰিলে। সেই সময়তে আনন্দৰাম ঢেকিয়াল ফুকনৰ অনুগামী গুণাভিৰাম বৰুৱাই বিধৱা বিবাহ কৰি তাৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ ৰামনৱমী নাট কৰিছিল। গুণাভিৰামে পত্নী আৰু কন্যাক প্ৰথমে ঘৰতে শিক্ষা দিছিল। পাছত কন্যা স্বৰ্ণলতাক কলিকতাৰ বেথুন স্কুলত পঢুৱাইছিল। সেই সময়ত স্বৰ্ণলতাৰ লগত বেথুন স্কুলত পঢ়া আন গৰাকী ছাত্ৰী হ'ল উদয় ৰাম দাসৰ কন্যা সৰলা দেৱী। সৰলা দেৱী অমিয় কুমাৰ দাসৰ মাতৃ।

এনেদৰে ঘৰতে শিক্ষা দিয়াৰ উপৰি বহুতো অভিভাৱকে ছোৱালীক





কলিকতাত পঢ়িবলৈও পঠাইছিল, স্ত্ৰীশিক্ষাৰ প্ৰতি এনে আগ্ৰহৰ আন এটি কাৰণ আছিল পৰৱৰ্তী কালৰ মহাত্মা গান্ধীৰ স্বদেশী আন্দোলন। কুৰি শতিকাৰ দ্বিতীয় তৃতীয় দশকৰ পৰা বহুতো সম্ভ্ৰান্ত লোকে স্বাধীনতা আন্দোলনত সহযোগ কৰিছিল। লগতে এইসকল লোকে স্ত্ৰীশিক্ষাৰ পোষকতা কৰিছিল। ৰাজবালা দাসে তেওঁৰ আত্মজীৱনী 'তিনিকুৰি দহবছৰৰ স্মৃতি' (১৯৭১:২০০৪)ত উল্লেখ কৰিছে যে তেওঁৰ পেহীয়েক দেৱীপ্ৰভা দত্তই কলিকতাত, ভাড়াঘৰত থাকি তেওঁৰ জীয়েক দুগৰাকী দুৰ্গাপ্ৰভা আৰু হেমপ্ৰভাক স্কুলত পঢ়োৱাইছিল। ৰাজবালায়ো তেওঁলোকৰ লগত পঢ়িছিল। এনেদৰে কিছুসংখ্যক অসমীয়া ছোৱালীয়ে ঊনবিংশ শতিকাৰ শেষ আৰু কুৰি শতিকাৰ আৰম্ভণিৰ কালত শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু তেতিয়াও সৰ্বসাধাৰণ ছোৱালীৰ বাবে শিক্ষা সহজলভ্য হোৱা নাছিল।

অসমত শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিশেষভাৱে চিন্তা-চৰ্চা হৈছিল মিছনেৰীসকলৰ উদ্যোগত, প্ৰাথমিকভাৱে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য হ'লেও তেওঁলোকে উত্তৰ-পূৰ্বাঞ্চলৰ অনুন্নত অঞ্চলসমূহত শিক্ষা প্ৰচাৰৰ চেষ্টা চলাইছিল। ১৮৩৬ চনত মিছনেৰীসকল শদিয়া হৈ অসমত প্ৰৱেশ কৰি লখিমপুৰত প্ৰথমখন ল'ৰাৰ স্কুল স্থাপন কৰিছিল। সি কিন্তু স্থায়ী নহ'ল ১৮৩৯ চনত মিছনেৰীসকলে লখিমপুৰতে ছোৱালী স্কুল এখনো পাতিছিল। সেইখনো স্থায়ী নহ'ল, অৰ্থাৎ আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলে শিক্ষাৰ ক্ষেত্ৰত ল'ৰা আৰু ছোৱালীৰ মাজত কোনো বৈষম্য নাৰাখিছিল। যিহওক তাৰ পিছত মহিলা আমেৰিকান খৃষ্টান মিছনেৰী শ্ৰীমতী ব্ৰাউন আৰু শ্ৰীমতী কাট্‌টাৰে 'জেনানা স্কুল' নাম দি ঠায়ে ঠায়ে ছোৱালীৰ বাবে স্কুল পাতিছিল। কিন্তু এই চেষ্টাও সফল হোৱা নাছিল। ছোৱালীৰ বাবে পতা জেনানা স্কুলবোৰো স্থায়ী নহ'ল। কাৰণ নিশ্চয় ছোৱালীৰ শিক্ষাৰ বিষয়ত স্থানীয় লোকৰ সমৰ্থনৰ অভাৱ।

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ শাসনভাৰ লোৱাৰ পাছত বৃটিছ চৰকাৰৰ শাসনকালত ১৮৭০ চনত ৮ খন ছোৱালী স্কুল স্থাপিত হৈছিল। তাৰে পাঁচখন কামৰূপত দুখন আৰু দৰং, নগাওঁ, লখিমপুৰত এখনকৈ। তথাপি ১৮৯২ চনলৈ ছোৱালীৰ শিক্ষাৰ নামত কেইখনমান চৰকাৰী এম.ভি., এম.ই.স্কুল প্ৰাথমিক

স্কুলৰ লগতে স্থাপিত হৈছিল, তেতিয়ালৈকে কিন্তু স্ত্ৰী শিক্ষাৰ গুৰুত্ব এমুঠিমান শিক্ষিত লোকৰ বাহিৰে বহল সমাজখনত অনুভূত হোৱা নাছিল। অন্ধবিশ্বাস, দাৰিদ্য, বাল্যবিবাহ আদিয়ে আছন্ন কৰি ৰখা সমাজখনে স্ত্ৰীশিক্ষাক মুঠেই গুৰুত্ব দিয়া নাছিল। স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত থকা বাধাসমূহৰ বিষয়ে চৰকাৰ আৰু মিছনেৰীসকলেও চিন্তা নকৰা নহয়। ১৮৬৫ চনত ইংৰাজ সমাজকৰ্মী আৰু সংস্কাৰক মেৰী কাৰ্টাৰ ভাৰতলৈ আহি ১৮৭০ চনলৈকে ভাৰতত থাকি এই বিষয়ে অধ্যয়ন কৰে। ভাৰতত স্ত্ৰীশিক্ষাৰ প্ৰধান অন্তৰায়, নাৰীশিক্ষয়িত্ৰীৰ অভাৱ বুলি তেওঁ তেওঁৰ প্ৰতিৱেদনত উল্লেখ কৰিছে। সেইবাবে ইয়াৰ প্ৰতিকাৰ স্বৰূপে তেওঁ ভাৰতৰ মহিলাৰ বাবে নৰ্মাল স্কুল স্থাপনৰ পৰামৰ্শ আগবঢ়াইছিল। ভাৰত চৰকাৰৰ শিক্ষা কমিছনসমূহেও চৰকাৰক সময়ে সময়ে কিছুমান পৰামৰ্শও আগবঢ়াই আছিল। ১৯০৪ চনত বৃটিছ চৰকাৰে ভাৰতৰ বাবে নতুন শিক্ষা নীতি ঘোষণা কৰে। এই শিক্ষানীতিত শিক্ষয়িত্ৰীৰ ট্ৰেইনিং স্কুল আৰু মডেলস্কুল স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। তাৰ ফলতস্বৰূপে ১৯১৩ চনত ডিব্ৰগড়ত প্ৰথমখন মডেল স্কুল স্থাপন কৰা হয়। এই স্কুলত প্ৰধান শিক্ষয়িত্ৰী পদত নিযুক্ত হয় হেমপ্ৰভা দত্ত (দাস)। ১৯২৬ চনত এই স্কুলখন হাইস্কুললৈ উন্নীত কৰা হয়। অসমত এইখনেই ছোৱালীৰ প্ৰথম চৰকাৰী হাইস্কুল।

১৯২৭ চনত এইখন স্কুলৰ পৰা প্ৰথম দল ছাত্ৰীয়ে মেট্ৰিক পাছ কৰে। আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে স্ত্ৰীশিক্ষাৰ মূল অন্তৰায় সমাজিক সজাগতাৰ অভাৱৰ উপৰি উপযুক্ত শিক্ষয়িত্ৰীৰ অভাৱো। ডিব্ৰুগড়ত মডেল স্কুল স্থাপন কৰাৰ সময়ত অসমৰ প্ৰথম এফ.এ. পাছ মহিলা হেমপ্ৰভাই এই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল। এইয়া নিশ্চয় চৰকাৰৰ বাবে বিশেষ সহায় হৈছিল। ডিব্ৰুগড়ত প্ৰথম চৰকাৰী স্কুল পাতিব পৰাৰ এটা কাৰণ হ'ব পাৰে এই যে ডিব্ৰুগড়ৰ আশে পাশে ভালেমান চাহবাগান আছে। এই বাগানবোৰত ইউৰোপীয় চাহাব কৰ্মৰত আছিল। তেওঁলোকৰ উন্নত জীৱন প্ৰণালীয়ে চাহবাগানত কাম কৰা অসমীয়া লোকসকলক আকৰ্ষণ কৰিছিল নিশ্চয়। এই চাহবাগনৰ অসমীয়া বাবুসকলৰ যোগে উজনি অসমত নাৰী শিক্ষাৰ আৱশ্যকতাৰ সজাগতা আহিছিল। কামৰূপ গোৱালপাৰাৰ কথাই নাই,





গুৱাহাটীতো আনকি ছোৱালীৰ শিক্ষা পিছ পৰি আছিল। পাণবজাৰৰ মধ্য ইংৰাজী বালিকা বিদ্যালয়খন ১৯২৬ চনত হাইস্কুললৈ উন্নীত কৰা হয়। এইটো অসমৰ দ্বিতীয় চৰকাৰী ছোৱালী হাইস্কুল। তৃতীয়খন ছোৱালীস্কুল পতা ১৯২৬ চনত ধুবুৰীত। চতুৰ্থখন পতা হয় যোৰহাটত ১৯৩৩ চনত।

ৰাজবালা দাসে জনোৱা মতে এনে সময়তো গুৱাহাটীত বি.এ পাছ ছোৱালী নাছিল। সেয়েহে ৰাজবালা দাসক পাণবজাৰ স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ পদত যোগ দিবলৈ অনুৰোধ কৰা হৈছিল। কিন্তু তেওঁৰ ব্যক্তিগত অসুবিধাৰ বাবে যোগ দিব নোৱাৰিলে। বাহিৰৰ পৰা কেইবাগৰাকী বঙালী মহিলাক প্ৰধান শিক্ষয়িত্ৰী পদ দি অনা হৈছিল। কিন্তু তেওঁলোক স্থায়ীভাৱে অসমৰ স্কুলতে থাকি শিক্ষাদানত ব্ৰতী হৈ থাকিব পৰা নাছিল। সেয়েহে কটন স্কুলৰ পৰা অৱসৰ লোৱা হেমচন্দ্ৰ সেনকে ছোৱালী স্কুলৰ হেডমাষ্টৰ পতা হৈছিল।

সেই সময়ৰ পাণবজাৰ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী, পাঠ্যপুথি আদিৰ বিষয়ে ৰাজবালা দাসৰ 'তিনিকুৰি দহবছৰৰ স্মৃতি' ত এইদৰে আছে --

"তলৰ ক্লাছত অসমীয়া মাষ্টৰনী দুই এগৰাকী আছিল। তলৰ ক্লাছবোৰত বঙলাতে প্ৰশ্ন কটা হৈছিল, সপ্তম শ্ৰেণীৰ পৰা ইংৰাজী পঢ়োৱা হৈছিল.........। গুৱাহাটীত ছোৱালীয়ে মেট্ৰিকলৈকে পঢ়া মই ১৯৩০-৩১ চনলৈকে গম পোৱা নাছিলো। বেছিভাগ ছোৱালীয়ে ৭ম-৮ম শ্ৰেণীৰ পৰা স্কুললৈ অহা যোৱা বন্ধ কৰে'। (তিনিকুৰি দহবছৰৰ স্মৃতি, ৰাজাবালা দাস, ২য় সংস্কৰণ ২০০৪, চিত্ৰবন প্ৰকাশন, গুৱাহাটী, ১৯৭১)

হেমচন্দ্ৰ সেন হেডমাষ্টৰ হৈ থকা সময়ত ৰাজবালা দাস স্কুলৰ চেক্ৰেটাৰী আছিল। আনুমানিক ১৯২৭, ১৯২৮ চনত হেমচন্দ্ৰ সেনক তিনি বছৰৰ বাবে প্ৰধান শিক্ষকৰ বাব দিয়া হৈছিল, স্কুলখন হাইস্কুল হোৱাৰ লগে লগে সেন প্ৰধান শিক্ষক হ'লে ১৯২৮ চনত তেওঁ অৱসৰ ল'ব লাগে। আনুমানিক ১৯২৮/২৯ চনত ৰাজবালা দাস পাণবজাৰ স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হয়।

ক্ৰমান্বয়ে ছাত্ৰীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰিলে। ৰিজাল্টো ভাল হ'বলৈ ধৰিলে। দূৰৈৰ পৰা পাণবজাৰ স্কুলত পঢ়িবলৈ অহা ছোৱালীৰ বাবে হোষ্টেলৰ ব্যৱস্থাও কৰা হৈছিল। লাহে লাহে গ্ৰেজুৱেট শিক্ষয়িত্ৰীৰ সংখ্যাও বাঢ়িল। প্ৰথম

অসমীয়া গ্ৰেজুৱেট শিক্ষয়িত্ৰী ৰূপে ১৯৩২/৩৩ চনত ইন্দিৰা সেনাপতি (মিৰি)ক নিয়োগ কৰা হৈছিল। বছৰে বছৰে মেট্ৰিক পাছ ছোৱালীৰ সংখ্যা বাঢ়ি আহিবলৈ ধৰিলে যদিও সেই অনুপাতে কিন্তু তেতিয়া কলেজীয়া শিক্ষাই গঢ় লৈ উঠা নাছিল।

গুৱাহাটীত ১৯০১ চনত উচ্চ শিক্ষাৰ অনুষ্ঠান কটন কলেজ স্থাপিত হয়। কিন্তু তেতিয়া কটন কলেজত ছোৱালীৰ অন্তৰ্ভুক্ত নীতি বহিৰ্ভূত আছিল। ১৯৩৪ চনতহে কটনত সহশিক্ষাৰ অনুমোদন জনোৱা হয়। কিন্তু তেতিয়াও সহশিক্ষাৰ অনুষ্ঠান কটনলৈ ছোৱালী পঠাবলৈ অভিভাৱকে ইচ্ছা কৰা নাছিল। আনহাতে কটন কলেজত সকলো মেট্ৰিক পাছ ছোৱালীৰ বাবে আসনৰ অভাৱ আছিল। যিসকল ছোৱালীৰ অভিভাৱকে তেওঁলোকৰ ছোৱালীক বাহিৰত পঢ়ুৱাব পাৰে তেওঁলোক বাহিৰলৈ গৈছিল। তথাপি কটনলৈ বহু দূৰৈৰ ছাত্ৰীও পঢ়িবলৈ আহিছিল। তেওঁলোক পাণবজাৰ ছোৱালী হাইস্কুলৰ চৌহদত অসম মহিলা সমিতিৰ তত্বাৱধানত নিৰ্মিত কোঠাত থাকিব পাৰিছিল। ক্ৰমে মেট্ৰিক পাছ কৰি পঢ়িবলৈ অহা ছোৱালীৰ সংখ্যা বাঢ়িবলৈ ধৰিলে।

ৰাজবালা দাস ছোৱালীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত বাঢ়ি অহা সমস্যা সম্পৰ্কে সজাগ হ'ল। ছোৱালীও অসমতে কলেজত পঢ়াৰ সুবিধা হ'ব লাগে। তেওঁৰ স্বামী ড° জ্যোতিষ চন্দ্ৰ দাসৰ সমৰ্থনত স্কুলৰ মেনেজিং কমিটিৰ অনুমতি সাপেক্ষে ১৯৩৯ চনত পাণবজাৰ ছোৱালী হাইস্কুলৰ এটি কোঠাত দুজনী ছোৱালীৰে 'গুৱাহাটী ছোৱালী কলেজ' বুলি এখন কলেজৰ আৰম্ভণি কৰিলে। ৰাজবালা দাসে এই বিষয়ে লেখিছে, "চৰকাৰে কলেজৰ কাৰণে মাটি-ঘৰ (বৰ্তমান থকা ঠাইত) দিলে। কলেজৰ কাৰণে এটি অনুদানো চৰকাৰে মঞ্জুৰ কৰিলে" (পৃষ্ঠা-৬৬)। যিসকল লোকে অংশকালীন শিক্ষক হিচাপে ৰাজবালা দাসক সহায় কৰিছিল সেই সকলৰ নাম তেখেতৰ আত্মজীৱনীত উল্লেখ কৰি গৈছে। তেওঁলোক হ'ল "শ্ৰীকনক চন্দ্ৰ দাস, শ্ৰীৰমেশ চাংকাকতি, শ্ৰী ৰজনী শৰ্মা, শ্ৰী বিশ্বেশ্বৰ শৰ্মা, নলিনী দাসগুপ্ত"। (পৃষ্ঠা-৬৬)। সেই সময়ত কলেজখনক বিশ্ববিদ্যালয়ৰ অনুমোদনৰ বাবে লাগে এটি ১০,০০০ টকাৰ পুঁজি। এই পুঁজিও কৃষ্ণকান্ত সন্দিকৈৰ মাতৃ নাৰায়ণী সন্দিকৈৰ নামত দান হিচাপে পোৱা গ'ল,





নাৰায়ণী সন্দিকৈৰ স্বামী ৰাধাকান্ত সন্দিকৈৰ পৰা। সন্দিকৈৰ পৰিয়াল টিৰুৱাল চাহ বাগিচাৰ গৰাকী। ৰাধাকান্ত সন্দিকৈৰ পত্নীৰ নামত দিয়া এই দানৰ ফলতে ১৯৩৯ চনত স্থাপিত কলেজখনে নাম পালে 'সন্দিকৈ ছোৱালী কলেজ'।

দুজনী ছোৱালীৰে আৰম্ভ কৰা কলেজখনত প্ৰথম বছৰত ছোৱালীৰ সংখ্যা ৫ গৰাকী আছিল। দ্বিতীয় বছৰত ৮ গৰাকী হ'ল। কলেজৰ বাবে ৰাজবালা দাসে ছোৱালী বিচাৰিও আনিব লগা হৈছিল। এই কামত তেওঁক হেমপ্ৰভা দাসেও সহায় কৰা বুলি তেওঁ উল্লেখ কৰিছে।

ৰাজাবালা দাসৰ বিয়া বি,এ. পাছ কৰাৰ পাছতেই হৈছিল। সেয়েহে তেওঁৰ সময়মতে এম.এ. পঢ়া নহ'ল। তথাপি তেওঁ হ'বলগীয়া হ'ল কলেজৰ অধ্যক্ষা। কলেজৰ অধ্যক্ষা হ'বলৈ আনহাতে লাগে এম.এ. ডিগ্ৰী। কলিকতা বিশ্ববিদ্যালয়ত তেতিয়া অসমীয়াত এম.এ. ক্লাছ খোলাত ৰাজবালা দাসে প্ৰাইভেটকৈ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম.এ. পাছ কৰে। এইদৰে বিভিন্ন আসোঁৱাহ অতিক্ৰম কৰি তেওঁ সন্দিকৈ ছোৱালী কলেজৰ নিয়মীয়া অধ্যক্ষা হ'ল আৰু অশেষ পৰিশ্ৰমেৰে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ এই প্ৰথম কলেজখন গঢ়ি তুলিলে। ইয়াৰ পাছতো অসমৰ স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত পৰ্যাপ্ত সুবিধা নাছিল। লতাশিল প্ৰাইমেৰী স্কুল, উজানবজাৰ মধ্য ইংৰাজী বালিকা বিদ্যালয়, পাণবজাৰ ছোৱালী হাইস্কুল আদি থকাৰ পিছত গুৱাহাটীত আৰু এখন ছোৱালী হাইস্কুল পতাৰ উদ্যোগ লোৱা হয়। এই উদ্যোক্তাসকল হ'ল গোপীনাথ বৰদলৈ, ড° ভুবনেশ্বৰ বৰুৱা, ড° ঘনশ্যাম দাস, ড° মথুৰামোহন গোস্বামী, উমেশ চন্দ্ৰ চৌধুৰী, গোপাল চন্দ্ৰ চৌধুৰী আদি। পাণবজাৰ ছোৱালী হাইস্কুলখন উজান বজাৰৰ ছোৱালীবিলাকৰ বাবে দূৰ হয়। তাতে তেতিয়া দ্বিতীয় মহাসমৰ চলি আছে। পাণবজাৰ ছোৱালী হাইস্কুলখন মিলিটাৰীৰে ভৰি আছে। পাণ বজাৰৰ ছোৱালী স্কুলটো তেনে অৱস্থাত এটা ভাড়া ঘৰতহে চলি আছে। উজানবজাৰৰ ছোৱালীবিলাকক তেনে পৰিস্থিতিত অভিভাৱকসকলে পাণবজাৰৰ স্কুললৈ পঠিয়াবলৈ ভয় কৰে, সেয়েহে আৰু এটি নতুন ছোৱালী হাইস্কুল পতাৰ আয়োজন চলে। এই নতুন স্কুলখনৰ বাবে প্ৰয়োজনীয় ধন ভৰলুমুখৰ তাৰিণী চৰণ চৌধুৰীৰ পত্নী প্ৰমীলা চৌধুৰীয়ে দিবলৈ গাত লৈছে। বিনিময়ত এই স্কুলটোৰ নাম হ'ব

তাৰিণী চৰণ চৌধুৰী ছোৱালী বিদ্যালয়। প্ৰমীলা চৌধুৰীয়ে অনুদান আগবঢ়ালে ১৬,০০০ টকা। চৰকাৰে কুকুৰমুতাত (বৰ্তমান থকা ঠাইত) ৪ বিঘা মাটি স্কুলৰ বাবে দিয়াত প্ৰমীলা চৌধুৰীৰ ইচ্ছা অনুসৰি তাৰিণী চৰণ চৌধুৰী ছোৱালী বিদ্যালয় ১৯৪৫ চনত স্থাপিত হয়। ইয়াৰ প্ৰতিষ্ঠাতা প্ৰধান শিক্ষয়িত্ৰী হ'ল ইন্দিৰা দেৱী।

ইন্দিৰা দেৱীৰ জীৱনো আছিল এক ব্যতিক্ৰমী জীৱন। ইন্দিৰা দেৱীৰ বিয়া হৈছিল গুৱাহাটীৰ উজান বজাৰ নিবাসী বৰদা শৰ্মাৰ লগত। বৰদা শৰ্মাই ইন্দিৰাক সেই সময়ৰ সমাজৰ নিয়ম অনুসৰি কন্যাকালৰ পূৰ্বেই বিয়া কৰাইছিল। কিন্তু যেতিয়ালৈ ইন্দিৰাৰ কলেজীয়া শিক্ষা শেষ নহয়, তেতিয়ালৈকে তেওঁক দৰাঘৰলৈ অৰ্থাৎ শহুৰৰ ঘৰলৈ আনিবলৈ বৰদা শৰ্মাই দিয়া নাছিল। ছোৱালীৰ শিক্ষাৰ বাবে সমাজ এতিয়া কিমান সচেতন হৈ উঠিছিল ই তাৰ উদাহৰণ। বৰদা শৰ্মাৰ মাক-বাপেক নাছিল। বৰদেউতাকে ইন্দিৰাদেৱীক তেওঁৰ ঘৰত ৰাখি কটনত পঢ়াবলৈ অমান্তি হ'ল। তেওঁ বোৱাৰী ছোৱালীক কলেজত পঢ়ুৱাৰ নিচিনা অনাচাৰ কৰিব নোৱাৰে। অৱশেষত ইন্দিৰাক বৰদাৰ বিধবা পেহীয়েক এগৰাকীৰ লগত ৰাখি কলেজত পঢ়ুৱাৰ সিদ্ধান্ত হ'ল। এনেদৰে ইন্দিৰা দেৱীয়ে অৱশেষত কটন কলেজৰ পৰা বি.এ. পাছ কৰি ওলাল। ইতিমধ্যে ইন্দিৰাৰ স্বামী বৰদাৰ আকস্মিক মৃত্যু হৈছে। দুটা সন্তানৰ মাতৃ ইন্দিৰা দেৱী নতুনকৈ স্থাপিত হোৱা তাৰিণী চৰণ চৌধুৰীৰ স্কুলখনৰ প্ৰধান শিক্ষয়িত্ৰী পদত নিযুক্ত হৈছে। নিৰুপমা বৰগোহাঞি, ডলী তালুকদাৰ, ড° ৰেণু দেৱী আদি এই স্কুলৰ কৃতী ছাত্ৰী আছিল।

এনেকৈয়ে দেখা গ'ল, এই তাৰিণী চৰণ চৌধুৰী স্কুলেই কামৰূপ বা গুৱাহাটীত স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত দ্বিতীয়টো খোজ আগবঢ়াইছিল। সেয়া স্বাধীনতাৰ দুটা বছৰ মাথোন আগৰ কথা।

**প্ৰসংগপুথি**

১। ৰাজবালা দাস, 'তিনিকুৰি দহ বছৰৰ স্মৃতি' (১৯৭১) চিত্ৰবন প্ৰকাশন, গুৱাহাটী, ২০০৪।





২। প্ৰীতি বৰুৱা, 'অসমৰ স্ত্ৰীশিক্ষাৰ ইতিহাসত এভুমুকি', 'বিষয়ঃ নাৰী', গ্ৰন্থত সম্পা- ড° অজিত ভড়ালী, ড° ৰঞ্জিতা কলিতা, এ.ডি.পি. কলেজ প্ৰকাশন কোষ, নগাঁও, ২০১১।

৩। গোৱিন্দ প্ৰসাদ শৰ্মা, Nationlism in Indo-Anglian Fiction (1978) Bhabani Books, Guwahati-1999।

—+—

# গুৱাহাটী মহানগৰীৰ ভূমি সমস্যা আৰু ইয়াৰ সমাধান

**ড° দংশী বৰ্মন**

প্ৰৱাহমান সময়ত সংঘটিত ঘটনাৱলীৰ দ্বাৰা এটা কথা প্ৰমাণিত হৈছে যে এখন ভাল আইন প্ৰণয়ন হ'লেই সমাজত হৈ থকা অসামাজিক কাৰ্যকলাপৰ বিলুপ্তিকৰণ নহয়, যদিহে সেই আইনসমূহ যথাযথভাৱে কাৰ্যকৰী কৰা নহয়।

বৰ্তমান অসমত ভূমি-ৰাজহ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰচলিত আইন দুখন হ'ল (১) অসম ভূমি-ৰাজহ আইন (১৮৮৬) আৰু (২) অসম ভূমিলেখা নিয়মাৱলী (১৯০৬-০৭)। অসমৰ সাধাৰণ চৰকাৰী ভূমি আৰু চৰণীয়া ৰিজাৰ্ভসমূহৰ লগতে অন্যান্য চৰকাৰী জমিসমূহ সংৰক্ষণৰ বাবে আৰু বেদখলকাৰীক উচ্ছেদৰ ক্ষেত্ৰত অসম ভূমি ৰাজহ আইন (১৮৮৬)ৰ অন্তৰ্গত ভূমি-পট্টন বিধিৰ ১৮ নং ধাৰাত বিস্তৃতভাৱে নিৰ্দেশনা দিয়া আছে। এই বিধিত স্পষ্টকৈ কোৱা হৈছে যে কোনো লোকে চৰকাৰৰ বিনা অনুমতিত সাধাৰণ চৰকাৰী, চৰণীয়া ৰিজাৰ্ভ বা অন্যান্য চৰকাৰী জমিত বেদখল কৰিলে পট্টন পাবৰ অনুপযুক্ত লোকসকলক উপায়ুক্তই উক্ত জমিৰ পৰা তৎকালীনভাৱে উচ্ছেদ কৰিব পাৰে। উপায়ুক্তৰ এই ক্ষমতা বৰ্তমান চক্ৰ-বিষয়াৰ ওপৰত ন্যস্ত কৰা হৈছে।





অসম ভূমিলেখা নিয়মাৱলীৰ ১৯ নং দফাত কোৱা হৈছে যে সংশ্লিষ্ট লাট মণ্ডলে প্ৰতি বছৰে সাধাৰণ চৰকাৰী, চৰণীয়া আৰু ব্যাৱসায়িক ৰিজাৰ্ভৰ বা অন্যান্য চৰকাৰী জমিত থকা বেদখলকাৰীৰ তালিকা প্ৰস্তুত কৰি চক্ৰ-বিষয়াৰ ওচৰত প্ৰতিৱেদন দিব লাগিব। সেইমতে চক্ৰ বিষয়াই চৰকাৰৰ ভূমি নীতি মতে পট্টন পাবৰ অনুপযুক্ত বেদখলকাৰী সকলক উচ্ছেদ কৰাৰ ব্যৱস্থা ল'ব।

গুৱাহাটী মহানগৰীৰ ৰাজধানীৰ ক্ষেত্ৰত সংশ্লিষ্ট নথি পৰীক্ষা কৰিলে দেখা যায় যে ১৯৭৩-৭৪ চনত অৰ্থাৎ শ্বিলঙৰ পৰা গুৱাহাটীলৈ ৰাজধানী নামি অহাৰ সময়ত বেদখলী সমস্যা সম্পৰ্কে অধ্যয়ন কৰি প্ৰতিৱেদন দাখিল কৰিবৰ বাবে চৰকাৰে গঠন কৰি দিয়া তদন্ত কমিটিয়ে দাখিল কৰা প্ৰতিৱেদন মতে সৰ্বমুঠ ৯,৯৩০ বিঘা মাটিত ৯,৩৬৬ জন বেদখলী লোক থকা পৰিলক্ষিত হয়। উক্ত কমিটিয়ে বেদখল সম্পৰ্কে দাখিল কৰা বিস্তৃত বিৱৰণী মতে-

| | | |
|---|---|---|
| ১। | বেদখলকাৰী চৰকাৰী চাকৰিয়ালৰ সংখ্যা | ২,৮২২ জন |
| ২। | ক্ষুদ্ৰ ব্যৱসায়ীৰ সংখ্যা | ৩,৫৬৮ জন |
| ৩। | শ্ৰমিক আৰু কৃষকৰ সংখ্যা | ৩,১২০ জন |
| ৪। | অন্যান্য ব্যৱসায়ৰ লোকৰ সংখ্যা | ৮৫৬ জন |
| | মুঠ | ১০,৩৬৬ জন |

সেইদৰে বেদখল কৰা মাটিৰ পৰিমাণ অনুযায়ী বেদখলীৰ সংখ্যা ঃ

| | | |
|---|---|---|
| (ক) | ১ (এক) কঠা পৰ্যন্ত বেদখল কৰা লোকৰ সংখ্যা | ৩,২৬৯ জন |
| (খ) | ১ (এক) কঠাৰ পৰা ১ (এক) বিঘা পৰ্যন্ত বেদখল কৰা লোকৰ সংখ্যা | ৩,৫৬৮ জন |
| (গ) | ১ (এক) বিঘাৰ পৰা ৪ (চাৰি) বিঘা পৰ্যন্ত বেদখল কৰা লোকৰ সংখ্যা | ১,৫৩৯ জন |
| (ঘ) | ৪ (চাৰি) বিঘাৰ ওপৰত বেদখল কৰা লোকৰ সংখ্যা | ৫৮৪ জন |
| | মুঠ | ৮,৯৬০ জন |

উল্লেখযোগ্য যে ছিলঙৰ পৰা গুৱাহাটীলৈ ৰাজধানী নামি অহাৰ লগে লগে চৰকাৰী কাৰ্যালয়ৰ নথি-পত্ৰসহ অকল যে কৰ্মচাৰীসকলেই আহিল, এনে নহয়। বিভিন্ন গোষ্ঠীৰ আৰু ব্যৱসায়ৰ লোকসকলো বানপানীৰ সোঁতৰ লগত মাছ অহাদি মহানগৰীখনলৈ ধাৱিত হ'ল। কিন্তু আগধৰি কোনো সু-পৰিকল্পিত ব্যৱস্থা হাতত নোলোৱাকৈ তৎকালীনভাৱে শ্বিলঙৰ পৰা ৰাজধানী স্থানান্তৰিত কৰাৰ ফলত কৰ্মচাৰীসকলৰ বাবে আৱশ্যকীয় সংখ্যক বাসগৃহ নথকাত আৰু ব্যক্তিগত লোকৰ ঘৰৰ ভাড়াও বহুগুণে বৃদ্ধি পোৱাত এক জটিল সমস্যাই দেখা দিয়ে। আনহাতে ব্যৱসায়ী আৰু ধনী শ্ৰেণীৰ লোকসকলে সুবিধাজনক ঠাইবোৰত অধিক মূল্যত মাটি কিনিবলৈ লোৱাৰ পৰিপ্ৰেক্ষিতত পট্টাৰ মাটিৰ দামো বনজুইৰ দৰে বাঢ়িবলৈ লয়। উপায়ান্তৰ হৈ বহুতো চৰকাৰী কৰ্মচাৰীয়ে খালী হৈ পৰি থকা চৰকাৰী মাটি বেদখল কৰি নিজৰ থকা খোৱাৰ ব্যৱস্থা কৰিবলৈ বাধ্য হয়। ইয়াৰ লগে লগে অন্যান্য শ্ৰেণীৰ লোকসকলেও চৰকাৰী মাটি গ্ৰাস কৰাত লাগি যায়।

দৈনিক অগ্ৰদূত কাকতৰ ২০১৪ চনৰ ৬ আগষ্ট তাৰিখৰ সংখ্যাত প্ৰকাশিত বাতৰি মতে বিধানসভাত বিধায়ক শ্ৰীফণীভূষণ চৌধুৰীৰ প্ৰশ্নৰ উত্তৰত কংগ্ৰেছ চৰকাৰৰ ৰাজহ মন্ত্ৰী শ্ৰীপৃথ্বী মাঝিয়ে দাখিল কৰা তথ্য মতে কামৰূপ (মহানগৰ) জিলাত ২,১৪,৯৯৯ বিঘাৰ ১,০৩,৩৩৮ বিঘা আৰু কামৰূপ (গ্ৰাম্য) জিলাত ৬,৫৪,৩৯০ বিঘাৰ ১,২৬,১৪৩ বিঘা বেদখলীৰ কবলত পৰিছে। দৈনিক জনমভূমি কাকতত ২০১৩ চনৰ মে' মাহৰ বাতৰি মতে "মহানগৰ উন্নয়ন সমিতি" নামৰ বেচৰকাৰী সংস্থা এটাই চলোৱা সমীক্ষাত প্ৰকাশ কৰা অনুসৰি অকল মহানগৰৰ পাহাৰ অঞ্চলতে বেদখল কৰি থকা ৬৫,৮৯৪ টা পৰিয়াল চিনাক্ত কৰা হৈছে। এই সকলৰ কিমানটা পৰিয়াল ভূমি পট্টন পাবৰ যোগ্য সেই বিষয়ে চৰকাৰৰ ফালৰ পৰা তদন্ত হোৱাই নাই।

অসমৰ অন্যান্য জিলাৰ চৰকাৰী ভূমিত হোৱা বেদখলী সমস্যা অধ্যয়ন কৰিলে চকু কপালত উঠা পৰিস্থিতি এটা আমাৰ মানসপটত ভাঁহি উঠে। আমাৰ অসম কাকতৰ ৩০ জুন ২০১৯ ইং তাৰিখত প্ৰকাশিত এটি বাতৰি মতে অবাধ





বেদখলৰ কবলত পৰা গুৱাহাটী মহানগৰীৰ সৰু বৰ ১৯ খন পাহাৰ তথা সংৰক্ষিত বনাঞ্চলত ভূমিস্খলনৰ এই আতংকই দেখা দিছে। বিশেষকৈ বাৰিষাৰ সময়ত গুৱাহাটীৰ পাহাৰ তথা বনাঞ্চলত বাস কৰা লোকসকলে তথা ইয়াৰ নামনিত বাস কৰা লোকসকলে এক আতংকৰ মাজত জীৱন অতিবাহিত কৰিবলগীয়া হয়। ভূমিস্খলনৰ এই আতংকৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলা প্ৰশাসনে শেহতীয়াকৈ গুৱাহাটীৰ সৰু-বৰ ১৯ খন পাহাৰৰ অতি বিপজ্জনক তথা সাংঘাতিক ধৰণে স্পৰ্শকাতৰ এলেকা চিহ্নিত কৰি ২০০ টা পৰিয়াললৈ জাননী জাৰি কৰিছে। উল্লেখ্য সংশ্লিষ্ট পৰিয়ালসমূহলৈ প্ৰশাসনে এপ্ৰিল আৰু মে মাহতে জাননী প্ৰেৰণ কৰিছে যদিও গৰিষ্ঠসংখ্যকেই নিজ গৃহতেই শংকাৰ মাজতেই আশ্ৰয় লৈ আছে। লক্ষ্যণীয় বিষয় যে পাহাৰৰ বিপদসংকুল পৰিৱেশৰ মাজত বাস কৰা লোকসকলৰ গৰিষ্ঠসংখকেই দৰিদ্ৰ, যিসকলৰ বসবাসৰ আন বিকল্প ব্যৱস্থা নাই। জীৱনৰ প্ৰতি ভাবুকি থাকিলেও তেওঁলোক পাহাৰৰ বিপদসংকুল পৰিৱেশত থাকিবলৈ বাধ্য। যাৰ বাবে প্ৰশাসনৰ জাননীৰ পাছতো তেওঁলোকে সেই স্থানৰ পৰা আঁতৰি যোৱা নাই। জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সূত্ৰই জনোৱা মতে জধে-মধে আৰু অপৰিকল্পিত তথা অবিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা বাসস্থানসমূহৰ বাবে গুৱাহাটীৰ পাহাৰসমূহত ভূমিস্খলনৰ সমস্যাটো প্ৰকট হৈ পৰিছে। উল্লেখযোগ্য যে, বছৰৰ পিছত বছৰ ধৰি চৰকাৰে গুৱাহাটীৰ পাহাৰসমূহ সংৰক্ষিত কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ নকৰাত সম্প্ৰতি এই জটিল সমস্যাৰ সৃষ্টি হৈছে। লাখ লাখ লোকৰ বসতি স্থল হৈ পৰা গুৱাহাটীৰ পাহাৰসমূহত এতিয়া উচ্ছেদ কাৰ্যও অসম্ভৱ হৈ পৰিছে।

ইতিমধ্যে কেইবাবাৰো উচ্ছেদ অভিযান চলোৱা হৈছিল যদিও ব্যাপক গণ বিক্ষোভ তথা প্ৰতিবাদত থমকি ৰৈছিল অভিযান। এইক্ষেত্ৰত চৰকাৰে উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰিলে ভৱিষ্যতে পৰিস্থিতি আৰু অধিক ভয়াৱহ হ'ব। উল্লেখ্যযোগ্য যে, ১৯৮৯ চনৰ ভূমি নীতিত বৃহত্তৰ গুৱাহাটীৰ অন্তৰ্ভূক্ত এলেকাত থকা পাহাৰসমূহত ভূমিহীন লোকসকলক বাসস্থানৰ বাবে এই

পাহাৰীয়া অঞ্চলৰ চৰকাৰী ভূমিত পট্টন দিয়া বা নিদিয়া সম্পৰ্কে স্পষ্টকৈ উল্লেখ নথকাৰ ফলত পাহাৰীয়া জমিত বেদখলী কাৰ্য অবাধ গতিত মূৰ দাঙি উঠা পৰিলক্ষিত হৈছে।

গুৱাহাটী মহানগৰৰ অন্তৰ্গত চৰকাৰী ভূমিত পট্টন বিচাৰি উপায়ুক্তৰ কাৰ্যালয়ত দাখিল কৰা আবেদনৰ সংখ্যা প্ৰায় ২১০০০ (একৈশ হাজাৰ) হ'ব বুলি যোৱা ২০-০৩-২০১৯ ইং তাৰিখে ভূমি আৰু ৰাজহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিবৰ সভাকক্ষত জিলাখনৰ ৰাজহ বিষয়াসকলক লৈ হোৱা আলোচনা সভাত কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তজনে এই কথা সদৰি কৰিছে। কিন্তু গুৱাহাটী মাটি পট্টাকৰণ সংগ্ৰাম সমিতিৰ সভাপতিয়ে প্ৰকাশ কৰা মতে অকল তেওঁলোকৰ জৰিয়তে মাটিৰ পট্টন বিচাৰি কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত দাখিল কৰা আবেদনৰ সংখ্যা ২৭০০০ (সাতাইশ হাজাৰ) খন হ'ব। নিৰ্ভৰযোগ্য সূত্ৰে পোৱা তথ্য অনুসৰি কামৰূপ (মহানগৰ) জিলাৰ কাৰ্যালয়ত ২০০১ চনৰে পৰা পট্টন বিচাৰি কৰা ৪০,০০০ (চল্লিশ হেজাৰ) ৰো অধিক আৱেদন পত্ৰ অনাদৃত হৈয়ে পৰি আছে। অতিৰিক্ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আই. এ. এছ. দেৰে ২০১৯ চনৰ জুলাই মাহৰ ভিতৰত অন্তত ২০০০ (দুই হেজাৰ) জন আবেদনকাৰীক চৰকাৰৰ ভূমি নীতি অনুসৰি ভূমি পট্টা প্ৰদান কৰিবলৈ কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, কুমাৰ সঞ্জয় কৃষ্ণ, আই. এ. এছ. ডাঙৰীয়াই ১৯৯৩ চনৰ নৱেম্বৰ মাহৰ পৰা ১৯৯৬ চনৰ জুন মাহৰ ভিতৰত কামৰূপ জিলাৰ উপায়ুক্ত হৈ থাকোঁতে ৬৪৪১ জন ভূমিহীন লোকৰ মাজত চৰকাৰৰ ১৯৮৯ চনৰ ভূমি নীতি মতে চৰকাৰী মাটি পট্টন দিয়াৰ ব্যৱস্থা কৰিছিল। এই ভূমি পট্টাসমূহ স্থানীয় ভাৱে ৰাজহুৱা সভা পাতি সংশ্লিষ্ট ব্যক্তিসকলৰ মাজত মুখ্যমন্ত্ৰীৰ হতুৱাই বিতৰণ কৰা হৈছিল।

বেদখলী সমস্যাৰ ফলত বৰ্তমান গুৱাহাটী মহানগীৰ প্ৰতিজন নাগৰিকেই ইতিমধ্যে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নানা অসুবিধাৰ আৰু সমস্যাৰ সন্মুখীন হৈছে আৰু ভৱিষ্যতে ই গুৰুতৰ হোৱাৰ সম্ভাৱনা আছে। প্ৰথমতে, সঘনে ৰাস্তাত





হৈ থকা আকস্মিক দুৰ্ঘটনাৰ কথালৈ লক্ষ্য কৰি দেখা যে বাঢ়ি অহা যান-বাহনৰ তুলনাত গুৱাহাটী মহানগীৰ ৰাস্তাবোৰ তেনেই ঠেক হৈ পৰিছে। আনহাতে ৰাস্তাৰ দুয়োকাষে থকা সংৰক্ষিত জমিবোৰ বেদখলত থকা বাবে আৱশ্যক অনুযায়ী বহল কৰাত বাধাৰ সৃষ্টি হৈছে। দ্বিতীয়তে, দেশৰ আন আন ঠাইৰ তুলনাত গুৱাহাটী মহানগীৰ ভিতৰত থকা খালী ঠাইৰ পৰিমাণ তেনেই তাকৰীয়া। এনে পৰিস্থিতিত চৰকাৰী মাটিত আৰু এখন ষ্টেডিয়াম নিৰ্মাণৰ কথা চিন্তা কৰা দূৰৈৰ কথা, আনকি এখন আহল বহল খেল পথাৰৰ বাবে চৰকাৰী মাটি পোৱাটোৱে কঠিন হৈ পৰিছে। তৃতীয়তে, প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা মহানগৰখনৰ ভিতৰৰ তথা দাঁতি-কাষৰীয়া পাহাৰবোৰ কাটি বেদখল কৰিবলৈ লোৱাৰ ফলত বাৰিষাৰ বতৰত পাহাৰৰ মাটিবোৰ নামি আহি ৰাস্তাৰ কাষৰ নলাবোৰ বন্ধ কৰি পেলোৱাৰ ফলত এজাক বৰষুণ আহিলেই কদৰ্য পৰিৱেশৰ সৃষ্টি হয়। চতুৰ্থতে, বেদখলী ভূমিসমূহ সন্দেহজনক ব্যক্তি আৰু সমাজ বিৰোধী লোকৰ লীলাভূমি হৈ পৰিছে আৰু ইয়াৰ পৰাই মহানগৰীৰ বিভিন্ন ঠাইলৈ বিস্তৃত হোৱাত সুচল হৈ পৰিছে। এইবোৰৰ বাহিৰেও চৰকাৰী মাটিৰ দখল কিনা-বেচা কৰাটো এটা সাধাৰণ ঘটনা হৈ পৰিছে। এচাম লোকে ইয়াক ব্যৱসায় হিচাপে লোৱাৰ ফলত বেদখলী লোকৰ সংখ্যা বৃদ্ধি পাইছে।

সেয়েহে ঘটনাৰ ভয়াবহতালৈ লক্ষ্য কৰি পৰ্যায় অনুযায়ী কিছুমান ব্যৱস্থা হাতত লোৱাৰ সময় আহি পৰিছে। যেনে-

১। অসম ভূমি ৰাজহ আইনৰ ১৮ নং বন্দৱস্তি বিধি মতে ৰাস্তাৰ কাষত সংৰক্ষিত চৰকাৰী জমিৰ পৰা সকলো বেদখলকাৰীকে উচ্ছেদ কৰা আৰু নতুনকৈ যাতে বেদখল কৰিব নোৱাৰে তাৰ প্ৰতিবন্ধক হিচাবে ৰাস্তাবোৰ বহল কৰা।

২। চৰকাৰী আৰু ৰাজহুৱা অনুষ্ঠানৰ বাবে সংৰক্ষিত কৰি ৰখা জমিবোৰ বেদখল মুক্ত কৰি সংশ্লিষ্ট অনুষ্ঠানসমূহক দখল চমজাই দিয়া আৰু লগতে চৰকাৰী জমি পট্টন পাবৰ যোগ্য বেদখলকাৰী সকলৰ বাবে বিকল্প ব্যৱস্থা কৰা।

৩। আটাইবোৰ চৰকাৰী আৰু চিলিং চৰকাৰী জমিৰ পৰা চৰকাৰী জমি পট্টন পাবৰ অযোগ্য ব্যক্তিসকলক উচ্ছেদ কৰা আৰু বাকীবোৰৰ ক্ষেত্ৰত চৰকাৰৰ শেহতীয়া ভূমি পট্টন নীতি অনুসৰি সংস্থাপনৰ ব্যৱস্থা কৰা।

৪। চৰকাৰী মাটি দখল, বেচা-কিনা বন্ধ কৰাৰ বাবে উপযুক্ত আইন প্ৰণয়ন কৰা।

৫। বহুত দিন ধৰি চৰকাৰী মাটিত বসবাস কৰি থকা ভূমিহীন অথবা অন্য ভাৱে চৰকাৰী জমি পট্টন পাবৰ যোগ্য লোকসকলৰ আওপুৰণি সমস্যাৰ সমাধান কৰা।

এই আটাইবোৰ ব্যৱস্থা হাতত লওঁতে সংশ্লিষ্ট ৰাজহ বিষয়া সকলে “অসম ভূমি হস্তান্তৰ নিষেধ আইন [The Assam Alination of Land (Regulation) Act, 1980] ৰ ৪ নং ধাৰাৰ প্ৰতি সজাগ দৃষ্টি ৰখা উচিত যাতে কোনো বিদেশী লোকৰ নামত ভুলতেও চৰকাৰী জমি পট্টন দিয়া নহয়।

পট্টন পোৱা ভূমিৰ নথি অদ্যাৱধিকৰণ সম্পৰ্কত ১৮৮৬ চনৰ ভূমি ৰাজহ আইনত উল্লেখ কৰা আছে যে পট্টাখনৰ ম্যাদ উকলি যোৱাৰ পিছত স্থানীয়ভাৱে সম্পাদন কৰা জৰীপৰ জৰিয়তে ভূমি নথিবোৰ অদ্যাৱধিকৰণ কৰিব লাগে। এই প্ৰক্ৰিয়াক পুনঃবন্দৱস্তিকৰণ হিচাপে জনা যায়। পুনঃবন্দৱস্তিৰ প্ৰক্ৰিয়া সম্পাদন হোৱাৰ পিছত গ্ৰাম্যাঞ্চলত ৩০ বছৰৰ বাবে আৰু চহৰ অঞ্চলত ২০ বছৰৰ বাবে পট্টাদাৰসকলক নিজৰ নিজৰ অধিকাৰত থকা মাটি সম্পৰ্কে পট্টা প্ৰদান কৰা হয়। এই প্ৰক্ৰিয়াৰ সময়ত এজমালি পট্টাবোৰ ফালি প্ৰত্যেকজন পট্টাদাৰৰ নামত সুকীয়া সুকীয়াকৈ পট্টন দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে পুনঃবন্দৱস্তিৰ কাম কৰা হয়।

গুৱাহাটী মহানগৰীৰ ক্ষেত্ৰত শেহতীয়াভাৱে ০৬-০৭-১৯৮৮ তাৰিখে ঘোষণা কৰা আৰ. এছ. আৰ ৬৪৫/৮৬/পি.টি/৯ নং অধিসূচনা যোগে পুনঃবন্দৱস্তি প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু ০৫-০১-২০১০ ইং তাৰিখে এই প্ৰক্ৰিয়াৰ কাম সম্পূৰ্ণ হোৱা বুলি চৰকাৰে ঘোষণা কৰে। কিন্তু মনকৰিবলগীয়া কথা এই যে, এই সময়ছোৱাত গুৱাহাটী মহানগৰ এলেকাৰ ভূমি নথিবোৰ অদ্যাৱধিকৰণ নহ’ল। উদাহৰণ স্বৰূপে বেলতলা মৌজাৰ নুনমাটি ৰাজহ গাঁৱৰ প্ৰদান কৰা ২৪৮ নং খেৰাজ ম্যাদী পট্টাখন দিয়া হয় আৰু বাকীসকলক মূল পট্টাখনৰ প্ৰতিলিপিহে প্ৰদান কৰা যিহেতু এই পট্টাখন বটোৱাৰা কৰি এজমালি





পট্টাদাৰসকলৰ প্ৰত্যেকৰ নামত সুকীয়া সুকীয়াকৈ নিজৰ মাটিৰ অংশৰ পৰিমাণ অনুযায়ী বটোৱাৰা পট্টা দিয়া নহ’ল।

একেদৰে বৰসজাই ৰাজহ গাঁওত ২৪ জন এজমালি পট্টাদাৰৰ নামত ১৪৬৫ নং খেৰাজ ম্যাদী পট্টাখন প্ৰস্তুত কৰি ওপৰত উল্লেখ কৰা প্ৰক্ৰিয়াৰে এজমালি পট্টাদাৰসকলৰ মাজত বিতৰণ কৰা হয় আৰু ১ নং হেঙেৰাবাৰী ৰাজহ গাঁৱতো ২০ জন এজমালি পট্টাদাৰৰ নামত ৩০০ নং খেৰাজ ম্যাদী পট্টাখন এজমালি হিচাপে বিতৰণ কৰা হয়। এনেকুৱা কাৰ্যৰ ফলতেই পুনঃবন্দৱস্তি প্ৰক্ৰিয়া ০৫-০১-২০১০ ইং তাৰিখে সম্পাদন হোৱা বুলি ঘোষণা কৰাৰ পিছত দিশপুৰ ৰাজহ চক্ৰত ৩০-০৬-২০১৩ ইং তাৰিখলৈ সংশ্লিষ্ট পট্টাদাৰসকলে ২০৩৫২ খন নামজাৰিৰ আবেদন আৰু ৮৫৬৮ খন বাটোৱাৰাৰ আবেদন সংশ্লিষ্ট চক্ৰ বিষয়াৰ কাৰ্যালয়ত দাখিল কৰা পৰিলক্ষিত হয়।

ইয়াতকৈ আশ্চৰ্যজনক কথা এয়ে যে, গুৱাহাটী মহানগৰ এলেকাত ৭ খন ৰাজহ গাঁৱৰ এতিয়ালৈ ভূমি জৰীপ হোৱা নাই আৰু এই ৰাজহ গাঁওসমূহত লাট মণ্ডলে প্ৰস্তুত কৰা হাতৰ মেপৰ ভিত্তিতেই ভূমি ৰাজহ প্ৰশাসনৰ কাম কাজ চলি আছে। এই গাঁওসমূহ হ’ল-

১। ভৰলুমুখ এন. চি
২। কলিতাকুছি এন. চি
৩। বৰসজাই এন. চি
৪। সৰুসজাই এন. চি
৫। বেতকুছি এন. চি
৬। মালিগাঁও এন. চি
৭। জোৰশিমলু এন. চি

গুৱাহাটী মহানগৰীৰ যোৱা পুনঃবন্দৱস্তিৰ কালছোৱাত এই ৰাজহ গাঁওসমূহৰ ক্ষেত্ৰত জৰীপ আদি নহ’ল যাৰ ফলস্বৰূপে এই গাঁওসমূহৰ ক্ষেত্ৰত এতিয়ালৈকে ভেণ্ডাইক (প্ৰিন্টেড) মেপ কাৰ্যালয়ত নাই আৰু মণ্ডলে প্ৰস্তুত কৰা হাতৰ মেপৰ ওপৰত নিৰ্ভৰ কৰিয়েই গুৱাহাটীৰ মহানগৰীৰ অন্তৰ্গত এই ৰাজহ গাঁওসমূহৰ কাম-কাজ চলি আছে।

শুনিলে চকু কপালত উঠা আশ্চৰ্যজনক কথাটো হ'ল এই যে অসমৰ প্ৰায়বোৰ জিলাতে ১৯৬০-৬১ চনত প্ৰস্তুত কৰা ভূমি নথিৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমৰ ভূমি ৰাজহ প্ৰশাসন চলি আছে। প্ৰায়বোৰ চক্ৰ কাৰ্যালয়তে ১৯৬০-৬১ চনত প্ৰস্তুত কৰা মেপসমূহ উৰলি গৈছে। উল্লেখযোগ্য যে, দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱৰ ভূমি ৰাজহ প্ৰশাসন ভেঞ্চুইক মেপ নোহোৱাকৈ চলি আছে। সেইবাবে অসমৰ আটাইবোৰ জিলাতে ভূমি নথি অদ্যাৱধিকৰণৰ বাবে চৰকাৰে অনতিপলমে পুনঃবন্দৰস্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰা উচিত হ'ব বুলি ৰাইজৰ মাজত দাবী উত্থাপন হৈছে। বৰ্তমান অসম চৰকাৰৰ ৰাজহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আই. এ. এছ. ডাঙৰীয়াৰ উদ্যোগত ৰাজ্যখনৰ ভূমি ৰাজহৰ ক্ষেত্ৰত থকা জলন্ত সমস্যাসমূহ সমাধান হ'ব বুলি চিন্তাশীল মহলে আশা প্ৰকাশ কৰিছে।

—+—



# গুৱাহাটী চহৰস্থিত মন্দিৰৰ স্থানসমূহৰ চমু আভাস

**মিনু দেৱী**

ভাৰতবৰ্ষৰ পূৰ্বদিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰ ৰম্যভূমি অসম। বিভিন্ন নদ-নদী, পাহাৰ-পৰ্বতে আগুৰা বিভিন্ন জাতি-উপজাতিৰ মিলনভূমি। ইয়াতেই প্ৰকৃতিৰ কোলাত আছে বিভিন্ন মঠ, মন্দিৰ, তীৰ্থস্থান, বিভিন্ন আশ্ৰম, পীঠ, উপপীঠ বহুতো দেৱ-দেৱালয় আদিসমূহ। ভাদ মাহত হৰি নামৰ ধ্বনিয়ে মুখৰিত কৰে নামঘৰসমূহ। ৪৭

ধৰ্ম হৈছে শুদ্ধ, পৱিত্ৰতা আৰু মনত শান্তিৰ সোপান। মঠ-মন্দিৰ নামঘৰ সমূহলৈ গৈ স্তুতি প্ৰাৰ্থনা কৰা হয়। ধৰ্ম কোনো হাতেৰে ধৰা বা চকুৰে দেখা নাযায়। ভক্তিৰ মাজেৰেহে ধৰ্মৰ অনুভৱ হয়। এই বিশ্বাসেই মানৱক আঁতৰাই ৰাখে অন্যায়, অধৰ্মৰ পৰা।

গীতাত শ্ৰীকৃষ্ণই কৈছে এই ধৰাত যেতিয়াই ধৰ্মৰ গ্লানি হয়, অধৰ্মই ছানি ধৰে তেতিয়াই সমাজত কল্যাণৰ বাবে ভগবানৰ অৱতাৰ হয়। এই ক্ষেত্ৰত এই সৃষ্টি আৰু সত্যৰ বাবেই এই মঠ, মন্দিৰসমূহ স্থাপন কৰা হৈছিল। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰসমূহেও মন্দিৰৰ উৎপত্তি আৰু প্ৰাচীনতা সম্পৰ্কে বিশদ বিৱৰণ দি গৈছে। আহোম ৰাজত্ব কালত বহুতো মঠ মন্দিৰ নিৰ্মাণ কৰা হৈছিল।

ইয়াৰ উপৰি শংকৰদেৱে, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি মহাপুৰুষসকলে স্থাপন কৰা সত্ৰ, নামঘৰসমূহ আজিও আকৰ্ষণৰ কেন্দ্ৰ বিন্দু।

ঐতিহ্যমণ্ডিত গুৱাহাটী মহানগৰীত অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ল ইতিহাস প্ৰসিদ্ধ কামাখ্যা। কামৰূপ এখন সমৃদ্ধিশালী দেশ। এই মায়া নগৰী সৰু বৰ সেউজীয়া পৰ্বত মালা, নদী, উপনদী, মহাবাহু ব্ৰহ্মপুত্ৰৰ কোলাত গুৱাহাটী মহানগৰী।

প্ৰাগ ঐতিহাসিক যুগৰ পৰা ইয়াক শাক্তদেশ বুলি কোৱা হয়। মাতৃ পূজাৰ মাজেৰে পৰমা শক্তিক উপলব্ধি কৰা হয়। ইয়াৰ অন্তৰ্গত মঠ-মন্দিৰ, মছজিদ, দৌল, দেৱালয়, সত্ৰ, নামঘৰ আদিৰ বিষয়ে সকলোৰে জ্ঞাত। প্ৰকৃতিৰ লগত আধ্যাত্মিকতাৰ এক এৰাব নোৱৰা সমন্ধ আছে।

এই আলোচনাটিত গুৱাহাটী চহৰৰ পীঠস্থানসমূহৰ চমু আলোচনা দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

ধৰ্ম এব হতো হন্তি ধৰ্মো ৰক্ষতি-ৰক্ষিতঃ
তস্মাদ্ধৰ্মোন হন্তব্যো মা-নো ধৰ্মো হতোৎ ব্ৰবীৎ।।
৮/১৫ "যদু সংহিতা"

**কামাখ্যা মন্দিৰ**

পুণ্যতীৰ্থ কামাখ্যা গুৱাহাটী চহৰৰ পশ্চিমে নীলাচল পাহাৰৰ ওপৰত অৱস্থিত। বৰ্তমানৰ কামাখ্যা মন্দিৰটো কোচৰজা নৰনাৰায়ণে ১৫৬৫ খৃষ্টাব্দত পুনৰ নিৰ্মাণ কৰে। মন্দিৰত থকা এখন শিলালিপিৰ পৰা অনুমান কৰিব পাৰি সেইখন নৰনাৰায়ণৰ শিলালিপি, কামাখ্যা এটি ভাৰতৰ প্ৰসিদ্ধ মন্দিৰ। এই মন্দিৰ শক্তিৰ দেৱী সতীৰ মন্দিৰ। এই মন্দিৰ নীলাচল পাহাৰৰ ওপৰত অৱস্থিত। ইয়াৰ তান্ত্ৰিক মহত্ব আছে। মন্দিৰৰ গৰ্ভ গৃহত কোনো দেৱ-দেৱীৰ মূৰ্তি নাই। তান্ত্ৰিক সিদ্ধিলাভৰ বাবে ই উপযুক্ত ঠাই। গৰ্ভ গৃহত মাথো যোনি ৰূপৰ আকাৰৰ শিল পোৱা যায়। মা ভগৱতীৰ যোনি ৰূপৰ ই এক বিখ্যাত মন্দিৰ। তান্ত্ৰিকসকলৰ ই এক পূজ্যস্থান। দেৱী মহামুদ্ৰাক কোৱা হয় যোনিৰূপ।

কথা আছে যে সতীৰ যোনিদেশ নীলাচল পাহৰৰ সেই ঠাইত পৰিছিল





য'ত কামাখ্যা মন্দিৰ স্থাপন হৈছিল। এই মন্দিৰৰ সমীপত দহ মহা বিদ্যা। কালী, তাৰা, বগলা, ভৈৰবী, ছিন্নমস্তা, কামেশ্বৰী, সিদ্ধেশ্বৰী, কৌটিলিংগ, কমলা আদি দেৱীৰ মন্দিৰ আছে আৰু ইয়াত বলি বিধান প্ৰথা প্ৰচলিত আছে। পুহ মাহত ইয়াত কামেশ্বৰ আৰু কামেশ্বৰী দেৱীৰ বিবাহ সম্পন্নত প্ৰতীকী অৰ্থত পূজা কৰা হয়। মন্দিৰৰ আটাইতকৈ মহত্বপূৰ্ণ দিশ হ'ল মাটিৰ তলত প্ৰায় ২০ফুট এটা গুহা স্থিত আছে। মন্দিৰলৈ উঠি যাব পৰাকৈ সুন্দৰ প্ৰাচীন খটখটী আছে। প্ৰতি বছৰে উদ্‌যাপন কৰা অম্বুবাচী মেলাত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰৰ পৰা ভক্তসকল মাৰ ওচৰলৈ দৌৰি আহে।

পুৰাণৰ আখ্যানৰ পৰা জনা যায় স্বৰ্গৰাজ্যত দক্ষ ৰজাই জোঁৱায়েক শিৱৰ পৰা অপমান বোধ কৰিছিল। তেওঁৰ মনতো প্ৰতিশোধ হিচাপে এক মহাযজ্ঞৰ আয়োজন কৰি "কপালী ভাৰ্য্যা" বুলি নিজৰ কন্যা সতী পাৰ্বতীক নিমন্ত্ৰণ কৰা নাছিল এই কথা সতীয়ে শুনি পিতৃৰ যজ্ঞলৈ যাবলৈ শিৱৰ পৰা অনুমতি বিচাৰিলে। কিন্তু সতীক অনিমন্ত্ৰিত হিচাপে যাবলৈ বাধা দিয়াত সতী ক্ৰোধান্বিত হৈ পৰে। তৎমুহূৰ্ততে শিৱৰ প্ৰতি ভয়ানক ক্ৰোধান্বিত হৈ পৰে আৰু কালীৰূপলৈ পৰিণত হয়। দেৱীৰ এই অভূতপূৰ্ব মূৰ্তি দেখি শিৱই ভীতিগ্ৰস্ত হৈ পলাবলৈ লওঁতে সতীয়ে দশোদিশ দহটা ৰূপ ধাৰণ কৰে।

কালী তাৰা মহাবিদ্যা ষোড়শী ভুবনেশ্বৰী
ভৈৰবী ছিন্নমস্তা চ বিদ্যা ধুম্ৰাৱতী তথা
বগলা সিদ্ধবিদ্যা চ মাতংগী কমলাত্মিকা
ত্ৰতা দশ মহাবিদ্যাঃ সিদ্ধবিদ্যা প্ৰকীৰ্ত্তিতা
(চামুণ্ডা তন্ত্ৰ)

**ছত্ৰাকাৰ দেৱালয়ৰ মঙ্গলচণ্ডী ধাম**

গুৱাহাটী চহৰৰ উত্তৰ পূব কোণত ব্ৰহ্মপুত্ৰৰ পাৰত পুৰণি জাহাজঘাট। বৃটিছৰ যুগৰ পৰা ষ্টীমাৰ কোম্পানীয়ে এই ঘাটৰ পৰাই বৃহৎ আকাৰ ষ্টিমাৰসমূহ চলাইছিল। সেয়েহে এই ঘাটক পুৰণি জাহাজ ঘাট বুলি জনাজাত। এই ঘাটৰ দক্ষিণে ছত্ৰাচল পাহাৰ, পূবে চিত্ৰাচল, ব্ৰহ্মপুত্ৰ মাজত আৰু পশ্চিমে ক্ৰমে

ভস্মাচল আৰু নীলাচল আৰু সুদূৰ দক্ষিণে বশিষ্ঠাচল- এই চাৰি আচলতে পৰিৱেষ্টিত গুৱাহাটী চহৰ।

এই ছত্ৰাচলতেই অসমৰ ঐতিহ্যপূৰ্ণ ছত্ৰাকাৰ দেৱালয় আৰু এই দেৱালয়তেই অৱস্থিত মহিমাময়ী মা মঙ্গলচণ্ডীৰ মন্দিৰ আৰু লগতে আছে দেৱাদিদেৱ মহাদেৱ আৰু ৰাধাকৃষ্ণ মন্দিৰ।

মঙ্গলচণ্ডী মন্দিৰ আহোমৰ শেষ সম্ৰাট কমলেশ্বৰ সিংহৰ দিনত নিৰ্মাণ কৰা হয় যদিও শিৱ আৰু ৰাধাকৃষ্ণ মন্দিৰ ৰাজেশ্বৰ সিংহৰ দিনৰ পৰাই এই ছত্ৰাচল পাহাৰত আছিল বুলি জনা যায়। শিৱ মন্দিৰত শিৱলিঙ্গ আৰু ৰাধা-কৃষ্ণ মন্দিৰত এচটা শিলত কটা ৰাধা-কৃষ্ণৰ মূৰ্তি। এয়া যেন মথুৰাৰ কৃষ্ণ লীলাৰ চিত্ৰহে অংকিত কৰা আছে।

এই মন্দিৰৰ মূৰ্তিটো অষ্টধাতুৰে নিৰ্মিত প্ৰায় দেৰ ফুট দ্বিভূজা (বৰদা ভয়হস্তা) এই মূৰ্তিৰ লগত আন এটা চলন্ত আকাৰৰ মূৰ্তি আছে। মঙ্গলচণ্ডী যজ্ঞৰ দিনা এই মূৰ্তিজনা পৱিত্ৰ যজ্ঞস্থলীলৈ অনা হয়। এই মন্দিৰ সম্পৰ্কে এক ঐতিহাসিক কাহিনী আছে। স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত মোৱামৰীয়া বিদ্ৰোহ হয়। এই বিদ্ৰোহত মূল উৎস হৰদত্ত-বীৰদত্তৰ অধীনত থকা ৰঙিয়া। স্বৰ্গদেৱে গুৱাহাটীৰ জাহাজ ঘাটৰ কাষৰে ৰাজবাৰীত থকা গেন্ধেলা বৰফুকনক এই বিদ্ৰোহ দমন কৰিবলৈ পঠায়। বিদ্ৰোহ দমন হয়। হৰদত্ত-বীৰদত্ত পলাই যায়। গেন্ধেলা বৰফুকনে প্ৰতাপ বল্লভ ফুকন খিতাপ লাভ কৰে। হৰদত্ত-বীৰদত্ত পলাই যাওঁতে গোঁসাইঘৰত থকা মঙ্গলচণ্ডী মূৰ্তিটো হাউলীৰ পুখুৰীত পেলাই থৈ যায়। ৰাজবাৰীৰ ফুকননীয়ে এদিন ৰাতি সপোনত সেই মূৰ্তিৰ সম্ভেদ পাই পুখুৰী খন্দাই মূৰ্তি উদ্ধাৰ কৰে আৰু ছত্ৰকাৰ দেৱালয়ত আগৰ পৰা থকা শিৱ আৰু ৰাধা-কৃষ্ণৰ মন্দিৰৰ সোঁহাতে মন্দিৰ নিৰ্মাণ আৰু প্ৰতিষ্ঠা কৰে। সাধাৰণতে শিৱৰ বাওঁফালে দুৰ্গা থাকে কিন্তু ছত্ৰকাৰত ইয়াৰ ব্যতিক্ৰম। শিৱ আৰু দুৰ্গাৰ মাজত ৰাধাকৃষ্ণ মন্দিৰ। ইয়াৰ পৰা প্ৰমাণ কৰিব পাৰি মঙ্গলচণ্ডী মন্দিৰ নিৰ্মাণ কৰাৰ বহুত আগৰ পৰা শিৱ আৰু ৰাধা-কৃষ্ণৰ মন্দিৰ আছিল।

ললিত কান্তাখ্য যা সা শ্ৰীমঙ্গলচণ্ডী কা (৩৮ অ) ব্ৰহ্মবৈবৰ্ত পুৰাণৰ





প্ৰকৃতি খণ্ডত নাৰায়ণ-নাৰদ সংবাদত মহাদেৱে কৰা মঙ্গলাচণ্ডিকাৰ স্তুতি-

ৰক্ষ ৰক্ষ জগন্মাত দৈবি মঙ্গল চণ্ডিকে।
হাৰিকে বিপদাং ৰালিং হৰ্ষ মঙ্গল দায়িকে
হৰ্ষ মঙ্গল দক্ষে চণ্ডভে মঙ্গল চণ্ডিকে
মঙ্গলে মঙ্গলাৰ্থে চ সৰ্ব মঙ্গল মঙ্গল্যে
পূজ্যে মঙ্গলবাৰে চ মঙ্গলাভীষ্ট দেৱতো।

**বশিষ্ঠাশ্ৰম**

গুৱাহাটী চহৰৰ পৰা প্ৰায় সাত মাইল দক্ষিণে সন্ধ্যাচল পৰ্বতত তিনিটা সুঁতিৰ সঙ্গম দেখা যায়। কালিকা পুৰাণৰ একোনাশীতি অধ্যায়ত পোৱা যায় যে ব্ৰহ্মাৰ মানস পুত্ৰ বশিষ্ঠ মুনি নিমি ৰজাৰ শাপত দেহহীন হয়। আনহাতে নিমিও বশিষ্ঠৰ শাপত দেহহীন হৈ পৰে। বশিষ্ঠ মুনিয়ে তেতিয়া নিৰুপায় হৈ ব্ৰহ্মাৰ শৰণাপন্ন হয় আৰু ব্ৰহ্মাৰ উপদেশমতে এই সন্ধ্যাচলতে ভগৱান বিষ্ণুক তপস্যা কৰিবলৈ ধৰে। ভগৱান বিষ্ণু সন্তুষ্ট হৈ বৰ দিয়ে। মহৰ্ষিয়ে তপোবন সন্ধ্যা, ললিতা আৰু কান্তা এই ত্ৰিধাৰাৰে প্ৰৱাহিত কৰি গংগাক নমাই আনে এই ত্ৰিধাৰাৰে সংগম স্থল বশিষ্ঠ-গঙ্গা নামে জনা যায়। কথিত আছে যে এই সঙ্গম স্থলত গা ধুই আৰু ইয়াৰ পানী খাই বশিষ্ঠ মুনিয়ে নিজৰ শৰীৰৰ পূৰ্বৰূপ লাভ কৰে। বশিষ্ঠ মুনিয়ে এই সঙ্গমস্থলত নিতৌ ত্ৰি-সন্ধ্যা কৰিছিল। গতিকে এই পুণ্য ঠাইত স্থান কৰিলে পাপৰ পৰা মুক্ত হয় বুলি হিন্দুসকলৰ বিশ্বাস।

সেই ঠাইত এটি বশিষ্ঠদেৱৰ মন্দিৰ আছে। এই মন্দিৰ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত (১৭৫২-১৭৬৯) নিৰ্মিত। মন্দিৰৰ ভিতৰত বশিষ্ঠ মুনিৰ পদ চিহ্ন দেখা পোৱা যায়। মন্দিৰৰ গাত এখন শিলালিপি আছে। এই শিলালিপি ৰাজেশ্বৰ সিংহৰ দিনৰ।

**উগ্ৰতাৰা দেৱালয়**

গুৱাহাটী মহানগৰৰ উজানবজাৰ যোৰপুখুৰীৰ পাৰত অৱস্থিত ঐতিহ্যমণ্ডিত উগ্ৰতাৰা দেৱালয় ৰজা শিৱসিংহৰ ৰাজত্ব কালত উগ্ৰতাৰা মন্দিৰ নিৰ্মাণ কৰা হৈছিল। এই ঠাইত দেৱীৰ নাভিমণ্ডল পৰিছিল বুলি জনশ্ৰুতি আছে।

মূল মন্দিৰৰ প্ৰৱেশদ্বাৰৰ তোৰণৰ কাষতে আটক ধুনীয়াকৈ নিৰ্মিত মন্দিৰৰ ভিতৰত এটা স্বনিৰ্মিত জলকুণ্ড আছে। মূল মন্দিৰৰ কাষত অতি সুন্দৰভাৱে নিৰ্মিত কৰা শিৱ মন্দিৰ। এই মন্দিৰত নিতৌ অনেক ভক্তৰ সমাগম হয়। মন্দিৰত নিত্য তাৰা দেৱীৰ পূজা অৰ্চনা কৰা হয়। মন্দিৰত বলি-বিধান আছে। দুৰ্গা পূজাৰ নৱমীৰ দিনাখন ইয়াত ম'হ বলি দিয়াৰ প্ৰথা আছে। বহু লোকৰ সমাগমেৰে দুৰ্গাপূজা, কালীপূজা, শিৱৰাত্ৰি আৰু মনসা পূজাৰ উপৰি এই মন্দিৰত উপনয়ন, চূড়াকৰণ, অন্নপ্ৰাশন আদিও কৰা হয়।

**শুক্ৰেশ্বৰ মন্দিৰ**

গুৱাহাটী নগৰত পাণবজাৰৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰত এটি টিলাৰ ওপৰত অৱস্থিত। এই ঠাইত আহোম ৰজাৰ প্ৰমত্ত সিংহৰ দিনত সজোৱা এটি মন্দিৰ আছে। মন্দিৰৰ ভিতৰত এটি প্ৰকাণ্ড শিৱলিঙ্গ আছে। শুক্ৰাচাৰ্য্যই এই শিৱ লিঙ্গ থাপনা কৰিছিল বুলি হেনো এই শিৱৰ নাম শুক্ৰেশ্বৰ। এই দেৱালয়ত মন্দিৰৰ গাত ৰাজেশ্বৰ সিংহৰ শিলালিপি আছে। শুক্ৰেশ্বৰ মন্দিৰ সম্পৰ্কত যোগিনীতন্ত্ৰত আছে।

কলিদ্বাপৰয়ো সন্ধৌ ধনুবৰ্দ্ধ প্ৰমানতঃ
শুক্ৰেন স্থাপিত লিঙ্গ শুক্ৰেশং নামতঃ শ্ৰুতঃ
দেৱং শুক্ৰেশ্বৰং দ্ৰষ্ট্ৰা মুচ্যতে ভৱ বন্ধনাৎ

মন্দিৰৰ ভিতৰত প্ৰায় ৬ ফুট উচ্চতা আৰু ৩.৫ মিটাৰ ব্যাসাৰ্ধত প্ৰকাণ্ড শিৱলিঙ্গ আছে। বৰ্তমান মন্দিৰত দৈনিক পূজাপাঠ কৰা হয়। মন্দিৰৰ ভোগ নিৰামিষ। প্ৰতি বছৰে শুক্ৰেশ্বৰ মন্দিৰত পতা শিৱৰাত্ৰি মেলাই অগণন ভক্তক অতীজৰে পৰা আকৰ্ষিত কৰি আহিছে। মন্দিৰত দশ সংস্কাৰৰ ব্যৱস্থা আছে।

**জনাৰ্দন দেৱালয়**

গুৱাহাটী নগৰৰ সোমাজত পাণবজাৰত শুক্ৰেশ্বৰ পাহাৰত ব্ৰহ্মপুত্ৰ নৈৰ পাৰত বুৰঞ্জী প্ৰসিদ্ধ শ্ৰীজনাৰ্দন দেৱালয়। আহোম ৰজা প্ৰমত্ত সিংহৰ মূল মন্দিৰ বিগ্ৰহ জনাৰ্দন বিষ্ণুৰ। মন্দিৰৰ ভিতৰত প্ৰায় ৫ ফুট উচ্চতাৰ শিলেৰে খোদিত মূৰ্তি আছে। মন্দিৰত অগণন ভক্তৰ সমাৱেশ হয়। মন্দিৰত দশ সংস্কাৰৰ ব্যৱস্থা আছে।





**বাণেশ্বৰ দেৱালয়**

গুৱাহাটীৰ পাণবজাৰত জনাৰ্দন দেৱালয়। ১৮২০ চনত চন্দ্ৰকান্ত সিংহই এই মন্দিৰ নিৰ্মাণ কৰিছিল। মন্দিৰৰ ভিতৰত বাণেশ্বৰ শিৱলিঙ্গৰ কাষতে পিতলৰ গণেশ, কাৰ্তিক, পাৰ্বতী, নদী আৰু বৃষভৰ মূৰ্তি আছে। বাণেশ্বৰ দেৱালয়ত লাখেৰাজ জমি ২৫২ বিঘা, নিম্পিখেৰাজ ১.২৬৩ বিঘা।

**ভূৱনেশ্বৰী মন্দিৰ**

নীলাচল পাহাৰৰ উচ্চ শিখৰত দেৱী ভুৱনেশ্বৰী মন্দিৰ বিদ্যামান। কামাখ্য ৰূপিনী ভূৱনেশ্বৰী পীঠ তান্ত্ৰিক পীঠ দেৱী ভুৱনেশ্বৰী সম্পৰ্কত কালিকাপুৰাণত আছে।

মন্দিৰৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোমোহা। মন্দিৰৰৰ বাতাবৰণে দৰ্শনাৰ্থীসকলৰ দেহ মন পুলকিত কৰে। মন্দিৰত নিত্য পূজা-অৰ্চনা হয়। বলি বিধান আৰু দশ সংস্কাৰৰ ব্যৱস্থাও আছে।

**নৱগ্ৰহ দেৱালয়**

গুৱাহাটী মহানগৰীত ইতিহাস প্ৰসিদ্ধ চিত্ৰাচল পাহাৰৰ ওপৰত নৱগ্ৰহ মন্দিৰ। দেৱালয়ত ৯ টা গ্ৰহৰ শিলাস্তম্ভ আছে। দেৱালয়ৰ মূল মন্দিৰত সূৰ্যক কেন্দ্ৰ কৰি বুধ, শুক্ৰ, চন্দ্ৰ, বৃহস্পতি, ৰাহু, কেতু, মঙ্গল আৰু শনি গ্ৰহৰ মুঠ ৯ টা স্তম্ভ আছে। নৱগ্ৰহ মন্দিৰ নিৰ্মাণ কৰে ১৭৫২ চনত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৮৯৭ চনত বৰ ভুঁইকঁপত মন্দিৰটো ভাঙি যায় বৰ্তমানে ইয়াক নকৈ নিৰ্মান কৰাইছে। বৰ্তমান ই জ্যোতিষ চৰ্চাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। পুৰণি কালৰ পৰা যে আমাৰ দেশত জ্যোতিষ চৰ্চাৰ কেন্দ্ৰ আছিল এই মন্দিৰে তাকেই প্ৰমাণ কৰে। মন্দিৰত মাঘ আৰু ফাগুন মাহত সংক্ৰান্তিত তিনিদিনীয়াকৈ বাৰ্ষিক মহাযজ্ঞ অনুষ্ঠিত হয়।

**উমানন্দ**

গুৱাহাটী চহৰৰ কাছাৰি ঘাটৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ মাজত এটি শিলেৰে আবৃত দ্বীপত অৱস্থিত। এইদ্বীপটো কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰত ভস্মাচল, ভস্মকুট, আৰু ভস্মশৈল নামে বৰ্ণনা কৰা হৈছে। মহাদেৱে তেওঁৰ কপালত

থকা চকুৰ পৰা ওলোৱা বহ্নিৰে কামদেৱক এই ঠাইতে হেনো ভস্ম কৰিছিল সেইবাবে এই ঠাইৰ নাম ভস্মশৈল। এই দ্বীপটো দেখিবলৈ বৰ ধুনীয়া। মহাদেৱ এই ঠাইত চিৰবিদ্যমান আৰু এই ঠাইত উমাক আনন্দ দিবৰ বাবে এই ঠাইৰ নাম উমানন্দ অথবা উমানাথ। মন্দিৰৰ ভিতৰত শিৱলিঙ্গ আৰু ৰূপেৰে নিৰ্মিত বৃষভ বাহন দশভুজ বিশিষ্ট উমানন্দৰ চলন্ত প্ৰতিমূৰ্তি আছে। কথিত আছে যে এই মন্দিৰ দৰ্শন কৰিলৈহে নীলাচল পাহাৰলৈ যাব লাগে।

**উৰ্ব্বশী**

উমানন্দৰ দক্ষিণে ব্ৰহ্মপুত্ৰৰ মাজত এটি সৰু শিলাময় দ্বীপ আছে। ইয়াত দীঘলে পঞ্চাশ ধনু বহলে বত্ৰিশ ধনু পৰিমাণৰ উৰ্ব্বশী কুণ্ড আৰু শিলত কটা বিষ্ণুৰ দশাৱতাৰ আৰু সূৰ্য্য মূৰ্তি আছে। কামৰূপ বুৰঞ্জী মতে তাত জালেশ্বৰ শিৱও আছে।

**নন্দনপুৰৰ শিৱ মন্দিৰ**

অসম ৰাজ্যিক চিৰিয়াখানাৰ পূবদিশত ট্ৰাংকৰোডৰ সংলগ্নকৈ এটা শিৱ মন্দিৰ আছে। মন্দিৰৰ মূল বিগ্ৰহ শিৱলিঙ্গটোৰ উচ্চতা প্ৰায় তিনিফুট। মন্দিৰত দশ সংস্কাৰৰ ব্যৱস্থা আছে। প্ৰতি বছৰে শিৱৰাত্ৰি উৎসৱ পালন কৰা হয়।

**তিৰুপতি বালাজী মন্দিৰ**

গুৱাহাটীৰ বেতকুছিত প্ৰায় সাত বিঘা ভূখণ্ডৰে আগুৰা অত্যাধুনিক স্থাপত্য আৰু ভাস্কৰ্যৰে খোদিত কৰা পূৰ্ব তিৰুপতি বালাজী মন্দিৰ। মূল মন্দিৰত ভগৱান বালাজীৰ বিগ্ৰহটো এডোখৰ প্ৰকাণ্ড শিলত খোদিত কৰা আছে। প্ৰৱেশদ্বাৰৰ বাওঁফালে গণেশ আৰু লক্ষীনাৰায়ণৰ মূৰ্তি সহ আন দুটা মন্দিৰ একাদিক্ৰমে নিৰ্মাণ কৰা হৈছে। বিভিন্ন ফুল গছ লতিকাই মন্দিৰৰ সৌন্দৰ্যই এক সুন্দৰ বাতাবৰণ সৃষ্টি কৰিছে।

**গণেশগুৰিৰ গণেশ মন্দিৰ**

গুৱাহাটী মহানগৰৰ সোমাজত কাহিলিপাৰাত আধুনিক স্থাপত্য ভাস্কৰ্য খোদিত গণেশ মন্দিৰ বিদ্যমান। মন্দিৰৰ ভিতৰত এটি প্ৰকাণ্ড শিলাখণ্ডত গণেশ দেৱতাৰ মূৰ্তি খোদিত আছে। মন্দিৰৰ চাৰিওফালে বেৰত বিভিন্ন পৰিৱেশৰ





মূৰ্তিসমূহৰ পৌৰাণিক কাহিনীসমূহৰ জীৱন্ত ৰূপ দিয়াৰ প্ৰয়াস কৰা হৈছে। প্ৰতি সোমবাৰ আৰু গণেশ চতুৰ্দশীত ভক্তৰ লানি নিছিগা সোঁত বয়।

**লতাশিলৰ গণেশ মন্দিৰ**

কাছাৰি ঘাটৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰত এই মন্দিৰ অৱস্থিত। ইয়াত এটা শিলত খোদিত গণেশ মূৰ্তি আছে। পূৰ্বতে থকা এই শিলৰ মূৰ্তিজনা বৰ্তমানে মন্দিৰ সাজি তাতে ৰখা হৈছে। ইয়াত দৈনিক অগণন লোকৰ সমাৱেশ ঘটে।

**চন্দ্ৰশেখৰ মন্দিৰ**

উমানন্দ মন্দিৰৰ বাওঁফালে প্ৰাচীন আৰু ইটাৰে নিৰ্মিত প্ৰায় ভগ্নপ্ৰায় অৱস্থাত চন্দ্ৰশেখৰ মন্দিৰ আৰ্হিত বিদ্যামান। মন্দিৰত প্ৰৱেশদ্বাৰৰ সন্মুখত বৰ্তমানে অস্পষ্ট শিলালিপি আছে।

**বাঘ্ৰেশ্বৰী থান**

গুৱাহাটীৰ সৰুমটৰীয়াত অৱস্থিত অতি প্ৰাচীন থান। ইয়াত জনজাতীয় লোকসকলে জনজাতীয় ৰীতি-নীতিৰে পূজা পাতল কৰি আহিছে। থানখন আটক ধুনীয়া ৰূপত বিদ্যামান। বৰ্তমান থানৰ মূল বিগ্ৰহ দুৰ্গাদেৱীৰ পিতলৰ মূৰ্তি আছে। এই মন্দিৰত নিত্যপূজাৰ উপৰি প্ৰতি বছৰে শুক্লা নৱমী তিথিত বাঘ্ৰেশ্বৰী দেৱীৰ পূজা, শিৱৰাত্ৰি আৰু শাৰদীয় নৱৰাত্ৰি উৎসৱ ধুমধামকৈ পালন কৰা হয়। থানত দশ সংস্কাৰৰ ব্যৱস্থা আছে।

**শ্ৰীশ্ৰীতেত্ৰিশকৌটি দেৱ মন্দিৰ**

গুৱাহাটীৰ কাহিলিপাৰা অঞ্চলৰ পাৱাৰ হাউছৰ সমীপত প্ৰায় ৫ বিঘা ভূমিৰে আগুৰা সুবিশাল শিলাখণ্ডৰ ওপৰত অতি ধুনীয়াকৈ শ্ৰীশ্ৰীতেত্ৰিশকৌটি দেৱ মন্দিৰ ১৯৭৩ চনত এই মন্দিৰ স্থাপন কৰা হয়। সুবিশাল শিলাখণ্ডত বিভিন্ন দেৱ-দেৱীৰ মন্দিৰ। মূৰ্তিসমূহৰ ভিতৰত গণেশ মূৰ্তি, শিৱ লিঙ্গ, হনুমান, শিৱমূৰ্তি, ফেঁচা আদিয়ে প্ৰধান। ইয়াত মা-মনসাৰ স্থান, কৈলাশ ধাম, গণেশৰ স্থান হিচাপে বিখ্যাত সুন্দৰ প্ৰাকৃতিক পৰিৱেশত এই তেত্ৰিশকৌটি দেৱ মন্দিৰত দৈনিক অনেক ভক্তৰ সমাগম হয়। শিৱৰাত্ৰি, মনসা পূজা আদি ধৰ্মীয় পূজা পাৰ্বণ পালন কৰা হয়।

**বেলতলা বনগাঁও লক্ষ্মী মন্দিৰ**

গুৱাহাটীৰ বেলতলা অঞ্চলৰ ৰাজহুৱা মন্দিৰ হিচাপে এক সুন্দৰ মন্দিৰ। ১৯৫০ চনত স্থাপিত হোৱা মন্দিৰটো বৰ্তমান আহল বহল কৰি তোলা হৈছে। মন্দিৰৰ ভিতৰত ৫ ফুট উচ্চতাৰ লক্ষ্মী দেৱীৰ মূৰ্তি স্থাপন কৰা হৈছে। ১৯৬৭ চনৰ পৰা ইয়াৰ প্ৰাঙ্গণত বৰ ধুমধামেৰে দুৰ্গাপূজা কৰি আহিছে।

**ছয়মাইলৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ**

গুৱাহাটীৰ ছয়মাইলত ১৯৩৪ চনতে স্থাপন কৰা লক্ষ্মীদেৱীৰ এটি মন্দিৰ আছে। অতি সুন্দৰভাবে সজোৱা নামঘৰটো মণিকূটৰ লগত সংলগ্ন। প্ৰতি বছৰে মন্দিৰত লক্ষ্মীপূজা আৰু দুৰ্গা পূজা পালন কৰা হয়।

**পাণ্ডুনাথ দেৱালয়**

গুৱাহাটী মহানগৰৰ পাণ্ডুঘাটৰ সমীপত মহাবলী পাণ্ডুনাথ দেৱালয়। ইয়াত বিষ্ণুৰ উৰুশিলাৰূপে আছে। যোগিনীতন্ত্ৰত আছে-

"কিং জনৈঃ কিং তপোভিশ্চ কিং দানৈঃ কিং সুতৈৰপি।
ব্ৰহ্মকুণ্ডে নৰঃ স্নাতা সিদ্ধ বিন্দতি তৎক্ষণাৎ।।

অৰ্থাৎ এই ব্ৰহ্মকুণ্ডত স্নান কৰিলে জপ, তপ দান বা পুত্ৰ কামনাৰ সিদ্ধ হয়। বৰ্তমান এই কুণ্ড ব্ৰহ্মপুত্ৰৰ বুকুত লীন হৈ গৈছে। এই দেৱালয়ত এডোখৰ প্ৰকাণ্ড শিলত ৫ টা গণেশৰ মূৰ্তি আছে। বিদিত আছে যে পঞ্চপাণ্ডৱে কামাখ্যা দৰ্শন কৰিবলৈ আহোঁতে পাণ্ডুনাথ দৰ্শন কৰি ভগৱান গণেশ দেৱতাৰ পূজাৰ বাবে বিশ্বকৰ্মাৰ দ্বাৰা এই মন্দিৰ নিৰ্মাণ কৰিছিল। কোঁচ ৰজা ৰঘুদেৱৰ এখন শিলালিপি আছে। ১৭৮৫ খ্ৰীষ্টাব্দৰ আহোম ৰজা গৌৰী নাথ সিংহৰ তামৰ ফলি এখনত পাণ্ডুনাথ দেৱালয়ৰ কাৰণে ভূমি দান কৰাৰ কথা উল্লেখ আছে।

**লঙ্কেশ্বৰ থান**

বৰ্তমান পুৰণিকলীয়া থানসমূহৰ ভিতৰত লংকেশ্বৰ শিৱৰ থান অন্যতম। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পশ্চিমে ট্ৰাংকৰোডৰ বাওঁফালে লংকেশ্বৰ পাহাৰৰ একেবাৰে শিখৰত লংকেশ্বৰ শিৱ থান। জনশ্ৰুতি মতে পূৰ্বতে ভগৱান শিৱই এই ঠাইত বাস কৰি অঞ্চলটোক ৰক্ষা কৰি আছিল। বৰ্তমান মন্দিৰলৈ উঠি যাব





পৰাকৈ দুয়োফালে ৰেলিং দি সুন্দৰ খটখটি সজাই দিয়া হৈছে। মন্দিৰৰ ভিতৰত প্ৰায় ৫ ফুট উচ্চতাৰ গণেশ দেৱতাৰৰ মূৰ্তি স্থাপন কৰা হৈছে।

পুৰণি কালৰ পৰা অসমত বিভিন্ন মঠ মন্দিৰ নিৰ্মিত হৈছিল। ইয়াৰ কিছু ধ্বংসাৱশেষহে পোৱা গৈছে। গুৱাহাটীৰ বিভিন্ন অঞ্চলত থকা মন্দিৰসমূহৰহে ইয়াত চমু আভাস দিয়া হৈছে। বিশেষকৈ অসমত বহুতো মঠ-মন্দিৰ নিৰ্মাণ আৰু পুনঃ নিৰ্মাণ কৰা হৈছে। শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ সমূহৰ সৃষ্টি ৰাজি আৰু বিভিন্ন ঠাইত সজা সত্ৰ, নামঘৰসমূহো অন্যতম। আমাৰ বিশ্বাস ঈশ্বৰ সকলোতে বিৰাজমান। ভক্তই ভক্তি। এই ভক্তি আৰু বিশ্বাস আন্তৰিকতাৰে উপলব্ধি কৰিলেহে নিজৰ মাজতেই, সমাজৰ মাজতেই ভগৱানক বিচাৰি পায়। অজানিতে বহুতো ভুল হ'ব পাৰে তাৰ বাবে ভক্তিপ্ৰাণ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

—+—

**সহায় লোৱা প্ৰসংগ পুথি ঃ**

১। পুণ্যভূমি অসম - শ্ৰীনৱজ্যোতি দেৱ চৌধুৰী ঃ চন্দ্ৰ প্ৰকাশ
২। শিৱ - ড° নিৰ্মলপ্ৰভা বৰদলৈ ঃ সাহিত্য প্ৰকাশ
৩। মঙ্গলচণ্ডী - আলোচনী, সম্পাদনা - মিনু দেৱী
৪। অসমীয়া প্ৰতিদিন - শৰৎ সমগ্ৰ (শক্তিৰ অভিব্যক্তি দশ মহাবিদ্যা আৰু নীলাচলৰ মন্দিৰ), ড° গৃহলক্ষ্মী তালুকদাৰ দাস

—+—

# আমাৰ শৈশৱ আৰু কৈশোৰৰ গুৱাহাটী

**ধীৰেন্দ্ৰ নাথ কলিতা**

গুৱাহাটী এখন উত্তৰ-পূবৰ দুৱাৰমুখ হিচাপে গণ্য কৰা বুৰঞ্জী প্ৰসিদ্ধ নগৰ। প্ৰাগজ্যোতিষ ৰাজ্যৰ ৰাজধানী হিচাপে পৰিচিত প্ৰাগজ্যোতিষপুৰৰ পৰা গুৱাহাটীলৈ হৈছে এটা ৫০০০ বছৰৰ পৰিক্ৰমা। অতীত কালতো পূৰ্বৰ প্ৰান্তত থকা ৰাজ্য কেইখনৰ যোগসূত্ৰ স্থাপনত প্ৰাগজ্যোতিষপুৰে অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দেখা যায়। প্ৰাগজ্যোতিষপুৰৰ পৰা গুৱাহাটী কেতিয়াৰ পৰা হ'ল সেই বিষয়ে বিভিন্ন মত পোষণ কৰে যদিও ১৭ শতিকাৰ পৰা প্ৰচলন হোৱা বুলি অনুমান কৰা যায়। ইংৰাজসকলেও গুৱাহাটীক গৌহাটী (Gauhati) বুলি লিখিছিল। ১৯৮০ চনৰ পৰা গুৱাহাটীৰ ইংৰাজী বানান Guwahati হয় যদিও ১৯৪৮ চনত স্থাপন হোৱা গুৱাহাটী বিশ্ববিদ্যালয় Gauhati University আৰু গুৱাহাটী হাই কৰ্ট Gauhati High Court বুলিহে ব্যৱহাৰ হোৱা দেখা যায়।

গুৱাহাটী নামৰ উৎপত্তিৰ বিষয়ে মতৰ পাৰ্থক্য দেখা যায়। ইয়াত যথেষ্ট পৰিমাণৰ নাৰিকল আৰু তামোল বাৰী থকা বাবে গুৱাহাটী কোৱা হয়। আন কিছুমানৰ মতে এই ঠাইখন পাহাৰে আৱৰি থকা কাৰণে নামনি অঞ্চল গুহা যেন দেখি বাবে গুৱাহাটীৰ নাম উৎপত্তি হোৱা বুলি ধাৰণা কৰা হয়।





শিক্ষাৰ ক্ষেত্ৰত গুৱাহাটীৰ এটা বিশেষ স্থান আছিল। প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈ শিক্ষা ব্যৱস্থা উচ্চ মানৰ আছিল। সেই সময়ত ১৯০১ চনত স্থাপন হোৱা কটন কলেজৰ অধ্যক্ষ উপেন দত্ত আৰু হৰিশ গোস্বামী, ১৯৩৯ চনত স্থাপিত সন্দিকৈ ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰাজ বালা দাস, ১৯৪৩ চনত স্থাপন হোৱা ভোলা বৰুৱা কলেজৰ অধ্যক্ষ হেম বৰুৱা, ১৯৫৪ চনত স্থাপন হোৱা প্ৰাগজ্যোতিষ কলেজৰ অধ্যক্ষ পণ্ডিতপ্ৰবৰ তীৰ্থনাথ শৰ্মা, ১৮৮৪ চনত স্থাপন হোৱা কটন কলেজিয়েট হাইস্কুলৰ প্ৰধান শিক্ষক নৰেন শৰ্মা, ১৯৩০ চনত স্থাপিত কামৰূপ একাডেমীৰ প্ৰধান শিক্ষক গোলাপ চৌধুৰী, পাণবজাৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰজ্ঞা চৌধুৰী, তাৰিণী চৰণ চৌধুৰী ছোৱালী হাই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ইন্দিৰা দেৱী, কালিৰাম বৰুৱা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী নমিতা দেৱী, বেঙ্গলী ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক পুলিন বিহাৰী ঘোষ, ১৯৪৮ চনত স্থাপিত ছেইণ্ট মেৰীজ স্কুলৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰীসকল মহান শিক্ষাবিদ আৰু সুদক্ষ প্ৰশাসক আছিল। তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি থকা সজাগতা, সূক্ষ্ম নিৰীক্ষণ আৰু আদৰ্শৰে অনুপ্ৰাণিত হৈছিল। এওঁলোকৰ গুৱাহাটীৰ নাগৰিক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ ওপৰত যথেষ্ট প্ৰভাৱ আছিল। সেইবাবে যুৱপ্ৰজন্মৰ শিক্ষা আৰু সমাজৰ প্ৰতি দায়বদ্ধতা আছিল।

১৯৬২ চনলৈ অসমীয়া, বঙালী আৰু ইংৰাজী মাধ্যমৰ বাহিৰে কোনো মাধ্যমৰ বিদ্যালয় গুৱাহাটীত নাছিল। গুৱাহাটীৰ মাৰোৱাৰী, বিহাৰী, শিখ আদি লোকে অসমীয়া মাধ্যমত শিক্ষাগ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। গুৱাহাটী নিবাসী শ্ৰীকাপুৰ চান্দ জৈনে ১৯৫৯ চনত ইণ্টাৰমেডিয়েট পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ পাই গৌৰৱ কঢ়িয়াই আনিছিল। ১৯৫২ চনত হিন্দী মাধ্যমৰ বিদ্যালয় এল. ও. জি. স্কুল ১৯৫৪ চনত দিগম্বৰ জৈন স্কুল আৰু মাৰোৱাৰী বালিকা বিদ্যালয় স্থাপন হৈছিল। তথাপি সেই সময়ত বহু হিন্দীভাষী ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰিছিল।

১৯৫৫ চনলৈ অসমত কোনো কাৰিকৰী শিক্ষাৰ বাবে অভিযান্ত্ৰিক

মহাবিদ্যালয় নাছিল। ১৯৫৫ চনৰ চেপ্তেম্বৰ মাহত অসমত প্ৰথমখন চান্দমাৰীৰ অসম ইঞ্জিনিয়াৰিং ইন্সষ্টিটিউট আৰম্ভ কৰি ১৯৫৭ চনত জালুকবাৰীৰ বৰ্তমান স্থানলৈ নিয়ে। ইয়াৰ প্ৰথমজন অধ্যক্ষ আছিল হৰিপ্ৰসাদ বৰুৱাদেৱ। সেই সময়ত স্নাতক আৰু স্নাতকোত্তৰ বাণিজ্য শিক্ষা গুৱাহাটী বিশ্ববিদ্যালয়তহে দিয়া হৈছিল। গুৱাহাটী তথা অসমত ১৯৬২ চনত বাণিজ্য শিক্ষাৰ বাবে প্ৰথমখন গুৱাহাটী বাণিজ্য মহাবিদ্যালয় স্থাপন হৈছিল।

আগতে পশ্চিমে ভৰলুমুখ, দক্ষিণে ভৰলু নদী আৰু চলাবিল, উত্তৰে ব্ৰহ্মপুত্ৰ নদ সামৰি উজানবজাৰ, চেনীকুঠি, হেদাৎয়পুৰ, আমবাৰী (কুকুৰমুতা), পল্টনবজাৰ, ফাঁচীবজাৰ আৰু ভৰলুমুখেই আছিল গুৱাহাটী। কিন্তু, কুৰি শতিকাৰ আগভাগত প্ৰথমবাৰৰ বাবে গুৱাহাটী সম্প্ৰসাৰণ কৰি খাৰঘূলি, শিলপুখুৰী, চান্দমাৰী, ৰাজগড়, বৰপুল, ভঙাগড়, শৰণীয়া, উলুবাৰী, ৰিহাবাৰী, শান্তিপুৰ, ভূতনাথ গুৱাহাটীৰ অন্তৰ্গত হয়। ফলত ইয়াৰ জনসংখ্যা প্ৰায় ১৫০০০ আৰু ৫ বৰ্গ কিলোমিটাৰ আয়তন আছিল।

সেই সময়ত গুৱাহাটীত যান্ত্ৰিক বাহন খুব কম আছিল। অভিজাত পৰিয়ালে এটা বা দুটা ঘোঁৰাৰে চলোৱা টম্ টম্ গাড়ীৰে যাতায়াত কৰিছিল। কেতিয়াবা কিছুমান ডেকা ল'ৰাই টম্ টম্ গাড়ীৰ পিছফালে উঠি চালকৰ লাঠিৰ কোব খাই আনন্দ লভিছিল। ভৰলুমুখৰ প্ৰখ্যাত অধিবক্তা গোলকেশ্বৰ গোস্বামী কাছাৰী বা আন ঠাইলৈ টম্ টম্ গাড়ীৰে গৈছিল। অগ্ৰজ সকলৰ পৰা জানিব পৰা গৈছিল যে বেৰিষ্টাৰ পঢ়ি বিলাতৰ পৰা আহোঁতে দেশভক্ত তৰুণৰাম ফুকনে এখন চাইকেল আনিছিল আৰু সেইখন চাবলৈ মানুহৰ হেতা-ওপৰা লাগিছিল। তেখেতেই হেনো প্ৰথমে গাড়ীয়ো কিনিছিল। ফুকনৰ নদীৰ পাৰত বৃহৎ চৌহদত বহুত মহৎ ঘটনা জড়িত হৈ আছে। তেখেতৰ চৌহদৰ আগফালে বিদেশী কাপোৰ বৰ্জন কৰি জ্বলাই দিছিল। তাৰ স্মৃতি চিহ্ন বহু দিনলৈ দেখা পোৱা গৈছিল।

আগতে যাতায়াতৰ বাবে কোনো চৰকাৰী বা বেচৰকাৰী ব্যৱস্থা নাছিল। ১৯৪৮ চনৰ পৰাহে গুৱাহাটীত সীমিত অঞ্চলত চিটিবাছ চলিছিল। প্ৰথমে





ভৰলুমুখৰ পৰা মাছখোৱা ফাঁচীবজাৰ, পাণবজাৰ, উজানবজাৰৰ মাজতে চিটিবাছ গৈ শিলপুখুৰীত শেষ হৈছিল। পিছত ইয়াক পাণ্ডু ঘাটলৈ সম্প্ৰসাৰিত কৰা হয়। জানিব পৰা মতে উজানবজাৰৰ গোস্বামী পৰিয়াল, ৰাধা চৌধুৰী, কৃষ্ণ চৌধুৰী, ৰাজেন চৌধুৰী আৰু ৰিহাবাৰীৰ আশুতোষ চেটাৰ্জীয়ে প্ৰথমে উদ্যোগ লৈছিল।

শক্তিপীঠ কামাখ্যা ধামলৈ যাত্ৰীয়ে খোজ কাঢ়ি যাব লাগিছিল। ইয়াৰ এটা অংশ মেখেলা উজোৱা বুলি জনাজাত। ৰাস্তাৰ দুয়ো কাষে থকা চম্পাফুলে যাত্ৰীক যেন আদৰিছে তেনে লাগে। কামাখ্যাধামৰ মানুহ আৰু ছাত্ৰ-ছাত্ৰীসকলে এই বাটেৰে নামনিত আহি চাকৰি আৰু স্কুল কলেজত পঢ়িছিল। গাড়ীগাঁও, মালিগাঁও, সদিলাপুৰ, জালুকবাৰী আদিৰ চাকৰিয়াল, ছাত্ৰ-ছাত্ৰী চাটল ট্ৰেইনত অহা-যোৱা কৰি গুৱাহাটীত চাকৰি আৰু পঢ়া-শুনা কৰিছিল। এইখন ট্ৰেইন উজানবজাৰৰ মাজেৰে উজানবজাৰ ঘাটলৈ চলিছিল। এই ৰেলপথৰ কিছু অংশ এতিয়াও বিদ্যমান।

গুৱাহাটীৰ বাসিন্দা অধিক সংখ্যক অসমীয়া আছিল যদিও বঙালী, মাৰোৱাৰী, বিহাৰী আৰু শিখৰ বাসভূমি আছিল। বাণিজ্যিক কেন্দ্ৰ হিচাপে ফাঁচীবজাৰত সৰহ মাৰোৱাৰী আছিল যদিও সমাজ জীৱনত সকলো সম্প্ৰদায়ৰ মাজত সুসম্পৰ্ক, মিলাপ্ৰীতি আছিল। মাৰোৱাৰী মূলৰ প্ৰয়াত চগন লাল জৈন এজন বিশিষ্ট সাহিত্যিক আছিল। তেখেতে পূৰ্বাঞ্চল প্ৰেছ স্থাপন কৰি পূৰ্বজ্যোতি বাতৰি প্ৰকাশ কৰাৰ উপৰি অসমীয়া ভাষাত কেইবাখনো কিতাপ লিখিছিল। তাৰ স্বীকৃতি হিচাপে অসম সাহিত্য সভাই তেওঁৰ নামত এটা সাহিত্য পুৰস্কাৰ স্থাপন কৰিছিল। সেইদৰে চান্দমল চেৰাউগী, গণপট্ ৰায়ধানুকা, অৰিদমন কোঠাৰী সামাজিক কামৰ উপৰি গুৱাহাটী পৌৰসভাৰ উপপৌৰপতিও আছিল। গুৱাহাটী পৌৰ সভাৰ পৌৰপতিসকলৰ ভিতৰত দেবেন্দ্ৰ নাথ শৰ্মা, লক্ষ্যধৰ চৌধুৰী, সতীশ চন্দ্ৰ কাকতি, বিশিষ্ট চিকিৎসক জ্যোতিষ দাসৰ নাম উল্লেখযোগ্য।

ওপৰত উল্লেখ কৰা ব্যক্তিসকলৰ উপৰি ভৰলুমুখত ৰোহিণী কুমাৰ চৌধুৰী, তীৰ্থনাথ শৰ্মা, বীৰেন ৰাম ফুকন, বলেন ৰাম ফুকন, ভবেন চৌধুৰী,

ললিতা ফুকন, কামাখ্যা ৰাম বৰুৱা, কুমাৰ পাৰাৰ হলিৰাম ডেকা, ললিত ভড়ালী, যামিনী চৌধুৰী, ধৰণীধৰ বসুমতাৰী, নিয়ামত আলী, মহেন্দ্ৰ নাথ পাঠক, দেহীৰাম বৰ্মন, হৰেন ডেকা, মাছখোৱাৰ আশ্ৰমত আলী, আব্দুল হাই, শান্তিদূত কাকতৰ তাৰিণী দাস, বদৰুদ্দিন জামাল, শান্তিপুৰৰ ডাঃ জাহান, অধ্যাপক ৰায়হান শ্বাহ, বিনন্দি বৰ্মন, সুৰেন শৰ্মা, দীন নাথ মেধি, কমাৰপট্টিৰ খলিলুৰ ৰহমান, কুঞ্জ বিহাৰী বেনাৰ্জী, ইক্‌ৰাম ৰচুল, লাখটকীয়াৰ চৈয়দ চাৰ চাদুল্লা, প্ৰাক্তন ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদ, চিদানন্দ চৌধুৰীৰ পৰিয়াল, কালিৰাম মেধিৰ ঘৰ আছিল। আলী আহমেদৰ কাঠৰ দুমহলীয়া ঘৰটো অতীতৰ এটা চিহ্ন বুলি ক'ব পাৰি। লাখটকীয়াৰ বৰপেটা পাৰাৰ দেবীৰাম দাস আৰু নিৰদ দাস সৰ্বজনবিদিত ফটোগ্ৰাফাৰ আছিল। দেবীৰাম দাসক ডেকাচামে বৰ ভাল পাইছিল। পাণবজাৰৰ কালিচৰণ সেন, হৰমোহন দাস, মুক্তি যুঁজাৰু ৰবীন নবিশ, যুগল দাস, মুক্তি যুজাৰু লক্ষ্মী বৰা, শৰৎ দাস, উজানবজাৰৰ মাণিক চৌধুৰী, হৰেন বৰুৱা, কমলাকান্ত ভট্ট, শৰৎ কাকতি, জয় চৌধুৰী, বেলিৰাম দাস, ৰিহাবাৰীৰ ডঃ বাণীকান্ত কাকতি, অধ্যক্ষ ৰাধাকান্ত দাস, খনীন বৰুৱা, উলুবাৰীৰ ডাঃ ভূবনেশ্বৰ বৰুৱা, নাট্যকাৰ গিৰীশ চন্দ্ৰ চৌধুৰী উল্লেখযোগ্য।

ধৰ্মানুষ্ঠানৰ ভিতৰত কুমাৰপাৰাৰ বুঢ়াগোঁহাইৰ থান, ভৰলুমুখৰ দুৰ্গা মন্দিৰ, মাছখোৱাৰ বুঢ়া মছজিদ, ফাঁচীবজাৰৰ শিখ মন্দিৰ, কমাৰপট্টিৰ গীৰ্জাঘৰ, লাখটকীয়াৰ মছজিদ, পাণবজাৰৰ শুক্ৰেশ্বৰ দেৱালয়, উজানবজাৰৰ বাৰোৱাৰী নামঘৰ, বুঢ়া মছজিদ, উগ্ৰতাৰা মন্দিৰ, চিত্ৰাচল পাহাৰৰ নৱগ্ৰহ মন্দিৰ উল্লেখযোগ্য। শুক্ৰেশ্বৰ মন্দিৰৰ নামনিত গৱৰ্ণৰ জেনেৰেল নৰ্থব্ৰুকক আদৰিবৰ বাবে নৰ্থব্ৰুক গেট নিৰ্মাণ কৰা হৈছিল। পিছত ইয়াক The Gateway of Assam বুলি কোৱা হয়। গান্ধীজীয়ে দৰ্শন কৰা আৰু থকা কস্তুৰীবা আশ্ৰম শৰণীয়া পাহাৰত অৱস্থিত।

স্বাধীনতা সংগ্ৰামী ডাঃ হৰেকৃষ্ণ দাসৰ কমাৰ পট্টিত অৱস্থিত অসম আৰ্হিৰ ঘৰটো স্বাধীনতা আন্দোলনৰ স্মৃতি চিহ্ন আৰু এই ঘৰটো এতিয়াও বিদ্যমান। ইয়াত ১৯৩৪ চনত মহাত্মা গান্ধী, পিছত জৱাহৰলাল নেহৰু, সুভাষ





চন্দ্ৰ বসু, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আদি বহু স্বাধীনতা সংগ্ৰামী থাকি গৈছে। তেওঁৰ জীয়ৰী অমলপ্ৰভা দাস আৰু ডাঃ তিলোত্তমা ৰায়চৌধুৰীয়ে এই ঘৰটো 'সৰ্বোদয় ন্যাস'ক দান দিয়ে। ডাঃ হৰেকৃষ্ণ দাস সোঁৱৰণি পুথিভৰাঁলটো ইয়াত স্থাপিত হয়।

১৯৬০ চনত গুৱাহাটী মেডিকেল কলেজ স্থাপনৰ আগলৈ গুৱাহাটীত আজিৰ দৰে নাৰ্ছিং হোম আদিৰ ব্যৱস্থা নাছিল। সেই সময়ত চিভিল হস্পিটাল (মহেন্দ্ৰ মোহন চৌধুৰী হস্পিটালৰ ঠাইত) আৰু ছাত্ৰীবাৰীত খৃষ্টান মিছনাৰী হস্পিটাল আছিল। তাৰ বাহিৰে নিজাববীয়াকৈ চিকিৎসা সেৱা আগবঢ়োৱা ডাক্তৰ আছিল। তেওঁলোকৰ ভিতৰত ডাঃ জ্যোতিষ দাস, ডাঃ হৰেকৃষ্ণ দাস, ডাঃ ভূবনেশ্বৰ বৰুৱা, ডাঃ কালিচৰণ দাস, ডাঃ নলিনী শৰ্মা, ডাঃ কনক বৰুৱা, ডাঃ পোৱাল দুৱৰা, ডাঃ বীৰেন চৌধুৰী, ডাঃ অক্ষয় দত্ত আৰু ডাঃ ভোলা সেন উল্লেখযোগ্য। তেওঁলোকে নিজৰ চেম্বাৰৰ বাহিৰেও খবৰ দিলে ঘৰত আহি স্বাস্থ্য সেৱা আগবঢ়োৱা যে কিমান উচ্চমানৰ আৰু মানৱ সেৱাৰ প্ৰতি উৎসৰ্গীকৃত ভালদৰে অনুমান কৰিব পাৰি। তেওঁলোকে ষ্টেটিচস্কোপ আৰু হাতেৰে ৰোগীৰ হাতৰ পালচ্, পেট, চকু, জিভা, বুকু আদি চাই ৰোগ চিনাক্ত কৰি ঔষধ দিছিল আৰু সেইবোৰ Pharmacy বা Chamber ৰ লগত থকা লেব্‌ৰেটৰীত বটলত দাগ দি মিক্‌চাৰ ঔষধ দিছিল। ঔষধৰ বাবে সেই সময়ত ৰাধা ফাৰ্মাচী প্ৰথম আছিল আৰু ২৪ ঘণ্টা খোলা ৰাখিছিল।

অসমীয়াৰ জাতীয় উৎসৱৰ ভিতৰত কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহু উল্লেখযোগ্য। এই তিনিওটা বিহু গাঁৱত সমূহীয়াকৈ আৰু চহৰত নিজাববীয়াকৈ কৰিছিল। ১৯৫২ চনত গুৱাহাটীৰ উজানবজাৰ লতাশিল খেলপথাৰত ৰাধাগোবিন্দ বৰুৱা, ডাঃ ভূবনেশ্বৰ বৰুৱা আদিৰ প্ৰচেষ্টাত চহৰত প্ৰথম ৰঙালী বিহু ৰাজহুৱাভাৱে উদযাপন কৰা হয়। পশ্চিম গুৱাহাটীৰ ৰাইজে ১৯৫৪ চনত মহম্মদ চাহেৰ জামালৰ নেতৃত্বত বৰ্তমানৰ ফুকন পাৰ্কৰ পথাৰত কৃষ্ণচূড়াৰ তলত শ্ৰীৰমেন বৰুৱাৰ গীতৰ শৰাইৰে অসমত দ্বিতীয়খন চহৰত বিহু উদযাপন কৰা হয়। লাহে লাহে গুৱাহাটীৰ আন অঞ্চলত আৰু আন চহৰত ব'হাগ বিহু আৰম্ভ কৰিবলৈ ধৰে।

ধৰ্মীয় অনুষ্ঠানৰ ভিতৰত দুৰ্গাপূজা, কালীপূজা, দীপাৱলী, সৰস্বতীপূজা, ঈদ, বকৰিদ, মহৰম আৰু গুৰুনানকৰ জন্মদিন উল্লেখযোগ্য। বিশ্বকৰ্মাপূজা তেতিয়া সিমান সম্প্ৰসাৰিত হোৱা নাছিল। সৰস্বতীপূজা স্কুল-কলেজত বহুল ভাৱে পালন কৰা হৈছিল। ধৰ্মীয় অনুষ্ঠানত ধৰ্ম নিৰ্বিশেষে সকলোৱে সহায় সহযোগ আগবঢ়াইছিল।

স্কুল-কলেজ আৰু আন কিতাপৰ বাবে পাণবজাৰ প্ৰসিদ্ধ আছিল। ১৯৪২ চনত স্বনামধন্য বিচিত্ৰ নাৰায়ণ বৰুৱাই ‘লয়াৰ্চ বুক ষ্টল’ নাম দি প্ৰথমখন কিতাপৰ দোকান পাণবজাৰত স্থাপন কৰে। তেখেতে দোকানৰ কাউন্টাৰত বহি দীঘল পাইপ লগোৱা হোকা টানি গ্ৰাহকৰ লগত হাঁহি মুখে কথা পতা দৃশ্য আজিও বহুতৰে মনত পৰে। তাৰ পিছত নিউ বুক ষ্টল, বাণী প্ৰকাশ, মণিমানিক, গ্ৰন্থপীঠ, কিতাপ ঘৰ আদি স্থাপন হয়। পাণবজাৰৰ আন আকৰ্ষণীয় ব্যৱসায় প্ৰতিষ্ঠানবোৰ ১৮৫৫ চনত ছেইখ ব্ৰাদাৰ্চ, ১৮৬১ চনত জামাতুল্লা, ১৮৬২ চনত বি. এন. দে. এণ্ড কোম্পানী একমাত্ৰ মদৰ দোকান, ১৯০৬ চনত এল. পি. গগৈৰ ঘড়ীৰ দোকান, ১৯১৮ চনত মহামায়া কেবিন, ১৯৩৪ চনত ভৱানী ব্ৰাদাৰ্চ, ১৯৪৯ চনত ইন্দো ফোৰেইন চাৰ্জকো, আনন্দ ভাণ্ডাৰ, ডিলাইট, গুৱাহাটী ডায়েৰী, গুৱাহাটী ছো ফেক্টৰী, কমাৰপট্টীৰ লক্ষ্মী কেবিন, ফাঁচীবজাৰৰ ভাৰতীয় জলপান স্থাপন কৰা হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বচ্ছ ভাৰত অভিযানৰ ৬০ বছৰ আগতে দেশপ্ৰেমিক, সমাজকৰ্মী প্ৰয়াত মহেন্দ্ৰ নাথ ডেকা ফুকনে চাইকেলত ঝাৰু এটা লৈ ৰাজপথত ঝাৰু দি গুৱাহাটী চাফ-চিকুণকৈ ৰাখিবৰ বাবে সজাগতা আনিবলৈ চেষ্টা কৰি কিছু সফল হৈছিল।

১৯৬৩ চনত ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰথমখন দলং মুকলি হোৱাৰ আগলৈকে ৰে’ল যাত্ৰীক আমিনগাঁও, পাণ্ডু জাহাজেৰে আৰু গুৱাহাটী, উত্তৰ গুৱাহাটী স্থলপথৰ যাত্ৰীক এম. ভি গুৱাহাটী আৰু সাগৰ নামৰ জাহাজ দুখনে পূৰ্বাঞ্চলৰ অঞ্চল, অসমৰ উত্তৰ অঞ্চল তথা আন ৰাজ্যৰ লগত যাতায়াতৰ ব্যৱস্থা আছিল কিন্তু শৰাইঘাট দলং মুকলি হোৱাত ৰেল আৰু স্থলপথৰ যাতায়াত সূচল হয়।





এশ বছৰ আগতে ইংলেণ্ডত বাডেন পাৱেলে গঠন কৰা স্কাউট আৰু গাইড সংগঠনটো ১৯১৩ চনত ভিবিয়ান বোস, মদন মোহন মালব্য আদিৰ প্ৰচেষ্টাত ভাৰতীয় ল’ৰা-ছোৱালীৰ বাবে ‘স্কাউট আৰু গাইড’ গঠন হোৱাত দণ্ডেশ্বৰ গগৈ, কামাখ্য ঠাকুৰ, ৰামেশ্বৰ কলিতাৰ প্ৰচেষ্টাত গুৱাহাটী তথা অসমতো গঠন হয়। এই সংগঠনটোৱে সুনাগৰিক হিচাপে গঢ়ি তোলাৰ উপৰি ৰাজহুৱা অনুষ্ঠান, প্ৰতিষ্ঠান আদিতো সেৱা আগবঢ়াইছিল।

১৯৫০ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু হোৱাত ১৯৫২ চনত তেখেতৰ নামত বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। সেই সময়ত জৰ্জ ফিল্ডত টিনপাতেৰে বেৰ দি অনুষ্ঠিত কৰা ফুটবল খেলখনত স্কাউটে স্বেচ্ছাসেৱকৰ দায়িত্ব পালন কৰিছিল।

১৯৫৩ চনত হায়দৰাবাদত অনুষ্ঠিত হোৱা All India Scout and Guid Jamboree ত প্ৰয়াত ৰামেশ্বৰ কলিতাৰ নেতৃত্বত গুৱাহাটীৰ ৫ জন স্কাউটসহ বৰ অসমৰ ২০ জনীয়া এটা দলে তাত বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰি অসমে স্কাউটৰ প্ৰথম স্থান আৰু বোম্বেই গাইডৰ প্ৰথম স্থান লাভ কৰিছিল। ইয়াৰ দ্বাৰা উত্তৰ পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। উত্তৰ পূবৰ ৰাজ্যসমূহে সকলো ক্ষেত্ৰতে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উপেক্ষিত হৈ আহিছে। আন্দোলন কৰিহে নিচুকণি হিচাপে কিবা পোৱা যায়। অসমত ব্ৰিটিছৰ শাসন কালত অনুসন্ধান কৰি তেলৰ ভাণ্ডাৰ পোৱাত দেশৰ ভিতৰত প্ৰথমটো তেলশোধানাগাৰ উৎপাদনস্থলী ডিগবৈত স্থাপন কৰে। কিন্তু স্বাধীন ভাৰত চৰকাৰে অসমত পৰ্য্যাপ্ত তেল উৎপাদন হোৱাত পাইপেৰে বহিঃৰাজ্যলৈ খাৰুৱা তেল নি শোধন কৰিব বিচৰাত অসমৰ ৰাইজ জাঙুৰ খাই উঠে। ১৯৫৫ চনত তেল শোধানাগাৰৰ দাবীত প্ৰয়াত হেম বৰুৱাৰ নেতৃত্বত অসমৰ ৰাইজ, ছাত্ৰ-ছাত্ৰী সত্যাগ্ৰহ, ধৰ্ণা আদিত অংশগ্ৰহণ কৰি কাৰাবাস খাটিবলগীয়া হয়। অৱশেষত কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীত ২য় শোধানাগাৰটো দিবলৈ বাধ্য হয়। স্মৰণযোগ্য যে গুৱাহাটী শোধানাগাৰৰ কৰ্মচাৰীবৃন্দই হেম বৰুৱাৰ স্মৃতি ৰক্ষাৰ বাবে এটা আৱক্ষ মূৰ্তি তাত স্থাপন কৰে।

ঊনৈশ শতিকালৈ গুৱাহাটীত সাংস্কৃতিক অনুষ্ঠান আদি পাতিবলৈ কোনো স্থায়ী প্ৰেক্ষাগৃহ নাছিল। মঞ্চ নিৰ্মাণ কৰি সাংস্কৃতিক অনুষ্ঠান পাতিব লগা হৈছিল। ১৮৯৬ চনত সংস্কৃতি প্ৰেমী ব্যক্তিয়ে পাণবজাৰৰ নদীৰ পাৰত আৰ্য্য নাট্য সমাজ প্ৰেক্ষাগৃহ স্থাপন কৰে। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে ইয়াত বক্তৃতা প্ৰদান কৰিছিল। বহু গুণী-জ্ঞানী ব্যক্তিৰ উপৰি কলাগুৰু বিষ্ণুৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ডঃ ভূপেন হাজৰিকাই সঙ্গীতানুষ্ঠান পৰিৱেশন কৰিছিল। কুৰি শতিকাৰ আগভাগত কুমাৰ ভাস্কৰ নাট্যমন্দিৰ স্থাপন হয়। নাট্যকাৰ তথা ৰাজনীতিবিদ লক্ষ্যধৰ চৌধুৰী, জীৰেশ্বৰ চক্ৰৱৰ্তী, গিৰীশ চৌধুৰী আদিয়ে আগভাগ লৈ এটা আলোড়নৰ সৃষ্টি কৰিছিল। ইয়াৰ পিছত জিলা পুথিভঁৰাল, ৰবীন্দ্ৰ ভৱন স্থাপন হোৱাত পূব আৰু মধ্য গুৱাহাটীৰ ৰাইজে বিভিন্ন অনুষ্ঠান পাতিবলৈ সুবিধা পাইছিল। তদুপৰি দীঘলীপুখুৰীৰ পশ্চিমপাৰে অৱস্থিত কাৰ্জন হলত এটা পুথিভঁৰালৰ উপৰি সভাসমিতি আদিও পাতিব পাৰিছিল। পিছত ইয়াৰ নবীন বৰদলৈ হল বুলি জনা যায়। কিন্তু পশ্চিম গুৱাহাটীৰ ৰাইজে তেনে সুবিধাৰ পৰা বঞ্চিত হৈছিল। অৱশ্যে পিছত শান্তিপুৰত প্ৰগতি সংঘই নিৰ্মাণ কৰা কামৰূপ প্ৰেক্ষাগৃহই কিছু অভাৱ দূৰ কৰে। সেই সময়ত গুৱাহাটীত চিনেমা হল নিচেই কম আছিল। প্ৰথম চিনেমা হল বিজুলী, তাৰ পিছত কেলভিন, পাণ্ডুত অৰুণা, ৰাজশ্ৰী, চৌধুৰী টকিজ হল আৰু ৰূপায়ন উল্লেখযোগ্য।

গুৱাহাটীত ৰাজহুৱা জৰ্জ ফিল্ড আৰু নিউ ফিল্ডৰ বাহিৰে খেলা-ধূলাৰ বাবে কোনো ব্যৱস্থা নাছিল। সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাৰ বলিষ্ঠ নেতৃত্বত ক্ৰীড়াপ্ৰেমী ৰাইজে মল্ল যুঁজ, সংগীত সন্মিলন আদি পাতি সংগ্ৰহ কৰা ধন, ৰাইজৰ দান বৰঙণি আৰু ৰাজসাহায্য লৈ বিঃ বৰুৱা কলেজৰ ওচৰত বাকৰিত নেহৰু ষ্টেডিয়াম নিৰ্মাণ কৰি ক্ৰীড়া জগতৰ বহু অভাৱ দূৰ কৰিবলৈ সক্ষম হয়।

অসমৰ পৰা ফালি গৈ মেঘালয় পৃথক ৰাজ্য হোৱাত অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত শৰৎ চন্দ্ৰ সিংহই বলিষ্ঠ পদক্ষেপ লৈ ১৯৭২ চনত শ্বিলঙৰ পৰা গুৱাহাটীলৈ অস্থায়ী ৰাজধানী স্থানান্তৰ কৰাত গুৱাহাটীত প্ৰশাসনিক তৎপৰতা আৰু জনসংখ্য বৃদ্ধি হয়। ফলস্বৰূপে সকলো বস্তুৰ মূল্য বৃদ্ধি হোৱাৰ লগে





লগে জনসাধাৰণৰ বসতি স্থানো বৃদ্ধি হয়। গুৱাহাটীত বাসস্থানৰ কোনো পৰিকল্পনা নোহোৱাকৈ খাল, বিল, জলাশয় পুতি গৃহ নিৰ্মাণ কৰাৰ ফলত লাহে লাহে কদৰ্যময় হবলৈ ধৰিলে। তাৰ পৰিণতি হিচাপে এজাক বৰষুণতে গুৱাহাটীৰ বহু অঞ্চল নদ-নদীত পৰিণত হয়। খাল, জান, পুখুৰী, বিল, জলাশয় আদিৰে সংযোজন আৰু পৰিপূৰ্ণ গুৱাহাটী বিজ্ঞানসন্মত পৰিকল্পনাৰে এখন সুন্দৰ চহৰ গঢ়ি তুলিব পাৰিলেহেঁতেন।

জনসংখ্যা বৃদ্ধি হোৱাত এক অধ্যাদেশ যোগে ১৯৭৩ চনত গুৱাহাটী পৌৰসভা পৌৰ নিগমলৈ উন্নীত কৰা হয়। ইয়াৰদ্বাৰা বেলতলা, দিছপুৰ, বশিষ্ঠ, গণেশগুৰি, নুনমাটি, বামুণীমৈদাম, নৱগ্ৰহ, কামাখ্যা, গড়পাণ্ডু, খনাজান, খানাপাৰা আদি সামৰি লোৱাত প্ৰায় ৪ হেজাৰ জনসংখ্যা ৩ বৰ্গমাইল আয়তনৰে আৰম্ভ হোৱা গুৱাহাটীৰ বৰ্তমানৰ আয়তন প্ৰায় ২৬০ বৰ্গ কিলোমিটাৰ, লগতে প্ৰায় ১৫/১৬ লাখ জনসংখ্যালৈ বৃদ্ধি হয়।

ভাৰতৰ উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ অতীতত প্ৰাগজ্যোতিষপুৰে অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দেখা যায় আৰু প্ৰাগজ্যোতিষপুৰৰ অনুৰূপ গুৱাহাটীয়েও সেই ভূমিকা গ্ৰহণ কৰি আছে। ইয়াৰ মূল কাৰণ সুচল ভৌগোলিক পৰিস্থিতি, সুষম জলবায়ু, পানীৰ উন্নত গুণ, পৰ্যাপ্ত উৰ্বৰতা থকা ভূমিভাগ আৰু প্ৰাকৃতিক পৰিৱেশৰ এক মনোৰম প্ৰচ্ছদপট। চাৰিওফালে পাহাৰে-পৰ্বতে ঘেৰা এক গুহাসদৃশ বাসভূমিৰ এক সুৰক্ষিত দূৰ্গাৰস্থান বুলিও ক'ব পাৰি। দূৰ্গৰ আকাৰ দূৰ্গাস্থান এই ভূমিভাগক দুৰ্গাৰ বিচৰণ ক্ষেত্ৰ বুলিও কোৱা হয়। শাক্ত, শৈৱ, তথা বৈষ্ণৱ ধাৰাৰ একান্ত অনুশীলনৰ উপৰি দূৰ অতীতত ইয়াত সূৰ্য আৰাধনাৰ প্ৰশস্ত বেদীৰূপে বিবেচিত হৈছিল। তাৰ সাক্ষাৎ গ্ৰহণ কৰিছে এই ঠাইডোখৰৰ বিশেষ নামটোৱেই।

—+—

# অৰক্ষয়ৰ পথত প্ৰাচীন গুৱাহাটীৰ পৰ্বত-পাহাৰ নদ-নদী

**লীলাধৰ হাজৰিকা**

গুৱাহাটীৰ প্ৰাচীন নাম প্ৰাগজ্যোতিষপুৰ। ৰামায়ণ মহাভাৰত পুৰাণ আদিত গুৱাহাটী নামৰ উল্লেখ নাই। কোনো এখন শিলালিপিতেই নামটোৰ প্ৰচলন নাই। গুৱাহাটী নামৰ উল্লেখ পোৱা এখন অভিলেখ হৈছে- "১৬০৪ শকত জৱন জিনি পোৱা চাৰিটা বৰটোপৰ গাত পোৱা" গুৱাহাট্টা মিদমন্তম প্ৰাপ্তম নামত। ইয়াত গুৱাহাট্টাক গুৱাহাটী ৰূপত পোৱা গৈছে। এইখন স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত পোৱা অভিলেখ। এই গুৱাহাট্টা শব্দই গুৱাহাটীৰ নামৰ ইতিহাসৰ প্ৰথম স্বাক্ষৰ। ইয়াৰ উপৰি গুৱাহাটীৰ ঐতিহাসিক দিশত সমল যোগাব পৰা আন এবিধ সম্পদ হ'ল প্ৰাচীন গুৱাহাটীৰ স্থাপত্য আৰু ভাস্কৰ্য্যসমূহ। গুৱাহাটী নামকৰণৰ এটি কাৰণ হ'ল এই নগৰীত গুহই (কাৰ্তিকেয়) এখন হাট স্থাপন কৰিছিল। তাৰ পৰাই ঠাইখন সংস্কৃতত "গুৱা হাট্টা" বুলি জনাজাত হ'ল। গুৱা হাট্টাৰ অৰ্থ তামোলৰ ঠাই বা বজাৰ। চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ বিৱৰণত চহৰখনত তামোল আৰু নাৰিকলৰ গছৰ প্ৰাচুৰ্য্যৰ কথা কোৱা হৈছে। সেই অৰ্থতো গুৱাহাটীৰ নামকৰণ হ'ব পাৰে। আন কিছুমানে ক'ব খোজে যে





গুৱাহাটীৰ চাৰিওফালে পৰ্বতেৰে আগুৰি আছে। গুৱাহাটীৰ চাৰিওফালৰ পাহাৰে গুৱাহাটীক, 'গুহা সদৃশ' কৰি তুলিছে। সেয়ে গুহাৰ পৰিৱৰ্তে "গুৱাহাটী" নামকৰণ হৈছে। উমাচল পৰ্বতত আৱিষ্কৃত বলভদ্ৰৰ আশ্ৰমৰ ৰজা মহেন্দ্ৰ বৰ্মণ বা সুৰেন্দ্ৰ বৰ্মণৰ শিলালিপিৰ বাহিৰে প্ৰাচীন প্ৰাগজ্যোতিষপুৰ ৰূপী গুৱাহাটী মহানগৰীত কোনো প্ৰত্নতাত্বিক অভিলেখ আজিলৈকে উদ্ধাৰ হোৱা নাই বুলি প্ৰাচ্যতত্ববিদ ড° মহেশ্বৰ নেওগদেৱে মন্তব্য কৰি গৈছে।

প্ৰাচীন গুৱাহাটী মহানগৰখন যে পাহাৰেৰে আবৃত সেই কথা আমি ইতিহাস শাস্ত্ৰৰ পৰা মহাকাব্যলৈ জানো। কোনো কোনোৱে ক'ব খোজে নৱগ্ৰহ তীৰ্থস্থান থকা চিত্ৰাচল পাহাৰৰ কথা যোগিনীতন্ত্ৰ, কালিকাপুৰাণ আদিত সুন্দৰভাৱে বৰ্ণিত হৈছে। উমাচল পাহাৰত (উমানন্দ) শিৱই কৰা তপস্যাৰ কথাও সকলোৱে জানে। সন্ধ্যাচল পাহাৰৰ বশিষ্ঠাশ্ৰমৰ কথা কোনে নাজানে? উৰ্বশী শৈলৰ উৰ্বশী, ইয়াৰ কাষতেই থকা কৰ্মনাশা, উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত, তাৰ ঠিক উত্তৰে থকা চিলাপৰ্বত অসমৰ ইতিহাসৰ এক জ্বলন্ত স্বাক্ষৰ। কিয়নো মহাবীৰ লাচিত বৰফুকনে এই চিলাটিঙৰ লগতেই মোমাই কটা গড় সংলগ্ন কৰিছিল।

চিলাটিঙৰ পশ্চিম অংশ আগিয়াঠুটি পাহাৰ। মোমাই কটা গড়ৰ সংলগ্ন আন এখন পাহাৰ হৈছে লঠিয়া পাহাৰ। উত্তৰ গুৱাহাটীৰ মনিকৰ্ণেশ্বৰ পাহাৰৰ বৰ্ণনাই বহুতো কবিৰ কবিতাত ঠাই পাইছে। কুৰুৱা আৰু মণিকৰ্ণেশ্বৰৰ মাজত দীৰ্ঘেশ্বৰী পাহাৰ। দীৰ্ঘেশ্বৰীৰ কিছু উত্তৰে প্ৰাচীন স্থাপত্য আৰু ভাস্কৰ্য্যৰ অনুপম নিদৰ্শন মদন কামদেৱ। ব্ৰহ্মপুত্ৰৰ পাহাৰৰ এখন মনোৰম পাহাৰ হৈছে মান্দাকাটা পাহাৰ। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে গুৱাহাটীৰ মাজ মজিয়াত থকা শুক্ৰেশ্বৰ পাহাৰখন যেন মহানগৰীৰ এক অতন্দ্ৰ প্ৰহৰী। চিত্ৰাচল পাহাৰ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে গৈ চন্দ্ৰপুৰ পাইছে। মহানগৰীৰ আন এখন বৃহৎ পাহাৰ হৈছে নৰকাসুৰ পাহাৰ। যিখন পাহাৰত ভালেমান প্ৰাচীন শৈলমূৰ্তি আৱিস্কৃত হৈছে। শৰণীয়া পাহাৰখন যেন গুৱাহাটীৰ মুকুটমণি। কন্যাধৰা পাহাৰত আজিকালি বিভিন্ন ভৱন নিৰ্মাণ হৈছে। খাচিয়া জয়ন্তীয়া পাহাৰৰ লগত সংলগ্ন যোৱাবাট পাহাৰ আৰু তাৰ

পূৰ্বদিশত ডিমৰীয়া পাহাৰ আদিয়ে গুৱাহাটীক সৌন্দৰ্য্যশালী কৰি তুলিছে। অসম ৰাজ্যিক চিৰিয়াখানাৰ জাপৰিগোপ পাহাৰ, কামাখ্যাৰ দক্ষিণ পূব কোণত থকা জালুকবাৰীৰ চক্ৰশিলা পাহাৰ, লংকেশ্বৰ পাহাৰ, গীতানগৰ পাহাৰ, ফটাশিল পাহাৰ, আদিং গিৰি পাহাৰ, মেঘালয়ৰ সংলগ্ন চকৰদ পামহি, দেওছটাল আহোমগাঁও পাহাৰ, ভীমকংকাৰ জ্যোতিলিঙ্গ খ্যাত ডাইনীবামা পাহাৰ, দ্বাড়ভাঙা আদি পাহাৰে গুৱাহাটীখন আৱৰি আছে। প্ৰাচীন গুৱাহাটীৰ আশে-পাশে আৰু অজস্ৰ পাহাৰ আছে। উদাহৰণস্বৰূপে কামেশ্বৰ পৰ্বতৰ নাম গোকৰ্ণ, হাজোৰ গৰুড়াচল, নক্ষত্ৰাচলৰ ঈশানে থকা ছত্ৰাচল, ছত্ৰাচলৰ দক্ষিণে থকা নীলা খাতগ দীৰ্ঘতমা ঋষিৰ আশ্ৰম থকা দীৰ্ঘেশ্বৰী, মদনাচল, ক্ৰৌঞ্চ পৰ্বত, সপ্তৰ্ষি পৰ্বত (কুৰুৱাৰ উত্তৰে থকা সাতখন পৰ্বতক সপ্তঋষি বোলে)। মন্দাকিনী (ব্ৰহ্মপুত্ৰ) নদীৰ পাৰত এই সাতখন পৰ্বতক সপ্তৰ্ষিৰ আশ্ৰম বোলা হৈছিল। ক্ৰৌঞ্চ পৰ্বতৰ অগ্নি দিশত থকা দশাশ্বমেধ পৰ্বত (আজিকালি ইয়াৰ নাম মাছ পুৰি খোৱা পৰ্বত) ব্ৰহ্মপুত্ৰ মাজৰ ৰাক্ষসিনী পাহাৰ গন্ধমাদন পৰ্বত, হাজোৰ মণিকূট পৰ্বত, মদনাচল আদি পৰ্বত পাহাৰে গুৱাহাটীৰ সৌন্দৰ্য্যবৰ্দ্ধনত সৰ্বদায় সহায় কৰি আহিছে।

নীলাচলক হেমাদ্ৰি বা হেমৰন্ত পৰ্বতো বোলে। তন্ত্ৰ আৰু পুৰাণৰ মতে সেই ডোখৰ ঠাই পৱিত্ৰতম। নীলাচলৰ তিনি শৃঙ্গৰ ভিতৰত পূৰ্বৰ শৃঙ্গটোক ব্ৰহ্মাগিৰি বোলে। তাত অদিতি নন্দন সুৰজ্যেষ্ঠ ব্ৰহ্মা বা ধাতাৰ ভৱন আছিল। আজিকালি তাত ভূৱনেশ্বৰী মন্দিৰ হৈছে। তাৰ পিছৰ শৃংগত এতিয়া কামাখ্যা দেৱীৰ দেৱালয় আছে। তাত পূৰ্বে আদিতি নন্দন বিষ্ণুৰ ভৱন আছিল। সেই ঠাইতেই ব্ৰহ্মাৰ মনোমতী নামে সভা বহিছিল। পশ্চিম ফালৰ পাণ্ডু পৰ্বতত শিৱৰ ভৱন আছিল। পাণ্ডুৰ পূৰ্বকাষে বৰাহ শৈল বা চিত্ৰবাহ পৰ্বত। উৰ্বশী চক্ৰতীৰ্থ আদি থকা শিলাময় দ্বীপটোক যোগিনীতন্ত্ৰই মন্দৰগিৰি বুলিছে। কোনো কোনোৱে কয়, কামৰূপৰ ক্ষেত্ৰ পৰ্বত বিলাকেই বেদ পুৰাণত উল্লেখ কৰা মেৰুপৰ্বত। কামৰূপৰ বুৰঞ্জীৰ ১৩১ পিঠিত লিখা আছে- "নীলাচলৰ পূৰ্বশৃঙ্গ ব্ৰহ্মা, তাতে ভূৱনেশ্বৰী, মধ্য শৃঙ্গ বিষ্ণুৰ তাতে কামাখ্যা আছে। পাণ্ডুনাথ য'ত





আছে সেই শৃঙ্গ শিৱ। শিৱশৃঙ্গৰ পূবে বৰাহশিলা, কল্পশিলা। কামাখ্যাত বিষ্ণু পদ আছে। অশ্বক্লান্তৰ পূবে ইন্দ্ৰ পৰ্বত। আজিকালি তাক আৰ পৰ্বত বোলে। আগিয়াঠুটী পৰ্বতৰ নাম অগ্নি। কালিকা পুৰাণে তাকে অগ্নিমাল বুলিছে। তাত অগ্নিদেৱৰ ভৱন আছিল। ব্ৰহ্মাগিৰি বা ভূৱনেশ্বৰী পাহাৰ পূবে সমান মাটিৰ ওপৰত শুভাৱৰ্ত মনোহৰ কামাখ্যাৰ নাভিমণ্ডল। তাত উগ্ৰতাৰা দেৱীৰ দেৱালয় আছে। তাতে দেৱতাসকলে যজ্ঞ কৰিছিল। উগ্ৰতাৰাৰ পূৰ্বে ভস্মকূট বা উমানন্দ। তাৰ দক্ষিণে যমৰ কৰ্পট পৰ্বত। কালিকাপুৰাণৰ মতে হাজোৰ মণিকূটৰ পূবে দৰ্পণ পৰ্বতত যক্ষবিলাকেৰে সৈতে কুবেৰে বাস কৰিছিল। কামৰূপৰ বুৰঞ্জীৰ ১৩১ পিঠিত আছে "ব্ৰহ্মপুত্ৰৰ পূব অগ্নিকোণত তিনি শৃঙ্গ সমন্বিতে গান্ধাৰী পৰ্বত আছে। গান্ধাৰী পৰ্বতৰ পূবে পঞ্চকূট বা গণেশ পৰ্বত। এই পৰ্বতত গৌতম ঋষি আছিল। কালিকাপুৰাণত থকা ৰক্ষকূট পৰ্বতেই বৰ্তমানৰ ৰাক্ষসিনী পৰ্বত। চিত্ৰাচল পৰ্বতৰ পূবে কজ্জল বা কৰ্ণজলী পৰ্বত। কাজলী পৰ্বতত বিদ্যাধৰ আদি দেৱযোনিসকলে বাস কৰিছিল। কাজলী পৰ্বতৰ পূবত শুভ পৰ্বত। তাতেই ইন্দ্ৰই শচীৰ সৈতে ক্ৰীড়া কৰিছিল। তাৰ পূবে কপিল গঙ্গা নদী।

প্ৰাচীন ঐতিহ্যৰে সমৃদ্ধ গুৱাহাটীৰ প্ৰতিটো পৰ্বতেই একো একোখন তীৰ্থ সদৃশ। এই পৰ্বত-পাহাৰবোৰ এতিয়া নিঃশেষ হৈ যাবলৈ ধৰিছে। ঐতিহ্যমণ্ডিত পৰ্বত পাহাৰবোৰত মাটি কটাটো বন্ধ কৰিব লাগে। প্ৰয়োজন সাপেক্ষে পাহাৰবোৰত সামাজিক বনানীকৰণ কৰি পাহাৰবোৰ সেউজীয়া কৰি তুলিব লাগে। জধে-মধে পাহাৰত বাস কৰিবলৈ কোৱাতকৈ মহানগৰ কৰ্তৃপক্ষই জনসাধাৰণক বসবাসৰ বাবে পূবে চন্দ্ৰপুৰৰ ফালে, পশ্চিমে আজাৰালৈ, উত্তৰ মহানগৰীৰ উপেক্ষিত অঞ্চল হিচাপে পৰিগণিত আমিনগাওঁ আৰু উত্তৰ গুৱাহাটীলৈ, মহানগৰীৰ এলেকা সম্প্ৰসাৰণ কৰিব লাগে। তেনে কৰিলে ঐতিহ্যমণ্ডিত পাহাৰবোৰ ৰক্ষা পৰিব, প্ৰদূষণ কমিব আৰু গুৱাহাটী মহানগৰী পৰ্যটকৰ বাবে এক আকৰ্ষণীয় স্থান হৈ পৰিব। ভাৰতবৰ্ষত যিমানবোৰ চহৰ আছে, প্ৰাচীন ঐতিহ্যত সবাতোকৈ চহকী চহৰ, গুৱাহাটী বুলিয়েই ক'ব পাৰি। চাৰিওফালে সেউজীয়া পৰ্বত পাহাৰে আগুৰা ইমান মনোৰম দৃশ্য কোনো

চহৰতেই বিৰাজ কৰা নাই। অকল পাহাৰেই নহয় অসমৰ বিশাল মহাবাহু ব্ৰহ্মপুত্ৰই যি অপৰূপ সৌন্দৰ্য্য আৰু সেমেকা জলবায়ু যোগানত সহায় কৰিছে তাৰ লৈ চাই ব্ৰহ্মপুত্ৰ যেন অসমৰ বাবে জীৱনদায়িনী। কালিকাপুৰাণে মানস সৰোবৰ, মেৰুপৰ্বত আদিও অসমতেই আছিল বুলি কৈছে। সোৱনশিৰী নদীখনেই প্ৰাচীন সৰস্বতী নদী। বশিষ্ঠাশ্ৰমৰ পৰা ওলাই গুৱাহাটীৰ মাজেৰে বৈ যোৱা ভৰলু নদীখনে গুৱাহাটীৰ সৌন্দৰ্য্যবৰ্দ্ধনত প্ৰভূত পৰিমাণৰ অৰিহণা যোগাইছিল। কিন্তু মহানগৰ কৰ্তৃপক্ষৰ অমনোযোগিতাৰ বাবে নদীখন হৈ পৰিছে অৱহেলিত। ঋগবেদত বিশ্বমিত্ৰ ঋষিয়ে প্ৰাগজ্যোতিষৰ ওচৰত থকা দুখন নদীৰ নাম উল্লেখ কৰি গৈছে। সেই নদী দুখন হ'ল শতদ্ৰু আৰু বিপাশা। এই দুয়োখন নৈ দেৱযানি প্ৰাগজ্যোতিষৰ ফালে বৈ গৈছে। খুউব সম্ভৱ কালিকাপুৰাণৰ বৰ্ণনাই যোগিনীতন্ত্ৰৰ বল্লভা আৰু বৰ্তমানৰ বল্লিয়া অথবা বৰলীয়া নদীখনেই তাহানিৰ বিপাশা আৰু (এতিয়াৰ) হাজোৰ কাষেদি বৈ যোৱা চেঁচা নৈয়েই বৈদিক শতদ্ৰু নদী। সৰস্বতী, দৃশ্যস্বতী আদি বেদত উল্লেখ কৰা নদীবিলাক প্ৰাগজ্যোতিষৰ ওচৰে-পাজৰেই আছিল। সেইবিলাকক বিচাৰি সুদূৰ পাঞ্জাৱলৈ যাব নালাগে। পাগলা দিয়া নদীখনকেই বহুতে বৈদিক যুগৰ হৰিপানী অথবা হৰিযুপীয়া নদী বোলে। উমানন্দ আৰু উৰ্বশী শৈলৰ মাজেদি ব্ৰহ্মপুত্ৰৰ যি ধাৰা পানী বৈ গৈছে তাৰ নাম সৰস্বতী। 'ভস্মাচলা স্পৃশা ধাৰা সা বিত্তেয়া সৰস্বতী'। অশ্বক্লান্ত আৰু গোবৰ্ণৰ ওচৰত তিনি সুঁতি একে লগ হৈ সৰস্বতী নৈৰ সঙ্গ হোৱা বুলি বৰাহ পুৰাণৰ ১৭০ অধ্যায়ত লিখা আছে। কালিকাপুৰাণত লিখা আছে যে বাৰাণসীত দেৱীক পূজা কৰিলে সম্পূৰ্ণ ফল পোৱা যায়। কিন্তু তাৰ পৰা ক্ৰমে উজাই গৈ কৰতোৱা নদীৰ পানীত পূজা কৰিলে কামৰূপৰ জলে-স্থলে সৰ্বত্ৰতে তাৰ চৰ্তুগুণ ফল লাভ কৰে।

প্ৰাচীন গুৱাহাটীৰ পৰ্বত পাহাৰ নদ-নদীৰ নাম উল্লেখ থকা প্ৰথমখন মানচিত্ৰ হৈছে বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞাৰ 'Anglo-Assamese Relations' নামৰ গৱেষণা গ্ৰন্থখনত সন্নিৱিষ্ট ১৭৯৪ চনত হাতে আঁকা মানচিত্ৰখন। এই দুৰ্লভ মানচিত্ৰখন ড° অমলেন্দু গুহৰ 'বৈষ্ণৱবাদৰ পৰা মোৱামৰীয়া





বিদ্ৰোহলৈ' নামৰ গ্ৰন্থখনত সন্নিৱিষ্ট আছে। উল্লেখযোগ্য কথা হ'ল যে এইখনৰ বিষয়ে ড° গুহই কলকাতাৰ Centre for studies in social sciences নামৰ সংস্থাটোত কাম কৰি থাকোঁতে লণ্ডনৰ India Office Library কৰ্তৃপক্ষৰ লগত যোগযোগ কৰি British Council ৰ পৰা এইখন সংগ্ৰহ কৰিছিল। এই মানচিত্ৰখনত প্ৰাচীন গুৱাহাটীৰ পৰ্বত-পাহাৰ, নদ-নদী, দুৰ্গ আৰু অন্যান্য ভালেমান সম্পদ আৰু ঐতিহাসিক ঠাইৰ নাম উল্লেখ আছে।

উল্লেখনীয় কথা হ'ল শৰাইঘাটৰ যুদ্ধৰ এশ একৈশ বছৰ পাছত গৌৰীনাথ সিংহৰ আমন্ত্ৰণক্ৰমে ইষ্ট ইণ্ডিয়া কোম্পানীৰ এগৰাকী সেনাপতি কেপ্তেইন ৱেলচে ১৭৯২ চনৰ ২৪ নৱেম্বৰত গুৱাহাটীৰ দুৰ্গ দখল কৰিছিল। ৱেলচৰ সৈন্য দলত থকা বেংগল ইঞ্জিনিয়াৰিং চাৰ্ভেয়াৰ টমাচ উডে ১৭৯৪ চনত ওপৰত উল্লেখ কৰা মানচিত্ৰখন তৈয়াৰ কৰে। উক্ত মানচিত্ৰখনত দুশ বছৰ আগৰ গুৱাহাটীৰ এটা স্পষ্ট ৰূপ দেখিবলৈ পোৱা যায়। থমাচ উডে ব্যৱহাৰ কৰা পাহাৰ আৰু নদীসমূহৰ নাম এনেধৰণৰ (পাহাৰসমূহ) অশ্বক্লান্ত, জালুকবাৰী আৰু বুঢ়াবাৰী পাহাৰ, হাতীগড় গাঁও আৰু পাহাৰ, শৰণীয়া পাহাৰ, বুঢ়া পাহাৰ, ভূৱনেশ্বৰী পাহাৰ, কামাখ্যা, মালিগাওঁ, গীতানগৰ, গোটাঅসুৰ আলি পাহাৰ, উমানন্দ, মণিকৰ্ণেশ্বৰ, ছত্ৰশাল পাহাৰ, ফটাশিল বাঘৰ গাঁও, জ্যোতিকুছি পাহাৰ, সোণাইঘূলি গাৰোৱাণী পাহাৰ, বোন্দা পাহাৰ, চূণচালি, খাৰঘুলি, জাপৰিগোগ, নৰকাসুৰ, বেলতলা, ইটাচলি, হেঙেৰাবাৰী, আমচাং চূণচালি পাহাৰৰ উপৰি নদ-নদী কিছুমানৰ নামো তেওঁ উল্লেখ কৰি গৈছে। তাৰ ভিতৰত ব্ৰহ্মপুত্ৰ, ভৰলু, বশিষ্ঠ, বাহিনী নৈ, আমচাং, মৰা ভৰলু, খনাজান নৈ, উমচেং নৈ আদিৰ নাম উল্লেখ আছে। উডে সৰু সৰু নদী আৰু জলাশয় জুৰি আদিৰ নামো উল্লেখ কৰি গৈছে। তেওঁ কেইবাখনো চকী লতাশিল, আন্ধাৰ চকী, নুনমাটি চকী, জয় দুৱাৰ চকী, পাণ্ডুৰ চকী, ধৰ্ম দুৱাৰ চকীৰ নামো উল্লেখ কৰিছে। অৱশ্যে উডে Fort of Guwahati.... Consisting a low common brick wall and very bad ditch....' অসম বুৰঞ্জীত উল্লেখ কৰা গড়বিলাক দেখা নোপোৱা বুলি উল্লেখ কৰিছে। এইখনিতে গুৱাহাটীৰ আন এখন ছবি বিচি এলেনে ১৯০৫

চনৰ আছাম ডিষ্ট্ৰিক গেজেটিয়াৰত দেখা পোৱা বুলি উল্লেখ কৰিছে। তেওঁ কৈছিল যে “গুৱাহাটীত বহুতো বিল আৰু জলাহ ঠাই আছে কিন্তু কোনো ডাঙৰ হ্ৰদ নাই।” তেওঁ উল্লেখ কৰা মতে গুৱাহাটীৰ সমতল ভূমিৰ পৰা ব্ৰহ্মপুত্ৰলৈ পানী ওলাই যোৱাৰ পথ চাৰিখন সৰু সৰু নৈয়ে বহন কৰা বুলি উল্লেখ কৰি গৈছে। এই নৈবিলাকৰ ভিতৰত মেঘালয়ৰ পৰা নামি আহি বশিষ্ঠাশ্ৰমৰ ওচৰত কামৰূপ জিলাত সোমোৱা বাহিনী বা ভৰলু নৈ খন প্ৰধান নদী। বশিষ্ঠাশ্ৰমৰ দাঁতিৰে সোমোৱা আনখন নৈ হৈছে বশিষ্ঠ নৈ। এইখন নৈ পশ্চিমলৈ বৈ গৈ দীপৰ বিলত পৰিছে। নৰকাসুৰ পাহাৰ আৰু ফটাশিল পাহাৰৰ মাজত থকা বিলখনৰ নাম হৈছে বিহুবাৰী। বিহুবাৰীৰ দক্ষিণে থকা জলাহভূমিৰ পৰা ওলাই গৈ ভৰলুত পৰিছে মৰাভৰলু নৈখন। গুৱাহাটীত থকা পৰ্বত-পাহাৰ আৰু নদ-নদীবোৰ সৈতে একাকাৰ হৈ আছে জলাশয়সমূহ। জাপৰিগোপ পাহাৰৰ পূবত আছে শিলসাঁকো বিল। আমচাং চাহবাগিছাৰ পৰা ওলাই আমচাং নৈখন (আজিকালি আমচাং এখন অৰণ্য হিচাপেও জনাজাত) প্ৰথম টেপৰ বিলত পৰিছে তাৰ পাছত হে শিলসাঁকো বিলত পৰিছে। উমচেং নামৰ নৈখন খানাপাৰাৰ ওচৰৰ পৰা আহি আমচাং নৈত পৰিছে। শিলসাঁকো বিলৰ পৰা আমচাং ওলাই গৈ পানী খাইতীৰ ওচৰত ব্ৰহ্মপুত্ৰত মিলিছে। গুৱাহাটীৰ মাজত থকা বৰচলা বিলখনৰ লগতো এই অঞ্চলৰ ভালেকেইখন সৰু সৰু নদীৰ সম্পৰ্ক আছে। গুৱাহাটীৰ চাৰিওফালে থকা শৰণীয়া পাহাৰ, নৰকাসুৰ পাহাৰ, ফটাশিল, পাহাৰ আদিৰ পৰা সৰু সৰু জানজুৰি আহি জলাশয়বোৰত পৰিছেহি। শিলপুখুৰী, বামুণীমৈদাম চিৰিয়াখানাৰ জাপৰিগোপ পাহাৰ আদিত থকা সৰু সৰু পাহাৰবোৰৰ পৰাও জান-জুৰি বৈ আহিছে। ভৰলু নদীখনে প্ৰকৃততে গুৱাহাটীৰ মাজেৰে বৈ আহি ভৰলুমুখত আহি ব্ৰহ্মপুত্ৰত মিলিছে। চাবলৈ গ'লে ইংলেণ্ডত টেমচ নৈৰ দৰেই ভৰলু নদীখনেও গুৱাহাটীক সৌন্দৰ্যবৰ্দ্ধনত সহায় কৰিছে। কিন্তু দূৰদৰ্শিতাৰ অভাৱতেই হওক নতুবা সঠিক পৰিকল্পনাৰ অভাৱতেই হওক উক্ত নদীখনক আমি হত্যাহে কৰিছো। বাহিনী নৈ খন বশিষ্ঠৰ পৰা গৈ দীপৰ বিলত পৰিছে। দীপৰ বিলৰ পৰা খনাজানেৰে গৈ পুনৰ ব্ৰহ্মপুত্ৰত মিলিছে সৰু সৰু





নদী আৰু পাহাৰবোৰৰ পানী। গুৱাহাটী মহানগৰৰ বৰ্দ্ধিতকৰণৰ বাবেই পূৰ্বৰ শিলসাঁকো চলাবিল, দীপৰ বিল, বিহুবাৰীকে ধৰি শৰণীয়া পাহাৰৰ নামনিৰ উলুবাৰীৰ দক্ষিণেৰে কছাৰীবস্তিৰ ঠাইবোৰত থকা জলাশয়বোৰো নাইকিয়া হ'ল। সৰুচলা বৰচলা বিলো সংকুচিত হ'ল। পূৰ্বতে ভৰলুৰ ওপৰঞ্চি পানী উপৰিউক্ত জলাশয়বোৰত পৰিছিল। প্ৰাচীন গুৱাহাটীৰ নদ-নদী জলাহ আদিক চৰকাৰীভাৱেও হত্যা কৰা হৈছে। উদাহৰণস্বৰূপে দক্ষিণে নৰকাসুৰ পাহাৰ আৰু উত্তৰে ভৰলুত মাজত থকা জলাশয়বোৰত ভৰলুৰ ওপৰঞ্চি পানী জমা হৈছিল। বিহুবাৰী বিলৰ দক্ষিণে কটাহবাৰী গাঁৱৰ পৰা জ্যোতিকুচি, আহোমগাওঁ ধপলীয়ালৈকে থকা জলাশয়বোৰৰ ঠাইত চৰকাৰে বালাজী মন্দিৰ, তেলডিপো আন্তঃৰাজ্যিক বাছ আস্থান পাতিবলৈ দিছে। আনকি দীপৰ বিল ৰক্ষাৰ বাবেও (সংৰক্ষণৰ বাবে) আন্দোলন কৰিবলগীয়া হৈছে। গুৱাহাটীত বৰ্তমান যি পৰিস্থিতিৰ উদ্ভৱ হৈছে সেয়া যোৱা এশ বছৰত ইয়াৰ পৰ্বত পাহাৰ জান-জুৰি বিল পিতনি পুতি পেলোৱাৰ বাবেই হৈছে। শৰণীয়া পাহাৰৰ পৰা অহা জান-জুৰি নৱগ্ৰহ শ্মশানৰ দাঁতিৰে নামি অহা জুৰি নিজৰা পাহাৰৰ মাজেদি আকাশবাণী চৌহদৰ দাঁতিৰে বৈ অহা জান-জুৰি (আৰু অলেখ উদাহৰণ আছে) য়ে গুৱাহাটীত থকা প্ৰাচীন নদীৰ মৃত্যু ঘটাইছে বুলিও ক'ব পাৰি।

ভৰলু নদীখন হঠাতেই সৃষ্টি হোৱা নদী নহয়। এসময়ত খাৰঘুলি আৰু চূণচালি পাহাৰৰ পৰা অহা পানী, হাতীগড় পাহাৰৰ মাজেদি পশ্চিমলৈ বৈ অহা পানী ভৰলুত পৰিছিলহি। এতিয়া গুৱাহাটীৰ প্ৰাচীন পৰ্বত-পাহাৰ নদ-নদী, জান-জুৰি সমূহ অৱক্ষয়ৰ কক্‌বকনিত স্তব্ধ হৈ পৰিছে।

প্ৰাচীন গুৱাহাটীৰ পৰ্বত-পাহাৰ নদ-নদীৰ অৱক্ষয়ৰ কাৰণ হৈছে গুৱাহাটী মহানগৰীৰ উন্নীতকৰণ। ঊনৈশ শতিকাৰ আৰম্ভণিত দক্ষিণ গুৱাহাটীৰ প্ৰকৃততে (উত্তৰ গুৱাহাটী, দক্ষিণ গুৱাহাটী দুয়োখনেই পূৰ্বতে গুৱাহাটী আছিল) জনসংখ্যা হেনো ছহেজাৰহে আছিল আৰু আজি ভালেমান জনসংখ্যাক সংযোজিত কৰিলে গুৱাহাটীত দৈনিক ত্ৰিশৰ পৰা পঞ্চাশ লাখ জনসংখ্যা হ'বগৈ। পূৰ্বতে শুনামতে চলাবিলখন বৰ্তমান আঠগাঁৱৰ গোশালাৰ অলপ দক্ষিণৰ পৰা পল্টন বজাৰলৈ

বিস্তৃত আছিল। এই বিলখন আমবাৰীৰ বসতিপূৰ্ণ অঞ্চল পাৰ হৈ উজানবজাৰৰ নাওজান হৈ ব্ৰহ্মপুত্ৰৰ সৈতে সংলগ্ন আছিল। বিলখনৰ উত্তৰ-পূব অংশ সৰু চলা আৰু দক্ষিণপূব অংশক বৰচলা বুলিছিল। উল্লেখনীয় কথা হ'ল গুৱাহাটীৰ পৰা উজনিলৈ ৰেললাইন, শ্বিলং-গুৱাহাটী পথৰ কিছু অংশ চলাচল বিল পুতিহে কৰা হৈছে। ১৮৫৩ চনত গঠিত গুৱাহাটী পৌৰসভাৰ অধীনত চহৰৰ পশ্চিমৰ সীমা আছিল ভৰলু নৈ, দক্ষিণে পল্টনবজাৰ, পূৱে গুৱাহাটী ক্লাৱ। অৱশ্যে বৰফুকনৰ সময়ত নগৰত প্ৰৱেশ কৰিবলৈ তিনিখন প্ৰধান চকী আছিল পূৰ্বৰ জয়দুৱাৰ বা পূবদুৱাৰ, দ্বিতীয়খন চকী আছিল খাৰঘৰৰ চকী (বৰ্তমানৰ লালসিং একাডেমীৰ ওচৰত) আৰু তৃতীয়খন আছিল পানীচকী বা লতাশিল চকী, ব্ৰহ্মপুত্ৰৰ পাৰত পূবপিনে কুকুৰিকটা, পানীখাইতী, দক্ষিণে বেলতলা আৰু ধৰমদুৱাৰ বা ফটাশিল চকী। পশ্চিমফালৰ একমাত্ৰ চকীখন আছিল দুৱাৰ গৰিলা বা পাণ্ডুচকী। বৃটিছে শাসন কৰাৰ সময়ত এই চকীসমূহ উঠাই দিয়ে। অতি তাৎপৰ্যৰ কথা যে প্ৰাচীন গুৱাহাটীত শান্তিপুৰ নামৰ ঠাইখন নাছিল। এই ঠাইত এজন ব্ৰিটিছ চাহাবে উদলেণ্ড নামৰ চাহবাগিছা খুলিছিল। শান্তিপুৰ নামটো পাছত সাহিত্যিক দৈৱ তালুকদাৰে দিছিল। শান্তিপুৰৰ পৰা ভৰলু নৈলৈকে অঞ্চলটোৰ নাম দোপদৰ বা কাছাৰী নামে জনাজাত আছিল। ইয়াতেই বৰফুকনৰ কাছাৰী আছিল। লুইতৰ পাৰৰ ভৰলুলৈ আৰ্জি খোৱা নামৰ এটা ৰজাদিনীয়া গড় আছিল। নদী আৰু পাহাৰৰ গুৰুত্বই আছিল প্ৰাচীন গুৱাহাটীৰ অন্য এক উল্লেখনীয় দিশ।

গুৱাহাটীৰ চৌপাশে যে বিভিন্ন পৰ্বত পাহাৰ আছে সেই কথা বিভিন্ন লেখনিত পোৱা যায়। কোনো কোনোৱে প্ৰাচীন গুৱাহাটীৰ পাহাৰবোৰ মেঘালয়, মালভূমিৰ অৱশিষ্ট পাহাৰ বুলিও মন্তব্য কৰিছে। গুৱাহাটীৰ চৌপাশে থকা আলাবৈ, বৰষৈ, কুশবৈ, ব্ৰহ্মাবৈ, আগিয়াঠুটী, অগ্নি বাণেশ্বৰ, অনুৰ্ভৰ, অশ্বক্লান্ত, বাঘেশ্বৰী, বামন, বৰাগাওঁ, ভস্মাচল, নীলাচল, ভূমিশ্বৰ ব্ৰহ্ম, বোন্দা, চাংসাৰি, চন্দ্ৰ, ছত্ৰাচাল চিত্ৰাচল, চিলা, কুলাচল, দেওদুৱাৰ, দেৱনাগিৰি, দীৰ্ঘেশ্বৰী, ভূৱনেশ্বৰী, ফটাশিল, গান্ধাৰী, গন্ধমাৰ্দন গণেশ, গাৰোঘুলি, গিৰিকাচল, গোদন্ত,





গোবৰ্ণ, হাতীমৰা ইন্দ্ৰ পৰ্বত, ইটাঘুলি, জালুকবাৰী, কামাখ্যা, কালাপাহাৰ, কামঘুলি, কইনাধৰা, কুৰুৱা, মদনাচল মৈৰাক-মৈৰাং, নৰকাসুৰ, বৰাহ, পাণ্ডুশৈল, সন্ধ্যাচল, শৰাই শৰণীয়া উষাহৰণ (সোণাইঘুলি) শুক্ৰেশ্বৰ, উষা হৰণ, বশিষ্ঠ, আদিত্য অগ্নিমালা, আমচল, অৰ্ব্বাক, ভগৱান, ভূৱনেশ্বৰ, ব্ৰহ্মগিৰি, দৰ্পণ, ধনদা, দৰ্জয় ক্ৰান্ত্ৰ কানন, গন্ধৰ্ব, ঘটীকাচল, গ্ৰহ, গোবিন্দ, হস্তীপৰ্বত, ক্ষোভক, সুৰশ, কীৰ্তিবাশ, স্পৰ্শাচল, সিদ্ধেশ্বৰ, সুকান্ত সুতিকৃষ্ণ, উদয়গিৰি, বৰুণাচল, বায়ুকুট আৰু সোম প্ৰভৃতি পৰ্বতমালাই কেম্বিয়ান যুগৰে পৰাই প্ৰাচীন অসম বা কামৰূপ আবৰি আছে। (উৎস 'গুৱাহাটী' -ড° শংকৰ কুমাৰ ফুকন, স্মৃতিগ্ৰন্থ সন্ধ্যা-ললিতা-কান্তা-২০১৪ চন, মুখ্য সম্পাদক ৰমেশ পাঠক, গুৱাহাটী অসম সাহিত্য সভাৰ পত্ৰিকা)

প্ৰাচীন গুৱাহাটী পৰ্বত-পাহাৰ, নদ-নদীৰে ভৰপুৰ হৈ থকাৰ উপৰি এই নগৰখন সম্পৰ্কে থকা মানুহৰ বিভিন্ন বিশ্বাসে গুৱাহাটীক সৰগৰ দুৱাৰ সদৃশ বুলি কোৱা হয়।

কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰক অসমৰ প্ৰাগঐতিহাসিক যুগৰ ইতিহাস বুলি ক'ব পাৰি। কালিকাপুৰাণত উল্লেখ থকা কামাখ্যাৰ বিৱৰণত মধু কৈতভৰ যিটো আখ্যান আছে তালৈ চালে কামাখ্যাৰ নীলাচল পৰ্বত আৰু অসম পৰ্বতমালা জলজ কীটবিলাকৰ অস্থি আৰু লেলাৰতিৰ পৰা সৃষ্টি হোৱা বুলি অনুমান কৰিব পাৰি। পাণ্ডুৰ 'বৰাহশিলা' বা কল্পশিলা অগ্নুৎপাতত পানীৰ তলৰ পৰা ওলাইছিল আৰু মধু কৈতভৰ লীলাও ইয়াতেই হৈছিল। মধু কৈতভৰ আখ্যানত কিছু বৈজ্ঞানিক সত্য থকা যেন লাগে। কাৰণ ভাৰত মহাসাগৰৰ লাক্ষা দ্বীপ আৰু মালদ্বীপ পোৱাল পোকৰ অস্থিৰ পৰা উৎপত্তি হোৱা কথাটো আমি জানো।

প্ৰাচীন গুৱাহাটীৰ পৰ্বত পাহাৰৰ প্ৰসঙ্গতেই নানান কাহিনীৰ আঁত ধৰি ক'ব পাৰি- "এছিয়া মহাদেশৰ পূব আৰু উত্তৰফালৰ যিখিনি ঠাই প্ৰথমে মহাসাগৰৰ গৰ্ভৰ পৰা ওলাইছিল, তাৰ ভিতৰত ব্ৰহ্মদেশ তিব্বত হিমালয়ৰ পূব অংশ অসম পৰ্বতমালা, উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ দুই এক অংশ অন্যতম"। এছিয়াৰ কোনখিনি ঠাইত প্ৰথমে মানুহৰ বসতি আছিল, সেই সম্পৰ্কে

পণ্ডিতসকলে সঠিককৈ ক'ব নোৱাৰে। কোনো কোনোৱে ক'ব খোজে গুৱাহাটীৰ চিত্ৰাচলত থকা নৱগ্ৰহ তীৰ্থস্থানখনেই অৰ্থাৎ চিত্ৰাচল পাহাৰখনেই অসমৰ প্ৰাচীন পাহাৰ। অমৰকোষৰ মতে দেৱৰাজ ইন্দ্ৰ প্ৰাচীদিশৰ অৰ্থাৎ পূৰ্বদিশৰ অধিপতি আছিল। প্ৰাচীন গ্ৰন্থ যজুৰ্বেদত লিখা আছে যে ভাৰতৰ পূৰ্বাংশত দেৱতাসকলৰ, পশ্চিমাংশত মনুষ্যসকলৰ উত্তৰফালে ৰুদ্ৰসকলৰ আবাসভূমি। সুমেৰুৰ (হিমালয়) দক্ষিণে আকাশত (ভোট আঁকা আৰু দফলা থকা পৰ্বত বৰ্তমান অৰুণাচল প্ৰদেশত) পিতৃসকল বাস কৰিছিল। আঁকা জাতি থকা পৰ্বতক আজিকালি আঁকা বা আকাহ পৰ্বত বোলা হয়। আঁকা বা আকাহ শব্দৰ অপভ্ৰংশ হ'ব পাৰে। আকাশ শব্দৰ পৰা আহিব পাৰে। পৌৰাণিক লোকবিশ্বাসমতে দফলা পৰ্বতমালাৰ ভিতৰতে শংকৰৰ মহাশ্ৰম আদি কৈলাস বা নটক পৰ্বত আছিল। নটকৰ কাযতে এটা দিব্য সৰোবৰ আছে। সম্ভৱত সেইটোৱেই আদি মানস। কালিকাপুৰাণে সেই সৰোবৰক মানসসন্নিভৎ বুলিছে। বিশ্বনাথ অঞ্চলকে মানস ক্ষেত্ৰ বুলি অভিহিত কৰিছে যেন লাগে।

বায়ুপুৰাণ আৰু ব্ৰহ্মপুৰাণ মতে প্ৰাচী বা পূৰ্ব দিশেই ইন্দ্ৰদ্বীপ বা সুৰালয়। সেইবাবেই ইন্দ্ৰৰ আন এটা নাম সুৰালয়। কালিকাপুৰাণে আমাৰ দেশখনকো সুৰালয় বুলি কৈছে। গ্ৰীক ঐতিহাসিক টলেমি চাহাবৰ মতে 'আদেই স্বৰ্গ' আৰ্য্যৱৰ্ত পূৰ্বাদিশত।

প্ৰাচী দিশটো মেৰু পৰ্বত। মেৰু পৰ্বতকো সুৰালয় বোলে। অমৰকোষৰ মতে ভাৰতৰ যি অংশৰ পূব আৰু দক্ষিণে সৰস্বতী নদী বৈ গৈছে সেয়ে প্ৰাচী দেশ। আমাৰ দেশৰ সোণকমোৱা নদী সোৱনশিৰিয়েই বৈদিক যুগৰ সৰস্বতী নদী। এই নৈখন ব্ৰহ্মপুত্ৰ লগত একেলগে মিলি যোৱা কাৰ্যক ব্ৰহ্মপুত্ৰকো সৰস্বতী নদী বুলি ক'ব পাৰি। ব্ৰহ্মপুত্ৰৰ যি অংশ সোৱণশিৰিৰ লগত মিলিত হোৱা নাই সেই অংশই দিহিং বা দৃশাস্বতী নদী। আমাৰ দেশৰ উত্তৰ কুশ খণ্ডও প্ৰাচীৰ ভিতৰতেই পৰে। ৰামায়ণত এই 'প্ৰাচী'কে ইন্দ্ৰৰ কান্তা বদানিমণ্ডিত 'পূবদিশে বুলি লিখা আছে। (উৎস-বাবু ৰাখাল দাস বন্দোপাধ্যয়ৰ মতামত। প্ৰাচীন 'প্ৰাচী' দেশখনেই প্ৰাগজ্যোতিষ ৰাজ্যও হ'ব পাৰে। মহাভাৰতৰ গালৰ আৰু গড়ৰ





ভ্ৰমণ প্ৰসঙ্গত প্ৰাচী বা পূৰ্বদিশৰ বৰ্ণনা আছে। প্ৰাগজ্যোতিষ স্বৰ্গৰ দুৱাৰমুখ স্বৰূপ। ইয়াৰেই দক্ষ প্ৰজাপতিৰ জীয়েক আদিতি আদিৰ গৰ্ভত কাশ্যপৰ ঔৰসত প্ৰজাসকলৰ উৎপত্তি হৈছিল। আনহাতে দেৱতাসকলেও এই সময়তেই শ্ৰীলাভ কৰিছিল। ইয়াতেই ইন্দ্ৰৰ অভিষেক সম্পন্ন হৈছিল। পৌৰাণিক তথ্য মতে দেশৰ নাম প্ৰাচী বা পূৰ্বদেশ হৈছিল।

মহাভাৰতৰ যুদ্ধত ভগদত্তই দেখুওৱা বিক্ৰমৰ কথা আমি জানো। সেই সময়ত প্ৰাগজ্যোতিষ স্বৰ্গৰ দুৱাৰ স্বৰূপ আছিল। তাৰ বহু বছৰ পূৰ্বে এইদেশেই 'ইন্দ্ৰৰ কান্তা' আদি স্বৰ্গৰাজ্য আছিল। শ্ৰীহট্টৰ নিধনপুৰত পোৱা ভগদত্তবংশীয় প্ৰাগজ্যোতিষৰ ৰজা ভাস্কৰ বৰ্মাৰ তামৰ ফলিত ভগদত্তক 'ইন্দ্ৰৰ সখা' বুলি লিখা আছে। বহুতেই কয় স্বৰ্গৰাজ্যৰ ৰজাৰ উপাধি আছিল ইন্দ্ৰ। ভগদত্তৰ ৰাজত্বৰ সময়ত স্বৰ্গৰাজ্যখন তেওঁৰ ৰাজ্যৰ পৰা বহু দূৰৈত নাছিল। হিমালয় পৰ্বতৰ এটা অংশই প্ৰাচীন অসম আগুৰি আছিল। মহাকবি কালিদাসে লিখা 'অস্তুত্তৰস্যাং দিপি দেৱাতাত্মা' কথাটো বিশেষ মন কৰিবলগীয়া। মেৰু পৰ্বতৰ মাজৰ ইলাবৃত্ত নামে এখন শস্যশ্যামলা উৰ্বৰা উপত্যকা আছিল বোলা কথাযাৰেই অসমকেই বুজোৱা যেন লাগে।

নৰকাসুৰৰ পিতৃৰ নাম আছিল বৰাহ-বিষ্ণু। প্ৰাচীন অসমৰ জয়ন্তীয়া ৰজাকো বৰাহৰাজ বোলা হৈছিল। প্ৰাক-শংকৰী যুগৰ কবি মাধৱ কন্দলীয়ে বৰাহী ৰজাৰ নিৰ্দেশত বাল্মীকি ৰামায়ণখনো অনুবাদ কৰাৰ কথা সাহিত্যৰ ছাত্ৰ আটায়ে জানে। গুৱাহাটীৰ বশিষ্ঠাশ্ৰমৰ ওচৰত বশিষ্ঠৰ ভাৰ্য্যা অৰুন্ধতী নামৰ এটা প্ৰকাণ্ড শিল আছে। তেনেকৈ নৰকাসুৰৰ মাতৃ বসুমতীৰ নামেৰেও নগাওঁ জিলাৰ দক্ষিণফালে জয়ন্তীয়া পৰ্বত শাৰীত বসুন্ধৰা নামে এটা শিল আছে।

প্ৰাচীন গুৱাহাটী যে পুৰাণ, মহাভাৰত ৰামায়ণ আদিত উল্লেখ থকা আদি স্বৰ্গ সেই কথা বহু কাহিনীৰ অৱলম্বনত প্ৰমাণ কৰিব পাৰি।

ৰাজৰ্ষি জনকৰ ঘৰত নৰকাসুৰৰ জন্ম হৈছিল। ইলা নামেৰে বৈৱস্বত মনুৰ এজনী জীয়েক আছিল। তেওঁক চন্দ্ৰবংশীয় বুধে বিয়া কৰাইছিল। তেওঁৰ পুতেকৰ নাম পুৰুৰৱা। উৰ্বশী পুৰুৰৱাৰ ভাৰ্য্যা। তেওঁলোকৰ বংশধৰ অমৃতৰাজঃ

ৰজাই প্ৰাচী দিশত ‘প্ৰাগজ্যোতিষপুৰ’ নামে নগৰ স্থাপন কৰিছিল। তেওঁ তাত ৰাজত্ব কৰা কথা আদিকাণ্ড ৰামায়ণৰ ৩৪ অধ্যয়ত লিখা আছে। অমূতৰাজঃ ৰজা কুশনাভৰ ভাতৃ। বিশ্বামিত্ৰ ঋষি কুশনাভৰ নাতি। এইসকলৰ ঋষি-মুনিৰ বিভিন্ন আশ্ৰম এই গুৱাহাটীতেই আছিল। সন্ধ্যাচল পাহাৰৰ বশিষ্ঠাশ্ৰম, শঙ্খাচল বা উমাচল পাহাৰৰ উমানন্দ, উৰ্বশী শৈলৰ উৰ্বশী শুক্ৰেশ্বৰ, উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত, নীলাচলৰ কামাখ্যা আৰু নৱগ্ৰহ পাহাৰৰ চিত্ৰাচলৰ নৱগ্ৰহ তীৰ্থস্থান আদি পঞ্চতীৰ্থই আজিও গুৱাহাটীক প্ৰাচীন স্বৰ্গৰ দুৱাৰ হিচাপে অভিহিত কৰে। ভস্মাচলৰ লগত থকা কৰ্মনাশা পাহাৰৰ লগত ত্ৰেতাযুগৰ সূৰ্যবংশীয় ত্ৰিশংকুৰ উপাখ্যান জড়িত হৈ আছে। ত্ৰিশংকুৰ নিমিত্তেই কৰ্মনাশাৰ ওপৰেদি বৈ যোৱা ব্ৰহ্মপুত্ৰৰ পানী অপৱিত্ৰ হোৱা কথাটো বায়ু পুৰাণৰ ৮৮ অধ্যায়ত আছে। ৰামায়ণ আৰু মহাভাৰতৰ উপৰি বায়ু পুৰাণ, মৎস্য পুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ, অগ্নি পুৰাণ, গৰুড় পুৰাণ, মাৰ্কণ্ডেয় পুৰাণ আদিতো প্ৰাগজ্যোতিষৰ নাম উল্লেখ আছে।

প্ৰাগজ্যোতিষ নগৰখন লৌহিত্য নদৰ দুয়োপাৰে পাঁচ ক্ৰোশ ঠাইজুৰি আছিল। যোগিনীতন্ত্ৰৰ মতে - ‘হাজোৰ মণিকূট পৰ্বতৰ পৰা উত্তৰ গুৱাহাটীৰ মণিকৰ্ণেশ্বৰ পাহাৰলৈকে আৰু শুৱালকুছিৰ ওচৰৰ গন্ধমাদন বা মহামায়া পৰ্বতৰ পৰা গুৱাহাটীৰ নৱগ্ৰহ দেৱালয় থকা চিত্ৰাচল পৰ্বতলৈকে এই পাঁচক্ৰোশ ঠাই সকলোৰে বাবে দুৰ্লভ। ব্ৰহ্মা, বিষ্ণু আৰু ইন্দ্ৰাদি দেৱতাসকলে এই পৰম অদ্ভুত ঠাইখন সেৱা কৰি থাকে। মানুহৰ কথা বাদেই দেৱতাসকলেও এই ঠাইখনত মৰিবলৈ বাঞ্ছা কৰে। এই পঞ্চক্ৰোশ ব্যাপী যোনীপীঠলৈ যি যায়, তেওঁ দেৱতুল্য হয় আৰু যি মৰে তেওঁৰ আৰু পুনৰজন্ম” নহয়।

ওপৰত উল্লেখ কৰা বৰ্ণনাই (যুক্তিতকৈও লৌকিকতাক গুৰুত্ব দি কথাখিনি কোৱা হৈছে) প্ৰাচীন ঐতিহ্যশালী গুৱাহাটীক সৰগৰ দুৱাৰ সদৃশ কৰে যদিও সুস্থ চিন্তা-চৰ্চা, সঠিক গৱেষণা আৰু পৰিকল্পনাৰ অভাৱতেই বৰ্তমানৰ গুৱাহাটীৰ আশানুৰূপ উন্নয়ন হোৱা নাই বুলি ক’ব পাৰি। সৰগ সদৃশ গুৱাহাটীৰ উন্নয়ন প্ৰতি গৰাকী সচেতন নাগৰিকে অন্তঃকৰণেৰে সদায়েই বিচাৰে।

প্ৰাচীন গুৱাহাটীৰ পৰ্বত-পাহাৰ নদ-নদীৰ সংৰক্ষণ অতীৱ প্ৰয়োজন হৈ





পৰিছে। গুৱাহাটীৰ পূবত থকা ডিগাৰু নদী পশ্চিমত থকা খনা নদী আৰু মাজেৰে বৈ যোৱা ভৰলু নদীৰ পাৰবোৰ বান্ধি ইয়াৰ দুয়োপাৰে পৰিকল্পিত ভাৱে জনসাধাৰণক বসবাসৰ উপযোগী কৰি তুলিব পাৰিলে ভাল। ব্ৰহ্মপুত্ৰৰ পাৰবোৰ পৰ্যটকৰ বাবে আকৰ্ষণীয় কৰি তুলিব লাগে। গুৱাহাটী মহানগৰ কৰ্তৃপক্ষই মহানগৰীৰ গভীৰ জলাশয়বোৰত আধুনিক পদ্ধতিৰে মাছ পোহাৰ ব্যৱস্থা কৰিব পাৰে। জধে-মধে পাহাৰবোৰত বসবাস কৰা বেদখলকাৰীসকলক উচ্ছেদ কৰি সেই ঠাইত সামাজিক বনানীকৰণ, বটানিকেল গাৰ্ডেন আৰু চাহখেতি কৰাৰ ব্যৱস্থা কৰিব পাৰে। তেনে কৰিলে মহানগৰীখন প্ৰদূষণৰ পৰা ৰক্ষা পৰিব আৰু গুৱাহাটী পৰ্যটনৰ বাবে এক ৰম্যপুৰী হৈ পৰিব। অৱক্ষয়ৰ পথত ককবকাই থকা প্ৰাচীন গুৱাহাটীৰ পৰ্বত-পাহাৰ আৰু নদ-নদীবোৰ জীয়াই ৰাখিবলৈ সচেতন লোকসকল আগবাঢ়ি আহিব লাগিব। বছৰৰ কোনোবা এটা দিনত দিৱস পাতি দুই এটা গছ-পুলি ৰুলেই দেশখন সেউজীয়া হৈ নাযায়। নতুবা ৰাজনৈতিক মুনাফা আদায়ৰ বাবে দীঘলীয়া বক্তৃতাৰে দেশখনক সজীৱ কৰি তুলিব নোৱাৰি। জনসাধাৰণৰ অকুণ্ঠ সহায় সহযোগেৰেহে বসবাসৰ উপযোগী হৈ পৰিব।

**প্ৰসঙ্গঃ সহায় লোৱা পুথি, আলোচনী, বাতৰিকাকত ইত্যাদিঃ**


১। শৰ্মা, ড° প্ৰদীপ ঃ প্ৰাচীন কামৰূপৰ গৌৰৱোজ্জ্বল কাহিনীবোৰ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১ জুন,২০১২ প্ৰথম প্ৰকাশ।

২। চলিহা, সদানন্দ ঃ গুৱাহাটীৰ বুৰঞ্জীৰ খলা-বমাত ষ্টুডেন্টচষ্টোৰচ কলেজ হোষ্টেল ৰোড, গুৱাহাটী-১, প্ৰথম প্ৰকাশ ১৯৯১।

৩। হাজৰিকা, কুমুদেশ্বৰ ঃ মোৰ চিনাকি গুৱাহাটীঃ কত জন কত মন আঁকবাক, গুৱহাটী- মে, ২০১১ চন।

৪। হাজৰিকা, কুমুদেশ্বৰ ঃ ইতিহাসৰ ছাঁ-পোহৰত পুৰণি গুৱহাটী, শৰাইঘাট প্ৰকাশন, বামুণীমৈদাম, গুৱাহাটী-২১, ডিচেম্বৰ ২০১২।

৫। হাজৰিকা, লীলাধৰ ঃ অসমৰ ঠাইৰ নামত লোকসংস্কৃতিক উপাদান আৰু ইয়াৰ ঐতিহ্য, পূৰ্বায়ন প্ৰকাশন, গুৱাহাটী প্ৰথম প্ৰকাশ জানুৱাৰী ২০১৮।

৬। পাচনী-ড° বিজয় কৃষ্ণ ঃ মোমাইকটা গড়ঃ বিতৰ্ক আৰু বাস্তৱ, প্ৰান্তিক, ৩১শ বছৰ ৫ম সংখ্যা ৫, ১৫ ফেব্ৰুৱাৰী ২০১২।

৭। হাজৰিকা, লীলাধৰ ঃ ঐতিহ্য আৰু মোমাইকটা গড়, ৩০শ বছৰ, ২০ সংখ্য, ১৬, ৩০ ছেপ্তেম্বৰ ২০১১, প্ৰান্তিক।

৮। ভট্টাচাৰ্য, তৰুণ চন্দ্ৰ ঃ গুৱাহাটীৰ পৰিৱেশৰ অৱক্ষয় আৰু বানপানী, ২১শ বছৰ, ১৩শ সংখ্যা, ১, ১৫ ফেব্ৰুৱাৰী ২০১২।

৯। শৰ্মা, ড° হৰেন্দ্ৰ নাথ ঃ গুৱাহাটীৰ ঐতিহাসিক, ভৌগোলিক পটভূমি আৰু সামাজিক জনসংখ্যৰ স্থিতি, ৩১ শ বছৰ, ২৩শ সংখ্যা প্ৰান্তিক ১,১৫ নবেম্বৰ ২০১২।

১০। হাজৰিকা, কুমুদেশ্বৰ ঃ উনৈশ শতিকাৰ আলোকত বৰ্তমান গুৱাহাটী অসমবাণী, ২১ ছেপ্তেম্বৰ ১৯৯০ চন।

১১। তামুলী, ড° লক্ষ্মীনাথ ঃ গুৱাহাটী মহানগৰঃ ঐতিহাসিক পৰিবৰ্দ্ধন অসমবাণী ২৭ নৱেম্বৰ ১৯৯৮।

১২। ভট্টাচাৰ্য, ড° প্ৰমোদ চন্দ্ৰ ঃ প্ৰাগ-ঐতিহাসিক যুগত গুৱাহাটীৰ সাংস্কৃতিক ৰূপৰেখা, ১৫ আগষ্ট ১৯৮৯ চন নতুন দৈনিক কাকত।

১৩। নেওগ, ড° মহেশ্বৰ ঃ গুৱাহাটী মহানগৰী, পশ্চাদৱলোকন গুৱাহাটী বাৰ্তালোচনী, প্ৰথম বছৰ, তৃতীয় সংখ্যা ১৯৮৮ সম্পাদক-কনক চন্দ্ৰ কলিতা আৰু মণিকূট দাস।

১৪। ফুকন, ড° শৰৎ কুমাৰ ঃ গুৱাহাটী (প্ৰবন্ধ) সন্ধ্যা ললিতা কান্তা অসম সাহিত্য সভা ২০১৪ চন।

১৫। হাজৰিকা, লীলাধৰ ঃ অৱক্ষয় পথত প্ৰাচীন গুৱাহাটী পৰ্বত-পাহাৰ নদ-নদী, দৈনিক অসম, ২১ নৱেম্বৰ ১৯৯৫।

১৬। হাজৰিকা, লীলাধৰ ঃ জালুকবাৰী ঐতিহাসিক পটভূমি, ১৯৮৭ চন।

—+—



# স্মৃতিৰ জোলোঙাত গুৱাহাটী মহানগৰী

**কপুৰ চান্দ জৈন**

অতীত প্ৰীতি মানুহৰ সহজাত প্ৰবৃত্তি। মনৰ জগতখনত থিয় দিবলৈ অতীতেই ভেটি। নিজৰ অজ্ঞাতে মানুহে অকণমান আনন্দ বিচাৰি হাবাথুৰি খাই ফুৰিছে। সেই আনন্দ ৰাজপ্ৰাসাদ সাজিও পাব পাৰি বা জুপুৰী এটা সাজিও পাব পাৰি। সেই আনন্দৰ উৎস স্মৃতি ৰোমন্থনো হ'ব পাৰে। বিস্মৃতিৰ গৰ্ভত অতীতৰ স্মৃতিসনা কিবা চিহ্ন হেৰাই যোৱাটো অত্যন্ত বেদনাদায়ক। অতীতৰ চিহ্ন সংৰক্ষণ কৰিবলৈ সেয়েহে মানুহে অহৰহ চেষ্টা কৰি আহিছে।

অদূৰ অতীতৰ বহুতো কথা পাহৰি গৈছোঁ। কিন্তু শৈশৱৰ কিছুমান কথা মনৰ কোনোবা প্ৰান্তত ইমান দকৈ সাঁচ বহুৱালে যেন সেয়া কালি-পৰহিৰ ঘটনাহে।

যোৱা শতিকাৰ পঞ্চাশৰ দশকত আমি গুৱাহাটীত পঢ়িছিলোঁ। ১৯৫৫ চনত মই গুৱাহাটী কটন কলেজিয়েট স্কুলত নাম লগাইছিলো। তাৰ আগতে আমি পলাশবাৰীত পঢ়িছিলো। পলাশবাৰীৰ আৰ. বি. হাইস্কুলত মই অষ্টম শ্ৰেণীত প্ৰথম হৈছিলো। কিন্তু সেই বছৰেই ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত আমাৰ ঘৰ পানীত বুৰ যোৱাৰ কাৰণে আমাৰ গোটেই পৰিয়ালটোৱে গুৱাহাটীলৈ উঠি আহিছিল। গুৱাহাটীলৈ আহি আমি মাছখোৱাৰ ওচৰত কেদাৰ ৰ'ডত থাকিবলৈ ল'লো। সেই সময়ত মাছখোৱা অঞ্চলটো অতিপাত লেতেৰা আছিল। গুৱাহাটী

এতিয়া মহানগৰ হ'ল যদিও ২০০৩ চনলৈকে বিভিন্ন প্ৰকাৰৰ গাড়ী-মটৰ, ট্ৰাক, অটো-ৰিক্সা, ঠেলা, দুচকীয়াৰ পৰা আৰম্ভ কৰি ছয়চকীয়া পৰ্যন্ত গধুৰ-লঘু যান-বাহনবোৰে বৃটিছৰ দিনত বন্ধা ফায়েজ আহমেদ আৰু তৰুণৰাম ফুকন পথটোৰে দিনে নিশাই অহৰহ চলাচল কৰি পথছোৱাত পুখুৰী সদৃশ ডাঙৰ ডাঙৰ গাঁতৰ সৃষ্টি কৰিছিল। যাৰ ফলত মানুহ, গৰু-ছাগলী, মটৰগাড়ী, স্কুটাৰ আদিৰ সঘনে অঘটন ঘটাৰ ফলত এই অঞ্চলৰ ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছিল। কেঁচা নলা-নৰ্দমাবোৰৰ দুৰ্গন্ধ, পকী ঢাকনি দিয়া ফুটপাথবোৰৰ ওখোৰা-মোখোৰা ঢাকনিবোৰত উজুটি খাই বহু মহিলা শিশু আৰু বৃদ্ধ লোকে হস্পিতালৰ মুখ দেখিবলগীয়া হৈছিল।

তেতিয়া গুৱাহাটীত মানুহ-দুনুহ বিশেষ নাছিল। চহৰখনে তেতিয়াও নাগৰিক চৰিত্ৰ এটা আহৰণ কৰা নাছিল। কেইঘৰমান মানুহৰ বিচ্ছিন্ন গাঁৱৰ সমষ্টি বুলি ক'ব পাৰি। ভৰলুমুখত কেইঘৰমান মানুহ, ৰিহাবাৰীত কেইঘৰমান, উজানবজাৰত কেইঘৰমান, ঠিক এনেকুৱা। ফাঁচী বজাৰখন ব্যৱসায়ৰ কেন্দ্ৰ। সেই বুলি বিৰাট কিবা একো নহয়। কুঞ্জ ঠাকুৰৰ দোকান, মাতৃ ভাণ্ডাৰ, বৰগোলা এইবোৰ আছিল নাম কৰা দোকান। পাণবজাৰখন আছিল মিশ্ৰিত অঞ্চল। মানুহৰ ঘৰ-দুৱাৰো আছিল, দোকান-পোহাৰো আছিল। এইবোৰ দৃশ্য অৱশ্যে কেইবা বছৰমানৰ পিছত কলেজিয়েট স্কুলত নৱম শ্ৰেণীত পঢ়ি থকা কালত দেখা কথা।

তেতিয়াৰ গুৱাহাটী কিমান সৰু আছিল। পশ্চিমে ভৰলুমুখ, দক্ষিণে ৰিহাবাৰী আৰু পূবে শিলপুখুৰী। সহপাঠী বন্ধুবৰ অনিল বৰুৱাই কৈছিল যে তেওঁলোকৰ কোনোবা সম্বন্ধীয়া মানুহে ভৰলুমুখৰ সিফালে গদাৰে মুখত কোব মাৰি নাহৰফুটুকী বাঘ মাৰিছিল।

পশ্চিমৰ গুৱাহাটীৰ অঞ্চল বুলিলে ঘাইকৈ ভৰলুমুখ, কুমাৰপাৰা, মাছখোৱা, কেডাৰ ৰোড আৰু জেইল ৰোড (অৰ্থাৎ হেম বৰুৱা পথ), মুৰুলীধৰ শৰ্মা ৰোড আদি সাঙুৰি এই বৃহত্তৰ অঞ্চলটোকেই বুজায়। এই অঞ্চলটো ঘাইকৈ হিন্দু-মুছলমান, মাৰোৱাৰী, বিহাৰী, বঙালী-উচ্চ আৰু নিম্নবৰ্গৰ লোকৰ বসতি প্ৰধান অঞ্চল যদিও কোনো দিনে এই অঞ্চলৰ ৰাইজৰ মাজত হিংসা-বিদ্বেষ,





মৰা-মৰি চমুকৈ বৰ্ণবৈষম্য বা সাম্প্ৰদায়িক সংঘাত আদি হোৱা নাই, আগতেও নাছিল আজিও নাই। ইয়াত মছজিদ, মন্দিৰ, গুৰুদ্বাৰ, জৈন মন্দিৰ, নামঘৰ আদিৰ উপৰি তিনিখনকৈ মহাবিদ্যালয়, ছোৱালী হাইস্কুল, ঐতিহাসিক সোণাৰাম হাইস্কুল আৰু ১৮৭০ চনতে স্থাপিত মাছখোৱা মজলীয়া স্কুল আৰু তিনি-চাৰিখনমান প্ৰাথমিক স্কুল আছিল। ইয়াৰ উপৰি অঞ্চলটোত বৰ্তমান ভালেকেইখন ইংৰাজী মাধ্যমৰ স্কুল স্থাপন হৈ শিক্ষাদানৰ ক্ষেত্ৰত ভালে-বেয়াই বহুখিনি অৰিহণা যোগাইছে। সাধাৰণভাৱে ৰাইজৰ অৰ্থনৈতিক অৱস্থা স্বচ্ছল বুলিয়েই ক'ব পাৰি। অৱশ্যে অসাধু ব্যৱসায় কৰি লাখপতি- কোটিপতি হোৱা উচ্চ পদবীধাৰী বিষয়া-ব্যৱসায়ী, ঠিকাদাৰ আদিও এই অঞ্চলত নোহোৱা নহয়। ইয়াৰ পুৰণা বাসিন্দা হিচাপে হিন্দু-মুছলমান, মাৰোৱাৰী লোকৰ ভিতৰত স্বৰ্গীয় তৰুণৰাম ফুকন, স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা (জিলা ন্যায়াধীশ), স্বৰ্গীয় ৰোহিণী কুমাৰ চৌধুৰীৰ পুত্ৰসকল, মৰহুম খনিবাহাদুৰ আবুল খেইৰ, সমাজ সেৱক মুহিবুদ্দিন, ঠিকাদাৰ স্বৰ্গীয় তালেবুদ্দিন আহমদ, মৰহুম বদিউজ জামান আদিৰ উপৰি মৰহুম আব্দুল হাই (জিলা ন্যায়াধীশ) আদি ভালেকেইজন উকীল আৰু উচ্চ পদবীধাৰী বিষয়াই এই অঞ্চলৰ নাম উজলাই ৰাখিছিল। সেইদৰে কুমাৰপাৰা আৰু ভৰলুমুখ অঞ্চলৰ বাসিন্দা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দীনেশ গোস্বামী, উকীল পুলকানন্দ দাস, দেহিৰাম বৰ্মন, ৰোহিনী বৰকাকতি, ডাক্তৰ মৰহুম জেলিলুৰ ৰহমান, পশু-চিকিৎসক-অভিযন্তা-দণ্ডাধীশ-ন্যায়াধীশৰ ভিতৰত স্বৰ্গীয় হলিৰাম ডেকা আৰু মাছখোৱা নিবাসী স্বৰ্গীয় ভৰত চন্দ্ৰ দাস, বহু কেইজন ফুটবল-ক্ৰিকেট-বাস্কেট বল খেলুৱৈ, শৰীৰ চৰ্চাবিদ কুমুদ শৰ্মা, সমাজ-সেৱক আৰু কৃতী শিক্ষক স্বৰ্গীয় দ্বিজেন তালুকদাৰ আদিৰ উপৰি স্বৰ্গীয় অম্বিকাগিৰী ৰায়চৌধুৰীৰ অন্তৰঙ্গ বন্ধু সাহিত্যিক-মুক্তিযুঁজাৰু স্বৰ্গীয় দৈৱচন্দ্ৰ তালুকদাৰ এই অঞ্চলৰ অতিকৈ শ্ৰদ্ধাভাজন ব্যক্তি আছিল।

সেই সময়ত এই চহৰখনত তেতিয়া উচ্চ শিক্ষানুষ্ঠান বুলিবলৈ আছিল কেৱল কলেজখন। তিনিখন ল'ৰাৰ হাইস্কুল, যেনে- কটন কলেজিয়েট স্কুল কটন কলেজৰ গাতে লগা, সোণাৰাম হাইস্কুল আৰু ১৯৩০ চনত স্থাপিত হোৱা কামৰূপ একাডেমী। এই স্কুলখন তেতিয়া আছিল টকৌবাৰীৰ চুকটোত থকা

ঘূৰ্ণীয়া দুমহলীয়া ঘৰটোত। পিছত এম.চি.ৰোডলৈ স্থানান্তৰিত হৈছিল। ছোৱালীৰ হাইস্কুল এখন হোষ্টেলসহ পাণবজাৰত। এখন মাইনৰ স্কুল-উজানবজাৰত এম.চি.এম.ই। নিম্ন প্ৰাইমেৰী স্কুল অৱশ্যে কেবাখনো আছিল। ১৯৫২ চনত ফাঁচীবজাৰত মাৰোৱাৰী হিন্দী হাইস্কুল (পিছত এল.ও.জি. হিন্দী হাইস্কুল) মাৰোৱাৰী বালিকা বিদ্যালয় (পিছত পি.এছ.ধনুকা বালিকা বিদ্যালয়) স্থাপিত হৈছিল। ১৯৫৪ চনত ফাঁচীবজাৰত অৱস্থিত দিগম্বৰ জৈন মন্দিৰৰ পিছফালে শ্ৰীদিগম্বৰ জৈন বিদ্যালয় স্থাপিত হৈছিল। বৰ্তমান এই স্কুলখন এ.টি. ৰোডস্থিত মহাবীৰ ভৱনত চলি আছে।

গুৱাহাটী চহৰখনত তেতিয়া বজাৰ আছিল চাৰিখন - ফাঁচীবজাৰ, পাণবজাৰ, উজান বজাৰ আৰু পল্টন বজাৰ। ফাঁচীবজাৰখনেই মুখ্য বজাৰ আছিল। মাৰোৱাৰীসকলৰ গেলামাল, কাপোৰৰ পাইকাৰী আৰু খুচুৰা বিক্ৰী, মনিহাৰী, শাক-পাচলি আৰু মাছকে আদি কৰি সকলো ধৰণৰ বস্তু এই বজাৰত পোৱা গৈছিল। মনিহাৰী বস্তুবিলাক কম-বেছি পৰিমাণে আটাইকেইখন বজাৰতে পোৱা গৈছিল। এই ফাঁচীবজাৰখনৰ গাতে লগালগিকৈ জিলা কাৰাগাৰটো আছিল। তাৰ কাষতে বাছ ষ্টেণ্ডটো। পাণবজাৰত দুখন কাপোৰৰ দোকান - এখন হলিৰাম বৰ্মনৰ আনখন লীলা বৰুৱাহঁতৰ। চাহ দোকান আছিল- ডিলাইটখন (বৰ্তমান তাত কল্পতৰু), চুকটোত হৰি বৰ্মনৰ চাহৰ দোকান, নতুনকৈ হোৱা 'গুৱাহাটী ডায়েৰী'খন। বিখ্যাত বেকাৰী আছিল 'জামাতুল্লা' আৰু 'শ্বেখ ব্ৰাদাৰ্ছ' আছিল পাণবজাৰতে। কটন কলেজ নিউ আৰ্টছ বিল্ডিঙৰ সন্মুখতে আছিল- কিতাপৰ দোকান-মানি মেকিং আৰু বিলাতী মদৰ দোকান 'বি.এন.ডে'ৰ। খেলা-ধূলাৰ সামগ্ৰীৰ দোকান এখন এটা কোঠালিত খুলিছিল বিবেকা ভৰালীয়ে, কাষতে গুহ দৰ্জীৰ দোকান। 'গ্ৰেজুৱেট ইউনিয়ন' নামৰ আন এখন কিতাপৰ দোকান আমি থাকোঁতেই খুলিছিল। ৰাধা বৰঠাকুৰে 'হেপী ল'জ' নামৰ হোটেল এখন খুলিছিল। নাগ-পোতা (নাককটা) পুখুৰীটো তাৰ কাষতে। সেই এলেকাতে কটনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক চুনি বাবুৰ ঘৰ - তাত দুৰ্গা পূজাও হৈছিল। পাণবজাৰ এলেকাত উকীল কালিচৰণ সেনৰ ঘৰ - তাতো দুৰ্গা পূজা হৈছিল। কালিৰাম বৰ্মনৰ ঘৰো সেই এলেকাত। সেই এলেকাতে বৰপেটীয়া পাৰাত এটি নামঘৰ,





ড° জ্যোতিষ দাসৰ, বিখ্যাত ফটোগ্ৰাফাৰ গৰ্গ বাবুৰ ঘৰ। প্ৰাক্তন চিভিল চাৰ্জন মুক্তি যুঁজাৰু হৰিকৃষ্ণ দাস আৰু নিজৰ কম্পাউণ্ডত পতা এখন সৰু হস্পিতাল। তেওঁৰে ছোৱালী মুক্তিযুঁজাৰু অমলপ্ৰভা দাস।

পাণবজাৰতে গাতে লগা লাখটকীয়া। তাত বেছিভাগ অসমীয়া মুছলমান মানুহৰ ঘৰ। ছাৰ ছাদুল্লা, অধ্যাপক মহিবুল্লা, ফখৰুদ্দিন আলী আহমদৰ ঘৰ ইয়াতেই। ফাঁচীবজাৰৰ পশ্চিমফালে মাছখোৱা। ইয়াতো বেছিভাগ অসমীয়া মুছলমানৰ ঘৰ।

উজান বজাৰৰ বজাৰখন সৰু আছিল- তাত প্ৰায়বোৰ অসমীয়া মানুহৰ ঘৰ। বিষ্ণু মেধিৰ ঘৰ, নাউ গোঁসাই, মানিক চৌধুৰী, ৰঘুনাথ চৌধুৰী, ড° ভুবনেশ্বৰ বৰুৱা, উকীল গৌৰী তালুকদাৰ আদিৰ ঘৰ। ইয়াতেই উগ্ৰতাৰা মন্দিৰ - লগতে যোৰ পুখুৰী (দুটা পুখুৰী- মাজতে এটি ৰাস্তা)। এই এলেকাত নবীন চন্দ্ৰ বৰদলৈৰ পৰিয়ালৰ ঘৰবোৰ, কনকলাল বৰুৱা, অধ্যাপক সূৰ্য কুমাৰ ভূঞা আদি গণ্য-মান্য ব্যক্তিসকলৰ ঘৰ। বজাৰখনত শাক-পাচলি আৰু কিছু পৰিমাণে মাছ পোৱা গৈছিল। সৰু-সুৰা দোকানো দুই-চাৰিখন আছিল।

উজান বজাৰ আৰু পাণবজাৰৰ মাজত কটন কলেজ, কলেজিয়েট স্কুল, কাৰ্জন হ'ল (নবীন চন্দ্ৰ বৰদলৈ হল), জজ-কৰ্ট, কমিছনাৰ কাৰ্যালয় আদি আছিল।

তাৰ কাষতেই, পূবে - দীঘলী পুখুৰীটো। পুখুৰীৰ উত্তৰে 'ইউৰোপিয়ান ক্লাব'ৰ টেনিছ ক'ৰ্ট - এতিয়াও আছে। পুখুৰীটোৰ পূবে আৰ্ল ল' কলেজ, হোষ্টেল আৰু প্ৰিন্সিপাল জ্ঞানদাভিৰাম বৰুৱাৰ বঙলাটো। সাৰথি নামৰ গ্ৰন্থখনৰ লেখক সত্যনাথ বৰাৰ ঘৰ, প্ৰবীণ কংগ্ৰেছ নেতা তৈয়বুল্লা চাহাবৰ ঘৰ। নদীৰ পাৰে পাৰে শুক্ৰেশ্বৰ মন্দিৰ, উপায়ুক্ত আৰু অসামৰিক শল্য চিকিৎসকৰ বঙলা, উপায়ুক্তৰ কাৰ্যালয় আৰু ক'ৰ্টবিলাক। তাৰ পিছত জিলা-বন-বিষয়া, কাৰ্যবাহী অভিযন্তাৰ বঙলা, জিলা ন্যায়াধীশ কমিছনাৰৰ কাৰণে ডাঙৰ খেৰী বঙলা আৰু আৰক্ষী অধীক্ষকৰ বঙলা। থানাখন আৰু আৰক্ষী আবাসসমূহ আছিল পাণবজাৰ আৰু ফাঁচীবজাৰৰ মাজত আৰু তাৰ সন্মুখত আছিল অসামৰিক চিকিৎসালয়। তাৰ পশ্চিমে গীৰ্জাটো। নদীৰ পাৰতে আছিল গড়কাপ্তানি বিভাগৰ কাৰ্যালয়,

কামাখ্যা বৰুৱাৰ পৰিয়াল আৰু ৰোহিনী চৌধুৰীৰ পৰিয়ালবৰ্গৰ বাসস্থানবোৰ। কুমাৰপাৰাত কিছুমান হিন্দু মানুহৰ ঘৰ।

খেলা-ধূলাৰ কাৰণে সোণাৰাম স্কুল ফিল্ডৰ বাহিৰে ফিল্ড আছিল নদীৰ পাৰত মাছখোৱাৰ ওচৰত। ইয়াত খেলা-ধূলা হোৱা মনত নপৰে- ঈদত নামাজ হৈছিল আৰু বাছ ৰখা ঠাঁয়ো আছিল।

গুৱাহাটীত তেতিয়া দুটা চিনেমা হ'ল - এটা টকৌবাৰীত কেলভিন টকীজ আৰু আনটো পিকচাৰ্ছ হাউছ ফাঁচীবজাৰত (য'ত বৰ্তমান বিজুলী চিনেমা হাউচ)। ছাত্ৰীবাৰীত আছিল মিছনেৰী হস্পিতালখন। তাৰ ওচৰতে 'প্ৰফেচৰ পাৰা'- কিছুমান অধ্যাপকে মাটি লীজত লৈ ঘৰ বান্ধি আছিল। ডাক বঙলাটো আছিল বৰ্তমান ৰিজাৰ্ভ বেংক থকা ঠাইখিনিত। তাৰ কাষেৰে ষ্টেচন ৰোডটো গৈ ৰেল ষ্টেচন পাইছিল। এই ৰাস্তাৰ আনফালে কিছুমান ৰেলৰ কোৱাৰ্টাৰ আছিল। ডাক বঙলাৰ সন্মুখৰ মাটিত কিছুমান খেজুৰ গছ আছিল। আৱৰ্ত ভৱনটো আছিল বৰ্তমান হাইকৰ্টৰ উত্তৰে নদীৰ পাৰত।

কাছাৰীৰ দক্ষিণফালে ডাকঘৰটো। কটন কলেজৰ বিজ্ঞান গৃহ দুটাৰ দক্ষিণে আছিল- টেলিগ্ৰাফ অফিচৰ ঘৰবোৰ। তাৰ দক্ষিণে আছিল ডন বস্কো স্কুল। পুলিচ ৰিজাৰ্ভখন আছিল কেলভিন চিনেমাৰ পূবফালে এটা বৃহৎ এলেকা লৈ।

আৰু এটা গুৰুত্বপূৰ্ণ কথা কোৱাই নাই। তেতিয়া ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নাছিল। নামনিৰ পৰা ট্ৰেইন আমিনগাঁৱলৈ আহিছিল। তাৰ পিছত ষ্টীমাৰেৰে নদী পাৰ হৈ পাণ্ডু। আমিনগাঁৱত ষ্টীমাৰত উঠাৰ কাৰণে লৰাঢপৰা। মূৰত তুলি মালপত্ৰ লৈ যোৱা কুলীকেই বা কোনে চায়, ল'ৰা-ছোৱালীকেই বা কোনে চম্ভালে। হুলস্থূল কাণ্ড। চৰম বিশৃঙ্খল। উজনিৰ ফালে যোৱা যাত্ৰীবোৰে পাণ্ডুত আকৌ ট্ৰেইনত উঠিছিল। আমি সাধাৰণতে বাছেৰে পাণ্ডুৰ পৰা গুৱাহাটীলৈ আহিছিলো। সৰু সৰু বাছ, পিছফালে দুৱাৰ। বাছবোৰে ফাঁচীবজাৰত নমাই দিছিল। বাছৰ পৰা নামি কুলীৰ মূৰত মাল তুলি দি ঘৰলৈ আগমন। তেতিয়া কুলী শব্দটো অসন্মানজনক নাছিল। তেওঁলোকেও প্লেটফৰ্মত 'কুলী লাগে, কুলী লাগে' বুলি চিঞৰিছিল। নাম যিহকেই দিয়া নহওক কিয়; কাম একেই, যাত্ৰীসকলৰ ব্যৱহাৰ পাতিও একেই। এইবোৰ অভিজাত শ্ৰেণীৰ কল্পিত মানসিক দৃষ্টিভংগী। ছিন্নথেচিক বস্তু।





কোনোবাই আপত্তি কৰিলেও ক'ম যে তেতিয়া গুৱাহাটীৰ সাংস্কৃতিক জীৱন বৰ বেছি চহকী নাছিল। আচলতে অনুকূল পৰিৱেশ এটাই নাছিল। ক'বলৈ গ'লে কিতাপৰ দোকান নাছিল বুলিয়ে ক'ব পাৰি। কিতাপৰ দোকান বুলি ক'লে পাণবজাৰৰ গ্ৰেজুয়েট ইউনিয়ন আৰু আন এখন দোকান। সেইখন দোকানৰ নামটো পাহৰিলো। তেওঁলোকে ঘাইকৈ পাঠ্যপুথিহে বিক্ৰী কৰিছিল। বাহিৰা কিতাপ বুলিলে সামান্য সংখ্যক অসমীয়া আৰু বঙালী জনপ্ৰিয় কিতাপ। গতিকে ইয়াত তেতিয়া এজন শিক্ষিত মানুহৰ পক্ষেও অবিচ্ছিন্ন আৰু ধাৰাবাহিকতা বিশ্বসাহিত্যৰ সৈতে সংযোগ কৰাটো সহজ নাছিল। কাৰোবাৰ ব্যক্তিগত সংগ্ৰহত তেনেকুৱা কিতাপ থকাটো বেলেগ কথা।

গতিকে সংস্কৃতি আছিল একমাত্ৰিক। গণ্ডীবদ্ধ। থুলমূলভাৱে এয়া হ'ল জনজাতীয় সংস্কৃতিৰ বৈশিষ্ট্য। বাহিৰ বিশ্বৰ লগত সম্বন্ধ ক্ষীণ হোৱা কাৰণে যুগ যুগ ধৰি একেই ধৰণে ৰৈ গৈছে। আমাৰ সংস্কৃতিও আজিৰ দৰে বাৰেবৰণীয়া নাছিল। ভিন্ন সংস্কৃতিৰ লগত যোগাযোগ নাছিল। ইংৰাজী exposure শব্দটো অধিক অৰ্থবহ। অৰ্থাৎ আগতে exposure নাছিল। কিছু বছৰৰ আগৰ কথা হ'লেও দীৰ্ঘস্থায়ী, তীৰ্থভ্ৰমণৰ জৰিয়তে শ্ৰীমন্ত শংকৰদেৱে 'ভাৰতবৰ্ষৰ' সংস্কৃতিৰ শ্ৰেষ্ঠ উপাদানখিনি অনায়াসে আহৰণ কৰি ল'ব পাৰিছিল। এই ভ্ৰমণৰ ফলতেই হয়তো তেখেতৰ অসাধাৰণ সুপ্ত স্বাভাৱিক প্ৰতিভাই পূৰ্ণতা লাভ কৰাৰ সুযোগ পাইছিল। এনেকুৱা বহুমুখী প্ৰতিভাসম্পন্ন মানুহ পৃথিৱীতেই বিৰল। আমি অৱশ্যে তেখেতক কেৱল ধৰ্মগুৰু হিচাপে আৱদ্ধ কৰি ৰখাৰ চেষ্টা কৰিছোঁ।

Exposure নথকা কাৰণে মানুহৰ সহনশীলতা কম আছিল। জীৱনধাৰা আৰু মূল্যবোধ যে ভিন্ন হ'ব পাৰে সেই জ্ঞানো মানুহৰ নাছিল। আজি আৰু তেনেকুৱা পৰিস্থিতি নাই। মানুহৰ ৰুচিৰো পৰিৱৰ্তন হৈছে। গতিকে সংস্কৃতিও বহুমাত্ৰিক হৈছে। একেজন মানুহে ভূপেন হাজৰিকাৰ গান ভাল পাব পাৰে, হেমন্ত মুখাৰ্জী আৰু মহম্মদ ৰফিৰ গান ভাল পাব পাৰে আৰু লগতে ফ্ৰাংক চিনাত্ৰাৰ গানো ভাল পাব পাৰে।

আমাৰ সৰুকালৰ চহৰখন ধুনীয়া আছিল অসম আৰ্হিৰ ঘৰবোৰৰ বাবেও, সেই ঘৰবোৰৰ সন্মুখত সকলোৰে একোখন ফুলনি পাতিছিল, পিছফালে একোখন বাৰীও আছিল। কিন্তু এতিয়া সন্মুখত পিছত ক'তো এচিকতাও মাটি নৰখাকৈ কেৱল সাজিছে ঘৰ আৰু ঘৰ, গগনচুম্বী কংক্ৰীটৰ ঘৰ আৰু আমাৰ শৈশৱৰ সপোনৰ চহৰ গুৱাহাটীত কৰি তুলিছে এক মহানগৰী, এক কংক্ৰীটৰ জংঘল - 'স্তূপে স্তূপে উঠিছে/গঢ়ি সেইটো নগৰী - ৰবীন্দ্ৰ নাথে লিখিছিল। আমাৰ ল'ৰালিৰ সোণৰ সংসাৰ মাধুৰ্যভৰা অসম আৰ্হিৰ ঘৰবোৰ, নিষ্ঠুৰভাৱে ভাঙি ভাঙি তাত তৈয়াৰ কৰা হ'ল বহুতলা বিশিষ্ট ঘৰবোৰ, ক'তো এচিকটা মাটি নথকাৰ বাবে ফুলনিবোৰক আৰব্য উপন্যাস জিনটোক সংকুচিত কৰি বটলত বন্দী কৰি থোৱাৰ দৰে ফ্লেটৰ ঠেক বেলকনিবোৰত কেইটামান ফুলৰ টাবত বন্দী কৰা হ'ল। চহৰৰ মানুহৰ হাতলৈ নানা দুৰ্নীতিৰ ধন আহিল, সেয়ে তেওঁলোকে আয়-বহিৰ্ভূত ধনেৰে প্ৰাসাদোপম আট্টালিকা সাজি অসম আৰ্হিৰ ইকৰা-মাটিৰ ঘৰ এৰি সেই ইটা-পাথৰ চিমেন্টৰ ঘৰবোৰলৈ গুচি গ'ল, কিন্তু লগে লগে যেন কোমল মাটিত ঘৰবোৰৰ হৃদয়বোৰো শিলেৰে বন্ধা হৈ গ'ল, হেৰাই গ'ল নলিনীবালাৰ কবিতাৰ সেই নিৰ্যাসঃ "দুখীয়াৰ ভঙা পঁজা, একোখনি তীৰ্থ তাত, একোখনি পুণ্যৰ আশ্ৰম...." সঁচাকৈয়ে, নগৰীয়া সভ্যতাৰ পুণ্যৰ সলনি ঠাই ল'লৈ পাপে।

আমাৰ বাল্যকালৰ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ বালিচৰত কবি আনন্দ চন্দ্ৰ আগৰৱালাৰ ভাষাত বালিৰে -"দৌল সাজি নাদ খান্দি লগৰী গোটাই আনি" কতনা আনন্দই যে কৰা নাছিলোঁ। সেই বালিচৰৰ পৰা ঝাউবন উভালি আনি সৰস্বতী পূজাৰ সময়ত দেৱীৰ মণ্ডপ সাজি গাইছিলোঁ- "আহাঁ বীণাপাণি দুখীয়া দুৱাৰে/অবুজন সন্তানে মাতিছো আই কাতৰে....." এতিয়াৰ দৰে সেই গুৱাহাটীৰ পূজা মণ্ডপতে মাইকত হিন্দী চিনেমাৰ উদ্দাম সংগীত বজা নাছিল।

আমাৰ সৰু কালৰ গুৱাহাটীৰ ৰাস্তাত এখন বা দুখন মডেলৰ গাড়ী দেখিছিলোঁ, এতিয়া অসমখন হয়তো আগতকৈও দৰিদ্ৰ হ'ল, সমস্যাবহুল হ'ল, নিবনুৱাৰে গিজগিজাই থকা হ'ল- কিন্তু পৃথিৱীৰ সুন্দৰ সুন্দৰ গাড়ীৰ লগত





তুলনীয় গাড়ীৰে গুৱাহাটীৰ বাটপথ এনেকৈ ভৰি গ'ল যে পদচাৰীৰ খোজকাঢ়ি ফুৰাই টান হৈ পৰিছে।

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ হৈছে গুৱাহাটী। বৰ্তমান গুৱাহাটীৰ বিভিন্ন সমস্যাৰ ভিতৰত বৰ্ধিত যান-জঁট এক জটিল সমস্যা হিচাপে পৰিগণিত হোৱাৰ লগতে প্ৰতিজন গুৱাহাটীবাসীৰ বাবে এক চিন্তাৰ বিষয় হৈ পৰিছে। দিনটোৰ সকলো প্ৰধান পথ তথা উপপথসমূহত হোৱা কৃত্ৰিম যান-জঁটে সকলোধৰণৰ বাহনৰ লগতে বিশেষকৈ, অগ্নিনিৰ্বাপক বাহিনীৰ বাহন আৰু ৰোগী কঢ়িয়াই অনা এম্বুলেন্সসমূহ সময়ত গন্তব্যস্থানত উপস্থিত হ'ব নোৱৰাৰ লগতে অধিকাংশ শিক্ষাৰ্থী শিক্ষানুষ্ঠান তথা বিষয়া-কৰ্মচাৰীসকল সময়মতে গন্তব্যস্থানত উপস্থিত হোৱাৰ পৰা বঞ্চিত হ'বলগীয়াত পৰে। ইয়াৰ উপৰি ৰোগী কঢ়িয়াই নিয়া এম্বুলেন্স সময়মতে গন্তব্যস্থানত উপস্থিত হ'ব নোৱৰাৰ বাবে আদবাটতে বহু ৰোগী মৃত্যুমুখত পৰিবলগীয়াত পৰে আৰু অগ্নিকাণ্ডৰ ফলত বহু মূল্যবান সা-সম্পত্তি ভস্মীভূত হোৱাৰ উপৰি জীৱ-জন্তুকে ধৰি দুই-এক লোক মৃত্যুমুখত পৰে। ই সঁচাকৈয়ে অতি দুৰ্ভাগ্যজনক। তৎসত্ত্বেও কিন্তু যান-বাহন আৰক্ষী তথা পৰিবহণ বিভাগে মহানগৰী যান-জঁটৰ সমস্যা সমাধান কৰিবলৈ কোনো বিশেষ প্ৰচেষ্টা গ্ৰহণ কৰা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। যদিও যান-জঁটৰ পৰা মহানগৰবাসীক পৰিত্ৰাণ দিবলৈ কিছুমান নিৰ্দেশনা সংবাদ মাধ্যমযোগে সময়ে সময়ে ঘোষণা কৰে, কিন্তু সেই নিৰ্দেশনাসমূহ সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে গুৰুত্ব সহকাৰে লৈ সঠিকভাৱে কাৰ্যকৰণ কৰাত হেমাহি কৰাৰ ফলস্বৰূপে মহানগৰীৰ কৃত্ৰিম যান-জঁটৰ সমস্যা আজিও সমাধান নহ'ল। বৰঞ্চ দিনক দিনে বাঢ়ি যোৱা যান-জঁটৰ বাবে তলত উল্লেখ কৰা কাৰণসমূহেই প্ৰধান বুলি আমাৰ উপলব্ধি হয়।

১। মহানগৰীত যান-বাহন নিয়ন্ত্ৰণত যিসকল যান-বাহন আৰক্ষী তথা গৃহৰক্ষী বাহিনীৰ যিসকল লোকক নিয়োজিত কৰা হয়, তেওঁলোকৰ যান-বাহন আইন তথা যান-বাহন নিয়ন্ত্ৰণৰ ওপৰত ন্যূনতম জ্ঞান তথা প্ৰশিক্ষণ নথকা হেতুকে যান-বাহন নিয়ন্ত্ৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা দৃষ্টিগোচৰ হয়। এইসকল যান-বাহন আইন তথা যান-বাহন নিয়ন্ত্ৰণৰ

ওপৰত বিশেষ প্ৰশিক্ষণ দিয়াটো প্ৰয়োজন বুলি আমি অনুভৱ কৰোঁ।

২। ৰাজহুৱা বাহন, যেনে- চিটীবাছ, উবেৰ অ'লা, টাটা মেজিক টেক্সিসমূহে নিৰ্দিষ্ট ষ্ট'পেজৰ বাহিৰে য'তে ত'তে ৰখাই যাত্ৰী উঠোৱা-নমোৱা সম্পূৰ্ণৰূপে বন্ধ কৰে, তাৰ ওপৰত যান-বাহন আৰক্ষী তথা পৰিবহণ বিভাগৰ 'ফ্লায়িং স্কোৱাডে' বিশেষ দৃষ্টি ৰখাটো প্ৰয়োজন। এই সন্দৰ্ভত প্ৰতিজন নাগৰিকৰ দায়িত্ব আছে আৰু ৰাজহুৱা বাহনত অকল নিৰ্দিষ্ট ষ্ট'পেজত উঠা তথা নমাহে দৰকাৰ।

৩। আমি প্ৰায়ে লক্ষ্য কৰিছোঁ যে উবেৰ, অ'লা টেক্সিসমূহে প্ৰধান তথা উপপথসমূহত য'তে ত'তে পাৰ্কিং কৰাৰ উপৰি ব্যৱসায়ৰ স্বাৰ্থত, বিশেষকৈ বাহন চলোৱাৰ সময়ত মোবাইল ফোন ব্যৱহাৰ কৰাৰ ফলস্বৰূপে বাহনৰ গতিবেগ হ্ৰাস কৰাৰ বাবে আৰু য'তে ত'তে পাৰ্কিং কৰাৰ বাবে যান-জঁটৰ সৃষ্টি হয়। যান-বাহন আৰক্ষী তথা পৰিবহণ বিভাগ উবেৰ, অ'লা টেক্সিৰ ওপৰত কঠোৰ হোৱা বাঞ্ছনীয়।

৪। ট্ৰেফিক পুলিচ পইন্টৰ পৰা অন্ততঃ ৫০ মিটাৰ দূৰপৰ্যন্ত প্ৰধান পথসমূহৰ দুয়োকাষে আৰু ফ্লাইঅভাৰৰ ওপৰত তথা ছাৰ্ভিচ পথত পাৰ্কিং সম্পূৰ্ণৰূপে বন্ধ কৰা উচিত।

৫। মহানগৰৰ অলিয়ে-গলিয়ে নিৰ্মাণ কৰা অট্টালিকা (ফ্লেট) সমূহত আৱাসীৰ বাহিৰে তেওঁলোকৰ অতিথিসকলৰ বাহন ৰখাৰ কোনো ব্যৱস্থা নথকাৰ ফলস্বৰূপে অতিথিসকলে বাধ্য হৈ বাহনসমূহ ঠেক উপপথত পাৰ্কিং কৰাৰ বাবে বহু সময়ত যান-জঁটৰ সৃষ্টি হয়। জি.এম.চি. তথা এম. ডি. এয়ে অট্টালিকা নিৰ্মাণৰ অনুমতি দিয়াৰ সময়ত অতিথিৰ কাৰণে অন্তত পাঁচখন বাহন ৰখাৰ ব্যৱস্থা কৰাৰ বাবে বাধ্যতামূলক কৰিব লাগে।

৬। পদপথ তথা পথৰ ওপৰত বিভিন্ন দোকান দিয়াৰ ফলস্বৰূপে যান-জঁটৰ সৃষ্টি হয়। সংশ্লিষ্ট বিভাগে পদপথ আৰু পথত দোকান দিয়া সম্পূৰ্ণৰূপে বন্ধ কৰা উচিত। বিভিন্ন স্থানত ভেণ্ডিং জ'ন গঠন কৰি দোকানসমূহ তালৈ স্থানান্তৰিত কৰাটো প্ৰয়োজন।





৭। মহানগৰীত স্থাপন কৰা স্বয়ংক্ৰিয় ট্ৰেফিক সংকেত তথা চিচি টিভিসমূহ শীঘ্ৰে কাৰ্যক্ষম কৰি তোলা প্ৰয়োজন। চিচি টিভিত সংৰক্ষিত হোৱা ছবিসমূহৰ পৰা তৎকালীনভাৱে বাহন আইন উলংঘাকাৰী তথা দুৰ্ঘটনাত পতিত বাহনসমূহৰ ওপৰত আইনগত যাৱতীয় ব্যৱস্থা সংশ্লিষ্ট বিভাগে গ্ৰহণ কৰিবলৈ সক্ষম হয়।

৮। মহানগৰীৰ বিভিন্ন স্থানত কাঠফুলাৰ দৰে গঢ় লৈ উঠা শ্বপিং মল তথা ৰেস্তোৰাঁ আদিত গ্ৰাহকৰ বাবে পৰ্যাপ্ত পাৰ্কিং ঠাই নথকাত এনেবোৰ অঞ্চলত গ্ৰাহকে বাহনসমূহ পথত পাৰ্কিং কৰাৰ ফলত যান-জঁটৰ সৃষ্টি হোৱা আমাৰ দৃষ্টিগোচৰ হয়। এইবোৰ শ্বপিংমল আৰু ৰেস্তোৰাঁক পৰ্যাপ্ত বাহনৰ বাবে পাৰ্কিং স্থানত ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহে বাধ্য কৰাব লাগে।

৯। যান-জঁটৰ পৰা সকাহ দিবলৈ যান-বাহন আৰক্ষী তথা পৰিবহণ বিভাগৰ শীৰ্ষ বিষয়াই ব্যস্ত সময়ত সঘনাই টহল দিয়াৰ প্ৰয়োজন, বিশেষকৈ প্ৰধান পথসমূহত।

ওপৰত উল্লেখ কৰা যান-জঁট সৃষ্টি কৰা কাৰণসমূহ সংশ্লিষ্ট বিভাগসমূহে কঠোৰভাৱে কাৰ্যকৰী কৰিলে মহানগৰীৰ যান-জঁট বহুলাংশে লাঘৱ যে হ'ব, সি ধ্ৰুৱপ।

এয়েই হ'ল নগৰ দুখনৰ কথা- পুৰণি গুৱাহাটী আৰু নতুন গুৱাহাটী কথা, ব্যাধিগ্ৰস্ত গুৱাহাটী কথা।

—+—

# গুৱাহাটী ঃ ঐতিহ্য ঃ বিৱৰ্তন

জ্যোৎস্না দেৱী ভাগৱতী

বিৱৰ্তনৰ সোঁতে সকলোতে প্ৰভাৱ পেলায়, পৰিৱৰ্তন আনে, প্ৰাচীনক নতুন কৰে। আধুনিক বিজ্ঞান, প্ৰযুক্তি বিদ্যাৰ চমৎকাৰিতা, মানুহৰ কৌতূহল আৰু অনুসন্ধান, পৰীক্ষা-নিৰীক্ষাৰ অভিনৱ আৱিষ্কাৰসমূহে সমাজ জীৱনৰ সকলো দিশতে পৰিৱৰ্তন আনিছে। এই পৰিৱৰ্তনে ক্ৰমবিকাশৰ ফলত আহি আহি পুৰণি এৰি উত্তৰণৰ গতিত পৰ্যায়ক্ৰমে ভিন্নতা আনে। মানৱসমাজৰ অতীতৰ পৰম্পৰা, জীৱন শৈলী, জীৱিকা, ব্যৱস্থা ঠাইসমূহ যাতায়াত, ৰাস্তা পদূলি সলনি কৰাৰ লগতে সহজলভ্য সা-সুবিধাও আনি দিছে। যোগাযোগ ব্যৱস্থাই পৃথিৱীখন ইমূৰৰ পৰা সিমূৰলৈ চিনাকি কৰাই দিছে। বিশ্বায়নৰ যুগত বিশ্বৰ সকলো ঠাইৰ ৰীতি-নীতি, ভাষা, সংস্কৃতি চিনাকি হোৱাই নহয় আদান-প্ৰদান, গ্ৰহণো সম্ভৱ হৈ পৰিছে। বৰ্তমানৰ গুৱাহাটী এতিয়া বৃহত্তৰ গুৱাহাটী হ'ল। গুৱাহাটী চহৰৰ সীমা বহল হৈ হৈ মহানগৰ হ'ল, জনসংখ্যাও বাঢ়িল। ভৌগোলিক অৱস্থিতিৰ বাবে উত্তৰ-পূবৰ দুৱাৰ মুখ হৈ পৰিল। সেইদৰে অনুষ্ঠান, প্ৰতিষ্ঠান, চৰকাৰী বিভাগ, কাৰ্যালয়ৰ সংখ্যাও বাঢ়িল। শিক্ষানুষ্ঠানৰ সংখ্যা বাঢ়িল, শিক্ষা ব্যৱস্থা যুগৰ লগত সলনি হ'ল, সময়ে সময়ে পাঠ্যক্ৰম সলনি হোৱা হ'ল। তাৰ মাজতে কিছু প্ৰাচীন শিক্ষানুষ্ঠান জন্ম লগ্নৰ পৰা নিজৰ ঐতিহ্য লৈ





জনাজাত হৈ থাকিল। মানুহৰ মনত পৰিৱৰ্তনৰ ধাৰাই স্পৰ্শ কৰি গ'লেও নিজৰ গৌৰৱময় ইতিহাস, ঐতিহ্যৰে মহীয়ান হৈ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ কিছুমান অনুষ্ঠান নিজৰ ঠাইত থাকিল। গুৱাহাটী অধ্যয়নৰ আলোচনাত মই গুৱাহাটীৰ মাজমজিয়াৰ এখন ঐতিহ্যময় বালিকা বিদ্যালয়ৰ ইতিহাস উনুকিয়াই বিৱৰ্তনৰ প্ৰভাৱ ডাঙি ধৰিব খুজিছোঁ।

গুৱাহাটীৰ মাজ মজিয়াৰেই নহয় অসমৰ ঐতিহ্যপূৰ্ণ স্ত্ৰীশিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়।

১৯৪৫ চনত স্থাপিত বিদ্যালয়খন জন্ম লগ্নত চৰকাৰী নাছিল। দুগৰাকী মহান ব্যক্তিৰ নাম জড়িত বিদ্যালয়খনে সেই সময়ৰ কেবাজনো শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত প্ৰাণ পাইছিল। লিখনিৰ আৰম্ভণিতে সেইসকল মহান দূৰদৰ্শী ব্যক্তিৰ স্মৃতিত শ্ৰদ্ধা নিবেদিছোঁ। ৪২ চনৰ আন্দোলনৰ পাছতে দেশৰ অশান্ত পৰিস্থিতি চলি থকা অৱস্থাত ছোৱালী শিক্ষাৰ সমস্যাৰ বিষয়ে গুৱাহাটীৰ ৰাইজে চিন্তা কৰিছিল। গুৱাহাটীৰ পাণবজাৰত থকা একমাত্ৰ পাণবজাৰ ছোৱালী হাইস্কুলখনেই বালিকা বিদ্যালয় আছিল। গুৱাহাটীৰ আন অঞ্চল বিশেষকৈ উজানবজাৰ, চেনিকুঠী, শিলপুখুৰী অঞ্চলৰ ছোৱালী বিলাকক পাণবজাৰ বিদ্যালয়লৈ পঠিয়াবলৈ পৰিস্থিতি আৰু দূৰত্বৰ বাবে সম্ভৱপৰ নাছিল। ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাইছিল এনে পৰিস্থিতিতে চেনিকুঠীৰ বিশিষ্ট শিক্ষানুৰাগী ব্যক্তি কেশৱকান্ত বৰুৱাদেৱৰ আত্মীয় ছাত্ৰী এগৰাকী যক্ষ্মাৰোগত ভগ্ন স্বাস্থ্যৰ বাবে মৃত্যুমুখত পৰে। বৰাদেৱে লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ লগত আলোচনা কৰি অসমীয়া মাধ্যমৰ বিদ্যালয় পতাৰ বাবে চেণ্টমেৰীজ বিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰে। তাত বিশেষ সঁহাৰি নেপাই প্ৰয়াত ডাঃ ঘনশ্যাম দাসদেৱৰ লগতে আলোচনা কৰি উজান বজাৰ এম.চি.এম, ই স্কুল প্ৰাঙ্গণত এখন সভা পাতি ঁ উমেশ চৌধুৰী, তীৰ্থনাথ ফুকন, ঁ অম্বিকাগিৰী ৰায় চৌধুৰী, ঁ হেৰাচুট উল্লা প্ৰভৃতি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত এখন নতুন ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় পতাৰ সিদ্ধান্ত লোৱা হয়। ড° মথুৰা নাথ গোস্বামী সভাপতি আৰু ডাঃ ঘনশ্যাম দাসক সম্পাদকৰ দায়িত্ব দি এখন পৰিচালনা কমিটি গঠন কৰা হয়। ১৯৪৪ চনত এই সভাৰ পাছতে ঁ উমেশ চৌধুৰীৰ উদ্যোগত গুৱাহাটীত

ভৰলুমুখত থকা প্ৰমীলা চৌধুৰী ডাঙৰীয়ানীক লগ ধৰি তেখেতৰ স্বামীৰ নামেৰে কিছু টকাৰ দান বিচৰা হ'ল। ডাঃ ভুবনেশ্বৰ বৰুৱা, উমেশ চৌধুৰী, ডাঃ দাস এইসকলে প্ৰমীলা চৌধুৰীক লগ ধৰি তেখেতৰ ইতিমধ্যে প্ৰয়াত স্বামী তাৰিণী চৌধুৰীৰৰ নামকৰণেৰে স্কুল এখন পতাৰ সিদ্ধান্তৰে ১৬,০০০ টকাৰ এক বৰঙণি সংগ্ৰহ কৰে। এই কাৰ্যত সেই সময়ৰ তেখেতৰ প্ৰতিবেশী মিচেছ ৰছুল প্ৰমুখ্যে কেইগৰাকীমান মহিলাৰ নাম উল্লেখ কৰিব লাগিব। (এই খিনি কথা ডাঃ ঘনশ্যাম দাসৰ লেখা- "তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ ইতিহাস" প্ৰৱন্ধৰ পৰা সংগ্ৰহ কৰা হৈছে)

গল্পৰ দৰে লগা এই কথাবিলাক পঢ়ি, ভাবি মন ভৰি উঠে- বৰ্তমানৰ চমু নাম টি. চি. স্কুলৰ জন্মলগ্নৰ সময়ৰ সেইসকল মহান ব্যক্তিৰ অৱদান সুঁৱৰি। যাহওক, চৌধুৰীৰ আত্মীয় বিপিন বিহাৰী দাস ডাঙৰীয়াৰ নাম উল্লেখ কৰিব লাগিব যি জনে টকাখিনি উলিওয়াত সহায় কৰিছিল। পৰিচালনা সমিতিৰ সভ্যসকলৰ বৰঙণি আৰু ডাঃ ভুবনেশ্বৰ বৰুৱাদেৰে বেঙ্কৰ পৰা ২০০০ টকা ধাৰ কৰি অনাৰ পাছত বিদ্যালয় আৰম্ভ হ'ল। এক পৱিত্ৰ অনুষ্ঠানৰ যেন আৰম্ভণি। ডাঃ দাসৰ চেষ্টাতে প্ৰয়াত ৰঘুনাথ চৌধুৰীদেৰৰ সহায়ত তেখেতৰ সমীপৰ বেঙ্কত বন্ধকত থোৱা মাটি এডোখৰ বেঙ্কৰ ভাৰপ্ৰাপ্ত বিষয়াক কৈ কম টকাতে মোকলাই সেই মাটি চন্দ্ৰনাথ বৰুৱা ডাঙৰীয়াৰ তাত বেচিও কিছু টকা সংগ্ৰহ হ'ল। উজানবজাৰ এম. চি. এম. ই স্কুল, তাৰপাছত ছোৱালী এম. ই আৰু মাণিক চৌধুৰীৰ মাটিত থকা খেৰৰ ঘৰতে পাঁচ (৫) গৰাকী শিক্ষয়িত্ৰী আৰু ৪০ গৰাকী ছাত্ৰী লৈ বিদ্যালয় আৰম্ভ হ'ল। প্ৰধান শিক্ষয়িত্ৰী হিচাপে নিযুক্তি দিয়া হল জাগীৰোডৰ বিশিষ্ট সমাজকৰ্মী ধৰ্মকান্ত বৰঠাকুৰৰ বিধৱা জীয়ৰী ইন্দিৰা দেৱীক (বি.এ., বি.টি)। দৰমহা আছিল ৬০ টকা। বাকীসকল শিক্ষয়িত্ৰীক ৫০ টকা, ২৫ টকাকৈ দিয়া হৈছিল। সেই সকল শিক্ষয়িত্ৰী আছিল ঁগিৰিজা হাজৰিকা, গৌৰী প্ৰভা দাস, নিৰুপমা গোস্বামী আৰু তমাল কুসুম দাস। আজি তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো। কিছুদিন পুৱাৰ ভাগত আৰম্ভ কৰা স্কুলখন ১৯৪৭ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী ভাৰতৰত্ন ঁ গোপীনাথ বৰদলৈৰ চেষ্টাত দীঘলী পুখুৰীৰ পূব পাৰত মিলিটেৰী বেৰেকলৈ স্কুলখন নিয়া হ'ল। সেই বছৰতে ১১





গৰাকী ছাত্ৰীয়ে মেট্ৰিক দিছিল আৰু আটাইকেইগৰাকীয়েই ভালকৈ কৃতকাৰ্য হৈছিল। পৰিচালনা কমিটি, অভিভাৱক সকলোৱে মিলি নতুন উৎসাহত বিদ্যালয়খন ভালদৰে উন্নত কৰাৰ প্ৰচেষ্টাত ব্ৰতী হ'ল। মেনেজিং কমিটিৰ সভাপতি ড° মথুৰা নাথ গোস্বামী ছিলঙলৈ বদলি হোৱাত ডাঃ ভুবনেশ্বৰ বৰুৱাক সভাপতি পতা হ'ল। পৰৱৰ্তী সময়ত ডাঃ ঘনশ্যাম দাসক সভাপতি নিয়োগ কৰা হ'ল।

১৯৪৭ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধি (তেতিয়াৰ বিত্ত আৰু ৰাজহ মন্ত্ৰী) ডাঙৰীয়াই বৰ্তমানৰ স্কুলখনৰ ঠাইতে (পুৰণি কলেৰা হস্পিতেলৰ ওচৰতে) চাৰি বিঘা খাল আৰু পুখুৰী থকা চৰকাৰী মাটি স্কুলৰ কাৰণে দিলে। মিলিটেৰীয়ে অলপ মাটি পুৰাই, কিছু গাড়ী মাটি খুজি, আৰু কম দামতে বন্দৰস্ত কৰি মাটি পুৰোৱা হ'ল। ইয়াৰ পাছত দুতলীয়া স্কুলৰ প্লেন এখন কালীপ্ৰসাদ বৰুৱা আৰু তেখেতৰ ভ্ৰাতৃসকলে ইঞ্জিনীয়াৰৰ দ্বাৰা বিনামূলীয়াকৈ কৰাই দিছিল। তাৰ পাছত কাম বিলাকত বহুতৰ নাম ল'ব লাগিব। ঠিকাদাৰ ৰামেশ্বৰ হাজৰিকা, কম দামত মাটি পেলোৱাত সহায় কৰা জগৰূপ ঠিকাদাৰ, কাঠৰ যোগান দিওঁতা দেৱীৰাম ঠাকুৰীয়া, ফাঁচী বজাৰৰ ব্যৱসায়ী মহাদেৱ খাকলীয়াৰ আৰ্থিক সাহায্যও উল্লেখনীয়। বিদ্যালয় নিৰ্মাণৰ কাম কাজ চলি থাকোঁতে উল্লেখ কৰা ব্যক্তিসকলে নানান সমস্যা, ঘটনাৰ সন্মুখীন হৈছিল কিছুমান ভাল লগা কিছুমান বেয়া লগা....। যাহওক, দুতলীয়া বিদ্যালয় ঘৰ লাহে লাহে হ'বলৈ ধৰিলে। (এতিয়াও আছে) হোষ্টেল এটি খোলাৰ কথা ভবা হৈছিল যদিও পাছলৈ অসম প্ৰদেশ মহিলা সমিতিক ঘৰে মাটিয়ে অলপ (প্ৰায় ২ কঠা) এৰি দিব লগা হ'ল। বহু ঘাত প্ৰতিঘাত সৰু বৰ ঘটনাৰে বিদ্যালয়খন ঠন ধৰি উঠিল। ১৯৫৭ চনত ডাঃ ঘনশ্যাম দাস উপ স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব লৈ যাব লগা হোৱাত সেই দায়িত্ব প্ৰয়াত তৰুণ শৰ্মা ডাঙৰীয়াক দিয়া হল। ১৯৫৭ চনতে বিদ্যালয়খন বহুমুখী উচ্চ মাধ্যমিক পৰ্যায়লৈ উন্নীত হ'ল। চৰকাৰৰ পৰা লোৱা ছয় হেজাৰ টকাৰ অনুদানেৰে স্কুলঘৰ ডাঙৰ কৰা হ'ল। ১৯৬৪ চনত তেতিয়াৰ মাননীয় শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাৰ চেষ্টাত, স্বাস্থ্যমন্ত্ৰী বৈদ্যনাথ মুখাৰ্জীৰ সহযোগত বিদ্যালয়ৰ দক্ষিণ ফালে তিনি বিঘা মাটি পাই তাত এটি

বিজ্ঞান ভৱন সজা হ'ল। এই নির্মাণত ইঞ্জিনিয়াৰ গোবিন্দ দাসে অবৈতনিকভাৱে সহায় কৰিছিল। ১৯৬৪ চনত বিদ্যালয়খন চৰকাৰৰ হাতলৈ নিয়া হ'ল।

এই লেখিকাৰ স্বাধীনতাৰ পাছত জন্ম। জন্মস্থান গুৱাহাটী। য'ত এই লেখিকাৰ শৈশৱ, কৈশোৰ, যৌৱন পাৰ হ'ল। পূৰ্ণ বয়স্ক এই বয়সৰ সময়ত তাহানিৰ গুৱাহাটীৰ লগত বৰ্তমানৰ গুৱাহাটীৰ কল্পনাতীত পৰিৱৰ্তন দেখি আহিছোঁ। উন্নয়ন হৈছে, চাৰিসীমা বাঢ়িছে, জনসংখ্যা বাঢ়ি আহিছে— এক জনবহুল, ব্যস্ত নগৰী বৰ্তমানৰ গুৱাহাটী। ক'লা বগা ছবিৰ যেন ৰঙীণ ছবিলৈ ৰূপান্তৰ। কত অনুষ্ঠান, কত প্ৰতিষ্ঠান। এই গুৱাহাটীৰ ঐতিহ্যময় শিক্ষানুষ্ঠান তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়তে শিক্ষা গ্ৰহণ কৰি (উজান বজাৰ এম. ই বালিকা বিদ্যালয়ৰ পাছত) বিষয় শিক্ষক হিচাপে শিক্ষকতা কৰিলোঁ। শেষৰ ৬ টা বছৰ অৱসৰ লোৱা সময়লৈ) অধ্যক্ষ হৈ দায়িত্ব পালন কৰিলোঁ। ১৯৫৮ চনত তাৰিণী চৌধুৰী হাইস্কুল উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়লৈ উন্নীত হৈছিল। আমি একাদশ শ্ৰেণীলৈ পঢ়ি উচ্চতৰ মাধ্যমিক ফাইনেল পৰীক্ষা পাছ কৰিলো। সেই সময়ৰ পাঠ্যক্ৰমত অষ্টমমানতে বিজ্ঞান শাখা, কলাশাখা বাছি ল'ব লাগিছিল। আমি বিজ্ঞান শাখাত উৰ্ত্তীণ হৈ কটন মহাবিদ্যালয়ত বি.এছ.ছিত নামভৰ্ত্তি কৰি স্নাতক হৈ গুৱাহাটী বিশ্ববিদ্যালয়ত এম.এছ.ছি পাছ কৰা বছৰতেই নিজে পঢ়ি অহা মৰমৰ বিদ্যালয়খনিত উচ্চতৰ মাধ্যমিক শাখাত বিষয় শিক্ষয়িত্ৰী হ'লো। বহু শিক্ষাগুৰুৰ লগত সহকৰ্মী হৈ নতুনকৈ আকৌ শিক্ষা লাভ, কৰিলোঁ শিক্ষা দানো কৰাৰ সুযোগ পালোঁ। বিদ্যালয়খনে ১৯৭১ চনত ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰে। ১৯৯৫ চনত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন হয়। বৰ্তমান এই ইতিবৃত্ত লিখা সময় সুন্দৰ সময়। তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহা ৰজত জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি চলি আছে। ৭৫ বছৰ পূৰ্ণ কৰা এখন ঐতিহ্যপূৰ্ণ বিদ্যালয়। মন ভৰি আছে।

চামে চামে ছাত্ৰীসকল এই বিদ্যালয়ৰ পৰা ওলাই গৈ ৰাজ্যিক, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সুপ্ৰতিষ্ঠিত হৈ বহু সংখ্যকে নাম জিলিকাইছে। সুগৃহিণী হোৱাৰ উপৰি সমাজৰ সকলো দিশতে এগৰাকী নাৰীৰ কৰ্ত্তব্যৰ মহান অৱদান





যোগাই অসমীয়া ভাষা সাহিত্য জাতিৰ বাবে কাম কৰি আছে। ড° মামণি ৰয়ছম গোস্বামী, শ্ৰীযুতা নিৰুপমা বৰগোহাঁই, ডাঃ সান্ত্বনা বৰদলৈ, ডাঃ অলকা গোস্বামী প্ৰমুখ্যে বহু ছাত্ৰী বৰ্তমান সুচিকিৎসক, অভিযন্তা, অধ্যাপিকা, সাহিত্যিক, ব্যৱসায়ী (শ্ৰীযুতা নিৰুপমা বৰুৱাৰ নাম ল'ব লাগিব) গায়িকা, অভিনেত্ৰী আদি সকলো ক্ষেত্ৰতে নিজৰ নাম উজ্জ্বলাই, বিদ্যালয়খনিৰো গৌৰৱ বঢ়াইছে। নাম উল্লেখ কৰিবলৈ গ'লে বহু নাম ল'ব লাগিব। ইয়াৰ মাজতে এটা পৰিতাপৰ কথা, বৰ্তমান ছাত্ৰীৰ সংখ্যা টি.চি স্কুল বুলি নহয় চৰকাৰী মাধ্যমৰ বিদ্যালয়ত কমি আহিছে। বিশ্বায়নৰ যুগত আগবাঢ়ি যাবলৈ ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি আগ্ৰহ পৰিলক্ষিত হৈছে। ফলত সচেতন অভিভাৱকৰ ছাত্ৰী আমি যেন নোপোৱা হৈছোঁ, অভাৱ অনুভৱ কৰিছোঁ। বৰ্তমান শিক্ষা ব্যৱস্থা, পাঠ্যক্ৰমৰ বহুত পৰিৱৰ্তন হৈছে। Smart Class হৈছে। শিক্ষানুষ্ঠানৰ সংখ্যা বাঢ়িছে। অৱশ্যে গুৱাহাটীৰ পৰিবৰ্দ্ধিত সীমাই, জনসংখ্যা বৃদ্ধিয়েও প্ৰভাৱ পেলাইছে। তাৰ মাজতে যেন তাৰিণী চৌধুৰী (টি.চি স্কুল) বিদ্যালয়ে নিজৰ নাম অক্ষুণ্ণ ৰখাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত অভিভাৱক, ৰাইজ, সচেতন নাগৰিক বিশেষকৈ চৰকাৰৰো ভূমিকা আশাপূৰ্ণ হ'লে নিশ্চয়কৈ অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰ ভৰপুৰ হ'ব। গুৱাহাটী ঐতিহ্যপূৰ্ণ বিদ্যালয়সমূহ সদায় নিজৰ গৌৰৱময় ইতিহাস লৈ বৰ্তমানতো জিলিকি উঠিব। তাৰিণী চৌধুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰী, প্ৰাক্তন শিক্ষয়িত্ৰী, প্ৰাক্তন অধ্যক্ষ হৈ গৌৰৱ অনুভৱ কৰোঁ। লগতে বিদ্যালয়খনে গুৱাহাটী কিয় অসমৰ ভিতৰতে এখন উজ্জ্বল, শিক্ষানুষ্ঠান হৈ সদায় জিলিকি থাকক কামনা কৰোঁ। উত্তম শিক্ষাদান, শিক্ষাগ্ৰহণেৰে শিক্ষক, কৰ্তৃপক্ষ, অভিভাৱক, সকলোৰে নিষ্ঠা, আন্তৰিকতাৰে প্ৰতিগৰাকী ছাত্ৰীক এগৰাকী সুনাগৰিক, সংস্কৃতিৱান মহিলা কৰি গঢ়ি তোলাৰ লগতে স্ত্ৰীশিক্ষাৰ অন্যতম অনুষ্ঠান হিচাপে গঢ়ি উঠক।

—+—

# অভিজাত উজানবজাৰ

**ভুবন লহকৰ**

কোনো এখন ঠাই গ্ৰামৰ পৰা নগৰলৈ উন্নীত হওঁতে বা ৰূপান্তৰিত হওঁতে, নগৰায়ণৰ ৰূপান্তৰৰ যি প্ৰক্ৰিয়া তাত মূলতঃ দুটা কাৰকে কাম কৰে; প্ৰথমটো হ'ল প্ৰয়োজন আৰু দ্বিতীয়টো হ'ল কৰ্ম। ইয়াৰ পিচত আৰ্থিক সঙ্গতি আৰু লগ্নী, প্ৰযুক্তিবিদ্যা তথা আধুনিক সৰঞ্জামৰ পদ্ধতিগত ব্যৱহাৰ আৰু জনপ্ৰবজন আদিৰ কথা আনুষঙ্গিকভাৱে আহি পৰে। এতিয়াৰ গুৱাহাটী মহানগৰখনো শতিকা পূৰ্বে কৃষিপ্ৰধান গ্ৰাম আছিল আৰু সেই তাহানিৰে পৰা কামৰূপ-কামাখ্যাৰ আৰু তাৰ সতে সংলগ্ন দশমহাবিদ্যাৰ কিম্বদন্তি, লোকবিশ্বাস আৰু ধৰ্মধাৰণাৰ বাবে এই চহৰলৈ ভাৰতীয় উপমহাদেশ আৰু ওচৰৰ সংলগ্ন দেশবোৰৰ পৰা ধৰ্মপ্ৰাণ লোকৰ অহৰহ প্ৰবজন হৈ আছিল আৰু সেই লোকপ্ৰবজনৰ সতে সঙ্গতি ৰাখি সেৱা আগবঢ়াবলৈ সেই গুৱাহাটীত আন্তঃগাঁথনি গঢ়ি তোলা হৈছিল। সেই তাহানিৰে পৰা গুৱাহাটীখন বিভিন্ন ৰাজন্যৰ প্ৰশাসনৰ কেন্দ্ৰভূমি ৰাজধানী ৰূপেও পৰিগণিত হৈছিল। বিদেশী আক্ৰমণৰ পৰা দেশ ৰক্ষা কৰালৈ ৰাজধানী চহৰখন প্ৰতিৰক্ষাৰ বেহুৰূপেও সজাই তোলা হৈছিল। গড় সাজি নিকপকপীয়া কৰা হৈছিল গুৱাহাটীৰ প্ৰতিৰক্ষা। মোমাইকটা গড়, ৰাজগড়, গড়চুক, গড়ভাঙা, ভঙাগড় আদি স্থানৰ ভৌতিক অৱস্থিতিয়েই ইয়াৰ প্ৰমাণ। আনহাতে আজিৰ





বৃহত্তৰ গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী অঞ্চল আৰু এতিয়াৰে পৰা ছয় দশক পূৰ্বৰ গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা পথৰ দুয়ো দাঁতিৰ সুবিশাল ভূখণ্ড আৰু উলুবাৰীৰ পৰা যোৰাবাট হৈ ক্ষেত্ৰী, সোণাপুৰহৈ উজনিলৈ যোৱা ট্ৰাঙ্কৰ'দৰ "গুৱাহাটী-শ্বিলং ৰোড বা জি. এছ. ৰোড (G. S. Road)ৰ দুয়ো দাঁতিৰ বিস্তীৰ্ণ অঞ্চল সেউজীয়া খেতিপথাৰ আছিল। সেইদৰে গণেশগুৰি চাৰিআলিৰ পৰা বশিষ্ঠলৈকে এই বিশাল অঞ্চল আৰু বেলতলা, কাহিলিপাৰা, আমগাঁও, দক্ষিণগাঁও, জুৰিপাৰ, বাঘৰবৰী, নাৰেংগীৰ 'অইল' (Oil) ৰ দখললৈ যোৱা বিশাল ভূমি অঞ্চল, খানাপাৰা-জৱাহৰনগৰৰ এতিয়া দখল হৈ যোৱা পথাৰবোৰ এসময়ত সম্পূৰ্ণৰূপে খেতিপথাৰ আছিল। 'সাতগাঁও', 'আঠগাঁও', 'দক্ষিণগাঁও' আদি গাঁৱেৰে ভৰা একালৰ গুৱাহাটীখন গাঁও আছিল আৰু বিৱৰ্তনৰ পথেৰে আহি আজি এই গাঁও মহানগৰ হ'ল। বিৱৰ্তনৰ এই প্ৰক্ৰিয়াৰ মাজতে আমি চহৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত বহুকেইখন বজাৰ পালোঁ। তাৰে কেইখনমান বিভিন্ন বজাৰ নামেৰে চিহ্নিত। কলংপাৰ বজাৰ, লখৰা বজাৰ, বেলতলা বজাৰৰ উপৰি গুৱাহাটীৰ প্ৰাচীন আৰু স্থায়ী বজাৰসমূহ হৈছে পাণবজাৰ, ফাঁচীবজাৰ, পল্টনবজাৰ, আৰু উজান বজাৰ।

এই প্ৰতিখন বজাৰেই অতীজতে ক্ৰেতা, জনসাধাৰণৰ চাহিদা পুৰণ কৰাৰ অৰ্থে গঢ়ি উঠিছিল। ফাঁচীবজাৰখন আছিল বিভিন্ন সামগ্ৰীৰ পাইকাৰী বজাৰ। লোহা-লক্কৰ, চিমেন্ট, টিনপাত, ৰং, মনোহাৰী সামগ্ৰী, সূতা, কাপোৰ, জোতা, কাঁহ-পিতল, সোণ-ৰূপৰ কেঁচা সামগ্ৰী আৰু প্ৰস্তুত সামগ্ৰী, চাউল-ডাইল, চাহপাত, মিঠাতেল, ঘিঁ, দৈনন্দিন খাদ্যৰ গেলামাল (Grocery, Provisons & FMCG) সামগ্ৰী ফাঁচী বজাৰত পাইকাৰী আৰু খুচুৰা মূল্যত পোৱা যায়। মাছ-মাংস আৰু নাৰ্চাৰীৰ গছ-গছনি, ফুল-পাচলিৰ পুলি আৰু গুটিও পোৱা যায়। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰ (Central Jail) ইয়াৰ ওচৰতে বাবে নামটো ফাঁচী বজাৰ হ'ল; কিয়নো এই কেন্দ্ৰীয় কাৰাগাৰত বৃটিচৰ দিনৰে পৰা মৃত্যুদণ্ডেৰে দণ্ডিত দোষীক ফাঁচী দিয়াৰ ব্যৱস্থা আছে। পৰৱৰ্তীকালত কিছুমান অনাঅসমীয়া বণিয়াই এই ইতিহাসৰঞ্জিত নামটো 'ফেঞ্চী বজাৰ' (Fancy Bazar) নামলৈ পৰিৱৰ্তিত কৰিবলৈ যত্ন কৰিছিল। সেই সময়ত ফাঁচী বজাৰত কালিচৰণ দাস নামৰ অসমীয়া ব্যৱসায়ী এগৰাকীয়ে ব্যৱসায় কৰি বিশেষভাৱে উন্নতি কৰিছিল।

প্ৰথমতে তেওঁ স্কুলীয়া কিতাপৰ বিক্ৰেতা আছিল আৰু পিছলৈ ৰেলেৰে কলিকতালৈ গৈ কিতাপ আৰু বিভিন্ন লেখন সামগ্ৰী, কাকত আদি পাইকাৰী দাম (Wholesale Rate)ত কিনি আনি ফাঁচী বজাৰত খুচুৰা দাম (Retail Price)ত বিক্ৰী কৰিছিল। পিছলৈ তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠানত বেজী-সূতাৰ পৰা চিলাই মেচিন, ৰেডিঅ' ফিলিপচ্‌ৰ সামগ্ৰী, এভাৰেডী টৰ্চৰ বেটাৰী আৰু টৰ্চ, হৰলিক্স, ওভালটিন আদি সকলো সামগ্ৰী পোৱা গৈছিল। প্ৰতিষ্ঠানৰ নাম আছিস, "কালিচৰণ বুক চেলাৰচ্‌" (Kalicharan Book Sellers)। বৃটিছ চাহাবসকল তেওঁৰ অন্যতম গ্ৰাহক আছিল।

এতিয়া আমি উজান বজাৰৰ কথালৈ আহোঁ। গুৱাহাটীৰ বজাৰ সমূহৰ মাজত উজ্বল হৈ জিলিকি থাকে উজানবজাৰ।

গুৱাহাটীৰ আভিজাত্যৰ ইতিহাস মানেই উজানবজাৰৰ ইতিহাস। এই বজাৰত কেৱল সামগ্ৰীৰ বিপণনেই নহয় ইয়াত অহৰহ আদান-প্ৰদান হয় সাংস্কৃতিক সম্ভাৰৰ। উজানবজাৰৰ লতাশিল পথাৰৰ ভূমিতেই অসমীয়াৰ জাতীয় সংস্কৃতি নিভাঁজৰূপত সংৰক্ষণ আৰু পৰিৱেশনৰ অঙ্গীকাৰৰ স্বৰ্ণৰঞ্জিত ইতিহাসৰ সৃষ্টি হয়। অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুটি হাবি আৰু পথাৰৰ পৰাই লোপ পোৱাৰ উপক্ৰম হোৱাৰ সময়তে পথিকৃত সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা আৰু লোকবন্ধু ডাঃ ভূৱনেশ্বৰ বৰুৱাই বহুজন সংস্কৃতি সংৰক্ষণৰ সৈনিকক লগতলৈ এই উজানবজাৰতে ৰঙালী বিহুক মঞ্চবিহু ৰূপে প্ৰতিষ্ঠা কৰি যুগমীয়া ইতিহাস সৃষ্টি কৰিলে।

উজানবজাৰৰ ভৌগোলিক অৱস্থিতি পৰ্যবেক্ষণ কৰিলে পাওঁ, উত্তৰৰ সীমাতে ব্ৰহ্মপুত্ৰ নদ, দক্ষিণে আমবাৰী, পূবে খাৰঘুলি আৰু চিত্ৰাচল পাহাৰ আৰু পশ্চিমে শুক্ৰেশ্বৰ মন্দিৰ তথা মজিন্দাৰ বৰুৱাৰ হাউলিৰ টিলা আৰু 'জৰ্জ খেলপথাৰ' (Judgs Fields)। বৃটিছে গুৱাহাটীত খোপনি পোতাৰ বহু আগৰে পৰা বহু পিচলৈকে উত্তৰ গুৱাহাটী, চিপাঝাৰ, মঙ্গলদৈ, হাজো-মুকালমুৱা, নগাঁও-কলংপাৰৰ পৰা সেই অঞ্চলৰ মানুহে নাও-ডিঙাৰে লুইত পাৰহৈ উজানবজাৰ ঘাটত নাও-ডিঙা বান্ধিছিল আৰু উজানবজাৰতে অস্থায়ীভাৱে থাকিছিল আৰু পৰৱৰ্তী কালত উজানবজাৰেই বহুতৰে বাবে স্থায়ী ঠিকনা হৈ পৰে। শুৱালকুছি,





হাজো, আমিনগাঁৱৰ পৰা নাওবোৰ উজাই আহিছিল বাবে এই স্থানৰ নাম উজানবজাৰ হোৱা বুলি বহুজনৰ বিশ্বাস। আনহাতে ইয়াৰ ঘাটত মাছৰ উজান উঠিছিল আৰু স্থানীয় বহু বাসিন্দাই নিশা বাঁহৰ জোৰ জ্বলাই সেই পোহৰেৰে মাছক আকৃষ্ট কৰি আনি জোৰেৰে ধৰা বা দাৰে কটা (জোৰা কাটা) পদ্ধতিৰে মাছ ধৰিছিল; এই মাছৰ উজানৰ বাবেই উজান বজাৰ হোৱা বুলি বহুতে ভাবে।

কুৰুৱাৰ পৰা নাৱেৰে লুইত পাৰহৈ আহি উজানবজাৰকে নিজ কৰ্মস্থান আৰু স্থায়ী বাসস্থান ৰূপে নিৰ্বাচিত কৰি লৈ পৰৱৰ্তীকালত নিজৰ জ্ঞান আৰু প্ৰত্যুৎপন্নমতি তথা কৰ্মশক্তিৰ দ্বাৰা তাহানিৰ গুৱাহাটী আৰু অসমৰ প্ৰত্নতাত্ত্বিক, শৈক্ষিক, সাংস্কৃতিক আৰু সামাজিক উন্নয়নৰ বাবে স্থায়ী ভাবে কাম কৰা অন্যতম ব্যক্তিগৰাকীয়েই হৈছে ৰায় বাহাদুৰ ভুবন ৰাম দাস ডাঙৰীয়া। কুৰুৱাৰ পৰা আহি বৃটিছৰ অনুষ্ঠানত চাকৰি কৰি পৰৱৰ্তী কালত তেওঁ বৃটিছৰ পৰামৰ্শদাতা হৈ পৰে আৰু তৎকালীন প্ৰশাসক সকলৰ দ্বাৰা অসম-অসমীয়াৰ উন্নয়নৰ স্বাৰ্থত বহুত ভাল কাম কৰায়। কৰোৱায়। ছাৰ এড'ৱাৰ্দ গেইটৰ লগত তেওঁৰ নিবিড় সম্পৰ্ক আছিল আৰু গেইটৰ দ্বাৰা ৰচিত, ইংৰাজী ভাষাত প্ৰথমখন অসম বুৰঞ্জী, 'এ হিষ্ট'ৰী অৱ আসাম' (A History of Assam)ৰ ৰচনা আৰু প্ৰকাশৰ ক্ষেত্ৰত তেওঁৰ অনুপ্ৰেৰণা আৰু সহায় আছিল। উজানবজাৰৰ দাঁতিৰ আমবাৰীত অৱস্থিত 'অসম ৰাজ্যিক সংগ্ৰহালয়' (Assam State Museum) ৰ পিতৃ অনুষ্ঠান 'কামৰূপ অনুসন্ধান সমিতি' (Assam Research Society)ৰ উন্নয়ন আৰু ইয়াৰ ভৱন নিৰ্মাণৰ ক্ষেত্ৰতো তেওঁৰ অৰিহণা অসীম। বৃহত্তৰ গুৱাহাটীৰ বাহিৰে-ভিতৰে সিঁচৰতি হৈ থকা বৰটোপসমূহ তেওঁ উদ্যোগ লৈ সংগ্ৰহ কৰিছিল আৰু পৰৱৰ্তী কালত সেই সমূহ মিউজিয়ামত জমা দিয়াইছিল। কটন কলেজৰ লাইব্ৰেৰী ভৱন নিৰ্মাণৰ ক্ষেত্ৰতো তেওঁৰ অৰিহণা আছিল। সম্প্ৰতি ইতিহাস প্ৰসিদ্ধ লতাশিল খেল পথাৰৰ পৰা পূব দিশৰ 'গাৰ্লচ এম ই স্কুল' সংযোগী পথটো ৰায় বাহাদুৰ জনাৰ নামেৰে নামাংকিত কৰা হৈছে। সেই পথৰ দাঁতিতেই ভুবনৰাম দাসৰ প্ৰাচীন গৃহ আজিও তেওঁৰ অনুজসকলে আটমটোকাৰিকৈ সজাই ৰাখিছে। সেই প্ৰাচীন গৃহৰ কিছু আঁতৰতে বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ আবাস গৃহ। ষাঠীৰ দশকৰ আদি ভাগত আমি এম. চি. এম. ই. স্কুল (M.C.M.E

School/ মাণিক চন্দ্ৰ মধ্য ইংৰাজী বিদ্যালয়)ত পঢ়োঁ। বিহগী কবিৰ পৰিয়ালৰে পতঞ্জলি চৌধাৰী আৰু আমি এম.চি.এম.ই. স্কুলত একে শ্ৰেণীত পঢ়িছিলোঁ। মাজে মাজে পতঞ্জলিৰ ঘৰলৈ গৈছিলোঁ। তেওঁলোকৰ ঘৰৰ সন্মুখৰ চোতালত মিঠা অমৰাৰ গছ এজোপা আছিল আৰু গছজোপাৰ তল ভাগৰ ডালতে ৰসাল মিঠা ফলবোৰ ডালভৰি লাগিছিল। পতঞ্জলিৰ ঘৰলৈ যোৱাৰ সেইটোও অন্যতম এক দুৰ্বলতা আছিল। তালৈ গ'লেই বিহগী কবিক দেখা পাইছিলোঁ। শীত কালত এণ্ডি কাপোৰৰ 'শ্ব'ল' উৰি সন্মুখৰ চোতালত আৰামী চকী এখনত বহি তেওঁ ৰ'দ লৈছিল। কেতিয়াবা আমাক ওচৰলৈ মাতি নি নাম আৰু ক'ত ঘৰ, আৰু আনুষঙ্গিক প্ৰশ্ন কৰিছিল। তাৰ ওচৰতে নাট্যকাৰ শিল্পী উত্তম বৰুৱাৰ ঘৰ। এই মহান শিল্পীজনাৰ কিন্তু ভেম-পেচ নাই। এবাৰ আমি গুৱাহাটী-আকাশবাণীৰ বাবে নাট্যকাৰ প্ৰবীণ ফুকন ৰচিত জনপ্ৰিয় ঐতিহাসিক নাট, 'মণিৰাম দেৱান'ৰ অনাতাঁৰ নাট্যৰূপৰ আখৰা কৰিছিলোঁ। আখৰা 'কুমাৰ ভাস্কৰ নাট্য মন্দিৰ'ত হৈছিল। নাট্যকাৰ বৰুৱাদেৱে নাটখন পৰিচালনা কৰিছিল আৰু চাহ বিৰতিৰ সময়ত আমাৰ লগতে, কেট্‌লিত অনা গৰম চাহ আৰু গৰম গৰম চিঙ্গৰা খাইছিল। সেয়া অৱশ্যে আশীৰ দশকৰ মাজ ভাগৰ কথা। প্ৰাক বৃটিছকালৰে পৰা ষাঠীৰ দশকলৈ উজানবজাৰ আৰু ইয়াৰ আশে-পাশে ইয়াৰ স্থায়ী বাসিন্দাসকলৰ লগতে অন্যান্য কিছুমান পৰিয়ালেও আহি থিতাপি ল'লেহি। বিভিন্ন বৃত্তি আৰু আনুষঙ্গিক কাৰকৰ বাবে উজানবজাৰলৈ এই প্ৰব্ৰজন ঘটে। সেইবাবেই উজানবজাৰত ৰাজ পৰিয়াল, আহোম ৰজাৰ উচ্চ বিষয়া, আহোম ৰজাৰ মাননীয় ব্ৰাহ্মণ, বৃটিছৰাজৰ কৰ্মকৰ্তা, ধ্ৰুপদী আধুনিক ধাৰাৰ ভিন্নমুখী শিল্প-কৃষ্টিৰ, সাহিত্যিক-সাংবাদিক, বাঢ়ৈ, খনিকৰ, ডাক্তৰ, ইঞ্জিনীয়াৰ, শিক্ষক-শিক্ষাবিদ, ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক, ঠিকাদাৰ, প্ৰকাশক ছপা কৰা প্ৰেছৰ স্বত্বাধিকাৰী, বিভিন্ন পৰ্যায়ৰ পুলিচ বিষয়া, প্ৰশাসনিক বিষয়া, চলচ্চিত্ৰ নিৰ্মাতা-পৰিচালক-পৰিৱেশক, চিনেমাহলৰ স্বত্বাধিকাৰী, চিনেমাহলৰ প্ৰদৰ্শনৰ বাবে দৰ্শকে কিনিবলগীয়া টিকট বিশেষ ভাৱে ছপা কৰা প্ৰেছ (সকলো প্ৰেছতে এই বিধ ছপা কাম নহয়), অভিজাত কৃষক, বনুৱা, ৰাজ পৰিয়াল, জমিদাৰ, মৌজাদাৰ, মজিন্দাৰৰ পৰিয়াল আৰু





তেওঁলোকৰ বংশধৰ বহুজন এই উজানবজাৰৰে একালৰ বাসিন্দা আছিল আৰু আজিও আছে।

প্ৰাকৃতিক পৰিৱেশৰ বাবে একো একোখন স্থানে একো একোটা বিশেষ ৰূপ লয়। যাতায়াত আৰু বসতিৰ বাবে সূচল বাবে আৰু প্ৰতিৰক্ষাৰ দিশৰ পৰাও গুৰুত্বপূৰ্ণ হোৱা বাবে আহোমৰ দিনৰ পৰাই উজানবজাৰত জনবসতি আছিল। পৰৱৰ্তীকালত বৃটিছে অসম সোমোৱাৰ পিচত "জইন্ট ষ্টীমাৰ কোম্পানী" খোলে আৰু ইয়াৰ মূল অফিচ স্থাপন কৰে চত্ৰকাৰ দেৱালয়ৰ অঞ্চলত, লুইতৰ দাঁতিত (এতিয়াৰ 'গৱৰ্ণৰ হাউচ'ৰ আগে আগে) উজান বজাৰ স্থিত বৃটিছৰ সেই সুদৃশ্য ঐতিহাসিক ভবন কিছুদিন পূৰ্বে ভাঙি পেলোৱা হৈছে। ইতিহাসে কয় বৃটিছে উজানবজাৰত নৌ পথেৰে প্ৰৱেশ কৰিছিল। অকল নাও আৰু ডিঙা দেখা বহুজনে তেতিয়া প্ৰথমবাৰৰ বাবে ভাপ জাহাজ দেখি সেইবোৰকে সাগৰত চলা জাহাজ বুলি ভাবিছিল। জাহাজৰ ধাৰণাটোও বহুতৰে নাছিল। প্ৰসংগক্ৰমে ইয়াতে উল্লেখ কৰিবলৈ মন গৈছে, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে প্ৰথম অসমীয়া ভাষাৰ ছবি 'জয়মতী' নিৰ্মাণ কৰোতে নায়িকাৰ নাম ভূমিকাত অভিনয় কৰাবলৈ ছোৱালী বিচাৰি পোৱা নাছিল। ভিতৰুৱা গাঁৱৰ ছোৱালী আইদেউ সন্দিকৈ (ছন্দিকৈ)ক তেওঁৰে সম্পৰ্কীয় ককায়েক এজনে আইদেউৰ বান্ধৱী এজনীৰ স'তে 'পানীত ওপঙা ঘৰ' দেখুৱাম বুলি ফুচুলাই জ্যোতি প্ৰসাদৰ ওচৰলৈ লৈ গৈছিল। তেতিয়াই আইদেৱে লুইতৰ বুকুত 'পানীত ওপঙা ঘৰ' ৰূপী জাহাজ দেখিছিল। তেতিয়া অসমত লুইতৰ বুকুত জাহাজ কেৱল 'জইন্ট ষ্টীমাৰ কোম্পানী'ৰ জাহাজেই আছিল আৰু সৰ্বসাধাৰণে এই জাহাজসমূহক 'কোম্পানীৰ জাহাজ' বুলি কৈছিল। 'কোম্পানীৰ জাহাজ'ক সামৰি জনপ্ৰিয় তথা বহুল প্ৰচাৰিত বিহুগীতৰ প্ৰচলনো আছে। তাহানিৰ চিনেমাৰ দৃশ্যগ্ৰহণ বা 'শ্যুটিং' কৰি দৃশ্য এটা চেলুলয়েডত গৃহীত কৰি ৰাখিবলৈ 'পিকচাৰ নিগেটিভ'ৰ ৰীল কেমেৰাৰ ভিতৰত 'এক্‌চপোজড' (Exposed) কৰাৰ পিচত এন্ধাৰৰ মাজেৰে আনি সংৰক্ষণ কৰা হয়। এই প্ৰক্ৰিয়াত 'ফিল্ম নিগেটিভ'ৰ সংৰক্ষণৰ বাবে বৰফৰ প্ৰয়োজন হয়। জ্যোতিপ্ৰসাদে ভোলাগুৰি টি ইষ্টেটত পতা 'চিত্ৰবন' ষ্টুডিঅ'লৈ কলিকতাৰ পৰা বৰফ জাহাজত অনাইছিল। প্ৰক্ৰিয়াটো কষ্ট সাধ্য

আৰু লগতে ব্যয়সাধ্যও আছিল। সেই হিচাপে চাবলৈ গ'লে অসমীয়া চলচ্চিত্ৰৰ আৰম্ভণি তথা অসমীয়া সংস্কৃতিৰ উত্তৰণৰ দিশত ভাপ জাহাজৰ এক বলিষ্ঠ ভূমিকা আছে।

উজান বজাৰলৈ ইংৰাজ আহিছিল জাহাজত উঠি লুইতেৰে। পৰৱৰ্তী কালত জাহাজ কোম্পানীৰ বিভিন্ন দিশ সামৰি আন্তঃগাঁথনি উন্নীত কৰিবলৈ প্ৰয়োজন হোৱাত বহু মানুহ চাকৰিত মকৰল হয় আৰু উজানবজাৰত তেনে বহু মানুহেই স্থায়ীভাৱে থাকিবলৈ লয়। এইদৰেই উজানবজাৰত স্থায়ী বাসিন্দাৰ সংখ্যা বৃদ্ধি পায়। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বহু লোকে তাহানিৰে পৰা কোৰ্ট-কাছাৰীৰ কামত ডেপুটি কমিচনাৰৰ অফিচলৈ আহি থাকে। গুৱাহাটীলৈ আহিলে বহুতৰে অস্থায়ী ভাবে আশ্ৰয় ল'বলৈ উজান বজাৰতে অস্থায়ী বহা আছিল। পৰৱৰ্তীকালত সেইবোৰেই স্থায়ী বহা হৈ পৰিল।

কোনো এখন ঠাইৰ উন্নয়ন, উত্থান-পতন নিৰ্ভৰ কৰে সেই ঠাইৰ বাসিন্দাসকলৰ কৰ্মতৎপৰতাৰ ওপৰত। বাসিন্দা-কৰ্মীৰ শৰীৰৰ লগতে মানসিক তৎপৰতাৰ প্ৰাচুৰ্যেৰে ভৰা হ'লে সেই স্থানৰ সুনামো চৌদিশে বিয়পি পৰে। উজানবজাৰৰ ক্ষেত্ৰতো সেয়েই হৈছে। উজানবজাৰৰ বাসিন্দাসকলৰ কৰ্ম উদ্যম আৰু সাংস্কৃতিক মননৰ বাবে উজানবজাৰৰ নাম আৰু ইয়াৰ বাসিন্দাসকলৰ কৃতিসমূহ আজি চৌদিশে বিয়পি পৰিছে। খিলঞ্জীয়া উজানবজৰীয়াসকলে বৈষয়িক লাভালাভতকৈ বৌদ্ধিক উন্নয়নত আৰু সৃষ্টিশীলতাত বেছিকৈ মনোনিৱেশ কৰিছিল আৰু আজিও কৰে। এনে বহুজন উজানবজৰীয়াৰ বাবেই অসমীয়া সাহিত্য-সংস্কৃতি আৰু সমাজ বহুখিনি লাভান্বিত হৈছে।

উজানবজাৰত বহু প্ৰাচীন আৰু নতুন সমাজ হিতৈষী অনুষ্ঠান-প্ৰতিষ্ঠান, মঠ-মন্দিৰ, প্ৰত্নতাত্ত্বিক সমল, সাংস্কৃতিক কেন্দ্ৰ, বিপণন কেন্দ্ৰ, ক্ৰীড়াঙ্গন আদি আছে। লগতে উজানবজাৰ হৈছে প্ৰকৃত অৰ্থৰ 'মানুহ' ভৰি থকা এক 'মানৱ তীৰ্থ'।

উজানবজাৰৰ অন্যতম সন্মানীয় নাগৰিক বুলিলেই নাম ল'ব লাগিব অধুনা প্ৰয়াত ভূৱনেশ্বৰ বৰঠাকুৰৰ নাম। এই বিখ্যাত উদ্যোগী পুৰুষগৰাকী পূব উলুবাৰীৰ জনপ্ৰিয় 'বৰঠাকুৰ মিল'ৰ স্বত্বাধিকাৰী আছিল। তেওঁ কেইবাটাও যন্ত্ৰ





আৱিষ্কাৰ কৰিছিল আৰু কেইটামানৰ 'পেটেন্ট' (Patent) লোৱা বুলিও জনা যায়। তেওঁৰ অন্যতম ভাতৃ আছিল ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ। গুৱাহাটীৰ কিম্বদন্তী হৈ পৰা স্বাধীনতা সেনানী, জনসেৱক ডাঃ হৰিকৃষ্ণ দাস আৰু সমাজ সংগঠক শিক্ষা সংস্কৃতিপ্ৰেমী, 'লোকবন্ধু' ডাঃ ভূৱনেশ্বৰ বৰুৱাৰ পিচতে ডাক্তৰ হিচাপে আৰু সমাজকৰ্মী তথা অসমীয়া জাতীয়তাবাদী নেতা হিচাপে নাম ল'ব লাগিব ডাঃ আনন্দেশ্বৰ বৰঠাকুৰৰ। গুৱাহাটী তথা অসমত ব্যক্তিগত পৰ্যায়ত 'নাৰ্চিং হ'ম' বা চিকিৎসালয়ৰ ধাৰণাৰে এনে উদ্যোগ লোৱাৰ ক্ষেত্ৰত তেওঁ বাটকটীয়া আছিল। অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিও তেওঁৰ ৰাপ আছিল। উজানবজাৰতে তেওঁৰ চেম্বাৰ আছিল আৰু খাৰঘুলিত তেওঁ প্ৰতিষ্ঠা কৰা চিকিৎসালয় আজিও জনপ্ৰিয় হৈ আৰ্তমানৱলৈ সেৱা আগবঢ়াই আহিছে। ভূৱনেশ্বৰ বৰঠাকুৰৰ পুত্ৰ সুকুমাৰ বৰঠাকুৰ মাৰ্গীয় সঙ্গীতৰ ভক্ত আৰু গৱেষক। তেওঁ 'অনুনাদ' শীৰ্ষক ধ্ৰুপদী সঙ্গীত আৰু কলা বিষয়ৰ আলোচনী এখনি নিয়মীয়াকৈ প্ৰকাশ কৰি আহিছে। সাহিত্যিক-সমাজ সংগঠক গৌৰীকান্ত তালুকদাৰৰ ঘৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ শাৰীতেই, কিছু আঁতৰত। তালুকদাৰ দেৱ স্বাধীনতা সংগ্ৰামী, সমাজসেৱক আৰু শিক্ষাপ্ৰেমী আছিল। তেওঁ 'লাৱণ্য প্ৰেছ'ৰ স্বত্বাধিকাৰী আছিল আৰু শিশু আলোচনী, 'দীপক'ৰ প্ৰকাশক-সম্পাদক আছিল। কুখ্যাত 'কানিংহাম চাৰ্কুলাৰ' (Cunningham Circular)ৰ বিৰোধিতাৰে তেওঁ অন্যতম আগৰণুৱা হৈ গুৱাহাটীৰ প্ৰসিদ্ধ শিক্ষানুষ্ঠান 'কামৰূপ একাডেমী' প্ৰতিষ্ঠা কৰে। বি. বৰুৱা কলেজ প্ৰতিষ্ঠানতো তেওঁ জড়িত আছিল। ৰাধাগোবিন্দ বৰুৱাই উদ্যোগ লৈ আৰম্ভ কৰা লতাশিল খেলপথাৰৰ 'গুৱাহাটী বিহু সন্মিলনী'ৰো তেওঁ অন্যতম অগ্ৰণী পুৰুষ আছিল। তেওঁ কামৰূপ অনুসন্ধান সমিতিৰো শীৰ্ষ কৰ্মকৰ্তা আছিল। শ্ৰীমদ্ভাগৱত গীতা ব্যাখ্যা-সহ তেওঁ অসমীয়ালৈ অনুবাদ কৰিছিল।

আন এগৰাকী শিক্ষাবিদ আছিল গোলাপ চন্দ্ৰ চৌধুৰী। চানমাৰিৰ 'জে.বি. ল. কলেজ' (J. B. Law College)ৰ তেওঁ প্ৰতিষ্ঠাতা আছিল। তেওঁৰ ঘৰ উজানবজাৰৰ 'হেপীভিলা' পথত। তেওঁৰ অন্যতম চুবুৰীয়া হৈছে সাংবাদিক হৰেণ বৰুৱা। তেওঁ লেখাৰ মাধ্যমেৰে সাংবাদিকতাৰ দ্বাৰা অসমীয়া জাতিৰ

হকে কাম কৰি গৈছিল। তেওঁৰ ঘৰৰ সন্মুখতে আছিল কংগ্ৰেছ প্ৰেছ। পূৰ্বতে কেইগৰাকীমান কংগ্ৰেছ কৰ্মী এই প্ৰেছৰ সতে জড়িত আছিল।

নাট্যকাৰ-অভিনেতা, শিল্পী লক্ষ্যধৰ চৌধুৰীৰ জীৱনৰ অপেশাদাৰী নাটকৰ বাবে কটোৱা বহু সময় 'কুমাৰ ভাস্কৰ নাট্য মন্দিৰ'তে অতিবাহিত হৈছিল। ২০০০ চনৰ ১০ মে তাৰিখে তেওঁ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত তেওঁ নিজে ৰচনা কৰা 'ঠিকনা' নাটকত, জীৱনত শেষবাৰৰ বাবে অভিনয় কৰে। আন আন নাটকত কৰা অভিনয়ৰ দৰে 'ঠিকনা'টো সফল অভিনয় কৰাৰ কেইমাহমান পিছতে তেওঁ পৰলোকলৈ গতি কৰে। শেষবাৰৰ বাবে কৰা সেই অভিনয়ৰ ৬০ বছৰ পূৰ্বেও তেওঁ উজানবজাৰৰ এই ৰঙ্গমঞ্চতে 'ঠিকনা' নাটকত অভিনয় কৰিছিল। লক্ষ্যধৰ চৌধুৰীদেৱে অসমীয়া বোলছবিও পৰিচালনা কৰে। তেওঁ মাননীয় অসম চৰকাৰৰ এবাৰ সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰীও আছিল। তেওঁ এগৰাকী সফল লেখকো আছিল। উজানবজাৰৰ আন এগৰাকী শিক্ষাবিদ নাগৰিক হৈছে শ্ৰীযুত অৰুণ বৰুৱা। তেওঁ এম.চি.এম.ই. স্কুলৰ প্ৰিঞ্চিপাল হিচাপে অৱসৰ লাভ কৰে। ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ত তেওঁ 'নেওতা নে কবিতা' নামেৰে এখনি কবিতাপুথি ৰচনা কৰিছিল। পৰৱৰ্তী কালত আৰু এখনি কবিতা পুথি ৰচনা কৰি ড° ভূপেন হাজৰিকাৰ সন্মানাৰ্থে অৰ্পণ কৰে। পৰৱৰ্তী কালত তেওঁ কৌটিল্যৰ জীৱনভিত্তিক এখনি গ্ৰন্থ ৰচনা কৰে। তেওঁ এতিয়াও নিয়মীয়াকৈ সাহিত্য চৰ্চা কৰি আছে।

ঐতিহ্যমণ্ডিত লতাশিল খেল পথাৰৰ পূবে এটা প্ৰাচীন সুদৃশ্য, কাঠৰ দু-মহলীয়া ঘৰ দেখা পোৱা যায়। এই ঘৰটোৰ গৰাকী হৈছে প্ৰখ্যাত বৰুৱা পৰিয়ালৰ ভাতৃসকল। তেওঁলোকৰ মাজৰ অন্যতম হৈছে চলচ্চিত্ৰ পৰিচালক ব্ৰজেন বৰুৱা। তেওঁ ইটো-সিটো বহুতো, বৰুৱাৰ সংসাৰ প্ৰভৃতি কেইবাখনো সফল বোলছবি পৰিচালনা কৰিছে যদিও তেওঁৰ দ্বাৰা পৰিচালিত ৰহস্যঘন আৰু সঙ্গীতমুখৰ ছবি 'ডাঃ বেজবৰুৱা' এক 'বক্স অফিচ হিট' অনবদ্য সৃষ্টি। ছবিখনৰ দৰ্শকৰ সংখ্যাই আজিলৈকে প্ৰদৰ্শিত সকলো অসমীয়া ছবিতকৈ ওপৰত আছে। ছবিৰ সংগীত পৰিচালক, প্ৰতিষ্ঠিত সঙ্গীতজ্ঞ, ব্ৰজেন বৰুৱাৰেই ভাতৃ ৰমেন বৰুৱা। ছবিখনৰ কেইটামান গীতত কণ্ঠদান কৰি ছবিখন আৰু বেছি মনোগ্ৰাহী হোৱাত





সহায় কৰিছে তেওঁলোকৰেই অনুজ, জনপ্ৰিয় গায়ক দ্বীপেন বৰুৱাই। 'ডাঃ বেজবৰুৱা'ত শিকাই লৈ কাম কৰোৱাৰ মাধ্যমেৰে ব্ৰজেন বৰুৱাই শ্ৰীসতীশ চৌহান, অধুনা প্ৰয়াত সত্য ডেকা আৰু ও.পি. নায়াৰ প্ৰমুখ্যে কেইগৰাকীমান স্থানীয় কলা-কুশলী নতুনকৈ প্ৰশিক্ষণ দি লৈছিল। তেওঁলোকৰ আন এগৰাকী ভাতৃ নিৰেন বৰুৱাই আকাশবাণী দিল্লীৰ পৰা অনাতাঁৰ যোগে অসমীয়া বাতৰি পঢ়িছিল। দ্বীপেন বৰুৱাৰ আন দুগৰাকী ককায়েক নিপ বৰুৱা আৰু দ্বীবন বৰুৱাও চলচ্চিত্ৰ পৰিচালক আছিল। নিপ বৰুৱাৰ জনপ্ৰিয় ছবি আছিল, 'ৰঙা পুলিচ' আৰু দ্বীবন বৰুৱাৰ ছবি আছিল 'মন আৰু মৰম'। বৰুৱা পৰিয়ালৰে অসাধাৰণ ব্যক্তিত্বৰ ভাতৃ আছিল গিৰীণ বৰুৱা। তেওঁ কোনো ধৰণৰ আপোচ নকৰা অসমৰ স্বাৰ্থৰ হকে সংগ্ৰাম কৰা জাতীয়তাবাদী নেতা আছিল। তেওঁ অসম জাতীয়তাবাদী দলৰ সভাপতিও আছিল। অসম গণ সংগ্ৰাম পৰিষদ গৈ অসম গণ পৰিষদ নামৰ ৰাজনৈতিক দললৈ পৰিৱৰ্তিত কৰাত তেওঁ এই সমূহৰপৰা সম্পৰ্ক ত্যাগ কৰিছিল।

তেওঁলোকৰ ঘৰৰ দাঁতিতে বৰদলৈ পৰিয়ালৰ ঘৰ। তেওঁলোকৰ ঘৰৰ এজন ল'ৰা আমাৰ বন্ধু আছিল। তেওঁ ইউ.জি.ছি (UGC)ৰ জলপানী লৈ গৱেষণা কৰে আৰু পৰৱৰ্তী কালত সন্দিকৈ ছোৱালী কলেজত অধ্যাপনা কৰি তাৰে পৰা অৱসৰ গ্ৰহণ কৰে। সেই পৰিয়ালৰে এজনে মাটিৰ মূৰ্তিও সাজিছিল। বছৰি দুৰ্গাপূজাৰ কেইমাহমান আগৰে পৰা তেওঁ লতাশিল খেলপথাৰৰ পূব দিশৰ ৰাস্তাৰ সিপাৰৰ ঘৰৰ চৌহদত মাটিৰ বিশাল শ্ৰীদুৰ্গামা আৰু দেৱীৰ পৰিয়ালৰ সদস্যসকলৰ মূৰ্তি সজা আৰম্ভ কৰে। খেৰৰ জুমুঠিত মাটিৰে মানুহৰ আকৃতি দি মূৰ্তি সাজে আৰু দিনে দিনে মূৰ্তি সমূহৰ ৰূপ উন্নীত হৈ আহে আৰু সম্পূৰ্ণৰূপে ৰং বোলোৱাৰ পিছত, ইমান দিনে দেখি অহা শ্ৰীশ্ৰীদুৰ্গামাৰ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ চিনাকি ৰূপবোৰ চকুত পৰে। খেৰৰ জুমুঠিত কেঁচা আলতীয়া মাটিৰে আৰম্ভ কৰা দেৱীৰ ৰূপ শিল্পী বিম্ব বৰদলৈৰ হাতৰ পৰশত সাকাৰ ৰূপ পায়। তেতিয়াই দেখিছিলোঁ মাৰ মূৰ্তিৰ মুখখন কাপোৰেৰে ঢাকি ৰাখে। পৰৱৰ্তী কালত গম পাওঁ, শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ মূৰ্তিত চকুও এক নিৰ্দিষ্ট দিনত হে শিল্পীয়ে তুলিকাৰে বোল দি আঁকে। সেয়া নেত্ৰদান পৰ্ব।

দেৱীমূৰ্তি সাজোঁতে ব্যৱহাৰ কৰা মাটিত বাৰবণিতাৰ ঘৰৰ দুৱাৰ মুখৰ মজিয়াৰ মাটিও দিব লাগে। ইয়াৰ লগত, শক্তি উপাসনা আৰু তন্ত্ৰসাধনা তথা বামাচাৰ, পঞ্চ মকাৰৰ কিবা সম্পৰ্ক থাকিব পাৰে। কিন্তু প্ৰাচীন ভাৰতবৰ্ষত এটা পৰ্যায়ত যে বাৰবণিতাৰো সমাজত কিবা ধৰণেৰে প্ৰয়োজন আছে সেই কথাকেই ই সূচায় বুলি ধাৰণা হয়। মাটিৰ পৰাই শিল্পীৰ হাতৰ পৰশত মূৰ্ত হয় বাবেই হয়তো ই মূৰ্তি ৰূপ লয়।

দুৰ্গা পূজা বা আন হিন্দু পূজাৰ বাবে মাটিৰ মূৰ্তি সজা অসমীয়া খিলঞ্জীয়া শিল্পী আছে বুলি শুনিছোঁ যদিও লতাশিলৰ বিম্ব বৰদলৈৰ বাহিৰে আন কাকো লগ পোৱাৰ সৌভাগ্য হোৱা নাই। এম.চি.এম.ই. স্কুলত পঢ়োঁতে স্কুলৰ পৰা তালৈ গৈ কিছু সময় মূৰ্তি সজা চাই ঘৰলৈ উভতিছিলো। অসমৰ শিক্ষা জগতত গুণগত শিক্ষাৰে মানুহ গঢ়াৰ এক মহান অনুষ্ঠানৰ নাম হৈছে "এম.চি.এম.ই. স্কুল" (MCME School)। শিক্ষাবিদ মাণিক চন্দ্ৰ বৰুৱাৰ স্মৃতিত তেওঁৰ নামেৰে সজা মধ্য ইংৰাজী স্কুলখন বৰ্তমান হাইস্কুললৈ উন্নীত হৈছে। এসময়ত মিউনিচিপাল বৰ্ড আৰু বৰ্তমান কৰ্প'ৰেশ্যন (GMC) দ্বাৰা পৰিচালিত, গুৱাহাটীত এইখনেই একমাত্ৰ হাইস্কুল। আমি পঢ়া দিনত, তাৰেপৰা 'প্ৰদীপ' নামেৰে এখন হাতেলিখা আলোচনী প্ৰকাশ কৰিছিলোঁ। স্কুলখন গুৱাহাটীৰ অন্যতম প্ৰাচীন নাট্য-ৰঙ্গমঞ্চ 'কুমাৰ ভাস্কৰ নাট্য মন্দিৰ'ৰ দাঁতিতে, উত্তৰ দিশে। স্কুলৰ পূবে প্ৰাক্তন মন্ত্ৰী সিদ্ধিনাথ শৰ্মাৰ ঘৰ। নাট্য মন্দিৰৰ পূবে, ৰাস্তাৰ সিটো দাঁতিত সদায় ব্যস্ত 'দ্যা আইদিয়েল ফাৰ্মাচী' (The Ideal Pharmacy) গুৱাহাটীৰ ভিতৰৰে অন্যতম প্ৰাচীন ফাৰ্মাচী। ইয়াত ডাক্তৰে বিধান দিয়া প্ৰায় সকলো দৰৱেই পোৱা যায়। 'ভেটেৰিনেৰী' দৰৱো ইয়াত পায়। বহু দশক ধৰি ইয়াত বহি ৰোগী চাইছিল জনপ্ৰিয় ডাক্তৰ অক্ষয় কুমাৰ দত্তই। একেবাৰে বিষ অনুভৱ নকৰাকৈ বেজী (Injection) ল'বলৈ এই ফাৰ্মাচীৰে 'চাইলা' দাদাৰ ওচৰলৈ দূৰ দূৰণিৰ পৰাও ৰোগী আহিছিল। লতাশিলৰ ফটিক চন্দ্ৰ পথৰ দাঁতিৰ 'দি আইডিয়েল ফাৰ্মাচী'ৰ পূব দাঁতিতে সমাজকৰ্মী সদ্য প্ৰয়াত ইন্দ্ৰমণি বড়াৰ ঘৰ। বহু দশক পূৰ্বেই তেওঁ অসমত 'চেলাই' উদ্যোগ স্থাপন কৰিছিল। তেওঁলোকৰ চ'ৰা ঘৰত মাণিক চন্দ্ৰ বৰুৱাৰ এখন ডাঙৰ 'অয়েল পেইণ্টিং'





দেখিছিলোঁ। তেওঁ এবাৰ এম.পি (ৰাজ্যসভাৰ) হৈছিল। ভাস্কৰ নাট্য মন্দিৰৰ সমীপতে, দক্ষিণ দিশত সদা চৌধুৰীৰ ঘৰ। সদা চৌধুৰী অসমীয়া সংস্কৃতি প্ৰেমী লোক আছিল। কলাগুৰু বিষ্ণুৰাভাদেৱৰ তেওঁ অতি নিবিড় আছিল আৰু এবাৰ কলাগুৰুজনা চিকিৎসালয়ত শয্যাগত হৈ থাকোঁতে তেওঁ এখন বিশেষ চিনেমা চাবলৈ মন কৰাত সদা চৌধুৰীয়ে তেওঁক গোপনে ৰিক্সাত নি তাহানিৰ 'কেলভিন' হলত বহুৱাই সেই ছবিখন দেখুৱায়। চৌধুৰীয়ে হেৰাই যাব ধৰা পুৰণি অসমীয়া চিনেমাৰ প্ৰিন্ট কিছুমান (ইয়াৰে কিছুমান টুকুৰা-টুকুৰি, আংশিক) সংগ্ৰহ কৰি প্ৰদৰ্শনৰ ব্যৱস্থাও কৰিছিল। উজান বজাৰৰ সদা চৌধুৰীয়ে নিজ উদ্যোগত এটা আৰ্কাইভ সৃষ্টি কৰিছিল। উজান বজাৰৰ বাৰোৱাৰীৰ 'চিটি ষ্টুডিঅ' (City Studio)ৰ দাঁতিৰ ডাঃ নবীন বৰা চহৰৰ এগৰাকী সফল আৰু জনপ্ৰিয় হোমিওপ্যাথিক ডাক্তৰ আছিল। 'চিটি ষ্টুডিঅ' গুৱাহাটীয়েই নহয় অসমৰেই এখনি প্ৰাচীন স্থিৰ চিত্ৰৰ ষ্টুডিঅ'। ইয়াৰ স্বত্বাধিকাৰী আছিল স্বাধীনতা সংগ্ৰামী ধনীৰাম বৰা। লুইতৰ পাৰত থকা স্থানীয় লোকসকল, প্ৰত্যেকেই নিজ নিজ কামত পাৰদৰ্শী। শিশুপ্ৰাণ নবীন চন্দ্ৰ শৰ্মা চাৰৰ নাম প্ৰথমেই মনলৈ আহে। শিশুসকলৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে তেওঁ দিনে-নিশাই কাম কৰিছিল। লতাশিল খেল পথাৰৰ বিহুতলীত তেওঁ আমাক 'ভলণ্টিয়াৰ'ৰ প্ৰশিক্ষণ দিছিল। তেওঁলোকৰ পৰিয়ালৰ উপেন্দ্ৰজিৎ শৰ্মা আকাশবাণী গুৱাহাটীৰ নাট প্ৰযোজক আৰু অনাতাঁৰ শিল্পী আছিল। আন এগৰাকী সদস্য ডাঃ প্ৰদীপ শৰ্মা প্ৰত্নতত্ত্ববিদ আৰু লেখক আছিল। সেই অঞ্চলতে নৈৰ পাৰত থকা কাঠৰ বিয়াগোম দুইমহলীয়া ঘৰটো প্ৰখ্যাত নাও গোঁসাইৰ পৰিয়ালৰ। এই মৌজাদাৰ পৰিয়ালৰ হেঁদালি গুৱাহাটীৰ উজানবজাৰ, শিলপুখুৰী, চানমাৰি, কামাখ্যাৰ দুৰ্গাসৰোবৰকো সামৰি ফুলে-ফলে জাতিষ্কাৰ হৈ আছে আৰু ঘাই শিপাডাল হৈছে দক্ষিণ কামৰূপৰ 'নহিৰা'ত। তেওঁলোক নহিৰাৰ অভিজাত সত্ৰাধিকাৰ পৰিয়ালৰ মূলৰ। উজানবজাৰৰ নাও গোঁসাই পৰিয়ালে উজানবজাৰৰ সমাজ-সংস্কৃতিৰ দিশত প্ৰভূত অৰিহণা আগবঢ়াইছে।

উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰ শাৰীতেই ডাঃ (কুমাৰী) ভাৰতী বৰুৱা বাইদেউৰ ঘৰ। শিক্ষাবিদ ভাৰতী বৰুৱা বাইদেউ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাস

বিভাগৰ মুৰব্বী অধ্যাপিকা ৰূপে অৱসৰ গ্ৰহণ কৰিছে। তেওঁ সমাজ সেৱাৰ লগত জড়িত আৰু কামৰূপ অনুসন্ধান সমিতিৰ আজীৱন সদস্য বাইদেৱে বিগত সময়ছোৱাত ইয়াৰ সচিবৰূপে সফলতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। উজানবজাৰৰ আন আন শিক্ষাবিদসকল আছিল, ডাঃ বিৰিঞ্চিকুমাৰ বৰুৱা, জিতেন্দ্ৰনাথ বুজৰবৰুৱা, নাট্যসম্ৰাট, লেখক অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা, অধ্যাপক ভগৱানচন্দ্ৰ বৰুৱা, 'আলোক' কাকতৰ সম্পাদক অধ্যাপক ডাঃ ৰামচন্দ্ৰ ডেকা আদি। অধ্যাপক কিৰণ শৰ্মা, প্ৰিঞ্চিপাল উমেশ শৰ্মা। অধ্যাপক কিৰণ শৰ্মা চাৰ সংস্কৃতৰ মহান পণ্ডিত আছিল আৰু ভূপালৰ সংস্কৃত ভাষাৰ অনুষ্ঠানৰ পৰা সৰস্বতী সন্মান পাইছিল। তেওঁ কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু বেদ অসমীয়ালৈ অনুবাদ কৰিছিল আৰু গোৰখপুৰৰ গীতাপ্ৰেছৰ গোৰখপুৰী ৰামায়ণ তেওঁ অসমীয়ালৈ অনুবাদ কৰিছিল। একালত মঙ্গলচণ্ডী মন্দিৰ প্ৰাঙ্গণ নিবাসী শৰ্মা চাৰে মঙ্গলচণ্ডীতেই 'বেদ বিদ্যালয়' স্থাপন কৰিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, শিল্পী, লেখক, শিক্ষাবিদ ডঃ অমৰজ্যোতি চৌধুৰীদেৱৰ ঘৰ উজানবজাৰতে। সম্প্ৰতি তেওঁ সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ দ্বাৰা প্ৰতিষ্ঠিত আৰু অসম সূৰ্য কীৰ্তিনাথ হাজৰিকাৰ সম্পাদনাত প্ৰকাশ পোৱা 'দৈনিক অসম' কাকতৰ সম্পাদক।

তেওঁৰ ঘৰৰ পূব দিশত এডভোকেট শিল্পী, লেখক, সংগঠক দিলীপ কুমাৰ হাজৰিকাৰ ঘৰ। তেওঁ মণিৰাম দেৱান প্ৰভৃতি অসমীয়া চলচ্চিত্ৰত অভিনয় কৰিছিল। অধ্যাপিকা ডাঃ অৰুণিমা ভৰালী শিল্পী আৰু সাহিত্যিক। তেওঁ আকাশবাণী গুৱাহাটীৰ বাবেও গীত ৰচনা কৰে। অধ্যাপিকা ডাঃ ভৰালী লতাশিলৰ বাসিন্দা।

উজানবজাৰ হেপীভিলাৰ এটা সম্ভ্ৰান্ত পৰিয়াল হৈছে 'বেজ' পৰিয়াল। সেই পৰিয়ালৰ পূৰ্বসূৰী আছিল সোণাৰাম বেজ। আধুনিক অসমীয়া 'মুদ্ৰণ'ৰ ইতিহাসত প্ৰিন্টাৰ সোণাৰাম বেজৰ নাম সোণালী আখৰেৰে লিখা থাকিব। তেওঁ চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ প্ৰতিষ্ঠিত 'সাদিনীয়া অসমীয়া' আৰু 'নিউ প্ৰেছ'ৰ 'প্ৰিন্টাৰ' আছিল। সেই সময়ত অসমত 'প্ৰিন্টাৰ'ৰ ধাৰণাটো নতুন আছিল আৰু তেওঁৰ কৰ্তব্যনিষ্ঠা আৰু ব্যক্তিত্বৰ বাবে তেওঁক সকলোৱে সন্মান কৰিছিল।





এই পৰিয়ালৰে ভাৰতীয় নৌবাহিনীৰ নৌসেনা বিষয়া লেফটেনেন্ট নকুল বেজ ভাৰতীয় নৌসেনাৰ ৰণতৰী আই.এন.এছ. ব্ৰহ্মপুত্ৰ (INS Brahmaputra)ৰ 'কামাণ্ডিং অফিচাৰ' আছিল। সেই পৰিয়ালৰে আন দুগৰাকী সদস্য নগেন বেজ আৰু নৰেন বেজ নৌবাহিনীৰ প্ৰশিক্ষণপ্ৰাপ্ত। আনহাতে পৰিয়ালৰে সদস্য ভবেন বেজ অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ (DIPR) বিভাগৰ জইন্ট ডাইৰেক্টৰ ৰূপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে।

তেওঁলোকৰ ঘৰৰ ওচৰতে একালৰ অসমৰ অগ্ৰণী শৰীৰ চৰ্চাৰ প্ৰশিক্ষণৰ সন্মানীয় অনুষ্ঠান 'কামৰূপ ব্যায়াম সমিতি'ৰ ঘৰৰ চৌহদ। কেইবাদশকো পূৰ্বে কেইগৰাকীমান অসমৰ অগ্ৰণী পুৰুষ মহেন্দ্ৰ মোহন চৌধুৰী, নবীন বৰদলৈ, কীৰ্তিৰাম বৰুৱা, দেৱপাল দাস, অম্বিকাগিৰী ৰায় চৌধুৰীয়ে এই অনুষ্ঠানটিৰ গঢ় দিয়ে। পৰৱৰ্তী কালত মঃ আব্দুল্লা আৰু অতনু বৰুৱাই অনুষ্ঠানটো আগুৱাই নিয়ে। উজানবজাৰ-খাৰঘুলি অঞ্চলত কমেডিয়ান শিল্পী থানেশ্বৰ শৰ্মা আৰু নাট্য সংগঠক কমল শৰ্মাৰ ঘৰ। কমল শৰ্মা 'নাটশালা'ৰ অন্যতম প্ৰতিষ্ঠাপক। উজানবজাৰৰ অন্যতম সংস্কৃতি প্ৰেমী আৰু ৰঙালী বিহুৰ সৈতে জড়িত ব্যক্তি আছিল ক্ষীৰদা কুমাৰ বিষয়া। গুৱাহাটী তথা অসমৰ নাট আৰু চলচ্চিত্ৰ জগতৰ অগ্ৰণী শিল্পী আৰু সংগঠক আছিল উজানবজাৰৰে ঈশান বৰুৱা। তেওঁ ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সন্ধ্যাৰাগ' ছবিৰ নন্দন দাস শীৰ্ষক মূল চৰিত্ৰটোৰ নাম ভূমিকাত সফল অভিনয় কৰিছিল। শিল্পী ধীৰু ভূএগ্যাৰ ঘৰো এইখন উজানবজাৰতে। এই উজানবজাৰৰে স্থায়ী বাসিন্দা আছিল প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী প্ৰয়াত বিপিনপাল দাস, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত বিষ্ণুৰাম মেধি। শ্ৰীশ্ৰীউগ্ৰতাৰা দেৱালয়ৰ দাঁতিতেই বিশিষ্ট নাগৰিক প্ৰেমদা শৰ্মাৰ ঘৰ। তেওঁ শৰীৰ চৰ্চাত জড়িত আছিল আৰু ব্ৰহ্মপুত্ৰ নদ সাতুৰি পাৰ হ'ব পাৰিছিল।

নাট্য শিল্পী সাধন হাজৰিকাৰ ঘৰ উজানবজাৰতে। চিনেমাৰ শিল্পীৰ একালৰ ৰূপসজ্জাকাৰ প্ৰয়াত বংশী দাসৰ ঘৰ উজানবজাৰৰ ঠাকুবিলীয়া নামঘৰৰ সন্মুখতে। 'চেভ গুৱাহাটী বিল্ড গুৱাহাটী' (Save Guwahati Build Guwahati) শীৰ্ষক অনুষ্ঠানৰ নেতা ধীৰেন বৰুৱাৰ ঘৰ উজানবজাৰৰ দক্ষিণ প্ৰান্তত। অসমত শোধনাগাৰ, শৰাইঘাট দলং আদিৰ বাবে তেওঁ আন্দোলন

কৰে। গুৱাহাটী বিহু সন্মিলনীৰ অন্যতম নেতা ধীৰেন বৰুৱাদেৱৰ বয়স সম্প্ৰতি ৯৪ বছৰ। অসমৰ সমাজ সংস্কৃতিৰ উত্তৰণৰ ভিন্ন ভিন্ন দিশত অৰিহণা যোগাই পৰলোকলৈ গতি কৰা উজানবজাৰৰ একালত সুসন্তানসকলৰ অন্যতম সকল হ'ল- বনকোঁৱৰ আনন্দিৰাম দাস, ক্ৰীড়া সংগঠক পুলিন দাস, তমাল কুণ্ডম দাস, শুভ বৰুৱা (তেওঁ জ্যোতিপ্ৰসাদৰ জয়মতীত অভিনয় কৰিছিল), নিউ আৰ্ট প্লেয়াৰ্চৰ বহু বছৰৰ সভাপতি মহেন্দ্ৰ বৰুৱা, ধ্ৰুপদী সঙ্গীতৰ শিক্ষানুষ্ঠান স্থাপনৰ অগ্ৰণী পুৰুষ সুন্দৰ বৰদলৈ, সমাজসেৱক সমুদ্ৰ পাঠক আৰু শ্মশান বন্ধু মাধৱ দাস (মাধৱ ডাক্তৰ নামেৰে জনপ্ৰিয়), প্ৰখ্যাত শিল্পী হেমেন হাজৰিকা, নাওজান ৰ'ডৰ গায়ক শিল্পী মিহিৰ বৰদলৈ আৰু নাট্যশিল্পী ভুৱনেশ্বৰ ভট্টাচাৰ্য।

সম্প্ৰতি উজানবজাৰৰ সাহিত্য, সংস্কৃতি, সমাজ আৰু স্থানীয় ৰাজহুৱা অনুষ্ঠানসমূহৰ বাবে কাম কৰি থকা অন্যতম ব্যক্তিসকল হ'ল- লেখক-সাংবাদিক, 'দৈনিক অসম'ৰ ডেপুটি এডিটৰ প্ৰবোধ চন্দ্ৰ বৰদলৈ, লেখক বিপুল শৰ্মা, 'ইনটাক' (Intach)ৰ অসম শাখাৰ ভূতপূৰ্ব সচিব জয়ন্ত শৰ্মা, উগ্ৰতাৰা দেৱালয় আৰু গুৱাহাটী ৰঙালী বিহু সন্মিলনীৰ অন্যতম উদ্যোক্তা কৈলাশ শৰ্মা, ডাঃ বনজিৎ চৌধুৰী, ডাঃ ত্ৰিবোধ দাস, নাউ গোঁসাই পৰিয়ালৰে জ্যোতিৰ্ময় (ৰাখাল) গোস্বামী, ডঃ ভূপেন হাজৰিকা ফাউণ্ডেচনৰ সচিব দীপাঙ্কৰ হাজৰিকা প্ৰমুখ্যে বহুজন।

উজানবজাৰ এক বুৰঞ্জী প্ৰসিদ্ধ অঞ্চল বাবে ইয়াত প্ৰাচীন মঠ-মন্দিৰ, দেৱালয় আৰু প্ৰাচীন নামঘৰ তথা শৈল ভাস্কৰ্য, শাসনাৱলী (তাম্ৰ আৰু শৈল), প্ৰাচীন মূৰ্তি একাধিক আছে।

প্ৰাচীন দেৱালয়, মঠ, মন্দিৰ, নামঘৰসমূহ হৈছে- চত্ৰকাৰ মঙ্গলচণ্ডী, শক্তিপীঠ উগ্ৰতাৰা, প্ৰাচীন গণেশৰ শিলৰ মূৰ্তিৰ ৰক্ষণাবেক্ষণৰ বাবে অসম উচ্চ ন্যায়ালয়ৰ দাঁতিত সজা গণেশ মন্দিৰ, লতাশিল পুলিচ থানাৰ চৌহদত থকা গণেশ মূৰ্তিৰ বাবে সজা মন্দিৰ, মানৰ আক্ৰমণৰ দিনৰে পুৰণি বুলি বহুজনে দাবী কৰা 'ঠেকুবিলীয়া নামঘৰ' আদিয়েই হৈছে অতি প্ৰাচীন মন্দিৰ। এই মন্দিৰসমূহত বিগ্ৰহ আৰু প্ৰাচীন ফলিও আছে। মঙ্গলচণ্ডী মন্দিৰত কিছুমান শিলত কটা প্ৰাচীন মূৰ্তিও আছে। ঠেকুবিলীয়া নামঘৰত গুৰুআসন প্ৰতিষ্ঠা কৰা





আছে। আৰু ইয়াতো প্ৰাচীন মূৰ্তি বিভিন্ন স্থানত সজাই থোৱা আছে। নামঘৰটো ১৮১৯ চনত প্ৰতিষ্ঠা কৰা হৈছিল। নামঘৰটো ১৯৪৪ চনত নৱনিৰ্মাণ কৰাৰ নিদৰ্শন আছে। মানৰ আক্ৰমণৰ সময়ত উজানবজাৰলৈ আহি বসতি কৰা এচাম লোকে নামঘৰটো তাতে স্থাপন কৰিছিল। মালিগাঁৱৰ ৰেল ষ্টেচনৰ পৰা গুৱাহাটী ৰেলষ্টেচন হৈ এটা মিটাৰ গজ ৰেল আলি উজানবজাৰ বাৰোৱাৰী দুৰ্গাপূজা মন্দিৰৰ দাঁতিৰে ব্ৰহ্মপুত্ৰৰ দাঁতিলৈ গৈছে। তাত এটা ৰেলষ্টেচন আছিল। আজি কেইদশকমান পূৰ্বে এই ৰেল আলিৰে ৰেল চলাচল কৰাটো বন্ধ কৰি দিছিল আৰু সেই ষ্টেচনটোৰ কাম-কাজ আৰু ষ্টেচনৰ ঘৰটোৰ চোৱা-চিতা কৰাটো বন্ধ হৈ পৰিছিল। বাৰোৱাৰী ৰেল আৰু গাড়ীৰ ৰাস্তাৰ 'ক্ৰচিং' (সংযোগ /Crossing) ৰ স্থলীত ৰেল আহিলে বন্ধ কৰি দিবলৈ শিকলি টানি দিয়াৰ ব্যৱস্থা আছিল। এই ৰেল পথত নিয়মীয়াকৈ ৰেল অহা-যোৱা কৰা, বাৰোৱাৰী 'ক্ৰচিং'ত শিকলি টানি 'গেটমেন'এ যান-বাহন নিয়ন্ত্ৰণ কৰা আমি স্কুললৈ অহা-যোৱা কৰোঁতে দেখিছিলোঁ। সেই সময়ত বাৰোৱাৰীৰ ৰেলপথ আৰু ৰাস্তাৰ সংযোগস্থলীত ইটাৰে সজা এটা পকী গোল সৰু ঘৰ বা 'দোম' (Dome) দেখিছিলোঁ। ৰেলক পথৰ সুৰক্ষা দিয়াৰ ক্ষেত্ৰত ঘৰটো ব্যৱহাৰ কৰিছিল যেন লাগে। হঠাতে এদিন দেখিলোঁ ঘৰটোৰ চিন-মোকাম নাই। কোনোবাই ভাঙি পেলালে। 'ৱাৰ্ডষ্ট্ৰীট'ৰ দাঁতিত, নতুন গণেশ মন্দিৰ সাজি পুৰণি গণেশমূৰ্তি প্ৰতিষ্ঠা কৰাৰ অগ্ৰণী পুৰুষ এড্‌ভকেট সত্যেন্দ্ৰপ্ৰসাদ ডেকাৰ ঘৰৰ সন্মুখভাগত কিছুমান নক্সা আৰু ফুল কটা শিলৰ টুকুৰা (Blocks) পৰি আছিল। তাৰে কিছুমান এতিয়াও তেনেকৈয়ে আছে। আহোমৰ দিন, বৃটিছৰাজ, স্বাধীনোত্তৰ কালত আজিলৈকে উজানবজাৰৰ বুকুতে বহুতো ঐতিহাসিক ঘটনা আৰু সিদ্ধান্ত হৈ গৈছে আৰু অসমীয়া জাতিৰ সমাজ-সংস্কৃতি-সাহিত্যৰ নৱজাগৰণত অৰিহণা যোগোৱা কিছু প্ৰতিষ্ঠানৰ জন্ম এই উজানবজাৰতে হৈছে।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে উদাৰ মনলৈ থলুৱা সুৰৰ অসমীয়া গীতত পশ্চিমীয়া সঙ্গীতৰ সুৰ সানি নতুন বোল দিবলৈ পৰীক্ষা-নিৰীক্ষা চলাইছিল। কিন্তু অসমীয়া ৰাইজে তেনে সুৰৰ গান গ্ৰহণ কৰিবনে নকৰে তাকেলৈ কিছু সন্দিহান আছিল। লতাশিল পথাৰত অনুষ্ঠিত হোৱা এখন বৃহৎ সঙ্গীত অনুষ্ঠানত

সেই গীত জ্যোতিয়ে কোনোবা শিল্পীৰ হতুৱাই গোৱাইছিল। পিছফালে থিয় দি থকা দৰ্শকৰ ভিৰৰ মাজত জ্যোতিপ্ৰসাদ উদগ্ৰীব হৈ ৰৈ আছিল দৰ্শকৰ মনৰ ভাবৰ প্ৰকাশ জানিবলৈ। পৰীক্ষামূলক নতুন সুৰেৰে গোৱা নতুন গীত শিল্পীয়ে পৰিৱেশন কৰিলে। দৰ্শকে ভাল পালে। চাৰিওফালে দৰ্শকৰ উৎসাহ। উজানবজাৰৰ লতাশিল ফিল্ডত ৰাইজৰ সঘনাই হাত চাপৰি। এনেতে জ্যোতিৰ পিঠিত পিছফালৰৰ পৰা চপৰিয়াই কোনোবা এজন বন্ধুৱে উছাহেৰে ক'লে, "ভয় নাই জ্যোতি, ভয় নাই। ৰাইজে তোমাৰ গীত গ্ৰহণ কৰিছে।" উজানবজাৰৰ বাকৰিতে জ্যোতি সঙ্গীতৰ, ৰাইজৰ গ্ৰহণৰ নতুন ইতিহাসৰ সৃষ্টি হৈছিল।

উজানবজাৰৰ লতাশিল খেলপথাৰতে মঞ্চ বিহুৰ সূচনা কৰিছিল সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাদেৰৰ পৰিকল্পনা আৰু ডাঃ ভুবনেশ্বৰ বৰুৱাদেৰ, অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা, নাট্যকাৰ প্ৰবীণ ফুকন, ডাঃ হৰিকৃষ্ণ দাস প্ৰভৃতি নেতাৰ নেতৃত্বত, উজানবজাৰ আৰু গুৱাহাটীৰ প্ৰায় সমূহ শিল্পী-সাহিত্যিক সমাজকৰ্মীৰ সহযোগত। সেই হিচাপে, জাতীয় উৎসৱ ৰঙালী বিহুটিক মঞ্চত প্ৰতিষ্ঠা কৰাৰ বৈপ্লৱিক পদক্ষেপ লোৱা হৈছিল এই উজানবজাৰতে। 'কুমাৰ ভাস্কৰ নাট্য মন্দিৰ' (কুভানাম) প্ৰতিষ্ঠা কৰা হয় ১৯১২ চনত। এই নাট্য মন্দিৰেই গুৱাহাটীৰ প্ৰথমটো নাট্য মঞ্চ। ইয়াৰ পূৰ্বে গুৱাহাটীত নিয়মীয়াকৈ নাট প্ৰদৰ্শন কৰা হৈছিল লতাশিলৰ বুজৰবৰুৱা হাউলীৰ ভিতৰৰ প্ৰেক্ষাগৃহৰ কাঠৰ তক্তাৰে সজা মঞ্চত। ১৮৮০ চনৰ পৰা এই নাট্য মঞ্চত নাট প্ৰদৰ্শন হৈ আহিছিল, নিয়মীয়াকৈ। কিন্তু ১৮৯৭ চনৰ ভূমিকম্পত এই প্ৰেক্ষাগৃহ সম্পূৰ্ণৰূপে ভূলুণ্ঠিত হৈ পৰে। কুমাৰ ভাস্কৰ নাট্য মন্দিৰ নতুনকৈ সজাই তোলা হয় ৰাইজৰ দান বৰঙণিৰে। ১৯১৫ চনত কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হয়। সেই একেটা বছৰতে নাটকৰ সকলো দিশৰে উন্নয়নৰ বাবে উজান বজাৰতে 'কামৰূপ নাট্য সমিতি' গঠন কৰা হয়। দুয়োটা অনুষ্ঠানেই আজিকোপতি ভালদৰে চলি আছে। উজান বজাৰৰ আন আন সাংস্কৃতিক অনুষ্ঠানসমূহ হৈছে 'নিউ আৰ্ট প্লেয়াৰ্চ' আৰু 'প্ৰগতি শিল্পী সংঘ'। আশীৰ দশকৰ আৰম্ভণিতে কেইগৰাকীমান যুৱকে সমাজকৰ্মী অজিত কুমাৰ বেজৰ নেতৃত্বত 'এম.চি.এম.ই. স্কুল'ত পতা এখন সভাত 'জ্যোতিৰূপা' নামৰ এটা অনুষ্ঠানৰ জন্ম দিয়ে। 'জ্যোতিৰূপা' আজি সমাজ-সংস্কৃতিমূলক





অনুষ্ঠান ৰূপে সমগ্ৰ অসমতে জনপ্ৰিয়। কুমাৰ ভাস্কৰ নাট্য মন্দিৰত শিল্পী সুন্দৰ বৰদলৈয়ে এখন শাস্ত্ৰীয় সঙ্গীত প্ৰশিক্ষণৰ প্ৰতিষ্ঠান গঢ়ি তুলিছিল। অসমৰ ভিতৰতে হয়নে নহয় নেজানো, কিন্তু গুৱাহাটীৰ ভিতৰত এইখনেই শাস্ত্ৰীয় সঙ্গীত প্ৰশিক্ষণৰ প্ৰথমখন স্কুল আছিল বুলি বহুজনে কয়। আমি এম চি এম ইত পঢ়া দিনৰে পৰা তেওঁক পাইছিলোঁ।

এইখিনিতে মনত পৰিছে নাট্য শিল্পী সত্যপ্ৰসাদ বৰুৱা আৰু শিল্পী নীলু চক্ৰৱৰ্ত্তীৰ নাম। শিল্পী চক্ৰৱৰ্ত্তীদেৱে এতিয়াও অপেশাদাৰী নাটকৰ বাবে বহুখিনি কৰি আছে।

শিল্পী-নাট্যকাৰ, লেখক, সংগঠক ৰত্ন ওজাই ১৯৭১ চনৰ ১৭ জানুৱাৰীত অসমীয়া ভাষাৰ প্ৰথমখন বাটৰ নাট মেলিছিল। 'ককাইদেউ' নামৰ নাটকখন পাণবজাৰৰ চিভিল হস্পিতেলৰ পৰা আৰম্ভ কৰি বাটেৰে আহি আহি দীঘলী পুখুৰীৰ দক্ষিণ পাৰত কিছু ৰৈ তাৰ পৰা ৰবীন্দ্ৰ ভৱনলৈ আহি ভিতৰ সোমাব খুজি প্ৰত্যাখিত হৈ তাৰ পৰা উত্তৰলৈ যাত্ৰা কৰি লতাশিল খেল পথাৰ পাৰ হৈ আৰু উত্তৰলৈ গৈ 'ৱাৰ্দষ্ট্ৰীট' পাৰ হৈ লুইতৰ পাৰৰ উজানবজাৰৰ পকী ঘাটৰ সমীপত আহি ৰ'লহি। ৰত্ন ওজা আছিল সেই বাটৰ নাটৰ, পৰিচালক তথা মূল অভিনেতা। তেওঁৰ পিছে পিছে আছিল 'ককাইদেউ'ৰ অন্তৰালৰ চৰিত্ৰ নটসূৰ্য ফণী শৰ্মাদেৰৰ সাজি লোৱা, বগা কাপোৰেৰে ঢাকি অনা জুমঠি আৰু পিছে পিছে বহুতো নামী-অনামী শিল্পী আৰু নাগৰিক। উজানবজাৰত বাটৰ নাটৰ চলন্ত যাত্ৰাৰ যতি পেলাই ৰত্ন ওজাই তেজস্বী ভাষণ প্ৰদান কৰিলে। আজীৱন শিল্পী ফণী শৰ্মাৰ মৃতদেহ শেষবাৰৰ বাবেও তেওঁৰ কৰ্ম মঞ্চ 'ৰবীন্দ্ৰ ভৱন'ত খন্তেকৰ বাবেও নিবলৈ নিদিলে, শিল্পীৰ মৰ্যদা কি ইত্যাদি ইত্যাদি কথা তেওঁ ক'লে। সিদিনা দৰ্শকেই আছিল নাটৰ চৰিত্ৰও। এইদৰেই উজানবজাৰৰ পকী ঘাটত অসমৰ প্ৰথমখন বাটৰ নাট 'ককাইদেউ' প্ৰদৰ্শনৰ অন্ত পৰিছিল।

পৰৱৰ্তীকালত ৰত্ন দাদাক সিদিনাৰ "ককাইদেউ" নাটকৰ শেষ দৃশ্য উজানবজাৰৰ পকীঘাটৰ ৰাস্তাত অভিনয় কৰাবলৈ কিয় স্থিৰ কৰিছিল সুধিছিলোঁ। উত্তৰত তেওঁ কৈছিল যে ককাইদেউক সেই পথেৰে আনোতে প্ৰথম মঞ্চ বিহুৰ বাকৰি লতাশিল পাৰ হোৱা গৈছিল, আৰু সেই উজানবজাৰতে ১৮৮০ চনৰে

পৰা প্ৰথমবাৰৰ বাবে গুৱাহাটীত অসমীয়া নাট প্ৰদৰ্শন কৰা প্ৰেক্ষাগৃহ ‘নাট্য মন্দিৰ’ৰ দাঁতিৰে চুই অহা হৈছিল আৰু শেষবাৰৰ বাবে ৰৈ যোৱা স্থানৰ সন্মুখতে একালত আছিল অসমৰ ‘আকাশবাণী’ গুৱাহাটী কেন্দ্ৰৰ অফিচ আৰু ষ্টুডিঅ’ৰ ঘৰ। এই সকলো শিল্প-সংস্কৃতিৰ স্থান আৰু নাট্য মঞ্চৰ সতেই ককাইদেউ জড়িত থকাৰ স্মৃতি সজীৱ হৈ আছে। উক্ত স্থানখিনি আমাৰ বাটৰ নাটৰ শেষ দৃশ্যৰ বাবেও প্ৰশস্ত। গুৱাহাটীৰ উজানবজাৰতে যোৱা ১৪০ বছৰ আগৰে পৰা অসমীয়া নাটক হৈ আহিছে। উজান বজাৰ অসমীয়া নাটকৰ তীৰ্থ।”

‘কলা ৰত্ন’ ৰত্ন দাদাৰ কথা মানি লৈছিলোঁ আৰু ভাবিছিলোঁ, কেৱল নাট্য তীৰ্থই নহয়, যুগে যুগে এই ভিন্নৰঙী শিল্পীসকলক লৈ অভিজাত উজান বজাৰ আজিও সংস্কৃতি তীৰ্থ।

—+—



১০

# ঐতিহাসিক গুৱাহাটীৰ লতাশিলৰ মঞ্চ আৰু মোৰ স্মৃতিৰ ডুখৰীয়া ছবি

**ৰমণী কান্ত ডেকা**

১৯৫১-৫২ চনত আমি কটন কলেজত পঢ়িব লওঁতে কলেজখনৰ গাতে লগা ছাত্ৰাবাস ১ নং হিন্দু হোষ্টেলত থাকিব লৈছিলো। বোধ কৰো পিছৰ বছৰতে অৰ্থাৎ আজিৰ পৰা ৬ দশকৰো আগতে লতাশিল খেল পথাৰত ৰঙালী বিহু মুকলি মঞ্চত উদযাপন হৈছিল অসমত পোন প্ৰথমবাৰৰ বাবে। স্বৰূপাৰ্থত মঞ্চ বিহু আমি আগতে কেতিয়াও দেখা নাছিলো। মোৰ জন্ম স্থান কলাইগাওঁ ৰাজহ টাউনত বা অবিভক্ত দৰং জিলাৰ মঙ্গলদৈ মহকুমাত ল’ৰা-ছোৱালী এক গোট হৈ ক’তো বিহুগীত গোৱা বা নচা দেখা নাছিলো। কিন্তু কটন কলেজৰ ছাত্ৰাবাসবোৰত উজনি অসমৰ ল’ৰাবোৰে অগা-পিছাকৈ শুৱলা আৰু মন পৰশা মাতেৰে বিহুগীত গোৱা বা প্ৰাণঢালি নচা দেখি আমি নামনি অসমৰ ল’ৰাবোৰে আচৰিত হোৱাৰ লগতে পুলকিত হৈছিলো। ভাব হৈছিল যে উজনি অসমৰ ল’ৰাবোৰৰ বাবে বিহুগীত আছিল inner fire, কিয়নো তেওঁলোকে অৱলীলাক্ৰমে স্বতঃপ্ৰবৃত্ত হৈ বিহুগীত গাইছিল বা নাচিছিল। আমাৰ ছাত্ৰবাসবোৰ লতাশিলৰ বিহুতলীৰ পৰা নাতিদূৰৈত অৱস্থিত হোৱা বাবে আমি আবেলি বা সন্ধিয়াপৰত লতাশিলত অনুষ্ঠিত হোৱা মুকলি মঞ্চ বিহু উৎসৱবোৰ প্ৰাণভৰি

উপভোগ কৰিছিলো। আজিৰ পৰা ৬ দশক কালৰো আগতে লতাশিলত হোৱা মুকলি বিহু আছিল গুৱাহাটীবাসীৰ প্ৰাণৰ উৎসৱ। গোটেই গুৱাহাটীৰ জনসংখ্যা আছিল তেনেই তাকৰ। আৰম্ভণী কালৰ প্ৰথম নে দ্বিতীয়খন লতাশিলৰ বিহু উৎসৱৰ পতাকাখন বেৰিষ্টাৰ জ্ঞানদাভিৰাম বৰুৱাই ৰাইজৰ মাজত পুৱাৰ ভাগত উত্তোলন কৰা দেখিছিলো। তেখেতৰ লগত খোজত খোজ মিলাই যোৱা দেখিছিলো বিহুৰ অন্যতম উদ্যোক্তা লোকবন্ধু ড° ভুবনেশ্বৰ বৰুৱা আৰু ট্ৰিবিউন প্ৰেছৰ মালিক ৰাধাগোবিন্দ বৰুৱাক। কণ কণ ছোৱালীবোৰে দুয়োফালে শাৰীপাতি হাতত বিহুপতাকা লৈ উদ্যোক্তাসকলক অভিবাদন জনাইছিল। এই নয়নাভিৰাম দৃশ্যই দৰ্শকৰ মনপ্ৰাণ হৰি নিছিল। পতাকা উত্তোলনৰ এই বিৰল ছবিখনৰ পেপাৰ কাটিংটো মোৰ হাতত এতিয়াও আছে যদিও উজ্জ্বলতা ম্লান পৰি যোৱাত পুনৰ মুদ্ৰণৰ অনুপযুক্ত হৈ পৰিছে।

আৰম্ভণি কালৰ বোধকৰো দ্বিতীয়খন লতাশিলৰ বিহু উৎসৱৰ পতাকা উত্তোলন কৰিছিল সেই সময়ৰ অসমৰ গভৰ্ণৰ জয়ৰাম দাস দৌলতৰামে। জৱাহৰলাল নেহৰুৰ আত্মজীৱনীখনত দৌলতৰামক সিন্ধুপ্ৰদেশৰ এজন ডাঙৰ কংগ্ৰেছী নেতা বুলি উল্লেখ কৰিছে। প্ৰকাণ্ড শাৰীৰিক অৱয়বেৰে গান্ধীটুপীৰে সৈতে শুভ্ৰ বসন পৰিহিত এজন সভা শুৱনি ব্যক্তি আছিল। তেখেতে পতাকা উত্তোলনৰ সময়ত মুগাৰ কাপোৰ পৰিধান কৰা যেন বোধ হৈছিল। বিহু পতাকা পুৱাৰ ভাগত উত্তোলন কৰাৰ ঠিক আগতে গৰ্ভনৰে কিবা কথাত হাতৰ ইছাৰা দিওঁতে ওচৰত থিয় হৈ থকা ৰাধাগোবিন্দ বৰুৱাই প্ৰায় দৌৰি অহাৰ দৰে গভৰ্ণৰৰ কাষ চপা দেখিছিলো। দৌলতৰামৰ গাম্ভীৰ্য্য আৰু ব্যক্তিত্বৰ কথাই সুকীয়া আছিল। বোধ কৰো ১৯৫৮ চনত প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুক সন্ধিয়াপৰত লতাশিলত বিহুতলীত উপস্থিত হোৱা দেখাৰ সৌভাগ্য হৈছিল। মঞ্চলৈ যোৱা মূল প্ৰৱেশ পথটো আছিল এতিয়াৰ লতাশিল থানাখনৰ সমুখ ভাগত। সন্ধিয়া পৰত হঠাতে জীপ গাড়ী এখন মঞ্চলৈ যোৱা প্ৰৱেশ পথত ৰৈ গ'ল। সৌভাগ্যক্ৰমে মই দেখিলো। অলপো কাল বিলম্ব নকৰি নেহৰুজীয়ে প্ৰায় জঁপিওৱাৰ দৰে জীপৰ পৰা নামি ক'লৈকো নাচাই প্ৰায় দৌৰাৰ দৰে খৰ গতিত দৰ্শকৰ মাজেৰে গৈ বিহু মঞ্চত উঠিল। আমি ভেবা লাগি চাই থাকোঁতেই গ'ল।





সেয়েহে এজন সাংবাদিকে লিখিছিল যে নেহৰুৱে খোজ নাকাঢ়ে; দৌৰে। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে নেহৰুক ঋতুৰাজ নামেৰে অভিহিত কৰিছিল। ইপিনে অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই তেখেতৰ বিৰাটাকায় শৰীৰেৰে জীপৰ পিছফালৰ ছিটটোৰ পৰা কোনোপধ্যে নামি নেহৰুৰ পিছে পিছে গৈ নেহৰুক মঞ্চত লগ ধৰিলে। যদিও প্ৰধান মন্ত্ৰীৰ আগমন ঘটিছিল, সেই দিনত চিপাহী চন্তৰীৰ পয়োভৰ নাছিল, নাছিল চিকিউৰিটিসকলৰ ঘন পদধ্বনি। সেই সময়ত গুৱাহাটীৰ জনসংখ্যা তেনেই তাকৰ আছিল আৰু গুৱাহাটীৰ বিহু বুলিলে মানুহে লতাশিলৰ বিহুখনকে বুজিছিল। বিহুতলীৰ দৰ্শকৰ সংখ্যা চল্লিশ হাজাৰৰ অধিক আছিল। লতাশিলৰ আৰম্ভণী কালৰ বিহুৰ আন এটা আকৰ্ষণীয় দৃশ্য আছিল মণিপুৰৰ পৰা আগমন হোৱা বিচিত্ৰ সাজ পৰিহিতা ছোৱালীৰ নৃত্য পৰিৱেশন আৰু লগতে আছিল খোলবাদন। শুনিবলৈ পাইছিলো যে গুৱাহাটীত থকা মণিপুৰী নৃত্য বিশাৰদ প্ৰয়াত কালাবন্ত সিঙে মণিপুৰৰ পৰা বিশেষ চেষ্টাৰ ফলত মণিপুৰী নাচৰ পাৰ্টিটো আনিবলৈ সক্ষম হৈছিল। এই মণিপুৰী নৃত্যবোৰ আমাৰ বাবে আছিল একেবাৰে নতুন। এনেকুৱা নৃত্য আমি নয়ন ভৰি উপভোগ কৰিছিলো যদিও নৃত্যৰ অন্তৰালত লুকাই থকা সৌন্দৰ্য্য আৰু ৰসৰ আস্বাদ আমি বুজি পোৱা নাছিলো। শুনিবলৈ পাইছিলো যে শিৱসাগৰ চহৰৰ প্ৰখ্যাত অভিনেতা আৰু চাহখেতিয়ক ফুনু বৰুৱাই তেখেতৰ দুহিতা বিজয়লক্ষ্মীক চেমনীয়া কালতে মণিপুৰী নৃত্যত শিক্ষিতা কৰিবলৈ মণিপুৰলৈ পঠাইছিল। বিজয়লক্ষ্মী এতিয়া পেৰিছ মহানগৰীৰ নিবাসী। উজনি অসমৰ পৰা আমন্ত্ৰণ কৰি অনা বিহুৱা দলৰ মন প্ৰাণ উতলা কৰা বিহুগীত আৰু হুচৰি গীত আছিল অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু। আৰম্ভণিৰ বছৰত লতাশিল বিহু মঞ্চত সন্ধিয়া বিজুলী বাতিৰ পোহৰত এখন ধেমেলীয়া নাটক অনুষ্ঠিত হৈছিল। নাটকখন বোধকৰো মিত্ৰদেৱ মহন্তৰ 'কুকুৰী কণাৰ আঠমংলা' আছিল। নাটখনৰ মাজতে এটা ধেমেলীয়া দৃশ্যৰ অৱতাৰণা কৰিছিল। যদি মোৰ স্মৃতিয়ে লুকাভাকু খেলা নাই, এজন শিল্পীয়ে মূল পৰিদৰ্শকৰ ভাও লৈছিল আৰু লগতে স্কুলীয়া ছাত্ৰ কিছুমানৰ মনোমুগ্ধকৰ ভাওবোৰে দৰ্শকক বিমল আনন্দ দিছিল। হাঁহিত দৰ্শকৰ পেটৰ নাড়ী ছিগো ছিগো হৈছিল। নাটকখন মগৰীবৰ আজানো হ'ব পাৰে। পৰিদৰ্শকজনৰ অভিনয়ো

আছিল মন পৰশা। এতিয়া মই বহু চেষ্টা কৰিও অভিনেতাজন কোন আছিল জানিব নোৱাৰিলো। লতাশিলৰ আৰম্ভণী কালৰ মঞ্চ বিহু আজিৰ পৰা ৬ দশকৰো আগৰ। তাত ভাগলোৱা সৰহভাগ শিল্পী আৰু দৰ্শকে ইতিমধ্যে ইহধাম ত্যাগ কৰিছে। কিন্তু জীৱিতসকলৰ বাবে লতাশিলৰ আৰম্ভণীকালৰ বিহুৰ সুবাস এতিয়াও হয়তো কিঞ্চিৎ পৰিমাণে গাত লাগি আছে। মই কেতিয়াবা মোৰ যৌৱন কালৰ স্মৃতি বিজড়িত লতাশিলৰ বিহুতলীৰ কাষেৰে গ'লে যৌৱন কালৰ দৰে এক সুন্দৰ নষ্টলজিক সোঁৱৰণিৰ মাদকতা কিন্তু নেপাওঁ। সাউতকৰে মোৰ মনলৈ আহে বঙ্গৰ মাইকেল মধুসূদন দত্তৰ এফাকি কালজয়ী কবিতালৈ -

"যৌৱন যখন পৃথিৱী সুন্দৰী ছিল
তখন প্ৰতি পুস্পে সুগন্ধি পাইতাম
প্ৰতি পত্ৰ মৰ্মেৰ মধুৰ শব্দ শুনিতাম,
প্ৰতি নক্ষত্ৰে চিত্ৰাৰোহিণীৰ শোভা দেখিতাম
তখন পৃথিৱী সুন্দৰী ছিল........।
পৃথিৱী এখনেও তাই আছে,
কিন্তু এই হৃদয় তাই নেই।"

—+—



# গুৱাহাটীৰ অতীত আৰু বৰ্তমান

**দয়াৰাম কাথাৰ**

## গুৱাহাটী নামৰ উৎপত্তি

আজিৰ পৰা দুটা শতিকা আগলৈ উভতি গ'লে বুজিম যে, এসময়ত গুৱাহাটী নগৰখন কাৰ্বিসকলৰ বসতি স্থান আছিল। বৰ্তমান স্থায়ীভাৱে বসতি কৰা গুৱাহাটীৰ বাসিন্দাসকলেও কথাষাৰ বিশ্বাস কৰিবলৈ হয়তো টান পাব। এসময়ত গুৱাহাটী নগৰখন তামোল-পাণেৰে ভৰা কাৰ্বি বসতি প্ৰধান অঞ্চল আছিল। ইয়াৰ প্ৰমাণ স্বৰূপে শ্ৰাদ্ধৰ সময়ত কাৰ্বিসকলে মৃতকৰ স্মৃতি ৰক্ষাৰ্থে পোতা শিলাস্তম্ভসমূহ জজখেল পথাৰৰ সন্মুখত আৰু দাতাঁলপাৰা, গণেশপাৰা, আদিতো কুৰি শতিকাৰ যাঠি দশক মানলৈকে থকা দেখা গৈছিল। নগৰ নিৰ্মাণৰ আঁচনিত পৰি সেইবোৰ চিৰদিনৰ বাবে নিশ্চিহ্ন হৈ গ'ল। ৫

কাৰ্বি ভাষাত 'কুৰে' মানে তামোল। তামোলক 'গুৱা' বুলিও কোৱা হয়। আকৌ হাটী শব্দই আভিধানিক অৰ্থত বৈষ্ণৱ-ভকত সকলৰ বাবে সজোৱা শাৰী শাৰীকৈ থকা ঘৰৰ সমষ্টিকে বুজায়। ইয়াত শাৰী শাৰীকৈ থকা তামোল গছকে বুজোৱা হৈছে যেন লাগে। আনহাতে, পাণবজাৰ, উজানবজাৰ, শিলপুখুৰী, চেনীকুঠি, নৰগ্ৰহ, চানমাৰী নাামবোৰ যদি একো একোটা চুবা বা চুবুৰী হিচাপে ধৰি লোৱা যায় তেন্তে সেইবোৰকে 'হাটী' হিচাপে গণ্য কৰা হৈছিল নেকি? সি

যিকি নহওক, এসময়ত গুৱাহাটী নগৰখন কাৰ্বি বসতি প্ৰধান ঠাই আছিল বুলি উল্লেখ কৰি আহিছোঁ। কিন্তু, আজিৰ পৰা দুটা শতিকা আগৰ কাৰ্বিসকল স্বভাৱজাত যাযাবৰ হোৱা হেতুকে তামোল-পাণেৰে উভনদী অঞ্চলকো এৰি ক্ৰমে নাৰেঙ্গী, ঔঘূলী, পাথৰকুঁৱৰী, বোন্দা, সাতগাঁও, বৰবাৰী, হেঙেৰাবাৰী আদি অঞ্চললৈ আঁতৰি যায়। আনকি একাংশ কাৰ্বিয়ে মালিগাঁও, পাণ্ডু অঞ্চললৈয়ো গুচি যায়। বৰ্তমান মালিগাঁৱৰ দক্ষিণে থকা পাহাৰখনৰ বিপৰীতে পশ্চিম বৰাগাঁও। উক্ত গাঁওখনৰ ওচৰতে পাহাৰৰ নামনিত সেইসকল কাৰ্বিয়ে বসতি কৰিছিল। গতিকে সেইডোখৰ ঠাইৰ নাম 'মিকিৰ ঘূলি' বুলি আজিও খ্যাত।

**গুৱাহাটীলৈ কাৰ্বিসকলৰ আগমন ঃ**

মূল ভূখণ্ড কাৰ্বি পাহাৰৰ পৰা অহা একাংশ কাৰ্বিয়ে আজিও কামৰূপ মহানগৰ জিলাৰ পূব অংশত স্থায়ীভাৱে বসতি কৰিবলৈ লয়। ইয়াতে তেওঁলোকে 'ডুমুৰা লংৰি' নামেৰে এখন কাৰ্বি ৰাজ্য গঠন কৰে। ডুমুৰা লংৰিৰ কাৰ্বিসকলে নিজক 'ডুমুৰালী কাৰ্বি' বুলি পৰিচয় দি আহিছে। আকৌ, উক্ত ডুমুৰা লংৰিকে বৰ্তমান ডিমৰুৱা বা ডিমৰীয়া ৰাজ্য বুলি কোৱা হয় আৰু ডিমৰীয়া ৰাজ্যৰ প্ৰজা সাধাৰণ কাৰ্বিসকলে ক্ৰমে কামৰূপ জিলাৰ বিভিন্ন অঞ্চললৈ প্ৰব্ৰজন কৰিবলৈ ধৰে। সেইদৰে ক্ৰমে সোণাপুৰ, বৰ্ণিহাট, বেলতলা আদি প্ৰব্ৰজন কৰি গুৱাহাটী নগৰীত প্ৰৱেশ কৰে।

এইদৰে বিভিন্ন ঠাইত বসতি কৰা কাৰ্বিসকলৰ পৰম্পৰা আৰু ধৰ্মীয় ৰীতি-নীতিসমূহ সংৰক্ষিত কৰাৰ অৰ্থে ডিমৰীয়া কাৰ্বি ৰজাই একো একাজন আঞ্চলিক শাসনকৰ্তা নিয়োগ কৰিছিল। সেই সকলৰ ভিতৰত তেঘেৰীয়া ৰেচ' (ৰজা), তেন্তেলা ৰেচ', চেনিমূৰৰ ৰেচ' আৰু কুৰেনচি ৰেচ' অন্যতম। গুৱাহাটী অঞ্চলত বসতি কৰা কাৰ্বিসকল কুৰেনচি ৰজাৰে প্ৰজা সাধাৰণ আছিল। এতিয়া 'কুৰেনচি' শব্দটো বিশ্লেষণ কৰিলে দেখা পাম কুৰে + হুণচি > কুৰেনচি। 'কুৰে' মানে তামোল (গুৱা) আৰু 'হুনচি' মানে চুবা বা চুবুৰী। ইয়াতে 'হুনচি'ৰ 'হু' শব্দটো লোপ পাই কুৰেনাচি হয়। হয়। অৰ্থাৎ গুৱাহাটী মানে তামোল চুবা বা চুবুৰী। বিষয়টো পণ্ডিত তথা বিশেষজ্ঞসকলৰ বিচাৰৰ অৰ্থে আগবঢ়াই দিলো।





**গুৱাহাটীৰ জনবসতি ঃ**

কুৰি শতিকাৰ পঞ্চাশ দশকৰ আগত আৰু শেষ ভাগলৈকে গুৱাহাটী চহৰখনৰ জনবসতি আজিৰ দৰে ঘন হোৱা নাছিল। ভৰলুমুখ, পাণবজাৰ, উজানবজাৰ, চেনিকুঠি, শিলপুখুৰী, আঠগাঁও, পল্টন বজাৰ, উলুবাৰী, শৰণীয়া, লাচিতনগৰ, ৰূপনগৰ, বিৰুবাৰী, গণেশগুৰি, খানাপাৰা আদি কৰি অন্যান্য ঠাই সমূহ একো একোটা চুবা বা চুবুৰীৰ ৰূপত আছিল বুলি ক'লেও ভুল নহ'ব। ভৰলুমুখৰ পৰা ফাঁচীবজাৰলৈ, পাণবজাৰৰ পৰা উজানবজাৰলৈ, চেনিকুঠিৰ পৰা শিলপুখুৰীলৈ, শিলপুখুৰীৰ পৰা চানমাৰীলৈ, উলুবাৰীৰ পৰা গণেশগুৰিলৈ, গণেশগুৰিৰ পৰা খানাপাৰালৈ কম দূৰত্ব হ'লেও ইখনৰ পৰা সিখন ঠাইৰ মাজত ব্যৱধান আছিল। উক্ত ব্যৱধানসমূহৰ মাজত কৰবাত সৰুকৈ হ'লেও জাৰনি অথবা জলাশয়, পিতনি সদৃশ ৰূপত মুকলি আছিল। শিলপুখুৰীৰ ওচৰত মানুহৰ বসতি আছিল যদিও কিছু দূৰে দূৰে থকাত অঞ্চলটোৰ পৰিৱেশ ৰিঙা ৰিঙা লগা হৈ আছিল। ষাঠি দশকৰ আগলৈকে দীঘলীপুখুৰীৰ ওচৰত মানুহৰ বসতি পাতল আছিল আছিল। কোনো অনুষ্ঠান-প্ৰতিষ্ঠান বুলিবলৈ কেৱল অসম ৰাজ্যিক সংগ্ৰহালয়ে পঞ্চাশ দশকৰ আগৰে পৰা আছিল বুলি জনা যায়। আনকি উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত অৱস্থিত জজখেল পথাৰ আৰু লতাশিল খেলপথাৰে দীঘলীপুখুৰীৰ পাৰলৈকে আহল-বহল আৰুবায়ু প্ৰদূষণ মুক্ত অঞ্চল হিচাপে পৰিগণিত হৈছিল। গুৱাহাটীৰ মাজত অৱস্থিত ভলুকাচুক, জাপৰিগোগ, দিশপুৰ, বেলতলা, নৰকাসুৰ, বৰবাৰী, হেঙেৰাবাৰী, ৰূপনগৰ, ফটাশিল আমবাৰী, গণেশপাৰা আদিত পঞ্চাশৰ দশকৰ শেষভাগলৈকে খেতি পথাৰে শোভাবৰ্দ্ধন কৰি আছিল। গতিকে এসময়ত গুৱাহাটী বুলিলে বহুকেইটা চুবুৰীৰে গঠিত এখন বিয়াগোম গাঁও সদৃশ আছিল।

**ৰাস্তা-পথ আৰু যাতায়াতৰ ব্যৱস্থা ঃ**

কুৰি শতিকাৰ পঞ্চাশ দশকৰ আৰম্ভণিৰ দুই এবছৰ মানৰ পিছৰে পৰা পাণ্ডুৰ পৰা চানমাৰীলৈকে দুখন নে তিনিখন পুৰণা মডেলৰ চিটিবাছ চলাচল কৰিবলৈ দৰে। সেয়াও যাত্ৰীৰ ভিৰ বেছি হোৱা নাছিল। পাণ্ডু মালিগাঁও অঞ্চলত থকা ৰেল বিভাগত কাম কৰা বিষয়া কৰ্মচাৰী আৰু গুৱাহাটীৰ বিভিন্ন কাৰ্যালয়ত

কাম কৰা বিষয়া কৰ্মচাৰীয়ে আছিল চিটিবাছৰ প্ৰথম যাত্ৰী। কাৰণ জনসাধাৰণৰ বহুতে চিটিবাছসমূহৰ আৰম্ভণি আৰু গন্তব্যস্থান ক'ত ভালদৰে বুজি পোৱা নাছিল। বেছিভাগ বিষয়া কৰ্মচাৰীয়ে চাইকেলেৰে অহা যোৱা কৰি অফিচৰ কাম কৰিছিল। আজিৰ দৰে মটৰ চাইকেল বা স্কুটীৰ প্ৰচলন হোৱা নাছিল।

এটা সময়ত ভৰলুমুখৰ পৰা ডি.চি কৰ্টলৈকে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে আজিৰ দৰে আহল-বহল পকী পথ হোৱা নাছিল। গতিকে পাণ্ডু চানমাৰিৰ চিটিবাছ কেইখন ভৰলু, মাছখোৱা পথেৰে জেলখানা ফাঁচীবজাৰ হৈ গৈ ডি.চি কৰ্টত ওলাইছিল গৈ আৰু তাৰ পৰা ক্ৰমে উজান বজাৰ, চেনিকুঠি, গুৱাহাটী ক্লাব, শিলপুখুৰী হৈ চানমাৰীত চিটিবাছসমূহ ৰৈছিলগৈ। ঠিক সেইদৰে চানমাৰীৰ পৰা পাণ্ডুলৈ অহা চিটিবাছসমূহ একেটা পথেৰে চলাচল কৰি আছিল। আকৌ গুৱাহাটীৰ সোঁমাজেৰে জালুকবাৰীৰ পৰা অহা পথছোৱা খানাপাৰাত বৰ্তমান ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথত সংযোগ হৈছে। এই পথছোৱাক গুৱাহাটী শ্বিলং ৰোড বুলি কোৱা হয়। ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথছোৱা নথকাৰ আগতে সেই পথেৰে গুৱাহাটীৰ পৰা উজনি বা নামনিলৈ অহা যোৱাৰ বাবে মাল কঢ়িওৱা ট্ৰাক আৰু সীমিত যাত্ৰীবাহী বাছ চলাচল কৰিছিল আৰু বৰ্তমানেও চলাচল কৰি আছে। তদুপৰি উত্তৰ-পূব ৰেলপথছোৱা গুৱাহাটীৰ মাজেৰে গৈ অৰুণাচলৰ সীমান্তৱৰ্তী অঞ্চলত উপনীত হৈছে। গতিকে ৰেল পথেৰে অসমবাসী আৰু অসমৰ বহিঃৰাজ্যৰ লোক গুৱাহাটীলৈ আহ-যাহ কৰিব পৰা সুবিধা লাভ কৰে। এসময়ত গুৱাহাটীৰ পৰা কিছু আঁতৰত থকা বৰঝাৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান ঘাটিৰেও অসমৰ পৰা বহিঃৰাজ্যলৈ আৰু বহিঃৰাজ্যৰ পৰা গুৱাহাটীলৈ অহা-যোৱা কৰাৰ পথ সুচল হৈ পৰে।

**শিক্ষা অনুষ্ঠান ঃ**

গুৱাহাটী মহানগৰখন বিদ্যায়তনিক প্ৰাণকেন্দ্ৰ। বিগত ইংৰাজী ১৯০১ বৰ্ষতে কটন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। এইখন মহাবিদ্যালয়েই অসমৰ সৰ্বপ্ৰথম উচ্চ শিক্ষাৰ অনুষ্ঠান। বিদ্যালয় হিচাপে কটন কলেজিয়েট হাইস্কুল, কামৰূপ একাডেমী, সোণাৰাম হাইস্কুল, তাৰিণীচৰণ ছোৱালী হাইস্কুল, পাণবজাৰ ছোৱালী হাইস্কুল, পাণবজাৰৰ ডনবস্কো ইংলিছ স্কুল আদি প্ৰাকস্বাধীন





কালছোৱাতে প্ৰতিষ্ঠা কৰা হৈছিল। কটন মহাবিদ্যালয়ৰ বহুবছৰৰ পিছত ক্ৰমে বি. বৰুৱা মহাবিদ্যালয়, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আদি প্ৰতিষ্ঠা হোৱাৰ পিছতে অগণন বিদ্যালয়-মহাবিদ্যালয়ে মহানগৰখনত গঢ় লৈ উঠিল। তদুপৰি (১) পশু চিকিৎসা মহাবিদ্যালয়, (২) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, (৩) আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয়, (৪) ফাৰ্মাছী মহাবিদ্যালয়, (৫) আঞ্চলিক নাৰ্চিং মহাবিদ্যালয়, (৬) আছাম টেক্সটাইল ইনষ্টিটিউট, (৭) ইণ্ডিয়ান ইনষ্টিটিউট অৱ হেণ্ডলুম টেকনোল'জি, (৮) স্কুল অৱ ফাইন আৰ্টছ, (৯) অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান, (১০) বালিকা প'লিটেকনিক শিক্ষা আদি অনুষ্ঠান গঢ় লৈ উঠে।

অসমত গুৱাহাটীৰ সীমাৰ বাহিৰত থকা বুলি অভিহিত কৰা জালুকবাৰীত ইংৰাজী ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হয়। ইয়াৰ পিছত ক্ৰমে (১) অভিযান্ত্ৰিক মহাবিদ্যালয়, (২) আৰ্য়ুবেদিক চিকিৎসা মহাবিদ্যালয়, (৩) বন মহাবিদ্যালয়, (৪) কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হয়।

আনহাতে ইংৰাজী ১৯৪৮ খৃষ্টাব্দত ১ জুলাইত চানমাৰীত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ, ইংৰাজী ১৯৮৫ চনত এ.আই.ডি.চি.ত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ, ইংৰাজী ১৯৬২ চনত নুনমাটিত তেল শোধনাগাৰ, জাপৰিগোগত অসম ৰাজ্যিক চিৰিয়াখানা, ১৯৯৪ চনত উজানবজাৰত প্লেনেটেৰিয়াম (তাৰকাঘৰ), আৰু অসম ৰাজ্যিক মিউজিয়াম (সংগ্ৰাহলয় / যাদুঘৰ) আদিত কৰ্ম সংস্থাপনক কেন্দ্ৰ কৰি আহি বহুলোক গুৱাহাটীৰ বাসিন্দা হৈ পৰে।

ইংৰাজী ১৯৬০ চনৰ পৰা ১৯৬২ চনৰ ভিতৰত ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত নিৰ্মাণ কৰা প্ৰথমখন দলঙৰ কাম সম্পূৰ্ণ হয়। ইংৰাজী ১৯৬৩ চনৰ জুন মাহৰ ৭ তাৰিখে স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ৰেল আৰু মটৰ যাতায়াত কৰিব পৰা এই 'শৰাইঘাট দলং'খন মুকলি কৰে। ইয়াৰ লগে লগে মানুহে গুৱাহাটীলৈ আহ-যাহ কৰাৰ ক্ষেত্ৰত সুগম হৈ পৰে। দ্বিতীয়তে, ইংৰাজী ১৯৭৪ চনত অসমৰ ৰাজধানী শ্বিলঙৰ পৰা গুৱাহাটীৰ দিশপুৰলৈ

নামি অহাৰ লগে লগে ৰাজধানীৰ কামত নিয়োজিত বহুতো আমোলা, বিষয়া, কৰ্মচাৰী আদি গুৱাহাটীলৈ নামি আহে।

আকৌ, এসময়ত গুৱাহাটী মহানগৰৰ সীমাৰ বাহিৰত থকা নীলাচল পাহাৰত অৱস্থিত মা কামাখ্যা দেৱীৰ মন্দিৰ, ব্ৰহ্মপুত্ৰৰ সোঁমাজত থকা উমানন্দ দেৱালয়, নদীৰ সিপাৰে থকা অশ্বক্লান্ত মন্দিৰ, গুৱাহাটীৰ মাজমজিয়াতে থকা নৱগ্ৰহ দেৱালয় আদি মঠ-মন্দিৰ আদিয়েও অসম আৰু অসমৰ বাহিৰৰ ৰাজ্যৰ ভক্তিপ্ৰাণ লোকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু স্বৰূপ হৈ পৰে।

**গুৱাহাটী এক মহা জনঅৰণ্য ঃ**

গুৱাহাটী মহানগৰখনত শৈক্ষিক, আৰ্থিক, চিকিৎসা, যাতায়াত আদিৰ সা-সুবিধা থকাৰ বাবে সকলো লোকৰে প্ৰাণকেন্দ্ৰ স্বৰূপ হৈ পৰে। ইয়াক অসমৰ 'দুৱাৰ মুখ' বুলি কোৱাৰ যুক্তি আছে। অসমৰ বিভিন্ন ঠাইৰ আৰু বহিঃৰাজ্যৰ পৰা অহা লোকে উন্মুক্ত হৈ থকা মাটিত মানুহৰ বাসগৃহ, অট্টালিকা, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদি নিৰ্মাণ কৰে. য'ত খেতি-পথাৰ আছিল তাতে মানুহৰ বাসস্থান, বিভিন্ন শিক্ষানুষ্ঠান, কাৰ্যালয়, কল-কাৰাখানা আদিয়ে পথাৰৰ চিন চাব নোহোৱা কৰিলে। খেতি পথাৰবোৰ জন অৰণ্যত পৰিণত হোৱাত নাম দিয়া হ'ল হাতীগড়, চিৰিয়াখানা, নাৰিকল বস্তি, খৃষ্টানবস্তি, ৰাজধানী, জৱাহৰ নগৰ, জয়ানগৰ, হাতীগাঁও, ভাস্কৰনগৰ ইত্যাদি ইত্যাদি। আনকি পাহাৰৰ মাটি কাটি ঘৰ-দুৱাৰ সাজিবলৈ ধৰাত গুৱাহাটীৰ সোঁমাজত থকা পাহাৰ আৰু ইয়াৰ আশে-পাশে থকা গছ-গছনিৰে ভৰা হাবিত এতিয়া গছ-গছনি নাই, আছে কেৱল মানুহ।

**গুৱাহাটীত কৃত্ৰিম বানপানী ঃ**

বৰ্তমান গুৱাহাটী মহানগৰত ঘন জনবসতি হোৱাৰ লগে লগে যানবাহনৰ সংখ্যাও বাঢ়িল আৰু সঘনে যানজঁটৰ সংখ্যাও বৃদ্ধি পাই আহে। বিভিন্ন কল-কাৰখানা আদিৰ পৰা ওলোৱা ধোঁৱা ছাই আদিৰে বায়ু প্ৰদূষিত হোৱাত নগৰবাসীয়ে প্ৰদূষিত বায়ুকে সেৱন কৰিবলগীয়া হয়। তাতে আকৌ ভূতৰ ওপৰতে দানহ পৰা দি এজাক বৰষুণতে ৰাস্তা-ঘাট, ঘৰ-দুৱাৰ আদি কৃত্ৰিম বানপানীত ডুবি একাকাৰ হৈ পৰে। বৰষুণৰ পানী ওলাই যাব পৰাকৈ কোনো





নলা নথকাত এজাক বৰষুণতে গুৱাহাটী মহানগৰ জলমগ্ন হয়। পাহাৰত ঘৰ-দুৱাৰ সাজি থকা বাসিন্দাসকলেও বৰষুণৰ পানীয়ে সৃষ্টি কৰা মহা সংকটৰ সন্মুখীন হ'লগীয়াত পৰে। বৰষুণত পাহাৰৰ শিল, মাটি খহি আহি বাসগৃহ পুতি পেলায়ো বহুতো লোকৰ প্ৰাণ নাশ কৰা ঘটনাও সংঘটিত হৈ আহিছে।

**প্ৰশাসনীয় ব্যৱস্থা ঃ**

স্বাজোত্তৰ কালছোৱাত ষাঠি দশক মানলৈকে গুৱাহাটী মহানগৰখনৰ পৰিচালনাৰ দায়িত্ব লোকেল বোৰ্ডে বহন কৰিছিল। তাৰ পিছৰ পৰা গুৱাহাটী মিউনিচিপালটি বোৰ্ডে মহানগৰখনৰ পৰিচালনাৰ দায়িত্বভাৰ গ্ৰহণ কৰে। বৰ্তমান মহানগৰখনত এক সুস্থ পৰিৱেশ গঢ়ি তুলিবলৈ হ'লে গুৱাহাটী মিউনিচিপাল কৰ্পোৰেচন আৰু ৰাজ্য চৰকাৰৰ অধীনস্থ কৰ্তৃপক্ষৰ সদিচ্ছা থকাটো বাঞ্ছনীয়।

—+—

# গুৱাহাটীৰ জনসংখ্যা

**ড° ৰাণী মুদিয়াৰ ডেকা**

ইতিহাস প্ৰসিদ্ধ গুৱাহাটী সম্প্ৰতি দেশৰ অন্যতম জনবহুল মহানগৰী হিচাপে চিহ্নিত হৈছে। গুৱাহাটীৰ দিচপুৰত অসমৰ ৰাজধানী থকাৰ উপৰি ই উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ মহানগৰী ৰূপে জনাজাত। সেয়েহে, জনসংখ্যাৰ আধিক্য তেনেই স্বাভাৱিক। প্ৰাচীন কামৰূপৰ ৰাজধানী হোৱাৰ সুবাদতো গুৱাহাটীৰ জনসমাগম অধিক আছিল। পৰৱৰ্তী কালছোৱাতো প্ৰাগ্‌জ্যোতিষপুৰৰ তাৎপৰ্য হ্ৰাস পোৱা নাছিল। ১৮৫৩ চনত এ. জে. মফট্ মিল্‌চে প্ৰস্তুত কৰা প্ৰতিবেদন Report on the Province of Assam তো "Gowhatty is the chief town" of Kamroop বুলি উল্লেখ কৰিছিল। ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীয়ে লিখিছে “............ গুৱাহাটী গাঁও গুচি নগৰ হোৱাৰ পথত আগবাঢ়িছিল ১৮৫৩ চনতেই। ........ আলেকজেণ্ডাৰ কানিংহাম আৰু আধুনিক গুৱাহাটীৰ নিৰ্মাতাৰ ৰূপত আগবাঢ়িছিল কেপ্তেইন ৰৌলাট চাহাব। কেপ্তেইন ৰৌলাট আছিল গুৱাহাটী টাউন কমিটিৰ প্ৰথম চেয়াৰমেন, কমিছনাৰ আছিল দুজন - জেমছ হেৰিয়ট আৰু মাৰ্টিন” (যুগ সন্ধিক্ষণৰ গুৱাহাটী, ২০১৭, পৃষ্ঠা ৭৬)।

বৰ্তমানৰ কামৰূপ মহানগৰ জিলাৰ একমাত্ৰ মহকুমা হৈছে গুৱাহাটী।





এই মহকুমাৰ অধীনত ৬ টা সংমণ্ডল আছেঃ আজাৰা, উত্তৰ গুৱাহাটী, চন্দ্ৰপুৰ, সোণাপুৰ, দিচপুৰ আৰু গুৱাহাটী। ইয়াৰে ভিতৰত গুৱাহাটী সংমণ্ডলত ২০১১ চনৰ লোকপিয়ল অনুসৰি সৰ্বমুঠ ৪৩৩,৭৭১ জনসংখ্যা আছে। ইয়াৰে ২২৪,৪২৪ গৰাকী পুৰুষ আৰু ২০৯,৩৪৯ গৰাকী মহিলা। এই সংমণ্ডলত সৰ্বমুঠ ১০০,৯৪৭ টা পৰিয়াল বসবাস কৰি আছে।

ইতিহাসবিদ ড° হেৰম্ব কুমাৰ বৰপূজাৰী প্ৰণীত গ্ৰন্থমতে ১৮৩১ চনত গুৱাহাটীৰ আনুমানিক জনসংখ্যা আছিল প্ৰায় ৬০০০ গৰাকী। ১৮৭১-৭২ চনত এই পৰিসংখ্যা ১১,৪২৯ হয়গৈ। ১৯১১ চনত গুৱাহাটীৰ জনসংখ্যা হয় ১৪,২৪৪ গৰাকী। অৱশ্যে ১৮৯৫ চনত উত্তৰ গুৱাহাটীক গুৱাহাটী পৌৰসভাৰ পৰা বাদ দিয়া হেতুকে এই হিচাপত উত্তৰ গুৱাহাটীৰ জনসংখ্যা সন্নিৱিষ্ট কৰা হোৱা নাই (The Comprehensive History of Assam, vol. : iv, pg. 347)।

সম্প্ৰতি, গুৱাহাটী নগৰৰ প্ৰশাসনৰ দায়িত্ব গুৱাহাটী পৌৰ নিগমৰ। গুৱাহাটী নগৰখন গুৱাহাটী মহানগৰী (Metropolitan) ৰ অন্তৰ্ভুক্ত। উপকণ্ঠ অঞ্চল নাৰেঙ্গী সমন্বিতে গুৱাহাটী নগৰক সামৰি প্ৰায় ২৬২ বৰ্গকিলোমিটাৰ এলেকাজুৰি গুৱাহাটী মহানগৰ বিস্তৃত হৈ আছে। সংবৰ্দ্ধনৰ ফলশ্ৰুতিত গুৱাহাটীৰ অন্তৰ্গত ভূমিভাগৰো সম্প্ৰসাৰণ ঘটিছে। তাৰ লগে লগে জনসংখ্যাৰ গাঁথনিলৈও পৰিৱৰ্তন আহিছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি গুৱাহাটী নগৰৰ জনসংখ্যা আছিল ৯,৫৭,৩৫২ গৰাকী। ইয়াৰে পুৰুষৰ সংখ্যা হৈছে ৪,৯৫,৩৬২ গৰাকী আৰু মহিলাৰ সংখ্যা হৈছে ৪,৬১,৯৯০ গৰাকী। আনহাতে, একে লোকপিয়ল অনুসৰি গুৱাহাটী মেট্ৰ'পলিটানৰ অন্তৰ্ভুক্ত ভূ-খণ্ডৰ জনসংখ্যা হ'লগৈ ৯,৬২,৩৩৪ গৰাকী। মুঠ জনসংখ্যাৰ ভিতৰত পুৰুষ আৰু মহিলাৰ সংখ্যা হৈছে ক্ৰমে ৪৯৮,৪৫০ আৰু ৪৬৩,৮৮৪ গৰাকী। এই পৰিসংখ্যা ভাৰতৰ ২০১১ চনৰ সাময়িক লোকপিয়লৰ প্ৰতিবেদনত প্ৰকাশিত হৈছিল। শেহতীয়াকৈ প্ৰকাশ পাবলগীয়া ২০২১ চনৰ তথ্যসমূহ এতিয়াও মুকলি কৰা হোৱা নাই।

বিগত শতিকাৰ আৰম্ভণিতে গুৱাহাটীৰ জনসংখ্যা আছিল তেনেই তাকৰ। European Space Agency ৰ দ্বাৰা ইণ্টাৰনেট যোগে প্ৰকাশিত তথ্য মতে গুৱাহাটীৰ জনসংখ্যাৰ এখন তালিকা (তালিকা নং- ১) ইয়াত দিয়া হ'ল।

তালিকামতে, ১৯০১ চনত গুৱাহাটীৰ জনসংখ্যা আছিল ১১,৬৬১ গৰাকী। সেইমতে, ২০০১ চন, অৰ্থাৎ, এশ বছৰত গুৱাহাটীৰ জনসংখ্যা ৭০ গুণ বৃদ্ধি পাইছে। এই তালিকাত প্ৰকাশিত কিছু পৰিসংখ্যা ভবানন্দ ডেকাৰ 'A peep into the economy of Gauhati' শীৰ্ষক লেখাতো পোৱা গৈছে, যিটো ১৯৭৮ চনৰ পৌৰবিচিত্ৰাত প্ৰকাশিত বুলি ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীয়ে তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে (পৃঃ ৯০)।

ৰাষ্ট্ৰসংঘৰ জনসংখ্যা প্ৰকল্পৰ বাবে প্ৰস্তুত কৰা প্ৰক্ষেপন (Projection) মতে গুৱাহাটীৰ জনসংখ্যা হৈছে ২০২১ চনত ১১,৩৫,০০০ গৰাকী। পূৰ্ববৰ্তী বছৰৰ তুলনাত এই বৃদ্ধিৰ হাৰ হৈছে ১.৬১ শতাংশ। ৰাষ্ট্ৰসংঘৰ বাবে প্ৰস্তুত কৰা এই জনসংখ্যা প্ৰক্ষেপনত বিগত দশক কেইটাৰ জনসংখ্যাৰ তথ্য তালিকা নং-২ ত দিয়া হ'ল। এই তালিকাত অন্তৰ্ভুক্ত হোৱা পৰিসংখ্যা গুৱাহাটী মেট্ৰ'প'লিটান এলেকা, অৰ্থাৎ মহানগৰীৰ বাবে হিচাপ কৰি উলিওৱা হৈছে। ভাৰত চৰকাৰৰ লোকপিয়ল বিভাগৰ দ্বাৰা হিচাপ কৰি উলিওৱা পৰিসংখ্যাৰ লগত উক্ত তালিকাত সন্নিবিষ্ট কৰা পৰিসংখ্যা প্ৰায় একেই। ২ নং তালিকাৰ তথ্যসমূহ Macrotrends.net নামৰ ৱেৰচাইটৰ পৰা সংগ্ৰহ কৰা হৈছে।

আহমেদাবাদৰ CEPT University ৰ Renu Desai, Darshini Mahadevia, Aseem Mishra ই Centre for Urban Equity (CUE) ৰ বাবে প্ৰস্তুত কৰা 'City Profile : Guwahati' শীৰ্ষক এক গৱেষণা পত্ৰ Researchge.net নামৰ অনলাইন পত্ৰিকাখনত সন্নিবিষ্ট আছে। ইয়াত অন্তৰ্ভুক্ত তালিকা এখনত গুৱাহাটী পৌৰ নিগম আৰু গুৱাহাটী মহানগৰ এলেকা (যাক Guwahati Urban Agglomeration বুলিও কোৱা হয়।) জনসংখ্যা পৃথক পৃথককৈ দেখুওৱা আছে। ৩ নং তালিকাত এই পৰিসংখ্যা দেখুওৱা হৈছে।

তিনিওখন তালিকাতেই গুৱাহাটীৰ জনসংখ্যা কিদৰে বাঢ়ি গৈ আছে, তাৰ উমান পোৱা যায়। প্ৰক্ষেপিত পৰিসংখ্যা অনুসৰি ২০২৫ চনত গুৱাহাটীৰ জনসংখ্যা ৩ নিযুততকৈ অধিক হ'বগৈ। ২০২১ চনৰ লোকপিয়লৰ তথ্য প্ৰকাশ পালে এই অনুমানৰ যথাৰ্থতা ওলাই পৰিব। বিশ্বৰ ২০খন জনবহুল মহানগৰীত অন্তৰ্ভুক্ত হোৱা দিল্লী, মুম্বাই তথা কলকাতাৰ দৰে নহ'লেও গুৱাহাটী যে





জনসংখ্যাৰ বোজাৰে ভাৰাক্ৰান্ত হ'ব ধৰিছে, তাৰ উমান ইতিমধ্যেই পোৱা গৈছে। জনবসতিৰ ঘনত্বই জনাধিক্যৰ সংকেত দিয়ে। ২০১১ চনৰ লোকপিয়লমতে, গুৱাহাটী পৌৰ এলেকাত জনবসতিৰ ঘনত্ব হৈছে প্ৰতি বৰ্গকিলোমিটাৰত ৩৪০০ গৰাকী। আকৌ, গুৱাহাটী মহানগৰীত জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত ১৯৯১ চনত ২৭০৫ জনৰ বিপৰীতে ২০০১ চনত ৩৭৪১ গৰাকীলৈ বৃদ্ধি পায়। এই তথ্যৰ বিপৰীতে ভাৰতৰ সামগ্ৰিক জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত ৩৮২ জনৰ বিপৰীতে অসমত এই সংখ্যা হৈছে ৩৯৭ গৰাকী। অসমৰ জিলাসমূহৰ ভিতৰত কামৰূপ মহানগৰ জিলাৰ জনবসতিৰ ঘনত্ব হৈছে সৰ্বাধিক। ২০১১ চনৰ তথ্যমতে ই হৈছে প্ৰতি বৰ্গকিলোমিটাৰত ২০১০ জন। কামৰূপ (অবিভক্ত) জিলাখন অতীতৰ পৰাই জনবহুল। এই কথা Mill's Report on the Province of Assam তো উল্লেখ আছে। সেইমতে, ১৮৪৮ চনত হোৱা এক লোকপিয়লমতে, কামৰূপ জিলাৰ জনসংখ্যা আছিল ৩,৪৭,৭৭৫ গৰাকী। যিহেতু, একে প্ৰতিবেদনতেই গুৱাহাটী কামৰূপৰ প্ৰধান চহৰ বুলি উল্লেখ আছিল, গতিকে তাত জনাধিক্য হ'ব বুলি অনুমান কৰিব পাৰি।

জনসংখ্যাৰ আধিক্যই দেশৰ মহানগৰীসমূহৰ আৰ্থ-সামাজিক স্থিতি দুৰ্বল কৰাৰ উপৰি পৰিৱেশ প্ৰদূষণত অৰিহণা যোগাইছে। গুৱাহাটী হৈছে উত্তৰ পূৰ্বাঞ্চলৰ দুৱাৰ মুখ স্বৰূপ। শিক্ষা-স্বাস্থ্যকে আদি কৰি বেহা-বেপাৰ, উদ্যোগ-কাৰ্যালয়ৰ কেন্দ্ৰস্থল হৈছে গুৱাহাটী। কাজেই গুৱাহাটীত জনসমাগম অধিক। তদুপৰি, ১৯৭২ চনত শ্বিলঙৰ পৰা দিচপুৰলৈ অসমৰ ৰাজধানী স্থানান্তৰিত হয়। তাৰ লগে লগে স্বাভাৱিকভাৱেই জনসংখ্যা বাঢ়িবলৈ ধৰে। প্ৰশাসনীয় কাৰণতেই নহয়, বেপাৰ-বাণিজ্যকে ধৰি জীৱন ধাৰণৰ অন্যান্য প্ৰয়োজনীয় অভাৱ পূৰণ কৰিবলৈ বিভিন্ন জিলা আৰু গাঁওবোৰৰ পৰাও জনসংখ্যাৰ সোঁত ব'বলৈ আৰম্ভ কৰে। তদুপৰি, ৰাজ্যখনৰ বাহিৰৰ পৰাও অতি লক্ষ্যণীয়ভাৱে প্ৰব্ৰজন হ'বলৈ ধৰে। ২০০১ চনত গুৱাহাটীলৈ হোৱা আন্তঃৰাজ্যিক প্ৰব্ৰজনকাৰীৰ সংখ্যা আছিল ৭৪,৩০৪ গৰাকী; ইয়াৰে ৩৭.৮ শতাংশ হৈছে বিহাৰৰ, ১৮.২ শতাংশ ৰাজস্থানৰ। তদুপৰি, উত্তৰপ্ৰদেশ, পশ্চিমবংগ, তথা উত্তৰ-পূৰ্বাঞ্চলৰ

আন ৰাজ্যকেইখনৰ পৰাও বুজন সংখ্যক প্ৰব্ৰজনকাৰী গুৱাহাটীলৈ আহিছে। গুৱাহাটীত আন্তঃৰাষ্ট্ৰীয় প্ৰব্ৰজনো উল্লেখযোগ্য। ১৯৭২ চনত বাংলাদেশ জন্মৰ পিচত সীমাৰ সিপাৰৰ পৰা প্ৰব্ৰজনৰ সোঁত বৃদ্ধি হয়। পূৰ্বৰে পৰাও নেপাল আৰু বংগদেশৰ পৰা অহা বুজনসংখ্যক লোক স্থায়ীভাৱে ৰৈ গৈছিল। ১৯৭১ চনৰ লোকপিয়লৰ তথ্যানুসৰি গুৱাহাটীৰ প্ৰায় ৫৯ শতাংশ লোকেই প্ৰব্ৰজিত। এই প্ৰব্ৰজন আন্তঃজিলা, আন্তঃৰাজ্যিক, আন্তৰ্জাতিক আৰু জিলা অভ্যন্তৰৰ। ১৯৯১ চনত লোকপিয়লৰ তথ্যানুসৰি গুৱাহাটীত প্ৰব্ৰজনকাৰী জনসংখ্যা আছিল ২,৭৬,৮৩৫ গৰাকী। ২০০১ চনত দেখুওৱা তথ্যমতে ই হৈছে ৩,৭৮,৬৫৭ জন। অৰ্থাৎ ১৯৭১ চনৰ তুলনাত উক্ত দুই লোকপিয়লত গুৱাহাটীলৈ হোৱা প্ৰব্ৰজন কম হোৱা দেখা গৈছে; ক্ৰমে ৪৭ শতাংশ আৰু ৪৬ শতাংশ। তথ্যই যিয়েই নকওক কিয়, গুৱাহাটীৰ ৰাজপথ, বজাৰ, অলিয়ে-গলিয়ে এপাক মাৰিলেই প্ৰব্ৰজনৰ গভীৰতা উপলব্ধি কৰিব পৰা যায়। জীৱিকাৰ তাড়নাই মানুহক প্ৰব্ৰজনকাৰীলৈ ৰূপান্তৰিত কৰে। গুৱাহাটীলৈ অহা প্ৰব্ৰজনকাৰীৰ বুজন সংখ্যকেই অসংগঠিত খণ্ডত কাম কৰা শ্ৰমিক-মজদুৰ, ক্ষুদ্ৰ ব্যৱসায়ী আৰু নিম্নআয়ৰ পেছাদাৰী লোক। নাপিত, মুচী, ৰিক্সাচালক, ধোবা, দৰ্জী, ঠেলাচালক, ড্ৰাইভাৰ, মালী, চানাচুৰৱালা ইত্যাদি অসংখ্য সৰু সৰু কামবোৰত বিহাৰ, উত্তৰপ্ৰদেশ আদিৰ পৰা অহা অসংখ্যলোক জড়িত হৈ আছে। একেদৰে গো-পালন দুগ্ধ ব্যৱসায়ৰ সৈতে জড়িত লোকসকল প্ৰধানতঃ নেপালৰ পৰা অহা লোক। নিৰ্মাণখণ্ডত সৰু সৰু কামবোৰতো প্ৰব্ৰজিত লোকৰ সংখ্যাই সৰহ। তালিকা নং -৪ ত ১৯৯১ আৰু ২০০১ চনত গুৱাহাটীলৈ প্ৰধানতঃ কি কাৰণত কিমান লোক প্ৰব্ৰজিত হৈছিল, তাৰ এটা আভাস দিয়া হৈছে। ২০১৩ চনত চলোৱা এক চালুকীয়া অধ্যয়ন অনুসৰি গুৱাহাটীৰ বিভিন্ন এলেকাত থকা ফল-বিক্ৰেতাসকলৰ ৭১.৪ শতাংশই বিহাৰৰ লোক; উত্তৰপ্ৰদেশৰ ৯.৫ শতাংশ, ৪.৮ শতাংশ পশ্চিমবংগ আৰু বাকী ১৪.৩ শতাংশহে অসমৰ লোক বুলি নিশ্চিত হৈছিল (Migration and Assam from pre historic period to present day, 2015, pg. 360)। গুৱাহাটীত থকা শোধনাগাৰ, উত্তৰ-পূব সীমান্ত ৰেলৰ মুখ্য কাৰ্যালয়কে আদি কৰি কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়, উদ্যোগ-বাণিজ্যৰ





কাৰ্যালয় ইত্যাদিত কৰ্মৰত সকলো স্বাভাৱিক কাৰণতেই গুৱাহাটীক লোকঅৰণ্যলৈ পৰ্যবসিত কৰাত সহায়ক হৈছে।

প্ৰব্ৰজন এক চিৰন্তন প্ৰক্ৰিয়া। সেয়ে হ'লেও প্ৰব্ৰজনৰ প্ৰভাৱ আৰু সৃষ্ট সমস্যাসমূহ আওকাণ কৰি চলিব নোৱাৰি। গুৱাহাটীৰ ক্ষেত্ৰতো ই ব্যতিক্ৰম নহয়। গুৱাহাটী মহানগৰীৰ বাট-পথৰ যানজঁট সমস্যাকে ধৰি বজাৰথলীৰ অপ্ৰয়োজনীয় সম্প্ৰসাৰণ, ফুটপাথৰ বজাৰৰ নামত বেদখল, পাহাৰৰ আবাসস্থলী, পানী তথা বিদ্যুতৰ নাটনি, জাৰৰ-জোথৰৰ দ'ম বৃদ্ধি, শব্দপ্ৰদূষণ ইত্যাদিবোৰত প্ৰব্ৰজনৰ গুৰু অৰিহণা আছে। জনাধিক্যই গুৱাহাটীৰ প্ৰাকৃতিক সন্তুলনত ব্যাঘাত জন্মাইছে। জৈৱ বৈচিত্ৰ তথা সৌন্দৰ্যৰ ভাণ্ডাৰ গুৱাহাটীৰ সংৰক্ষিত বনাঞ্চল আৰু পাহাৰবোৰ ক্ষত-বিক্ষত কৰি সেইবোৰক মানুহৰ আৱাসস্থলীলৈ ৰূপান্তৰ কৰা হৈছে। ২০১১ চনৰ এক সমীক্ষা অধ্যয়নমতে গুৱাহাটীৰ ১৬খন পাহাৰত সৰ্বমুঠ ৬৫,৮৯৪ টা পৰিয়ালে ঘৰ দুৱাৰ সাজি বসবাস কৰি আছে। (তালিকা নং ৫ দ্ৰষ্টব্য)। এই তথ্য আগতে উল্লেখ কৰা Researchgat.net ৰ গৱেষণা পত্ৰত সন্নিবিষ্ট কৰা হৈছে। প্ৰব্ৰজিত জনসংখ্যা সম্পৰ্কে মনকৰিবলগীয়া অন্য এটা কথা এয়ে যে প্ৰব্ৰজন কেৱল নিৰ্দিষ্ট কোনো সময়সীমাৰ ভিতৰতেই হোৱা নাছিল, অথবা কেৱল গুৱাহাটীলৈকেই হোৱা নাছিল। The Economic Development of Assam নামৰ গৱেষণা গ্ৰন্থখনিত Dr. P. C. Goswami য়ে লিখিছে যে - "........... It is found that for all India the rate of increase of population from 1901 to 1921 was very slow, only 126 lakhs or less than 6 percent, whereas during the same period the population of Assam increased from thirty eight to fifty three lakhs - an increase of more than 39 percent........ From 1921 to 1951 Indian population increased by 44 percent, and the population of Assam by 70 percent. ............ During 1901 - 1951, the population of Assam has increased not less than 138 percent against an increase of 52 percent for all India.

............ The tremendoo increase of population in Assam

during 1901 to 1950 period is very striking. Population can increase through natural increase or net immigration ............." (pg. 18-19)

সি যি কি নহওক, এটা কথা সত্য যে জনসংখ্যাই কেৱল সমস্যাৰেই সৃষ্টি নকৰে, সম্পদ সৃষ্টিতো অৰিহণা আগবঢ়ায়। এই জনসংখ্যাৰ সেৱা আৰু অৰিহণাই বৰ্তমানৰ গুৱাহাটীক গঢ় দিছে। ২০১১ চনৰ লোকপিয়লমতে গুৱাহাটী মহানগৰৰ কৰ্মৰত লোকৰ সংখ্যা হৈছে ৩,৭৬,০৪২ গৰাকী। তালিকা নং ৬ ত এই সংখ্যাসমূহৰ বিভাজন দেখুওৱা হৈছে। গুৱাহাটীৰ মুঠ কৰ্মৰত লোকখিনিৰ বৃহৎ অংশ সেৱা খণ্ডৰ সৈতে জড়িত। অৱশ্যে, নিৰ্মাণ উদ্যোগ ক্ষেত্ৰতো বেচ কিছু সংখ্যক লোক জড়িত হৈ আছে। প্ৰাথমিক খণ্ড (কৃষি আৰু আনুষঙ্গিক)ত জড়িত লোকৰ সংখ্যা তুলনামূলকভাৱে কম। অৱশ্যে, ভাৰতৰ অন্যান্য নগৰৰ তুলনাত গুৱাহাটীত প্ৰাথমিকখণ্ডত জড়িতলোকৰ সংখ্যা অধিক।

গুৱাহাটীত সাক্ষৰলোকৰ সংখ্যা দেশ তথা ৰাজ্যৰ গড় অনুপাততকৈ অধিক। ২০১১ চনৰ লোকপিয়লমতে গুৱাহাটীৰ সাক্ষৰতাৰ হাৰ হৈছে ৯১.৪৭ শতাংশ। ইয়াৰে পুৰুষৰ সাক্ষৰতাৰ হাৰ ৯৪.২৪ শতাংশ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ ৮৮.৫০ শতাংশ। অৰ্থাৎ, পুৰুষ-মহিলাৰ মাজৰ যি লিঙ্গ অসমতা চৌপাশে বিদ্যমান, সি গুৱাহাটীতো পূৰ্ণমাত্ৰাই আছে। লিঙ্গ অনুপাতৰ তথ্যলৈ চালে দেখা যায় যে গুৱাহাটীত প্ৰতি এহেজাৰ পুৰুষৰ বিপৰীতে ৯৩৩ গৰাকী মহিলা আছে, অৰ্থাৎ ১০০০ঃ৯৩৩। লোকপিয়লৰ এই একে তথ্যানুসৰি গুৱাহাটীৰ মুঠ জনসংখ্যাৰ ৮৪.৭৪ শতাংশ লোক হিন্দু, ১২.৪৫ শতাংশ মুছলমান, ০.৯৩ শতাংশ খ্ৰীষ্টান, ০.৩৬ শতাংশ শিখ, ০.১৬ শতাংশ বৌদ্ধ আৰু ০.০২ শতাংশ লোক অন্যান্য ধৰ্মাৱলম্বী বুলি জনা গৈছে। আকৌ, ০.৪০ শতাংশ লোকে লোকপিয়লত নিজৰ কোনো ধৰ্মৰ উল্লেখ কৰা নাই।

দেশ-বিদেশৰ ভিন্ন ধৰ্মী, ভিন্ন ভাষা, ভিন্ন সংস্কৃতিৰ মানুহে গুৱাহাটীক এক সৰ্ব ধৰ্ম-ভাষাৰ মিলনস্থলীলৈ ৰূপান্তৰিত কৰিছে। ড° ভূপেন্দ্ৰ ৰায়চৌধৰীয়ে লিখিছে, "....... প্ৰাক ঐতিহাসিক কালত প্ৰাগজ্যোতিষত মঙ্গোলীয় গোষ্ঠীৰ প্ৰাধান্য আছিল, কিন্তু ঐতিহাসিক যুগত প্ৰব্ৰজনৰ কাৰণে আৰ্যমূলীয়লোকৰ





প্ৰৱেশ ঘটাত জনবিন্যাস সলনি হৈছিল।" এনেদৰে, আৰ্য-অনাৰ্যৰ সন্মিলনত গঢ়লৈ উঠা জাতিৰ অসমীয়া, চুবুৰীয়া ৰাজ্যৰ পৰা অহা জনগোষ্ঠীয়লোক, ইংৰাজে কলিকতাৰ পৰা অনা ইংৰাজী জনা বঙালী, মোগলকে ধৰি অন্যান্যৰ আক্ৰমণৰ সৈতে আহি ৰৈ যোৱা লোক, ব্যৱসায় সংক্ৰান্তত অহা মাৰোৱাৰী সম্প্ৰদায়ৰলোক, ভাগে-ভাগে শ্ৰম-যুক্ত কাম বিচাৰি অহা বিহাৰী সম্প্ৰদায়ৰলোক, মান-ভগনীয়া মণিপুৰী, যুদ্ধৰ সহায় দিবলৈ অহা শিখ আদি সৌ তাহানিৰ পৰাই গুৱাহাটীৰ জন গাঁথনিৰ অংগ হৈ পৰিছিল আৰু সেয়াই

**তালিকা ঃ ১**

গুৱাহাটীৰ জনসংখ্যা

| বছৰ | জনসংখ্যা |
|---|---|
| ১৯০১ | ১১,৬৬১ |
| ১৯১১ | ১২,৪৮১ |
| ১৯২১ | ১৬,৪৮০ |
| ১৯৩১ | ২১,৭৯৭ |
| ১৯৪১ | ২৯,৫৯৮ |
| ১৯৫১ | ৪৩,৬১৫ |
| ১৯৬১ | ১,০০,৭০৭ |
| ১৯৭১ | ১,২৩,৭৮৫ |
| ১৯৯১ | ৫,৮৪,৩৪২ |
| ২০০১ | ৮,০৯,৮৯৫ |

উৎস ঃ www.esa.int

**তালিকা ঃ ২**

গুৱাহাটীৰ প্ৰক্ষেপিত জনসংখ্যা

| বছৰ | প্ৰক্ষেপিত জনসংখ্যা | পূৰ্বৰ বছৰৰ তুলনাত বৃদ্ধি |
|---|---|---|
| ১৯৫১ | ৪৩,০০০ | - |
| ১৯৬১ | ১,৩৮,০০০ | ৯.৫২% |
| ১৯৭১ | ২,০৩,০০০ | ৪.১০% |
| ১৯৮১ | ৩,৪৮,০০০ | ৫.৭৮% |
| ১৯৯১ | ৫,৯১,০০০ | ৪.৭৯% |
| ২০০১ | ৯,৬৮,০০০ | ২.৭৫% |
| ২০১১ | ৯,৬৮,০০০ | ১.৬৮% |
| ২০২১ | ১,১৩৫,০০০ | ১.৬১% |

উৎস ঃ www.macrotrends.net

**তালিকা ঃ ৩**

গুৱাহাটীৰ জনসংখ্যা

| বছৰ | পৌৰ এলেকাৰ গুৱাহাটী | গুৱাহাটী মহানগৰ |
|---|---|---|
| ১৯৫১ | ৪৩,৬১৫ | ৯৭,৩৮৯ |
| ১৯৬১ | ১,০০,৭০৭ | ১,৯৯,৪৮২ |
| ১৯৭১ | ১,২৩,৭৮৩ | ২,৯৩,২১৯ |
| ১৯৮১ | ২,৬৮,৯৪৫ | ৪,৩৫,২৮০ |
| ১৯৯১ | ৫,৮৪,৩৪২ | ৬,৪৬,১৬৯ |
| ২০০১ | ৮,০৯,৮৯৫ | ৮,৯০,৭৭৩ |
| ২০১১ | ৯,০৩,৪২৯ | ৯,৬৮,৫৪৯ |

উৎস ঃ www.researchgate.net

**তালিকা ঃ ৪**

গুৱাহাটীলৈ আন্তঃৰাজ্যিক প্ৰব্ৰজনৰ সংখ্যা আৰু কাৰণ

| প্ৰব্ৰজনৰ কাৰণ | ১৯৯১ লোকপিয়ল (%) | ২০০১ লোকপিয়ল (%) |
|---|---|---|
| ১। কৰ্মসংস্থাপন | ১৭.২ | ২০.২ |
| ২। ব্যৱসায় | ১৪.৪ | ১৬.৮ |
| ৩। শিক্ষা | ০৩.৫ | ০১.৯ |
| ৪। বিবাহ | ১৪.৮ | ১৫.৫ |
| ৫। পৰিয়াল স্থানান্তৰ | ২৫.৮ | ২৩.২ |
| ৬। অন্যান্য | ২৪.৩ | ২২.৪ |

উৎস ঃ ১৯৯১ আৰু ২০০১ চনৰ লোকপিয়লৰ পৰা সংগৃহীত

**তালিকা ঃ ৫**

গুৱাহাটীৰ পাহাৰত জনসংখ্যা, ২০১১

| পাহাৰৰ নাম | বাসিন্দা পৰিয়ালৰ সংখ্যা |
|---|---|
| ১। জালুকবাৰী / লঙ্কেশ্বৰ | ১২৭ |
| ২। ফটাশিল | ৭৪৭১ |
| ৩। গোটানগৰ | ২০৩৮ |
| ৪। খাৰঘুলি | ২৮২২ |
| ৫। নৱগ্ৰহ | ৪১৮৩ |
| ৬। নুনমাটি | ৭৭১৫ |
| ৭। কামাখ্যা | ৪৮৩৭ |



গুৱাহাটী! গুৱাহাটী!

**তালিকা ঃ ৫**

গুৱাহাটীৰ পাহাৰত জনসংখ্যা, ২০১১

| পাহাৰৰ নাম | বাসিন্দা পৰিয়ালৰ সংখ্যা |
|---|---|
| ৮। কালাপাহাৰ | ২২৩৩ |
| ৯। নাৰেঙ্গী | ১৩৬৫ |
| ১০। হেঙেৰাবাৰী | ৫৬৩৬ |
| ১১। শৰণীয়া | ৭০১ |
| ১২। নৰকাসুৰ | ৮৯৫৯ |
| ১৩। চুনচালি | ২১৭৩ |
| ১৪। কইনাধৰা | ১২৮৩ |
| ১৫। খানাপাৰা/আমচাং সংৰক্ষিত বনাঞ্চল | ৫৯৯৬ |
| ১৬। গড়ভাঙ্গা | ৮৩৫৫ |
| মুঠ | ৬৫৮৯৪ |

উৎস ঃ www.researchgate.net

প্ৰসঙ্গ পুথি ঃ


১। ড° ভূপেন্দ্ৰ ৰায়চৌধুৰী, ২০১৭, যুগ সন্ধিক্ষণৰ গুৱাহাটী, অসম প্ৰকাশন পৰিষদ

২। ড° ৰাণী মুদিয়াৰ ডেকা, ২০১৫, বিষয় ঃ অৰ্থনীতি, কথা ৰিডাৰ্চ ফ'ৰাম

৩। Anuradha Boruah Saikia (ed), 2015, Migration & Assam - From Pre-historic period to present-day, Dispur College.

৪। A. J. Moffatt Mills, 1984 (2nd ed), Report of the Province of Assam, Publication Board, Assam

৫। Dr. P. C. Goswami, 1988 (2nd ed), The Economic Development of Assam, Kalyani Publishers

৬। Censusindia.gov.in.census data sheet, 1991, 2001, 2011

৭। esa.int/ESA - multimedia/Ima

৮। researchglate.net

৯। macrotrends.net


—+—

# গুৱাহাটীৰ প্ৰাচীন পুখুৰী- জলাশয়

ড° ৰীণা চৌধুৰী

অসমক বুজোৱা প্ৰাচীনতম শব্দটো হ'ল প্ৰাগজ্যোতিষপুৰ। প্ৰকৃততে প্ৰাগজ্যোতিষ শব্দই দেশখনক আৰু প্ৰাগজ্যোতিষপুৰ শব্দই ৰাজধানীক বুজাইছিল বুলি পণ্ডিতসকলে কয়। ৰামায়ণ আৰু মহাভাৰতত প্ৰাগজ্যোতিষ নামেৰে এই অঞ্চল পৰিচিত হৈছিল আৰু তাৰ পিছতহে কামৰূপ নামৰ প্ৰচলন হয়।

মহীৰংগদানৱ, ঘটকাসুৰ, নৰকাসুৰ, ভগদত্ত, ভাস্কৰবৰ্মা আদি প্ৰখ্যাত আৰু প্ৰাচীন ৰজাসকলে প্ৰাগজ্যোতিষপুৰৰ গুৰুত্ব, সৌন্দৰ্য উপলব্ধি কৰি তাৰ মূল্যায়ন কৰিছিল। মেটমৰা বুৰঞ্জী আৰু ভূগোলেৰে জিলিকি থকা ঐতিহ্যপূৰ্ণ প্ৰাগজ্যোতিষপুৰৰ বহুতো তথ্যৰ স্মৃতি আজিৰ গুৱাহাটী নগৰৰ মাজত বিচাৰিলে লাভ কৰিব পৰা যায়। সেয়ে সেই প্ৰাচীন নগৰখনৰ ওপৰতেই বৰ্তমানৰ গুৱাহাটীখন নিৰ্মিত হোৱা বুলি পণ্ডিতসকলে যুক্তি আগবঢ়াইছে। ইতিহাস আৰু ভ্ৰমণকাৰীৰ টোকাত পৱিত্ৰ মঠ-মন্দিৰেৰে আৱৰা, পণ্ডিত-সাধকৰ আবাসভূমি আৰু বাণিজ্য কেন্দ্ৰ হিচাপে খ্যাত প্ৰাগজ্যোতিষপুৰ কেতিয়াৰ পৰা গুৱাহাটী নামেৰে বিখ্যাত হ'ল তাৰ সুস্পষ্ট তথ্য নাই। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে গুৱাহাটী নাম সপ্তম শতিকাৰ পিছৰ বুলি অনুমান কৰিছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ-দক্ষিণ দুয়োপাৰ সামৰি এই নগৰখনে কামাখ্যা, উমানন্দ, শুক্ৰেশ্বৰ, বশিষ্ঠাশ্ৰম আৰু অশ্বক্লান্ত-





এই পঞ্চতীৰ্থক সাৰটি পৱিত্ৰ ঠাই বুলি ভাৰতীয় তীৰ্থযাত্ৰীসকলৰ অন্তৰতো এক সুকীয়া আসন গ্ৰহণ কৰিছিল। প্ৰাচীন ৰজা-মহাৰজা-স্বৰ্গদেউসকলে গুৱাহাটী নগৰৰ চাৰিওফালে পৰ্বত দেখি য'তেই পৰ্বত নাই তাতেই গড় আৰু খাৱৈ দি বিশেষ গড়মৰা নগৰ বা Fortified town হিচাপে গঢ়ি প্ৰতিৰক্ষাৰ দিশটো সবল কৰিছিল। গুৱাহাটী উত্তৰ- পূৰ্বাঞ্চলৰ দুৱাৰমুখ বা Gateway of North East হিচাপে তাহানিদিনৰে পৰা পৰিগণিত হৈ আহিছে আৰু সেয়ে গুৱাহাটী শত্ৰুৰ হাতত পৰা মানেই যেন উত্তৰ-পূৰ্বাঞ্চল বা বৰ অসম শত্ৰুৰ গ্ৰাসত পৰা তেনে ভাব এটা আছিল। বৰ্তমান সময়ত মহানগৰৰ ৰূপ লাভ কৰা গুৱাহাটীয়ে পুৰণি ৰহণ বা হাবভাব কিমান দূৰ ৰক্ষা কৰিব পাৰিছে সেয়া গুণী-সজ্জনলৈ এৰা গ'ল। আমি মাথোঁ ইয়াত পুৰণি গৌৰৱ সাৰটি থকা পুখুৰী-জলাশয় দুটিমানৰ বিষয়ে আঙুলিয়াব বিচাৰিছোঁ।

সপ্তম শতিকাৰ চীনা পৰ্যটক হিউৱেনছাঙৰ বিৱৰণী মতে পৰিব্ৰাজক গৰাকী কিয়-ম'লু-প (কামৰূপ) ৰাজ্যৰ ৰজা কুমাৰৰ ৰাজসভাত প্ৰায় এমাহ কাল কটায়। তেওঁৰ হিচাপ মতে কামৰূপ ৰাজ্যৰ আয়তন ১০,০০০ লি (প্ৰায় দুহেজাৰ মাইল) আৰু ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ পৰিধি ৩০ লি (প্ৰায় ৬ মাইল) সমান আছিল বুলি উল্লেখ কৰিছে।তেওঁ আন বহুতো বিৱৰণৰ লগতে নদী বা বান্ধ থকা সৰোবৰৰ পৰা খাল কাটি অনা পানীৰে প্ৰাগজ্যোতিষ চহৰখন ঘেৰি ৰখা বুলি লিখি গৈছে। তেওঁ কামৰূপৰ লোকক বৌদ্ধস্তূপ বা বিহাৰৰ সলনি দেৱ মন্দিৰত পূজা কৰা আৰু বলি-বিধান কৰা দেখিছিল। কামৰূপত শতাধিক দেৱমন্দিৰ চকুত পৰা বুলি তেখেতে চীনলৈ উভতি গৈ লিখা চি-উ-কি নামৰ ভাৰত বৃত্তান্তখনত উল্লেখ কৰিছে। নিজৰ চকুৰে দেখি আৰু মনেৰে অনুভৱ কৰি অভিজ্ঞতাৰ ওপৰত লিখা এই জীৱন্ত দলিল স্বৰূপ চি-উ-কি গ্ৰন্থত কামৰূপ ৰাজ্য আৰু ইয়াৰ ৰাজধানী প্ৰাগজ্যোতিষ নগৰে পুনৰ ৰূপ পাই উঠিছে বুলি ক'ব পাৰি। কামৰূপৰাজ ভাস্কৰ বৰ্মাই ৫৯৪ খৃষ্টাব্দত সিংহাসনত আৰোহণ কৰি ৬৫০ খৃষ্টাব্দলৈ সুদীৰ্ঘ সময় ৰাজত্ব কৰিছিল। সমসাময়িককালৰ উত্তৰ ভাৰতৰ ৰজা হৰ্ষবৰ্ধনৰ ৰাজকবি বাণভট্টই লিখা হৰ্ষ চৰিতত কামৰূপ ৰাজ ভাস্কৰ বৰ্মাক 'ভীষ্ম ইব কুমাৰ' আৰু হিউৱেনচাঙে চি-ইউ-কিত কুমাৰ ৰাজ বা

কুমাৰ বুলি উল্লেখ কৰালৈ চাই ঐতিহাসিক-পণ্ডিতসকলে তেখেতক চিৰকুমাৰ বুলি অভিহিত কৰিছে। ৬২৯ খৃষ্টাব্দত যাত্ৰা আৰম্ভ কৰি ৬৩০ খৃষ্টাব্দত ভাৰতৰ সীমা পদার্পণ কৰা হিউৱেন চাঙে ১৫ বছৰ ধৰি ভাৰত আৰু সিংহলৰ (শ্ৰীলংকা) প্ৰায় ৮২ খন ৰাজ্য পৰিভ্ৰমি ৬৪৫ খৃষ্টাব্দত উভতি চীন পায়গৈ। ৬৬৪ খৃষ্টাব্দত চিৰকুমাৰ হিউৱেন চাঙৰ মৃত্যু হয়।

গুৱাহাটীৰ দৰে এখন প্ৰাচীন ঐতিহ্যপূর্ণ নগৰৰ প্ৰাচীন পুখুৰীৰ সন্ধান কৰাটো এটা অপ্ৰয়োজনীয় বিষয় হ'লেও গোস্পদে নভোমণ্ডলম্ অর্থাৎ সামান্য গৰুৰ খোজৰ স্বচ্ছ পানীখিনিত বিশাল আকাশখন দেখাৰ দৰে কিছু অন্তৰ পৰশি যোৱা ঘটনাৰ সম্ভেদ এইবোৰৰ মাজত নোহোৱা নহয়। দেৱ মন্দিৰৰ লগত পুখুৰী এটা দান কৰাটো ভাৰতীয় ৰীতি। হিউৱেনচাঙে ১২-১৩ শ বছৰ আগেয়ে প্ৰাগজ্যোতিষপুৰৰ শতাধিক দেৱমন্দিৰ দেখাৰে পৰা এই এলেকাবোৰত শতাধিক পুখুৰীও নিশ্চয় খন্দোৱা হৈছিল। ইয়াৰ বাদেও ব্যক্তিগত আৰু ৰাজহুৱা পুখুৰীসমূহ জনসাধাৰণৰ দৈনন্দিন কার্যত ব্যৱহৃত হৈছিল। গুৱাহাটীত ১৮৫৩ চনত (অসমত প্ৰথম) মিউনিচিপেল কমিটি বা মিউনিচিপেলিটি স্থাপন হয় আৰু ইয়াৰ মুখ্য কাম আছিল টেক্স আদায় কৰা, ছিটা দিয়াৰ ব্যৱস্থা কৰা, হাবি-জংঘল চাফ কৰা, পিতনি পোতা, ভাৰ্ণেকুলাৰ স্কুল স্থাপন কৰা, আলি-পদূলি উন্নত কৰা, পানীৰ ব্যৱস্থা কৰা ইত্যাদি। ১৮৮৫-৮৬ চনত এই মিউনিচিপেলিটিৰ জনসংখ্যা আছিল ১১,৬৯৫। শ্বিলঙৰ পৰা গুৱাহাটীৰ দিচপুৰলৈ অসমৰ ৰাজধানী স্থানান্তৰিত হোৱাৰ পিছত প্ৰাগজ্যোতিষপুৰৰূপী গুৱাহাটীয়ে গুৰুত্ব আৰু সন্মান ঘূৰাই পোৱা বুলি ক'ব পাৰি।

হিউৱেনচাঙৰ ভ্ৰমণৰ দিনৰ পৰা আহোম ৰজাৰ দিনলৈকে অগণন সৰু-বৰ জলাশয়ৰে ভৰ্তি হৈ থকা গুৱাহাটীৰ পুৰণি বিল-পুখুৰীবোৰৰ আঁতিগুৰি হেৰুৱাৰ লগতে বুৰঞ্জীৰ বহুতো সমল নাইকিয়া হৈ গ'ল। দুই এটা পুখুৰী সামান্য ঐতিহ্যৰে জীয়াই থাকিল। এনেধৰণৰ বর্তমান গুৱাহাটী চহৰৰ মাজমজিয়াত থকা বিখ্যাত পুৰণি পুখুৰীটো হ'ল দীঘলী পুখুৰী। ১৮৫০ চনৰ জুন সংখ্যা অৰুণোদইত প্ৰকাশিত গুৱাহাটীৰ বিৱৰণ (Description of Guwahati) ত ধৰ্মকান্ত গোহাঁইয়ে লিখিছিল- "তাহাৰ পুৱতে কমিস্যনৰ কাচাৰি, সনিকটে আছে





দীঘলী পুখুৰী"। মহাভাৰতৰ যুগত ৰজা ভগদত্তই জীয়েক ভানুমতীৰ স্বয়ম্বৰ উপলক্ষে এই পুখুৰীটো খন্দোৱা বুলি জনবিশ্বাসে ক'লেও নির্ভুল ইতিহাস ক'ত? দক্ষিণফালে ৰেলষ্টেচন আৰু উত্তৰফালে ব্ৰহ্মপুত্ৰ নদীক চুই যোৱাকৈ পুখুৰীটো এটা সময়ত যথেষ্ট দীঘল আছিল বুলি ভাবিব পাৰি। অসম ৰাজ্যিক সংগ্ৰহালয়ৰ গাতে লগাকৈ ৰেলৰ মাটিত থকা খাল কেইটামান এসময়ৰ দীঘলীপুখুৰীৰ অংশ হিচাপে থকাৰ প্ৰমাণ দিছিল বুলি পুৰণি বয়োবৃদ্ধলোকে কৈছিল।

এই দীঘলীপুখুৰীৰ পশ্চিমে পাণবজাৰৰ ডনবস্ক স্কুলৰ উত্তৰফালে ডাঙৰ খালৰ দৰে এটা পুখুৰী আছে। ইয়াক নাককটা বা নাগকটা পুখুৰী বুলিলেও দৰাচলতে নাগপোতা পুখুৰীহে আচল নাম আছিল। বুৰঞ্জীবিদ কনকলাল বৰুৱাদেৱে এই পুখুৰীটোক ৰজাদিনীয়া পুখুৰী বুলি ঠাৱৰ কৰিও হেনো কোনো আঁতিগুৰি বিচাৰি নাপালে।

প্ৰাচীন কালত পুখুৰী এটাক গাঁৱৰ সম্পদ বুলি জ্ঞান কৰিছিল। গতিকে গাঁও পাতোঁতে পুখুৰী খন্দা বিষয়টোৱে আগস্থান পাইছিল। ৰাজহুৱা পুখুৰী বা ৰজাদিনীয়া পুখুৰী খন্দাৰ পিছত পানী ওলাবলৈ আৰম্ভ কৰিলে তাত মাংগলিক কার্য কৰি নাগপোতা হৈছিল। কুমাৰৰ দ্বাৰা নির্মাণ কৰি অনা পবিত্ৰ মাটিৰ ঘট, কলহ বা নাগ কলহ আনুষ্ঠানিক নিয়ম কৰি গীত-পদ গাই পুখুৰীৰ চাৰিও চুক আৰু মধ্য অংশত পোতা হৈছিল (সেই ক্ষেত্ৰত হীৰাই সজা ঘট-কলহ লোৱা নহৈছিল)। তাৰ উদ্দেশ্য হৈছিল পাতালৰ নিৰ্মল পবিত্ৰ পানী যাতে পাতালৰ অধিকাৰিণী নাগমাতাই ৰাইজক প্ৰদান কৰে। এনেদৰে খন্দা পুখুৰীৰ পানী শুকাই নাযায় বুলি বিশ্বাস আৰু নাগ কলহ স্থাপন কৰা পুখুৰীক নাগপোতা পুখুৰী বুলি কৈছিল। কোনোবা ঠাইত কলহৰ ঠাইত সর্প বা নাগৰ মূর্তি কটা কাঠৰ খুটা স্থাপন কৰি নাগমাতাক আহ্বান কৰা হৈছিল। দুই এটা ৰজাদিনীয়া পুখুৰীত লোহাৰ খুটাও পোতা হৈছিল। আনহাতে পুৰণি পুখুৰীবোৰত পানী শুকাই নাযাবলৈ পুখুৰীৰ এটা বা তাতোধিক কোণত গভীৰ কুঁৱা খান্দি পানীৰ সমতা ৰক্ষা কৰিছিল। তদুপৰি মাংগলিক কার্যৰ বাবে নদী আদিলৈ যাব নোৱাৰিলেও এনে নাগপোতা পুখুৰীতে তেনে কার্যবোৰ সমাধা কৰাৰ নিয়ম চলি আহিছিল।

পাণবজাৰ এলেকাত থকা আনটো পুখুৰী হ'ল বর্তমান কটন কলেজিয়েট

স্কুলৰ সমুখত থকা হাতীখাল পুখুৰী। জনশ্ৰুতি মতে এই পুখুৰী আহোম ৰজাই উমানন্দ মন্দিৰক উচৰ্গা কৰি দিছিল। কিন্তু কোনজনা স্বৰ্গদেউৰ দিনত তাৰ একো প্ৰমাণ পাবলৈ নাই, নিশ্চয় তেতিয়া নামো বেলেগেই আছিল। কালক্ৰমত বৰফুকনৰ টোল সেই ঠাইতে অৱস্থিত হোৱাৰ বাবে কাষতে থকা পুখুৰীটোত বৰফুকনৰ হাতীশালৰ হাতীক গা-ধুওৱা কাৰ্য সমাধা কৰা হৈছিল বাবে হাতীখাল পুখুৰী হ'ল। শেষত বৰফুকনৰ কাল উকলি যোৱাত কোনোবা সৌন্দৰ্য পিয়াসী ব্যক্তি, অনুষ্ঠানে হয়তো ইয়াত পদুম ৰোৱালে, যাৰ ফলস্বৰূপে সময়ত ইয়াৰ নাম হ'লগৈ পদুম পুখুৰী। এই পুখুৰীটোৱেই বিভিন্ন সময়ত বিভিন্নজনৰ মাজত এচ.পি (S.P) নাইবা ডিচি (D.C) বঙলাৰ পুখুৰী বুলি জনাজাত হৈছিল। পিছলৈ এবাৰ ইয়াৰ কাষত অসম গণ পৰিষদৰ শাসনকালত গৃহমন্ত্ৰীৰ বাসভৱন আছিল আৰু এই সময়তে এই পুখুৰীটোৰ পৰা পদুমফুলবোৰ উঠাই দিয়াৰ বাবে বৰ্তমানে ই উকা পুখুৰী ৰূপেৰে ৰৈ আছে।

উজানবজাৰত এটি ৰজাদিনীয়া পুখুৰী পোৱা যায় উগ্ৰতাৰা পুখুৰী নাইবা তাৰা পুখুৰী, যাৰ বৰ্তমান পৰিচয় হ'ল দুটা পুখুৰী সামৰি যোৰপুখুৰী। পূৰ্বতে থকা এটা বৰপুখুৰীৰ মাজেৰে আলি কৰি দুটা বা যোৰ পুখুৰী কৰা হয়। বৃটিছৰ আমোলত এই ঘটনা ঘটালে যদিও কাৰ দিনত বিভক্তিকৰণ কৰা হৈছিল সি বৰ্তমানো অজ্ঞাত। পুখুৰীৰ পাৰৰ শিলালিপি এখনত এই মন্দিৰ আৰু পুখুৰীৰ নিৰ্মাণৰ সময় ১৬৬০ শক (১৭৩৮ খৃষ্টাব্দ) বুলি উল্লেখ আছে। কথিত মতে, আহোম স্বৰ্গদেউ শিৱসিংহ (১৭১৪-১৭৪৪) ৰ পত্নী বৰৰজা ফুলেশ্বৰীয়ে এই দেৱালয় স্থাপন কৰে আৰু দেৱালয় দৰ্শনৰ বাবে ভক্তসকল সুকলমে আহিব পৰাকৈ ব্ৰহ্মপুত্ৰৰ পৰা এই দেৱালয়ৰ প্ৰাংগণ চুই যোৱাকৈ এটা জান কাটি দিয়া হৈছিল। নাওজান নামেৰে এতিয়াও ইয়াৰ চিন আছে। প্ৰাচীন খেলনাও আদিৰ ব্যৱহাৰলৈ লক্ষ্য কৰিলে এই জান যথেষ্ট ডাঙৰ হোৱাটোৱেই অনুমান কৰিব পাৰি। পিছলৈ ইংৰাজসকলে পুখুৰীৰ বাবে আৱশ্যকীয় ঠাই ৰাখি দীঘল জানৰ বাকীবোৰ পুতি পেলালে। আনকি নিজৰ ঘোঁৰা-বাগী চলোৱাৰ সুবিধাৰ্থে হওক নাইবা সৌন্দৰ্যবৰ্ধনৰ বাবেই হওঁক, উগ্ৰতাৰা পুখুৰীটো দুটাভাগত ভাগ কৰি মাজেৰে ৰাস্তা নিৰ্মাণ কৰা হ'ল। বৰ্তমানৰ ইছলামপট্টিৰ মাজেৰেই এই জানটো





থকাৰ সন্দেহ কৰা হয়। কিছু বছৰ আগলৈকে নাওজান আলি এটা আছিল। সতী শান্তি ৰাধিকা পথ হিচাপে ইয়াৰ পুনৰ নামকৰণ কৰাও হৈছিল। উজানবজাৰতেই অৱস্থিত বৰ্তমান মৃতপ্ৰায় ৰজাঘৰৰ পুৰণি পুখুৰীটোৰ সতেও যোৰপুখুৰী সংলগ্ন হৈ আছিল বুলি পুৰণি লোকসকলে বিশ্বাস কৰে।

আন এটা ৰজাদিনীয়া উল্লেখযোগ্য পুখুৰী হ'ল নৱগ্ৰহ পুখুৰী নাইবা বৰ্তমান শিলপুখুৰী বাছ-আস্থানৰ গাতে লাগি থকা শিলপুখুৰীটো। ইয়াৰ উত্তৰ দিশত চিত্ৰাচল পাহাৰত থকা নৱগ্ৰহ মন্দিৰটো জ্যোতিষ চৰ্চাৰ কেন্দ্ৰ আছিল। জনশ্ৰুতি মতে সৃষ্টিকৰ্তা ব্ৰহ্মাই উক্ত ঠাইতেই গ্ৰহ-নক্ষত্ৰৰ সৃষ্টি কৰিছিল বুলি এই ঠাইৰ নাম প্ৰাগজ্যোতিষ হৈছিল। বৰ্তমানৰ মন্দিৰটো আহোম ৰজা ৰাজেশ্বৰ সিংহ (১৭৫১-১৭৬৯) ই ১৭৫২ খৃঃত নিৰ্মাণ কৰাইছিল। একে সময়তেই মন্দিৰৰ নামনিত সমতলত পুখুৰীটো ন-চুকীয়া। হয়তো মন্দিৰৰ ভিতৰত থকা নটা গ্ৰহৰ অধিপতি দেৱতাসকল ক্ৰমে সূৰ্য, চন্দ্ৰ, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু আৰু কেতুৰ প্ৰতীক স্বৰূপে পুখুৰীটো ন-চুকীয়া কৰা হৈছিল। প্ৰাচীন পুখুৰীটোৰ আকাৰ আৰু চুকবোৰ লোপ পাই এতিয়া মাথোঁ তাৰ ক্ষুদ্ৰ আয়তনৰ অৱশেষহে ৰৈ আছে। 'ডিমৰুৱা ৰজাৰ গৰিমা' নামৰ গ্ৰন্থত উল্লেখ মতে - এই শিলপুখুৰীক কাৰ্বিসকলৰ এটা ৰাজবংশই নিজৰ অধীনৰ চুণপুখুৰী বুলি অভিহিত কৰা পোৱা গৈছে। অসম আৰু মেঘালয়ৰ সীমান্তৱৰ্তী মৰকদোলা নামৰ প্ৰাচীন প্ৰসিদ্ধ ঠাইখনত বাস কৰা এই ৰাজপৰিয়ালৰ মতে তেওঁলোকৰ পূৰ্বপুৰুষসকল গুৱাকুছি বা কুৱাঞ্চি অঞ্চলৰ ৰজা আছিল। কাৰ্বিসকলৰ ভাষাত কুৱেক্ মানে তামোল আৰু অসমীয়াত গুৱা হোৱাৰ বাবে তেওঁলোকক কুৱাঞ্চি বা গুৱাকুছিৰ ৰজা বুলি কৈছিল। বৃটিছসকল গুৱাহাটীত বসবাস কৰিবলৈ ধৰিলত কুৱাঞ্চি ৰজাক প্ৰজা সহিতে তাৰ পৰা স্থানচ্যুত কৰি খেদি পঠিয়ায়। ৰজাই ৰাজ্য হেৰুৱাই নতুন আশ্ৰয়স্থানলৈ দোলাত আহি থাকোতে দুঃখ আৰু শোকতে দোলাতে মৃত্যুবৰণ কৰা বাবে সেই ঠাইখনৰ নাম 'মৰক দোলা' হৈছিল। তেওঁলোকৰ মতে গুৱাকুছি ৰজাৰ ৰাজধানী গুৱাহাটীৰ শিলপুখুৰীৰ পৰা দীঘলীপুখুৰীলৈ আছিল। এই ৰাজ পৰিয়ালে শিলপুখুৰীক চূণ পুখুৰী হিচাপে ব্যৱহাৰ কৰিছিল।

তদুপৰি প্ৰাচীন কুৱাঞ্চি বা গুৱাকুছি ৰাজ্যৰ পৰাই বৰ্তমান গুৱাহাটী নামৰ সৃষ্টি হোৱা বুলিও তেওঁলোকে দাবী কৰে।

‘আসাম বন্ধু’ৰ একাদশ সংখ্যাত অ.বি.ৰ ‘ৰচিত পুৰণি গুৱাহাটী নগৰ’ প্ৰবন্ধত গুৱাহাটীৰ বিৱৰণ দিওঁতে ‘শিলপুখুৰী’ নাম উল্লেখ নাই কিন্তু এই এলেকাৰ পুখুৰীটোক নকোণীয়া পুখুৰী বুলিহে কৈছে। হয়তো সেই সময়ত পুখুৰীটো নকোণীয়া বা নটা চুক বিশিষ্ট আছিল।

প্ৰাচীন গুৱাহাটীৰ আন এটা উল্লেখযোগ্য পুখুৰী হ’ল ভাৰত বিখ্যাত কামাখ্যা মন্দিৰৰ প্ৰখ্যাত সৌভাগ্যকুণ্ড। মন্দিৰৰ উত্তৰফালে দেৱীৰ ক্ৰীড়া-পুস্কৰিণী হিচাপে খ্যাত সৌভাগ্যকুণ্ডটি ইন্দ্ৰাদি দেৱতাৰ দ্বাৰা নিৰ্মাণ কৰা হয় বুলি কয়। জনশ্ৰুতি মতে, প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰে কামাখ্যাদেৱীৰ ৰূপ-লাৱণ্যত মুগ্ধ হৈ বিয়া কৰোৱাৰ প্ৰস্তাৱ দিয়াত দেৱীয়ে এটা চৰ্ত দাঙি ধৰিছিল। ৰজা নৰকাসুৰে কামাখ্যাদেৱীক পাবলৈ হ’লে এৰাতিৰ ভিতৰতে এটা মন্দিৰ, এটা পুখুৰী আৰু মন্দিৰৰ ওপৰলৈ উঠাৰ সুবিধাৰ বাবে শিলৰ খটখটি পথ বান্ধি দিব লাগিব। (বহুতৰ মতে পৰ্বতৰ চাৰিওফালে চাৰিটা শিলৰ খটখটি পথ আৰু এটি জিৰণী ঘৰ)। তাৰ পিছৰ কথা বুৰঞ্জীৰ সকলো পাঠকৰেই অৱগত। কেনেকৈ কামবোৰ শেষ হওঁ হওঁ অৱস্থাত ৰাতি নৌ-পুৱাতেই দেৱীয়ে চক্ৰান্ত কৰি কুকুৰাৰে ডাক দিয়ায় আৰু নৰকৰ মনোবাঞ্চা ব্যৰ্থ কৰে। কামাখ্যা পুখুৰীৰ নিৰ্মাণকৰ্তা নৰক হ’লে ইয়াৰ সময়সীমাও বুৰঞ্জীৰ মতেই নিমাত। আমি জানিবলৈ পোৱামতে পিছত এই সৌভাগ্যকুণ্ড দ্বাৰভাঙ্গা স্নানভোগ আদিত ব্যৱহাৰ কৰা হয়। উল্লেখযোগ্য যে উক্ত মন্দিৰক সামৰি ঋণমোচন কুণ্ড, অমৃতকুণ্ড, চন্দ্ৰাৱতী পুখুৰী (নতুন পুখুৰী) আদি প্ৰাচীন আৰু অতি প্ৰাচীন আঠোটা (৮) কুণ্ড বা পুখুৰী বৰ্তমান দেখা যায়।

নীলাচল কামাখ্যা পাহাৰৰ নামনিত দক্ষিণফালে এটা সময়ত দুৰ্গাসৰোবৰ নামে কামাখ্যাদেৱীয়ে জলক্ৰীড়া কৰা একে সৰোবৰ আছিল। বৰ্তমান এই সৰোবৰৰ চিন স্বৰূপে সৰু পুখুৰীৰ অৱশিষ্টহে আছে বুলি বহুতে ক’ব খোজে। অৱশ্যে এই সৰোবৰৰ নামেৰে ঠাইখনো দুৰ্গাসৰোবৰ বুলি পৰিচিত হোৱা চকুত পৰে। গুৱাহাটীৰ প্ৰাচীন পুখুৰী বা জলাশয় এই দুৰ্গাসৰোবৰ, কালিপুৰ, ভূতনাথ





অঞ্চলত (ভৰলুমুখৰ পৰা জালুকবাৰী অভিমুখে আগবাঢ়িলে) ৰাষ্ট্ৰীয় পথৰ বাওঁফালে পৰে। প্ৰায় ৩০০ বছৰ আগেয়ে কামাখ্যা পাহাৰৰ সংলগ্নকৈ পুবা-পশ্চিমাকৈ থকা পুখুৰী দুটা স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত খান্দি-মেলি চাফ চিকুণকৈ যতনাই লোৱা হৈছিল। কামাখ্যা দৰ্শন কৰাৰ লগতে অন্যান্য ৰাজনৈতিক কাৰ্যৰ বাবে স্বৰ্গদেৱে এই ঠাইত ছ মাহ কাল আছিল। ইয়াৰ এটা পুখুৰীৰে ৰজা-ৰাণীয়ে স্নান-পান কৰিবলৈ ব্যৱহাৰ কৰা পুখুৰীটো পোত খাই বাম হ’ল। পুখুৰীৰ মাটিতেই সত্ৰ এখনো নিৰ্মাণ হোৱাৰ লগতে প্ৰায়বোৰ ঠায়েই বেদখলকাৰীয়ে ঘৰ-দুৱাৰ সাজি পুখুৰীৰ চিন-মোকাম নাইকিয়া কৰিছে। আনহাতে ভগৱতী আইক স্নান কৰোৱাৰ বাবে ব্যৱহৃত পুখুৰীটো কামাখ্যা মন্দিৰৰ কোনো পাণ্ডাৰ ব্যক্তিগত সম্পত্তিত পৰিণত হোৱা বুলি শুনা গৈছে। প্ৰশাসনে অলপ যত্ন কৰিলে ৰুদ্ৰসিংহৰ সময়ৰ পুখুৰী দুটা উদ্ধাৰ কৰি ঠাইখনৰ সৌন্দৰ্যবৰ্ধনৰ লগতে ইতিহাস ৰক্ষা কৰিব পাৰে।

বহু কিম্বদন্তি, জনশ্ৰুতি আৰু অৱশিষ্ট পুখুৰীৰে এতিয়াও গুৱাহাটী পূৰ্ণ। বৰ্তমান চিৰিয়াখানা পথৰ কমাৰ্চ কলেজৰ গাতে এটা পুখুৰী থকাৰ প্ৰমাণ আছে। এক জনশ্ৰুতি মতে, স্বৰ্গদেউ গদাধৰ সিংহৰ বায়েক বাউলী গাভৰু (নামনি অসমৰ বৰফুকন বন্দৰ বৰফুকনৰ পত্নী) গড়গাঁও অভিমুখে নাৱেৰে যোৱাৰ পথত গুৱাহাটী এৰাৰ লগে লগে মূৰ্চ্চা গৈ (পাৰিবাৰিক কাৰণত) মৃত্যু মুখত পৰে। শেষত বৰফুকননীৰ মৈদামৰ বাবে মাটি তোলোতে উক্ত পুখুৰীৰ সৃষ্টি হৈছিল। এই বাউলী গাভৰুৰ মৈদামৰ বাবেই এই ঠাইখনো বাউলী মৈদাম হৈ শেষত বামুণীমৈদাম হিচাপে জনাজাত হৈ পৰিল বুলি কোৱা শুনা যায়। সেইদৰে পল্টন বজাৰৰ (অভাৰ ব্ৰীজৰ এমূৰত) ৰেল লাইনৰ দাঁতিত এটি সৰু পুখুৰী দেখা বহু বৃদ্ধলোক গুৱাহাটীত এতিয়াও আছে। সেই পুখুৰীৰ মৃত্যু ঘটাত তাত অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয় স্থাপন কৰা হৈছে।

গুৱাহাটীৰ বিভিন্ন প্ৰান্তত পাহাৰ, নৈ-নিজৰাৰ দাঁতিত দেৱ-দেৱীৰ শিলামূৰ্তি, শিলাখণ্ড থকাৰ দৰে বেলতলা-দিচপুৰ এলেকাৰ গণেশৰ শিলাখণ্ড তথা ভাস্কৰ্য উল্লেখনীয়। বেলতলাৰ গণেশৰ সম্পৰ্কে ‘কামৰূপ বুৰঞ্জী’ত এনেদৰে উল্লেখ আছে- *“আৰু বেলতলা মৌজাখনিৰ চাৰিও দুৱাৰে গণেশ আছে।*

*গণেশগুৰিয়ে পৰিচয় একোটি নিজৰা অৰ্থাৎ নদী। সি সকলো তীৰ্থ।"*

বৰ্তমান দিচপুৰ গণেশগুৰিৰ গণেশ মন্দিৰৰ নৈ-নিজৰা সময়ত লুপ্ত হৈ গ'ল। কিন্তু গুৱাহাটী মহানগৰীত প্ৰাপ্ত এখন শিলালেখত ১৪৯৯ শকত ৰজা হেৰম্বধিপতি দুনুন্তৰাই প্ৰাগজ্যোতিষ নগৰত গণেশৰ মূৰ্তি স্থাপন কৰি এটা পুখুৰী খন্দা বুলি সংস্কৃত ভাষাত লিখাই থৈছে-

*স্বস্তি শ্ৰীহৰ গৌৰী পদাৰবিন্দ মকৰন্দ তুন্দিলানন্দ সন্দোহান্দোলিত-ৰিতত বিস্তীৰ্ণ পূৰ্ণানন্দ-সানন্দ-সতত-বিদ্যা-বিদ্যোতিত-কীৰ্তিপ্ৰকাৰ-মহাদান-সন্তান-শ্ৰীশ্ৰী হেড়ম্বাধিপতি*

*দুনুন্তৰাই-মহোগ্ৰ-প্ৰতাপ-চৰিত্ৰ ৰিচিতত্ৰেণ*

*মহাৰিদ্যা-বৰেণ প্ৰাগজ্যোতিষপুৰান্তৰ্গত প্ৰকাৰ*

*ৰেষ্টিত-সাৰ্থ-সমগ্ৰ-গণেশৰ-চিহ্নিত-পুষ্কৰিণী*

*বিপ্ৰখানি চতুৰ্দশ-শতাধিক-নৱনৱতি শকাব্দে।।* ১৪৯৯।।

বৰ্তমান অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত উক্ত শিলালিপিখন হেড়ম্বাধিপতি দুনুন্তৰাই ১৪৯৯ শক অৰ্থাৎ ১৫৭৭ খৃষ্টাব্দত কটাইছিল। বহুতে দুনুন্তৰাক বেলতলাৰ ৰজা, গণেশৰ মূৰ্তিটো বৰ্তমান দিচপুৰৰ গণেশমন্দিৰ আৰু পুখুৰীটো গোপাল বড়ো চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদৰ ৰজাদিনীয়া নাককাটি পুখুৰীটো বুলি অনুমান কৰে। স্থানীয় বয়োবৃদ্ধ লোকে দাঙি ধৰা তথ্যমতে বৰ্তমান গোপাল বড়ো চৰকাৰী বিদ্যালয়ৰ চৌহদত অন্তৰ্ভূক্ত বন-মেটেকাৰে বাম হৈ পৰা পুৰণিকলীয়া পুখুৰীটো নাগপুতি সজা পুখুৰী আছিল। জনসাধাৰণৰ মুখত নাগপোতা নামটি অপভ্ৰংশ হৈ নাককাটি পুখুৰী হয়গৈ। ইয়াৰ দাঁতিত প্ৰাচীন কালত থানঘৰ আছিল। দিচপুৰ গাঁৱৰ বড়োসমাজে নাককাটি পুখুৰীৰ পাৰত অৱস্থিত থানঘৰত 'লাংগামাৰা পূজা' / বাথৌ পূজা পাতিছিল। বৰ্তমান নিঃশেষ হ'বলৈ আগবঢ়া পুখুৰীটো ৪০/৫০ ফুট গভীৰ আছিল। জনশ্ৰুতিমতে তাৰ পাৰৰ আমগছ এজোপাত শিকলি বন্ধা আছিল। দুখীয়া জনসাধাৰণে একান্ত ভক্তিৰে চাকি-বন্তি জ্বলাই সেই শিকলি চুই কোনো সম্পদৰ ইচ্ছা প্ৰকাশ কৰিলে সোণৰ নাও এখন উঠি আহি বিচৰাজনৰ মনোবাঞ্ছা পূৰণ কৰে। এবাৰ কোনোবাই এনে সম্পদ ঘূৰাই নিদিয়াত নাওখন ঝৌঝৌওৱা পুলেৰে উটি গৈ শিল সাঁকো





বিলত সোমাই পৰে বুলি বিশ্বাস কৰে। গণেশগুৰিৰ দিচপুৰ-কাহিলিপাৰা পথৰ কাষত এটা পুখুৰীৰ অৱস্থিতি বহুতে দেখিছিল বুলি স্থানীয় লোকে কয়। আমি তথ্য সংগ্ৰহত লাভ কৰা অনুসৰি দিচপুৰ গণেশগুৰিৰ গণেশ মন্দিৰৰ পূজা-পাৰ্বণত ব্যৱহাৰৰ বাবে মন্দিৰৰ নাতিদূৰৈত (দক্ষিণ-পূব দিশত) এটা পুখুৰী আছিল। ইয়াৰ দীঘলে-পুতলে সমান আৰু পুৰণি ইটাৰে সজা খটখটি যুক্ত। কিন্তু 'গ্ৰামস্য ৰাজা মণ্ডল, তস্যমন্ত্ৰী গাওঁবুঢ়া' আপ্তবাক্যৰ উপায়েৰে গণেশ মন্দিৰৰ পুখুৰীটো কালিৰাম নামৰ মণ্ডল (কালিৰাম মণ্ডল)[১] এগৰাকীৰ অধীনত যায়। উল্লেখযোগ্য যে অগ্ৰদূত কাৰ্যালয় আৰু নিউৰ'জিকেল ৰিচাৰ্চ কেন্দ্ৰৰ বিপৰীত দিশে দিচপুৰ কাহিলিপাৰাৰ পথৰ কাষতে এই পুখুৰীৰ অৱস্থান আছিল। পুখুৰীটো বেলতলা ৰজাই সজাই দিয়া বুলি কোৱা হয়। আনহাতে গণেশগুৰিৰ গণেশ মন্দিৰৰ লগতে আন এটা ডাঙৰ শিলেৰে নিৰ্মিত প্ৰায় ৬০ ফুটমান গভীৰ কুণ্ড বা কুঁৱা আছিল। জনসাধাৰণৰ বিশ্বাস অনুসৰি কামাখ্যাৰ মূল গৰ্ভগৃহৰ পূজাৰ ফুল-পাত সুৰঙ্গেৰে আহি এই কুঁৱাত পৰিছিল। কিন্তু কিবা এক অজান কাৰণত এই কুঁৱাটো বন্ধ কৰি দিয়া হয়।[২]

১। *কালিৰাম পুত্ৰহীন, সংসাৰত একেজনী কন্যা কেৰামতী। লখৰা শেনমেলাৰ ফটিক কোঁচ তেখেতৰ ঘৰজোঁৱাই হৈছিল। ফটিক কোঁচৰ কন্যা নাদুকী আৰু তৰুণ। নাদুকীক শৰণীয়া পাহাৰৰ কাষলৈ বিয়া দিয়াৰ পিছত স্বামী নানুৰ লগত পিতৃগৃহলৈ আহি পিতাকে দান কৰা মাটিত ঘৰ সাজি থাকিবলৈ লয়। সময়ত এই পুখুৰীটো পোতা পুখুৰী হ'লেও বৰ্তমান নাদুকীৰ চোতালতে এই গণেশ মন্দিৰৰ পুখুৰীটোৰ চিহ্ন কিছু পৰিমাণে জিলিকি থকা চকুত পৰে। গণেশগুৰি দিচপুৰ অঞ্চলৰ ৰামচৰণ বড়ো (৮৪ বছৰ) ৰ মুখেৰে শুনা উক্ত তথ্যখিনি যথাযথভাৱে দাঙি ধৰা হ'ল। শ্ৰদ্ধেয় বড়ো ডাঙৰীয়াই ১২/১৩ বছৰীয়া থাকোতে এই পুখুৰীৰ পানীৰ ব্যৱহাৰ দেখিছিল।*

২। *কাৰণটো হ'ল পূজাৰী দেউৰী মহেশ্বৰ ভৰালীৰ পুত্ৰ মদনৰ মৃত্যু তথা নাদুকীৰ দুইজন পুত্ৰৰ বৃটিছৰ গাড়ীয়ে জটিয়া ৰাজপথত খুন্দিওৱাৰ ফলত হোৱা মৃত্যু। এই দুই অপঘটনাৰ কাৰণ হিচাপে কোনোবাই কুৱাঁটোক নিৰ্দিষ্ট কৰাত অন্ধ বিশ্বাসৰ বশৱৰ্তী হৈ কুঁৱাটো একেবাৰে বন্ধ কৰি দিয়া হয়।*

গুৱাহাটী চচলৰ ওচৰত টেপৰ বিল, টেপৰ বিলৰ পিছপিনে সেনা বাহিনীৰ কুঠি (Army Camp)ৰ ওচৰত শিলসাঁকো বিল আছে। তাৰ পিচতেই নাৰেংগী-বীৰকুছি অঞ্চলৰ দামাল বিল। এনেদৰে সংলগ্ন হৈ থকা জলাশয়েৰে দামাল বিলত জমা হোৱা পানীৰাশি চপাইদাং গাঁও হৈ ব্ৰহ্মপুত্ৰত মিলিছে। গুৱাহাটী ৰিফাইনেৰীৰ (নুনমাটি) চেক্টৰ-১ক কেন্দ্ৰীয় বিদ্যালয়ৰ কাষতে এটা পুৰণি পুখুৰী দেখা যায়। কিন্তু এই পুখুৰী খন্দোৱা সময় আদি একো জনা নাযায়। বৰ্তমান কালত মানুহে যধে-মধে খাল-বিল পুতি ঘৰ-দুৱাৰ সজোৱাত এই স্থায়ী জলাশয়বোৰ বন্ধ হৈ যোৱাত এধমক বা এজাক ডাঙৰ বৰষুণতে দিচপুৰ এলেকা বানৰ গৰাহত পৰা হ'ল।

'আসাম বন্ধু'ত প্ৰকাশিত প্ৰবন্ধ 'পুৰণি গুৱাহাটী নগৰ'ত দুটা পুখুৰীৰ কথা কোৱা হৈছে- *"ভড়লুমুখৰ পৰা এতিয়াৰ কেঁয়াপটি পৰ্যন্ত লুইতৰ দাঁতিৰ আলীৰ পূবে এটা খাল আছিল। এই খালত শালখুটা পেলোৱা আছিল।"*আকৌ *"বৰফুকনৰ টোলৰ পূবে নদীৰ কোষৰত আৰু তাৰ ওপৰৰ ওখ ঠাইত যি ঠাইত এতিয়া কমাৰপট্টীৰ পুখুৰী আছে সেই ঠাইতে বাৰী আছিল"*বুলি কমাৰপট্টীৰ পুখুৰীৰ নাম লৈছে। উক্ত পুথিত ন-কোণীয়া পুখুৰীৰ বাদেও উগ্ৰতাৰাৰ পুখুৰী, দীঘলীপুখুৰী, কমাৰৰ পুখুৰী, লাখটকীয়াৰ পুখুৰী, ক্ষাৰবটা বা মজুমদাৰৰ পুখুৰী কেইটাক প্ৰধান জলাশয় বুলি কৈছে। ৰজাঘৰীয়া ইটা তৈয়াৰ কৰাৰ কাষতে থকা পুখুৰীটোক ইটা পুখুৰী বুলি কৈছে। ইটাপুখুৰীৰ পৰা অলপ ভাটীত দুৰ্গাসৰোবৰ আছিল বুলিছে। উক্ত প্ৰবন্ধত সংশোধিত বিৱৰণত কমাৰপট্টীৰ পুখুৰীটোৰ আন এটা নাম গেগোৱা পুখুৰী বুলি কৈছে।

এনেধৰণৰ বহু পুখুৰী বৃটিছসকলেই পুতি বাসস্থান কৰি তুলিছিল। আনকি পুখুৰী পুতিবৰ বাবে বিষয়া আৰু কৰ্মচাৰীও নিযুক্ত কৰিছিল। 'সদৰামীনৰ আত্মজীৱনী'ত আছে- *"জাহাজত গোহাটী যাই শ্ৰীকেম্বল সাহেব সহিত 'মুনচিপলৰ' (মিউনিচিপেলৰ) কমিটি কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ পুখুৰী পোতা ৰায় দিওঁ। ও কলৰ দ্বাৰা পানী তোলিবৰ ৰায় নিছো।"*(১৮৮২/৩ আগষ্ট)।

আন এটা বাক্যত আছে - "*৪ ভাদ- পুখুৰী পোতা খৰচ বাবত ৩০,০০০ ত্ৰিশহাজাৰ টকা খজ্জ কৰা বিষয় শ্ৰীশ্ৰীচীফ কমিচনৰ সাহেবৰ পাশ পাঠনি*





*চিঠি দস্তখত কৰা যায়। উক্ত গ্ৰন্থতেই 'ইটাখুলী পুখুৰী'ৰো* নাম পোৱা যায়।

আনহাতে, বৰ্তমান লতাশিল পথাৰত হেনো পূৰ্বতে এটা পুখুৰী আছিল। পুখুৰী পুতি পিছত খেলমাটি (খেলপথাৰ) কৰা হয়। ডঃ প্ৰফুল্ল দত্ত গোস্বামীয়ে 'মাণিক চন্দ্ৰ বৰুৱা' নামৰ জীৱনী গ্ৰন্থত উল্লেখ কৰা মতে '*'প্ৰথমতে উজানবজাৰৰ বজাৰ বহিছিল লতাশিল খেল পথাৰত থকা এটা ডাঙৰ পুখুৰীৰ পাৰত। বৰ্তমান বজাৰ বহা খোলা তেতিয়া ওখ টিলা। এই টিলাৰ মাটি কাটি নি লতাশিলৰ পুখুৰীটো মৰা হয় আৰু তাত এখন খেলপথাৰৰ সৃষ্টি হয় লগতে বজাৰৰ কাৰণে সমান ঠাই এডোখৰো ওলায়। এই লতাশিল খেলমাটিতে অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিৱেশন ১৯২০ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত বহিছিল। এই পথাৰখনেই এটা সময়ৰ 'য়ুনিয়ন ফিল্ড' আৰু আধুনিক বিহুতলী হিচাপে পোন প্ৰথম মঞ্চত বিহু তোলাৰ অভিলেখো এই খেলমাটিতেই স্থাপন হৈছিল।"*

ভৰলুমুখ অঞ্চলতো দেশভক্ত তৰুণৰাম ফুকন উদ্যানৰ পূবফালে থকা সৰু পুখুৰী (হলিৰাম ঢেকিয়াল ফুকনে খন্দোৱা), কালিপুৰ আশ্ৰমৰ পুখুৰী, সোণাৰাম ফিল্ডৰ দাঁতিৰ পুখুৰী, ফটাশিলৰ পুখুৰীপাৰৰ পুখুৰী, হেঙেৰাবাৰীৰ প্ৰাচীন টেপৰ বিল, কাহিলিপাৰাৰ দুটিমান প্ৰাচীন পুখুৰী আৰু জলাশয়, ৰূপনগৰৰ মুক্তি যুজাৰু ভৱনৰ সন্মুখৰ পুখুৰী, বিৰুবাৰীৰ আৰ্য্য বিদ্যাপীঠ কলেজৰ খেল পথাৰৰ গাতে লাগি থকা পুখুৰী আদি বহু সৰু-বৰ পুখুৰী এতিয়াও জিলিকি আছে। এনে বহুত পুখুৰীৰ লগত বিভিন্ন ঐতিহাসিক ঘটনাও জড়িত হৈ থকাৰ জনশ্ৰুতি শুনা যায়। নৱগ্ৰহ পাহাৰৰ ওপৰত 'শকুন্তলা পুখুৰী' নামৰ আন এটা পুখুৰীও চকুত পৰে।

অসম বিখ্যাত চান্দ-সদাগৰৰ লোককাহিনীয়ে দক্ষিণ কামৰূপৰ ছয়গাঁও অঞ্চলক প্ৰসিদ্ধ কৰিছে। কাৰণ চান্দ-সদাগৰৰ মেৰঘৰ নাইবা বেউলা-লক্ষীন্দাৰ কাহিনী ছয়গাঁৱৰে এক লোকসম্পদ। কিন্তু প্ৰাচীন গুৱাহাটীৰ পাহাৰ-পৰ্বত, নৈ-নিজৰাও চান্দ-সদাগৰৰ কাহিনীক প্ৰতিনিধিত্ব কৰিবলৈ বিচাৰে। জনশ্ৰুতি অনুসৰি চান্দসদাগৰৰ নাওবোৰ দক্ষিণ গুৱাহাটীৰ লখৰাৰ কাষৰ সাউদকুছিত বান্ধিছিল। এই সাউদকুছিয়েই বৰ্তমান প্ৰসিদ্ধ সাউকুছি অঞ্চল বুলি যুক্তি শুনা যায়। মনসাদেৱীৰ শাপত চান্দ সদাগৰৰ ছয়খন ডিঙা সাউদৰ ঘাট পোৱাৰ কিছু

আগে আগেই ডুবিবলৈ আৰম্ভ কৰিচিল। এখন এখনকৈ ছয় ডিঙা ডুবি যোৱাৰ পিছত একোটা টিলা হৈ গৈছিল। এই ডিঙা ডুবা টিলাকেইটা ক্ৰমে কাহিলিপাৰাৰ দামপুৰ টিলা, সিজুবাৰীৰ মাঝাৰৰ টিলা, মটৰীয়া পাহাৰৰ টিলা, চচলৰ ওচৰত এটা টিলা, টেপৰ বিলৰ মাজত থকা শিলিখা পাহাৰৰ টিলা বুলি কোৱা হয়। চান্দ সদাগৰৰ নৌকাই আজাৰ-গড়চুক হৈ আহি সাউকুছিত ডাঙৰ নাও সাজু কৰি কেঙ্কোৱা সাগৰত সোমাইছিল। গুৱাহাটীৰ উক্ত টিলাবোৰ থকা ঠাইবোৰ কেঙ্কোৱা সাগৰৰ অংশ আছিল। গুৱাহাটীৰ দক্ষিণ-পশ্চিম দিশত অৱস্থিত ফটাশিল-আমবাৰী-ধীৰেণপাৰা আদি ঠাইত পুৰণি জলাশয় থাকিলেও সেইবোৰ পুতি নাইকিয়া কৰা হৈছে। কে.চি. দাস কৰ্মাচ মহাবিদ্যালয় সংলগ্ন এলেকাটো প্ৰাচীন জলাশয়ৰে পূৰ্ণ আছিল। বৰ্তমানৰ ফটাশিল-আমবাৰী পথত বজাৰৰ সোঁপিনে থকা পুখুৰীটো বেছি পুৰণি নহয়। অৱশ্যে গণেশপাৰা নামৰ ঠাইখনত অৱস্থিত পুৰণি গণেশমন্দিৰৰ লগতে এটা প্ৰাচীন কুণ্ড আছে। মন্দিৰৰ ব্যৱহাৰৰ লগতে এলেকাটোৰ আয়তীসকলে বিয়া-সবাহ আদিত পানী তুলিবলৈ এই গণেশকুণ্ডৰ পানী পৱিত্ৰভাৱে গ্ৰহণ কৰি আহিছে।

একেদৰে দীপৰ বিলৰ কাষৰ এটা মন্দিৰত থকা নিজৰাকুণ্ডৰ কুলকুল ধ্বনিয়ে পৱিত্ৰ পৰিৱেশৰ সৃষ্টি কৰে। ইয়াত শিলৰ ফাঁকে ফাঁকে চাকি জ্বলায়, টিলিঙা আঁৰি দিয়ে। ইয়াৰ নৈসৰ্গিক শোভাই পৰ্যটকৰ মন টানি ধৰে।

ৰূপনগৰৰ মুক্তি যুঁজাৰু ভৱনৰ সন্মুখৰ পুৰণি পুখুৰীটো সেৱাশ্ৰমৰ পুখুৰী বুলি জনা যায়। ৰূপনগৰৰ লাট গাওঁবুঢ়া ধনেশ্বৰ বসুমতাৰীয়ে কোৱামতে তেওঁলোকৰ দেউতাকহঁতৰ লৰালি কালছোৱাত ৰাইজে এই পুখুৰীৰ পানী খোৱা-লোৱাত  ব্যৱহাৰ কৰিছিল। তেখেতে অনুমান কৰা মতে এই পুখুৰীটো ডেৰ-দুশ বছৰ পুৰণি হ'ব পাৰে। বৰ্তমান অসম চৰকাৰৰ ফিছফেডে এই পুখুৰীটো গ্ৰহণ কৰি মাছ পোহাৰ বাবে বৰ্তমান ৰাইজে ফিছফেডৰ পুখুৰী বুলিহে আখ্যা দিয়ে। শ্ৰদ্ধেয় বসুমতাৰীয়ে উল্লেখ কৰা মতে বৰ্তমানৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ কাষত বহুকেইটা পুখুৰী জলাশয় আছিল। আনকি ৰূপনগৰ আৰু আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ কাষেৰে বৈ যোৱা ভৰলু নদীখনত এটা সময়ত সাধাৰণ গাঁওবাসীৰ লগতে মাছমৰীয়া সকলেও জালেৰে মাছ ধৰি বিক্ৰী কৰি





পেট প্ৰৱৰ্তোৱা শ্ৰদ্ধেয় গাওঁবুঢ়া ডাঙৰীয়াই ল'ৰালি কালত দেখিছিল। তেখেতে কোৱামতে বৰ্তমানৰ ৰূপনগৰ গাঁওখনৰ পূৰ্বৰ নাম কালাপাহাৰ আছিল আৰু বড়ো সম্প্ৰদায়ৰ খেতিয়কৰ গাঁও আছিল। এবাৰ এটা খবৰ আহিল যে কালাপাহাৰ অঞ্চলত মেডিকেল কলেজ হাস্পাতাল নিৰ্মাণ কৰা হ'ব আৰু কালাপাহাৰবাসী ৰাইজক তাৰ পৰা নাৰেংগী নাইবা দীপৰ বিলৰ পাৰৰ কোনো অংশলৈ স্থানান্তৰিত কৰা হ'ব। নদন-বদন গাঁওখন এৰিব লগা হোৱাৰ চিন্তাত গাঁওবাসীৰ মুখৰ মাত হৰিল। ৰাইজে সেই সময়ত অসম চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী ৰূপনাথ ব্ৰহ্মক ৰূপনগৰবাসীয়ে লগ ধৰি সকলো জনালে। মন্ত্ৰী ব্ৰহ্ম ডাঙৰীয়াই কালাপাহাৰ গাঁওখন পৰিদৰ্শন কৰি ৰাইজক আশ্বাস দিলে যদিও সুফল নোপোৱাত কিছুদিন পিছত ৰাইজৰ এটা সজাতি দল শ্বিলঙলৈ গৈ পুনৰ এখন দৰ্খাস্ত দাখিল কৰিছিল। অৱশেষত খবৰ আহিল কালাপাহাৰত মেডিকেল কলেজ নহয়। ভঙাগড় সামৰি নৰকাসুৰ পাহাৰৰ তলে-ওপৰেহে মেডিকেল কলেজৰ স্থান নিৰ্ধাৰণ কৰা হ'ল। এনে খবৰে কালাপাহাৰ গাঁওবাসীক ইমানেই আত্মহাৰা কৰি তুলিলে যে মন্ত্ৰীজনালৈ সন্মান জনাই কালাপাহাৰ গাঁওখনৰ নাম ৰূপনগৰ নামেৰে নামাকৰণ কৰা হ'ল।

গুৱাহাটীৰ পশ্চিম অংশত কেবাটাও পুৰণি পুখুৰীয়ে এতিয়াও অতীতৰ স্মৃতি সাৱটি বৈ আছে। এনে এটা পুখুৰী হ'ল মালিগাঁও ৰেলৱে ষ্টেডিয়ামৰ কাষৰ ৰংভৱনৰ সমুখৰ পুখুৰী। প্ৰায় ১০/১২ বিঘা মাটিৰে আৱৰি থকা পুৰণি পুখুৰীটো ২০০২ চনত Aquatic Park নামেৰে নামকৰণ কৰা হৈছে। গুৱাহাটীৰ পশ্চিম অংশৰ প্ৰায়বোৰ মাংগলিক কাৰ্য এই বিশাল পুখুৰীটোত কৰাৰ কথা স্থানীয় ৰাইজে কয়। ১৯৫০ চনৰ পিছত তৰুণ ৰাম ফুকনে এই পুখুৰীটো ৰক্ষা কৰিবলৈ চেষ্টা চলোৱাৰ বাবে বহুতে তৰুণৰাম ফুকনৰ পুখুৰী বুলি অভিহিত কৰে। ইয়াৰ কাষতে তৰুণৰাম ফুকনৰ নামেৰে হিন্দী বিদ্যাপীঠ এখন পতা হৈছে।

কামাখ্যা ষ্টেচনৰ পিছফালে কেন্দ্ৰীয় বিদ্যালয়ৰ সমুখত ১০/১৫ বিঘা মাটিৰে যি বিশাল জলাশয় আছে, সেই জলাশয় বৰ্তমান ৰেলৱেৰ অধীনত সুন্দৰকৈ বেৰিকুৰি ৰখা হৈছে যদিও পানীৰ পৰিৱৰ্তে মেটেকাই সমগ্ৰ ঠাই জুৰি

আছে। ৰেলৰে বিভাগে এই ঠাইখন চাফ-চিকুণ কৰি বিশাল পুখুৰীৰ ৰূপ দিব পাৰিলে ৰেলনগৰীখনৰ এক নতুন সৌন্দৰ্য প্ৰাণ পাই উঠিব পাৰে। মালিগাঁওখনো পুৰণি কালত বৰিপাৰা ফিল্ড, আছাম ৰেলৰে ফিল্ড আদি নামেৰে খ্যাত আছিল। ব্ৰহ্মপুত্ৰৰ গাতে লাগি থাকিলেও বৃহত্তৰ পাণ্ডু অঞ্চলটোত কেবাটাও পুৰণি পুখুৰী আছিল। কামাখ্যা-নীলাচল পাহাৰৰ পশ্চিম দিশত পাণ্ডু কলেজ নাপাওঁতে এটা ঐতিহাসিক পুখুৰী আছে- গোন্ধোৰা পুখুৰী। এই পুখুৰীৰ পানীৰ বৰণ ৰঙা। স্থানীয় পুৰণি চামৰ মতে দেৱী কামাখ্যাৰ বলি-বিধানৰ পেলনীয়া সামগ্ৰীসমূহ এই পুখুৰীত ডুবাই পেলোৱা হৈছিল বুলি গোন্ধোৰা পুখুৰী নাম।

পাণ্ডুৰ ফায়াৰ ব্ৰিগেড কাৰ্যালয়ৰ কাষত তিনি পুখুৰী খ্যাত তিনিটা পুখুৰী একেলগে আছে। পিছলৈ ব্ৰহ্মপুত্ৰৰ পৰা পানী আনি এই পুখুৰীত জমা কৰি তাৰ পৰা ওপৰৰ বিষ্ণু মন্দিৰৰ কাষৰ টেংকীলৈ প্ৰেৰণ কৰা হয়। এই টেংকীৰ পৰাই পাণ্ডু ৰেলৰে কলনিবাসী ৰাইজে খোৱা পানী লাভ কৰে।

আনপিনে অসম ইঞ্জিনীয়াৰিং কলেজৰ লগতে লাগি থকা পুখুৰী পিছত খান্দি লোৱা পুখুৰী হ'লেও পুৰণি চামৰ মতে কলেজৰ লগত লাগি থকা পাহাৰৰ ওপৰত (চক্ৰশিলা পাহাৰ) এটা দেও লগা সৰু পুখুৰী আছে। এই পুখুৰীৰ পানী নুশুকায়। জনশ্ৰুতি অনুসৰি ইয়াত এহাল আচৰিত ধৰণৰ মাছ আছে যাৰ বাবে পুখুৰীটোক দেউলগা বুলি কোৱা হয়।

তদুপৰি জালুকবাৰী-খানাপাৰা ৰাষ্ট্ৰীয় পথেৰে আগবাঢ়িলে তেতেলীয়া এল.পি স্কুলৰ সমুখত এটা পুৰণি পুখুৰী আছিল। কিন্তু ৰাষ্ট্ৰীয়পথ নিৰ্মাণৰ সময়ত এই পুখুৰী পুতি পথ কৰিব লগা হয়। গতিকে পুৰণি পুখুৰীৰ ক্ষুদ্ৰ অংশ এটা স্কুলৰ পিনে ৰৈ থাকিল। অধিকাংশ ৰাজপথত চামিল হ'ল। ইয়াৰ ফলস্বৰূপে সেই স্থানত বৰ্তমান সময়তো ৰাজপথত পানী উপচি থকা অৱস্থা এটা দেখা পোৱা যায়।

তেতেলীয়াৰ কাষৰ পদুমবৰী নামৰ ঠাইখনতো এটা পুৰণি পুখুৰী আছিল। য'ত বাৰমাহে পদুম ফুলে জকমকাই ফুলি আছিল। কিন্তু সময়ৰ কৰাল গ্ৰাসত পৰি তেনেবোৰ ঠাই পুতি সুউচ্চ অট্টালিকা নিৰ্মাণ কৰা হ'ল। তাৰ পুৰণি চাম মানুহে এই পুখুৰী দেখাৰ কথা কয়।





কাহিলিপাৰাৰ চতুৰ্থ বেটেলিয়নৰ কাৰ্যালয়ৰ কাষৰ পাহাৰীয়া ভূমিত ৰংমন ঘূলি পুখুৰী নামেৰে এটা পুৰণি পুখুৰী ৰৈ আছে। স্থানীয় ৰাইজৰ মতে ইয়াৰ পানী শুকাই নাযায়।

একেদৰেই কাহিলিপাৰা-নৰকাসুৰ অঞ্চলৰ ফৰেন্‌চিক বিজ্ঞানাগাৰ কাৰ্যালয়ৰ কাষত দুটা পুৰণি পুখুৰী আছিল। আগৰ চাম ব্যক্তিয়ে কোৱা মতে এই দুই পুখুৰী এটাৰ পানী খোৱা-লোৱা আৰু আনটো গা-পা ধোৱা কাৰ্যত নৰকাসুৰৰ ৰাইজে ব্যৱহাৰ কৰিছিল। লখৰা চাৰিআলিৰ কাষৰ সাউকুছি পুখুৰীপাৰ এল.পি.স্কুলৰ কাষতে আন এটা অতি পুৰণি পুখুৰী দেখা যায়। প্ৰায় ৫/৬ বিঘা মাটিৰ এলেকাৰ পুখুৰীটো প্ৰাচীন কালত ঘৰুৱা ব্যৱহাৰৰ বাবে খন্দোৱা বুলি ৰাইজে ভাবে।

এইবোৰৰ উপৰি অতীত গুৱাহাটীৰ বুকুত বহুসংখ্যক ৰজাদিনীয়া প্ৰাচীন-অপ্ৰাচীন জলাশয়-পুখুৰী আছিল যিবোৰ আজি লুপ্ত। সেইবোৰৰ ইতিহাস উদঘাটন কৰিব পাৰিলে হয়তো কামৰূপ-প্ৰাগজ্যোতিষ-গুৱাহাটীৰ জয়ধ্বজা নতুন বৰণেৰে বৰণীয়া হৈ পৰিলেহেঁতেন। অৱশ্যে দূৰ-অতীতৰ গৌৰৱময় স্মৃতিবোৰ ইতিহাসে ক'ব বিচাৰিলেও তাৰ সত্যতা কিমান কোনে প্ৰমাণ কৰিব? আগ্ৰহেই বা কিমানজনৰ? গতিকে জনা কথাবোৰো আমি পাহৰিবলৈ চেষ্টা কৰি থকাটোৱেই স্বাভাৱিক হৈ পৰিছে। এই প্ৰবন্ধত আচলতে আটাইয়ে জনা সৰু সৰু সাধাৰণ কথা কিছুমানক নতুনকৈ চোৱাৰ চেষ্টা কৰা হৈছে। কিন্তু এনে প্ৰচেষ্টাত গৱেষণাৰ বিপৰীতে জনশ্ৰুতি, কিম্বদন্তী আৰু ভাৱ-প্ৰৱণতাইহে আগস্থান পাইছে। আশাকৰোঁ, ভৱিষ্যত আগ্ৰহশীল ব্যক্তিৰ বৈজ্ঞানিক বিচাৰ-ভংগীৰ পোহৰ পৰিলে, এই বিষয়টোৱে বিন্দুৰ মাজত সিন্ধু হৈ যথেষ্ট পাণ্ডিতিক সমল আগবঢ়াব পাৰিব।

**সহায়ক গ্ৰন্থপঞ্জী**

১। আসাম বন্ধু (১৮৮৫-১৮৮৬), ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ দ্বাৰা সম্পাদিত, একত্ৰ সংকলনৰ সম্পাদক ড° নগেন শইকীয়া, অসম প্ৰকাশন পৰিষদ, প্ৰথম সংস্কৰণ, জুন, ১৯৮৪।



৭৭

২। অৰুণোদইৰ ধলফাট- ড° বিৰিঞ্চিকুমাৰ বৰুৱা, অসম সাহিত্য সভা, ১৯৬৫

৩। সদৰামীনৰ আত্মজীৱনী- কুমুদ চন্দ্ৰ বৰদলৈ,লয়াৰ্ছ বুক ষ্টল,গুৱাহাটী, প্ৰথম সংস্কৰণ, মাৰ্চ, ১৯৯১

৪। ডিমৰুৱা ৰজাৰ গৰিমা - প্ৰতাপচন্দ্ৰ চৌধুৰী, গুৱাহাটী, প্ৰথম সংস্কৰণ, ১৯৯৮।

৫। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে সংগৃহীত তথ্য

**কৃতজ্ঞতা স্বীকাৰ**

১। ড° নবীনচন্দ্ৰ শৰ্মা (বয়স-৭৫), দুৰ্গা সৰোবৰ, গুৱাহাটী

২। স্বৰ্গীয় ৰামচৰণ বড়ো, গণেশগুৰি, গুৱাহাটী

৩। ধনেশ্বৰ (পুতুল) বসুমতাৰী (বয়স-৭০), লাট গাওঁবুঢ়া, ৰূপনগৰ, গুৱাহাটী

৪। মহেন্দ্ৰ ৰংপি (বয়স-৬৫), নৰকাসুৰ, কাহিলিপাৰা, গুৱাহাটী

৫। লীলাধৰ হাজৰিকা (বয়স- ৬০) পদুমবৰী, গুৱাহাটী

৬। সাগৰ পাঠক (বয়স-৩৮), নিউ গুৱাহাটী

৭। পৱিত্ৰ বৈশ্য (বয়স-৩৮), নাথবস্তি, টেম্পলঘাট, পাণ্ডু।

—+—



# গুৱাহাটীত আধ্যাত্মিকতাৰ কেন্দ্ৰ বিন্দু হিচাপে মা কামাখ্যাদেৱীৰ শক্তিপীঠ

**ড° মামণি কলিতা**

'গুৱাহাটী' কামৰূপ জিলাৰ এখনি বিখ্যাত মহানগৰ। গুৱাহাটীৰ এই ইতিহাস অতি প্ৰাচীন। ভৌগোলিক দৃষ্টিকোণৰ পৰা এই অঞ্চলটো সাধাৰণতে তিনিটা প্ৰধান প্ৰাকৃতিক বিভাগ চিনাক্ত কৰা হয়। (ক) হিমালয় পাৰ্বত্য অঞ্চল, (খ) মেঘালয় মালভূমি অঞ্চল আৰু (গ) ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী উপত্যকা অঞ্চল।

জে. পি. ৱেডে An Account of Assam নামৰ ১৭৯৮ চনতে লিখা কিতাপ এখনত তেতিয়াৰ অসমৰ নদ-নদীৰ ভৌগোলিক বিৱৰণ দিবলৈ গৈ কৈছিল, "মই জনা তথ্যপাতি, মোৰ পঢ়া-শুনা আৰু স্মৃতিয়ে যিমান দূৰ ঢুকি পায়, তাৰ ভিত্তিত কওঁ, যে নদ-নদীৰ সংখ্যাৰ ক্ষেত্ৰত এই ৰাজ্যই সমান আকাৰৰ পৃথিৱীৰ সকলো ঠাইকে চেৰ পেলাব।"

মহাভাৰততো কামৰূপ, লৌহিত্য (ব্ৰহ্মপুত্ৰ) আৰু ভগদত্তই হাতীৰ পিঠিত উঠি যুদ্ধ কৰাৰ কথা উল্লেখ আছে। মহাকবি কালিদাসৰ কাব্যিক বৰ্ণনাতো 'ৰঘুবংশম'ৰ চতুৰ্থ সৰ্গত) কামৰূপ, প্ৰাগজ্যোতিষপুৰ, লৌহিত্য আদিৰ কথা

উল্লেখ আছে। আধ্যাত্মিকতাৰ ক্ষেত্ৰ হিচাপেও এই অঞ্চল অতিকে চহকী বুলি ঠাৱৰ আছে।

১৯৭২ খ্ৰিষ্টাব্দত শ্বিলঙৰ পৰা ৰাজধানী পুনৰ গুৱাহাটীলৈ অনা হয়। ১৯৭০ খ্ৰিঃত এক অধ্যাদেশযোগে গুৱাহাটী পৌৰসভাক পৌৰ নিগমলৈ উন্নীত কৰা হয় আৰু লগতে পিছৰ বছৰৰ পৰাই পৌৰ নিগমে কাম আৰম্ভ কৰে। বহু বুৰঞ্জী প্ৰসিদ্ধ ঠাই, যেনে বশিষ্ঠ, বেলতলা, দিছপুৰ, গণেশগুৰি, নুনমাটি, বামুণীমৈদাম, নৱগ্ৰহ, কামাখ্যা, গড়পাণ্ডু, খণ্ডাজান আদিৰ অন্তৰ্ভুক্তিৰে তিনি হাজাৰমান জনসংখ্যাৰে, ২.৯৫ বৰ্গ মাইল আয়তনেৰে গুৱাহাটীৰ আয়তন ২৫৭.৯ বৰ্গ কিলোমিটাৰলৈ বৃদ্ধি হ'ল। বৰ্তমান গুৱাহাটীৰ জনসংখ্যা প্ৰায় বাৰ লাখ (আনুমানিক) আৰু আয়তন প্ৰায় ২১৬ বৰ্গ কিলোমিটাৰ।

পুৰণি মহাকাব্য ৰামায়ণ আৰু মহাভাৰতত অসম তথা প্ৰাগজ্যোতিষপুৰৰ কথা উল্লেখ আছে। ৰামায়ণৰ আদিকাণ্ডৰ মতে অমূৰ্তৰাজ নামে এজন আৰ্য্য ৰজাই প্ৰাগজ্যোতিষপুৰ নগৰ স্থাপন কৰিছিল। ৰামায়ণৰ মতে বৰুণ অঞ্চলৰ বৰাই পৰ্বতৰ দ অঞ্চলত দানৱৰ ৰজা নৰকাসুৰৰ ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ। ইয়াৰ কিছু বিৱৰণ চতুৰ্থ আৰু বাৰ শতিকাৰ শেষৰফালে ৰাজত্ব কৰা পুষ্যবৰ্মণ, শালস্তম্ভ আৰু ব্ৰহ্মপালৰ পৰিয়ালৰ তাম্ৰলিপিত উল্লেখ আছে। এই নগৰৰ প্ৰাচীন মঠ-মন্দিৰ, কীৰ্তিস্তম্ভসমূহৰ ভগ্নাৱশেষ আৰু চাৰিওফালৰ পাহাৰ পৰ্বতত লুকাই আছে হেজাৰ হেজাৰ বছৰৰ পুৰণি ইতিহাস। দক্ষিণৰ নৰকাসুৰ পাহাৰেই একসময়ত নৰকাসুৰৰ ৰাজধানী বুলি জনা যায়। শৰণীয়া পাহাৰৰ পুৰণি নাম হ'ল চিত্ৰকুট। ইয়াতে আছিল কিৰাত ৰজাৰ ৰাজধানী। কোৱা হয় যে বিষ্ণুৰ অনুৰোধত নৰকাসুৰে কিৰাতসকলৰ লগত যুদ্ধ কৰে আৰু কিৰাত ৰজাক বধ কৰি কিৰাতসকলক খেদি পঠিয়ায়। ঘটকাসুৰ আছিল কিৰাতসকলৰ ৰজা যিয়ে নৰকৰ হাতত মৃত্যুবৰণ কৰিব লগা হৈছিল। পিছত নৰকে ৰজা হয়। কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, হৰ-গৌৰী সংবাদ আদি গ্ৰন্থত প্ৰাগজ্যোতিষপুৰৰ ৰজাসকলৰ বিষয়ে উমান পোৱা যায়।

নৰক সম্পৰ্কে কালিকা পুৰাণ আৰু হৰিবংশত ভালদৰে উল্লেখ আছে। প্ৰবাদ মতে নৰক আছিল বিষ্ণুৰ বৰাহ অৱতাৰৰ সময়ত মাতৃ 'পৃথিৱী'ৰ ঔৰসত





জন্ম লাভ কৰা সন্তান। সেয়েহে নৰক 'ভৌম্য' নামেৰে জনাজাত আছিল। পিতৃ বিষ্ণুৰ সহযোগত কিৰাত ৰজা ঘটকাসুৰক হত্যা কৰি নৰক প্ৰাগজ্যোতিষপুৰৰ ৰজা হয় বুলি প্ৰবাদ আছে। নৰকে কিৰাতসকলক খেদি পঠিয়ায়। নৰকে প্ৰাগজ্যোতিষপুৰ তেওঁৰ ৰাজ্যৰ ৰাজধানী কৰে। প্ৰাগজ্যোতিষপুৰৰ ৰজা হোৱাৰ পিছত নৰকে বিদৰ্ভ ৰজাৰ কন্যা মায়াক বিয়া কৰায়। নৰক বিষ্ণুৰ বৰ প্ৰিয় ভক্ত আছিল আৰু সেই অনুসৰি তেওঁ মা কামাখ্যা দেৱীকো অগাধ বিশ্বাস আৰু ভক্তি কৰিছিল। কিন্তু পিছলৈ তেওঁ শোণিতপুৰৰ ৰজা বাণাসুৰৰ কবলত পৰি অত্যাচাৰী হৈ পৰে আৰু মা কামাখ্যা দেৱীৰ ৰূপত মুগ্ধ হৈ তেওঁক বিয়া কৰাব বিচাৰে। পিছত যেতিয়া বিফল হ'ল তেতিয়া তেওঁ খঙত অগ্নিশৰ্মা হৈছিল, আৰু মা কামাখ্যাদেৱীৰ প্ৰতিশোধ লব বিচাৰিছিল। আনকি তেওঁ বশিষ্ঠ মুনিকো মা কামাখ্যাদেৱীৰ পূজা কৰাৰ পৰা বাৰণ কৰিছিল। নৰকৰ অত্যাচাৰ এটা সময়ত ইমানেই বাঢ়িছিল যে তেওঁ বৰুণৰ 'চত্ৰ' আৰু অদিতিৰ কাণফুলি চোৰ কৰা বুলিও প্ৰবাদ আছে। পিছলৈ ভগৱান শ্ৰীকৃষ্ণই তেওঁক হত্যা কৰে আৰু তেওঁৰ পুত্ৰ ভগদত্তক কামৰূপৰ ৰজা পাতে বুলি জনা যায়। বিষ্ণু পুৰাণৰ মতে, তিনিও দিশৰ পৰা ভগদত্তৰ সেনাপতি মুৰুৱে দেশখনক ৰক্ষণাবেক্ষণ দিছিল। ক'ব পাৰি যে প্ৰাগজ্যোতিষপুৰ পাণ্ডৱ সকলৰ কবলত আছিল। তিনিশ আৰু চাৰিশ শতিকাৰ মাজত কামৰূপ, ভাৰত বুৰঞ্জীত এখনি লেখত ল'বলগীয়া ৰাজ্য হিচাপে পৰিগণিত হৈছিল। নৰকৰ উপৰি বাণ নামৰ এজন ৰজাই ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশত শাসন কৰিছিল বুলি প্ৰবাদ আছে। কামৰূপৰ অন্তৰ্গত বহুতো সৰু সৰু ৰাজ্য যেনে মণিপুৰ, কাজলি, ডেভকা, হিড়িম্বা, ত্ৰিপুৰা ইত্যাদি আছিল।

ভাগৱতপুৰাণ, হৰিবংশ আৰু বিষ্ণুপুৰাণত শ্ৰীকৃষ্ণই কিদৰে নৰকক বধ কৰি নৰকৰ পুত্ৰ ভগদত্তক প্ৰাগজ্যোতিষপুৰৰ সিংহাসনত বহুৱাইছিল তাৰ বৰ্ণনা আছে। কালিকা পুৰাণৰ মতে গুৱাহাটীৰ পুৰণি চিত্ৰাচল অঞ্চলত এতিয়াৰ নৱগ্ৰহ মন্দিৰ। এই নৱগ্ৰহ মন্দিৰতে জ্যোতিষ চৰ্চা, সূৰ্য, মংগল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু আৰু কেতু এই ন টা গ্ৰহ পূজা কৰা হয়। এই ন টা গ্ৰহ পূজা কৰিলে গ্ৰহ দোষৰ পৰা উদ্ধাৰ পাব পাৰি বুলি সকলোৱে বিশ্বাস। এই চিত্ৰাচল পাহাৰত সৃষ্টিকৰ্তা ব্ৰহ্মাই পোনতে গ্ৰহ নক্ষত্ৰসমূহ সৃষ্টি কৰিছিল কাৰণে এই দেশখনৰ

নাম প্ৰাগজ্যোতিষপুৰ বুলি কোৱা হয়। ১৭৫২ খ্ৰীষ্টাব্দত নৱগ্ৰহ, মন্দিৰটো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই সজাইছিল বুলি জনা যায়। এই চিত্ৰকুট পাহাৰৰ পূবে কন্বাচল পাহাৰত কন্ব মুনিৰ আশ্ৰম আছিল বুলি জনা যায়। শকুন্তলা ইয়াতে ডাঙৰ-দীঘল হৈছিল বুলি প্ৰবাদ আছে। নৱগ্ৰহত থকা গ্ৰহসমূহৰ ৰং ৰবি আৰু মংগল গ্ৰহৰ ৰক্তবৰ্ণ, চন্দ্ৰ বগা, শুক্ৰ বিচিত্ৰবৰ্ণ শনি কৃষ্ণ, বুধ গোলাপী, বৃহস্পতি হালধীয়া, ৰাহু কৃষ্ণ, কেতু ধোঁৱা বৰণৰ ৰূপত পোৱা যায় বুলি জনা যায়। গতিকে দেখা গ'ল যে মা কামাখ্যা দেৱীৰ মহিমা মণ্ডিত, নৱগ্ৰহৰ উৎপত্তি স্থল-নৰকাসুৰ, ভগদত্ত, কুমাৰ ভাস্কৰ বৰ্মণৰ স্মৃতি বিজড়িত প্ৰাগজ্যোতিষপুৰেই সময়ত গুৱাহাটী হৈ পৰিল।

আধ্যাত্মিকতাক অনুধাৱন নকৰাকৈ মানৱ জাতি জীয়াই থাকিব নোৱাৰে। প্ৰাচীন কামৰূপৰ আধ্যাত্মিকতাৰ মূল কেন্দ্ৰ, ঐতিহ্যৰ ক্ষেত্ৰ হ'ল শক্তিপীঠ নীলাচল। এই শক্তিপীঠ নীলাচল কাৰোবাৰ বাবে তীৰ্থক্ষেত্ৰ, কাৰোবাৰ বাবে ধৰ্মক্ষেত্ৰ আকৌ আন কাৰোবাৰ মতে হ'ল আধ্যাত্মিকতাৰ সাধন কেন্দ্ৰ। অসমীয়াৰ বাবে এয়াই গৌৰৱৰ কথা যে, অসমে দেশত বা বিদেশত 'মা কামাখ্যা দেৱীৰ দেশ' হিচাপে খ্যাতি লাভ কৰিছে। মা কামাখ্যাক কেন্দ্ৰ কৰিয়েই এই অঞ্চলৰ জনজীৱন গঠিত হৈছে।

এই শক্তিপীঠ নীলাচলৰ ইতিহাস অতি প্ৰাচীন। এই শক্তিপীঠৰ কথা দেৱী ভাগৱত, দেৱী পুৰাণ, তন্ত্ৰ চুড়ামণি, কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, হেবজ্ৰতন্ত্ৰকে আদি বিভিন্ন গ্ৰন্থত পোৱা যায়। ভাৰতবৰ্ষৰ 'একান্ন মহাপীঠ'ৰ অন্যতম পৱিত্ৰ স্থান হ'ল মা কামাখ্যা দেৱীৰ শক্তিপীঠ। এই মহাপীঠৰ লগত জড়িত হৈ আছে অনেক লোক শ্ৰুতি। এই লেখাত কামাখ্যা মাৰ বিষয়ে থকা কিছুমান লোকশ্ৰুতি আমি আলোচনা কৰিম। এইটো কোৱা হয় যে নৰকেই মিথিলাৰ পৰা সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ আনি প্ৰাগজ্যোতিষ অৰ্থাৎ কামৰূপত বহুৱায় আৰু তেতিয়াৰ পৰাই অসমত প্ৰথম আৰ্য বসতি বিস্তাৰ হয়। ইয়াৰ পূৰ্বেও অৰণ্যে কিৰাতসকলে নিজ নিজ পদ্ধতিৰে নীলাচলত দেৱীৰ পূজা অৰ্চনা কৰি আহিছিল বুলি জনা যায়।

মধ্যযুগৰ কোঁচ আহোম শাসনকালৰ পৰা মা কামাখ্যা শক্তিপীঠ সম্পৰ্কে





অনেক তথ্য বুৰঞ্জী, তামৰ ফলি আৰু লিপিসমূহৰ বিষয়ে জনা যায়। প্ৰাচীন কোঁচ ৰাজ বংশীসকলৰ ইতিহাস অনুসৰি নৰকাসুৰে নিৰ্মাণ কৰা কামাখ্যা দেৱীৰ মূল মন্দিৰ কোনো প্ৰাকৃতিক কাৰণত ভগ্নপ্ৰায় হৈ মাটিৰ স্তূপৰ তলত সোমাই অজ্ঞাত অৱস্থাত আছিল। কোঁচৰজা বিশ্বসিংহই নীলাচলত এই মহামুদ্ৰাপীঠ আৰু প্ৰাচীন মন্দিৰৰ ধ্বংসপ্ৰাপ্ত নিম্নাংশ আৱিষ্কাৰ কৰে। তেওঁ মন্দিৰটো পুনৰ্নিৰ্মাণ কৰাৰ লগতে মিথিলা, নৱদ্বীপ, কাশী, কনৌজ, আদিৰ পৰা ব্ৰাহ্মণ আনি কামাখ্যাত নতুনকৈ পূজা অৰ্চনা আৰম্ভ কৰে আৰু দেৱীক জাগ্ৰত কৰি তোলে। এই মন্দিৰৰ তলৰ ভাগত ভিন্ন সময়ৰ দুটা মাটিৰ স্তৰ পোৱা গৈছে। গৱেষকসকলৰ মতে, একেবাৰে তলৰ স্তৰটি ২২০০ বছৰ পুৰণি। তাৰ ওপৰৰ স্তৰৰ সময় প্ৰায় ১৫০০ বছৰ। গৱেষকসকলৰ মতে আনুমানিক ১৫২৫ খৃঃৰ আশে-পাশে বিশ্বসিংহই মা কামাখ্যাৰ মন্দিৰটো পুনৰ্নিৰ্মাণ কৰিছিল।

ড° মহেশ্বৰ নেওগৰ মতে বিশ্বসিংহই নিৰ্মাণ (পুনৰ্নিৰ্মাণ) কৰা কামাখ্যাৰ পুৰণি দেৱী মন্দিৰ কিবা কাৰণত (প্ৰবাদ মতে কালাপাহাৰ নামৰ ইছলাম ধৰ্ম গ্ৰহণ কৰা জনৈক হিন্দুৰ আঘাতত) বিধ্বস্ত হোৱাত কোঁচ মহাৰজা নৰনাৰায়ণে শুক্লধ্বজক হতুৱাই ইয়াক পুনৰ্নিৰ্মাণ কৰায়। এই মন্দিৰ সজাৰ কাম পোনতে মঘাৰাম বৈশ্য নামে কৰ্মচাৰীৰ ওপৰত ন্যস্ত কৰিছিল যদিও তেওঁৰ অৰ্থৰ খেলিমেলিৰ বাবে মেঘমকদুম নামৰ সেনাপতিক সেই দায়িত্ব অৰ্পণ কৰা হৈছিল। যেতিয়া নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'ল তেতিয়া নৰনাৰায়ণে তেওঁৰ বিদুষী পত্নী ভানুমতী (পাণ্ডুৰ ভূঞা প্ৰতাপ ৰায় ভূঞাৰ কন্যা) আৰু শুক্লধ্বজে তেওঁৰ বিদূষী পত্নী চন্দ্ৰপ্ৰভাৰ (প্ৰতাপ ৰায়ৰ ভায়েক শ্বেতধানৰ কন্যা) সৈতে দেৱীৰ প্ৰথম মহাপূজাত যোগদান কৰিছিল। এই সম্পৰ্কে দৰং ৰাজবংশাৱলীত পোৱা যায় যে ঃ

*একলক্ষ হোম দিলা তিনি লক্ষ বলি।*
*সাতকুৰি পাইক দিলা কৰি তাম্ৰফলি।।*

ইয়াৰ পৰা অনুমান কৰিব পাৰি যে মহাপূজাৰ সময়ত দক্ষিণাৰ বাবদ ২৫ হাজাৰ ৰূপৰ মুদ্ৰা বিতৰণ কৰা হয়, লগতে ভৱিষ্যৎ পূজা-অৰ্চনা আৰু মন্দিৰ পৰিচালনাৰ অৰ্থে কোঁচ মহাৰজাই বহুতো পুৰোহিত ব্ৰাহ্মণ আৰু সেৱক নিযুক্তি

দিয়ে। এওঁলোকৰ জীৱিকা নিৰ্বাহৰ বাবে বহুতো গাঁও, বিল, ভূমি আদি ব্ৰহ্মোত্তৰ হিচাপে দান দিয়ে। এই ভূমিৰ পৰিমাণ ২৫ হেজাৰ বিঘাৰো বেছি আছিল বুলি অনুমান কৰা হৈছে। কোঁচ ৰজাই কামাখ্যা মন্দিৰৰ সেৱাৰ বাবে নিয়োজিত কৰা ব্ৰাহ্মণ পুৰোহিত আৰু অন্যান্য পাইকসকল নীলাচলৰ পাদদেশত সংস্থাপিত হৈছিল আৰু গঢ়ি তুলিছিল নিজৰ নিজৰ কৰ্মসংস্কৃতি। মন্দিৰক কেন্দ্ৰ কৰিয়েই ওচৰ-পাজৰৰ ঠাই বিলাকৰ নামাকৰণ কৰা হৈছে বুলি অনুমান কৰিব পাৰি। মন্দিৰৰ নিত্য-নৈমিত্তিক পূজা-অৰ্চনাৰ বাবে প্ৰয়োজনীয় ফল-মূল, ফুল ইত্যাদি বিভিন্ন ওচৰ-পাজৰৰ ঠাইৰ পৰা সংগ্ৰহ কৰা হৈছিল। সেইমতে মালীসকলে পূজাৰ ফুল-ফল, কুমাৰসকলে মাটিৰ সাজ-বাচন আৰু পূজাৰ ভোগৰ বাবে প্ৰয়োজনীয় আদা, জালুক আদি আন আন পাইকে যোগান ধৰিছিল। পিছলৈ মালীসকলৰ বসতি ঠাই মালিগাঁও, কুমাৰসকলৰ বসতিস্থান কুমাৰপাৰা, আদা কৃষি কৰা ঠাই আদাবাৰী, আৰু জালুক উৎপাদন কৰা ঠাই জালুকবাৰী আদি নামেৰে বিখ্যাত হৈ পৰিল। এইদৰে নীলাচলৰ পাদদেশৰ ব্ৰাহ্মণ, কলিতা, কুমাৰ, কায়স্থ, মালী, কৈৱৰ্ত, বেজ আদি বিভিন্ন বৃত্তিৰ লোকৰ বসতিস্থল স্থাপন হয় আৰু আধ্যাত্মিককতাৰ মূল কেন্দ্ৰ বিন্দু হৈ পৰিল।

১৮৯৭ চনত অসমত হোৱা ভূমিকম্পৰ ফলত কামাখ্যা মন্দিৰৰ বিস্তৰ ক্ষতি হয়। মন্দিৰৰ মেৰামতিৰ বাবে সেই সময়ৰ কোঁচবিহাৰৰ ৰজাই ৰাজকোষৰ পৰা ৩২০০ টকা মঞ্জুৰ কৰে বুলি তথ্য পোৱা যায়।

গুৱাহাটী মহানগৰী মঠ-মন্দিৰেৰে ভৰপূৰ। মঠ-মন্দিৰৰ ভিতৰত পশ্চিম প্ৰান্তৰ নীলাচল পৰ্বতৰ দেৱীতীৰ্থ কামাখ্যা, উত্তৰপাৰত থকা অশ্বক্লান্ত, ব্ৰহ্মপুত্ৰৰ মাজত থকা অতীতৰ ভস্মাচল আৰু বৰ্তমানৰ উমানন্দ, দক্ষিণ দিশৰ শুক্ৰেশ্বৰ আৰু সন্ধ্যাচলৰ বশিষ্ঠাশ্ৰম উল্লেখযোগ্য। এই পাঁচখন বিখ্যাত তীৰ্থস্থান থকাৰ বাবে গুৱাহাটীক পঞ্চতীৰ্থ মহানগৰী বুলিও জনা যায়।

এই পাঁচখন তীৰ্থৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ মা কামাখ্যাদেৱীৰ শক্তিপীঠ। জগত পালক বিষ্ণুৰ সুদৰ্শন চক্ৰত চূৰ্ণ-বিচূৰ্ণ হোৱা সতীৰ দেহৰ মহামুদ্ৰ অৰ্থাৎ যোনী অংশ, যি ঠাইত পৰিছিল, সেই ঠায়েই হৈছে কামাখ্যা তীৰ্থ। প্ৰবাদ অনুসৰি





সতীৰ দেহৰ অংগ পতিত হোৱাত এই পৰ্বতে নীলা ৰূপ ধাৰণ কৰিছিল বাবে কালক্ৰমত ইয়াৰ নাম নীলাচল হৈ পৰিল।

কামাখ্যা মন্দিৰ সম্পৰ্কে থকা আন এটা পৌৰাণিক কাহিনী এনে ধৰণৰ- দক্ষ ৰজাৰ জীয়ৰী আছিল শিৱ পত্নী মহামায়া অৰ্থাৎ পাৰ্বতী। এবাৰ স্বৰ্গৰাজ্যত দক্ষ ৰজাই জোঁৱায়েক শিৱৰ পৰা উপযুক্ত সন্মান নাপাই অপমান বোধ কৰে। এই অপমানৰ পোতক তুলিবলৈ আৰু শিৱক আন দেৱতাসকলৰ আগত হেয় প্ৰতিপন্ন কৰিবলৈ ৰাজ্যলৈ ঘূৰি আহি দক্ষ ৰজাই এক যজ্ঞৰ আয়োজন কৰিছিল। সেই যজ্ঞলৈ শিৱ-পাৰ্বতীৰ বাহিৰে সমগ্ৰ ত্ৰিভূৱনবাসীক নিমন্ত্ৰণ কৰিছিল। সতীৰ মন পিতৃ গৃহৰ যজ্ঞলৈ যাবলৈ ব্যাকুল হৈ পৰিল। তেওঁ স্বামী শিৱৰ অনুমতি প্ৰাৰ্থনা কৰে। শিৱই অনিমন্ত্ৰিত বুলি যাবলৈ হাক দিয়াত পাৰ্বতীয়ে দশ মহাবিদ্যাৰূপে প্ৰকাশ কৰি অনুমতি লাভ কৰে। কিন্তু ইফালে যজ্ঞত পাৰ্বতীক দেখি দক্ষ ৰজাই খণ্ডত অগ্নিশৰ্মা হৈ সকলোৰে সন্মুখত তীব্ৰ শিৱ নিন্দা আৰম্ভ কৰে। পতি নিন্দা সহ্য কৰিব নোৱাৰি দেৱীয়ে তাতে দেহত্যাগ কৰিলে। পত্নীৰ মৃত্যু গম পাই শিৱ উন্মত্ত হৈ পৰে। শিৱই লগে লগে বীৰভদ্ৰৰ দ্বাৰা দক্ষ ৰজাক শিৰচ্ছেদ কৰি নিধন কৰে। পিছত অৱশ্যে ৰজাৰ পত্নীৰ অনুৰোধ মৰ্মে দক্ষৰজাৰ মূৰত ছাগলীৰ মূৰ সংযোজন কৰি পুনৰ জীৱন দান কৰে। তেওঁ সতীৰ মৃতদেহ কান্ধত তুলি ত্ৰিভূৱন ভ্ৰমণ কৰিবলৈ ধৰিলে। শিৱৰ এই অৱস্থা দেখি দেৱতাসকলে জগতপালক বিষ্ণুক শিৱক শান্ত কৰাবলৈ প্ৰাৰ্থনা আৰম্ভ কৰিলে। সেইমৰ্মে বিষ্ণুই অতি কৌশলেৰে সুদৰ্শন চক্ৰৰ দ্বাৰা সতী দেহ খণ্ড-বিখণ্ড কৰি চিঙি পেলায়। এই সতীদেহ একান্নটা স্থানত খণ্ড-বিখণ্ড হৈ পৰিছিল। সেয়েহে মা কামাখ্যাক এখনি শ্ৰেষ্ঠ মহাপীঠ হিচাপে জনা যায়।

ইয়াৰ উপৰি মা কামাখ্যাৰ নিৰ্মাণ সম্পৰ্কে বহুতো মতবাদ পোৱা যায়। কোৱা হয় যে শ্ৰীকৃষ্ণৰ ঔৰসত বসুমতীৰ গৰ্ভত নৰক নামৰ পুত্ৰ জন্মিছিল। এসময়ত কিৰাতসকলক খেদি তেওঁ কামৰূপৰ ৰজা হৈছিল। প্ৰথমে নৰক ৰজা ধাৰ্মিক আছিল যদিও কালক্ৰমত তেওঁ অত্যাচাৰী হৈ উঠিছিল। এদিন মা কামাখ্যা দেৱীয়ে তেওঁক দেখা দিলে। নৰক ৰজাই দেৱীৰ ৰূপত মুগ্ধ হৈ তেওঁক বিয়া কৰাবলৈ বিচাৰে, তেতিয়া দেৱীয়ে কেইটামান চৰ্তসাপেক্ষেহে বিয়াত বহিবলৈ

মান্তি হ'ল। চৰ্তসমূহ হ'ল এনিশাৰ ভিতৰতে মন্দিৰ নিৰ্মাণ, মন্দিৰলৈ যোৱা খটখটীৰ পথ, পুখুৰী আৰু বিশ্ৰামৰ নিৰ্মাণ ইত্যাদি। ৰজাই এই চৰ্তবোৰ এটা এটাকৈ শেষ কৰি বিশ্ৰাম ঘৰ নিৰ্মাণ কৰিবলৈ লোৱাত দেৱী বিচূৰ্তি খালে আৰু চলনা কৰি এটা মায়াৰূপী কুকুৰাৰ দ্বাৰা ডাক দিয়ায় আৰু নিশা শেষ হোৱা বুলি নৰকক জাননী দিয়ে। নৰকে খঙত অগ্নিশৰ্মা হৈ কুকুৰাটোক বধ কৰে। সেই অঞ্চল আজিও মা কামাখ্যা মহাপীঠত 'কুকুৰাকটা চ'ক' নামেৰে জনা যায়। পিছত বিষ্ণুৰ হাতত নৰক নিধন হয় বুলি প্ৰবাদ আছে।

আন এটা প্ৰবাদ অনুসৰি, কোঁচ ৰজাই মন্দিৰটো সোণেৰে সজাই দিম বুলি প্ৰতিজ্ঞা কৰিছিল। পিছত ইটাৰে নিৰ্মাণ কৰাত প্ৰতিদিনে ভাঙি ভাঙি গৈছিল। এদিন দেৱীয়ে ৰজাক সপোনত পূৰ্বৰ প্ৰতিজ্ঞাৰ কথা সোঁৱৰাই দিয়ে। তেতিয়া ৰজাই দেৱীৰ পৰামৰ্শমতে প্ৰতিচপৰা ইটাত এক ৰতিকৈ সোণ দি মন্দিৰটো পুনৰ্নিৰ্মাণ কৰে। ইয়াৰ পিছত কালাপাহাৰে মন্দিৰটো ভাঙি পেলোৱাত কোঁচ ৰজা নৰনাৰায়ণে ইয়াক আকৌ নিৰ্মাণ কৰে। লগতে তেওঁ বংগ দেশৰ পৰা কেইবাটাও ব্ৰাহ্মণ পৰিয়াল আনি দান হিচাপে বহুতো দেৱোত্তৰ মাটি দিয়ে। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস মন্দিৰ নিৰ্মাণ কৰা ৰাজপৰিয়ালেই এদিন মা কামাখ্যা দেৱীৰ দৰ্শনৰ পৰা বঞ্চিত হ'ব লগা হয়। প্ৰবাদ অনুসৰি কেন্দুকলাই নামে এজন ব্ৰাহ্মণ পূজাৰীয়ে নিতৌ সন্ধিয়া আৰতি দিয়াত দেৱীয়ে তেওঁক দৰ্শন দিয়ে। এই কথা ৰজাই জানিব পাৰি পুৰোহিতজনক ধনৰ প্ৰলোভন দি দেৱীক দৰ্শন কৰিবলৈ আহে। এনেকুৱা অসৎ অভিপ্ৰায়ৰ কথা উমান পাই দেৱীয়ে ব্ৰাহ্মণক অভিশাপ দি শিলত পৰিণত কৰে আৰু মহাৰাজ আৰু তেওঁৰ বংশধৰসকলক এই বুলি অভিশাপ দিলে যে তেওঁলোকে কোনো দিনে দেৱীৰ দৰ্শন লাভ কৰিব নোৱাৰিব।

মা কামাখ্যাদেৱীৰ লগত দশমহাবিদ্যাৰ মন্দিৰসমূহ ওতপ্ৰোতভাৱে জড়িত। দশমহাবিদ্যাৰ মন্দিৰসমূহ হ'ল- কালী, তাৰা, ছিন্নমস্তা, বগলা, ভৈৰৱী, মাতংগী, কমলা ইত্যাদি।

মা কামাখ্যা দেৱীক কেন্দ্ৰ কৰিয়েই যিহেতু সেই বৃহৎ অঞ্চলটোৰ জনজীৱন প্ৰভাৱান্বিত হৈছিল। এই প্ৰভাৱ পৰিলক্ষিত হৈছিল অঞ্চলটোৰ সামাজিক,





সাংস্কৃতিক তথা আধ্যাত্মিক জীৱনত। দেৱীৰ মহিমা আৰু কৰুণাৰ ওপৰত সাধাৰণ লোকসকলৰ আছিল অগাধ বিশ্বাস। দৈনন্দিন জীৱনলৈ অহা সকলো দুখ দুৰ্গতি দেৱীৰ কৃপাদৃষ্টিত নাইকিয়া হয় বুলি বিশ্বাস সকলোৱে কৰিছিল।

কামাখ্যা ধামত অম্বুবাচী মেলা এক নাৰীকেন্দ্ৰিক ধৰ্মীয় আচাৰ অনুষ্ঠান। অঞ্চলটোৰ সমাজ জীৱনত দেৱীপীঠৰ প্ৰভাৱ আছিল অপৰিসীম। মালিগাঁও, গড়পাণ্ডু, কুমাৰপাৰা, জালুকবাৰী আদি অঞ্চলত বসবাস কৰা বিভিন্ন ধৰ্ম, সম্প্ৰদায় আদি লোকৰ মাজত মিলাপ্ৰীতিৰ এনাজৰীডাল মা কামাখ্যাদেৱীয়ে বৰ সুন্দৰকৈ বান্ধি ৰাখিছিল। প্ৰতি বছৰে শাওণ আৰু ভাদ মাহৰ সংক্ৰান্তিত কামাখ্যাধামত যি দেওধনী বা দেবধ্বনি উৎসৱ হয়, তাত পুৰোহিত শ্ৰেণীৰ বাহিৰে আন আন জনগোষ্ঠীৰ মানুহে ভাগ লৈছিল। এই দেওধা বা দেৱ-দেৱীৰ 'ঘোঁৰা'সকল আছিল অঞ্চলটোৰ কোঁচ-কলিতা, কুমাৰ, কৈৱৰ্ত, মালী, কেওটকে ধৰি বিভিন্ন জাতি জনগোষ্ঠীৰ লোক। দেওধা নাচৰ সময়ত যিবোৰ 'ঢুলীয়া'ই মন্দিৰত বাদ্য বজাইছিল, সেইবোৰ কামাখ্য দেৱালয়ৰে পাইক আছিল। এইটো কোৱা হয় যে এই দেওধাসকলৰ মাজত হেনো মুছলমান দেওধাও আছিল। নিজৰ কামনা সিদ্ধিৰ বাবে অন্য ধৰ্মাৱলম্বীৰ লোকেও অৱশ্যে মন্দিৰলৈ বুলি হাঁহ, পাৰ, ছাগলী আদি আগবঢ়াইছিল বুলি জনা যায়। যিহেতু প্ৰাচীন কামৰূপ এসময়ত জনজাতীয় ৰাজ্যই আছিল আৰু গৱেষকসকলৰ মতে কামাখ্যা দেৱীও এসময়ত অনাৰ্যসকলৰে উপাস্য দেৱী আছিল। এসময়ত অষ্ট্ৰিকসকলে 'কামেইখা' বা দেৱী কামাখ্যাক জনজাতীয় ৰীতি-নীতিৰে পূজা-উপাসনা কৰাৰ লগতে দেৱী সন্তুষ্টিৰ বাবে নৃত্যও কৰিছিল আৰু সেয়াই কালক্ৰমত দেওধনী নৃত্যৰ ৰূপ লোৱা বুলি কোৱা হয়। সেয়েহে বোধহয় কামাখ্যা মন্দিৰত জাতপাতৰ বিচাৰ কঠোৰ নাছিল। ইয়ে মা কামাখ্যা দেৱীৰ উদাৰতাৰ কথাই ইংগিত দিয়ে। প্ৰাচীন কালৰ পৰাই শক্তিপীঠ মা কামাখ্যা অকল পূজা উপাসনা বা তন্ত্ৰমন্ত্ৰৰেই স্থান নহয়, ই আছিল জ্ঞান বিজ্ঞান তথা আধ্যাত্মিকতাৰ সাধন কেন্দ্ৰ।

যুগ যুগ ধৰি মা কামাখ্যাৰ ধামলৈ বিভিন্ন দেশৰ সাধু-সন্ত, যোগী-সতী, পণ্ডিত, ধৰ্মগুৰু ইত্যাদিৰ আগমন ঘটিছিল। জগতগুৰু শংকৰাচাৰ্য তথা স্বামী বিবেকানন্দও ইয়ালৈ অহাৰ তথ্য আছে। প্ৰাপ্ত তথ্যমতে ১৯০১ চনৰ ১৭ এপ্ৰিলত

স্বামী বিবেকানন্দ মাতৃ ভূৱনেশ্বৰী দেৱীক লগত লৈ তিনিদিন পাণ্ডাৰ ঘৰত থাকি মা কামাখ্যা মন্দিৰ দৰ্শন কৰি গৈছিল। পুৰণি সাঁচিপতীয়া পুথি নকল কৰা আৰু সংৰক্ষণ কৰাৰ প্ৰক্ৰিয়াও মা কামাখ্যা ধামত প্ৰচলিত আছিল। গড়পাণ্ডু, জালুকবাৰী আদি বিভিন্ন অঞ্চলৰ ৰাজহুৱা নামঘৰত যিবোৰ সাঁচিপতীয়া পুৰণি মন্ত্ৰৰ পুথি সংৰক্ষিত হৈ আছে তাতে একাধিক পুথিৰ ৰচনাৰ স্থান কামাখ্যাধাম বুলি ক'ব পাৰি। নীলাচলৰ বুকুত প্ৰাচীন কালৰে পৰাই নৃত্য-গীত, অভিনয় কলাৰ চৰ্চাৰ প্ৰমাণ পোৱা যায়। আধুনিক নাট্য ইতিহাসতো নীলাচলৰ এক সুকীয়া স্থান আছে। সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাই কোৱাৰ দৰে "সম্ভৱত কামাখ্যাধামৰ পাণ্ডাসকলেই পোন প্ৰথমে গুৱাহাটীৰ নাট্যকলাৰ প্ৰদীপগছি জ্বলাইছিল, অৱশ্যে বঙলা ভাষাৰে।" এই নাটকসমূহৰ বেছিভাগ নাটকেই আছিল আধ্যাত্মিক। তাৰ ভিতৰত 'জয়দ্ৰথ বধ' নামৰ নাটকখনক প্ৰথম বুলি ক'ব পাৰি। এই নাটখন বঙালী ভাষাৰ পৰা অনুবাদ কৰি মঞ্চস্থ কৰা হৈছিল। সম্ভৱত 'কামাখ্যা নাট্য সমিতি' নাইবা 'কামাখ্যা নাট্য পৰিষদে'ই প্ৰথম গুৱাহাটীত নাট যাত্ৰা আৰম্ভ কৰিছিল। কামাখ্যা অঞ্চলত 'গদাধৰ অপেৰা দল' আৰু 'তৰুণ সংঘ' নামেৰে দুটা যাত্ৰাদল আৰম্ভ হৈছিল বুলি তথ্য আছে। ইয়াৰোপৰি ১৮৭০-১৯০০ খ্ৰীষ্টাব্দৰ ভিতৰত নীলাচল পাহাৰ নিবাসী দুই ভাতৃ কাতীয়া আৰু আহিনাই এটা যাত্ৰা দল খুলি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যাত্ৰা অভিনয় আৰম্ভ কৰিছিল বুলি অনুমান কৰা হয়। মুঠতে ক'ব পাৰি যে অসমৰ প্ৰথম নাট, অভিনয় ইত্যাদিৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল মা কামাখ্যা দেৱীৰ দেৱালয়। ইয়াক কোনেও নুই কৰিব নোৱাৰে। যিয়ে অসমীয়া জাতিটোক আধ্যাত্মিকতাৰে তথা একতাৰ এনাজৰীৰে বান্ধি ৰাখিছিল।

সেয়া আছিল অসমলৈ বৃটিছ আগমনৰ সময়ৰ কথা। নীলাচলত আৰম্ভ হোৱা বঙলা যাত্ৰা নাটকৰ অনুকৰণতে, পাদদেশত থকা গড়পাণ্ডু, ৰজাবাৰী, সদিলাপুৰ আদি ঠাইতো যাত্ৰাদল গঢ়ি উঠিছিল। পাণ্ডু সদিলাপুৰৰ একালৰ বিশিষ্ট নাট্য শিল্পী প্ৰয়াত কমলাকান্ত দাসে বঙলা আৰু অসমীয়া দুয়োটা ভাষাতে অভিনয় কৰি প্ৰশংসা অৰ্জন কৰিছিল। এই নাটকসমূহৰ বেছিভাগ নাটকেই আধ্যাত্মিকতাৰ এনাজৰীৰে অসমীয়া জাতিটোক কটকটীয়া কৰি বান্ধি ৰাখিছিল।





মা কামাখ্যা মহিমামণ্ডিত ভূমিত গুৱাহাটী এখনি পৱিত্ৰ মহানগৰ। গুৱাহাটীৰ আছে এক গৌৰৱময় অতীত, চহকী সাংস্কৃতিক ঐতিহ্য। আধ্যাত্মিক ক্ষেত্ৰ হিচাপে মা কামাখ্যা দেৱীৰ স্থান গোটেই বিশ্বতে প্ৰথম হ'ব বুলি অনুমান কৰিব পাৰি। আধ্যাত্মিক হ'ল এক বিশ্বজনীক বিষয়। মানুহৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধনৰ বাবে আধ্যাত্মিক উপলব্ধি এক গুৰুত্বপুৰ্ণ বিষয়। ইয়াক বাদ দি বিজ্ঞানে অগ্ৰগতি লাভ কৰিব নোৱাৰে। সেয়েহে মা কামাখ্যা দেৱীৰ শক্তিপীঠ কেৱল পূজা-পাৰ্বণৰ স্থলেই নহয় ই এক আধ্যাত্মিকতাৰ কেন্দ্ৰ বিন্দু হিচাপে গোটেই বিশ্বতে জিলিকি আছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১। অসমা (ইতিহাস বিষয়ক প্ৰবন্ধ সংকলন) ঃ সম্পাদক হৰ্ষবৰ্দ্ধন কাশ্যপ, অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ, ২০২০ খ্ৰীষ্টাব্দ)

২। ইতিহাসৰ ছাঁ-পোহৰত পুৰণি গুৱাহাটী ঃ কুমুদেশ্বৰ হাজৰিকা, শৰাইঘাট প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০০২ ইং চন

৩। কামৰূপৰ ইতিবৃত্ত- প্ৰথম খণ্ড, প্ৰাগৈতিহাসিক কালৰ পৰা সপ্তম শতিকালৈকে সম্পাদক ধীৰেন শৰ্মা, পৃথিৱী প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০১৫ ইং চন।

৪। A Comprhensive History of Assam : S. L. Baruah, Munshiraam Manaharlal Publishers Pvt. Ltd.


—+—

# নাট্যধাৰাৰ ইতিহাস, গতি প্ৰকৃতি আৰু গুৱাহাটী

**ড° সঞ্জীৱ কুমাৰ শৰ্মা**

অনুকৰণ কৰাৰ সহজাত প্ৰকৃতি হৈছে নাটক। মানুহৰ মাত-কথা, ভাৱ-ভংগী, স্বভাৱ-চৰিত্ৰ অনুকৰণ কৰিবলৈ ভালপোৱাটো এটা অদমনীয় হেঁপাহ। আদিম কালৰে পৰা এই প্ৰকৃতি চলি আহিছে। আদিম যুগত মানুহ সজ হ'বলৈ শিকাৰ আগতে নাটক সৃষ্টি হোৱা নাছিল যদিও সংগীত আৰু নৃত্যৰ মাধ্যমেৰে তাক ফুটাই তুলিবলৈ যত্ন কৰিছিল। নৃত্য মানুহৰ ইতিহাসৰ প্ৰাচীনতম কলা। হেডেলক্ ইলিচৰ নিৰ্বাচিত ৰচনা 'ডি আৰ্ট অফ্ ডেন্‌চিং'ত কৈছে- প্ৰাচীন যুগত নৃত্যৰ মাধ্যমেৰে ধৰ্মভাব আৰু হৃদয়ৰ আশা-ভৰসা, প্ৰেম, ভালপোৱা প্ৰকাশ কৰিছিল। সকলোধৰণৰ ক্ৰিয়া-কৰ্ম, উৎসৱ-পাৰ্বণত সংগীত আৰু নৃত্যৰ সামঞ্জস্যৰে অনুষ্ঠান পৰিৱেশন হৈছিল। এই সংগীত সমৃদ্ধ ভাব প্ৰকাশক নৃত্যই ক্ৰমে ক্ৰমে অভিনয়ৰ ৰূপ লাভ কৰে। এইদৰেই নাটকৰ উদ্ভৱ হোৱা বুলি ধাৰণা কৰিব পাৰি। ভাৰতীয় নাটকৰ উৎপত্তি এই সংগীত সম্বলিত নৃত্যৰ পৰাই উদ্ভৱ হোৱা বুলি ক'ব পাৰি। প্ৰাচীনকালত বিভিন্ন ধৰ্মানুষ্ঠান বিশেষকৈ যজ্ঞ অনুষ্ঠান আয়োজিত হৈছিল। যজ্ঞানুষ্ঠান যজ্ঞৰ বেদীত আহুতি ঢালি বিভিন্ন মাঙ্গলিক মন্ত্ৰোচাৰণেৰে সমাপন হৈছিল। যজ্ঞৰ সমাপনৰ মাজে মাজে সময় নিৰ্ঘণ্ট মিলাবলৈ ৰৈ যোৱা সময় পাৰ কৰিবলৈ কিছুমান ৰঙ্গায়নৰ ব্যৱস্থা গ্ৰহণ





কৰা হৈছিল। নৃত্য-গীত, ধীৰে ধীৰে সংলাপৰ প্ৰয়োগেৰে কাহিনী-উপাখ্যান বৰ্ণনাৰে নাটকৰ সৃষ্টি হ'ল। যজ্ঞবেদিকাৰ পৰাই ৰঙ্গবেদিকা সৃষ্টি হোৱা বুলি অনুমান কৰিব পাৰি। চাৰি বেদৰ মন্ত্ৰোচ্চাৰণৰ দ্বাৰা যজ্ঞ পৰিচালিত হৈছিল আৰু ব্ৰহ্মাদেৱে নাট্যবেদ ৰচনা কৰি পঞ্চম বেদ প্ৰণয়ন কৰে। চতুৰ্বেদৰ পৰা নিহিত উপাদানসমূহ সংগ্ৰহ কৰি যি নতুন বেদ সৃষ্টি কৰিলে সেয়া নাট্যবেদ অথবা নাট্যশাস্ত্ৰ ৰূপে নামাকৰণ কৰিলে। ব্ৰহ্মদেৱে তেওঁৰ শিষ্য ভৰত মুনিক নাট্যশাস্ত্ৰৰ শিক্ষা দিয়ে আৰু ভৰত মুনিৰ দ্বাৰা নাট্যবেদ পৃথিৱীত প্ৰচাৰ লাভ কৰে।

নাট্যবেদ অথবা গন্ধৰ্ববেদত ঋগ্‌বেদৰ পৰা আবৃত্তি উপাদান, যজুৰ্বেদৰ পৰা চাৰি প্ৰকাৰৰ অভিনয় অথবা 'আৰ্ট অফ মিমিক্ৰি', সামবেদৰ পৰা সংগীত, আবেগ, অনুৰাগ আৰু অনুভূতি গ্ৰহণ কৰিলে অথৰ্ববেদৰ পৰা আৰু এইদৰে নাট্যবেদ ৰচনা কৰিলে।

নাটক দৃশ্য কাব্য। ইয়াৰ মূল উদ্দেশ্য অভিনয়, সেয়ে দৃশ্য কাব্য য'ত কাহিনী বিভিন্ন চৰিত্ৰৰ যোগেদি দৃশ্যমান হয়। সংস্কৃত 'নৃৎ' (নচা) ধাতুৰ পৰা প্ৰাকৃত 'নট্' ধাতু উদ্ভৱ হৈ তাৰ পৰাই 'নট' আৰু 'নাটক' শব্দৰ উৎপত্তি? 'নট' সংস্কৃতত ভাৱৰীয়া (Dram) আৰু 'নাট' মানে নাট সম্বন্ধীয় কলা (Dramatic art) বুলি বুজা যায়।

ভাৰতীয় নাটকৰ ইতিহাস আলোচনা কৰিলে বৈদিক যুগৰপৰাই ধৰিব লাগিব। অধ্যাপক ভা'কীথে ৰামায়ণ-মহাভাৰতৰ পৰাই নাটকৰ পূৰ্ণ বিকাশ ঘটিছে বুলি কৈছে। মহাকাব্য দুখনৰ অংশবিশেষ আবৃত্তিৰ জৰিয়তে ক্ৰমে ক্ৰমে নাটকৰ উদ্ভৱ হয়। ভাস, ভৱভূতি আদি নাট্যকাৰসকলে ৰামায়ণৰ প্ৰতি তেওঁলোকৰ ঋণ ব্যক্ত কৰিছিল। ৰামায়ণৰ কুশ আৰু লৱৰ পৰাই নাটকৰ ভূমিকা বুজাবলৈ কুশীলব কথাটিৰ প্ৰচলন হৈ আহিছে। পশ্চিম অসমৰ লোক-সংস্কৃতিত জনপ্ৰিয় ৰামায়ণ ভিত্তিক অনুষ্ঠান 'কুশানগান'তো এনেধৰণৰ দৃশ্যকাব্যৰ সমাহাৰ দেখিবলৈ পোৱা যায়।

অসমৰ নাট্য যাত্ৰা আৰম্ভ হৈছিল প্ৰায় পাঁচশ বছৰৰ আগতে মহাপুৰুষ

শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ নাট্যকৰ্মৰে। সম্পূৰ্ণ ধৰ্মীয় উদ্দেশ্যৰে গুৰুজনাই জনসাধাৰণৰ মাজলৈ নাট্য যাত্ৰা আগবঢ়াই লৈ গৈছিল। অৱশ্যে গুৰুজনাৰ ভাওনা সৃষ্টিৰ আগতেও অসমত নাটক হোৱা নাছিল তেনে নহয়। ক্ষেত্ৰ ভিত্তিক অধ্যয়নত পোৱা গৈছে যে ঠায়ে ঠায়ে, বিশেষকৈ সংস্কৃত টোলৰ জৰিয়তে পাঠ গ্ৰহণ কৰি শিক্ষা লাভ কৰি একাংশ শিক্ষিত ব্যক্তিয়ে সেই অঞ্চলবোৰত সংস্কৃত নাটক মঞ্চস্থ কৰাৰ উদাহৰণ আছে। বিশেষকৈ নলবাৰীৰ কৈঠালকুছি, বৰভাগ, ককয়া আদি ঠাইত মানুহৰ শ্ৰাদ্ধাদি আৰু অন্যান্য উৎসৱ পাৰ্বণত সংস্কৃত নাট মঞ্চস্থ কৰাৰ উদাহৰণ পোৱা যায়। পৰিতাপৰ কথা যে গুৰুজনাৰ ভাওনাৰ পাছত নাটকক জনসাধাৰণৰ জ্ঞানোদয়ৰ বাবে কামত লগোৱা চেষ্টাত যতি পৰিল। সামাজিক উত্তৰণ, সৃষ্টিশীল প্ৰতিভাৰ অভাৱ আদি যি কাৰণতেই নহওক নাটকৰ অভাৱে অসম বৃটিছসকলৰ অধীনলৈ যোৱা ১৮২৬ চনলৈকে তেনে কোনো নাট্য চৰ্চাৰ বিষয়ে পাবলৈ নাই। বৃটিছৰ লগত কলিকতীয়া বঙালীসকলৰ লগত অহা যাত্ৰা আৰু তাৰ পাছত থিয়েটাৰৰ প্ৰভাৱত কিছুমান নাটকৰ সৃষ্টি হ'ল যদিও তেনে উল্লেখযোগ্য নাটকৰ উদাহৰণ পোৱা নাযায়।

অষ্টাদশ শতিকাৰ মাজভাগৰ পৰাই বাংলা ভূমিত বিদেশী ৰঙ্গালয়ৰ সূচনা হৈছিল। বাংলা নাট্যশালাৰ দ্বাৰ উদ্‌ঘাটন কৰিছিল পোন প্ৰথমবাৰৰ বাবে লেবেডেফ্ নামৰ এজন ৰুছ দেশৰ বিদেশীয়ে। বেঙ্গলী থিয়েটাৰ নামৰ এক নাট্যশালা স্থাপন কৰি ভাষা শিক্ষক গোলকনাথ দাসৰ দ্বাৰা Disguise আৰু Love is the Best Doctor নামৰ ইংৰাজী প্ৰহসন দুখন বঙালী ভাষালৈ অনুবাদ কৰিছিল। Disguise ৰ বঙালী অনূদিত এই খনকেই বঙালী ভাষাত প্ৰথম অভিনীত নাটক বুলি কয় (১৭৯৫, ২৭ নৱেম্বৰ)। ইয়াৰ পাছতে ইংৰাজ চাহাবসকলে ৰঙ্গালয় প্ৰতিষ্ঠা কৰিছিল। তাৰ পিছত খ্যাতি অৰ্জন কৰা ৰঙ্গালয় হ'ল মাসুৰি ৰঙ্গালয়। তাৰ আগতে চৌৰাঙ্গী থিয়েটাৰ, কলকাতা থিয়েটাৰ আদি থিয়েটাৰ ক্লাৱ সমূহ স্থাপিত হৈছিল। বেংগলৰ সাধাৰণ শ্ৰেণীৰ লোকসকলৰ প্ৰৱেশত ইয়াত অৱশ্যে বাধা আছিল। হোৰেচ হোমেন উইলচন প্ৰভৃতি অনেক প্ৰসিদ্ধ ইংৰাজ চাহাবে তাত অভিনয় কৰিছিল। ইংৰাজ চাহাবসকলে পৰিচালনা





কৰা অথবা শিক্ষাদানত নিয়োজিত বহু চাহাবে পৰৱৰ্তী পৰ্যায়ত স্কুল-কলেজত ৰঙ্গমঞ্চ স্থাপন কৰি নাট মঞ্চস্থ কৰিছিল। ডেভিদ হেয়াৰ একাডেমীত অভিনীত "মাৰ্চেন্ট অৱ ভেনিচ', অৰিয়েণ্টেল থিয়েটাৰত অভিনীত 'অথেলো', 'চতুৰ্থ হেনৰী" আদি নাটকৰ প্ৰসঙ্গ উল্লেখযোগ্য। ইংৰাজী শিক্ষাৰ দ্বাৰা শিক্ষিত লোকসকলে প্ৰশংসা কৰিলে, নাটশালাৰ প্ৰতি নাট্যামোদী লোকসকলৰ আগ্ৰহ উদ্দীপনা বাঢ়িল যদিও সৰ্বসাধাৰণ ৰাইজক বিশেষ আকৰ্ষণ কৰিব নোৱাৰিলে। ইংৰাজী নাটকৰ ভাষাই হয়তো ৰসাস্বাদন কৰাত হেঙাৰ হৈ পৰিল। বঙালীয়েই কেতিয়াকৈ বঙালী নাটকৰ অভিনয়েৰে দেশৰ মাতৃভাষীসকলৰ মন পুলকিত কৰিব তাৰ চিন্তাত ব্ৰতী হ'ল। সেয়ে নাটশালা নিৰ্মাণৰ ধাৰা ইংৰাজসকলৰ মাজতে সীমাবদ্ধ নাথাকি বংগভাষীসকলৰ মাজতো আলোড়ন তুলিলে। প্ৰসন্নকুমাৰ ঠাকুৰৰ হিন্দু থিয়েটাৰ হৈছে বঙালীসকলে প্ৰতিষ্ঠিত কৰা প্ৰথম নাট্যশালা। জুলিয়াচ চিজাৰ, উইলচন অনুদিত উত্তৰ ৰামচৰিত নাট দুখন ইয়াত প্ৰথম অভিনয় হয়। নবীনচন্দ্ৰ বসুৰ নাট্যশালাত প্ৰথম বঙালী নাটক 'বিদ্যা সুন্দৰ' অভিনীত হয়। বিদ্যাসুন্দৰ নাটখনৰ পিছতেই নন্দ কুমাৰ ৰায় ৰচিত অভিজ্ঞান শকুন্তলা নাটকৰ কথা উল্লেখ কৰিব পাৰি। বাংলা নাটকৰ অভিনয় আৰম্ভ হোৱাৰ লগে লগে নাট্যশালাৰ প্ৰতি অনুৰাগ ক্ৰমে ব্যাপক হ'বলৈ ধৰিলে। সমাজৰ শীৰ্ষস্থানীয়, প্ৰতিপত্তিশীল লোকসকলে নাট্যশালা স্থাপনৰ প্ৰতি সচেষ্ট হ'ল। কালক্ৰমত বিদ্যোৎসাহিনী ৰঙ্গমঞ্চ, বেলগাছিয়া নাট্যশালা, পাথুৰিঘাটা ৰংগ নাট্যালয়, জোৰাসাকো নাট্যশালা আদি কেবাটাও উল্লেখযোগ্য নাটঘৰ স্থাপন হ'ল। এই নাট্যশালাবোৰত অভিনয়ৰ হেতু চাহিদানুযায়ী নাটকৰ উত্তৰোত্তৰ উন্নতি হ'ল আৰু বাংলা নাট্যসাহিত্য ইতিহাসত বিশিষ্ট নাট্যকাৰসকলে প্ৰভূত অৰিহণা যোগাবলৈ ধৰিলে। আৰম্ভণিতে বঙালী নাটকৰ অভাৱত বিদেশী নাটকৰ মঞ্চায়ন হৈছিল যদিও বঙালী দৰ্শকৰ নাট্য তৃষ্ণা উদ্দীপিত হৈ জনমানসৰ ক্ৰমবৰ্দ্ধমান চাহিদাৰ ফলত বঙালী নাটকে আত্মপ্ৰকাশ কৰিলে। সংস্কৃত অথবা ইংৰাজী নাটকৰ অনুবাদৰ ওপৰত ভিত্তি কৰি নাটক মঞ্চস্থ কৰাৰ পৰম্পৰাত কিছু পৰিমাণে পৰিৱৰ্তন আহিবলৈ ধৰিলে আৰু বঙালী ভাষাত বাঙালী নাটকৰ আত্মপ্ৰকাশ ঘটিল।

ভাৰতবৰ্ষৰ নাট্য চৰ্চা অতীজৰে পৰা মানে বৈদিক যুগৰে পৰা চলি আহিছে। ভাৰতীয় পৰম্পৰাত যজ্ঞবেদিকাৰ পৰা ৰংগবেদিকাৰ সৃষ্টি হোৱা বুলি পণ্ডিতসকলে কয়। সংস্কৃত নাটক আৰু ইংৰাজী নাটকে বঙালী নাটকত প্ৰভূত প্ৰভাৱ পেলাইছিল যদিও অসমীয়া নাট্যকলাৰ ইতিহাসৰ আৰম্ভণি হৈছিল লোকনাট্যৰ পৰা। লোকনাট্য কলা একধৰণৰ পৰম্পৰাগত নাট্যানুষ্ঠান বা পৰিৱেশ্য কলা। স্বতঃস্ফূৰ্তভাৱে অৱসৰ বিনোদনৰ বাবে কৃষিজীৱী জনগণৰ মাজত গঢ় লৈ উঠা এই বিধ পৰম্পৰাগত পৰিৱেশ্য কলাৰ স্ৰষ্টা হৈছে কৃষিজীৱী খাটি খোৱা জনসাধাৰণ, পৰিৱেশক আৰু দৰ্শকো এই জনগণেই। সেয়েহে লোকনাট্যৰ কোনো লিখিত ৰূপ বা চিত্ৰনাট্য নাথাকে আৰু যুগে যুগে ই মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহা পৰম্পৰা। নাট্যকাৰ অথবা পদ ৰচয়িতাৰ নামো উল্লেখ নাথাকে। লোক সাহিত্য, লোকসংস্কৃতি আন আন ৰূপৰ দৰে লোক নাট্য পৰম্পৰাও এচাম গণ শিল্পী বা লোকশিল্পীসকলে অনাদিকালৰে পৰা চৰ্চা কৰি আহিছে। এই পৰম্পৰা উত্তৰাধিকাৰী সূত্ৰে বৃত্তিগতভাৱে অব্যাহত হৈ আহিছে। বিশেষকৈ কামৰূপ, দৰং, গোৱালপাৰা, নলবাৰী, বঙাইগাঁও, বৰপেটা আদি জিলাৰ বিভিন্ন অঞ্চলত লোকনাট্যৰ এক সুস্থ পৰম্পৰা আজিকোপতি চলি আছে। ওজাপালি, বিয়াহৰ ওজাপালি, খুলীয়া ভাৱৰীয়া, ঢুলীয়া, কুশানগান, ভাৰীগান, পালা বা দোতৰাগান, গোৱালনী যাত্ৰা, মাড়াইগান, বোকা ভাওনা, পেক বা কাদং ভাওনা, নয়ানশৰী মনাই যাত্ৰা. মইনামতীৰ গান, সুকন্নানী ওজাপালি, চাৰযুগী গান, মহোহো গীত, ৰামায়ণ গোৱা, পদ্ম পুৰাণ, পুতলা নাচ, খেৰাই নাচ, দেৱদাসী নৃত্য আদি লোক নাট্য পৰম্পৰাবোৰ বিদ্যমান হৈ আছে। ইয়াৰ ভিতৰত কিছু কিছু লোকনাট্য পৰম্পৰা নাটকীয়, কিছু অৰ্ধ নাটকীয় উপাদানেৰে পৰিপূৰ্ণ। ইয়াৰ উপৰি ৰাভাসকলৰ বাইখো, গাৰোসকলৰ ডোক্ৰুচুৱা, কছাৰীসকলৰ নেউলা-নেউলী আদি সাংস্কৃতিক অনুষ্ঠানসমূহতো লোক নাট্যৰ ভালে সংখ্যক নাটকীয় উপাদান দেখিবলৈ পোৱা যায়। পুতলানাচ, ওজাপালি প্ৰচুৰ নাটকীয় উপাদান সম্বলিত লোক নাট্যানুষ্ঠান। পুতলা নাচত অসমৰ লোক নাট্য পৰম্পৰা সমূহৰ বিশেষ প্ৰভাৱ পৰিলক্ষিত হয়। বিশিষ্ট গৱেষক, সাহিত্যিক





ড° সতেন্দ্ৰনাথ শৰ্মাই পুতলা নাচ দশম একাদশ শতিকাৰ পৰা প্ৰচলিত হোৱা বুলি ঠাৱৰ কৰিছে। ওজাপালিতো পুতলা নাচৰ প্ৰভাৱ আছে বুলি ড° শৰ্মাই প্ৰমাণ কৰিব বিচাৰিছে যে পুতলাৰ আন এটা প্ৰতিশব্দ 'পাঞ্চালিকা' আৰু এই শব্দটোৰ পৰাই ওজাপালি পৰিৱেশনত ব্যৱহৃত 'পাঁচালী' কাব্য কাহিনীক বুজোৱা হয়। সেয়েহে পুতলা নাচৰ পিচতে প্ৰচুৰ নাটকীয় সমল থকা লোক অনুষ্ঠান হিচাপে ওজাপালিক চিহ্নিত কৰিব পাৰি। অৱশ্যে ওজাপালিৰ প্ৰৱৰ্তন, ইয়াৰ উৎস আদি অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত সেয়েহে কোনটো পৰিৱেশ্য কলা আগৰ পুতলা নে ওজাপালি তাক সঠিক কৈ ক'বলৈ টান।

বংগদেশৰ দৰে ইংৰাজী আৰু সংস্কৃত নাটকৰ প্ৰভাৱ অসমীয়া নাটকতো পৰিছিল যদিও প্ৰাচীন কালৰে পৰা অসমীয়া নাটকৰ জয়যাত্ৰা অব্যাহত আছিল। ১৪৪৯ চনত বৰদোৱাত জন্মগ্ৰহণ কৰা শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা 'চিহ্নযাত্ৰা' ভাওনাই অসমীয়া নাটকৰ এক অধ্যায় সূচনা কৰে বুলি ক'ব পাৰি। ১৪৬৮ চন মানতে ভাওনাৰ প্ৰথম অভিনয় হৈছিল বুলি পোৱা যায়। আনহাতে ইয়াৰ পাছতহে মানে ১৭শ শতিকালৈকে ইউৰোপৰ নাট্য জগতত কোনো দৃশ্যাভিনয়ৰ উদাহৰণৰ উল্লেখ পোৱা নাযায়। বিশ্ববিখ্যাত নাট্যকাৰ ছেক্সপীয়েৰৰ পূৰ্বসূৰী খ্ৰীষ্ট'ফৰে মাৰ্লো, থমাচ নৰ্টন, থোমাচ চেকভিলে আদি সংগীবৃন্দই যোল্ল শতিকাৰ পাছতহে নিয়মীয়াকৈ প্ৰকৃত নাটকৰ সৃষ্টি হৈছিল। তাৰ আগতে নাটকৰ মঞ্চায়নৰ উদাহৰণ পোৱা নাযায়। ইংলণ্ডৰ মঞ্চ আন্দোলনৰ গুৰি ধৰোঁতা গ্লোব থিয়েটাৰৰ জন্ম হৈছিল ১৫৯৯ চনত। এই কথা তুলনা কৰিলে শ্ৰীশ্ৰীশংকৰদেৱে আৰম্ভ কৰা ভাওনা ইউৰোপৰ নাট্য আন্দোলনতকৈ পুৰণি। সংস্কৃত ভাষাত বিশেষ বুৎপত্তি লাভ কৰা শ্ৰীশ্ৰীশংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ ভাওনাৰ সৃষ্টি কৰিছিল। 'ভাওনা'ৰ দৰে মাধ্যমেৰে দৰ্শকৰ মন যোগোৱা আৰু ধৰ্মৰ গূঢ়াৰ্থ প্ৰচাৰ কৰিবলৈ প্ৰচেষ্টা হাতত লৈ কৃতকাৰ্য হৈছিল। সংস্কৃত নাটকৰ সূত্ৰধাৰৰ আৰ্হিত শ্ৰীশ্ৰীশংকৰদেৱেও ভাওনাত সূত্ৰধাৰৰ ভূমিকা প্ৰয়োগ কৰিছিল। বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ অধ্যাপক, পণ্ডিত, বিশিষ্ট নাট পৰিচালক কমলেশ দত্ত ত্ৰিপাঠীয়েও এই বিষয়ে আলোচনা কৰিছে। বেদ-বেদান্ত, মহাভাৰত, ৰামায়ণৰ পৌৰাণিক

কাহিনীৰ আলম লৈ নিজস্ব ধ্যান-ধাৰণাৰে কেবাখনো যুগজয়ী অংকীয়া ভাওনা বা নাট অৱদান দি থৈ গ'ল। এই নাটবোৰৰ ভিতৰত 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ', 'কালীয় দমন', 'কেলি গোপাল', 'কংস বধ', 'গোপী উদ্ধৱ' আদি উল্লেখযোগ্য নাট্য সম্ভাৰ। নৃত্যকলা, ধৰ্ম, অভিনয়ৰ সুসংমিশ্ৰণ এই নাটবোৰৰ দৃশ্যসজ্জা, মঞ্চসজ্জা, সাজ-সজ্জা আদিত অভিনৱ পদ্ধতি অৱলম্বন কৰিছিল। ভাওনাৰ অভিনয় আৰম্ভ হৈছিল সত্ৰ নামঘৰবোৰত। পাঁচশ বছৰ আগতে শ্ৰীশ্ৰীশংকৰদেৱে প্ৰাণ প্ৰতিষ্ঠা কৰা অংকীয়া নাটসমূহ পৰৱৰ্তী পৰ্যায়ত তেওঁৰ প্ৰধান শিষ্য শ্ৰীশ্ৰীমাধৱদেৱেও কেবাখনো অংকীয়া নাট ৰচনা কৰি পৰিৱেশন কৰিছিল আৰু এইদৰেই অংকীয়া ভাওনাই সমগ্ৰ অসমত অতি জনপ্ৰিয় নাট্যানুষ্ঠান হিচাপে সমাদৰ লাভ কৰিলে।

দিন বাগৰাৰ লগে লগে নাটক মঞ্চলৈ আহিল। ইয়াণ্ডাবু সন্ধিৰ (১৮২৬ চন) পাছত অসম বৃটিছৰ অধীনলৈ যোৱাত অসমীয়া নাটক আৰু নাট্যাভিনয়ৰ পৰিৱেশনৰ আমূল পৰিৱৰ্তন হ'ল। কলিকতাৰ বঙালী নাটকত পৰা প্ৰভাৱৰ দৰে পশ্চিমীয়া প্ৰভাৱে অসমীয়া নাটকতো সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলালে। ছেক্সপীয়েৰৰ নাটক, হেনৰিক ইবছেন আদি কৰি পশ্চিমীয়া বাস্তৱধৰ্মী নাটকৰ প্ৰভাৱত যথেষ্ট অনুবাদ নাটক মঞ্চস্থ হ'বলৈ ধৰিলে। ১৮৫৭ চনত অসমীয়া ভাষাৰ প্ৰথমখন আধুনিক নাট 'ৰামনৱমী' নাট্যকাৰ গুণাভিৰাম বৰুৱাৰ কলমত প্ৰকাশ পায়। 'ৰামনৱমী' মঞ্চায়নৰ পাছত প্ৰকাশ হৈ ওলায় ১৮৬১ চনত হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন'। তাৰ পাছতেই প্ৰকাশ পায় ৰুদ্ৰৰাম বৰদলৈৰ 'বঙাল-বঙালনী', সেই সময়ৰ সামাজিক ব্যাধি, সমাজৰ সমস্যাৰাজি উপস্থাপন কৰাটোৱেই আছিল এই নাটকেইখনৰ মূল উদ্দেশ্য।

সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতি সাপেক্ষে মানুহৰ মন, চিন্তা আৰু ৰুচিৰ পৰিৱৰ্তন হ'বলৈ ধৰিলে। নাট্য সাহিত্যৰো ৰূপান্তৰ হ'বলৈ আৰম্ভ কৰিলে। নাটকৰ বিষয়বস্তু, আংগিক, চিন্তাধাৰা, মঞ্চসজ্জা, পোহৰ, মঞ্চ আদিৰ পৰিৱৰ্তন হ'বলৈ ধৰিলে। বৃটিছ শাসনকালত প্ৰশাসনীয় কামকাজবোৰ পৰিচালনা কৰিবলৈ সদৰ কাৰ্যালয়বোৰক কেন্দ্ৰ কৰি অসমত প্ৰধানকৈ নগৰ





স্থাপন হ'বলৈ ধৰিলে। সেই সময়ত অসমত ইংৰাজী শিক্ষাৰে উচ্চ শিক্ষিত স্থানীয়লোকৰ অভাৱ আছিল, সেয়েহে কলিকতাৰ পৰা প্ৰশাসনীয় কাম-কাজ চলাবলৈ বঙালী আমোলাসকলৰ আগমন ঘটিল। কিয়নো ওৱাৰেণ হেষ্টিংছে (১৭৭২-৮৫) কলিকতাত ৰাজধানী স্থাপন কৰাৰ লগে লগে ১৭৭৪ চনত কলিকতাত চুপ্ৰীম ক'ৰ্ট স্থাপন হৈছিল। ১৮৫৭ চনত কলিকতা বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পূৰ্বেই ১৮০০ চনত ফোৰ্ট উইলিয়াম কলেজ, ১৮১৭ চনত হিন্দু কলেজ প্ৰতিষ্ঠা হয় আৰু সেই সময়তে কলিকতাত বিবিধ চৰকাৰী দপ্তৰসমূহ স্থাপিত হয়। আনকি পৃথিৱীৰ বিদ্যুৎ চালিত তৃতীয়খন মহানগৰ হিচাপে কলিকতাই প্ৰতিষ্ঠা লাভ কৰে। স্বাভাৱিকতে অধিকাংশ বঙালী লোক এই কাম সমূহত মকৰল হৈছিল। তাৰে একাংশৰ অসমলৈও আগমন ঘটিছিল। বৃটিছসকলে স্থাপন কৰা নগৰকেন্দ্ৰিক সমাজ জীৱনেৰে বিটৌত অঞ্চলবোৰত আধুনিক নাটক মঞ্চস্থ হ'বলৈ ধৰে উনবিংশ শতিকাৰ শেষ ভাগৰ পৰা। শিৱসাগৰ, যোৰহাট, গুৱাহাটী, তেজপুৰ, ধুবুৰী, নগাঁও আদি নগৰবোৰত আধুনিক নাট্যমঞ্চ সমূহ নিৰ্মাণ হ'বলৈ ধৰিলে। মঞ্চসমূহত বিশেষকৈ দুৰ্গাপূজা আৰু অন্যান্য উৎসৱ-পাৰ্বণ উপলক্ষে নাট মঞ্চস্থ কৰিব পৰাকৈ মঞ্চসমূহ সজা হৈছিল।

সাহিত্যাচাৰ্য্য অতুলচন্দ্ৰ হাজৰিকাৰ বহুল পঠিত "মঞ্চলেখা'ত উল্লেখ কৰিছে যে ঊনবিংশ শতিকাৰ শেষৰ তিনিটা দশকৰ বৃটিছ শাসনৰ কালছোৱাত গঢ়ি উঠা অসমৰ বিভিন্ন নগৰমুখী সমাজ জীৱনৰ গুৱাহাটীতো প্ৰভাৱ পৰিল। এই কালছোৱাত বিশেষকৈ অন্য উৎসৱ পাৰ্বণৰ লগতে বিশেষকৈ দুৰ্গাপূজা উপলক্ষে গুৱাহাটী চহৰত যাত্ৰাগান, থিয়েটাৰ প্ৰদৰ্শনৰ ব্যৱস্থা হ'বলৈ ধৰে। যাত্ৰাগান অথবা থিয়েটাৰবোৰ অধিকাংশ আছিল বঙলা ভাষাৰ। দুৰ্গাপূজা উপলক্ষে উদ্যোক্তাসকলে বংগ দেশৰ পৰা এই দলসমূহক আমন্ত্ৰণ জনাই নাট মঞ্চস্থ কৰিছিল। অৱশ্যে ইয়াৰ আগতেও এনেধৰণৰ যাত্ৰানাট প্ৰদৰ্শন নহৈছিল এনে নহয়।

অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি গ্ৰন্থত অধ্যাপক ড° হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যই উল্লেখ কৰিছে যে ১৮৬০-৮০ খ্ৰীষ্টাব্দৰ ভিতৰত কামৰূপৰ কোনো অঞ্চলত

দুই এটা যাত্ৰাদল সংগঠিত হয়। কামৰূপত তথা অসমত সংগঠিত হোৱা প্ৰথম যাত্ৰা দলটোৰ প্ৰতিষ্ঠাপক আছিল জয়দেৱ শৰ্মা। তেওঁৰ ঘৰ কামৰূপৰ মুৰকুছি গাঁওত। প্ৰথমতে তেওঁলোকে বঙালী নাটকৰ অভিনয় কৰিছিল। এই উক্তি কামৰূপৰ সুবিখ্যাত অভিনেতা ৰজনীকান্ত ভট্টাচাৰ্যৰ বিবৃতিৰ পৰা উদ্ধৃত কৰা হৈছিল বুলি কৈছে গৱেষক, সাহিত্যিক ড° হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যই। এই যাত্ৰাদলসমূহে কামৰূপৰ লগতে অসমৰ প্ৰায়বোৰ ঠাইলৈ যাত্ৰা মঞ্চস্থ কৰিবলৈ গৈছিল। বৰপেটাৰ তিথিৰাম বায়নৰ যাত্ৰা দলে ১৮৭০-৭৫ খৃষ্টাব্দৰ সময়ছোৱাত লক্ষীমপুৰৰ পৰা শিৱসাগৰলৈ অভিনয় শিল্পী দল লৈ ভ্ৰমণ কৰাৰ উদাহৰণ লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ত উল্লেখ আছে। 'ৰাধাৰ মান ভঞ্জন' আদি কৰি কেবাখনো বঙালী নাটহে তেওঁলোকে অভিনয় কৰিছিল।

'কামাখ্যা নাট্য সমিতি' আৰু পিছলৈ 'কামাখ্যা নাট্য পৰিষদ' নামে প্ৰচলিত নাট্য মঞ্চতেই প্ৰথম যাত্ৰা আৰম্ভ হৈছিল বুলি ঠাৱৰ কৰিব পাৰি। কামাখ্যাত 'গদাধৰ অপেৰা দল' আৰু 'তৰুণ সংঘ' নামেৰে দুটা যাত্ৰা দল গঠন হৈছিল। ১৮৭৭ চনত পশ্চিমবংগৰ পৰা অহা গোপাল বিশ্বাস নামৰ এগৰাকী নাট্য কৰ্মীয়ে 'জয়দ্ৰথ বধ' নামৰ নাটকখন বঙালীৰ পৰা অনুবাদ কৰি মঞ্চস্থ কৰিছিল। কামাখ্যাৰ স্থানীয় নাট বলিয়া ব্যক্তিসকলৰ সহযোগত অখ্যাত ব্যক্তি গোপাল বিশ্বাসৰ উদ্যোগত কামাখ্যা নাট্য পৰিষদে মঞ্চস্থ কৰা 'জয়দ্ৰথ বধ' নাটখনেই প্ৰথমখন অসমীয়া অপেছাদাৰী নাটক। তাৰ আগতে কামাখ্যা মন্দিৰতো যাত্ৰা বা পালা নাটৰ প্ৰচলন আছিল। বৃটিছসকলৰ শাসনকাল আৰম্ভ হোৱাৰ পৰা অসমৰ বৃটিছসকলে বসবাস কৰা নগৰকেন্দ্ৰীয় অঞ্চলবোৰত দুৰ্গাপূজা, কালীপূজা আৰু অন্যান্য উৎসৱ পাৰ্বণত যাত্ৰাদলসমূহে নাট মেলাৰ কথা ইতিমধ্যে আলোচনা কৰা হৈছে আৰু এই যাত্ৰাদলসমূহ অসমলৈ আহিলে দেৱীৰ সন্মুখত এভাগ পালা গাই যোৱাটো এক পৰম্পৰা হৈ উঠিছিল। যাত্ৰা দলসমূহৰ পৰিৱেশন দেখি দেখি কামাখ্যাত নাট্য চৰ্চা কৰাৰ উদ্দেশ্যেৰে 'কামাখ্যা নাট্য সমিতি' নাম দি এটি নাট্য কেন্দ্ৰৰ প্ৰতিষ্ঠা কৰিলে। এই নাট্যকেন্দ্ৰ আৰম্ভ কৰিছিল প্ৰয়াত কালীকৃষ্ণ শৰ্মা, লক্ষ্মীনাথ শৰ্মা, উমাকান্ত শৰ্মা, যোগেন মিত্ৰ, দুৰ্গাচৰণ মালাকৰ,





বিষ্ণুপ্ৰসাদ শৰ্মা, গোবিন্দচন্দ্ৰ শৰ্মা, ৰামেশ্বৰ শৰ্মা, ৰাজেশ্বৰ শৰ্মা, ভেবু মালাকৰ আদি লোকসকলে। ইয়াৰ উপৰি কামাখ্যাৰ পাণ্ডাসকলে যাত্ৰীৰ অনুসন্ধান, সু-সম্পৰ্কৰ বাবে অসমৰ পৰা বঙ্গদেশ পাইছিলগৈ। এই আহ-যাহত মাজে সময়ে কলিকতাত থাকিব লগা হয় আৰু সেই কেইদিনত তেওঁলোকে কলিকতাতে থিয়েটাৰ চোৱাৰ সৌভাগ্য ঘটে। উভতি আহি এই কলিকতীয়া থিয়েটাৰৰ আৰ্হিত কামাখ্যাতো থিয়েটাৰ পাতিবলৈ আৰম্ভ কৰে। সম্ভৱতঃ ১৮৭০-১৯০০ খ্ৰীষ্টাব্দৰ ভিতৰত কামাখ্যা পাহাৰ নিবাসী কাতীয়া আৰু আহিনা নামৰ ভাতৃদ্বয়ে এটা যাত্ৰাদল প্ৰতিষ্ঠা কৰি অসমৰ বিভিন্ন ঠাইত অভিনয় প্ৰদৰ্শন কৰিবলৈ দৰে। একে সময়তে হাজোত গৰ্গ ওস্তাদ নামৰ শিল্পী এজনে তেনে নাট্যানিভয় অনুষ্ঠানৰ জন্ম দিয়ে।

কামাখ্যা ভাৰতবৰ্ষৰ এক অন্যতম তীৰ্থস্থান। ভাৰতীয় স্থাপত্য কলাৰ ই এক উৎকৃষ্ট নিদৰ্শন। নীলাচল পাহাৰৰ চাৰিওদিশে সিঁচৰতি হৈ আছে অনেক পুৰণি শিল্প ভাস্কৰ্য্য। বিশেষকৈ কামাখ্যা পীঠ আৰু ইয়াৰ ওচৰ-পাজৰৰ সৰু সৰু পাহাৰ খণ্ডত। কিন্তু উপযুক্ত সংৰক্ষণৰ অভাৱ, সেন্দুৰ লেপন আদিৰ বাবে এইবোৰ লাহে লাহে নষ্ট হ'বলৈ ধৰিছে। কামাখ্যা পাহাৰত কৰা খনন কাৰ্যত উদ্ধাৰ হোৱা সমলসমূহত ঐতিহাসিক ভাস্কৰ্য বিৰাজমান। মন্দিৰৰ চাৰিবেৰৰ, বিভিন্ন অংশত সিঁচৰতি হৈ আছে নাৰী-পুৰুষৰ কিছুমান ঈশ্বৰীয় মূৰ্ত্তি। ইয়াৰ ভিতৰত মহিষমৰ্দ্দিনী দুৰ্গাৰ দশভূজা মূৰ্তি আদি অন্যতম। তদুপৰি চাৰিবাহুযুক্ত গণেশৰ ৰাজলীলাপন, হনুমান খোদিত মূৰ্তিও পৰিস্ফুট। মুনিহ তিৰোতাৰ বিভিন্ন মুদ্ৰাৰ মূৰ্তি, হাতীৰ ওপৰত সিংহ গজালয়, মকৰই হাতত মাছ লৈ থকা, যুদ্ধ দেহিৰূপত খোদিত হাতীৰ মূৰ্তি, শিলাখণ্ডত খোদিত একক ময়ূৰৰ ছবি আদিয়ে যাউতিযুগীয়া শিল্প ভাস্কৰ্য্যৰ সমুজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। বৰ্তমানৰ কামাখ্যা মন্দিৰৰ আৰ্হি মধ্যযুগত পুনৰ নিৰ্মাণ কৰা হয় য'ত ঘূৰ্ণীকৃত (Scroll design) কলা বিৰাজমান। তাৰ পাছত ছশ শতিকাৰ গুপ্ত যুগৰ সময়ৰ এনে ধৰণৰ স্থাপত্য প্ৰচলিত হৈছিল।

ইয়াৰ উপৰি স্বৰ্গীয় দেৱ-দেৱী, অপ্সৰা, চাৰিবাহুযুক্ত কিছুমান মানৰ আকৃতি

আদিৰ প্ৰতিমূৰ্তি খোদিত হৈ থকা দেখা যায়। তদুপৰি কামাখ্যা মন্দিৰৰ নীলাচল পাহাৰত পাঁচখনকৈ ঐতিহাসিক সম্বল সন্নিৱিষ্ট দুৱাৰ (গেট) আছে যিকেইখনৰ জৰিয়তে মন্দিৰ প্ৰৱেশদ্বাৰত উপস্থিত হ'ব পাৰি। খনন কাৰ্য্যৰ অন্তত আৱিষ্কৃত পশ্চিম ঘাটৰ পঞ্চম দুৱাৰৰ প্ৰৱেশদ্বাৰত সুন্দৰকৈ সিংহ সুশোভিত ফুল, চাৰিখন হস্তযুক্ত গণেশ মূৰ্তি দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰুকাৰ্যলৈ লক্ষ্য কৰিলে ১১-১২শ শতিকাৰ ভাস্কৰ্য বুলি ঠাৱৰ কৰিব পাৰি। এইটো পথ পশ্চিম ঘাটত অৱস্থিত মুখ্য প্ৰৱেশ দ্বাৰত মহিলা আৰু শিশুৰ ছবি। বহি থকা পুৰুষ, থিয় হৈ ফুল হাতত লৈ থকা মহিলা, শংখ বজাই থকা পুৰুষ, যুঁজাৰু সৈনিকৰ কাৰুকাৰ্য্য খোদিত শিলত কটা ভাস্কৰ্য্য দেখিবলৈ পোৱা যায়। ইয়াৰ বিপৰীত দিশে শিলাখণ্ডত অৱস্থিত প্ৰৱেশদ্বাৰখনত এজন বহি থকা গণেশ, চিহ্নিত নোহোৱা কিছুসংখ্যক দেৱ-দেৱীৰ চিত্ৰ ভাস্কৰ্য্যৰে শোভিত হৈ আছে। পূবদিশৰ পদপথত অৱস্থিত প্ৰৱেশদ্বাৰত ইটাৰ পোৱা মাটিৰ প্ৰভাৱ বিদ্যমান আৰু একেধৰণৰ ভাস্কৰ্য্যত মধ্যযুগীয় কাৰুকাৰ্য দেখিবলৈ পোৱা যায়। প্ৰৱেশদ্বাৰবোৰৰ উপৰি অনেক মন্দিৰ প্ৰাঙ্গণত অ'ত-ত'ত সিঁচৰতি বিষ্ণুৰ অৱতাৰ খোদিত দুৱাৰৰ দাং, বৃহদাকাৰ খুটাত বিল্বপদ্ম, লিখৰা, ভঙা গম্বুজাকৃতি, চামুণ্ডা, ৰাজলীলাসন, বীণা বজাই থকা পুৰুষ, বহি থকা ভৈৰৱ, চাৰিহস্তযুক্ত ধ্যানস্থ মহিলা বা দেৱীৰ মূৰ্তি, যোগীৰ অৱয়ব আদি তেৰাক'টাত কটা ভাস্কৰ্য পোৱা যায়। তিনি মূৰযুক্ত দহ হস্তযুক্ত শিৱমূৰ্তি, বিশ্বকৰ্মা, পদ্মাসনত থকা বিভিন্ন শিলত কটা ভাস্কৰ্য বিৰাজমান। ভাৰতবৰ্ষৰ স্থাপত্য কলাৰ এক উৎকৃষ্ট নিদৰ্শন কামাখ্যা মন্দিৰ। মন্দিৰৰ বিভিন্ন স্থাপত্য কলাৰ নিদৰ্শনৰ পৰা বোধগম্য হয় যে পুৰণি কালৰে পৰা নাটক, গীত-নৃত্যৰ ইয়াত প্ৰচলন আছিল। মূল মন্দিৰৰ সংলগ্ন অশ্বসূয়া আকৃতিৰ নাট্য মন্দিৰটো ইয়াৰ জলন্ত প্ৰমাণ। বিশিষ্ট ইতিহাসবিদ, সাহিত্যিক, নাট্যকাৰ অতুলচন্দ্ৰ হাজৰিকাৰ বহুপঠিত 'মঞ্চলেখা' গ্ৰন্থত কৈছে, "মুঠতে এই কথা ডাঠি ক'ব পাৰি যে কামাখ্যা, হাজো, মহাভৈৰৱথান আদি অসমৰ তীৰ্থস্থানবোৰ একালত একোখনি নৃত্য, গীত, সংস্কৃতিৰো পীঠস্থান আছিল। কামাখ্যাৰ নাট মন্দিৰটোৱে হয়তো সেই কথাৰে সাক্ষ্য দিয়ে।"





বংগদেশত হোৱাৰ দৰে অসমতো বৃটিছসকলৰ ৰাজত্ব কালৰে পৰা নাট্যভিনয়ৰ এক নতুন ধাৰাৰ আৰম্ভ হ'ল। গোপাল ওস্তাদৰ অধীনত নাট্য, শিক্ষা লাভ কৰা যাদৱানন্দ অধিকাৰী, যোগেন্দ্ৰনাথ গগৈ কালীকৃষ্ণ শৰ্মা, যোগেশ্বৰ শৰ্মা, জীৱন নাথ শৰ্মা, দুৰ্গাচৰণ আঠপৰীয়া আদিয়ে অভিনয় কৰা দ্বিতীয়খন নাট আছিল 'অভিমন্যু বধ' (বঙালী)। কামাখ্যাবাসীৰ উৎসাহ উদ্দীপনাত গঢ় লৈ উঠা থিয়েটাৰৰ আখৰা গৃহত হঠাতে জুই লাগিল। গোপাল শৰ্মা এই ঘৰটোত শুই আছিল আৰু লেলিহান অগ্নিশিখাই আগচি ধৰা জুইত ওস্তাদৰ দেহ পুৰি ছাৰখাৰ হ'ল। কিছু বছৰৰ বাবে কামাখ্যাৰ নাট সংঘৰ কাৰ্যাৱলী স্তিমিত হৈ থাকিল। ৰঙ্গমঞ্চৰ অভাৱ পূৰণ কৰিবলৈ কলিকতীয়া আৰ্হিত ৰঙ্গমঞ্চ তৈয়াৰ কৰি কামাখ্যা নাট্য সমিতিৰ মঞ্চতো চন্দ্ৰহাস, নল-দময়ন্তী, লৌহ কাৰাগাৰ, অভিমন্যু বধ, সুম্ভসংহাৰ আদি নাটসমূহ মঞ্চস্থ হৈছিল। নাট্যমন্দিৰ মঞ্চ আৰু প্ৰেক্ষাগৃহত মঞ্চাভিনয় আৰু যাত্ৰাভিনয়ৰ সু-সমন্বয়ত নাটসমূহ পৰিৱেশন হৈছিল। মঞ্চৰ পিছফালে ব্যৱহৃত দৃশ্যপটসমূহ সেই সময়ৰ নাট্যাভিনয়ৰ মূল আকৰ্ষণ আছিল। অসমৰ ভিতৰত কামাখ্যাতে প্ৰথম ৰঙচঙীয়া দৃশ্যপটৰ ব্যৱহাৰ হৈছিল আৰু দৃশ্যপটসমূহৰ অসমৰ অন্য ঠাইলৈ ভাড়ালৈ নিয়া হৈছিল। দৃশ্যপটসমূহ কামাখ্যাৰ বিখ্যাত চিত্ৰশিল্পী কালীকৃষ্ণ শৰ্মাৰ তত্বাৱধানত স্থানীয় চিত্ৰশিল্পীৰ দ্বাৰা প্ৰস্তুত কৰা হৈছিল। ইখন ঠাইৰ পৰা সিখন ঠাইলৈ ভাড়ালৈ নিয়া ব্যৱস্থাৰ দ্বাৰাই পৰৱৰ্তী পৰ্যায়ত অসমৰ ভ্ৰাম্যমান থিয়েটাৰ দলে অনুপ্ৰাণিত হোৱা বুলি অনুমান কৰিব পাৰি। আনকি আজিৰ যুগৰ আধুনিক মঞ্চসজ্জা, মঞ্চ পৰিচালনা, ব্যৱস্থাপনা (Stage direction and production) আদি ধাৰণাসমূহ কামাখ্যাৰ মঞ্চত সেই সময়তে ব্যৱহাৰ হোৱাৰ প্ৰমাণ পোৱা যায়। কামাখ্যা নাট্য সমিতিয়ে ১৮৮৯ চনলৈ এই পঁচিশ বছৰত ৫০ খন নাটৰ অভিনয় অনুষ্ঠিত কৰিছিল। ১৮৮৯ চনত প্ৰয়াত নাট্যসেৱক জীৱেশ্বৰ শৰ্মাৰ উদ্যোগত কামাখ্যাত যৌৱন সুহৃদ নাট্য সমিতি নামে আন এটা নাট্যদলৰ জন্ম হয়। জীৱেশ্বৰ শৰ্মাই নাট্যকাৰ বিদ্যা শিক্ষাৰ মহান ব্ৰত হিচাপে গ্ৰহণ কৰি কলিকতাৰ থিয়েটাৰত ভৰ্তি হৈ নিয়মিতভাৱে অভিনয় শিক্ষা গ্ৰহণ কৰে। তেওঁৰ

নেতৃত্বত নাটকৰ বাবে কলিকতাৰ ৰং-বিৰঙৰ, চিত্ৰ-বিচিত্ৰ দৃশ্যপট মগাই আনিছিল। কামাখ্যাৰ নাট্যাভিনয়ত এইবোৰ বিচিত্ৰ সাজসজ্জাই দৰ্শকক অতিকৈ আনন্দ দিছিল আৰু আকৃষ্ট কৰিছিল। আনকি এবাৰ বিহাৰৰ দ্বাৰভাংগাৰ মহাৰজাই কামাখ্যা দৰ্শনলৈ আহোতে এনে নাট পৰিৱেশনত আপ্লুত হৈ দুশ টকা অনুদান আগবঢ়াইছিল। জীৱেশ্বৰ শৰ্মা সেই সময়ত মেলেৰিয়া জ্বৰত আক্ৰান্ত হ'ল। বহুদিন ধৰি তেওঁ সুস্থ হৈ নুঠাত নাট্যদলটোৰ নাট মঞ্চস্থত যতি পৰিল। পৰৱৰ্তী সময়ত আজিলৈ সগৌৰৱে থিয় দি থকা 'কামাখ্যা নাট্য পৰিষদ'ৰ জন্ম হয় ১৮৯৮ চনত। ১৯০১ চনত কলিকতাৰ যশস্বী চিত্ৰশিল্পী বৰদা প্ৰসন্ন মজুমদাৰক কামাখ্যা ধামলৈ আমন্ত্ৰণ জনালে আৰু তেওঁৰ হতুৱাই পুৰণি দৃশ্যপটৰ ঠাইত নতুন ৰঙ বিৰঙৰ চিত্ৰপট অংকন কৰালে। মজুমদাৰৰ পৰামৰ্শ তথা তত্বাৱধানত এখন আধুনিক মঞ্চও সাজিলে। কামাখ্যাবাসীৰ আতিথ্যত আপ্লুত হৈ বৰদা প্ৰসন্ন মজুমদাৰে 'কমলে কামিনী' নামৰ এখন বৃহদাকাৰ 'ড্ৰপচিন' কামাখ্যা নাট্য পৰিষদক নাট মঞ্চস্থ কৰোঁতে ব্যৱহাৰ কৰিবলৈ উপহাৰ দি থৈ যায়। অসমৰ ঠায়ে ঠায়ে বিভিন্ন নাট্য মঞ্চত এই ড্ৰপচিনখনৰ ব্যৱহাৰে নাট পৰিৱেশনত এক নতুনত্ব প্ৰদান কৰিলে।

বিশিষ্ট নাট্যকাৰ, পৰিচালক, জিতেন শৰ্মাই 'কামাখ্যা নাট্য পৰিষদ' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে, কামাখ্যা নাট্য পৰিষদৰ সেই সময়ৰ পুৰোধা ব্যক্তিসকল আছিল যথাক্ৰমে মহীপতি শৰ্মা, লক্ষ্মীকান্ত শৰ্মা, গোপাল শীল, তাৰিণী চৰণ শৰ্মা, শিৱকৃষ্ণ শৰ্মা, ৰামদাস কলিতা, দুৰ্গেশ্বৰ আঠপৰীয়া, পোনাৰু মালাকৰ, সদৰু মালাকৰ আদি। তাৰ পৰৱৰ্তী সময়ত 'কামাখ্যা বান্ধৱ নাট্য সমাজ' নামৰ নাট্যদলটোও 'কামাখ্যা নাট্য পৰিষদ' প্ৰেক্ষাপটলৈ আহে তাৰকানাথ শৰ্মা, মহীপতি শৰ্মা, অভয়াকান্ত শৰ্মা, দেৱীপ্ৰসাদ শৰ্মা, অভয়াকান্ত শৰ্মা (অভুদা) ইমানেই নিখুঁত অভিনেতা আছিল যে তেওঁৰ 'সীতা' নাটকত শ্ৰীৰামচন্দ্ৰৰ ভাও, 'কৰ্ণাৰ্জুন' নাটকত 'কৰ্ণ' আৰু 'নন্দ বিদায়'ত অক্ৰুৰ চৰিত্ৰত অভিনয় চাই দৰ্শকসকলে তেওঁক কলিকতাৰ পৰা ভাড়া কৰি অনা বঙালী অভিনেতা বুলি জিদ মাৰিছিল। মঞ্চতে অভুদাই তেওঁৰ সাজ-সজ্জা সোলোকাই তেওঁৰ কামাখ্যাৰ





স্থায়ী লোক বুলি প্ৰমাণ কৰিবলগীয়া হৈছিল।' এনেবোৰ উদাহৰণে সঁচাকৈ অসমীয়া অভিনেতাৰ দক্ষতা, বিশেষত্ব প্ৰমাণ কৰে। নাট্যকাৰে উল্লেখ কৰা মতে ইয়াৰ পৰৱৰ্তী সময়ছোৱাত কমলা প্ৰসাদ শৰ্মা, ৰুক্মিণী প্ৰসাদ শৰ্মা, বিমলা চৰণ শৰ্মা, কৃষ্ণকান্ত শৰ্মা, শ্যামপদ শৰ্মা, অশ্বিনীকুমাৰ শৰ্মা, সাৰদাকান্ত শৰ্মা, বিপিনচন্দ্ৰ গায়ন, কালীপদ শৰ্মা, আদি নাট্যমোদীসকলে। এই ধাৰা তাৰ পাছৰ চামেও আগবঢ়াই নিছিল। ইয়াৰ ভিতৰত অন্যতম আছিল সত্যনাথ শৰ্মা, কেশবানন্দ শৰ্মা, সীতানাথ শৰ্মা, গংগা শৰ্মা, ত্ৰিলোচন শৰ্মা, মোক্ষদাপ্ৰসাদ শৰ্মা, সত্যেন্দ্ৰনাথ শৰ্মা আদি লোকসকল। এই নাট মঞ্চায়নৰ ধাৰা পৰৱৰ্তী সময়ত আৰু কেবাটাও নাট্যগোষ্ঠীৰ সৃষ্টি হৈ আগবঢ়াই নিবলৈ সক্ষম হৈছিল। কামাখ্যাৰ ছাত্ৰ সমাজেই জন্ম দিয়া 'চেলীস' নামৰ নাট্যগোষ্ঠীয়ে সহ অভিনয়ৰ আৰম্ভ কৰি কামাখ্যাৰ লগতে গুৱাহাটী তথা অবিভক্ত কামৰূপ জিলাতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। কামাখ্যা নাট্য পৰিষদ আৰু কামাখ্যা ছাত্ৰ পৰিষদ দুয়োটা অনুষ্ঠানৰ কিছু সংখ্যক সদস্যই লগ হৈ 'কৌমুদিকা সাংস্কৃতিক সংঘ' নাম দি প্ৰথমবাৰৰ বাবে সহ অভিনয়ৰ পাতনি মেলিছিল। কলিকতীয়া নাট্যশালৰ আৰ্হিত তাৎপৰ্যপূৰ্ণভাবে এই দলটোৱে তাহানিৰ দিনতে মঞ্চস্থ কৰিছিল হেনৰিক ইবচেনৰ বিশ্ববিশ্ৰুত নাটক 'এনিমি অৱ ডা পিপ্‌ল'ৰ অসমীয়া অভিযোজনা, যিখন নাটকে এক আলোড়নৰ সৃষ্টি কৰিছিল। কামাখ্যা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক ৰোহিণীকুমাৰ শৰ্মাইও নাট্য দিশত গুৰুত্ব আৰোপ কৰিছিল আৰু আন এগৰাকী তদানীন্তন প্ৰধান শিক্ষক মোহনচন্দ্ৰ শৰ্মাই 'চক্ৰবেহু' নামেৰে এই নাটখন অনুবাদ কৰি কামাখ্যাৰ মঞ্চত অভিনয় কৰিছিল। চক্ৰবেহু নাটখন কামাখ্যা নাট্য পৰিষদে পৰিৱেশন কৰি ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল আৰু ই কামাখ্যাৰ আধুনিক নাট পৰিসৰৰ এক উল্লেখযোগ্য সফলতা।

কামাখ্যাৰ নাট্য আন্দোলনৰ এই গৰিমামণ্ডিত ইতিহাস আজি কিন্তু ধৰি ৰাখিব পৰা নাই। কিছুবছৰ আগলৈ 'কামাখ্যা নাট্য পৰিষদ'ৰ উদ্যোগত অন্ততঃ এখন হ'লেও নাট মঞ্চস্থ হৈছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে বিশ্বায়ন,

বাণিজ্যিকীকৰণ, যি কাৰণতেই নহওক আজিৰ কামাখ্যাৰ যুৱ চামে এই নাট্য পৰম্পৰা ধৰি ৰাখিব নোৱৰাতো আমাৰ দুৰ্ভাগ্য। নতুন পুৰুষে এই ধাৰা অব্যাহত ৰাখিব বুলি আশা কৰিলো।

প্ৰবাদ আছে যে কামাখ্যাদেৱীয়ে নিজেই নৃত্য কৰিছিল। এনেধৰণে নৃত্য কৰি থকা কথাতো কেৱল মূল পুৰোহিত জনেহে জানিছিল আৰু কাকো নজনাবলৈ দেৱীয়ে কৈছিল। এদিন ৰজা নৰনাৰায়ণক এই দৃশ্য পুৰোহিতে সন্তৰ্পণে দেখুওৱা বুলি গম পোৱাত দেৱী ক্ৰোধান্বিত হ'ল আৰু পুৰোহিতৰ মুণ্ড চিঙি বহু দূৰত চিটিকি পৰিল। দেৱীৰ নৃত্যৰ প্ৰতিধ্বনি নাট মন্দিৰত, মন্দিৰৰ ভিতৰত শুনিবলৈ পোৱা যায় বুলি আজি মানুহে কয়। সেয়েহে দেৱীৰ সন্তুষ্টিৰ অৰ্থে নাট মঞ্চস্থ পৰম্পৰা ব্যাহত হ'লে দেৱী ৰুষ্ট নহ'ব জানো? তদুপৰি অসমৰ নাট্য আন্দোলনৰ প্ৰাচীন ইতিহাস বহনকাৰী কামাখ্যা মন্দিৰত নাট মঞ্চস্থ নহ'লে অসমৰ নাটকৰ ধাৰা অব্যাহত থাকিবনে? আশাকৰো নীলাচল পাহাৰৰ এই পৰম্পৰা অব্যাহত ৰাখিবলৈ যুৱচামে অহোপুৰুষাৰ্থ কৰিব।

**প্ৰসঙ্গ পুথি ঃ**

ড° ভট্টাচাৰ্য্য হৰিচন্দ্ৰ ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি, সেৱাকুটীৰ, শুক্ৰেশ্বৰ, গুৱাহাটী, ১৯৬৮ চন।

ড° শৰ্মা শত্যেন্দনাথ ঃ অসমীয়া নাট্য সাহিত্য

বেজবৰুৱা লক্ষ্মীনাথ ঃ মোৰ জীৱন সোঁৱৰণ (১ম ভাগ)

**অন্যান্য তথ্য ঃ**

কামাখ্যা নাট্য সমিতিৰ শতবাৰ্ষিকী উৎসৱৰ স্মৃতিগ্ৰন্থ, ১৯৭৬ চন

ঘোষ অজিত কুমাৰ ঃ বাংলা নাটকৰ ইতিহাস (বঙালী), কলকাতা, ২০০৫

বন্দোপধ্যায় ব্ৰজেন নাথ ঃ বঙ্গীয় নাট্যশালাৰ ইতিহাস, সম্পাদনা, পাৰ্থ চট্টোপাধ্যায়, গ্ৰন্থ বিকাশ, কলকাতা, ২০১৫

—+—



# গুৱাহাটীৰ কেইটামান ঐতিহ্যপূৰ্ণ মঠ-মন্দিৰ

**পংকজ কুমাৰ কাথাৰ**

**অশ্বক্লান্ত মন্দিৰ**

গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰত পাহাৰৰ এটা টিলাত অৱস্থিত অশ্বক্লান্ত মন্দিৰ স্বৰ্গদেউ শিৱসিংহদেৱে সজাইছিল। মন্দিৰত দেখিবলৈ পোৱা কিছুমান শিলালিপিৰ পৰা অনুমান কৰিব পাৰি যে সেইবোৰ ১৬৬২ শকৰ (১৭২০ ইং)। অশ্বক্লান্ত মন্দিৰ সম্পৰ্কে বিভিন্ন জনে বিভিন্ন ধৰণে ব্যাখ্যা কৰি গৈছে। তাৰ ভিতৰ তিনিটা বিশ্বাস অথবা ব্যাখ্যা অতি গুৰুত্বপূৰ্ণ। প্ৰথমটোৰ মতে মহাপ্ৰভু শ্ৰীকৃষ্ণ মথুৰালৈ যাওঁতে এইডোখৰ ঠাইত জিৰণি লৈছিল; কিয়নো তেওঁৰ ৰথৰ ঘোঁৰাবোৰ ভাগৰি পৰিছিল। ব্ৰহ্মপুত্ৰ নদীৰ পাৰত পাহাৰৰ দাঁতিতে দেখা পোৱা কিছুমান গাঁত সদৃশ গঠন ঘোঁৰাবোৰৰ খুৰাৰ পদচিহ্ন বুলি ধাৰণা কৰিব পাৰি। কিছুমানৰ মতে এই গাঁতবোৰ শ্ৰীকৃষ্ণৰ ৰথৰ ঘোঁৰাৰ খুৰাৰ চিহ্ন; যেতিয়া তেওঁ নৰকাসুৰৰ সৈতে যুদ্ধ কৰিছিল। তৃতীয়টো বিশ্বাস মতে যেতিয়া অভিমন্যুক বধ কৰা হৈছিল তেতিয়া শ্ৰীকৃষ্ণই অৰ্জুনক সপ্তদোলা নামে এডোখৰ ঠাইলৈ লৈ গৈছিল। সেই সময়ত ৰথৰ ঘোঁৰাবোৰ ভাগৰি পৰাত এই ঠাইডোখৰ হেনো জিৰণি লৈছিল। সেয়ে ইয়াৰ নাম অশ্বক্লান্ত হৈছিল। ইয়াত ভক্তসকলে

মৃতকৰ শ্ৰাদ্ধৰ সৈতে জড়িত কিছুমান ধৰ্মীয় কাম-কাজ সম্পন্ন কৰে। অৱশ্যে জি. এন. ভূঞা আৰু পি.চি শৰ্মা (১৯৮৬)ৰ মতে আধুনিক গৱেষণা অনুসৰি এই গাঁতবোৰ পানীৰ গতিৰ ফলত সৃষ্টি হৈছে (অধিকাৰী, ২০০৮)।

অশ্বক্লান্ত বা অশ্বক্ৰান্তত দুটা প্ৰধান ধৰ্মীয় মন্দিৰ দেখিবলৈ পোৱা যায়। তাৰে এটা হ'ল 'কুৰ্ম জনাৰ্দন' আৰু আনটো হ'ল 'অনন্তশয়ী নাৰায়ণ'; দুয়োটাই প্ৰভু বিষ্ণু অৱতাৰ। জনাৰ্দন পাহাৰৰ দাঁতিত কুৰ্ম-জনাৰ্দন মন্দিৰৰ পথতে এটা শিলত এক অপৰিচিত দেৱতাৰ মূৰ্তি খোদিত হৈ আছে।

কূৰ্ম জনাৰ্দন মন্দিৰৰ গৰ্ভগৃহৰ পিছপিনে শিৰ বিহীন মানৱ কায়াৰ ভাস্কৰ্যৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায়। চাৰিটা ভগ্নাৱশেষ, এটা সম্ভৱত ফুলৰ চিহ্নেৰে খোদিত দ্বাৰৰ ভগ্নাৱশেষ, এটা সম্ভৱত খুটাৰ অংশ, দুটা সম্ভৱত মজিয়াৰ ভগ্নাংশ কূৰ্ম জনাৰ্দন মন্দিৰৰ সমীপত পৰি থকা পৰিলক্ষিত হৈছে।

**বশিষ্ঠ মন্দিৰ**

আহোম ৰজা ৰাজেশ্বৰ সিংহই ৮৩৫ বিঘা মাটি আশ্ৰমৰ বাবে দান কৰাৰ লগতে গুৱাহাটীৰ দক্ষিণ-পূব কোণত বশিষ্ঠ মন্দিৰ সজাইছিল। বৈদিক যুগৰেই বশিষ্ঠাশ্ৰম বশিষ্ঠমুনিৰ তপস্যাৰ স্থান হিচাপে জনা যায়। মেঘালয়ৰ পাহাৰৰ পৰা বৈ অহা নিজৰাই বশিষ্ঠ নদী হৈ এই আশ্ৰমৰ মাজেৰে বৈ গৈ বাহিনী বা ভৰলু নামেৰে গুৱাহাটীৰ মহানগৰীৰ মাজেৰে পাৰ হৈ গৈ ব্ৰহ্মপুত্ৰত পৰিছে। গুৱাহাটীৰ ব্যস্ত অঞ্চলৰ পৰা প্ৰায় ১৫ কি.মি. দূৰত অৱস্থিত এই বশিষ্ঠাশ্ৰম অন্য এক ধৰ্মীয় তথা পৰ্যটন স্থলী।

এই তীৰ্থভূমি প্ৰধানকৈ তিনিটা জুৰিয়ে আগুৰি আছে। সন্ধ্যা, ললিতা আৰু কান্তা। পুৰণি বিশ্বাস মতে এই তিনিটা জুৰিত গা ধুলে ভক্তৰ পাপ মোচন হোৱাৰ লগে লগে দীৰ্ঘায়ু লাভ হয়। প্ৰধানকৈ মহাদেৱ শিৱক এই মন্দিৰত আৰাধনা কৰা হয়। সন্ধ্যা, ললিতা আৰু কান্তা বশিষ্ঠমুনিৰ তিনি ভাৰ্যাৰ নাম। এই আশ্ৰমখনি বশিষ্ঠমুনিয়ে নিজেই প্ৰতিষ্ঠিত কৰিছিল বুলি মানি অহা হৈছে যদিও মন্দিৰটি আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৭৬৪ত নিৰ্মাণ কৰিছিল।

ছয়শ বছৰীয়া আহোম শাসনৰ ১৩ শৰ পৰা ১৯শ শতিকাৰ ভিতৰত





বশিষ্ঠাশ্ৰমেই অন্তিম কীৰ্তি আছিল বুলি কোৱা হয়। বিশ্বাস অনুসৰি বশিষ্ঠমুনিয়ে মহাৰাজ ইন্দ্ৰক অভিশাপ দিয়াৰ পৰিণতি হিচাপে প্ৰথম আহোম শাসকৰ জন্ম হৈছিল।

**উমানন্দ মন্দিৰ**

বৃহত্তৰ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ মাজত তিনিটা দ্বীপ আছে। সেইকেইটা হ'ল উমানন্দ (ময়ুৰদ্বীপ), উৰ্বশী আৰু কৰ্মনাশা। সেইকেইটাৰ ভিতৰত উমানন্দ বৃহত্তম। উমানন্দৰ ওপৰ ভাগত তিনিটা মন্দিৰ আছে- উমানন্দ, চক্ৰশেখৰ আৰু হৰগৌৰী আৰু লগতে শিলত কটা ভাস্কৰ্য আৰু স্থাপত্য।

উমানন্দ দেৱালয় বা মন্দিৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজ ভাগত অৱস্থিত। ইয়াৰ মূল দেৱতা উমানন্দৰ নামত নিৰ্মাণ কৰা বাবে ইয়াক উমানন্দ মন্দিৰ বা দেৱালয় বুলি জনা যায়। Assam Temple Ruina (JASB, 1855 আৰু Gait) মতে আদিতে এই দ্বীপটোৰ নাম 'ভস্মকুটা' আছিল। এই ঠাইখনক আগতে 'ভস্মাচল' বুলি জনা গৈছিল (কামৰূপ অনুসন্ধান সমিতি, পৃষ্ঠা ১০৬)। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰ ইয়াক ভস্মাচল, ভস্মকুটা আৰু ভস্মাছইল বুলি জনা গৈছিল। ভগৱান শিৱই উমাক ইমান ভাল পাইছিল যে তেওঁ চিৰদিনৰ বাবে ইয়াত বসতি আৰম্ভ কৰিছিল, সেয়েহে এই ঠাইখনক উমানন্দ বা উমানাথ বুলি জনা গৈছিল। এই দ্বীপটো দেখাত ময়ুৰ পক্ষীৰ দৰে বাবে ইংৰাজসকলে এই দ্বীপটোৰ নাম ময়ুৰদ্বীপ বুলি কৈছিল। ১৭ শ শতিকাতে এই মন্দিৰ নিৰ্মাণ হৈছিল। এই মন্দিৰটো নিৰ্মাণ কৰিছিল আহোম ৰজা গদাধৰ সিংহৰ বৰফুকন গড়গঞা সন্দিকৈয়ে। গদাধৰ সিংহৰ দিনতে এটা ইটাৰে নিৰ্মিত মন্দিৰ নিৰ্মাণ কৰা হৈছিল। মন্দিৰৰ ভিতৰত এটা শিৱ লিংগ আৰু শিৱই যাঁড় গৰুৰ ওপৰত বহি থকা ৰূপৰ প্ৰতিমূৰ্তি আছে। এখন ৰূপৰ লিপিত উল্লেখ আছে যে আহোম ৰজা শিৱসিংহই ৰূপৰ প্ৰতিমূৰ্তিটো দান কৰিছিল। প্ৰত্যেক বছৰে শিৱৰাত্ৰিৰ সময়ত যথেষ্ট শিৱ ভক্তৰ সমাগম ইয়াত দেখা যায়।

উমানন্দ দেৱালয় যিহেতু ব্ৰহ্মপুত্ৰৰ মাজত সেয়েহে ইয়ালৈ যোৱাৰ ব্যৱস্থা হ'ল ফেৰী আৰু মটৰ চালিত নাওঁ। ভগৱান শিৱৰ নামত যিহেতু মন্দিৰটো

উৰ্চগিত সেয়েহে ইয়াত সূৰ্য, গণেশ আৰু দেৱীৰ মূৰ্তিও খোদিত কৰা আছে। মন্দিৰৰ বেৰবোৰটো স্থাপত্য আৰু ভাস্কৰ্যৰ উল্লেখযোগ্য চানেকি আছে।

**ভীমাশঙ্কৰ মন্দিৰ**

পামহীৰ ভীমাশঙ্কৰ মন্দিৰটো নব্বৈৰ দশকতহে এই নামেৰে নামাকৰণ কৰা হৈছিল। আদিতে ইয়াক 'পচধৰা' মন্দিৰ নামেৰে জনা গৈছিল। আদিতে এই মন্দিৰটো ওচৰ-পাজৰৰ জনজাতীয়লোকসকলে ঠিক বাৰিষা অহাৰ আগতে পূজা এভাগ আগবঢ়াইছিল। পাঁচটা সৰু সৰু নিজৰাৰ পানী লগ হৈ এই মন্দিৰৰ মাজেৰে বৈ আহিছিল বাবে ইয়াক পচধৰা মন্দিৰ বুলি জনা গৈছিল। কথিত আছে যে ল'ৰা-ছোৱালী নোহোৱা দম্পতীসকলে ইয়াৰ শিল বোকোচাত ল'লে সন্তান প্ৰাপ্তি হৈছিল। মন্দিৰ বুলি ক'লেও ইয়াত কোনো মন্দিৰ নাই, মুক্ত আকাশৰ তলতে ইয়াত পূজা-পাৰ্বণ কৰা হয়। আদিতে ইয়াত যে মন্দিৰ আছিল তাৰ ভগ্নাৱশেষ অৱশ্যে অত'-ত'ত সিঁচৰতি হৈ আছে। এই ভগ্নাৱশেষবোৰ যদি ভালদৰে পৰ্যৱেক্ষণ কৰা হয় তেতিয়া এই মন্দিৰটো খৃঃ সপ্তম শতিকা মানতে নিৰ্মাণ হোৱা যেন লাগে। প্ৰায় খৃঃ ২০০০ চন মানত কিছু সংখ্যক লোকে ইয়াত এটা মন্দিৰ নিৰ্মাণ কৰিবলৈ ওলাইছিল। তেওঁলোকে কামো প্ৰায় আৰম্ভ কৰিছিল; কিন্তু এই কাৰ্য আৰম্ভ হোৱাৰ লগে লগে বিভিন্ন বিশৃংখলতা পামহী অঞ্চলত দেখা গৈছিল আৰু স্থানীয়লোকে মন্দিৰ নিৰ্মাণৰ বাবে এনে হোৱা বুলি ভাৰি কাম বন্ধ কৰিছিল আৰু সকলোবোৰ ভাঙি পেলাইছিল।

খৃঃ নব্বৈৰ দশকত এজন মহাৰাষ্ট্ৰীয় সাধু দ্বাদশ জ্যোৰ্তিলিংগ বিচাৰি আহি পামহী অঞ্চলত উপস্থিত হৈছিল। তেওঁ আহি আমাৰ ঘৰত প্ৰৱেশ কৰিছিল আৰু আমাক এই মন্দিৰলৈ নিবলৈ অনুৰোধ কৰিছিল। তেওঁৰ অনুৰোধ মৰ্মে আমি কেইজনমান ওচৰ-চুবুৰীয়াক লগত লৈ মন্দিৰলৈ গৈছিলো। তেতিয়া আজিৰ দৰে ৰাস্তা-পথ নাছিল। আমি হাবি-জংঘল ফালি লুংলুঙীয়া পথেৰে খোজ কাঢ়ি তাত উপস্থিত হৈছিলোঁ। উপস্থিত হৈয়েই তেওঁ মন্ত্ৰ-জপ কৰাত লাগি গৈছিল। প্ৰায় ৪৫ মিনিট মান সময় তেওঁ জপ কৰাৰ পিচত তেওঁ কৈছিল যে এইটোৱেই অনাৱিস্কৃত দ্বাদশ জ্যোৰ্তিলিংগ। এইদৰে স্থানীয় লোক তথা





ভক্তসকলে ইয়াৰ নাম ভীমাশঙ্কৰ জ্যোৰ্তিলিংগ বুলি নামাকৰণ কৰিছিল। পুৰাণত উল্লেখ আছে যে দাকিনী পাহাৰৰ নামনিত এটা জ্যোতিলিংগ আছে। স্থানীয়লোকসকলে ইয়াক 'দাইনী বামা' পাহাৰ বুলি কয়। এই 'দাইনী বামা' পাহাৰৰ নামনিতেই এই মন্দিৰটো অৱস্থিত।

সময় আগবঢ়াৰ লগে লগে ইয়াত ভক্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। 'ব'লব'ম' আৰু শিৱৰাত্ৰিত হাজাৰ হাজাৰ লোক ইয়াত পূজা এভাগ আগবঢ়ায়। অৱশ্যে এটা কথা উল্লেখনীয় যে ইয়াৰ মুখ্য পূজাৰীসকল স্থানীয় জনজাতীয়লোক।

—+—

# লেখক পৰিচিতি

**নিৰুপমা বৰগোহাঞি**

(১৯৩১ খ্ৰীঃত জন্ম) অসমীয়া সাহিত্যৰ এগৰাকী আগশাৰীৰ সাহিত্যিক আৰু সাংবাদিক। সাহিত্যিক হিচাপে এওঁ প্ৰধানকৈ ঔপন্যাসিক আৰু গল্পকাৰ। কিন্তু চিন্তামূলক গদ্য সাহিত্যতো এওঁৰ মূল্যৱান অৰিহণা আছে। সচেতন নাৰীবাদী ঔপন্যাসিকা হিচাপে এওঁৰ 'অন্য জীৱন' আৰু 'অভিযাত্ৰী' বিশেষভাৱে উল্লেখযোগ্য। 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' (দুটা খণ্ডত) এওঁৰ আত্মজীৱনী। এওঁৰ আন কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল 'অনেক আকাশ', 'নদী নিৰবধি' আদি।

**ড° নিৰ্মল কুমাৰ চৌধুৰী**

(১৯৩৬ খ্ৰীঃত জন্ম) গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য। শিলচৰৰ আৰ. ই. চি.কে ধৰি বিভিন্ন কাৰিকৰী অনুষ্ঠানৰ প্ৰাক্তন মুৰব্বী প্ৰশাসক ড° চৌধুৰী এগৰাকী অধ্যয়নপুষ্ট, চিন্তাশীল ব্যক্তি আৰু নিজৰ কাৰিকৰী বিষয়ত মৌলিক অৰিহণাসম্পন্ন লোক।

**ড° অনিমা গুহ**

(১৯৩২ খ্ৰীঃত জন্ম) ড° অনিমা গুহ কটন মহাবিদ্যালয়ৰ পৰা আই. এ আৰু বি.এছ.চি ডিগ্ৰী লয় আৰু দিল্লী বিশ্ববিদ্যালয়ৰ পৰা (Anthropology) নৃতত্বত এম.এছ.চি ডিগ্ৰী লাভ কৰে ১৯৬২ চনত। ইয়াৰ পিছত পুণে বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁ কোনো চৰকাৰী চাকৰি কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰি সাহিত্য জগতত সোমাই পৰে আৰু ১৯৭১ চনৰ পৰা এতিয়ালৈ নিৰবিচ্ছিন্নভাৱে বিভিন্ন অসমীয়া বাতৰি কাকত, আলোচনী আদিত প্ৰবন্ধ পাতি লিখি আছে। তেওঁ লিখা বিভিন্ন কিতাপৰ ভিতৰত আছে 'সোঁতৰ বিপৰীতে', 'পিতাল পুত্ৰিকা', 'বাকীছোৱা জীৱন', 'বিপন্ন প্ৰজাতি' ইত্যাদি। প্ৰগতিশীল





লেখিকা আৰু অনুবাদিকা হিচাপেও তেখেতৰ নাম পৰিচিত। ২৯ জুলাই, ২০২১ চনত তেওঁ আমাৰ মাজৰ পৰা চিৰ বিদায় লয়।

**ড° গোৱিন্দ প্ৰসাদ শৰ্মা**

(খ্ৰীঃত ১৯৪০ জন্ম)গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী প্ৰাধ্যাপক আৰু কলা বিভাগসমূহৰ কলাগুৰু ড° গোৱিন্দ প্ৰসাদ শৰ্মা। এখেত অকল পণ্ডিত সমালোচকেই নহয়; এই পৰ্যন্ত প্ৰকাশিত চাৰিটা গল্প-সংকলন আৰু ত্ৰিতত্বৰ আৰ্হিৰ তিনিখন উপন্যাসিকাৰ এটি সংকলনেৰে গল্পকাৰ-ঔপন্যাসিক হিচাপেও সুপৰিচিত। ইংৰাজী আৰু অসমীয়া, দুয়োটা ভাষাতে সাহিত্য চৰ্চা কৰা ড° শৰ্মাৰ ভাৰতীয় ইংৰাজী উপন্যাসৰ আলোচনা গ্ৰন্থ হ'ল- Nationallism in IndoAnglian Fiction । সমালোচক হিচাপে এখেতৰ খ্যাতি প্ৰধানতঃ জীৱনী সাহিত্য আৰু উপন্যাসৰ তাত্ত্বিক সমালোচনাৰ বাবে। এখেতৰ জীৱনী সাহিত্যৰ মূল গ্ৰন্থ হ'ল- "জীৱনী আৰু অসমীয়া জীৱনী"। সেইদৰে এখেতৰ "উপন্যাস আৰু অসমীয়া উপন্যাস"খন বহুলভাৱে আদৃত। অসমত নাৰীবাদী চিন্তা আৰু নাৰীবাদী সমালোচনাৰ বাটকটীয়া হিচাপে খ্যাতি অৰ্জা ড° শৰ্মাৰ এই বিষয়ৰ গ্ৰন্থখন হ'ল "নাৰীবাদ আৰু অসমীয়া উপন্যাস"। ড° শৰ্মাৰ দ্বাৰা সম্পাদিত 150 Years of Journalism in Assam (Media Trust, Guwahati) এখনি প্ৰধান গ্ৰন্থ। এখেতৰ ইংলেণ্ড আৰু আমেৰিকা ভ্ৰমণৰ বাস্তৱ অভিজ্ঞতাৰ কাহিনী "ডেফডিল ফুল দেখিছা"ই উপন্যাসতকৈয়ো মনোৰম বুলি ইতিমধ্যে বহুল জনপ্ৰিয়তা অৰ্জন কৰিছে।

**ড° অঞ্জলি শৰ্মা**

(১৯৪২ খ্ৰীঃত জন্ম) ড° অঞ্জলি শৰ্মাই শিৱসাগৰ ছোৱালী কলেজত অধ্যাপনা আৰম্ভ কৰাৰ পিছত ১৯৬৮ চনত গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজত অসমীয়াৰ অধ্যাপিকা হিচাপে যোগদান কৰে। ২০০২ খ্ৰীঃত এই কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰে। ড° মহেশ্বৰ নেওগৰ তত্ত্বৱধানত অসমীয়া জীৱনী সাহিত্যৰ ওপৰত গৱেষণা কৰি পি.এইচ.ডি

ডিগ্ৰী লাভ কৰে। তেওঁৰ এই গৱেষণা গ্ৰন্থ Among the Luminaries in Assam। নাৰীবাদী চিন্তাৰে ৰচনা কৰা এওঁৰ গৱেষণালব্ধ, সমালোচনামূলক জীৱনী গ্ৰন্থ হ'ল- 'চন্দ্ৰপ্ৰভা'।

**ড° দংশী বৰ্মন**

(১৯৩৭ খ্ৰীঃত জন্ম) অসম চৰকাৰৰ এজন অৱসৰপ্ৰাপ্ত, সুদক্ষ উচ্চ প্ৰশাসনিক বিষয়া। "অসমৰ ভূমি-ৰাজহ প্ৰশাসন আৰু কৃষিগত সংস্কাৰ" বিষয়ত ডক্টৰেট ডিগ্ৰীধাৰী ড° বৰ্মনে বহুতো ভূমি-নীতি আৰু সংস্কাৰ বিষয়ত গৱেষণাপত্ৰ আৰু প্ৰৱন্ধ পাতিৰ ৰচক। তেখেতক সম্প্ৰতি অসম চৰকাৰে ভূমিনীতি প্ৰণয়ন বিষয়ক এক উচ্চক্ষমতাসম্পন্ন সমিতিৰ সদস্য নিয়োগ কৰিছে।

**মিনু দেৱী**

১৯৫২ খ্ৰীঃত জন্ম) মিনু দেৱী দিশপুৰ কলেজৰ প্ৰাক্তন গ্ৰন্থাগাৰিক তথা এগৰাকী সুপ্ৰতিষ্ঠিত লেখিকা। ইতিমধ্যে এগৰাকী কথা-সাহিত্যিক হিচাপে প্ৰতিষ্ঠা লাভ কৰা মিনু দেৱীৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল- জ্বলে বহ্নিশিখা (গল্প সংকলন), জয়পুৰত জৰাবাৰীৰ নাচনী (উপন্যাস), মন্দিৰৰ অসুৰ (উপন্যাস, সুহাচিনিৰ সৈতে এবছৰ (ওগো বিদেশী, অনুবাদ উপন্যাস), দুৰ্গেশ্বৰ বৰঠাকুৰ ৰচনাৱলী (সম্পাদনা) ইত্যাদি। উল্লিখিত গ্ৰন্থসমূহৰ উপৰি বিভিন্ন কাকত আলোচনীত তেওঁৰ গল্প, প্ৰবন্ধ আদি প্ৰকাশ পাইছে। বড়ো ভাষাৰ ক্ষেত্ৰত বিশেষ দক্ষতা অৰ্জন কৰা মিনু দেৱী অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু মঙ্গলচণ্ডী মহিলা সমিতিৰ সভাপতি। তদুপৰি মিনু দেৱী অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনপ্ৰাপ্ত লেখিকা।

**ধীৰেন্দ্ৰ নাথ কলিতা**

শ্ৰী ধীৰেন্দ্ৰ নাথ কলিতা উত্তৰ গুৱাহাটীৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা সাহিত্যিক। কাগজে পত্ৰই তথা বিভিন্ন কিতাপত তেওঁৰ বহুতো প্ৰৱন্ধ পাতি প্ৰকাশ পাইছে। তেওঁ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।





**লীলাধৰ হাজৰিকা**

(১৯৫৫ খ্ৰীঃত জন্ম) গুৱাহাটী বিশ্ববিদ্যালয় আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক (অৱসৰপ্ৰাপ্ত) তথা লোকসংস্কৃতিৰ গৱেষক লীলাধৰ হাজৰিকা। তেওঁৰ প্ৰকাশিত গ্ৰন্থ সমূহৰ ভিতৰত কবিতা পুথি- 'বালিচ', 'প্ৰতিটো শব্দত, 'দপৰ্বতীয়াৰ ছোৱালী দুজনী, 'পোৱামাটিৰ গান', 'স্মৃতিত প্ৰেমৰ জোনাক'। শিশু উপন্যাস- 'পাপৰিৰ সুৰভি, 'নীলা পাহাৰ আৰু শুকুলা বালিৰ মাজে মাজে'। নাট্য সাহিত্য - 'চিৰ মুক্তিৰ পৰা শৰশয্যালৈ' (এক ডজন নাটকৰ সংকলন), 'এটা বাঘৰ মৃত্যু (চুটি নাট)। প্ৰৱন্ধ সংকলন- 'সাহিত্যৰ কাঁচিয়লি সুবাস', 'অসমৰ ঠাইৰ নামত লোকসাংস্কৃতিক উপাদান আৰু ইয়াৰ ঐতিহ্য, 'অসমীয়া সাহিত্যত একাংকিকা নাটক অন্যান্য নাটক বিষয়ক আৰু দুখন একাংকিকা ইত্যাদি।

**কাপুৰ চান্দ জৈন ঃ**

(১৯৪২ খ্ৰীঃত জন্ম) কাপুৰ চান্দ জৈন মাৰোৱাৰী তথা জৈন সম্প্ৰদায়ৰ এজন লেখত লবলগীয়া ব্যক্তি। হিন্দী, অসমীয়া আৰু ইংৰাজী ভাষাত তেওঁ বিভিন্ন কিতাপ লিখিছে। বিভিন্ন আলোচনী, বাতৰি কাকত ইত্যাদিৰ তেওঁ এগৰাকী নিয়মীয়া লেখক। ১৯৬৯ চনতে তেওঁ 'কামৰূপ চেম্বাৰচ্ অফ্ কৰ্মাচ'ৰ সাধাৰণ সম্পাদক নিযুক্ত হৈছিল। বৰ্তমান তেওঁ লক্ষ্ণৌৰ পৰা প্ৰকাশিত সাপ্তাহিক বাতৰি কাকত জৈন গেজেট (Jain Gazette)ৰ মুখ্য সম্পাদক।

**জ্যোৎস্না দেৱী**

গুৱাহাটীৰ তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা জ্যোৎস্না দেৱী এগৰাকী লেখিকা তথা আবৃত্তিকাৰ। জ্যোৎস্না দেৱীৰ ইতিমধ্যে 'বিবক্ষা', 'অনুভূতিৰ সুঁতি' শীৰ্ষক কবিতা সংকলন প্ৰকাশ কৰিছে। 'অৱলোকন', কিশোৰ কিশোৰীসকলৰৰ বাবে লিখা গল্প 'বাৰ্লক' নামৰ গল্প সংকলনো প্ৰকাশ কৰিছে। তদুপৰি কেইবাখনো আলোচনী সম্পাদনা কৰিছে।

উল্লেখিত গ্ৰন্থসমূহৰ উপৰি বিভিন্ন কাকত আলোচনীত তেওঁৰ গল্প, প্ৰবন্ধ আদি প্ৰকাশ পাইছে।

**ভূৱন লহকৰ**

ভূৱন লহকৰে বি. বৰুৱা কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এছ.চি, এম.ফিল ডিগ্ৰী লাভ কৰে। বি. বৰুৱা কলেজত ২৬ বছৰ অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰে। তেওঁ ''ৰিজিয়'নেল গভৰ্ণমেণ্ট ফিল্ম এণ্ড টেলিভিশ্যন ইনষ্টিটিউটৰ 'গেষ্ট ফেকাল্টি মেম্বাৰ'। তেওঁ গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ 'আউট চাইড এক্সপাৰ্ট মেম্বাৰ'ৰ উপৰি গুৱাহাটী চিনে ক্লাৱৰ ভূতপূৰ্ব সভাপতি আছিল। কানাডা (ওন্টাৰিঅ' প্ৰভিঞ্চ)ৰ ''চাদবেৰী ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেল''ত যোগদান কৰি চেমিনাৰত 'পেপাৰ' পাঠ কৰে। তদুপৰি ওৱাইচ কুৰ্নী বড়াৰ 'প্ৰিয়জন' ছবিৰ সহকাৰী পৰিচালক আছিল। অসমীয়া আৰু ইংৰাজী কাকত, আলোচনীত চলচ্চিত্ৰ আৰু কলা-সংস্কৃতি সম্পৰ্কীয় বহুতো প্ৰবন্ধ প্ৰকাশ কৰিছে। বিভিন্ন কাকত-আলোচনীত 'শেষ সন্ধিয়াৰ সুৰ', 'নিজাম চাহাবৰ ঘোঁৰা বাগী', 'স্বৰ্ণ মুদ্ৰা', ৰজনীগন্ধাৰ ঠিকনা', 'ৰংঘৰে মেলিব দুৱাৰ' 'ধৰিত্ৰীৰ দিন-ৰাতি', প্ৰফেচাৰ জিৰ', 'দুনিয়া ফুলনি বাৰী' আদি উপন্যাস প্ৰকাশ পাইছে। 'নিজৰা পাৰৰ ভূপেন হাজৰিকা' তেওঁৰ এখন উল্লেখ্যযোগ্য গ্ৰন্থ।

**ৰমণী ডেকা**

(১৯৩৫ খ্ৰীঃত জন্ম) ১৯৫৬ চনত কটন কলেজৰ পৰা বুৰঞ্জীত অনাৰ্চসহ বি.এ ডিগ্ৰী লাভ কৰে। কলিকতা প্ৰেচিডেন্সি কলেজৰ পৰা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ পাছত অসম প্ৰশাসনিক সেৱাত যোগদান কৰে। জ্যেষ্ঠ প্ৰশাসনিক বিষয়া হিচাপে ১৯৯২ চনত অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পাছত অসমীয়া আৰু ইংৰাজী কাকতত বিভিন্ন বিষয়ত লিখিবলৈ আৰম্ভ কৰে। তেখেতে কেবাখনো আলোক সন্ধানী গ্ৰন্থ লিখি উলিয়াইছে যেনে- "The Night of other day", স্মৃতি বৰ্ণালী। তেখেতৰ তথ্য সমৃদ্ধ লেখাসমূহ অসমৰ বিভিন্ন কাকত পত্ৰত প্ৰকাশ পাইছে।





**দয়াৰাম কাথাৰ**

(১৯৪১ খ্ৰীঃত জন্ম) দয়াৰাম কাথাৰে প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ হৈয়েই তেওঁ মইনাখোৰোং মজলীয়া বিদ্যালয়ত সহ শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছিল। ১৯৯১ চনৰ পৰা ১৯৯৯ চনৰ ৩১ আগষ্টলৈ তেওঁ মইনাখোৰোং মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। তেওঁ কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰিছে। গ্ৰন্থ সমূহ হ'ল- 'কেন্দ্ৰীয় দেহাল কাচিৰ্দমৰ চমু ইতিবৃত্ত', 'ডুমুৰালী কাৰবি আতাম', 'অতীতৰ মহান কাৰ্বিসকল' 'শ্ৰীকৃষ্ণ গীতা' (ভাবানুবাদ), 'কামৰূপীয়া কাৰবি আতামৰ ভাঙনি', 'শ্ৰীশ্ৰী শিৱগীতা' (ভানুবাদ), 'ডুমুৰালী কাৰ্বি লোক সংস্কৃতি', 'ডুমুৰালী কাৰ্বি ভাষা', 'কথা আদি যামল', 'পামহীত অৱস্থিত তিনিখন ধৰ্মীয় অনুষ্ঠানৰ ইতিবৃত্ত' ইত্যাদি।

**ড° ৰাণী মুদিয়াৰ ডেকা**

১৯৬২ চনৰ ২ মাৰ্চত জন্মগ্ৰহণ কৰা ড° ৰাণী মুদিয়াৰ ডেকা এগৰাকী বিশিষ্ট সাহিত্যিক তথা দিশপুৰ মহাবিদ্যালয়ৰ বৰ্তমানৰ উপাধ্যক্ষা। তেওঁ লিখা বিভিন্ন কিতাপসমূহ হ'ল- 'অৰ্থনৈতিক ডায়েৰী', 'আমাৰ অৰ্থনীতি ঃ সমস্যা আৰু সম্ভাৱনা', 'বাৰে ৰহণীয়া', 'সম্পাদকীয় স্তম্ভৰ অনুভৱ, বিষয়ঃ অৰ্থনীতি', 'অৰ্থনীতি বিচিত্ৰা' উচ্চতৰ মাধ্যমিক অৰ্থবিজ্ঞানৰ পাঠ্যপুথি ইত্যাদি। ইয়াৰোপৰি তেওঁৰ বিভিন্ন বাতৰি কাকত, আালোচনী ইত্যাদিত নিয়মিত ধৰণে আৰ্থ সামাজিক বিষয়ৰ ওপৰত প্ৰৱন্ধপাতি প্ৰকাশ হৈ থাকে।

**ড° ৰীণা চৌধুৰী**

(১৯৬২ খ্ৰীঃত জন্ম) ড° ৰীণা চৌধুৰী বৰ্তমান দিশপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা হিচাপে কৰ্মৰত। তেখেতে ড° মালিনী গোস্বামীৰ তত্ত্বাৱধানত 'সাহিত্যত ব্ৰহ্মপুত্ৰ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (অসমীয়া সাহিত্যৰ বিশেষ উল্লিখনসহ)' বিষয়ৰ গৱেষণাত ২০০৬ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰে। 'প্ৰৱন্ধ প্ৰচ্ছায়া', 'প্ৰৱন্ধ কস্তুৰী', 'সাহিত্যত ব্ৰহ্মপুত্ৰ' (অসম প্ৰকাশন পৰিষদ) ইত্যাদি গ্ৰন্থ প্ৰকাশৰ লগতে কেতবোৰ গৱেষণামূলক প্ৰৱন্ধ কাকত-আলোচনীত প্ৰকাশ পাইছে।

**ড° মামণি কলিতা**

(১৯৭৪ খ্ৰীঃত জন্ম) দিছপুৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সহযোগী তথা মুৰব্বী অধ্যাপিকা। অধ্যাপিকা ড° কলিতাই কলেজ পৰ্যায়ৰ একাধিক পাঠ্যপুথি ৰচনা কৰিছে- যেনে- 'জ্ঞান বিদ্যা আৰু পৰাবিদ্যা' আৰু 'ভাৰতীয় দৰ্শন'। কাকতে পত্ৰই প্ৰৱন্ধ লিখে। ইয়াৰোপৰি তেওঁৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বহুতো গৱেষণা পত্ৰ প্ৰকাশ পাইছে। অসম সাহিত্য সভাই প্ৰকাশ কৰা বিশ্বকোষ (দশম খণ্ড)তো তেওঁৰ প্ৰৱন্ধ প্ৰকাশ পাইছে।

**ড° সঞ্জীৱ কুমাৰ শৰ্মা**

শ্বিলং পাৰ্বত্য বিশ্ববিদ্যালয়ৰ পৰা পি.এইছ.ডি ডিগ্ৰী লাভ কৰা ড° সঞ্জীৱ কুমাৰ শৰ্মাই বৰ্তমান দিশপুৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী তথা মুৰব্বী অধ্যাপক হিচাপে কৰ্মৰত। শ্ৰীমন্ত শঙ্কৰদেৱ এণ্ড ভক্তি মুভমেন্ট অফ্ আসাম, নেৰেটিং নৰ্থ ইষ্ট কালচাৰেল পাৰস্পেক্টিভ, বৈদিক যজ্ঞ পদ্ধতি, ডাইনামিকচ্ছ অফ্ কালচাৰ, কালচাৰেল কন্টোৰ, এশ বছৰৰ অসমীয়া সাহিত্য পৰিক্ৰমা, ৰঙ্গলিপি, অসম নাট্য সন্মিলনৰ পত্ৰিকা ৰঙ্গমঞ্চ আদি কৰি কেবাখনো ইংৰাজী আৰু অসমীয়া গ্ৰন্থৰ সম্পাদনা কৰাৰ উপৰি কেবাখনো মৌলিক গ্ৰন্থৰ ৰচক, বিভিন্ন কাকত, আলোচনী আদিত গল্প, প্ৰৱন্ধ প্ৰকাশেৰে সাহিত্য জগতখনত অৱদান আগবঢ়াই আহিছে। ড° শৰ্মা অসম সাহিত্য সভাৰ ভূতপূৰ্ব সম্পাদক তথা বৰ্তমানৰ মুখপাত্ৰ।

**পংকজ কুমাৰ কাথাৰ**

দিশপুৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক পংকজ কুমাৰ কাথাৰ ১৯৭০ চনৰ ২৮ জানুৱাৰীত জন্ম কৰে। মইনাখোৰোং মজলীয়া বিদ্যালয়ত সপ্তম শ্ৰেণীলৈ অধ্যয়ন কৰি ১৯৮৬ চনত বেতকুছি হাইস্কুলৰৰ পৰা মেট্ৰিক পৰীক্ষাত উৰ্ত্তীণ হয়। ১৯৯১ চনত কটন কলেজৰ পৰা স্নাতক পৰীক্ষাত উৰ্ত্তীণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৯৫ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি বজালী মহাবিদ্যালয় (পাঠশালা) ত প্ৰৱক্তা হিচাপে যোগদান কৰে আৰু ২০১২ চনৰ ফেব্ৰুৱাৰী মাহত দিশপুৰ মহাবিদ্যালয়ত বুৰঞ্জী বিভাগত যোগদান কৰে।





১০৭

